UG SO S2-01
(DSC / DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন. ই. পি. ২০২০ অনুসৰি)
দ্বিতীয় ষাণ্মাসিক

ভাৰতীয় সমাজ

সমাজতত্ত্ব

সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক জ্যোতিপ্রসাদ শইকীয়া, ডিব্রুগড় বিশ্ববিদ্যালয়

ড° নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ

ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	বিবেক ভূঁঞা, ডি.এ.ভি. মহাবিদ্যালয়, চণ্ডীগড়	গিতাঞ্জলি মেধি
২	গার্গী গায়ন, কৃ কা স ৰা মু বি	দ্বিপাঞ্জলী গোস্বামী
৩, ৭	ড° উপলা বৰুৱা, কটন বিশ্ববিদ্যালয়	ড° উপলা বৰুৱা
৪, ৫, ৬,	স্তুতিমা বশিষ্ঠ, জি. আই. এম. টি., তেজপুৰ	গিতাঞ্জলি মেধি
৮	প্রীতিমা গগৈ, জে. এন. ইউ.	গিতাঞ্জলি মেধি
৯	পূজা কটকী, গুৱাহাটী	তুলিকা দেৱী
১১	প্রতীষা বৰুৱা, জে. এন. ইউ.	গিতাঞ্জলি মেধি
১২	ড° এচ. ৰাই. শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়	উদ্দীপন দত্ত
১৩, ১৪	চিহ্নিতা বৰুৱা, জে. এন. ইউ.	গিতাঞ্জলি মেধি (অধ্যায় ১৩) দ্বিপাঞ্জলী গোস্বামী (অধ্যায় ১৪)
১৫	স্তুতিমা বশিষ্ঠ, জি. আই. এম. টি., তেজপুৰ	গিতাঞ্জলি মেধি

সম্পাদনা ঃ

মূল ইংৰাজী সম্পাদনা : চৈবাম হৰিপ্রিয়া, টাটা ইনষ্টিটিউট অৰ ছোচিয়েল চায়েন্সচ, গুৱাহাটী

অসমীয়া ভাষা সম্পাদনা : ড০ স্নিগ্ধা মহন্ত, ধিং মহাবিদ্যালয়, নগাঁও

গাঁথনিক সম্পাদনা : ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৮, দ্বিতীয় প্রকাশ ঃ জানুৱাৰী, ২০২৪

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

Headquarter : Patgaon, Rani Gate, Guwahati - 781017

City Campus : Resham Nagar, Khanapara, Guwahati-781022; Web: www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

স্নাতক মহলাৰ দ্বিতীয় যান্মসিকৰ 'ভাৰতীয় সমাজ' শীৰ্ষক পাঠ্যবিষয়টোত ভাৰতীয় সমাজৰ বিভিন্ন দিশ, বিশেষকৈ ইয়াৰ প্রধান সামাজিক সংস্থাবোৰৰ ওপৰত আলোকপাত কৰা হৈছে। **অধ্যায় ১** ত ভাৰতৰ বৈচিত্র্য আৰু এনে বৈচিত্র্য সত্বেও বর্তি থকা একতা সম্পর্কে আলোচনা কৰা হৈছে। **অধ্যায় ২** ত ভাৰতত অস্তিত্ব থকা সমাজবোৰৰ প্রকাৰ বহলাই বর্ণনা কৰা হৈছে। ভাৰতীয় সমাজৰ পটভূমিত পৰিয়াল আৰু বিবাহ সংস্থাৰ ব্যাখ্যা হ'ল **অধ্যায় ৩** ৰ বিষয় । **অধ্যায় ৪** -ত ভাৰতৰ স্বজনতা ব্যৱস্থা সম্পর্কে আলোচনা কৰা হৈছে। **অধ্যায়-৫** আৰু **অধ্যায় ৬** ত ভাৰতীয় জাতি ব্যৱস্থা, ইয়াৰ বৈশিষ্ট্য, প্রকাৰ আৰু পৰিৱর্ত্তিত মাত্রাৰ আলোচনাক স্থান দিয়া হৈছে। **অধ্যায় ৭** ত ভাৰতৰ জনজাতি সম্প্রদায়বোৰৰ বিষয়ে আলোচনা কৰা হৈছে। ভাৰতীয় সমাজত নাৰীৰ প্রস্থিতি আলোচনা হ'ল **অধ্যায় ৮** ৰ বিষয়। ভাৰতীয় অর্থনীতিৰ প্রকৃতি আৰু বিৱর্তন হ'ল **অধ্যায় ৯** ত আলোচনা কৰা বিষয়। **অধ্যায় ১০** ত ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ বিভিন্ন দিশ ব্যাখ্যা কৰা হৈছে। গ্রাম্য সামাজিক শ্রেণী সংৰচনা আৰু ভাৰতৰ ভূমি সংস্কাৰ নীতিৰ ওপৰত বিশেষভাৱে আলোকপাত কৰি **অধ্যায় ১১** ত ভাৰতৰ গ্রাম্য জীৱন সম্পর্কে আলোচনা কৰা হৈছে। শিক্ষার্থীসকলক গ্রাম্য ক্ষমতা সংৰচনাটো বুজোৱাৰ প্রয়াস কৰা **অধ্যায় ১২** ত আলোচিত কেন্দ্রীয় বিষয়টো হ'ল গ্রাম্য নেতৃত্ব। **অধ্যায় ১৩** ত কেনেদৰে বিভিন্ন প্রক্রিয়াই ভাৰতৰ সামাজিক পৰিৱর্তনলৈ অৱদান আগবঢ়াইছে সেয়া আলোচনা কৰা হৈছে। **অধ্যায় ১৪** আৰু **অধ্যায় ১৫** ত ভাৰতৰ বিভিন্ন সামাজিক সমস্যা আৰু বিষয় আলোচনা কৰা হৈছে।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ভাৰতীয় সমাজ ঃ বৈচিত্র্যৰ মাজত ঐক্য** ৭-২৫

সমাজ আৰু সংস্কৃতি, সমাজ আৰু সংস্কৃতিৰ অর্থ তথা সংজ্ঞা, মহান ভাৰতীয় সমাজ আৰু সংস্কৃতি, ঐক্যৰ অর্থ আৰু ধাৰণা, বৈচিত্র্যৰ অর্থ আৰু ধাৰণা, ভাৰতত বৈচিত্র্যৰ ৰূপ, ভূ ভৌতিক বৈচিত্র্য, গোষ্ঠীভিত্তিক বৈচিত্র্য, ধর্মীয় বৈচিত্র্য, ভাষাভিত্তিক বৈচিত্র্য, বৈচিত্র্যৰ মাজত ঐক্য

অধ্যায় ২ ঃ **ভাৰতীয় সমাজৰ প্রকাৰসমূহ** ২৬ -৩৬

চহৰীয়া সমাজ, চহৰৰ শ্রেণীবিভাজন, চহৰীয়া সমাজৰ সমস্যাসমূহ, ভাৰতবর্ষত গ্রাম্য সমাজ, ভাৰতবর্ষৰ গাঁওসমূহৰ প্রকাৰ, গ্রাম্য স্থানীয় স্বায়িত্ব শাসন, স্থানীয় স্বায়িত্বশাসিত পদ্ধতিৰ আসোঁৱাহসমূহ, ভাৰতবর্ষৰ জনজাতীয় সমাজ, জনজাতীয় সমাজৰ প্রতি দৃষ্টিভংগী, ভাৰতীয় সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুচ্ছেদৰ গুৰুত্ব, সাৰাংশ

অধ্যায় ৩ ঃ **পৰিয়াল আৰু বিবাহ** ৩৭-৫২

পৰিয়াল আৰু বিবাহৰ অভিধাৰণা, সংজ্ঞা, পৰিয়াল আৰু বিবাহৰ সম্পর্ক, সম্পর্কিত অভিধাৰণা, পৰিয়ালৰ প্রকাৰ, প্রাথমিক পৰিয়ালসমূহ, জটিল বা যৌগিক পৰিয়ালসমূহ, পৰিয়াল গঠনৰ আভিত্তি, ভাৰতত পৰিয়াল আৰু বিবাহ, পৰিয়ালৰ কেইটামান গুৰুত্বপূর্ণ উপাদান, আৱাসিক গোট (Household), পুৰুষ প্রাধান্য, লিংগভিত্তিক শ্রমবিভাজন

অধ্যায় ৪ ঃ **স্বজনতা ব্যৱস্থা** ৫৩-৭২

স্বজনতা ঃ অর্থ আৰু সংজ্ঞা, স্বজনতাৰ প্রকাৰ আৰু মাত্রা, স্বজনতাৰ ৰীতি আৰু প্রতিষিদ্ধ কার্য, ভাৰতৰ বিভিন্ন ভৌগলিক মণ্ডলত স্বজনতাৰ গাঁথনি আৰু বিন্যাস

অধ্যায় ৫ ঃ **ভাৰতত জাতি** ৭৩-৮৭

জাতি ঃ অর্থ আৰু বৈশিষ্ট্য, জাতি আৰু বর্ণ, জাতি আৰু শ্রেণীৰ মাজৰ প্রভেদ, যজমানি ব্যৱস্থা আৰু প্রতিপত্তিশালী জাতি, অনুসূচিত জাতি আৰু তেওঁলোকৰ সমস্যাসমূহ, অস্পৃশ্যতা নির্মূলকৰণ

অধ্যায় ৬ ঃ **জাতিৰ পৰিৱর্তিত ৰূপ** ৮৮-৯৬

জাতিবাদ ঃ অর্থ আৰু কাৰণ, জাতি আৰু ৰাজনীতিৰ মাজৰ সম্পর্ক, ভোটদানৰ প্রকৃতি, ৰাজনৈতিক অভিজাত, জাতিৰ একত্রীকৰণ

অধ্যায় ৭ ঃ **ভাৰতীয় জনজাতি** ৯৭-১০৮

জনজাতি ঃ সংজ্ঞা আৰু অর্থ, বৈশিষ্ট্য, টি. বি. নায়কৰ মতে জনজাতিৰ বৈশিষ্ট্য, নৃতাত্ত্বিক দৃষ্টিকোণ, ভাৰতীয় সংবিধান আৰু অনুসূচীত জনজাতি, সাধাৰণ বৈশিষ্ট্য সমূহ, জনজাতি ঃ শ্রেণীবিভাগ আৰু বিস্তৃতি, জনজাতিৰ প্রতি বৃটিছ নীতি, স্বাধীনোত্তৰ কালৰ নীতি

অধ্যায় ৮ ঃ **ভাৰতীয় সমাজত নাৰী** ১০৯-১২৫

প্রাচীন ভাৰতৰ নাৰী ঃ বৈদিক, উত্তৰ-বৈদিক আৰু বৌদ্ধ যুগ, মধ্যযুগৰ ভাৰতত নাৰী, সংস্কাৰ

আন্দোলন আৰু স্বাধীনতা আন্দোলনৰ সময়ছোৱাত নাৰী, বিভিন্ন যুগৰ লিংগকেন্দ্রিক সম্পর্ক, নাৰী সবলীকৰণ

অধ্যায় ৯ ঃ ভাৰতীয় সমাজৰ অর্থনীতি ১২৬-১৩৮

অর্থনীতি কি আৰু বিভিন্ন প্রকাৰৰ অর্থনীতি, পৰম্পৰাগত অর্থনীতি, নিয়ন্ত্রিত অর্থনীতি, বজাৰ অর্থনীতি, মিশ্রিত অর্থনীতি, স্বাধীনতাৰ পূর্বৰ ভাৰতীয় অর্থনীতি, স্বাধীনোত্তৰ কালৰ ভাৰতীয় অর্থনীতি, নতুন অর্থনৈতিক আঁচনি, উদাৰীকৰণ, ভাৰতত উদাৰীকৰণ, গোলকীকৰণ, ব্যক্তিগতকৰণ

অধ্যায় ১০ ঃ ভাৰতত ৰাজনীতি ১৩৯-১৫০

ভাৰতীয় ৰাজনৈতিক সংৰচনাৰ বিৱর্তন, স্বাধীনোত্তৰ কালত ভাৰতীয় ৰাজনৈতিক সংৰচনাৰ বিৱর্তন, উপনিবেশবাদ, পঞ্চায়তীৰাজৰ পৰম্পৰা, নির্বাচনৰ অনুশীলন, লিখিত সংবিধান, উচ্চতম ন্যায়ালয়ৰ স্বাধীনতা, ক্ষমতাৰ বিকেন্দ্রীকৰণ, ৰাজনৈতিক উচ্চ শ্রেণী, ৰাজনৈতিক দল, নির্বাচনী প্রক্রিয়াৰ আৰম্ভণি

অধ্যায় ১১ ঃ ভাৰতৰ গ্রাম্যজীৱন ১৫১-১৬৪

ভাৰতীয় গাঁও, ভাৰতীয় গাঁৱৰ বৈশিষ্ট, কৃষিজীৱী সমাজ, কৃষিজীৱী সমাজৰ শ্রেণী গাঁথনি, ভাৰতৰ ভূমি সংস্কাৰ আৰু পৰিৱর্তন, স্বাধীনোত্তৰ কালৰ ভূমি সংস্কাৰ, ভাৰতত ভূমি সংস্কাৰৰ সাম্প্রতি পটভূমি

অধ্যায় ১২ ঃ গ্রাম্য নেতৃত্ব ১৬৫-১৮১

নেতা আৰু নেতৃত্বৰ অর্থ, নেতাৰ অর্থ, নেতৃত্বৰ অর্থ, গ্রাম্য কতৃত্ব গাঁথনি, গ্রাম্য নেতৃত্বৰ ধাৰণা, অর্থ, প্রকাৰ, নির্ধাৰণ কৰা কাৰকসমূহ, বৈশিষ্ট্য, গ্রাম্য নেতৃত্ব অধ্যয়নৰ তাৎপর্য

অধ্যায় ১৩ ঃ ভাৰতীয় সমাজৰ পৰিৱর্তনৰ প্রক্রিয়া ১৮২-১৯৬

সামাজিক পৰিৱর্তনৰ অর্থ, সামাজিক পৰিৱর্তনৰ বৈশিষ্ট্য, ভাৰতীয় সমাজত সামাজিক পৰিৱর্তনৰ প্রক্রিয়া - সংস্কৃতকৰণ, পাশ্চাত্যকৰণ, আধুনিকীকৰণ, ঔদ্যোগিকীকৰণ, বিশ্বায়ন

অধ্যায় ১৪ ঃ ভাৰতৰ সামাজিক সমস্যা ১৯৭-২১৫

দুর্নীতি বা ভ্রষ্টাচাৰ, দুর্নীতিৰ কাৰণসমূহ, দুর্নীতি নিবাৰণৰ উপায়, ক'লা টকাৰ সংজ্ঞা, ক'লা টকা সৃষ্টিৰ কাৰণসমূহ, সমাজত ক'লা টকাৰ প্রভাৱ আৰু ইয়াৰ পৰিণাম, ক'লা টকাৰ প্রতিৰোধ, চোৰাং বেহা, চোৰাং বেহাৰ ইতিহাস, চোৰাং বেহাৰ কাৰণসমূহ, চোৰাং বেহাৰ কু-ফলসমূহ, প্রতিকাৰ আৰু প্রতিৰোধ

অধ্যায় ১৫ ঃ সামাজিক বিষয় ২১৬-২২৮

সাম্প্রদায়িকতাবাদঃ অর্থ, কাৰণ আৰু সমাধানৰ উপায়, আঞ্চলিকতাবাদঃ অর্থ, কাৰণ আৰু সমাধানৰ উপায়, জাতীয়তাবাদঃ অর্থ, কাৰণ, জাতিগত পৰিচয় আৰু জাতীয়তাবাদ, ইয়াৰ দৃষ্টিভংগী, বহুসংস্কৃতিবাদঃ অর্থ আৰু সমস্যা

অধ্যায় ১ ঃ ভাৰতীয় সমাজ ঃ বৈচিত্র্যৰ মাজত ঐক্য

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সমাজ আৰু সংস্কৃতি
  ১.৩.১ সমাজ আৰু সংস্কৃতিৰ অর্থ তথা সংজ্ঞা
  ১.৩.২ ভাৰতীয় সমাজ আৰু সংস্কৃতি
১.৪ ঐক্য আৰু বৈচিত্র্য
  ১.৪.১ ঐক্যৰ অর্থ আৰু ধাৰণা
  ১.৪.২ বৈচিত্র্যৰ অর্থ আৰু ধাৰণা
  ১.৪.৩ ভাৰতত বৈচিত্র্যৰ ৰূপ
  ১.৪.৩.১ ভূ ভৌতিক বৈচিত্র্য
  ১.৪.৩.২ গোষ্ঠীভিত্তিক বৈচিত্র্য
  ১.৪.৩.৩ ধর্মীয় বৈচিত্র্য
  ১.৪.৩.৪ ভাষাভিত্তিক বৈচিত্র্য
১.৫ বৈচিত্র্যৰ মাজত ঐক্য
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজ আৰু সংস্কৃতিৰ ধাৰণা দুটা বুজি পাব
- ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ বৈশিষ্ট্য ব্যাখ্যা কৰিব পাৰিব
- ঐক্য আৰু বৈচিত্র্যৰ ধাৰণা দুটা আলোচনা কৰিব পাৰিব
- ভাৰতীয় সমাজৰ গোষ্ঠীভিত্তিক, ধর্মীয় তথা ভাষাভিত্তিক সংৰচনা সম্পর্কে আলোচনা কৰিব পাৰিব
- ভাৰতীয় সমাজ আৰু সংস্কৃতিত বৈচিত্র্যৰ মাজত ঐক্যৰ অস্তিত্ব ব্যাখ্যা কৰিব পাৰিব

১.২ পৰিচয়

এই অধ্যায়টিত ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ লগতে সমাজ-সংস্কৃতিত থকা বৈচিত্র্য আৰু ঐক্য সম্পর্কে আলোচনা কৰা হ'ব। ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ বিভিন্ন বৈশিষ্ট্য আলোচনা কৰাৰ সময়তে আমি দৈনন্দিন জীৱনত দেখা আন কিছুমান মৌলিক ধাৰণা আৰু বিষয়কো সংজ্ঞাৱদ্ধ কৰাৰ প্ৰচেষ্টা চলাইছো।

অধ্যায়টিৰ প্ৰথম ভাগত চমুকৈ সমাজ আৰু সংস্কৃতিৰ অৰ্থ তথা ধাৰণাবোৰ সংজ্ঞাৱদ্ধ কৰা হৈছে। এই ভাগত ভাৰতীয় সমাজে কেনেদৰে সময়ৰ সোঁততে বিৱৰ্তনৰ মাজেৰে গতি কৰিছে সেয়া আলোচনা কৰা হৈছে।

অধ্যায়টিৰ দ্বিতীয় ভাগত ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ দুটামান গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰ ওপৰত আলোকপাত কৰা হৈছে। আলোকপাতত বৈচিত্র্যৰ ধাৰণাটোকো স্থান দিয়া হৈছে। বিষয়টোৰ অধিক গভীৰলৈ গৈ ভাৰততে থকা ভূ-ভৌতিক, গোষ্ঠীভিত্তিক, ধৰ্মীয় তথা ভাষাভিত্তিক বৈচিত্র্যবোৰ ব্যাখ্যা কৰাত মনোযোগ দিয়া হৈছে। অধ্যায়টিৰ অন্তিম ভাগত ঐক্যৰ ধাৰণা আৰু এই ঐক্যই কেনেদৰে ভাৰতীয় সমাজৰ বহুৰূপী সাংস্কৃতিক সত্বটোক ঐক্যৰ ডোলেৰে বান্ধি ৰাখিছে সেয়া আলোচনা কৰা হৈছে।

১.৩ সমাজ আৰু সংস্কৃতি

আমি দৈনন্দিন জীৱনত প্ৰায়েই সমাজ আৰু সংস্কৃতি বোলা শব্দ দুটা শুনিবলৈ পাওঁ। এই দুটা কেৱল শব্দই নহয়, ই হ'ল দুটা ধাৰণা। দুয়োটা ধাৰণাৰে নিজস্ব অৰ্থ আছে। সমাজতত্ত্বৰ অধ্যয়নৰ সৈতে জড়িত এই মৌলিক ধাৰণা ধাৰণা দুটা স্পষ্টকৈ বুজি লওঁ আহকচোন।

১.৩.১ সমাজ আৰু সংস্কৃতিৰ অৰ্থ তথা সংজ্ঞা

সমাজ বুজোৱা ইংৰাজী শব্দ 'Society'ৰ মূল হ'ল লেটিন শব্দ 'Socius' যাৰ অৰ্থ 'সংগী' অথবা বন্ধুত্ব। ম'ৰিচ গিন্সবাৰ্গৰ মতে, 'কিছুমান নিৰ্দিষ্ট সম্পৰ্ক নাইবা আচৰণৰ ধৰণ কৰণ মানি চলি ঐক্যৱদ্ধ হৈ থকা ব্যক্তিৰ থূপ এটাকে এখন সমাজ বোলা হয়। এনে সম্পৰ্ক নাইবা আচৰণে সমাজ এখনক একেধৰণৰ সম্পৰ্কেৰে বান্ধ নোখোৱা অথবা এনে আচৰণৰ বিৰোধিতা কৰা আন সকলোৰে পৰা পৃথক কৰি তোলে। এই সংজ্ঞাৰ আধাৰত ক'ব পাৰি যে জীয়াই থাকিবলৈ, কাম কৰিবলৈ আৰু জীৱনক উপভোগ কৰাৰ বাবে সমাজ হ'ল মানুহৰ এক মৌলিক প্ৰয়োজন। 'মানুহ এবিধ সামাজিক প্ৰাণী' বুলি এৰিষ্টটলে কোৱা কথাষাৰ সম্পূৰ্ণ সত্য। মানুহৰ জীৱন

বৰ্তাই ৰাখিবলৈ আৰু বিকশাই তুলিবলৈ সমাজৰ প্ৰয়োজনীয়তা আছে।

সংস্কৃতি হ'ল মানৱ সমাজৰ এক অনন্য বৈশিষ্ট্য। ই এক বিশাল ধাৰণা। জীৱন যাপনৰ সৈতে জড়িত সকলো কাৰ্যকলাপ আৰু পন্থাকে সংস্কৃতিয়ে সামৰি লয়। আমাৰ আচৰণ, দৰ্শন, ন্যায়নিষ্ঠতা, নৈতিকতা, আচাৰ-ব্যৱহাৰ, আমি অনুসৰণ কৰা প্ৰথা, পৰম্পৰা, ধৰ্ম, ভাষাকে ধৰি অৰ্থনীতি, ৰাজনীতি আৰু অন্য সকলো কামৰ সৈতে জড়িত আটাইবোৰ কাৰ্যকলাপেই সংস্কৃতিৰ অংশ। জীৱ-জন্তু প্ৰাকৃতিক পৰিৱেশত জন্মে আৰু জীয়াই থাকে। মানুহ সাংস্কৃতিক পৰিৱেশত জন্মে, ডাঙৰ-দীঘল হয়, জীৱন যাপন কৰে আৰু বিকশিত হয়। এডৱাৰ্ড বি টেইলৰৰ মতে সংস্কৃতি হ'ল 'সেইটো সমগ্ৰতা যিটোৱে মানুহৰ জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, আইন, প্ৰথা আৰু সমাজৰ এগৰাকী সদস্য হিচাপে মানুহে আহৰণ কৰা আন সকলোবোৰ সামৰ্থ তথা অভ্যাসক সামৰি লয়।'

সমাজ আৰু সংস্কৃতি অভিন্ন। যিকোনো এখন সমাজৰ বিষয়ে অধ্যয়ন কৰাৰ সময়ত সেই সমাজখনৰ সংস্কৃতিৰ বিষয়েও অধ্যয়ন কৰিব লাগে। সমাজ আৰু সংস্কৃতি একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি।

১.৩.২ ভাৰতীয় সমাজ আৰু সংস্কৃতি

ভাৰত হ'ল বিশ্বৰ ভিতৰতে এখন প্ৰাচীনতম, বিশাল, বৈচিত্ৰ্যময় আৰু নিৰবচ্ছিন্নভাৱে বিকশিত হৈ থকা সমাজ। ১৯২২ চনত মহেঞ্জোদাৰো খননকাৰ্যৰ পৰা লব্ধ বিপুল পৰিমাণৰ নৃতাত্ত্বিক প্ৰমাণৰ পৰা গম পোৱা গৈছে যে খৃষ্টপূৰ্ব ২৬০০-২০০০ বছৰ আগতে (আনুমানিক) ভাৰতীয় উপমহাদেশৰ উত্তৰ-পশ্চিম অঞ্চলত এক অত্যাধুনিক নগৰীয়া সভ্যতাই বিৰাজ কৰিছিল। আজিৰ পৰা প্ৰায় ৫০০০ বছৰ পুৰণি এই সভ্যতাক হৰপ্পা সভ্যতা নাইবা সিন্ধু উপত্যকাৰ সভ্যতা নামেৰে জনা যায়। এই সভ্যতা পূব-পশ্চিম দিশে ১৬০০ কিলোমিটাৰ আৰু উত্তৰ-দক্ষিণ দিশে ১১০০ কিলোমিটাৰ ব্যপ্ত হৈ আছিল। বৰ্তমানৰ ভাৰত আৰু পাকিস্তানৰ বিশাল অংশ হৰপ্পা সভ্যতাৰ চাৰিসীমাই আগুৰি আছিল। হৰপ্পা সভ্যতা বিৰাজ কৰা এলেকাৰ জোখ মিচৰীয়া (ইজিপ্ত) আৰু মেচ'প'টেমিয়াৰ দৰে সমসাময়িক সভ্যতাবোৰে বিৰাজ কৰা এলেকাতকৈ কেইবাগুণো অধিক বিশাল আছিল। ভাৰতীয় সমাজ নতুন মানুহ আৰু সংস্কৃতিৰ অজস্ৰ প্ৰৱাহৰ সাক্ষী। এনে প্ৰৱাহে ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ বহুত্ববাদী বৈশিষ্ট্যটোলৈ অৱদান আগবঢ়াই বৈশিষ্ট্যটোক চহকী কৰি তুলিছে। অতীতৰ পৰা বৰ্তমানলৈকে যুগৰ পাচত যুগ ধৰি ভাৰতলৈ নিতৌ ন' ন' মানুহৰ সোঁত বৈয়েই আছে। ইয়াৰে কিছুমানে অস্থায়ীভাবে আৰু আন

কিছুমানে স্থায়ীভাৱে ভাৰতত বসতি কৰিছে। সেই মানুহৰ সৈতে ভাৰতলৈ সেয়ে নতুন পৰম্পৰা, নতুন সংস্কৃতি আৰু নতুন প্ৰমূল্যও প্ৰবাহিত হৈছে। এই আটাইবোৰে মিলি ভাৰতীয় সমাজখনৰ শ্ৰীবৃদ্ধি কৰিছে। বিগত সময়ছোৱাত ভাৰতলৈ গ্ৰীক, আৰ্য, কুশান, আৰব, পাৰস্য দেশৰ লোক, তুৰ্কী, বাৰ্মীয় আৰু দক্ষিণ-পূব এচীয় দেশবোৰৰ অন্য জাতি-জনগোষ্ঠীৰ লোকৰ প্ৰব্ৰজন ঘটিছে। তুলনামূলকভাৱে শেহতীয়া প্ৰব্ৰজনকাৰীৰ ভিতৰত বৃটিছ, ফৰাছী, ওলন্দাজ, ভেনিচ আৰু পতুৰ্গীজসকলৰ নাম ল'ব পৰা যায়।

বিৱৰ্তন প্ৰক্ৰিয়াৰ মাজেৰে গতিশীল ভাৰতীয় সমাজখন বৈচিত্ৰ্যময় সংৰচনাত্মক বিন্যাসৰ জৰিয়তে এক মিশ্ৰিত সংস্কৃতিক বৈশিষ্ট্যৰ গৰাকী হৈ পৰিছে। বৰ্তমানৰ ভাৰতীয় সংস্কৃতিৰ দেশত ঘটা বিভিন্ন সাংস্কৃতিক যোগাযোগ, সাংস্কৃতিক সম্প্ৰসাৰণ, সাংস্কৃতিক সংঘাত, সাংস্কৃতিক সংগতকৰণ, সাংস্কৃতিক লীনভৱন আৰু সাংস্কৃতিক সংহতিৰ ফলাফল বুলি ক'ব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সমাজ আৰু সংস্কৃতিৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

.....

প্ৰশ্ন নং ২ঃ ভাৰতীয় সমাজ আৰু সাংস্কৃতিক ঐহিত্য কিমান বছৰ পুৰণি?

.....

.....

.....

১.৪ ঐক্য আৰু বৈচিত্ৰ্য

এই শিতানটোত আমি ঐক্য আৰু বৈচিত্ৰ ধাৰণা দুটাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিম। ইয়াৰ উপৰি আমি বৈচিত্ৰ্যৰ বিভিন্ন ৰূপ অথবা প্ৰকাৰ সমূহৰ বিষয়ে শিকিব পাৰিম।

ঐক্য আৰু বৈচিত্ৰ্যৰ সংজ্ঞা চমু আলোচনাৰে এই শিতানটো আৰম্ভ কৰা হ'ল—

১.৪.১ ঐক্যৰ অৰ্থ আৰু ধাৰণা

মেৰিয়াম ৱেবষ্টাৰ অভিধানৰ মতে 'ঐক্য' বোলা অভিধাটোৱে 'একাধিক নোহোৱাৰ গুণ নাইবা দশা'টোৰ কথা বুজায়। সমাজতাত্ত্বিক দৃষ্টিভংগীত ই হ'ল 'এক'ৰ অনুভৱ। সম্পূৰ্ণ পাৰস্পৰিক সন্মতি সহকাৰে চলাৰ স্থিতিটোৱেই হ'ল ঐক্য। ঐক্যই সমাজৰ

সমন্বয় সাধন কৰে। সমাজৰ সকলো সদস্যকে 'আমি' বোধেৰে বান্ধি ৰখা সম্পর্কটোকে ঐক্য বোলা হয়।

ঐক্যৰ সৈতে প্ৰায়েই সাঙোৰ খাই থকা আন এক অভিধা হ'ল সমৰূপতা (Uniformity)। কিন্তু ঐক্য (Unity) আৰু সমৰূপতাৰ মাজত কিছু প্ৰভেদ আছে। সমৰূপতাৰ পূৰ্বচৰ্ত হ'ল সাদৃশ্য (Similarity)। কিন্তু ই ঐক্যৰ পূৰ্বচৰ্ত নহয়। সমৰূপতাই ঐক্য গঢ়িব পাৰে, কিন্তু ঐক্যই সমৰূপতাৰ সৃষ্টি নকৰিবও পাৰে। সমৰূপতাৰ পৰা উদ্ভৱ হোৱা ঐক্যক ডাৰ্খেইমে যান্ত্ৰিক একতা (mechanical solidarity) বুলি অভিহিত কৰিছিল। এনে একতা প্ৰায়েই জনজাতীয় আৰু পৰম্পৰাগত সমাজবোৰৰ ক্ষেত্ৰত দেখা পোৱা যায়। এনে সমাজৰ সদস্যসকলে নিজকে একেটা গোষ্ঠীৰ, ধৰ্মৰ, প্ৰথাৰ, পৰম্পৰাৰ লোক বুলি চিনাক্ত কৰে। এক সময়তে পাৰ্থক্যৰ পৰাও ঐক্যই গা কৰি উঠিব পাৰে। এনে ধৰণৰ ঐক্যক জৈৱিক একতা (Organic Solidarity) বোলে। আধুনিক সমাজবোৰত আমি এনে একতা দেখিবলৈ পাওঁ।

১.৪.২ বৈচিত্র্যৰ অর্থ আৰু ধাৰণা

বৈচিত্র্যৰ আভিধানিক অর্থ হ'ল পাৰ্থক্য (differences) নাইবা বিভিন্নতা (variety)। সমাজতাত্ত্বিক দৃষ্টিভংগীত এই বৈচিত্র্য অথবা পাৰ্থক্যক সদায় মানুহৰ লগতে সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। এই বৈচিত্র্যৰ প্ৰকৃতি দুগৰাকী ব্যক্তিৰ মাজত থকা ব্যক্তিগত পাৰ্থক্যতকৈ বেলেগ। মানুহৰ দুটা অথবা ততোধিক দলৰ মাজত থকা সমূহীয়া পাৰ্থক্যৰ কথা বুজাবলৈ বৈচিত্র্য শব্দটো ব্যৱহাৰ কৰা হয়। অর্থাৎ দুটা মানৱ গোষ্ঠীৰ দিশেৰে ধৰ্মৰ দিশেৰে, ভাষাৰ দিশেৰে, জাতিৰ দিশেৰে সামাজিক তথা অর্থনৈতিক প্ৰস্থিতিৰ দিশেৰে, জীৱন যাপন শৈলীৰ দিশেৰে পৃথক হ'ব পাৰে। এই পাৰ্থক্যবোৰে সমাজত বৈচিত্র্যৰ সৃষ্টি কৰে। এনে বৈচিত্র্যৰ প্ৰকৃতিও সমূহীয়া। অর্থাৎ, বৈচিত্র্য একেৰূপতাৰ অথবা সমৰূপতাৰ বিপৰীত।

১.৪.৩ ভাৰতত বৈচিত্র্যৰ ৰূপ

বহুত্ব (Plurality) আৰু সংখ্যাধিক (multiplicity) হ'ল ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ বৈশিষ্ট্য। ভাৰতত সীমাহীন বৈচিত্র্য দেখিবলৈ পোৱা যায়। ভৌগলিক, ভূতাত্ত্বিক গাঁথনি, জলবায়ু, জীৱন তথা উদ্ভিদকূল, গোষ্ঠী, ধৰ্ম, ভাষা, দোৱান, সংগীত, কলা, হস্তশিল্প, প্ৰচলিত প্ৰথা, পৰম্পৰা ইত্যাদি সকলো দিশতে ভাৰত বিচিত্ৰ। আগতেই উল্লেখ কৰা হৈছে যে ভাৰতীয় উপমহাদেশৰ ভিতৰৰ

বিশেষ ভৌগলিক অৱস্থানবোৰ হ'ল ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰধান কাৰণ। ইয়াৰ উপৰি প্ৰব্ৰজনকাৰীৰ সোঁত আৰু বাহিৰা সংস্কৃতিয়েও ভাৰতীয় সংস্কৃতিত সমৃদ্ধ কৰিছে। ভাৰতীয় সমাজ আৰু সংস্কৃতিত থকা বিশাল বৈচিত্ৰ্যৰ এক অনন্য তথা প্ৰত্যাহ্বানমূলক দিশ আছে। ই কলা বিভাগৰ বিভিন্ন অধ্যয়ন শাখাৰ বাবে আকৰ্ষণীয় তথা অনুপ্ৰেৰণাদায়ক অধ্যয়ন আৰু গৱেষণাৰ বিষয় হৈ আহিছে। এই বৈচিত্ৰ্যই হ'ল ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ সবল ভেটি। এই বৈচিত্ৰ্যই ৫০০ বছৰতকৈও অধিক কাল ভাৰতত নিজ অস্তিত্ব বৰ্তাই ৰাখিছে আৰু পৰিৱৰ্তন প্ৰক্ৰিয়াৰে নিজকে অধিক সমৃদ্ধ কৰি তুলিছে। ভাৰতক সেয়েহে 'ক্ষুদ্ৰ পৃথিৱী'ৰ সন্মান যঁচা হয়। ভাৰতক 'বিশ্বৰ শ্ৰেষ্ঠ' আৰু 'নৃগোষ্ঠীয় সংগ্ৰহালয়' বুলিও অভিহিত কৰা হয়।

তলত ভাৰতক বিশ্বপ্ৰসিদ্ধ কৰি তোলা কেইটামান সবাতোকৈ উল্লেখযোগ্য বৈচিত্ৰ্যৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১.৪.৩.১ ভূ-ভৌতিক বৈচিত্ৰ্য

ভাৰত এখন বিশাল দেশ। ইয়াৰ সৰ্বমুঠ মাটিকালি হ'ল ৩,২৮৭,২৪০ বৰ্গকিলোমিটাৰ। এই মাটিকালিৰ ১২,৮৪৯ বৰ্গ কিলোমিটাৰ পাকিস্তান আৰু চীনে অবৈধভাৱে দখল কৰি আছে। ২০১১ চনৰ ভাৰতীয় লোকপিয়ল প্ৰতিবেদন অনুসৰি ভাৰতৰ মুঠ জনসংখ্যা হ'ল ১,২১০,৮৫৪,৯৭৭। ইয়াৰে ৬২৩,৭২৪,২৪৮ জন পুৰুষ আৰু ৫৮৬,৪৬৯,১৭৪ গৰাকী মহিলা। জনসংখ্যাৰ দিশেৰে ভাৰত চীনতকৈ কিছু পিছপৰা। ভাৰতত আনুমানিক ১.৩৫ বিলিয়ন (১ বিলিয়ন-১০০ কোটি) লোক আছে। ভৌগলিক এলেকাৰ বিস্তৃতৰ দিশেৰে ভাৰত বিশ্বৰ সপ্তমখন বৃহৎ দেশ। পৃথিৱীৰ ২.৪ শতাংশ অঞ্চলত ব্যপ্ত হৈ থকা ভাৰতত পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৭ শতাংশই বাস কৰে। এক পূৰ্বানুমান অনুসৰি ২০৫০ চনলৈ ভাৰতে জনসংখ্যাৰ দিশেৰে চীনক অতিক্ৰম কৰি গৈ (বিশ্বৰ) সবাতোকৈ অধিক জনবহুল দেশত পৰিণত হ'ব।

ভৌগলিকভাৱে ভাৰত এখন বৈচিত্ৰ্যময় দেশ। উত্তৰৰ পৰা দক্ষিণলৈ আৰু পূৱৰ পৰা পশ্চিমলৈ ভাৰত ক্ৰমে ৩২৮ কিলোমিটাৰ আৰু ২৯৩৩ কিলোমিটাৰ ব্যপ্ত হৈ আছে। পৃথিৱীৰ প্ৰাচীনতম পৰ্বত শৃংখলা আৰাৱলী আৰু তুলনামূলকভাৱে নৱতম পৰ্বত শৃংখলা হিমালয়ে ভাৰতক আৱৰি ৰাখিছে। ভাৰতৰ চাৰিসীমাৰ ভিতৰতে বৃহৎ মৰুভূমি থাৰ অৱস্থিত আৰু একেখন দেশতেই গংগা-ব্ৰহ্মপুত্ৰৰ লগতে অন্য নদ-নদীৰ প্ৰসাৰিত জালিকাই সৃষ্টি কৰা উৰ্বৰ উপত্যকাও আছে। ভাৰততে বিশ্বৰ সবাতোকৈ সেমেকা স্থান মৌচিনৰাম আৰু চেৰাপুঞ্জী অৱস্থিত। ভাৰতৰে আন এটা দিশত পৃথিৱীৰ

এখন শীতল মৰুভূমি লাডাখ অৱস্থিত আৰু ভাৰতৰ কাঞ্চনজংঘা হ'ল পৃথিৱীৰ তৃতীয় সর্বোচ্চ পর্বত শৃংগ। ভাৰতৰ এনে ভিন্ন ভৌগলিক সজ্জাই দেশখনত বেলেগ বেলেগ ধৰণৰ জলবায়ু মণ্ডল সৃষ্টি কৰিছে। এইবোৰে দেশখনক পৃথিৱীৰ ভিতৰতে এখন সমৃদ্ধ জৈৱ-বৈচিত্ৰ্যৰ ভৰা অঞ্চলত পৰিণত কৰিছে।

জনসংখ্যা গাঁথনিৰ দিশেৰেও ভাৰত বিশ্বৰ এখন বৈচিত্ৰ্যময় দেশ। বিচিত্ৰ আৰু অনন্য ভৌগলিক বৈশিষ্ট্যই ইয়াৰ বাসিন্দা আৰু সংস্কৃতিবোৰকো প্ৰভাৱিত কৰিছে। ভাৰতত এনে কিছুমান অঞ্চল আছে যিবোৰ যাতায়ত তথা পৰিবহনৰ দিশৰে তথাকথিত মূলসূঁতিৰ ভাৰতৰ পৰা প্ৰায় বিচ্ছিন্ন। হিমালয়ৰ ওপৰভাগত থকা পর্বতমালা আৰু পাহাৰীয়া পথেৰে অহা-যোৱা কৰিবলগীয়া অঞ্চলবোৰ, উত্তৰ-পূব ভাৰতৰ কেন্দ্ৰভাগত অৱস্থিত ঘন জংঘল আৰু দূর্গম অৰণ্য অঞ্চলত বাস কৰা লোকসকলে দূৰণিবটীয়া স্থানত থাকিবলগীয়া হোৱা কথাটোৰ বাবে মূলসূঁতিৰ সংস্কৃতি তথা সমাজতকৈ সম্পূর্ণ পৃথক সমাজ তথা সংস্কৃতি গঢ়ি তুলিছে। ভৌগলিকভাৱে অনন্য আৰু অসুচ অঞ্চলবোৰত বিভিন্ন মানৱ সমূহে বৈচিত্ৰ্যময় সাংস্কৃতিক অনুশীলন চর্চা কৰি আহিছে। ধর্মীয় পৰম্পৰা, উৎসৱ-পার্বন, ধর্মীয় বিশ্বাস, স্থানীয় দোৱান, প্ৰথা, পৰম্পৰা, বেশ-ভূষা, কলা, হস্তশিল্প, নৃত্য, সংগীত, খাদ্যভ্যাস, গৃহ নির্মাণ শৈলী আদি সকলোতে এনে অনুশীলনৰ প্ৰমাণ পোৱা যায়। গতিকে আমি ক'ব পাৰো যে আমাৰ দেশৰ ভূগোলে দেশখনৰ বৈচিত্ৰ্যতাত অনবদ্য অৱদান আগবঢ়াইছে।

১.৪.৩.২ গোষ্ঠীভিত্তিক বৈচিত্ৰ্য

আগতেই উল্লেখ কৰা হৈছে যে ইতিহাসে ঢুকি নোপোৱা সময়ৰে পৰা ভাৰতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ প্ৰব্ৰজকক আকর্ষণ কৰি আহিছে। ভাৰতৰ বাসিন্দাসকলৰ মাজত এক সমৰূপ গোষ্ঠীভিত্তিক সংৰচনাৰ অনুপস্থিতিৰ ই হ'ল প্ৰধান কাৰণ।

ভাৰতক সেয়েহে বিভিন্ন জাতি-গোষ্ঠী আৰু জনজাতি সম্প্ৰদায়ৰ 'মিশ্ৰণ স্থলী' বুলি কোৱা হয়। গোষ্ঠী (Race) বুলিলে মানৱ সমূহবোৰত থকা সেইবোৰ বাহ্যিক ভৌতিক পার্থক্যৰ কথা বুজোৱা হয় যিবোৰ পার্থক্যক এখন নির্দিষ্ট সমাজে নিজৰ বৈশিষ্ট্য বুলি বিবেচনা কৰে। গোষ্ঠীৰ ধাৰণাটো গোষ্ঠী এটাৰ সদস্যসকলৰ মাতৃভূমিৰ ওপৰত আধাৰিত হ'ব পাৰে (যেনে— মংগোলিয়া আৰু ফ'কাছ পর্বতমালা) নাইবা গাৰ ছালৰ বৰণ গোষ্ঠীৰ আধাৰ হ'ব পাৰে (ক'লা, বগা, পীতবর্ণ, ৰঙচুৱা ইত্যাদি)।

বিভিন্ন পণ্ডিতে ভাৰতীয় মানুহৰ গোষ্ঠীভিত্তিক শ্ৰেণীবিভাজন আঁচনিৰ ক্ষেত্ৰত নিজ নিজ ধৰণে মতামত আগবঢ়াইছে। এই অধ্যায়ত ভাৰতীয় জনসংখ্যাৰ গোষ্ঠীভিত্তিক শ্ৰেণীবিভাজন আঁচনিৰ সৈতে জড়িত মাত্ৰ দুটা মতামত আলোচনা কৰা হ'ব। ইয়াৰে

এটা মত আগবঢ়াইছে ৰিচ্‌লে (১৯১৫) আৰু আনটো মতৰ গৰাকী হ'ল গুহ (১৯৩১)।

ছাৰ হাবার্ট ৰিচলে আছিল বৈজ্ঞানিক ভিত্তিত ভাৰতীয় জনসংখ্যাৰ গোষ্ঠীভিত্তিক শ্রেণীবিভাজনৰ ধাৰণাটো বিকশাই তোলা প্রথম ব্যক্তি। তেওঁ ভাৰতত তিনিটা প্রধান গোষ্ঠী থকাৰ কথা চিনাক্ত কৰিছিল। গোষ্ঠী তিনিটা হ'ল— দ্রাবিড়ীয়, ভাৰতীয়-আর্য আৰু মংগোলীয়। তেওঁৰ মতে ভাৰতত এই তিনিটা প্রাথমিক গোষ্ঠীৰ বহুল সংমিশ্রণ ঘটাৰ মানুহৰ দেহৰ ছালত ভিন্ন গোষ্ঠীভিত্তিক ৰঙৰ সমাহাৰ ঘটা দেখিবলৈ পোৱা গৈছে। ৰিচ্‌লেই ভাৰতীয় জনসংখ্যাৰ সাতটা ভিন্ন 'শাৰীৰিক প্রকাৰ' (physical type) চিনাক্ত কৰি উলিয়াইছিল। প্রকাৰকেইটা হ'ল—

➢ **ভাৰতীয় আর্য প্রকাৰ** (The Indo-Aryan type) ঃ এওঁলোক প্রধানতঃ উত্তৰ-পশ্চিম ভাৰতীয় প্রদেশবোৰৰ বাসিন্দা। ওখ, বগা ছাল, গাঢ় বৰণীয়া চকু, দেহ আৰু মুখৰ নোম অধিক, দীঘল মূৰ, লাহী আৰু দীঘল ডিঙি এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **দ্রাবিড়ীয় প্রকাৰ** (The Dravidian type) ঃ ভাৰতৰ দক্ষিন অধিত্যকাৰ বাসিন্দা। দৈহিক অৱয়ব চাপৰ অথবা মধ্যমীয়া গড়তকৈ কম উচ্চতা, গাঢ় ক'লা ছাল, ডাঠ আৰু কেতিয়াবা চুলি কেঁকোৰা হোৱা প্রৱণতা, গাঢ় বৰণীয়া চকু, দীঘল মূৰ আৰু অত্যন্ত বহল নাক এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **মংগোলীয় প্রকাৰ** (The Mangoloid type) ঃ হিমালয় পর্বতমালা আৰু ভাৰতৰ উত্তৰ-পূব অঞ্চলত সিঁচৰতি হৈ থকা বাসিন্দা। বহল মূৰ, চাপৰ অথবা মধ্যমীয়া গড়তকৈ কম উচ্চতা, লাহীৰ পৰা বহল নাক, চেপেটা মুখাৱয়ব আৰু তির্যক চকুৰ পতা এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **আর্য-দ্রাবিড়ীয় অথবা হিন্দুস্তানী প্রকাৰ** (The Arys Dravidian or Hindustani type) ঃ আর্য আৰু দ্রাবিড় গোষ্ঠীৰ মিলনৰ ফলত সৃষ্ট নতুন গোষ্ঠী। প্রধানতঃ উত্তৰ ভাৰতৰ গংগা সমভূমি অঞ্চলৰ বাসিন্দা। মধ্যমীয়া উচ্চতা, পাতল মুগাৰ পৰা ক'লা ছাল, মজলীয়াৰ পৰা বহল নাক এই গোষ্ঠীৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **মংগোলা-দ্রাবিড়ীয় অথবা বঙালী প্রকাৰ** (The Mangela Dravidian or Bengali type) ঃ দ্রাবিড়ীয় আৰু, মংগোলীয় গোষ্ঠীৰ মিলনৰ ফলত সৃষ্ট নতুন গোষ্ঠী। প্রধানতঃ ভাৰতৰ পূব প্রদেশ বংগ আৰু ওড়িশাৰ বাসিন্দা। মধ্যমীয়া উচ্চতা, বহল আৰু ঘূৰণীয়া মূৰ, ক'লা ছাল, মুখত অধিক পৰিমাণৰ নোম, মধ্যমীয়াৰ পৰা চেপেটা নাকৰ প্রৱণতা আদি হ'ল এই গোষ্ঠীৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **শাক্য-দ্রাবিড়ীয় প্রকাৰ** (The Scytho-Dravidian type) ঃ শক (The scythians) আৰু দ্রাবিড় গোষ্ঠীৰ মিলনৰ ফলত উদ্ভৱ হোৱা নতুন গোষ্ঠী। ভাৰতৰ পশ্চিম অংশৰ

বাসিন্দা। চাপৰৰ পৰা মধ্যমীয়া উচ্চতা, গাৰ ছাল বগা, বহল মূৰ, লাহী কিন্তু মধ্যমীয়া দৈর্ঘ্যৰ নাক, মুখ আৰু দেহত কম পৰিমাণৰ নোম আদি হ'ল এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **তুৰ্ক'-ইৰানীয় প্ৰকাৰ** (The Turko-Iranian type) ঃ এই গোষ্ঠীৰ লোকসকল বৃটিছ অধ্যুষিত ভাৰতৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলৰ বাসিন্দা আছিল।

বি. এচ. গুহই ভাৰতীয় জনসংখ্যাৰ সবাতোকৈ প্ৰামাণিক আৰু বহুলভাৱে গৃহিত গোষ্ঠীভিত্তিক শ্ৰেণীবিভাজনটো আগবঢ়াইছে। তেওঁ ভাৰতত ছটা প্ৰধান গোষ্ঠীভিত্তিক মানৱ দল আছে বুলি চিনাক্ত কৰি উলিয়াইছে।

➢ **নেগ্ৰিট' গোষ্ঠী** (The Negrito) ঃ দক্ষিণ ভাৰত, কাদাৰ, আন্দামান, নাগালেণ্ড, বিহাৰৰ ৰাজমহল পাহাৰৰ বিভিন্ন পৰিৱেষ্টিত এলেকাত এই গোষ্ঠীৰ লোক বাস কৰে। কাদাৰসকল, আন্দামানীসকল, আংগামী নাগাসকল আৰু ৰাজমহল পাহাৰৰ বাগাড়ীসকল এই গোষ্ঠীৰ লোক। চাপৰ, ক'লা ছাল, ক'লা কেঁকোৰা-কেঁকুৰি ওঁঠ আৰু বহুল নাক এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য।

➢ **প্ৰ'ট' অষ্ট্ৰ'লয়ড গোষ্ঠী** (The Proto-Austroloid) ঃ ভাৰতৰ ভিতৰুৱা অঞ্চলবোৰৰ বাসিন্দা। চাপৰৰ পৰা মধ্যমীয়া উচ্চতাৰ, দীঘল আৰু উঠঙা মূৰ, সৰুৰ পৰা বহল নাক এওঁলোকৰ শাৰীৰিক বৈশিষ্ট্য। ভাৰতীয় আৰ্যসকলে তেওঁলোকক নীহকূলীয়া বুজাবলৈ 'আনাচ' (anas), 'দাস' (das), 'দাস্যু' (dasyu) আৰু 'নিষাদ' (Nishad) আদি নাম ব্যৱহাৰ কৰিছিল।

➢ **মংগোলীয় গোষ্ঠী** (The Mangolid) ঃ এই গোষ্ঠীটোক দুটা উপভাগত ভগোৱা গৈছে। উত্তৰ-পূব ভাৰতৰ পাৰ্বত্য তথা সমভূমি অঞ্চলত বাস কৰাসকলক পেলিঅ'-মংগোলী (The Paleo Mangoloid) আৰু ভূটান তথা চিকিমত বাস কৰাসকলক তিবেট'-মংগোলীয় (The Tibeto Mangoloid) বুলি কোৱা হয়।

➢ **ভূমধ্য সাগৰীয় অঞ্চলৰ গোষ্ঠী** (The Mediterranean) ঃ এওঁলোক মূলতঃ দ্ৰাবিড়ীয় গোটৰ সদস্য। এই গোষ্ঠীটোক তিনিটা উপ-ভাগত ভগোৱা হৈছে—

❍ **পেলিঅ'-মেডিটেৰেনিয়াম** (The Paleo Mediterranean) ঃ কৰ্ণাটক, তামিলনাড়ু আৰু কেৰালাৰ বাসিন্দা। মধ্যমীয়া উচ্চতা, গাঢ় ৰঙৰ ছাল আৰু লাহী শৰীৰ।

❍ **প্ৰাইমেৰিলি মেডিটেৰেনিয়ান** (The Primarily Mediterranean) ঃ পঞ্জাৱৰ বাসিন্দাসকল। গাৰ ৰং বগা।

❍ **অ'ৰিয়েণ্টেল মেডিটেৰেনিয়ান** (The Oriental Mediterranean) ঃ উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু পঞ্জাৱৰ বাসিন্দা। দীঘল নাক, বগা ছাল।

➢ **পশ্চিমীয়া ব্রাকীচিফাল গোষ্ঠী** (The Western Brachycephals) ঃ এই গোষ্ঠীটোক তিনিটা উপভাগত ভগোৱা হৈছে—

- ❍ **আল্‌পিনয়ড** (Alpinoid) ঃ উত্তৰ আৰু পশ্চিম ভাৰত।
- ❍ **ডিনাৰেকি** (Dinaric) ঃ বংগ আৰু ওড়িশা।
- ❍ **আৰ্মেনয়ড** (Armenoid) ঃ পাচীসকল।

➢ **ন'ৰ্ডিক গোষ্ঠী** (The Nardic) ঃ আৰ্যসকলৰ সৈতে মিল আছে। বগা ছাল, মজলীয়াৰ পৰা দীঘলীয়া মূৰ, মিহি নাক, ওখ দেহ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃঐক্য আৰু বৈচিত্র্য বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৪ঃ গোষ্ঠীৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ৫ঃ বি. এচ. গুহৰ মতে ভাৰতত থকা গোষ্ঠীৰ সংখ্যা হ'ল—

i) তিনিটা

ii) চাৰিটা

iii) পাঁচটা

iv) ছটা

১.৪.৩.৩ ধর্মীয় বৈচিত্র্য

ভাৰতৰ আন এক বৈশিষ্ট্য হ'ল ধর্মীয় বহুত্ববাদ। ভাৰতৰ সংবিধানে ইয়াক এখন ধর্মনিৰপেক্ষ ৰাষ্ট্ৰৰূপে প্রতিষ্ঠা কৰিছে। ভাৰতৰ প্রতিগৰাকী নাগৰিকৰে যিকোনো ধর্ম অনুসৰণ কৰাৰ মৌলিক অধিকাৰ আছে। একে সময়তে ভাৰতীয় ধর্মনিৰপেক্ষতাৰ মৌলিক আধাৰ হ'ল ধর্মীয় সহিষ্ণুতা। ধর্মীয় বহুত্ববাদৰ ধাৰণাটোৰ ভেটি হ'ল সকলো ধর্মই সমানে ভাল আৰু সকলো ধর্মৰে লক্ষ্য একেটাই বুলি মানি লোৱা বিশ্বাস। ধর্মৰ লক্ষ্য হ'ল ঈশ্বৰক উপলব্ধি কৰা।

ভাৰতত পৃথিৱীৰ প্রায় আটাইকেইটা প্রধান ধর্মই পোৱা যায়। ইয়াত হিন্দু, ইচলাম, খৃষ্টান, বৌদ্ধ, জৈন, শিখ আদি সকলো ধর্মৰে উপাসক আছে। পাৰ হৈ যোৱা

সময়বোৰত বিভিন্ন ধর্মীয় বিশ্বাস আৰু ধর্মৰ লোকে ভাৰতলৈ আহিছে। ই ভাৰতৰ ধর্মীয় বহুত্ববাদক প্রগাঢ় কৰি তুলিছে। বিগত কালবোৰত ভাৰতত বিভিন্ন ধর্মীয় আন্দোলন আৰু সংস্কাৰমূলক কার্যসূচী চলিছে। আমি বৈষ্ণৱবাদ, চুফীবাদ, বাহাইবাদ আদিৰ দৰে ধর্মীয় পন্থাত এই উদাহৰণ দেখিবলৈ পাওঁ। ভাৰতত বহুতো জড়োপাসক জনজাতিও আছে। ধর্মীয় বিশ্বাসৰ বৈচিত্র্যতা, সহিষ্ণুতা, পাৰস্পৰিক সন্মান আৰু সহ-বসতি হ'ল ভাৰতীয় সমাজৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য। তলত ২০১১ চনৰ ভাৰতীয় লোকপিয়ল প্রতিবেদনত উল্লেখ থকা ভাৰতৰ ধর্ম সম্পর্কীয় তথ্যখিনি তুলি দিয়া হ'ল।

সকলোবোৰ ধর্ম	১০০.০০%	১২১ কোটি
হিন্দু	৭৯.৮০%	৯৬.৬২ কোটি
মুছলমান/ইচলাম	১৪.২৩%	১৭.২২ কোটি
খৃষ্টান	২.৩০%	২.৭৮ কোটি
শিখ	১.৭২%	২.০৮ কোটি
বৌদ্ধ	০.৭০%	৮৪.৪৩ কোটি
জৈন	০.৩৭%	৪৪.৫২ কোটি
অন্য ধর্ম	০.৬৬%	৭৯.৩৮ কোটি
ধর্মৰ উল্লেখ নথকা ব্যক্তি	০.২৪%	২৮.৬৭ কোটি

তালিকা ১.১ ভাৰতত থকা ধর্মৰ তথ্য (ভাৰতৰ লোকপিয়ল, ২০১১)

তলত ভাৰতৰ প্রধান ধর্মবোৰৰ বিষয়ে আলোচনা কৰা হ'ল—

➢ **হিন্দুধর্ম ঃ** ভাৰতত আধিপত্য বিস্তাৰ কৰি থকা ধর্ম। ভাৰতৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশতকৈও অধিক নাগৰিক হিন্দু। হিন্দুধর্মৰ মৌলিক নীতিবোৰৰ সংজ্ঞা দাঙি ধৰাটো সহজ কাম নহয়। কাৰণ তাত্ত্বিক দিশ আৰু ব্যৱহাৰিক অভিব্যক্তিৰ ফালৰ পৰা হিন্দু ধর্ম হয়তো পৃথিৱীৰ সবাতোকৈ অধিক বহুধাবিভক্ত ধর্ম। তথাকথিত হিন্দু ধর্মীয় বৈশিষ্ট্য বুলি কোনো সংজ্ঞাৱদ্ধ বৈশিষ্ট্যৰ সমষ্টি নাই। আন কেইবাটাও ধর্মৰ দৰে হিন্দু ধর্মৰ কোনো নির্দিষ্ট প্রতিষ্ঠাপক অথবা প্রৱর্তক নাই, ইয়াৰ কোনো এখন সুনির্দিষ্ট ধর্মগ্রন্থ নাই যিখনক ধর্মটোৰ মৌলিক আধ্যাত্মিক দিকদর্শক বুলি ক'ব পাৰি। এফালে বহুতেই অসংখ্য দেৱ-দেৱীৰ মূর্তিক পূজা কৰে আৰু একে সময়তে আন বহুতেই 'পৰম সত্য উপলব্ধি' কৰাৰ একক মার্গ অনুসৰণ কৰে। এই অনুগামী সকলে কোনো মূর্ত ৰূপৰ উপাসনা নকৰে। কিছুমানে অশৰীৰি আত্মা, গছ, জন্তু, শিল, পাহাৰ, নদী, হ্রদ তথা সূর্য, চন্দ্র, ঐশ্বৰিক শক্তি, গাজনি, বৰষুণ, বতাহ আদিৰ দৰে বিভিন্ন প্রাকৃতিক

পৰিঘটনাৰ উপাসনা কৰে। হিন্দু ধর্মৰ এটা বৈশিষ্ট্য হ'ল বিভিন্ন উৎসৱ-পার্বনৰ উদ্‌যাপন। হিন্দু ধর্মৰ বিশ্বাস মতে এগৰাকী পৰম স্রষ্টা, পালনকর্তা আৰু বিনাশকর্তাৰ অস্তিত্ব আছে। হিন্দু ধর্মই জন্ম-মৃত্যু চক্রৰ উর্দ্ধত থকা আত্মাৰ অস্তিত্বকো বিশ্বাস কৰে। পুনর্জন্ম, কর্মফল, পাপ আৰু পূণ্যৰ দৰে ধাৰণাবোৰো হিন্দুধর্মৰ অংশ। হিন্দু ধর্মাৱলম্বী লোকে বেদ, পু�ৰাণ, শাস্ত্র, উপনিষদ, মহাভাৰত, ৰামায়ণ আৰু ভাগৱত গীতাক কেইখনমান পৱিত্র ধর্মগ্রন্থ বুলি গণ্য কৰে।

➢ **ইচলাম ঃ** খৃষ্টাব্দ সপ্তম শতিকাত আৰব বণিকসকলে ইচলাম ধর্ম ভাৰতলৈ কঢ়িয়াই আনিছিল। ইচলাম ধর্মৰ অনুগামীসকলক 'মুছলমান' বোলা হয়। ইচলাম এটা 'একদেৱবাদী' ধর্ম। ইচলামে মাত্র এজনা ঈশ্বৰক বিশ্বাস কৰে। ইচলামে ধর্মক এক আধাৰক (matrix) আৰু বিশ্ব দর্শন (world view) বুলি বিবেচনা কৰে আৰু এই আধাৰকৰ চাৰিসীমাতেই সকলো জীৱনকেন্দ্রিক কার্যকলাপ সংঘটিত হ'ব লাগে বুলি ভাবে। প্রতিগৰাকী মুচলমানে পাঁচটা ধর্মীয় নীতি অনুসৰণ আৰু প্রদর্শনত বিশ্বাস কৰে। নীতিকেইটা হ'ল— মাত্র এজনা ঈশ্বৰ (তৌহিদ), বিধিবিহিত প্রার্থনা (নামাজ), উপবাস (ৰোজা), দান (জাকাট) আৰু মক্কালৈ তীর্থভ্রমণ (হজ)। মুছলমানসকলে 'কোৰাণ'ক পবিত্র ধর্মগ্রন্থ বুলি বিশ্বাস কৰে। কোৰাণৰ বাণীবোৰ ঈশ্বৰে দেৱদূত গেব্রিয়েল (জিব্রাল)ৰ দ্বাৰা হজৰত মোহম্মদৰ আগত প্রকাশ কৰিছিল বুলি মুছলমানসকলে মানি লয়। তেওঁলোকে শ্বৰিত (ঐশ্বৰিক আইন) অনুসৰণ কৰে আৰু জীৱন জন্মৰ পৰা মৃত্যুলৈকে শ্বৰিয়াৰ দ্বাৰা নিয়ন্ত্রিত হয় বুলি গণ্য কৰে। ২০১১ চনৰ ভাৰতীয় লোকপিয়ল অনুসৰি ভাৰতৰ মুঠ জনসংখ্যা ১৪.২ শতাংশ মুছলমান।

➢ **খৃষ্টান ধর্ম ঃ** বিভিন্ন পর্যায়ত ভাৰতত খৃষ্টান ধর্মৰ প্রৱেশ ঘটিছিল বুলি কোৱা হয়। চিৰিয়ান খৃষ্টিয়ান পৰম্পৰা অনুসৰি যিশু খৃষ্টৰ বাৰ গৰাকী প্রধান শিষ্যৰ মাজৰ এগৰাকী এপোচল্ ট'মাছ প্রুচ খৃষ্টাব্দত কোচিন চহৰত আহি উপস্থিত হৈছিলহি। পৰৱর্তী সময়ত উপনিৱেশবাদ আৰম্ভ হোৱাৰ লগে লগে খৃষ্টান মিশ্যনেৰী সকলে ভাৰতলৈ আহি ধর্ম প্রচাৰ কৰিবলৈ ধৰে। তেওঁলোকে প্রথমে উপান্ত সম্প্রদায়সমূহ, সীমান্তৱর্তী জনজাতি সম্প্রদায় আৰু ভিতৰুৱা অঞ্চলৰ অন্য সম্প্রদায়ৰ মাজত খৃষ্টান ধর্ম প্রচাৰ কৰিছিল। খৃষ্টানসকলে যিশুখৃষ্টক ঈশ্বৰৰ দূত বুলি গণ্য কৰে। তেওঁলোকৰ বাবে ঈশ্বৰৰ প্রতি সক্রিয় সেৱা আগবঢ়োৱা তথা ওচৰ-চুবুৰীয়াক ভালপোৱাটো হ'ল ঈশ্বৰ প্রদত্ত সজকর্ম। 'বাইবেল' খৃষ্টানসকলৰ ধর্মগ্রন্থ। ভাৰতৰ মুঠ জনসংখ্যাৰ ২.৩ শতাংশ হ'ল খৃষ্টান।

➢ **শিখ ধর্ম ঃ** ষোড়শ শতিকাৰ প্রথমার্দ্ধত বর্তমানৰ ভাৰত আৰু পাকিস্তানৰ অন্তর্ভুক্ত বৃহত্তৰ পঞ্জাৰ অঞ্চলত শিখ ধর্মৰ উৎপত্তি আৰু প্রসাৰ ঘটিছিল। গুৰু নানক দেৱক শিখ ধর্ম প্রৱর্তকৰ আসন দিয়া হয়। তেওঁ এগৰাকী সমাজ আৰু ধর্মীয় সংস্কাৰক

আছিল। শিখবাদ আচলতে এটা ধর্মীয় আন্দোলন নাইবা সংস্কাৰ আন্দোলন আছিল। প্রথমে ই কিছুমান হিন্দু ধর্মীয় বিশ্বাস আৰু ভক্তিৰ সৈতে জড়িত কথাৰ সংস্কাৰ সাধন কৰিব খুজিছিল। পৰৱর্তী সময়ত এই আন্দোলনে জাতিভেদৰ কুপ্রথাটোৰ বিৰুদ্ধে মাত মাতিছিল। শিখ ধর্মাৱলম্বীসকলে দহগৰাকী গুৰুৰ প্রতি সন্মান জনায়। তেওঁ লোকে শিখ সমাজত শিক্ষক নাইবা সন্তৰ আসন লাভ কৰিছে। তলত শিখ সমাজত পূজনীয় হৈ থকা আৰু কিংবদন্তীত পৰিণত হোৱা দহগৰাকী গুৰুৰ নাম উল্লেখ কৰা হ'ল—

- গুৰু নানক দেৱজী— ১৪৬৯ চনৰ পৰা ১৫৩৯ চনলৈ
- গুৰু অংগদ দেৱজী— ১৫৩৯ চনৰ পৰা ১৫৫২ চনলৈ
- গুৰু অমৰ দাস চাহিবজী— ১৫৫২ চনৰ পৰা ১৫৭৪ চনলৈ
- গুৰু ৰাম দাস চাহিবজী— ১৫৭৪ চনৰ পৰা ১৫৮১ চনলৈ
- গুৰু অর্জন দেৱজী— ১৫৮১ চনৰ পৰা ১৬০৬ চনলৈ
- গুৰু হৰগোবিন্দ চাহিবজী— ১৬০৬ চনৰ পৰা ১৬৪৪ চনলৈ
- গুৰু হৰ ৰাই চাহিবজী— ১৬৪৪ চনৰ পৰা ১৬৬১ চনলৈ
- গুৰু হৰ কৃষন চাবিজী— ১৬৬১ চনৰ পৰা ১৬৬৪ চনলৈ
- গুৰু টেগ বাহাদুৰ চাহিবজী— ১৬৬৫ চনৰ পৰা ১৬৭৫ চনলৈ
- গুৰু গোবিন্দ সিং চাহিবজী— ১৬৭৫ চনৰ পৰা ১৭০৮ চনলৈ
- গুৰু গ্রন্থচাহিব জী— ১৭০৮ চনৰ পৰা চিৰদিনলৈ

শিখ ধর্মই এক ঈশ্বৰত বিশ্বাস কৰে। তেওঁলোকৰ পবিত্র ধর্মগ্রন্থ হ'ল গুৰু গ্রন্থ চাহিব। এই গ্রন্থখনত আটাইবোৰ শিখ গুৰুৰ শিকনিবোৰ লিপিৱদ্ধ কৰা আছে। গ্রন্থখনক অনাগত সকলো সময়ৰ বাবে শিখসকলৰ সর্বশেষ গুৰুৰ মর্যাদা দিয়া হৈছে। শিখসকলৰ উপাসনা গৃহক গুৰুদ্বাৰা বোলা হয়। সকলোবোৰ শিখ উপাসনাগৃহৰ ভিতৰত অমৃতসৰত থকা স্বর্ণমন্দিৰ গুৰুদ্বাৰটোক শ্রেষ্ঠ পূর্ণধাম বুলি বিবেচনা কৰা হয়। গুৰু গোবিন্দ সিঙে শিখ ধর্মাৱলম্বী লোকৰ বাবে এক নতুন ভাতৃত্ববোধ গঢ়ি তোলা 'খালচা' পন্থৰ জন্ম দিছিল। 'খাল্‌চা'ৰ অর্থ হ'ল 'বিশুদ্ধ'। খালচাপন্থীসকলে নিজ দেহত ধর্মীয় বিশ্বাসৰ পাঁচটা উপাদান (পাঁচটা 'ক') অনবৰতে ৰাখে। উপাদান কেইটা হ'ল— কেশ (নকটাকৈ ৰখা চুলি), কংঘা (চুলি ফনীয়াবলৈ কাঠৰ ফণি), কাৰা (ধাতুৰ খাৰু), কচেৰা (এক ধৰণৰ অন্তর্বাস) আৰু কিৰ্‌পান (এবিধ ডেগাৰ)। শিখসকলৰ পুৰুষে সিং (সিংহ) আৰু মহিলাই কৌৰ (ৰাজকুমাৰী) উপাধি ব্যৱহাৰ কৰে।

➢ **জৈন ধর্ম ঃ** জৈনধর্মও এটা ধর্মীয় সংস্কাৰ আন্দোলনৰূপে গা কৰি উঠিছিল। খৃষ্টপূর্ব ষষ্ঠ শতিকামানত হিন্দুধর্মৰ কিছুমান অপ-ব্যাখ্যাৰ বিৰুদ্ধে ই এক পৃথক ধর্মীয় পৰম্পৰা হিচাপে বিকশিত হৈছিল। শুদ্ধ আচৰণ, শুদ্ধ বিশ্বাস আৰু শুদ্ধ জ্ঞানৰ জৰিয়তে পার্থিব আশা-আকাংক্ষাক অগ্রাহ্য কৰিব পাৰিলেই পৰম প্রজ্ঞাৰ গৰাকী হ'ব পাৰি বুলি প্রচলিত বিশ্বাসটোৱেই হ'ল জৈন ধর্মীয় দর্শনৰ আধাৰ। জৈনসকলে শৃংখলাৱদ্ধতাৰ পঞ্চনীতি অনুসৰণ কৰে। এই নীতি পাঁচটা হ'ল— অহিংসা, সত্য, সততা, যৌনতাৰ ক্ষেত্রত অৱলম্বন কৰা শুদ্ধতা তথা পার্থিৱ লাভালাভৰ প্রতি উদাসীনতা। জৈন ধর্মই আত্ম শুদ্ধিকৰণৰ বাবে উপবাস আৰু সংযমক প্রয়োজনীয় বুলি গণ্য কৰে।

জৈনসকলে ২৪ গৰাকী তীর্থংকৰ (অতিক্রমকাৰী)ক উপাসনা কৰে। তেওঁলোকে পার্থিৱ জগত অতিক্রম কৰি আধ্যাত্মিক জগতত, বান্ধোন অতিক্রম কৰি জীৱনকালতেই মুক্ত জগতত প্রৱেশ কৰা বুলি জৈনসকলে বিশ্বাস কৰে। ঋষভ আছিল প্রথমগৰাকী আৰু মহাবীৰ হ'ল চতুর্বিংশতিতম জৈন তীর্থংকৰ। জৈনধর্মত দুটা পন্থা আছে— শ্বেতাম্বৰ আৰু দিগম্বৰ। তৃতীয় কিন্তু কম জনাজাত জৈন পন্থাটো হ'ল 'স্থাংকৱসী'।

➢ **বৌদ্ধধর্ম ঃ** খৃষ্টপূর্ব ষষ্ঠ শতিকাতে জৈন ধর্মৰ সমসাময়িকভাৱে বৌদ্ধধর্মৰ উত্থান ঘটিছিল। গৌতম বুদ্ধৰ শিকনি প্রচাৰ কৰা ধর্মটোৱেই হ'ল বৌদ্ধধর্ম। বৌদ্ধধর্মৰ অনুগামীসকলে তিনিটা প্রধান নীতি বিশ্বাস কৰে। নীতি তিনিটা হ'ল— বুদ্ধঃ প্রবুদ্ধি দশা প্রাপ্ত শিক্ষক, ধর্মঃ শিক্ষকে প্রদান কৰা শিক্ষা আৰু সংঘঃ ধর্মৰ অনুগামীসকল। বৌদ্ধ দর্শন অনুসৰি জীৱনত যন্ত্রণা আছে। এনে যন্ত্রণাৰ কাৰণ হ'ল আকাংক্ষা। আকাংক্ষাক উদাসীনতাৰে আঁতৰ কৰিব পাৰে। বৌদ্ধধর্মই মহান অষ্টমার্গ অনুসৰণ কৰাৰ কথা কয়। এই অষ্টমার্গে বৌদ্ধমত অনুসৰণকাৰীক যন্ত্রণাৰ পৰা মুক্তি লাভত সহায় কৰে। মার্গ আঠটা হ'ল— শুদ্ধ দৃষ্টিভংগী, শুদ্ধ অভিপ্রায়, শুদ্ধ বাক্য, শুদ্ধ কর্ম, শুদ্ধ জীৱিকা, শুদ্ধ প্রয়াস, শুদ্ধ মনোযোগ আৰু শুদ্ধ ধ্যান। এই মহান অষ্টমার্গে মানুহক 'নির্বাণ' প্রাপ্তিত সহায় কৰে বুলি বৌদ্ধধর্মই কয়। 'নির্বাণ' হ'ল এনে এক ৰূপান্তৰ দশা য'ত মানুহে কোনো যন্ত্রণা, কোনো আকাংক্ষা অনুভৱ নকৰে আৰু মানুহৰ 'স্ব-সত্বা' বোধ হেৰাই যায়। অর্থাৎ মানুহে 'কর্ম'ৰ লগতে জন্ম-মৃত্যু চক্রৰ পৰা মুক্তি লাভ কৰে। বৌদ্ধধর্মৰ প্রধান পন্থা দুটা— হীনযান আৰু মহাযান।

➢ **জোৰাস্ত্রিয়ানবাদ ঃ** খৃষ্টীয় দশম শতিকাত জোৰাস্ত্রিয়ানবাদ ইৰানৰ পৰা ভাৰতলৈ আহিছিল। জোৰাস্ত্রিয়ানবাদীসকলক 'পার্চী' নামেৰে জনা যায়। তেওঁলোকে ইৰানৰ পৰা আহি প্রথমে গুজৰাট আৰু বোম্বে (বর্তমানৰ মুম্বাই)ত থিতাপি লৈছিল। প্রায় ৬০০০ বছৰ পূর্বে জৰাথুষ্ট্রাই এই ধর্ম প্রতিষ্ঠা কৰিছিল। জোৰাস্ত্রিয়ানবাদীসকলে এটা

দ্বৈতবাদী দৰ্শনত বিশ্বাস কৰে। তেওঁলোকে সকলো কথাতে 'ভাল' আৰু 'বেয়া' এই দুটা বিপৰীত শক্তিৰ উপস্থিতি মানি চলে। জোৰাস্ত্ৰিয়ানসকলৰ বেশভূষা অন্যতকৈ কিছু পৃথক। তেওঁলোকৰ মাত্ৰ কেইটামান উপাসনা গৃহ আছে পাৰ্চীসকলে 'জেন্দা আৱেষ্টা'ক পবিত্ৰ ধৰ্মগ্ৰন্থ বুলি গণ্য কৰে। তেওঁলোকে প্ৰতিদিনে পাঁচবাৰকৈ অগ্নিৰ সন্মুখত ধৰ্মশাস্ত্ৰৰ গীতিপদ (hymns) আবৃত্তি কৰে। তেওঁলোকে সত্য, ন্যায়পৰায়ণতা আৰু শৃংখলাৱদ্ধ জগতৰ প্ৰতীক বুলি গণ্য কৰে।

➢ **জুদাবাদ ঃ** জুদাবাদ (Judaism)ৰ অনুসৰণকাৰীসকলক জিউ (ইহুদী) বুলি জনা যায়। ই এক প্ৰাচীন একেশ্বৰবাদী ধৰ্ম। 'তোৰাহ' ইহুদীসকলৰ পবিত্ৰ গ্ৰন্থ। ভাৰতত থকা তিনিটা প্ৰধান ইহুদী সম্প্ৰদায় হ'ল— বেনে ইজৰাইল, কেৰালা জিউচ্ আৰু বাগদাদী জিউচ্।

ওপৰত উল্লেখ কৰা এই প্ৰধান ধৰ্মকেইটাৰ উপৰি ভাৰতত আৰু অসংখ্য ধৰ্মীয় পন্থাৰ অনুগামী আছে। প্ৰত্যেকটো পন্থাৰে নিজা ধৰ্মীয় বিশ্বাস আৰু ৰীতি-নীতিৰ সমষ্টি আছে। এনে পন্থাবোৰ কোনো এটা প্ৰধান ধৰ্মৰ অংশ যদিও ইহঁতৰ বৈশিষ্ট্য মূলসূঁতিৰ ধৰ্মবোৰৰ লগত নিমিলে। ভাৰতত থকা কেইটামান প্ৰধান ধৰ্মীয় পন্থা হ'ল— ভক্তি, শক্তি, নাথ, স্কন্দ, য়োগিনী, আসিমাৰী, ব্ৰাহ্ম সমাজী, কবীৰ পন্থী, দাদু পন্থী, পৰিনামী, চুফীবাদ, বৈষ্ণৱ ইত্যাদি।

১.৪.৩.৪ ভাষাভিত্তিক বৈচিত্ৰ্য

ভাৰত এখন বহুভাষাযুক্ত দেশ। ভাৰতৰ জনগণৰ ভাষাভিত্তিক সমীক্ষা কৰ্তৃপক্ষই তেওঁলোকৰ আধাৰ সমীক্ষাত ৭৮০ টা পৃথক ভাষা আৰু ৬৬ টা ভিন্ন লিপি চিনাক্ত কৰিছে। ২০১১ চনৰ ভাৰতীয় লোকপিয়ল অনুসৰি ভাৰতত ১২২ টা ভাষা আছে। প্ৰতিটো ভাষা কোৱা মানুহৰ সংখ্যা ১০ হেজাৰ নাইবা ততোধিক। প্ৰতিবেদনত উল্লেখ থকা অনুসৰি ভাৰতত বিগত ৫০ বছৰত ২৫০ টা ভাষা লুপ্ত হৈছে। ভাৰতীয় সংবিধানে ২২টা সূচীভূক্ত ভাষাক স্বীকৃতি প্ৰদান কৰিছে। ভাৰতত সৰ্বাধিক প্ৰায় ৪০০ মিলিয়ন লোকে হিন্দী ভাষা ব্যৱহাৰ কৰে। ত্ৰিপুৰাৰ 'চৈমাল' ভাষাত কথা কোৱা লোকৰ সংখ্যা মাত্ৰ ৫ গৰাকী। অৰুণাচল প্ৰদেশত ৬৬টা ভিন্ন ভাষা প্ৰচলিত। বংগত ৯টা বিভিন্ন ধৰণৰ লিপি আছে আৰু ৩৪ টা ভাষা প্ৰচলিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ভাৰতলৈ কেতিয়া আৰু কেনেকৈ ইচলাম ধর্মৰ আগমন ঘটিছিল?

.....

.....

প্রশ্ন নং ৭ঃ শিখ ধর্মৰ 'পাঁচটা ক' কি কি ?

.....

.....

প্রশ্ন নং ৮ঃ একেশ্বৰবাদ বুলিলে কি বুজে?

.....

.....

১.৫ বৈচিত্র্যৰ মাজত ঐক্য

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে সামগ্রিকভাৱে ভাৰতীয় সমাজখন ভৌগলিক, নাগৰিক, ধর্মীয় আৰু ভাষাৰ দিশেৰে এখন অতি বৈচিত্র্যময় দেশ। কিন্তু ইমানবোৰ প্রভেদ থকা সত্বেও ভাৰতীয় সমাজখনৰ এক ৫০০তকৈও অধিক বছৰৰ পুৰণি আৰু দীঘলীয়া ইতিহাস আছে। এই ইতিহাসে দেশখনৰ সমৃদ্ধিশালী বিকাশৰ কথা কয়। ভাৰতত বৈচিত্র্য হ'ল এক অনন্য পৰিঘটনা। সমাজ বিজ্ঞানৰ বিভিন্ন শাখাৰ গৱেষকৰ বাবে ই সদায় এক অধ্যয়ন আৰু গৱেষণাৰ বিষয়। এই বিশাল বৈচিত্র্যৰ মাজত এক বিশেষ ধৰণৰ ঐক্যই বিৰাজ কৰে। এটা উদাহৰণলৈ মন কৰক। ভাৰতৰ উত্তৰ-পূৰ অঞ্চলৰ বাসিন্দাসকল জম্মু-কাশ্মীৰ নাইবা গুজৰাটৰ বাসিন্দাতকৈ সম্পূর্ণ পৃথক। তেওঁলোকৰ মাজত ভাষাৰ লগতে পৰম্পৰা, প্রথা, ধর্ম, বিশ্বাস আদি সকলো কথাতে পার্থক্য আছে। কিন্তু যদি আমি এই অঞ্চলবোৰত হিন্দু ধর্মৰ প্রচাৰকসকলৰ কথা ভাবি চাওঁ তেন্তে দেখিম যে তেওঁলোকে একেই উমৈহতীয়া ভাতৃত্ববোধ এই অঞ্চলবোৰত অনুভৱ কৰাৰ লগতে ভাগ-বাটোৱাৰাও কৰিছিল। দুয়োটা অঞ্চলৰ লোকে পৰস্পৰৰ অঞ্চললৈ তীর্থযাত্রীৰূপে অহা-যোৱা কৰাৰ জৰিয়তে যুগ যুগ ধৰি সামাজিক আন্তঃক্রিয়া সম্পাদন কৰি আহিছে। একেদৰে, বংগ এলেকাতে ৩৮ টা বিভিন্ন ভাষাত মানুহে কথা পাতে যদিও বংগৰ চাৰি সীমাৰ ভিতৰত বাস কৰা সকলোৱে এক পৰিচয় বহন কৰে। তেওঁলোকৰ খাদ্যাভ্যাস, সাহিত্য, কলা, সংগীত আৰু নৃগোষ্ঠীয় পৰিচয় মিলে। আনুষ্ঠানিক আন্তঃৰাষ্ট্রীয় ভাষা হিচাপে ইংৰাজীয়েও সমগ্র জাতিটোকে এক কৰি

ৰাখিছে। আধুনিক শিক্ষা ব্যৱস্থাৰ প্ৰসাৰৰ জৰিয়তে এই কাম সম্ভৱ হৈছে। আধ্যাত্মিকতাবাদ, ধৰ্মনিৰপেক্ষতা, ধৰ্মীয় সহিষ্ণুতা, পৰস্পৰৰ ভাৱ-অনুভূতিৰ প্ৰতি সন্মান আৰু বিশ্বাসেও ভাৰতীয় সমাজখনক সহ-বসতিযোগ ধৰ্মীয় বহুত্ববাদী সমাজৰ ৰূপ ধাৰণ কৰাত সহায় কৰিছে। এই কাৰ্যত বহুতো ধৰ্মীয় আন্দোলনৰো অৱদান আছে। উদাহৰণ স্বৰূপে মহামতি আকবৰে দীন-ঈ-ইলাহী নামৰ এটা নতুন ধৰ্মীয় পন্থাৰ প্ৰচলন ঘটাইছিল। হিন্দুধৰ্ম, ইচলাম, জৈনধৰ্ম আৰু জোৰাষ্টৰীয়বাদৰ সাৰগৰ্ভ শিকলিবোৰক একাগাট কৰি প্ৰৱৰ্তন কৰা এই ধৰ্মীয় পন্থাটোৰ নামটোৰ সাধাৰণ অৰ্থ হ'ল 'সৰগীয় বিশ্বাস'। অসমত শংকৰদেৱেও এক শৰণ নাম ধৰ্ম প্ৰৱৰ্তন কৰিছিল। হিন্দু, মুছলমান, জনজাতি, অ-জনজাতি নিৰ্বিশেষে অসমৰ বিভিন্ন প্ৰান্তৰ লোকে শংকৰদেৱৰ নামধৰ্ম গ্ৰহণ কৰিছিল। সামৰণিত আমি ক'ব পাৰোঁ যে ভাৰতীয় সমাজ আৰু সংস্কৃতিত বৈচিত্ৰ্যতা আৰু ঐক্য দুয়োটাই আছে। সমাজত অন্তনিৰ্হিত একতাতে বৈচিত্ৰ্য বিচাৰি পোৱা যায়। সেই দিশৰ পৰা ভাৰতত বৈচিত্ৰ্যতা হ'ল এটা সমগ্ৰতাৰ এক অভিন্ন অংশ।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলোঁ যে— যোৱা ৫০০ বছৰতকৈও অধিক কাল জুৰি অস্তিত্ব বৰ্তাই ৰখা ভাৰতীয় সমাজ আৰু সংস্কৃতি বিশ্বৰ ভিতৰতে প্ৰাচীন আৰু বিশাল।
- সমাজ হ'ল কিছুমান উমৈহতীয়া বৈশিষ্ট্য ভাগ-বাটোৱাৰা কৰা মানৱৰ গোট।
- সমাজ এখনে কেনেদৰে জীৱন যাপন কৰে সংস্কৃতিয়ে তাকেই প্ৰতিফলিত কৰে।
- ভৌগলিক, গোষ্ঠীভিত্তিক, ধৰ্মীয় আৰু ভাষাভিত্তিকভাৱে ভাৰতৰ সমাজ আৰু সংস্কৃতি অতি বৈচিত্ৰ্যময়।
- ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল বৈচিত্ৰ্যৰ মাজত থকা ঐক্য।



১.৭ অধিক জানিবলৈ

১) Madhurima. (2016). Readings in Sociology. Jalandhar. New Academic Publishing Co.

২) Pandey, V. (2016). Indian Society and Culture. Jaipur. Rawat Publication.

৩) Rao. S.C.N. (2014). Principles of Sociology with an Introduction to Sociological Thought. S. Chand & Company Pub. Co.

১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ম'ৰিচ গিন্সবার্গৰ মতে, 'কিছুমান নির্দিষ্ট সম্পর্ক নাইবা আচৰণৰ ধৰণ-কৰণ মানি চলি ঐক্যবদ্ধ হৈ থকা ব্যক্তিৰ থুপ এটাকে এখন সমাজ বোলা হয়। এনে সম্পর্ক নাইবা আচৰণে সমাজ এখনক একেধৰণৰ সম্পর্কেৰে বান্ধ নোখোৱা অথবা এনে আচৰণৰ বিৰোধিতা কৰা আন সকলোৰে পৰা পৃথক কৰি তোলে।' এডৱার্ড বি-টেইলৰৰ মতে সংস্কৃতি হ'ল 'সেইটো সমগ্রতা যিটোৱে মানুহৰ জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, আইন, প্রথা আৰু এগৰাকী সদস্য হিচাপে মানুহে আহৰণ কৰা আন সকলোবোৰ সামর্থ তথা অভ্যাসক সামৰি লয়।'

২নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় সমাজ আৰু সাংস্কৃতিক ঐতিহ্যৰ ইতিহাস ২৬০০-২০০০ খৃষ্টপূর্ব পুৰণি। সিন্ধু উপত্যকা সভ্যতাৰ পৰা বর্তমানলৈকে ইয়াৰ ইতিহাসে ৫০০০ বছৰতকৈও অধিক কাল অতিক্রম কৰিছে।

৩নং প্রশ্নৰ উত্তৰ ঃ এখন সমাজৰ সকলো সদস্যকে 'এক'ৰ অনুভৱ অথবা 'আমি'বোধেৰে বান্ধি ৰখা সম্পর্কটোকে ঐক্য বোলা হয়। এখন সমাজৰ সাংস্কৃতিক দিশত থকা সকলোবোৰ পার্থক্যকে বৈচিত্র্য বোলা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ গোষ্ঠী বুলিলে মানৱ গোটবোৰত থকা সেইবোৰ বাহ্যিক ভৌতিক পার্থক্যৰ কথা বুজোৱা হয় যিবোৰ পার্থক্যক এখন নির্দিষ্ট সমাজে নিজৰ বৈশিষ্ট্য বুলি বিবেচনা কৰে। গোষ্ঠীৰ ধাৰণাটো গোষ্ঠী এটাৰ সদস্যসকলৰ মাতৃভূমিৰ ওপৰত আধাৰিত হ'ব পাৰে (যেনে— মংগোলিয়া আৰু ক'কাছ পর্বতমালা) নাইবা গাৰ ছালৰ বৰণ গোষ্ঠীৰ আধাৰ হ'ব পাৰে (ক'লা, বগা, পীতবর্ণ ৰঙচুৱা ইত্যাদি)।

৫নং প্রশ্নৰ উত্তৰ ঃ ছটা।

৬নং প্রশ্নৰ উত্তৰ ঃ আৰব বণিকসকলে আনুমানিক খৃষ্টাব্দ সপ্তম শতিকাত কেৰালাৰ মালাবাৰ উপকূলত ভৰি থোৱাৰ লগে লগে ভাৰতত ইচলাম ধর্মই প্রৱেশ কৰিছিল।

৭নং প্রশ্নৰ উত্তৰ ঃ শিখ ধর্মৰ 'খালচা' পন্থীসকলে অনবৰতে নিজৰ সৈতে ৰখা ধর্মীয় বিশ্বাসৰ পাঁচটা 'ক' হ'ল ক্রমে— কেশ, কংঘা, কাৰা, কচেৰা আৰু কিৰপান।

৮নং প্রশ্নৰ উত্তৰ ঃ 'একেশ্বৰবাদ' (এক ঈশ্বৰবাদ) হ'ল সেইটো ধর্মীয় পৰম্পৰা অথবা বিশ্বাস যিটোৱে মাত্র এজনা ঈশ্বৰৰ অস্তিত্ব আৰু উপাসনাৰ কথা কয়।



১.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখা)

প্ৰশ্ন ১ ঃ ঐক্যৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ শিখ ধৰ্মৰ ওপৰত এটি চমুটোকা লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ ভাৰতত বৈচিত্র্যৰ মাজত ঐক্য বোলা ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ ধৰ্মীয় বৈচিত্র্যৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় গোষ্ঠীবোৰৰ এখন বিস্তৃত শ্ৰেণীবিভাজন সূচী উপস্থাপন কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতীয় সমাজৰ প্ৰকাৰসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ নগৰীয়া সমাজ

২.৩.১ চহৰৰ শ্ৰেণীবিভাজন

২.৩.২ চহৰীয়া সমাজৰ সমস্যাসমূহ

২.৪ ভাৰতবৰ্ষত গ্ৰাম্য সমাজ

২.৪.১ ভাৰতবৰ্ষৰ গাঁওসমূহৰ প্ৰকাৰ

২.৪.২ গ্ৰাম্য স্থানীয় স্বায়িত্ব শাসন

২.৪.৩ স্থানীয় স্বায়িত্বশাসনৰ আসোঁৱাহসমূহ

২.৫ ভাৰতবৰ্ষৰ জনজাতীয় সমাজ

২.৫.১ জনজাতিসকলৰ বৈশিষ্ট্য

২.৫.২ জনজাতীয় সমাজৰ প্ৰতি দৃষ্টিভংগী

২.৫.৩ ভাৰতীয় সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুচ্ছেদৰ গুৰুত্ব

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্ৰগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতবৰ্ষৰ নগৰীয়া সমাজৰ বিষয়ে জানিব পাৰিব
- ভাৰতীয় সমাজৰ সমস্যাসমূহৰ আলোচনা কৰিব পাৰিব
- ভাৰতৰ গ্ৰাম্য সমাজৰ বিষয়ে আলোচনা কৰিব পাৰিব
- জনজাতিৰ সংজ্ঞা ব্যাখ্যা কৰিব পাৰিব
- জনজাতীয় লোকসকলৰ প্ৰতি ভাৰতীয় সংবিধানৰ প্ৰতিৰক্ষামূলক সুবিধাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

আগৰ অধ্যায়ত আমি আলোচনা কৰি আহিছোঁ যে ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। ইয়াৰ বিভিন্ন ভাষা, বিভিন্ন ধৰ্মাৱলম্বী লোক, জাতিগতভাৱে বিভিন্ন সংযোজন (Composition) আদিয়ে ইয়াৰ বিচিত্ৰতা। অন্য এক বৈচিত্ৰ্য হ'ল সামাজিক প্ৰকাৰৰ ভিন্নতা। ভাৰতবৰ্ষত তিনি প্ৰকাৰৰ সমাজ ব্যৱস্থা প্ৰৱৰ্তিত হৈ আছে। সেইবোৰ হ'ল— নগৰীয়া সমাজ (Urban Society), গ্ৰাম্য সমাজ আৰু জনজাতীয় সমাজ। এই পাঠটিত আমি সমাজৰ তিনিওটি প্ৰকাৰৰ বিষয়ে আলোচনা কৰিম।

২.৩ নগৰীয়া সমাজ

নগৰীকৰণ পদ্ধতিৰ ফলস্বৰূপেই নগৰীয়া সমাজৰ সৃষ্টি হৈছে। সমাজতত্ত্বৰ উল্লেখ থকা মতে, নগৰিকীকৰণে চহৰ বা নগৰ আৰু মহানগৰৰ গঠন প্ৰক্ৰিয়াকে বুজায়। বৰ্তমান জনসংখ্যা আৰু অ-কৃষিভিত্তিক বৃত্তি নাগৰিক সমাজৰ বৈশিষ্ট্য। ভাৰতীয় সভ্যতাৰ ইতিহাসৰ বিভিন্ন সময়ত নাগৰিক সমাজৰ গঠন আৰু বিকাশৰ সাক্ষৰ দেখা যায়। এনেকুৱা কিছুমান ইতিহাস প্ৰসিদ্ধ নগৰ হ'ল— হৰাপ্পা, মহেন-জ্ঞা-ডাৰো, ইন্দ্ৰপ্ৰস্থ, পাটলিপুত্ৰ, নালান্দা, তক্ষশীল, আগ্ৰা আদি। সময়ৰ লগে লগে, বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতি, নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক পদ্ধতিৰ প্ৰভাৱত পুৰণি চহৰসমূহে নতুন ৰূপ লয় আৰু বহু নতুন চহৰৰ সৃষ্টি হয়।

২.৩.১ চহৰসমূহৰ শ্ৰেণীবিভাজন

ভাৰতৰ চহৰসমূহক ইয়াত বাস কৰা জনসংখ্যাৰ গাঁথনিৰ ভিত্তিত আৰু চহৰসমূহৰ ভূমিকাৰ ওপৰত ভিত্তি কৰি শ্ৰেণীবিভাগ কৰা হয়।

- **জনসংখ্যাৰ ভিত্তিত শ্ৰেণীবিভাজন ঃ** ভাৰতৰ পৰিসংখ্যা বিভাগে জনসংখ্যাৰ ওপৰত ভিত্তি কৰি ভাৰতৰ চহৰসমূহক ছয় প্ৰকাৰত ভাগ কৰিছে। প্ৰথম শ্ৰেণীৰ চহৰ এখনৰ মৰ্যাদাৰ বাবে চহৰখনত প্ৰায় ১০০,০০০ বা ওপৰৰ জনসংখ্যা ধাৰ্য কৰা হৈছে। তেনেদৰে ৫০,০০০-৯৯,৯৯৯ জনসংখ্যাযুক্ত চহৰসমূহক দ্বিতীয় শ্ৰেণীৰ চহৰ আৰু ২০,০০০-৪৯,০০০ জনসংখ্যাযুক্ত চহৰসমূহক তৃতীয় শ্ৰেণীৰ চহৰত ভাগ কৰা হয়। ১০,০০০-১৯,০০০ জনসংখ্যাযুক্ত চহৰসমূহক চতুৰ্থ শ্ৰেণী, ৫,০০০-৯,৯৯৯ জনসংখ্যাৰ চহৰসমূহক পঞ্চম শ্ৰেণীৰ আৰু ৫,০০০ তকৈ কম জনসংখ্যাৰ চহৰসমূহক ষষ্ঠ শ্ৰেণীৰ চহৰ বুলি শ্ৰেণীভুক্ত কৰা হয়। নিম্নতম জনসংখ্যা ৫,০০০, কমেও ৭৫% যুৱ জনসংখ্যাৰ অ-কৃষিভিত্তিক বৃত্তি আৰু জনবসতিৰ ঘনত্ব ৪০০ বৰ্গ কিঃমিঃ হ'লে চহৰখনক জনগণনা চহৰ হিচাপে গণ্য কৰা হয়। এই মানদণ্ডৰ উপৰিও পৌৰসভা, বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ধাৰ্য কৰা চহৰৰ পৰিসীমাযুক্ত চহৰসমূহক ব্যৱস্থাপিত বা আইনমতে সিদ্ধ চহৰ বুলি কোৱা হয়।
- **ভূমিকা বা কাৰ্য ঃ** ভাৰতবৰ্ষৰ চহৰসমূহক ইয়াৰ প্ৰভাৱশালী ভূমিকাৰ ওপৰত ভিত্তি কৰিও শ্ৰেণীবিভাগ কৰিব পাৰি।
- **ধাৰ্মিক কেন্দ্ৰ ঃ** কিছুমান চহৰ ইয়াৰ ধৰ্মীয় অনুষ্ঠানসমূহৰ বাবে বিশেষভাৱে পৰিচিত হয়

আৰু বহু মানুহ এই অনুষ্ঠানসমূহৰ দ্বাৰা প্ৰভাৱান্বিত হয়। এই চহৰসমূহক মন্দিৰ চহৰ বুলি জনা যায়। মন্দিৰসমূহৰ দ্বাৰা এই চহৰসমূহৰ অৰ্থব্যৱস্থা বহু পৰিমাণে পৰিচালিত হয় আৰু ভোজনালয়, হোটেল, ধৰ্মশালা, স্মাৰক বিক্ৰীৰ দোকান, পথপ্ৰদৰ্শক ব্যৱসায় আদি এই মন্দিৰসমূহক কেন্দ্ৰ কৰি গঢ়ি উঠে। মন্দিৰ চহৰৰ দুটা উদাহৰণ হ'ল— দক্ষিণ ভাৰতৰ তিৰুপতি আৰু উত্তৰ ভাৰতৰ নাথদ্বাৰা।

- **ব্যৱসায়িক কেন্দ্ৰ ঃ** উদ্যোগীকৰণৰ বিস্তৃত ব্যৱসায়িক প্ৰতিষ্ঠান আৰু ব্যৱসায়িক সঞ্চালনৰ দ্বাৰা ভাৰতবৰ্ষৰ কিছুমান চহৰৰ জন্ম হোৱাৰ লগতে ই বহু মানুহক প্ৰভাৱিত কৰি চহৰমুখী কৰি তোলে। উদাহৰণ স্বৰূপে ক'লকাতা, মুম্বাই, জামছেদপুৰ, বাঙ্গালোৰ আদি।

- **পৰ্যটনৰ কেন্দ্ৰ ঃ** কিছুমান চহৰ ইয়াৰ প্ৰাকৃতিক শোভাৰ ওপৰত ভিত্তি কৰি আৰু অন্য কিছুমান পৰ্যটন স্থলীৰ আকৰ্ষণৰ কাৰণে গঢ়ি উঠে। এই চহৰসমূহৰ অৰ্থনীতি প্ৰধানকৈ পৰ্যটনৰ ওপৰত প্ৰতিষ্ঠিত। উদাহৰণ স্বৰূপে চিমলা, মানালি আদি চহৰৰ কথা ক'ব পাৰি।

- **প্ৰসাৰিত চহৰ ঃ** ডাঙৰ মেট্ৰোপলিটান চহৰসমূহৰ অত্যাধিক জনসংখ্যাৰ হেঁচা লাঘৱৰ উদ্দেশ্যে এই চহৰসমূহৰ নিকটৱৰ্তী অঞ্চলত সৰু চহৰ কিছুমান গঢ়ি উঠে। উদাহৰণ স্বৰূপে নৱী মুম্বাই এনে এখন সৰু চহৰ। তেনেদৰে দিল্লীৰ নিকৱৰ্তী, আহমেদাবাদৰ ওচৰত গান্ধীনগৰ এনেভাৱেই গঠন হৈছিল।

২.৩.২ ঃ চহৰীয়া সমাজৰ সমস্যাসমূহ

অপেক্ষাকৃতভাৱে অধিক সুবিধাৰ প্ৰত্যাশাত ক্ৰমাগতভাৱে চহৰ অভিমুখী লোকৰ আগমণত ভাৰতবৰ্ষৰ চহৰসমূহ প্ৰসাৰিত হৈ আহিছে। গাঁও আৰু চহৰৰ মাজত থকা অসমানুপাতিক উন্নয়নৰ ফলত চহৰ অঞ্চললৈ প্ৰব্ৰজনৰ হাৰ বাঢ়িছে। ইয়াৰ ফলত চহৰসমূহত আকস্মিকভাৱে বৃদ্ধি পোৱা জনসংখ্যাৰ হাৰে কিছুমান সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাসমূহৰ কিছুমান আলোচনা কৰা হ'ল—

- **জনসংখ্যাৰ অত্যাধিক হেঁচা ঃ** জনসংখ্যাৰ অত্যাধিক চহৰ কেন্দ্ৰিকতাই চহৰসমূহত জনস্ফীতি ঘটাইছে। ইয়াৰ ফলত চহৰৰ পূৰ্বস্থিত সম্পদ যেনে— ভূ-ভাগৰ ওপৰত অত্যাধিক হেঁচাৰ সৃষ্টি কৰিছে। ভূ-সম্পদৰ যোগানী সীমিত বাবে ই প্ৰয়োজন অনুসৰি পৰিমাণত কম হৈ ৰোৱা বাবে মানুহে অৱশেষত চৰকাৰীভাৱে সংৰক্ষিত অঞ্চলসমূহতো বাস কৰিবলৈ লয় আৰু প্ৰকৃতি ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হয় আৰু অন্যান্য সমস্যাৰো সৃষ্টি কৰে। বহু চহৰৰ অপৰিকল্পিত পৰিচালনাৰ ফলত জধে-মধে গঢ়ি উঠা গৃহ নিৰ্মাণ, নলী-নৰ্দমাৰ অবৈজ্ঞানিক গাঁথনি আদিয়ে সমস্যাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে গুৱাহাটীৰ কথাই ক'ব পাৰে। বৰ্তমান সময়ত গুৱাহাটী এখন জনসংখ্যা বহুল চহৰ। এই ক্ৰমবৃদ্ধিপ্ৰাপ্ত জনসংখ্যাৰ প্ৰয়োজন অনুসৰি গৃহ নিৰ্মাণ কৰিব যাওঁতে বহু সময়ত জলাশয় আৰু জলনিৰ্গমন অঞ্চলসমূহ ব্যৱহাৰ কৰি অহা হৈছে। চহৰৰ পৰিসীমাৰ মুকলি ঠাইসমূহ বৃহৎ অট্টালিকাই গ্ৰাস কৰি এই ঠাইসমূহৰ পাৰিপাৰ্শ্বিকতাক ক্ষতি কৰিছে। চহৰখনত কৃত্ৰিম বানপানীৰ সমস্যাই এক চিন্তনীয় বিষয় হিচাবে দেখা দিছে।

- **বস্তি অঞ্চলৰ সৃষ্টি ঃ** অপৰ্যাপ্ত গৃহৰ সমস্যাই চহৰ অঞ্চলত প্ৰায়েই বস্তি অঞ্চলৰ সৃষ্টি কৰে। এই অঞ্চলসমূহ স্বাস্থ্যকৰ জীৱন নিৰ্বাহৰ বাবে বিশেষ সন্তোষজনক নহয়, কিয়নো এইবোৰত প্ৰায়ে প্ৰয়োজনীয় অনাময় ব্যৱস্থা, খোৱাপানীৰ ব্যৱস্থাৰ অভাৱৰ উপৰিও গৃহসমূহ সুস্থ বতাহ বা বায়ুৰ চলাচলৰ অভাৱৰ বাবে, আৰু ৰ'দৰ অভাৱত বহু বেমাৰৰ বীজাণু বহন কৰি ঠাইলৈ পৰ্যৱসিত হয়। এই বস্তি অঞ্চলত আৰ্থিকভাৱে দুৰ্বল লোকসকল বাস কৰে। বহু সময়ত এই বস্তিসমূহ অনৈতিক কাৰ্যকলাপৰ এক গুপ্তথলী হৈ পৰে। ড° ৰাধাকমল মুখাৰ্জীৰ উক্তিয়ে বস্তি অঞ্চলৰ ছবি এখন প্ৰকাশ কৰে— "ভাৰতবৰ্ষৰ উদ্যোগিক চহৰসমূহত গঢ়ি উঠা হাজাৰৰ ওচৰৰ বস্তিসমূহত মানৱীয় আচৰণসমূহ প্ৰায়েই বিপথগামী হয়, মহিলাৰ প্ৰতি অন্যায় আচৰণ আৰু শিশুসকলৰ বাল্যকালছোৱা নষ্ট কৰি পেলোৱা হয়।"

- **যাতায়তৰ সমস্যা ঃ** চহৰসমূহত ৰাজহুৱা যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত সুবিধা আছে। চহৰ অঞ্চলত ৰাজহুৱা পৰিবহণৰ সুচল বাৰস্থা থকা সত্বেও বেছিভাগ নাগৰিকে ব্যক্তিগত পৰিবহণৰ ব্যৱস্থা ৰাখে আৰু নিজাকৈ গাড়ী-মটৰ ক্ৰয় কৰে। ব্যক্তিগতভাৱে গাড়ীৰ গৰাকী হোৱাটো এক মৰ্যদাৰ চিহ্ন বুলি গণ্য কৰাৰ উপৰিও ই দ্ৰুত নগৰীয়া জীৱনৰ বিশেষ সহায়ক হয়। সেয়েহে যান-জঁট চহৰীয়া জীৱনৰ এক দৈনন্দিন ঘটনা হিচাবে দেখা দিছে আৰু নাগৰিকসকলৰ চহৰ সম্বন্ধীয় সমস্যাৰ এক কাৰক হৈ পৰিছে।

- **বিদ্যুতৰ নাটনি ঃ** বৈদ্যুতিক সামগ্ৰীৰ বহুল ব্যৱহাৰ ক্ৰমাগতভাৱে বৃদ্ধি পাই অহাৰ পৰিণতিত বিদ্যুতৰ চাহিদাও বৃদ্ধি পাইছে। তেনেদৰে নগৰৰ ক্ৰমগতিত বদ্ধি পোৱা জনসংখ্যাৰ অনুপাতে বিদ্যুতৰ যোগান কম হোৱাত নগৰৰ কিছুমান অঞ্চল যেনে— বস্তি অঞ্চলত বেছিভাগ সময়তে বিদ্যুতৰ যোগান ব্যাহত হৈ থাকে। তদুপৰি চহৰৰ ম'ল, কাৰখানা, হোটেল, নাগৰিকৰ বাসগৃহ আদিত প্ৰয়োজন হোৱা বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ গৈ উপকণ্ঠীয় গাঁওসমূহত প্ৰায়েই দুৰ্বল বিদ্যুতৰ যোগান ধৰা হয়।

- **পৰিবেশৰ বিনষ্টকৰণ ঃ** জনসংখ্যা বৃদ্ধিৰ পৰিণতি স্বৰূপে জধে-মধে, অপৰিকল্পিতভাৱে গঢ় লৈ উঠা অট্টালিকা আৰু হাবি-গছ কাটি মানুহৰ বাসস্থান নিৰ্মাণ কৰিবলৈ লোৱাৰ ফলত প্ৰাকৃতিক পৰিবেশ বিনষ্ট হৈছে। প্ৰাকৃতিক ভাৰসাম্যহীনতাৰ ফলত মানৱ জাতিয়ে ভৱিষ্যতে ভয়ানক সমস্যাৰ সন্মুখীন হোৱাৰ সম্ভাৱনাৰ লগতে বৰ্তমানেও ই মানুহৰ কাৰণে ক্ষতিকাৰকৰূপে দেখা দিছে। উদাহৰণ স্বৰূপে, জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে গুৱাহাটী মহানগৰী ক্ৰমাৎ আয়তনৰ ফালৰ পৰা বৃদ্ধি হৈ আহিছে অৰ্থাৎ ইয়াৰ ভূমিভাগৰ প্ৰসাৰ ঘটোৱা হৈছে। ইয়াকে কৰিবলৈ যাওঁতে গুৱাহাটীৰ মাজমজিয়াত ভূমিৰ গছ-গছনি ধ্বংস কৰি আৰু প্ৰয়োজন হ'লে কাষৰীয়া ঠাইৰ গছ-গছনি কাটি মানুহৰ বাসস্থান, উদ্যোগ আদিৰ কাৰণে ঠাই উলিয়াই সুবিধা কৰি লোৱা হৈছে। বহু সময়ত জলাশয়সমূহ মাটিৰে পুতি বাসস্থান নিৰ্মাণ, অফিচ নিৰ্মাণ, ম'লকে আদি কৰি বৃহৎ অট্টালিকা নিৰ্মাণ কৰা হৈছে। এই কাৰ্যৰ প্ৰত্যক্ষ ফল হিচাবে কৃত্ৰিম বানপানীৰ সমস্যা ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। আকৌ, ক্ৰমাৎ বৃদ্ধিপ্ৰাপ্ত মটৰ গাড়ী আদি যাতায়তৰ ব্যৱস্থাসমূহে বায়ুমণ্ডল দূষিত কৰাৰ উপৰিও বৰ্ধিত জনসংখ্যাই অন্য কিছুমান প্ৰদূষণৰো সৃষ্টি কৰি পাৰিপাৰ্শ্বিকতাক ক্ষতিগ্ৰস্থ কৰিছে।

২.৪ ভাৰতবৰ্ষৰ গ্ৰাম্য সমাজ

এ. ডবলিউ ৰ মতে গ্ৰাম্য সমুদায় হ'ল এক ঠেক পৰিসীমাৰ ভিতৰত বাস কৰা সামূহিক গোট, যাৰ জীৱন পদ্ধতি একেই ধৰণৰ হয়।

সমাজ বিজ্ঞানীয়ে মত দিয়ে যে মানৱ সভ্যতাৰ বিকাশ গ্ৰাম্য সমাজতেই হৈছিল। সেয়েহে গ্ৰাম্যসমাজৰ আৰম্ভণি ইতিহাসৰো আগত বুলি বিশ্বাস কৰা হয়। বৰ্তমান সময়ত অগণন নগৰ আৰু মহানগৰৰ প্ৰসাৰ ঘটিছে যদিও বিশ্বৰ এক বুজন সংখ্যক লোক এতিয়াও গাঁওতেই বাস কৰে। ভাৰতবৰ্ষৰো অধিক সংখ্যক লোক গাঁও অঞ্চলত বাস কৰে। ২০শ শতিকালৈ ভাৰতবৰ্ষৰ মাত্ৰ ১১% লোকহে নগৰ অঞ্চলত বাস কৰিছিল। সেয়েহে মহাত্মা গান্ধীয়ে কৈছিল— "ভাৰতৰ প্ৰকৃত ছবিখন গাঁৱতহে পোৱা যায়"। প্ৰাচীন ভাৰততো উপনিৱেশৰ ক্ষেত্ৰত গাঁৱৰ এক উল্লেখযোগ্য অৱিহণা দেখা যায়। ঋক্‌বেদৰ দৰে প্ৰাচীন উপনিষদ পুথিতো গাঁৱৰ উল্লেখ আছে। এ উল্লেখ কৰে যে ৰামায়ণত দুই ধৰণৰ গাঁৱৰ উল্লেখ আছে— ঘোশ আৰু গাঁও। গাঁৱৰ তুলনাত ঘোশৰ আকাৰ সৰু হয়। ঘোশক 'ব্ৰজ' বা 'বৃজ' বুলিও জনা যায় আৰু এইবিলাক গৰু-ম'হৰ শাল (Farm) থাকে। তদুপৰি এই দুই ধৰণৰ গাঁৱতেই কিছুমান বিষয়া থাকে, যিসকলক মহত্তৰ বুলি জনা গৈছিল। এই মহত্তৰসকলৰ জ্যেষ্ঠজনক আকৌ গ্ৰামাণী বা গ্ৰামীক বুলি জনা গৈছিল। মহাভাৰততো তেনেদৰে আকৌ বিভিন্ন প্ৰকাৰৰ গাঁৱৰ উল্লেখ আছে। দূৰ্গৰ আশেপাশে থকা উপনিবেশসমূহক গাঁও, সৰু পঁজা ঘৰেৰে আগুৰা একোডোখৰ ঠাইক পালি), ডাঙৰ পশুশালৰে ভৰা গাঁওসমূহক ঘোশ বা বৃজ বুলি জনা গৈছিল। গাঁওসমূহৰ পৰস্পৰৰ সৈতে সাংস্কৃতিক, সামাজিক আৰু প্ৰশাসনীয়ভাৱে সংযুক্ত আছিল। দাসী আছিল দহখন গাঁৱৰ মাজত থকা সৰ্বোচ্চ প্ৰশাসনীয় বিষয়া। তেনেদৰে ২০খন গাঁৱক যুক্ত কৰি এজন প্ৰশাসনীয় বিষয়াৰ ওপৰত এইবোৰৰ প্ৰশাসনৰ ভাৰ ন্যস্ত কৰা হৈছিল আৰু এই বিষয়াগৰাকীক বিংশতী বুলি জনা গৈছিল। এশ গাঁৱৰ বাবে থকা প্ৰশাসনীয় বিষয়াগৰাকীৰ 'সহস্ৰ গ্ৰামধিপতি' বুলি জনা গৈছিল। 'কৌটিল্যৰ অৰ্থশাস্ত্ৰত'ত ভাৰতীয় গ্ৰাম্য জীৱনৰ বিভিন্ন দিশ বৰ্ণনা কৰা হৈছিল। তেওঁ কৈছিল যে গাঁওসমূহৰ এখনৰ পৰা আনখনৰ দূৰত্ব এক বা দুই ক্ৰোশ (৩.২১৯ কিঃ মিঃ)ৰ হোৱা উচিত আৰু তেতিয়াহ'লে কোনো বিপদত এখন গাঁৱে আনখনক সাহায্য কৰা সম্ভৱ হয়। অৰ্থশাস্ত্ৰত উল্লেখ আছে যে ১০খন গাঁৱৰ সমষ্টিক একেলগে 'সম্‌গ্ৰহানা'), ২০০ গাঁৱৰ সমষ্টিক 'কৰ্ৱটিকা', ৪০০খন গাঁৱৰ সমষ্টিক 'দ্ৰোণামুখ' (Dronamukha) আৰু ৮০০খন গাঁৱৰ সমষ্টিক 'মহাগ্ৰাম' বা 'স্থাটনুজ' বুলি জনা গৈছিল। বৃটিছৰ শাসনৰ কালছোৱাত যদিও দেশীয় ৰাজ্যসমূহৰ গাঁৱৰ পৰা নিয়মানুসৰি কৰ সংগ্ৰহ কৰা হৈছিল তথাপিও এই গাঁওসমূহ বহু পৰিমাণে আত্মনিৰ্ভৰশীল আছিল। পঞ্চায়ত ব্যৱস্থাৰ দ্বাৰা সামাজিক জীৱনৰ বিভিন্ন সিদ্ধান্ত এই গাঁওসমূহে নিৰ্ধাৰণ কৰিছিল।

২.৪.১ ভাৰতবৰ্ষৰ গাঁওসমূহৰ প্ৰকাৰ

বসতি স্থাপনৰ ব্যৱস্থাপনাৰ গাঁথনিৰ গাঁওসমূহৰ অবয়বৰ ওপৰত ভিত্তি কৰি আৰু D. S. Tyogi য়ে ভাৰতবৰ্ষৰ গাঁওসমূহক চাৰিটা ভিন্ন প্ৰকাৰত ভাগ কৰিছে—

- **অৱয়বহীন গোট বা গুচ্ছ ঃ** এই গাঁওসমূহ বহুল জনবসতিপূৰ্ণ কিন্তু বসতিসমূহ সিঁচৰতি হৈ থাকে। বসতিসমূহৰ কিছুমান সৰু আকাৰত বিভক্ত হৈ থাকে।
- **ৰৈখিক গোট ঃ** এই গাঁওসমূহত বসতি সমান্তৰালভাৱে স্থাপিত হয়। গোটসমূহক একোটা খালী ঠায়ে বিচ্ছিন্ন কৰে বা কেতিয়াবা সমান্তৰাল ৰাস্তা এটাইহে এটা গোটক আনটোৰ

পৰা পৃথক কৰে।

- **বৰ্গীয় বা আয়তকাৰ গোট ঃ** এই গাঁওসমূহৰ মাজেৰে পোন ৰাস্তা কিছুমান থাকে আৰু এইবোৰ প্ৰত্যেকটোৱে সমান্তৰালভাৱে আন এটা ৰাস্তাৰ পৰা অৱস্থান কৰে। ৰাস্তাসমূহ সমকোণীয়ভাৱে পৰস্পৰৰ ওচৰত অৱস্থান কৰে আৰু বসতিসমূহ বৰ্গীয় বা আয়তাকৃতিৰ হয়।

- **পৃথক হাউলী ঃ** কিছুমান গাঁও আকৌ পৃথক হাউলী কিছুমানৰ দ্বাৰা সৃষ্ট নোট হিচাবে থাকে। ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে এইবোৰ মৌজা হিচাবে স্বীকৃতি দিয়া হয়।

২.৪.২ গ্ৰাম্য স্থানীয় স্বায়ত্ব শাসন

ভাৰতবৰ্ষৰ চৰকাৰে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠাৰ দ্বাৰা ১৯৯২/৯৩ চনৰ পৰা সংবিধান ৭৩ দফাৰ নিৰ্দেশ অনুযায়ী গ্ৰাম্য্য অঞ্চলত স্থানীয় স্বায়ত্ব শাসনৰ আৰম্ভণি কৰিছিল। এই পদ্ধতিৰ প্ৰয়োগৰ ক্ষেত্ৰত এই ধাৰণাৰ উদ্ভৱ হৈছিল যে গণতান্ত্ৰিক ব্যৱস্থাত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ গ্ৰাম্য তৃণমূল পৰ্যায়লৈ বিয়পি পৰা উচিত। এই বিকেন্দ্ৰীকৰণ ব্যৱস্থাই গাঁৱত বাস কৰা লোকসকলকো অধিক আত্মবিশ্বাসী কৰি তুলিব, কিয়নো এই পদ্ধতিত চৰকাৰৰ ওচৰত সম্পূৰ্ণ নিৰ্ভৰশীল হোৱাৰ বিপৰীতে চৰকাৰী পৃষ্ঠপোষকতাত গাঁৱৰ উন্নয়নৰ পৰিকল্পনাত গাঁওবাসীয়ে নিজে ভাগ ল'ব পাৰিব। এইক্ষেত্ৰত জাতি, শ্ৰেণী, লিঙ্গ আৰু গোটৰ সমান অংশগ্ৰহণ নিশ্চিতকৰণৰ অৰ্থে, চৰকাৰে সংবিধানৰ ৭৩ নং অধিসূচনাৰ প্ৰয়োগেৰে পঞ্চায়তত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এই অধিসূচনা অনুসৰি এক-তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত হোৱাৰ উপৰিও অন্য এক-তৃতীয়াংশ অনুসূচিত জাতি আৰু জনজাতিৰ বাবে সংৰক্ষণ কৰা হয়। সকলো পঞ্চায়ত ব্যৱস্থাতে তলত উল্লেখ কৰা ধৰণে আনুষ্ঠানিক কিছুমান গাঁথনি পালন কৰা হয়—

- **গাঁওসভা ঃ** এই গাঁওসভাক গাঁৱলীয়া বা গ্ৰাম্য সদন বুলিও কোৱা হয়। গাঁৱৰ সকলো যুৱ সদস্যকে এই সভাৰ অংশীদাৰ বুলি গণ্য কৰা হয়।

- **পঞ্চায়ত ঃ** এইখন গ্ৰাম্য পৰিষদ আৰু গাঁওসভাই এই পৰিষদক নিৰ্বাচিত কৰে।

- **পঞ্চায়ত সমিতি ঃ** এইখনক ক্ষেত্ৰ সমিতি বা ক্ষেত্ৰীয় পৰিষদ বুলিও কোৱা হয় আৰু ই তহছিল বা ব্লক পৰ্যায়ত গঠিত। বিভিন্ন পঞ্চায়তৰ নিৰ্বাচিত সদস্যৰ দ্বাৰা ইয়াৰ গঠন হয় আৰু ই ন্যায়িকভাৱে গঠিত ব্লক বা শাখাৰ অন্তৰ্গত হয়।

- **জিলা পৰিষদ ঃ** জিলা পৰিষদ পঞ্চায়ত সমিতিৰ সদস্যসকলৰ মাজৰ পৰা নিৰ্বাচিত প্ৰতিনিধি, বিধানসভাৰ সদস্য আৰু কৃষি, জনস্বাস্থ্য, কাৰিকৰী শাখা, পশু চিকিৎসা, শিক্ষা আদি শাখাৰ জিলা পৰ্যায়ৰ সদস্যসকল, সদনৰ সদস্য যিয়ে কোনো জিলা বা জিলাখনৰ এটা ভাগৰ প্ৰতিনিধিত্ব কৰে এইসকলৰ দ্বাৰা গঠিত হয়। জিলা পৰিষদে পঞ্চায়ত সমিতিসমূহৰ কাৰ্যৰ এক নিৰ্দিষ্ট নিয়ম অনুসৰি পৰ্যবেক্ষণ আৰু সমন্বয় সাধন কৰে।

২.৪.৩ স্থানীয় স্বায়ত্ত্ব শাসনৰ আঁসোৱাহসমূহ

গ্ৰাম্য সমাজ আৰু এই সমাজৰ পিছপৰা শ্ৰেণীৰ সৱলীকৰণৰ উদ্দেশ্যে পঞ্চায়ত ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে। অৱশ্যে বাস্তৱক্ষেত্ৰত এই লক্ষ্য সম্পূৰ্ণ সফল হ'বলৈ এতিয়াও বাকী। এই ব্যৱস্থাৰ কিছুমান আঁসোৱাহ তলত আলোচনা কৰা হ'ল—

- এইটো প্ৰায়েই লক্ষ্য কৰিব পাৰি যে সকলো সময়তে লক্ষ্য ৰাখিবলগীয়া কথা হ'ল যে পঞ্চায়তৰ কৰ্মীসকল ৰাজনৈতিক দলসমূহৰ দ্বাৰা নিজৰ কৰ্ম আৰু লক্ষ্য পূৰণত বাধাপ্ৰাপ্ত হয়। বহু সময়ত আকৌ পঞ্চায়তৰ নেতৃস্থানীয় পদটো সক্ষম, নীতিগত লোকৰ সলনি ৰাজনৈতিক দলৰ সুবিধা অনুসৰি মনোনীত প্ৰাৰ্থীৰ দ্বাৰাহে পূৰণ কৰা হয়। ইয়েই পঞ্চায়তৰ সঠিক সিদ্ধান্ত গ্ৰহণত বাধাৰ সৃষ্টি কৰে।

- চৰকাৰে গ্ৰহণ কৰা বহু সাহায্যমূলক আঁচনি পঞ্চায়তৰ দ্বাৰা ৰাইজৰ মাজত বিতৰণ কৰা হয়। বহু সময়ত এই আঁচনিৰ অধীনত লাভ কৰা সুবিধাসমূহ আৰু লাভালাভ সঠিকভাৱে বিতৰণ কৰা নহয় আৰু গ্ৰাম্য অঞ্চলৰ প্ৰকৃত সাহায্য অভিলাষী দৰিদ্ৰ লোকসকল বঞ্চিত হয়। অন্যহাতে, এই সুযোগ ৰাজনৈতিক উদ্দেশ্যধৰ্মী মনোভাৱেৰে প্ৰকৃত অভাৱীজনৰ সলনি অন্য লোকৰ হাতলৈ যায়।

- পঞ্চায়ত ব্যৱস্থাত আসন সংৰক্ষণ ব্যৱস্থাৰ দ্বাৰা সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলৰ মাজৰ পৰা প্ৰতিনিধি নিৰ্বাচন কৰি তেওঁলোকৰ সমস্যা আৰু দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিয়া হয়। এই ব্যৱস্থাৰ উদ্দেশ্য হ'ল গাঁৱৰ নিম্নশ্ৰেণীৰ লোকসকলৰ সামূহিক উন্নতি। উদাহৰণ স্বৰূপে পঞ্চায়তৰ এক-তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰা হয়। কিন্তু এইটো প্ৰায়েই দেখা যায় যে এই নিৰ্বাচিত মহিলা সদস্যসকল পঞ্চায়তৰ সদস্য হ'লেও সিদ্ধান্ত গ্ৰহণৰ সময়ত মহিলাগৰাকীৰ আত্মীয় পুৰুষেহে আচল সিদ্ধান্ত গ্ৰহণ কৰে। এই পদ্ধতিয়ে মহিলাৰ আসন সংৰক্ষণৰ উদ্দেশ্য পূৰণ নকৰে।



জানি থওঁ আহক

ভাৰতবৰ্ষৰ জনসংখ্যা (কোটিৰ হিচাবত)

তথ্য সংগ্ৰহ ঃ ভাৰতবৰ্ষৰ পৰিসংখ্যা বিভাগ, ২০১১।

এই সূত্ৰৰ পৰা আমি ক'ব পাৰো যে ভাৰতবৰ্ষৰ চহৰ অঞ্চলৰ জনসংখ্যা বৃদ্ধিৰ হাৰ গাঁও অঞ্চলৰ তুলনাত বেছি। ভাৰতবৰ্ষৰ পৰিসংখ্যা তথ্য মতে নগৰীকৰণৰ হাৰ বৃদ্ধিৰ হাৰ হ'ল এনকুৱা ২৭.৮১%-২০০১ চনত আৰু ই বৃদ্ধি হৈ ২০১১ চনত ৩১.১৬%ৰ হয়।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১ঃ (ক) কোন চনত পঞ্চয়াতীৰাজ ব্যৱস্থাৰ প্ৰৱৰ্তন হয়?

.....

.....

প্ৰশ্ন নং ১ঃ (খ) ভাৰতৰ দুখন প্ৰাচীন চহৰৰ নাম লিখক।

.....

.....

২.৫ ভাৰতবৰ্ষৰ জনজাতীয় সমাজ

ভাৰতবৰ্ষৰ জনজাতীয় ঐতিহ্য অতি চহকী। সমগ্ৰ ভাৰতবৰ্ষতেই বিভিন্ন জনজাতীয় লোকসকলে ইতিহাসৰ পাতনি মেলিছে। জনজাতীয় সমাজৰ বিষয়ে জ্ঞান লাভ কৰিব যাওঁতে এইটো জনাটো নিতান্তই আৱশ্যক যে জনজাতীয় লোক কোনসকল?

- Ghurey য়ে জনজাতিৰ সংজ্ঞা দি কৈছে যে "পিছপৰা শ্ৰেণীৰ হিন্দুসকল।"
- Dubeyৰ মতে জনজাতীয়সকল হ'ল— "নৃ-গোষ্ঠী শ্ৰেণীৰ, প্ৰকৃত বা কল্পিত বংশজাত আৰু সংস্কৃতিৰ বিভিন্নতাৰে বৈশিষ্ট্যযুক্ত।"
- Andre Beteill য়ে জনজাতি সম্বন্ধে সংজ্ঞা দিছে— "ৰাজনীতি, ভাষাতত্ত্ব আৰু কিছু অস্পষ্টভাৱে নিৰ্দেশিত সাংস্কৃতিক ক্ষেত্ৰৰে গঠিত এখন সমাজ; এখন সমাজ আত্মীয়সকলৰ ওপৰত প্ৰতিষ্ঠিত য'ত সামাজিক বিভাজন নাথাকে।"
- Majumdarৰ মতে জনজাতি হ'ল— "কিছুমান পৰিয়ালৰ গোট যিসকলে এক সাৰ্বজনীন নাম গ্ৰহণ কৰে, এটা গোটৰ সদস্যই এক নিৰ্দিষ্ট ভূ-খণ্ড অধিকাৰ কৰে; একেই ভাষা কয়, বিবাহ, কৰ্মসংস্থান বা বৃত্তি সম্বন্ধে এক নিৰ্দিষ্ট নিষেধাজ্ঞা পালন কৰে আৰু পৰস্পৰৰ প্ৰতি কৰ্তব্য আৰু পাৰস্পৰিকতাৰ সুদৃঢ় সম্বন্ধ গঢ়ি তোলে।"

২.৫.১ জনজাতিসকলৰ বৈশিষ্ট্য

- প্ৰত্যেক জনজাতিয়েই নিজকে এক নিৰ্দিষ্ট ভূ-খণ্ডৰ লগত জড়িত কৰে।
- এজন নিৰ্দিষ্ট জনজাতীয়ই নিজকে এজন উমৈহতীয়া পূৰ্বজৰ পৰা বংশোদ্ভূত বুলি দাবী কৰে।
- প্ৰত্যেক জনজাতিয়ই এনে কিছুমান ধৰ্মীয় আচাৰ-অনুষ্ঠান পালন কৰে যিবোৰো তেওঁলোকৰ জীৱনশৈলী আৰু বিশ্বাসৰ ৰূপৰেখা গঠন কৰে।
- প্ৰত্যেক জনজাতীয়ই এক নিৰ্দিষ্ট ভাষা কয় যিটোৱে তেওঁলোকৰ মাজত মৈত্ৰীৰ ভাব বৃদ্ধি কৰে।
- জনজাতীয়সকলে সাধাৰণতে প্ৰকৃতিৰ নিকট আৰু সমাজৰ বাকীসকল গোষ্ঠী বা জাতিৰ পৰা দূৰত্বত বাস কৰে।

অৱশ্যেই ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলে নিজকে পৃথকভাৱে ৰাখি বাস নকৰে। ভাৰতবৰ্ষৰ সংবিধানে বহু জনজাতীয় সম্প্ৰদায়ক অনুসূচিত জনজাতিৰ মৰ্যাদা দিছে আৰু তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ্থে বিধিও প্ৰস্তুত কৰিছে। বৰ্তমান সময়ত অনুসূচিত জাতিৰ লোকসকলক চহৰ আৰু গাঁও উভয়তে দেখা যায়। জনজাতীয় সংস্কৃতিৰ সংৰক্ষণৰ কাৰণে ভাৰতীয় সংবিধানত বিভিন্ন ব্যৱস্থা কৰা হৈছে আৰু এইবোৰ আলোচনা কৰা

হ'ব।

২.৫.২ জনজাতীয় সমাজৰ প্ৰতি দৃষ্টিভংগী

ঔপনিবেশিক শাসনৰ আগলৈকে ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলে এক স্বায়ত্বশাসিত জীৱন কটাইছিল। অৱশ্যে বৃটিছসকলে ভাৰতৰ শাসনভাৰ হস্তগত কৰাৰ লগে লগে সমগ্ৰ ভাৰতবৰ্ষতে সামাজিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। জনজাতীয় লোকসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত এক বিপৰ্যয়ৰ সৃষ্টি হৈছিল। স্বাধীনতাৰ পিছত যদিও জনজাতীয় অঞ্চলসমূহ ভাৰতীয় প্ৰদেশসমূহৰ অন্তৰ্ভুক্ত হৈছিল তথাপিও জনজাতিৰ লোকসকলৰ সমস্যাসমূহৰ সমাধান, জনজাতীয় সংস্কৃতি-আদৰ্শৰ সংৰক্ষণ আৰু উন্নয়নৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছিল। এই ক্ষেত্ৰত জনজাতীয় লোকসকলৰ সমস্যাসমূহৰ সমাধানৰ কাৰণে তিনিটা বিশেষ দৃষ্টিভংগী বা সিদ্ধান্ত আগবঢ়োৱা হৈছে। এই দৃষ্টিভংগীসমূহ হ'ল—

- **পৃথকীকৰণ নীতি ঃ** এই নীতিৰ সমৰ্থক হ'ল— । এই নীতি মতে, জনজাতিৰ লোকসকলে সন্মুখীন হৈ থকা সমস্যাসমূহৰ সমাধানৰ শ্ৰেষ্ঠ উপায় হৈছে তেওঁলোকক সমাজৰ অন্যসকলৰ পৰা পৃথকভাৱে থাকিবলৈ দিয়া। এই ক্ষেত্ৰত তেওঁ সিদ্ধান্ত দিয়ে যে ৰাষ্ট্ৰীয় উদ্যান বা সংৰক্ষিত এলেকাত এই লোকসকলে কোনো ব্যাঘাত নোহোৱাকৈ বাস কৰিব পাৰে।

- **মিশ্ৰিতকৰণ নীতি ঃ** এই নীতিটোৰ সমৰ্থক হ'ল— । এই নীতিৰ মতে জনজাতীয় লোকসকলক যিহেতু 'পিছপৰা হিন্দু' শ্ৰেণীৰ, সেয়েহে সমস্যাসমূহৰ সমাধানৰ উদ্দেশ্যে তেওঁলোকে হিন্দুসকলৰ মূল ধাৰাটোৰ লগত সমিলকৰণ ঘটাব লাগে।

- **সমন্বয় নীতি ঃ** পণ্ডিত জৱাহৰলাল নেহৰু এই নীতিৰ এজন প্ৰধান সমৰ্থক। এই দৃষ্টিভংগী মতে জনজাতীয় লোকসকলক পৃথকীকৰণ বা মিশ্ৰিতকৰণ কৰাৰ সলনি ভাৰতবৰ্ষৰ বাকীসকলৰ লগত এই জনজাতীয় লোকসকলৰ সমন্বয় সাধনহে কৰিব লাগে। এইটোৱে বুজায় যে তেওঁলোককো আধুনিক সুবিধাসমূহৰ ভোগ কৰাৰ সুযোগ দিব লাগে কিন্তু এইক্ষেত্ৰত তেওঁলোকৰ স্বকীয়তাৰ মাতে বিঘিনি নঘটে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। সামাজিক প্ৰগতিৰ লক্ষ্য তেওঁলোকক নিজকে নিৰ্ধাৰণ কৰিব দিব লাগে।

২.৫.৩ ভাৰতীয় সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুচ্ছেদৰ গুৰুত্ব

আগতে আলোচনা কৰি অহাৰ দৰে বৃটিছ পূৰ্ববৰ্তী ভাৰতত জনজাতি অঞ্চলসমূহত তেওঁলোকৰ মুৰব্বীৰ বা দলনেতাৰ দ্বাৰা পৰিচালিত স্বাধীন প্ৰশাসন ব্যৱস্থা চলিছিল। পিছত বৃটিছসকলৰ ভাৰতৰ আগমনত অ-জনজাতি লোকসকলেও জনজাতীয় অঞ্চলত প্ৰৱেশ কৰে। ইয়াৰ ফলত সামাজিক আৰু সাংস্কৃতিক দিশত চকুত লগা পৰিৱৰ্তন প্ৰতিফলিত হয়। বহু সময়ত জনজাতীয় লোকসকল অ-অজনজাতীয় লোকৰ দ্বাৰা সমস্যাৰ সন্মুখীন হ'ব লগা হয়। ইয়াৰ উপৰিও এই জনজাতীয় লোকসকলৰ টকা-পইচাৰ বিনিময়ত ক্ৰয়-বিক্ৰয় সম্বন্ধে বিশেষ জ্ঞান নাছিল। আনুষ্ঠানিক আধুনিক শিক্ষা ব্যৱস্থাৰ লগত বিশেষ পৰিচিতি নথকাৰ বাবে এইক্ষেত্ৰত তেওঁলোকে অসুবিধাৰ সন্মুখীন হৈছিল। বহু সময়ত ঋণ দিওঁতা মহাজনৰ ওচৰত তেওঁলোক সৰ্বস্বান্ত হ'ব লগা হৈছিল। ফলস্বৰূপে

জনজাতীয় লোকসকলে তেওঁলোকৰ ভাগৰ বৃহৎ পৰিমাণৰ মাটি-সম্পত্তি অ-জনজাতীয় লোকৰ হাতত হেৰুৱাব লগা হৈছিল। এই ঘটনাসমূহে ক্ৰমে জনজাতীয় লোকসকলৰ মাজত ক্ষোভৰ সৃষ্টি কৰি বিদ্রোহৰ সূত্রপাত ঘটাইছিল। তেনে এক উদাহৰণ হ'ল বীৰছা মুণ্ডাৰ নেতৃত্বত ঝাৰখণ্ডত দিকু (অ-জনজাতি)সকলৰ বিৰুদ্ধে বিদ্রোহ।

ভাৰতীয় সংবিধানে বিভিন্ন ব্যৱস্থাৱলীৰ মাধ্যমেৰে জনজাতীয় লোকসকলৰ স্বাৰ্থ ৰক্ষা কৰি আহিছে। এনে এক ব্যৱস্থা হ'ল সংবিধানৰ পঞ্চম অনুসূচী। এই পঞ্চম অনুসূচীয়ে ভাৰতবৰ্ষৰ এখন জনজাতীয় ৰাজ্যক সামৰি লয়, সেইবোৰ হ'ল— অন্ধ্রপ্রদেশ, ঝাৰখণ্ড, গুজৰাট, হিমাচল প্রদেশ, মহাৰাষ্ট্র, মধ্যপ্রদেশ, উৰিষ্যা আৰু ৰাজস্থান। এই অনুসূচীয়ে জনজাতীয় অঞ্চলৰ জনজাতীয় লোকসকলৰ কাৰণে স্বায়ত্বশাসন মঞ্জুৰ কৰে। এই অঞ্চলসমূহক অনুসূচিত অঞ্চল বুলি চিনাক্ত কৰা হয় আৰু ৰাজ্যখনৰ ৰাজ্যপালে ইয়াৰ প্রশাসনীয় ব্যৱস্থাৰ কাৰণে বিশেষ দায়িত্ব বহন কৰে।

উত্তৰ-পূব ৰাজ্যসমূহৰ ক্ষেত্রত বৃটিছ শাসনৰ সময়ৰে পৰাই বৃটিছসকলে পার্বত্য ৰাজ্যসমূহৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে আৰু বিভিন্ন ৰাজনৈতিক আৰু প্রশাসনীয় উদ্দেশ্যৰে ভাৰতবৰ্ষৰ বাকী ৰাজ্যসমূহৰ পৰা এই পার্বত্য ৰাজ্যসমূহক পৃথক কৰে। ফলস্বৰূপে এই ৰাজ্যসমূহে তুলনামূলকভাৱে ভৈয়ামৰ জনজাতিসকলতকৈ ভালভাৱে নিজৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশসমূহৰ ৰক্ষণাবেক্ষণৰ সুযোগ পায়। স্বাধীনতাৰ পিছত সংবিধানৰ পঞ্চম অনুসূচী অনুসৰি অসম, মেঘালয়, ত্রিপুৰা আৰু মিজোৰামো বিধানগত শক্তি আৰু কার্যপালিকাৰ শক্তি বা ক্ষমতা প্রদান কৰে আৰু তাৰ বাবে স্থানীয় স্বায়ত্বশাসিত পৰিষদ আৰু স্বায়ত্বশাসিত জিলা পৰিষদ ৰ স্থাপনা কৰে।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ঃ (ক) জনজাতীয় লোকসকলৰ পৃথকীকৰণ নীতিৰ সমর্থক এজন ব্যক্তিৰ নাম উল্লেখ কৰক।

প্রশ্ন নং১ঃ (খ) সংবিধানৰ পঞ্চম অনুসূচীৰ প্রয়োগ হোৱা দুখন ৰাজ্যৰ নাম লিখক।



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চহৰ অঞ্চলৰ ক্রমবর্ধমান জনসংখ্যা আৰু অকৃষিগত জীৱিকা বা বৃত্তি ইয়াৰ বৈশিষ্ট্য।
- চহৰ আৰু মহানগৰসমূহ নগৰীয়া অঞ্চল বুলি কোৱা হয়।
- ভাৰতবৰ্ষৰ চহৰসমূহক ইয়াত বাস কৰা জনসংখ্যাৰ আকাৰৰ ভিত্তিত আৰু ইয়াৰ ভূমিকাৰ ভিত্তিত শ্রেণীকৰণ কৰা হয়।
- গ্রাম্য সমাজত মানৱ সভ্যতাৰ বিকাশ সাধন হৈছিল।
- যদিও বর্তমান সময়ত এক বুজন পৰিমাণৰ চহৰ আৰু নগৰ অঞ্চলৰ বিকাশ আৰু সম্প্রসাৰণ ঘটিছে, তথাপিও বিশ্বৰ অধিকসংখ্যক লোক গাঁও অঞ্চলতহে বাস কৰে।
- ভাৰতবর্ষতো বেছিসংখ্যক লোক গাঁও অঞ্চলতেই বাস কৰে।

- কুৰি শতিকালৈ ভাৰতৰ মুঠ জনসংখ্যাৰ ১১% হে নগৰ অঞ্চলত বাস কৰিছিল।
- এটা নিৰ্দিষ্ট জনজাতীয় গোট এজন পূৰ্বপুৰুষৰ জৰিয়তে বংশোদ্ভূত হৈছিল বুলি বিশ্বাস কৰা হয়।
- প্ৰত্যেক জনজাতীয় গোটেই নিৰ্দিষ্ট বিশেষতাসূচক ধৰ্মীয় আচাৰ-ব্যৱহাৰ পালন কৰে যিয়ে তেওঁলোকৰ জীৱনশৈলী আৰু বিশ্বাসক প্ৰভাৱিত কৰে।
- জনজাতীয় গোটসমূহে এক নিৰ্দিষ্ট ভাষা কয় আৰু ইয়েই তেওঁলোকৰ মাজত মৈত্ৰীভাৱ বৃদ্ধি কৰে।
- জনজাতীয় সংস্কৃতিৰ ঐতিহ্য ৰক্ষাৰ্থে ভাৰতীয় সংবিধানৰ অনুসূচিত বিশেষ ব্যৱস্থা ৰখা হৈছে।



২.৭ অধিক জানিবলৈ

১) Atal, Yogesh (2006). *Changing Indian Society.* Rawat Publications: Jaipur
২) Dubey, S.C. (1990). *Indian Society.* National book trust: New Delhi.

২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ১৯৯২/৩
১ নং প্ৰশ্নৰ উত্তৰ ঃ (খ) মহেন-জ্ঞা-দাৰো, হৰাপ্পা
২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) Varrier Elwin
১ নং প্ৰশ্নৰ উত্তৰ ঃ (খ) অন্ধ্ৰপ্ৰদেশ, গুজৰাট



২.৯ আৰ্হি প্ৰশ্ন ঃ

(ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ জনজাতিৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ ঃ পঞ্চায়ত ব্যৱস্থাৰ গাঁথনি আলোচনা কৰক

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ ভাৰতবৰ্ষৰ চহৰ অঞ্চলৰ সমস্যাসমূহ আলোচনা কৰক।

অধ্যায় ৩ ঃ পৰিয়াল আৰু বিবাহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পৰিয়াল আৰু বিবাহৰ অভিধাৰণা

- ৩.৩.১ সংজ্ঞা
- ৩.৩.২ পৰিয়াল আৰু বিবাহৰ সম্পর্ক
- ৩.৩.৩ সম্পর্কিত অভিধাৰণা

৩..৪ পৰিয়ালৰ প্ৰকাৰ

- ৩.৪.১ প্ৰাথমিক পৰিয়ালসমূহ
- ৩.৪.২ জটিল বা যৌগিক পৰিয়ালসমূহ

৩.৫ পৰিয়াল গঠনৰ আভিত্তি

৩..৬ ভাৰতত পৰিয়াল আৰু বিবাহ

৩.৭ পৰিয়ালৰ কেইটামান গুৰুত্বপূৰ্ণ উপাদান

- ৩.৭.১ আৱাসিক গোট (Household)
- ৩.৭.২ পুৰুষ প্ৰাধান্য
- ৩.৭.৩ লিংগভিত্তিক শ্ৰমবিভাজন

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্ৰগতিৰ খতিয়ান

৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- পৰিয়াল আৰু বিবাহৰ সংজ্ঞা বৰ্ণাব পাৰিব
- সামাজিক অনুষ্ঠান হিচাপে পৰিয়াল আৰু বিবাহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পৰিয়াল আৰু বিবাহৰ মাজৰ সম্পর্ক নির্ণয় কৰিব পাৰিব
- বিভিন্ন দিশৰ ওপৰত নির্ভৰ কৰি পৰিয়ালসমূহ শ্ৰেণী বিভক্ত কৰিব পাৰিব
- পৰিয়াল গঠন হোৱা বিভিন্ন চর্ত সমূহ নির্ণয় কৰিব পাৰিব
- অনুষ্ঠান হিচাপে ভাৰতৰ পৰিয়াল আৰু বিবাহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আবাসিক গোট, পিতৃসূত্ৰী আৰু লিঙ্গভিত্তিক শ্ৰম বিভাজনৰ বিভিন্ন দিশ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতত পৰিয়ালৰ ক্ষেত্ৰত হোৱা আধুনিক পৰিৱর্তন সমূহ নির্ণয় কৰিব পাৰিব।

৩.২ পৰিচয়

আমি চতুর্থ অধ্যায়টিত ইতিমধ্যে ভাৰতৰ স্বজন পদ্ধতিৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিলোঁ। আমি জানো মানৱ সমাজৰ বিভিন্ন দিশসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। সেই একেদৰেপৰিয়াল, বিবাহ আৰু স্বজন পদ্ধতিৰ মাজতো পাৰস্পৰিক সম্বন্ধ বিদ্যমান। এই অধ্যায়টিত আমি বিবাহ আৰু পৰিয়াল সম্পৰ্কে সবিশেষ আলোচনা কৰিম। উল্লেখযোগ্য যে ইয়াৰ সৈতে জড়িত কিছুমান অভিধাৰণা প্ৰসংগক্ৰমে চতুর্থ অধ্যায়ত আলোচনা কৰা হৈছে।

মানৱ সভ্যতাৰ ইতিহাস মানেই পৰিয়াল নামৰ এক সামাজিক সংস্থাৰ ইতিহাস বুলিব পাৰি। কিয়নো ই এনে এটা সংস্থা যি ৰাজনীতি, অর্থনীতি, ধর্ম, শিক্ষা, স্বাস্থ্য আদিৰ ক্ৰিয়াৰ উপৰি সমাজৰ বিভিন্ন গুৰুত্বপূর্ণ প্ৰকার্যসমূহ পালন কৰি আহিছে। এষ্থনী গিডেন্ছৰ মতে সমাজশাস্ত্ৰ মানৱ সমাজৰ পদ্ধতিগত অধ্যয়ন, যি আধুনিক আৰু ঔদ্যোগিক পদ্ধতিক অধিক গুৰুত্ব দিয়ে। সেয়েহে এই অধ্যায়ত আমি সাম্প্ৰতিক সমাজত প্ৰচলিত পৰিয়াল ব্যৱস্থাৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিম। এই আলোচনাত ভাৰতীয় পটভূমিক প্ৰাধান্য দিয়া হ'ব।

বিবাহ এনে এক সামাজিক সংস্থা যাৰ জৰিয়তে বিবাহিত পুৰুষ নাৰীয়ে যৌন সম্পৰ্ক স্থাপনৰ সামাজিক স্বীকৃতি লাভ কৰে। আমি ইতিমধ্যে স্নাতক প্ৰথম যান্মাষিক পাঠ্যক্ৰমত সংস্থা হিচাপে বিবাহ আৰু পৰিয়াল ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰি আহিছোঁ। এই অধ্যায়টিত আমি বিবাহ আৰু পৰিয়ালৰ লগত সমাজৰ সম্পর্কিত সামাজিক বিষয়সমূহ আলোচনা কৰিম।

৩.৩ পৰিয়াল আৰু বিবাহৰ অভিধাৰণা

৩.৩.১ সংজ্ঞা

এষ্থনী গিডেন্ছে পৰিয়ালক এক সামাজিকীকৰণৰ ক্ৰিয়া হিচাপে আখ্যা দিছে। গিডেন্ছৰ সংজ্ঞাৰ পৰা জনা যায় যে 'পৰিয়াল এনে এক ব্যক্তিৰ সমষ্টি যি সকল পোনপটীয়াভাৱে স্বজন সংযোগ সম্পৰ্কৰ লগত জড়িত, য'ত বয়োজ্যেষ্ঠসকলে সন্তান লালন-পালনৰ দায়িত্ব পালন কৰে।' এই সংজ্ঞাটোৰ দুটা গুৰুত্বপূর্ণ শব্দাংশ হ'ল 'স্বজন সংযোগ সম্পৰ্ক'। আমি জানো স্বজন পদ্ধতি দুই প্ৰকাৰৰ। এবিধ জন্মৰ দ্বাৰা আৰু আনবিধ বিবাহ পদ্ধতিৰ দ্বাৰা সৃষ্টি হয়। পৰিয়ালত এই দুই প্ৰকাৰৰ স্বজন পদ্ধতি দেখিবলৈ পোৱা যায়। পিতৃ-মাতৃ, অবিবাহিত ল'ৰা-ছোৱালী (নিজৰ/তুলি লোৱা) যাক প্ৰাথমিক পৰিয়াল বুলি ক'ব পাৰি। তাদুপৰি কিছুমান সদস্য জন্মৰ যোগেদি আৰু বিবাহৰ যোগেদি সংযোগ হয়। গিডেন্ছৰ পৰিয়ালৰ এই সংজ্ঞাটি সমসাময়িক সমাজত এটি গুৰুত্বপূর্ণ সংজ্ঞা হিচাপে বিবেচিত হৈছে। যিটো সংজ্ঞাই আমাক বিবাহ নামৰ আন এক সংস্থাৰ বিষয়ে অধ্যয়ন কৰিব লগা কথাটিৰ সন্ধান দিয়ে।

বিবাহ হৈছে এক বিশ্বজনীন সামাজিক সংস্থা। বিবাহৰ যোগেদি পুৰুষ আৰু মহিলাই যৌন সম্বন্ধ নিয়ন্ত্রণ কৰে, ই পৰিয়ালৰ লগত জড়িত। গিলিন আৰু গিলিনৰ মতে, 'বিবাহ হৈছে সামাজিকভাৱে স্বীকৃত এক পৰিয়াল গঠন পদ্ধতি, ই প্রজননৰ লগত জড়িত।'

মেলিনস্কিৰ মতে বিবাহ হৈছে, 'সন্তান জন্ম দিয়া আৰু ভৰণপোষণৰ এক চুক্তি।'

ডানকান মিচেল (Duncan Mintchel's) ৰ আভিধানিক অর্থ মতে, 'বিবাহ হৈছে দুই বা তাতোধিক বিপৰীত লিংগৰ লোকৰ মাজত সামাজিকভাৱে স্বীকৃত যৌন সম্বন্ধ। এই সম্পর্ক সন্তান জন্ম দিবৰ বাবে আশা কৰা যায়।'

বিবাহ সংস্কৃতিৰ বিভিন্ন দিশৰ লগত জড়িত হৈ আছে। ইয়াৰ উদ্দেশ্য, ক্রিয়া, প্রকাৰ সমাজভেদে বেলেগ বেলেগ কিন্তু ই সকলো সমাজতে এক সংস্থা হিচাপে দেখা যায়।

৩.৩.২ পৰিয়াল আৰু বিবাহৰ সম্পর্ক

সমাজত আমি সকলোৱে পৰিয়াল হিচাপে বসবাস কৰিছোঁ। পৰিয়াল অবিহনে আমি সমাজৰ কথা চিন্তা কৰিব নোৱাৰো। পৰিয়াল আৰু বিবাহ সংলগ্ন সংস্থা। ইয়াক এটা মুদ্রাৰ ইপিঠি-সিপিঠি বুলি ক'ব পাৰি। বিবাহৰ প্রকাৰৰ ওপৰত ভিত্তি কৰি পৰিয়ালৰ গঠন নির্ভৰ কৰে। উদাহৰণস্বৰূপে আমি সহজ ভাষাত ক'ব পাৰোঁ। বিবাহ হৈছে পুৰুষ আৰু নাৰীৰ মাজত সামাজিকভাৱে স্বীকৃত এক যৌন সম্বন্ধ। আমাৰ সমাজত এক পতি-পত্নী বিবাহৰ নিয়ম আছে। আকৌ কিছুমান সম্প্রদায়ৰ মাজত বহুপতি আৰু আন কিছুমান সমাজত বহুপত্নী পৰিয়াল দেখা যায় যদিও একক পৰিয়াল বহু পৰিলক্ষিত হয়। পৰিয়াল হৈছে এক সংস্থাপিত ৰূপ যি বিবাহৰ যোগেদি যৌন সম্বন্ধৰ দ্বাৰা সন্তান জন্ম দি লালন-পালন কৰাৰ এক প্রক্রিয়া। এই উপাদানসমূহ বিভিন্ন সমাজত বাধ্যতামূলক হিচাপে গ্রহণ কৰা হয় যদিও সমাজত এক বৈবাহিক আৰু বহু বৈবাহিক পৰিয়াল দেখিবলৈ পাওঁ।

চমুকৈ ক'বলৈ হলে পৰিয়াল হ'ল সমৰক্তীয়, সগোত্রীয় স্বজন সম্বন্ধ আৰু সহবাসস্থানৰ আধাৰত গঠিত ব্যক্তিৰ এক সমূহ। এতিয়া আমি ধাৰণা সমূহৰ বিষয়ে অধ্যয়ন কৰোঁ আহক।

৩.৩.৩ সম্পর্কিত অভিধাৰণা

➢ **সমৰক্তীয়** মানে তেজৰ সম্পর্ক। যিটোৰ সহায়েৰে পিতৃ আৰু ল'ৰা-ছোৱালী আৰু ভাই-ককাই আৰু ভগ্নীসকলক সগোত্রৰ বুলি ধৰা হয়। ইয়াক সগোত্রীয় স্বজন পদ্ধতি বুলি কোৱা হয়। মিতিৰ সম্পর্ক মানে বৈবাহিক স্বজন।

সমৰক্তীয় ধাৰণাটো 'তেজ'ৰ লগত সম্পর্কিত যদিও নৃতত্ত্ববিদসকলে যুক্তি দর্শায় যে তেজৰ সম্পর্ক নথকাকৈয়ো সমৰক্তীয় স্বজন হ'ব পাৰে যদিহে সামাজিক স্বীকৃতি থাকে।

তোলনীয়া সন্তানো সেয়ে সমৰক্তীয় স্বজনৰূপে সকলো সমাজতে স্বীকৃত।

➢ **বৈবাহিক সম্বন্ধ** বিবাহৰ যোগেদি স্বীকৃত মিতিৰ বা বৈবাহিক স্বজন। পতি আৰু পত্নীৰ বিবাহৰ যোগেদি এই সম্পৰ্ক গঢ়ি উঠে।

➢ **সহবাসী** হ'ল যি একোটা বাসগৃহতে বাস কৰে।

ওপৰত উল্লেখ কৰা তিনিটা কাৰকৰ উপৰি আন বিভিন্ন প্ৰকাৰৰ পৰিয়াল ব্যৱস্থা বিভিন্ন সমাজত দেখা পোৱা যায়। আমি সবিশেষ জনাৰ আগতে প্ৰথমে তলত দিয়া অভিধাৰণা দুটাৰ পাৰ্থক্যৰ বিষয়ে জানো আহক।

➢ **পৰিয়াল আৰু আবাসিকসমূহ**

পৰিয়াল আৰু আবাসিক সমূহ, দুয়োটাৰ মাজত পাৰ্থক্য আছে। আবাসিক সমূহ হৈছে ঘৰুৱাভাবে একেলগে কাম কৰা আৰু থকা কিছুমান ব্যক্তিৰ এক সমষ্টি, আনহাতে পৰিয়াল হৈছে পিতৃ-মাতৃ আৰু ল'ৰা-ছোৱালীৰে গঠিত এক স্বজনসমূহ। আবাসিক সমূহ এক বাসগৃহ যদিও সকলোৱেই একেটা ঘৰতে বাস নকৰিবও পাৰে। এটা আবাসিক সমূহে কেবাটাও গৃহ সামৰি লয়। এটা আবাসিক সমূহে স্বজনীয় আৰু পৰিয়ালৰ বাহিৰৰ সদস্যকো সামৰি ল'ব পাৰে।

আমি জানো যে পৰিয়াল আৰু বিবাহ সকলো সমাজতে বিৰাজমান। বিভিন্ন কাৰণৰ বাবে সমাজভেদে পৰিয়ালৰ বিভিন্ন প্ৰকাৰ দেখা যায়। আনহাতে একেখন সমাজতে বিভিন্ন পৰিয়ালৰ প্ৰকাৰ দেখিবলৈ পোৱা যায়।

পৰিয়ালৰ এটা প্ৰধান প্ৰকাৰ্য হ'ল ই জৈৱিকভাৱে সন্তান প্ৰজনন আৰু সামাজিকীকৰণৰ দায়িত্ব পালন কৰা। জন্মৰ পাছত এটি সন্তান সমাজৰ নীতি-নিয়ম আৰু প্ৰথামতে ডাঙৰ-দীঘল কৰাটো অতি প্ৰয়োজনীয়।

৩.৪ পৰিয়ালৰ প্ৰকাৰ

এই অধ্যায়ত পৰিয়ালৰ বিভিন্ন প্ৰকাৰসমূহ আৰু গঠনৰ বিশেষ বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে।

৩.৪.১ প্ৰাথমিক পৰিয়ালসমূহ

➢ **প্ৰাথমিক পৰিয়াল** (Nuclear Family) বুলিলে পতি-পত্নী আৰু তেওঁলোকৰ নাবালক তুলি লোৱা বা নিজৰ সন্তানেৰে সৈতে এটা সামাজিক গোটক বুজোৱা হয়।

প্ৰাথমিক পৰিয়াল সমসাময়িক পশ্চিমীয়া সমাজৰ লগতে ভাৰতীয় আৰু জনজাতীয় সমাজতো দেখিবলৈ পোৱা যায়। প্ৰাথমিক পৰিয়াল চিকাৰী আৰু অন্বেষণজীৱী সমাজৰ পৰা উদ্যোগ প্ৰধান সমাজলৈকে দেখা যায়। ই সকলো পৰিয়ালতে একক বা বুনিয়াদৰূপে স্বীকৃত।

প্ৰাথমিক পৰিয়ালসমূহত এক পতি-পত্নী আৰু তেওঁলোকৰ সতি-সন্ততিসকলে আচুতীয়াকৈ এটা বাসগৃহত বাস কৰে। প্ৰাথমিক পৰিয়ালৰ প্ৰকাৰ পৰিয়ালৰ সদস্যৰ ওপৰত নিৰ্ভৰ কৰে। ই সবাটোকৈ সৰু আৰু বিশ্বজনীন সামাজিক গোট।

- **এক বৈবাহিক পৰিয়াল ঃ** এজন পুৰুষৰ লগত এগৰাকী নাৰীৰ সৈতে হোৱা বৈবাহিক সম্বন্ধৰ জৰিয়তে এনে পৰিয়াল গঠন হয়। এনে পৰিয়ালত পতি-পত্নী যিকোনো এজন জীয়াই থকালৈকে পুনৰ বিবাহকাৰ্য সম্পন্ন কৰিব নোৱাৰে। এনে পৰিয়াল নগৰীয়া সমাজ, উদ্যোগ প্ৰধান সমাজ আৰু জনজাতীয় সমাজত দেখিবলৈ পোৱা যায়।

  যেতিয়া এটা পৰিয়াল এক বৈবাহিক পৰিয়াল বুলি গণ্য কৰা হয় তেতিয়া পতি-পত্নীৰ সম্বন্ধও একক হয়। এক বৈবাহিক পৰিয়ালক প্ৰাথমিক পৰিয়াল, বৈবাহিক পৰিয়াল, কেন্দ্ৰীয় পৰিয়াল (Nuclear Family) বুলিও জনা যায়।

- **নৱস্থানীয় পৰিয়াল ঃ** বিবাহৰ পিছত নৱ-দম্পত্তিয়ে কাৰো পিতৃ-মাতৃৰ ঘৰত নাথাকি বেলেগ ঠাইত আচুতীয়াকৈ নতুন বাসগৃহ সাজি থাকিবলৈ লোৱাকে নৱস্থানীয় পৰিয়াল বোলে।

৩.৪.২ জটিল (Complex) আৰু যৌগিক (Compound) পৰিয়ালসমূহ

ভাৰতৰ বিভিন্ন প্ৰান্তত আমি কেতিয়াবা এনে পৰিয়াল দেখিবলৈ পাওঁ য'ত কেইবাজনো বিবাহিত ভাই ককায়ে তেওঁলোকৰ পত্নী আৰু লৰা ছোৱালীৰে সৈতে মাক দেউতাক আৰু অবিবাহিত ভাই ভনীৰ সৈতে একেলগে বাস কৰিছে। এনেধৰণে বসবাস কৰা ব্যৱস্থাটোক আমি কেতিয়াবা আবাসিক গোট বা সহজকৈ কৱল আবাস বুলি কওঁ। কেতিয়াবা আমি আকৌ পৰিয়াল বুলিও কওঁ। কিন্তু ইয়াৰ গাথঁনিটো ভালদৰে বিশ্লেষণ কৰিলে ইয়াৰ বিভিন্ন প্ৰকাৰৰ মাজত কেতবোৰ গুৰুত্বপূৰ্ণ পাৰ্থক্য ওলাই পৰে। পৰিয়ালৰ গাঁথনিৰ ওপৰত ভিত্তি কৰি যৌগিক পৰিয়ালক দুটা ভাগত ভাগ কৰিব পাৰি।

- **যৌগিক পৰিয়াল**
- **যৌথ বা বিস্তৃত পৰিয়াল**
- **যৌগিক পৰিয়াল ঃ** বিবাহ পদ্ধতি (বহু বিবাহত) এক পাৰ্শ্বিক বংশানুক্ৰম বাসগৃহৰ জটিলতা আৰু আৰ্থসামাজিক দিশৰ ওপৰত ভিত্তি কৰি যৌগিক পৰিয়াল গঠিত হয়। এই কাৰক বিলাকে পৰিয়ালৰ বিভিন্ন প্ৰকাৰ সৃষ্টি কৰিব পাৰে। সমাজত কিছুমান যৌগিক পৰিয়ালৰ প্ৰকাৰ দেখিবলৈ পোৱা যায়। এইবোৰ আমি তলত আলোচনা কৰিম। আমি ইতিমধ্যে বিবাহৰ বিভিন্ন প্ৰকাৰ যেনে— এক বিবাহ, বহু পত্নী, বহুপতি আদি প্ৰকাৰ সম্বন্ধে আলোচনা কৰিছো। বিবাহৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি পৰিয়ালৰ ভিন্নতা দেখা যায়।

যৌগিক পৰিয়াল গঠন হ'ব পাৰে বহুবৈবাহিক পৰিয়ালৰ পৰা। বহুবৈবাহিক পৰিয়াল মূলতঃ দুই প্ৰকাৰৰ— বহুপতি আৰু বহুপত্নী পৰিয়াল। এইবোৰ বহুপতি আৰু বহুপত্নী বিবাহৰ ফলশ্ৰুতি।

বহুবৈবাহিক পৰিয়াল তিনিপ্ৰকাৰৰ দেখিবলৈ পোৱা যায়। **বহুপত্নী** (এজন পুৰুষে একে সময়তে একাধিক পত্নীৰ লগত বৈবাহিক সম্বন্ধ ৰাখিব পাৰে), **বহুপতি** (এগৰাকী নাৰীয়ে বহু পুৰুষৰ লগত সম্বন্ধ থাকে), **সামূহিক বিবাহ** আমাৰ সমাজত সীমিত পৰিমাণে দেখা যায় কাৰণে ইয়াৰ আলোচনা কৰা নহ'ল। ঐতিহাসকিভাৱে এই তিনি প্ৰকাৰৰ বিবাহ দেখা পোৱা গৈছিল যদিও বহুপত্নী বিবাহ বেছি জনপ্ৰিয় আছিল। সেইকাৰণে আমি ক'ব পাৰো বহুবৈবাহিক পৰিয়াল দুই প্ৰকাৰৰ— বহুপতিক আৰু বহুপত্নীক পৰিয়াল।

- **বহুপত্নী পৰিয়াল ঃ** এজন পুৰুষে একে সময়তে একাধিক পত্নীৰ লগত বৈবাহিক সম্বন্ধ ৰখাৰ ফলত যি পৰিয়াল সৃষ্টি হয় তাকে বহুপত্নী পৰিয়াল বোলে। পত্নীসকলে নিজ নিজ সন্তানৰ সৈতে একেলগে বাস কৰে। এইক্ষেত্ৰত বহুপত্নী বিবাহ আৰু নৱস্থানীয় বাসগৃহ এই দুটা কাৰক মিলি এটা বহুবৈবাহিক পৰিয়ালৰ গোট স্থাপন হয়। কেইবাগৰাকী পত্নীয়ে একে গৃহতে বাস কৰাৰ ফলত পত্নীসকলৰ মাজত নিজৰ ল'ৰা-ছোৱালীক লৈ হ'ব পৰা ঈৰ্ষাৰ বাবে প্ৰতিগৰাকী পত্নীয়ে নিজৰ ল'ৰা-ছোৱালীক বেলেগ গৃহতো বসবাস কৰিব পাৰে। এনে মাতৃকেন্দ্ৰিক পৰিয়ালসমূহ স্বতন্ত্ৰ নহয়, ববং বৃহৎ পৰিয়ালটোৰ এটা অংশ আৰু গোটেই পৰিয়ালটোলৈ গঠিত হোৱা শ্ৰমিক শক্তিৰ ই মাত্ৰ এটা উপাদান।
- **বহুপতিক পৰিয়াল ঃ** এগৰাকী মহিলাই একে সময়তে একাধিক পুৰুষৰ লগত বিবাহপাশত আৱদ্ধ হৈ সতি-সন্ততিৰ জন্ম দিয়াৰ ফলত যি পৰিয়াল ব্যৱস্থাৰ সৃষ্টি হয় তাকেই বহুপতিক পৰিয়াল বোলে। টোডা জনজাতিসকলৰ মাজত বহুপতি পৰিয়াল দেখিবলৈ পোৱা যায়। ইয়াত এগৰাকী তিৰোতাই একাধিক পুৰুষৰ লগত একেসময়তে বিবাহপাশত আৱদ্ধ হয়। পিতৃতান্ত্ৰিক বহুপতি পৰিয়াল পৰম্পৰাগতভাৱে তিব্বত, নেপাল, চীনৰ কিছু অংশ আৰু উত্তৰ ভাৰতত দেখা যায়, য'ত দুই ভাই-ককাইৰ মাজত এগৰাকী নাৰীয়ে যৌন সম্বন্ধ ৰাখে।

বহুপতি বিবাহ প্ৰচলিত সম্প্ৰদায়সমূহৰ মাজত জৈৱিকভাৱে পিতৃ কোন জানিব পৰা নাযায়। এনে ক্ষেত্ৰত পিতৃক চিনাক্ত কৰিবৰ কাৰণে টোডাসকলে এক সামাজিক অনুষ্ঠানৰ আয়োজন কৰে। টোডাসকলে পিতৃত্ব প্ৰতিষ্ঠা কৰিবৰ কাৰণে 'ধনু আৰু কাঁড়' (bow & arrow) অনুষ্ঠান পাতে। মহিলা গৰাকীৰ গৰ্ভধাৰণৰ ৭ মাহত যিজন পুৰুষে নিজৰ সন্তান বুলি স্বীকৃতি দিব বিচাৰে তেওঁ তেতিয়া এক সামাজিক অনুষ্ঠানত এযোৰ 'ধনুকাড়' পত্নীৰ হাতত অৰ্পণ কৰে। তেতিয়া হ'বলগীয়া সন্তানটি তেওঁৰ গোত্ৰৰ হিচাপে গণ্য কৰা হয়।

বহুপতি বিবাহৰ কাৰণ ঃ যিবিলাক সমাজত প্ৰাকৃতিক সম্পদৰ অভাৱ, জনসংখ্যা কম,

পুৰুষতকৈ মহিলাৰ সংখ্যা কম, ল'ৰা-ছোৱালী ডাঙৰ দীঘল কৰাটো সমস্যা তেনে সমাজত বহুপতিক পৰিয়াল থকা দেখা যায়। পতিৰ সংখ্যা যিমানে নহওক লাগে এগৰাকী মহিলাৰ বহু সন্তান থাকিব পাৰে। আনহাতে এজন শিশুৰ যদি বহুতো পিতৃ থাকে তেনেহ'লে সেই শিশুৰ বাচি থকাৰ সম্ভাৱনা বেছি। কাৰণ প্ৰতিজন পিতৃয়ে তাৰ ভৰণ-পোষণৰ দায়িত্ব ল'ব। এনে পৰিয়াল দুখীয়া সমাজত দেখাৰ উপৰি সম্ভ্ৰান্ত সমাজতো দেখা যায়।

- **সমষ্টি অথবা সামূহিক বিবাহ** (group marriage) ঃ এনে বিবাহত কেইবাগৰাকী নাৰীয়ে দুজন বা ততোধিক পুৰুষক পতি হিচাপে গ্ৰহণ কৰি পৰিয়ালৰ সৃষ্টি কৰিব পাৰে। সহোদৰ ভাতৃ বা তেনে কোনো আপোন সম্বন্ধীয় নহ'বও পাৰে। এনে পৰিয়ালত বিবাহৰ যোগেদি যি সন্তান জন্ম হয় তাৰ দায়িত্ব সকলোৱে বহন কৰে।

  এই বিলাকক যৌগিক পৰিয়াল বোলা হয় কাৰণ বহুপত্নী পৰিয়ালত পতিজনৰ প্ৰতিগৰাকী পত্নীক লৈ একো একোটা প্ৰাথমিক পৰিয়াল হয়। এই পৰিয়ালবোৰ একেজন পুৰুষৰ লগত সম্পৰ্কিত হৈ থাকে বাবে এইবোৰ পৰিয়ালক যৌগিক পৰিয়াল আখ্যা দিয়া হয়। একেধৰণে বহুপতি পৰিয়ালৰ ক্ষেত্ৰত প্ৰতিজন পতিৰ লগত পত্নীগৰাকীয়ে একোটা প্ৰাথমিক পৰিয়াল গঠন কৰে আৰু এই পৰিয়ালবিলাকক এগৰাকী পত্নীয়ে সংযোগ কৰে।

- **বিস্তৃত আৰু যৌথ পৰিয়াল** ঃ যেতিয়া এটা প্ৰাথমিক পৰিয়ালৰ লগত কেইবাটাও প্ৰাথমিক পৰিয়ালৰ অংশ একেলগে বসবাস কৰে তেতিয়া তাক বিস্তৃত পৰিয়াল বুলি ক'ব পাৰি।

  যেতিয়া কোনো ব্যক্তিৰ জন্ম পৰিয়াল আৰু প্ৰজনন পৰিয়াল একেলগে, একেখন ৰান্ধনীশালতে ৰন্ধা আহাৰ গ্ৰহণ কৰি, উমৈহতীয়া ধৰ্ম, উমৈহতীয়া উপাৰ্জন, উমৈহতীয়া বাসগৃহ আৰু সম্পত্তিৰ অধিকাৰ লাভ কৰে তেনেহ'লে সেই পৰিয়ালক যৌথ পৰিয়াল বোলে। ভাৰতীয় হিন্দু সমাজত যৌথ পৰিয়ালত কেইবাগৰাকীও ভাই-ককাই আৰু তেওঁলোকৰ পিতৃ-মাতৃ একেলগে বসবাস কৰে। বিবাহৰ পিছত নৱদম্পত্তিৰ বাসস্থানৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি পৰিয়ালৰ প্ৰকাৰ বিভিন্ন হোৱা দেখা যায়।

- **পিতৃস্থানীয় যৌথ পৰিয়াল** ঃ এনে পৰিয়ালত ল'ৰাই বিবাহৰ পিছত মাক-দেউতাকৰ সৈতে পত্নী আৰু তেওঁৰ সন্তানসকলক লৈ বাস কৰে। ভাৰতীয় গ্ৰাম্য সমাজত এনে পৰিয়াল দেখা যায়। গ্ৰাম্য বংগ সমাজত এনে পৰিয়াল ব্যৱস্থাৰ প্ৰাধান্যতা দেখা যায়। এনে পৰিয়ালত আটাইবোৰ পুত্ৰই পিতৃস্থানত বসবাস কৰিবও পাৰে। কেতিয়াবা আকৌ কেৱল এটা ল'ৰাই পিতৃ বাসগৃহত বাস কৰে আৰু বাকীবোৰে বেলেগ বাসস্থান গঠন কৰে। মিছিং, নিচি আদি জনজাতীয়সকলে বিয়াৰ পাছত উমৈহতীয়াভাৱে একেটা দীঘল চাংঘৰত বাস কৰে। কিন্তু প্ৰতিটো পৰিয়ালৰ বাবে বেলেগ ৰান্ধনিশাল থাকে।

- **মাতৃস্থানীয় যৌথ পৰিয়াল ঃ** এনে পৰিয়ালত এগৰাকী নাৰীয়ে বিবাহৰ পিছত মাক-দেউতাকৰ বাসগৃহত বাস কৰে। বিবাহৰ পিছত দৰাই কন্যাৰ ঘৰলৈ থাকিবলৈ আহে। মাতৃস্থানিক যৌথ পৰিয়াল 'নায়াৰ' সকলৰ উপৰি খাচী, গাৰো আৰু জয়ন্তীয়াসকলৰ মাজত দেখা যায়। গাৰোসকলৰ যিকোনো এগৰাকী ছোৱালী আৰু খাচী সকলৰ কনিষ্ঠ ছোৱালীয়ে বিবাহৰ পিছত মাক-দেউতাকৰ লগত বাস কৰাটো নিয়ম।

- **পিতৃ-মাতৃ স্থানীক যৌথ পৰিয়াল ঃ** এনে পৰিয়ালত বিবাহৰ পিছত ল'ৰা-ছোৱালী উভয়েই নিজ নিজ জন্ম পৰিয়ালৰ সৈতে একেলগে বাস কৰে। পিতৃ বা মাতৃস্থানীয় পৰিয়ালৰ ল'ৰা-ছোৱালী, পতি-পত্নী আদিয়ে বিবাহৰ পাছত একোটা পৰিয়ালত বাস কৰে। এনে পৰিয়াল ব্যৱস্থা কোচ, হাজং, ৰাভা সম্প্রদায়ৰ উপৰি গাৰোসকলৰ মাজত দেখা যায়। অসমৰ ঘাইকৈ নগাঁও আৰু গোৱালপাৰা জিলাত এই পৰিয়াল ব্যৱস্থা দেখা পোৱা যায়।

- **জন্ম স্থানীয় বিস্তৃত পৰিয়াল** (Natalocal Extended Family) ঃ Natalocal মানে জন্মৰ স্থান। এনে পৰিয়ালত বিবাহিত পতি বা পত্নী কোনোজনেই নিজ নিজ জন্ম পৰিয়াল এৰি থৈ নাহে। অর্থাৎ দুয়ো বেলেগে নিজৰ পিতৃ-মাতৃৰ সৈতে বাস কৰে। মেঘালয়ৰ খৃষ্ট ধর্মত দীক্ষা নোলোৱা জয়ন্তীয়াসকলৰ মাজত এনে ধৰণৰ পৰিয়াল দেখা যায়। এনে পৰিয়ালত এগৰাকী মাক তেওঁৰ বিবাহিত বা অবিবাহিত সন্তান, নিজৰ ভাই-ভনীৰে সৈতে মুঠতে কেৱল সমৰক্তীয় স্বজন অন্তর্ভুক্ত হ'ব পাৰে। স্বামী বা আন কোনো বৈবাহিক স্বজন ইয়াৰ অন্তর্ভুক্ত নহয়।

- **মাতুল স্থানীয় পৰিয়াল** (Avunculocal) ঃ বিবাহৰ পিছত দৰাৰ মাতৃৰ ভায়েক সম্বন্ধীয় লোকৰ ঘৰত পতি-পত্নী আৰু ল'ৰা-ছোৱালীয়ে বাস কৰাৰ ফলত যি পৰিয়াল ব্যৱস্থা সৃষ্টি হয় তাক মাতুল স্থানীয় পৰিয়াল বোলে। এনে পৰিয়াল কম দেখা যায়।



অগ্রগতি নিৰীক্ষণ - ১

(অ) শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক

ক। এক বৈবাহিক পৰিয়াল এক প্রকাৰৰ যৌগিক পৰিয়াল।

খ। প্রাথমিক পৰিয়াল বিশ্বজনীন সামাজিক গোট।

গ। পিতৃস্থানীয় পৰিয়ালত এগৰাকী পত্নী বিবাহৰ পিছত তেওঁৰ জন্মস্থানত বাস কৰে।

(আ) খালী ঠাই পূৰণ কৰক

ক। যেতিয়া এহাল দম্পতীয় বিবাহৰ পাছত নিজৰ বেলেগ বাসগৃহত বাস কৰে তাক ..... বাসস্থান বুলি কোৱা হয়।

খ। বহুপত্নী পৰিয়াল ..... পৰিয়ালৰ এক উদাহৰণ।

গ। যেতিয়া এটা পৰিয়ালত পতি-পত্নী তেওঁলোকৰ ল'ৰা-ছোৱালী আৰু স্বামীৰ ভাই-ককাই একেলগে বাস কৰে তেনে পৰিয়ালক ..... পৰিয়াল বোলা হয়।

৩.৫ পৰিয়াল গঠনৰ আভিত্তি

আমি জানোঁ যে পৰিয়াল গঠন সমাজ ভেদে বেলেগ বেলেগ। একে সমাজতে বিভিন্ন পৰিয়ালৰ প্রকাৰ দেখা পাওঁ। কিছুমান একক পৰিয়াল আৰু কিছুমান যৌগিক পৰিয়াল। আকৌ পতি-পত্নীৰ সংখ্যা, পতি-পত্নীৰ বিবাহৰ প্রকাৰৰ ওপৰত ভিত্তি কৰি পৰিয়ালৰ আকাৰো বেলেগ বেলেগ। বিভিন্ন কাৰক আৰু শক্তিৰ ক্রিয়া-প্রতিক্রিয়াৰ ওপৰত ভিত্তি কৰি পৰিয়াল গঠন হয়। আমি ইতিমধ্যে এনে কাৰকসমূহৰ বিষয়ে আলোচনা কৰিলোঁ। ইয়াত আমি চমুকৈ সিবিলাক উল্লেখ কৰিম।

- **বর্হিঃবিবাহ ঃ** পৰিয়াল হ'ল এটা বর্হিঃবৈবাহিক গোট। একেটা পৰিয়ালৰ সদস্যৰ মাজত কেতিয়াও বিবাহ সম্পন্ন কৰা নহয়। বিশেষভাৱে প্রাথমিক পৰিয়ালৰ ভিতৰত।
- **স্বজন যৌন বাধা বা টেবু** পৰিয়াল গঠনৰ অন্য এক নিয়ম। নিজৰ তেজৰ সম্বন্ধ থকা ব্যক্তিৰ লগত যৌন সম্বন্ধ নিষেধ। টেবু শব্দৰ অর্থ হ'ল বাধা বা নিষেধ।
- **স্বজন পদ্ধতিয়ে** পৰিয়াল গঠনত ভূমিকা গ্রহণ কৰে। পিতৃসূত্রী পৰিয়ালত সম্পত্তিৰ উত্তৰাধিকাৰী বা পদাধিকাৰী (জনজাতীয় গাঁৱৰ মুখিয়াল) পুৰুষসকলে লাভ কৰে। মাতৃসূত্রীয় পৰিয়ালত এনে সুবিধা মাতৃ বা জ্যেষ্ঠা নাৰীগৰাকীৰ সূত্রে লাভ কৰে।
- পৰিয়াল গঠনত **বিবাহৰ প্রকাৰো** অন্যতম গুৰুত্বপূর্ণ কাৰক। আমি ইতিমধ্যে বহু বিবাহ

আৰু বৈবাহিক পৰিয়াল ব্যৱস্থা সম্পৰ্কে আলোচনা কৰিলোঁ।

- বিবাহৰ পিছত নৱদম্পতীয়ে কত থাকিব সেই সম্পৰ্কে গ্ৰহণ কৰা নিয়মৰ ওপৰত ভিত্তি কৰি পিতৃস্থানীক, মাতৃস্থানীক, আৰু নৱস্থানীক পৰিয়াল ভাগ কৰা হৈছে। জনজাতীয় সমাজত বিবাহৰ পিছত নৱদম্পতীয়ে পতি নাইবা পত্নীৰ মাতৃৰ ভায়েকৰ বাসগৃহত বাস কৰে এনে পৰিয়ালক Avunculocal Family বোলে।
- **কৰ্তৃত্বৰ** ওপৰত ভিত্তি কৰিও পৰিয়ালৰ ভাগ কৰা হৈছে। যেনে পিতৃপ্ৰধান আৰু মাতৃপ্ৰধান। কৰ্তৃত্ব মানে স্বীকৃতিপ্ৰাপ্ত ক্ষমতা বা নিয়ন্ত্ৰণৰ অধিকাৰ। পিতৃপ্ৰধান পৰিয়ালত ব্যক্তিৰ কৰ্তৃত্ব মাতৃ বা জ্যেষ্ঠা নাৰীগৰাকীক অৰ্পণ কৰা হয়।

৩.৬ ভাৰতত পৰিয়াল আৰু বিবাহ

- **আইলিন ৰ'ছৰ** নামৰ সমাজবিজ্ঞানী গৰাকীয়ে ভাৰতৰ পৰিয়ালৰ প্ৰকৃতি, বিবাহ, আৰু স্বজন পদ্ধতি সম্পৰ্কে গভীৰ অধ্যয়ন কৰিছে। ৰ'ছৰ মতে *পৰিয়াল হৈছে কেতবোৰ স্বজনতাৰ দ্বাৰা সম্পৰ্কিত লোকৰ এনে এটা গোট, যিসকল একেটা বাসগৃহত বাস কৰে আৰু যিসকলৰ মাজৰ একতা কিছুমান দায়িত্ব, কৰ্তব্য, সামূহিক মনোভাব আৰু কৰ্তৃত্ব পালনৰ মাজত নিহিত হৈ থকে।* এই সংজ্ঞাৰ পৰা পৰিয়ালৰ কিছুমান গুৰুত্বপূৰ্ণ দিশৰ কথা উল্লেখ কৰিব পাৰি, যেনে-

➢ পৰিৱেশ সম্পৰ্কীয় দিশ বা **উপ-সংৰচনাই** সদস্যসকলক একেলগে বাসবাস কৰাৰ কথা সূচায়। ই সাধাৰণতে পৰিয়ালৰ আকাৰ আৰু প্ৰকাৰৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়।

➢ **দায়িত্ব আৰু কৰ্তব্যৰ উপ-সংৰচনা** হৈছে এটা পৰিয়ালত প্ৰচলিত শ্ৰমবিভাজন।

➢ **ক্ষমতা আৰু কৰ্তব্যৰ উপ-সংৰচনা** হ'ল পৰিয়ালৰ অন্য এক উপ-গাঁথনি, যি পৰিয়ালৰ সদস্যসকলক নিয়ন্ত্ৰণ কৰে।

➢ **অনুভূতিও এক উপ-সংৰচনা**, যি পৰিয়ালৰ সদস্যসকলৰ মাজত পতি-পত্নী, পিতৃ-মাতৃ, সতি-সন্ততি সকলোৰে মাজত আনুভূতিক সম্বন্ধ স্থাপন কৰে।

আইলিন ৰ'চৰ পৰিয়ালৰ ওপৰত কৰা অধ্যয়ন অতিকে গুৰুত্বপূৰ্ণ। বহুসংখ্যক গৱেষকে ভাৰতৰ বিভিন্ন সমাজত পৰিয়ালৰ আৰ্হিৰ বিষয়ে গৱেষণা কৰিছে। গৱেষকসকলে পৰিয়ালৰ বিভিন্ন আৰ্হিৰ শ্ৰেণীকৰণ কৰিছে।

- **পলিন কোলেন্দ্ৰাই** ২৬ টা পৰিয়াল অধ্যয়ন কৰি ইয়াক কেইবাটাও ভাগত ভাগ কৰিছে। এইবোৰ হ'ল

➢ **প্ৰাথমিক পৰিয়াল ঃ** সতি-সন্ততি থকা বা নথকা বিবাহিত দম্পতী।

➢ **পৰিপূৰক প্ৰাথমিক পৰিয়াল ঃ** প্ৰাথমিক পৰিয়ালৰ সদস্যৰ উপৰি পিতৃৰ অবিবাহিত বা বেলেগে থকা বিধবা আৰু অবিবাহিত সন্তানসকল।

- **উপ-প্ৰাথমিক পৰিয়াল ঃ** নিজৰ অবিবাহিত ল'ৰা-ছোৱালীৰে সৈতে বিধবা, বৰলা বা বিবাহ- বিচ্ছেদিত মহিলা বা পুৰুষ।
- **এজন ব্যক্তি থকা ঘৰ বা আবাস।**
- **পৰিপূৰক উপ-প্ৰাথমিক পৰিয়াল ঃ** (Collateral Joint family) আগৰে সম্পূৰ্ণ হৈ থকা এনে পৰিয়ালত বহু আত্মীয়-কুটুম, প্ৰাথমিক পৰিয়ালৰ সদস্য কেইজনমানৰ লগত সম্পৰ্ক নথকা অবিবাহিত বিধবা, বিবাহ-বিচ্ছেদিত লোক এনে পৰিয়ালৰ সদস্য। উদাহৰণস্বৰূপে— এগৰাকী বিধবা, তেওঁৰ অবিবাহিত সন্তান আৰু শাহুৰেকৰ পৰিয়ালটো।
- **সমপাৰ্শ্বিক যৌথ পৰিয়াল ঃ** (Supplemented Collateral Joint family) এনে পৰিয়ালত দুই বা ততোধিক ভাই-ককাই তেওঁবিলাকৰ পত্নী আৰু নিজ নিজ ল'ৰা-ছোৱালীয়ে একেলগে বাস কৰে।
- **পৰিপূৰক সমপাৰ্শ্বিক যৌথ পৰিয়াল ঃ** সমপাৰ্শ্বিক যৌথ পৰিয়ালৰ সদস্যৰ উপৰি অবিবাহিত, বিধবা আৰু বিবাহ-বিচ্ছেদিত কোনো স্বজন ইয়াত অন্তৰ্ভুক্ত হয়, যিসকল প্ৰাথমিক পৰিয়ালৰ সদস্য নহয়।
- **বংশজ যৌথ পৰিয়াল** (Lineal joint family Supplemented lived joint family) ঃ এনে পৰিয়ালত পিতৃ-মাতৃ আৰু তেওঁলোকৰ বিবাহিত পুত্ৰ/কন্যাৰ নিজ নিজ প্ৰাথমিক পৰিয়াল (স্বামী/স্ত্ৰী আৰু ল'ৰা-ছোৱালী) একেলগে বাস কৰে। ইয়াত পিতা/মাতা আৰু পুত্ৰ/পুত্ৰীক একে বংশজ বুলি, সগোত্ৰীয় স্বজন হিচাপে পোনপটীয়াকৈ ধৰা হয়।
- **পৰিপূৰক বংশজ যৌথ পৰিয়াল** (Supplemented Lineal-collateral joint family)ঃ বংশজ-সমপাৰ্শ্বিক যৌথ পৰিয়ালৰ অন্তৰ্গত প্ৰাথমিক পৰিয়ালসমূহৰ সদস্যৰ বাহিৰেও কোনো অবিবাহিত, বিধবা-বৰলা নাইবা দূৰ সম্পৰ্কীয় আত্মীয় অন্তৰ্ভুক্ত হয়। সাধাৰণতে পিতৃৰ বিধবা/বৰলা ভাই/ভনী আৰু অবিবাহিত ভাগিনসকলক ধৰা হয়।
- **অন্যান্য ঃ** যি বিলাক পৰিয়াল ব্যৱস্থা উপযুক্ত পৰিয়ালত অন্তৰ্ভুক্ত নহয়, সেই সকলোবিলাক পৰিয়াল ইয়াৰ অৰ্ন্তভুক্ত।

হিন্দু যৌথ পৰিয়াল বা হিন্দু অবিভক্ত পৰিয়াল (Hindu Joint famliy of Hindu undivided family (HUF) or a joint family) হ'ল এনে এক পৰিয়াল য'ত কেইবা পুৰুষো ধৰি একেটা বাসগৃহতে লোকসকল বাস কৰে। এনে পৰিয়াল ভাৰতীয় উপ-মহাদেশৰ হিন্দু সকলৰ মাজত বহুলভাৱে প্ৰচলিত। এনে পৰিয়ালত সকলোবোৰ পুৰুষেই হ'ল সমৰক্তীয় স্বজন আৰু সকলোবোৰ মহিলা পুৰুষসকলৰ হয় মাতৃ, পত্নী, অবিবাহিত ভগ্নী, কন্যা অথবা বিধবা স্বজনৰূপে দেখা যায়। এই সকলোবোৰ ব্যক্তিৰ মাজত উমৈহতীয়া সম্পৰ্ক থাকে।



জানি থওঁ আহক

ভাৰতীয় সমাজত এনে পৰিয়াল এটা স্বাভাৱিক পৰিঘটনা। অবিভক্ত পৰিয়াল যৌথ বুলি এইবাবেই কোৱা হৈছে যে, খোৱা-বোৱা, ধর্মীয় কর্তব্য, পূজা-পাতল আদি সকলো ক্ষেত্রতে উমৈহতীয়াভাৱে পালন কৰে।

যৌথ পৰিয়ালৰ সদস্যসকল জন্মৰ যোগেদি স্থান লাভ কৰে যদিও **পৰিয়ালৰ উমৈহতীয়া সম্পত্তিৰ সম্পর্ক বেছি গুৰুত্বপূর্ণ**। পৰিয়ালৰ মূৰব্বী জ্যেষ্ঠ পিতৃস্থানীয় ব্যক্তিজন হয়, যিগৰাকীয়ে পৰিয়ালটোৰ হৈ আর্থ-সামাজিক সকলো দিশ তদাৰক কৰে আৰু সিদ্ধান্ত লয়। পিতৃপ্রধান পৰিয়ালত মূৰব্বীৰ পত্নী গৰাকীয়ে পাকঘৰৰ ৰন্ধা-বঢ়া কৰাৰ উপৰি সন্তান ডাঙৰ-দীঘল কৰা, সাধাৰণ ধর্মীয় কার্যসমূহত আগভাগ লয়। সকলো উপার্জন একেটা পুঁজিত একত্রিত কৰা হয়।

এগৰাকী ছোৱালী বিবাহৰ পাছত সেই পৰিয়ালৰ সদস্য হৈ নাথাকে আৰু তেওঁৰ সম্পত্তিৰ অংশও নাথাকে। বিয়াৰ খা-খৰছৰ লগত তেওঁৰ প্রাপ্য সকলো সম্পত্তি হিচাপে মিলাই দিয়া হয়। এনে যৌথ পৰিয়ালত এজন পুৰুষ আৰু তেওঁৰ বিধবা পত্নীয়ে স্বামীৰ সম্পত্তি আদি গ্রহণ কৰিব নোৱাৰে। তেনেস্থলত পৰিয়ালৰ আন সদস্যসকলে সেই সম্পত্তিৰ ভাগ লাভ কৰে।

বিবাহৰ বান্ধোনতকৈ পৰিয়ালৰ বান্ধোন বেছি গুৰুত্বপূর্ণ। এনে বান্ধোনে পৰিয়ালৰ সামাজিক নিৰাপত্তাৰ কথা সূচায়।

ভাৰতীয় আইনমতে হিন্দু মহিলাইও সম্পত্তিৰ অধিকাৰ লাভ কৰিব পাৰে।

- **যুটীয়া পৰিয়ালৰ ছটা মূল বৈশিষ্ট্য ঃ**

➢ সকলো সদস্যই উমৈহতীয়া গৃহত বাস কৰে আৰু একেটা ৰান্ধনীশালৰ আহাৰ গ্রহণ কৰে।

➢ তিনিপুৰুষলৈকে একেলগে কাম কৰে (কেতিয়াবা ২/৩ জন ভাই-ককাই একেলগে বাস কৰাও দেখা যায় বা পিতৃ-মাতৃ, পুত্র আৰু পিতৃবংশীয় পুৰুষসকলে একেলগে বাস কৰে।)

➢ উমৈহতীয়া উপার্জন আৰু সম্পত্তিৰ ভাগ।

➢ উমৈহতীয়া ধর্মীয় স্থান।

➢ পৰিয়ালৰ সকলো সিদ্ধান্ত পিতৃস্থানীয় ব্যক্তিয়ে গ্রহণ কৰে। এনে পৰিয়াল উমৈহতীয়া উপৰিপুৰুষৰ পৰা উদ্ভৱ হোৱা বুলি বিশ্বাস কৰা হয়। এতেকে HUF একে পৰিয়ালৰ সদস্য।

➢ পিতৃ বা জ্যেষ্ঠ সদস্য কর্তা হিচাপে গ্রহণ কৰা হয়। সম্পত্তি যুটীয়াভাৱে বিতৰণ কৰা হয়।

৩.৭ পৰিয়ালৰ কেইটামান গুৰুত্বপূৰ্ণ উপাদান

৩.৭.১ আৱাসিক সমূহ (Household)

আমি ইতিমধ্যে আবাসিক সমূহৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিলোঁ। আবাসিক সমূহ হৈছে ঘৰুৱাভাৱে বাস কৰা পৰিৱেশ য'ত অৰ্থনৈতিক উৎপাদন, উপভোগ, উত্তৰাধিকাৰ, সন্তান ডাঙৰ-দীঘল কৰা আৰু আশ্রয় দিয়াৰ এক ঘৰুৱা সমূহ। আবাসিক সমূহ, পৰিয়ালৰ সমাৰ্থক হ'বও পাৰে বা নহ'বও পাৰে।

আবাসিক সমূহ ক্ষুদ্র অৰ্থনৈতিক, সামাজিক আৰু চৰকাৰী জৰিপত আৰ্হি হিচাপে ধৰা হয়। এই শব্দটোৱে একেলগে বাস কৰা সকলো ব্যক্তিকে বুজায়।

বেছিভাগ অৰ্থনৈতিক আৰ্হিয়ে বাসগৃহৰ সদস্যসকল পৰম্পৰাগত অৰ্থত পৰিয়াল হয় নে নহয় গণ্য নকৰে। চৰকাৰী নীতিমতে পৰিয়াল আৰু আৱাসিক সমূহ এনে অৰ্থত ব্যৱহৃত হয়। প্রকৃততে পৰিয়াল আৰু আৱাসিক সমূহৰ অৰ্থ একে নহয়।

৩.৭.২ পুৰুষ প্রধানতা বা প্রাধান্য (Patriacrchy)

পৰিয়াল যেতিয়া পুৰুষ পিতৃকেন্দ্রিক হৈ সকলো সদস্যৰ ওপৰত প্রাথমিক কৰ্তৃত্ব পুৰুষৰ ওপৰতে ন্যস্ত হয় তাকেই পুৰুষ প্রধানতা বোলে। এনে পৰিয়ালত পুৰুষে সকলো দায়িত্ব বহন কৰাৰ উপৰি সকলো কল্যাণমূলক কাম-কাজত জড়িত হৈ থাকে। এনে কৰ্তৃত্ব সাধাৰণতে সামাজিক, ৰাজনৈতিকৰ পৰা আৰম্ভ কৰি চৰকাৰী কাৰ্যভাৰলৈকে বিস্তৃত। এনে পৰিয়ালত এক দমনমূলক ক্ষমতা বহু সমাজত অতীজৰেপৰা চলি আহিছে। নাৰীবাদত বিশ্বাসী অনেকেই পুৰুষ প্রধানতাক মহিলাৰ ওপৰত শোষণ বুলি মন্তব্য কৰিব খোজে। কুৰি শতিকাৰ আগৰ চোৱাত মহিলাৰ অধিকাৰ আন্দোলন আৰম্ভ হৈছিল। নাৰীবাদী আন্দোলনৰ সজাগতাৰ উদ্দেশ্য আছিল মহিলাসকলৰ ৰাজনৈতিক স্বাধীনতাৰ যোগেদি ভোটদানৰ ক্ষমতাৰ লগতে ৰাজহুৱা স্থান দখল কৰাটো। ১৯৬০-৭০ দশকত মহিলা সজাগতাৰ দ্বিতীয় ধাৰা আৰম্ভ হৈছিল সামাজিক আৰু অৰ্থনৈতিক সমতাৰ বিষয়লৈ। এই সময়ছোৱাত বাদে পুৰুষ প্রাধান্যতা সম্পৰ্কে বিদ্যায়তনিক অধ্যয়নৰ প্রতি গুৰুত্ব দিছিল। এনে প্রতিদ্বন্দ্বীতাই পুৰুষ প্রধান সমাজত গঠনমূলক প্রভাৱ পেলাইছিল।

পুৰুষ প্রাধান্যৰ বিপৰীত হ'ল স্ত্রী বা নাৰী প্রাধান্য। শুদ্ধ অৰ্থত এনে প্রকৃতিৰ সমাজ নাই বুলিবই পাৰি। মাতৃসূত্রী আৰু মাতৃস্থানিক গাৰো, খাচি, জয়ন্তীয়া সম্ভ্রান্ত সংৰচনাত নাৰীৰ সামাজিক প্রভূত্ব বেছি থাকিলেও কিন্তু জনজাতীয় আৰু পৰিয়ালৰ নেতৃবৃন্দ পুৰুষেই হয়। মাতৃস্থানিক নহ'বও পাৰে।

বেছিসংখ্যক সমাজতত্ত্ববিদে পুৰুষ প্রাধান্যৰ জৈৱিক ব্যাখ্যাৰ বিৰোধিতা কৰিছে আৰু তেওঁলোকে মত পোষণ কৰে যে সামাজিকীকৰণ আৰু সংস্কৃতিকৰণে স্ত্রী আৰু আৰু

পুৰুষৰ সামাজিক ভূমিকাৰ বা কাম-কাজৰ পার্থক্য আৰোপিত কৰে। নাৰী-পুৰুষৰ মাজৰ এনে পার্থক্য পৰম্পৰাগত আৰু আর্থিকভাৱে কম উন্নত সমাজত বেছি প্রকট হোৱা দেখা যায়। উন্নত সমাজতো আজি আমি গণমাধ্যম, পৰিয়াল আৰু আন আন সংস্থাই পুৰুষবাদী ভাবধাৰা প্রতিফলিত কৰি থকাকে দেখো।

৩.৭.৩ লিংগভিত্তিক শ্রমবিভাজন

দৈনন্দিন জীৱনত পৰিয়ালৰ সদস্যসকলে বেলেগ বেলেগ কার্য সম্পন্ন কৰে। পৰিয়াল এটা পৰিচালিত হ'বলৈ হ'লে প্রতিজন সদস্যই বেলেগ বেলেগ দায়িত্ব সম্পন্ন কৰিব লাগে। পুৰুষ আৰু মহিলা ভেদেও বিভিন্ন কার্য সম্পন্ন কৰিব লগা হয়।

পৰিয়ালৰ আকাৰৰ ওপৰত নির্ভৰ কৰি প্রতিজন সদস্যৰ ভূমিকা বেলেগ বেলেগ হয়। বিভিন্ন কাৰকৰ বাবে সম্প্রতি পৰিয়াল ব্যৱস্থাৰ পৰিবর্তন সম্ভৱ হৈছে। গৱেষণাৰ পৰা দেখা গৈছে যে মহিলাসকলে আজিকালি তেওঁলোকৰ পৰম্পৰাগত ঘৰুৱা কাম-কাজৰ উপৰি পূর্বতে কেৱল পুৰুষৰ মাজত সীমাবদ্ধ হৈ থকা কাম কৰিবলৈ লোৱাৰ পৰা তেওঁলোকৰ ওপৰত হেঁচা বাঢ়িছে। যৌথ পৰিয়াল ভাগি একক পৰিয়াল সৃষ্টি হোৱাৰ ফলত পৰিয়ালত কামৰ হেঁচা বাঢ়িল, ফলত ঘৰে-পথাৰে সকলোতে মহিলাই সমানে কাম কৰিবলগীয়া হ'ল।

কৃষি প্রধান সমাজত পৰিয়ালভেদে, সম্প্রদায়ভেদে শ্রমবিভাজন ভিন্ন ধৰণৰ। কিছু ক্ষেত্রত পুৰুষে খেতি কৰা হাল টনা আৰু মহিলাসকলে শস্য সিঁচা, ধানকটা, সাৰ প্রয়োগৰ উপৰি ঘৰত শস্য সংৰক্ষণ আদি কার্যসমূহ সম্পন্ন কৰে। এনে সমাজত বৃহৎ কৃষি পথাৰত যন্ত্রচালিত কাম-কাজ পুৰুষে কৰে আৰু মহিলাই কম কাৰিকৰী বিদ্যা প্রয়োজন হোৱা কামবোৰ কৰে। এচিয়া মহাদেশত সাধাৰণতে এনেধৰণৰ কার্য কৰা দেখা যায়। কিছুমান দেশত পুৰুষে খেতি কৰে। পুৰুষে উৎপাদন কৰা শস্যৰ পৰা নগদ টকা উপার্জন কৰে আৰু মহিলাসকলে উৎপন্ন কৰা শস্যৰ পৰা পৰিয়াল ভৰণ-পোষণ দিয়ে।

নগৰীয়া সমাজৰ ক্ষেত্রত ই কিছু বেলেগ। নগৰীয়া অঞ্চলত মহিলাই ঘৰুৱা কাম-কাজৰ উপৰি কর্মক্ষেত্রলৈ যায়। কেতিয়াবা নগৰীয়া সমাজত পুৰুষে পত্নীৰ কাম-কাজত অংশগ্রহণ কৰে। যুটীয়া পৰিয়ালৰ ই এক ভাঙোনৰ কাৰণ।



অগ্রগতি নিৰীক্ষণ - ২

শুদ্ধ উত্তৰটি নির্ণয় কৰক :-

ক। এটা পৰিয়াল স্বজন সম্বন্ধীয়/আবাসিক গোট।

.....

.....

খ। যেতিয়া এটা পৰিয়ালৰ কর্তৃত্ব এজন পুৰুষৰ ওপৰত অর্পণ কৰা হয় তেনে পৰিয়ালক নাৰীপ্রধান/ পুৰুষপ্রধান বোলা হয়।

.....

.....

গ। গৱেষণাৰ পৰা দেখা যায় যে বহল পৰিয়াল ভাগি যোৱাৰ কাৰণে মহিলাৰ কামৰ বোজা পৰিয়ালৰ ভিতৰত কমিছে/বাঢ়িছে।

.....

.....



৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি পৰিয়ালৰ প্রসাৰ, বিবাহৰ নিয়ম, বহিঃবিবাহ, স্বজন পদ্ধতি, বাসগৃহৰ প্রকাৰ, গাঁথনি আৰু কর্তৃত্ব আৰু পৰিয়াল ব্যৱস্থাৰ বৈশিষ্ট্য, গঠন ক্রিয়া, ভূমিকা সম্পর্কে ধাৰণা লাভ কৰিলোঁ ।
- ভাৰতবর্ষ এখন বিভিন্ন নৃগোষ্ঠীৰে পৰিপূর্ণ সমাজ য'ত আমি বিভিন্ন পৰিয়াল ব্যৱস্থা দেখিবলৈ পাওঁ। ক'লেন্দ্র (Kolendra) ই ভাৰতীয় পৰিয়াল ব্যৱস্থাৰ কথা উল্লেখ কৰিছে, য'ত তেওঁ ভাৰতৰ বিভিন্ন পৰিয়ালৰ গঠন সম্পর্কে অৱগত কৰাইছে।
- ভাৰতৰ হিন্দু সমাজত যুটীয়া পৰিয়ালৰ প্রাধান্য দেখাৰ উপৰি অন্য সম্প্রদায়ৰ মাজতো যুটীয়া পৰিয়াল ব্যৱস্থা দেখিবলৈ পোৱা যায়।



৩.৯ অধিক জানিবলৈ

১) Milton Singer : Structure and Change in Indian Society B.S. Cohn (ed) (Chapter 14 & 17), Rawat, Delhi, Jaipur

২) Patricia Uberoi : Family, Kinship & Marriege, Oxford, Delhi

৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ
(ঘ) নৱস্থানীক (ঙ) যৌগিক (চ) যৌথ

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) বাসস্থানীক (খ) পিতৃ প্রাধান্য (গ) বাঢ়িছে



৩.১১. আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ পৰিয়াল আৰু বিবাহৰ সংজ্ঞা দিয়ক। এই দুটা সামাজিক সংস্থাৰ মাজৰ সম্পর্ক আলোচনা কৰক।

প্রশ্ন নং ২ ঃ পৰিয়ালৰ বিভিন্ন প্রকাৰ সমূহ কি কি?

প্রশ্ন নং ৩ ঃ যৌগিক আৰু সৰল পৰিয়ালৰ পার্থক্য লিখক।

প্রশ্ন নং ৪ ঃ পিতৃপ্রাধান্য সমাজৰ বিষয়ে চমুকৈ লিখক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ বহুপতিক বিবাহ কিয় কিছুমান সমাজত দেখা যায়? যুক্তি দর্শাই লিখক।

প্রশ্ন নং ২ ঃ পৰিয়াল গঠনৰ বিভিন্ন কাৰকবোৰ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ পৰিয়াল আৰু আবাসিক গোটৰ ধাৰণা, দুটাৰ মাজৰ সম্পর্ক বুজাই লিখা।

প্রশ্ন নং ৪ ঃ পৰিয়ালত লিংগ ভিত্তিক শ্রম বিভাজন সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ স্বজনতা ব্যৱস্থা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ স্বজনতা ঃ অর্থ আৰু সংজ্ঞা

৪.৩.১ স্বজনতাৰ প্রকাৰ আৰু মাত্রা

৪.৩.২ স্বজনতাৰ ৰীতি আৰু প্রতিষিদ্ধ কার্য

৪.৩.৩ ভাৰতৰ বিভিন্ন ভৌগলিক মণ্ডলত স্বজনতাৰ গাঁথনি আৰু বিন্যাস

৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৫ অধিক জানিবলৈ

৪.৬ অগ্রগতিৰ খতিয়ান

৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বজনতাৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব।
- স্বজনতাৰ প্রকাৰ আৰু মাত্রা আলোচনা কৰিব পাৰিব।
- স্বজনতাৰ ৰীতি আৰু এইবোৰৰ প্রয়োগৰ লগতে স্বজনতাৰ সৈতে জড়িত প্রষিদ্ধি কার্যবোৰ বর্ণনা কৰিব পাৰিব।
- ভাৰতৰ বিভিন্ন ভৌগলিক মণ্ডলত স্বজনতাৰ গাঁথনি আৰু বিন্যাস কেনেধৰণৰ সেয়া ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

ব্যক্তিয়ে সমাজত অকলশৰীয়াকৈ বাস কৰিব নোৱাৰে। জন্মৰ পৰা মৃত্যুলৈকে প্রতিগৰাকী ব্যক্তিয়েই বিভিন্ন লোকৰ দ্বাৰা পৰিৱেষ্টিত হৈ থাকে। ইয়াৰে কিছুমান ব্যক্তিৰ পৰিয়ালৰ সদস্য কিছুমান বন্ধু-বান্ধৱ, কিছুমান চুবুৰীয়া আৰু আন কিছুমান সম্পূর্ণ অচিনাকী। এগৰাকী ব্যক্তি জন্মসূত্রে নাইবা বিবাহসূত্রে আন ব্যক্তিৰ সৈতে সাঙোৰ খাই থাকে। জন্মসূত্রে নাইবা বিবাহসূত্রে সৃষ্টি হোৱা সম্পর্কবোৰ নিকট অথবা দূৰ— এই দুইধৰণৰ হ'ব পাৰে। এইদৰে জন্মসূত্রে নাইবা বিবাহসূত্রে সৃষ্টি হোৱা সম্বন্ধবোৰ গঢ়া মানৱ সমূহবোৰেই 'স্বজনতা' (Kinship)ৰ সৃষ্টি কৰে। Dictionary of

Anthropologyৰ মতে স্বজন ব্যৱস্থাই সেই সকলোবোৰ সামাজিকভাৱে স্বীকৃত সম্পৰ্ককক সামৰি লয় যিবোৰ সম্পৰ্কৰ ভেটি হ'ল ধৰি লোৱা (supposed) আৰু প্ৰকৃত বংশগত সম্পৰ্ক। এই সম্পৰ্কবোৰ সামাজিক আন্তঃক্ৰিয়াৰ ফল আৰু এইবোৰক সমাজে স্বীকৃতি প্ৰদান কৰে।

স্বজনতা ব্যৱস্থা হ'ল মৌলিক সামাজিক অনুষ্ঠানৰ এক প্ৰতিনিধি। স্বজনতাৰ প্ৰকৃতি সাৰ্বজনীন। ই এখন সমাজত ব্যক্তিৰ সামাজিকীকৰণ ঘটোৱা প্ৰক্ৰিয়াটোৰ লগতে দলীয় ভ্ৰাতৃত্ববোধ বৰ্তাই ৰখা কাৰ্যত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ব্যৱস্থাটোৰ সাৰ্বজনীন প্ৰকৃতিয়ে সামাজিক জীৱনত ইয়াৰ প্ৰকাৰাত্মক গুৰুত্বৰ কথা বুজায়। সেয়েহে এটা সাংস্কৃতিক সমূহৰ সামাজিক জীৱন অধ্যয়ন কৰাৰ সময়ত সমূহটোৱে স্বজনতা ব্যৱস্থাৰ দিশটো ভালদৰে বুজি লোৱাটো আৱশ্যক। ইয়াৰ আগৰ অধ্যায়টিত আমি ভাৰতবৰ্ষৰ পৰিয়াল আৰু বিবাহ সম্পৰ্কে আলোচনা কৰিলো। এই অধ্যায়ত আমি স্বজনতা ব্যৱস্থাৰ ধাৰণাটো খৰছি মাৰি বুজাৰ চেষ্টা কৰাৰ লগতে ইয়াৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিম। স্বজনতা ব্যৱস্থাৰ মাত্ৰা, ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন ৰীতি আৰু ভাৰতৰ বিভিন্ন অঞ্চলৰ স্বজনতা গাঁথনি বিন্যাস হ'ল অধ্যায়টোত অন্তৰ্ভুক্ত কৰা আন কেইটামান আলোচ্য বিষয়।

৪.৩ স্বজনতা ঃ অৰ্থ আৰু সংজ্ঞা

স্বজনতা হ'ল সমাজৰ এটা প্ৰধান সাংগঠনিক নীতি। প্ৰতিখন সমাজতে থকা মৌলিক সামাজিক অনুষ্ঠানবোৰৰ মাজৰ এটা হ'ল স্বজনতা। এই সংস্থাটোৱে ব্যক্তি আৰু সমূহৰ মাজত সম্পৰ্ক স্থাপন কৰে। সকলো সমাজৰে প্ৰতিগৰাকী সদস্যই বিভিন্ন ধৰণৰ বান্ধোনেৰে সমাজৰ অন্য সদস্যৰ সৈতে বান্ধ খাই থাকে। বৈবাহিক আৰু প্ৰজননসূত্ৰে স্থাপিত হোৱা বান্ধোনবোৰক সবাতোকৈ মৌলিক বান্ধোন বুলি কোৱা হয়। স্বজনতাই এনে বান্ধোন তথা এনে বান্ধোনৰ দ্বাৰা সৃষ্টি অন্য বান্ধোনবোৰৰ কথা বুজায়। অৰ্থাৎ, স্বজনতাৰ সংস্থাটোৱে এনে সম্পৰ্ক সমষ্টি আৰু সম্পৰ্কসৃষ্টি আত্মীয়ৰ সমূহ এটাৰ কথা বুজায় যিটো সমষ্টি নাইবা সমূহৰ ভিত্তি হ'ল তেজৰ সম্পৰ্ক (সমোদ্ভৱ/consanguineal) অথবা বিবাহ (মিতিৰালি/affinal)।

স্বজনতাৰ ভালেমান সংজ্ঞা আছে। তলত ইয়াৰে দুটা সংজ্ঞা তুলি দিয়া হ'ল।

- **ৰবিন ফক্স ঃ** 'স্বজনতা হ'ল প্ৰকৃত (real), অস্তিত্ব অনুমিত (putative) নাইবা যথাৰ্থভাৱে সমোদ্ভৱ (factitive consanguinity) প্ৰক্ৰিয়াৰ দ্বাৰা সম্বন্ধ গঢ় লোৱা 'আত্মীয়' (kin)ৰ মাজৰ সম্পৰ্ক।
- **এ আৰ ৰেডক্লিফ ব্ৰাউন ঃ** 'স্বজনতা হ'ল দুগৰাকী ব্যক্তিৰ মাজত আৰু সমূহ এটাৰ সদস্যৰ মাজত সৃষ্টি হোৱা গতিশীল সম্পৰ্কৰ এক ব্যৱস্থা; ইয়াৰে যিকোনো এটা সম্পৰ্কেৰে বান্ধ খাই থকা যিকোনো দুগৰাকী ব্যক্তিৰ আচৰণক প্ৰচলিত সামাজিক ৰীতি-নীতিয়ে কিবা নহয় কিবা প্ৰকাৰে, বহুখিনি অথবা কম পৰিমাণে হ'লেও নিয়ন্ত্ৰণ কৰে।'

৪.৩.১ স্বজনতাৰ প্ৰকাৰ আৰু মাত্ৰ

যিকোনো সমাজতে স্বজন/আত্মীয় সম্পৰ্কবোৰৰ ভেটি হ'ল জন্মগত (তেজৰ সম্পৰ্ক)

নাইবা বিবাহ। মানৱ জীৱনৰ এই দুটা দিশ হ'ল সমাজত থকা স্বজনতাৰ দুটা প্ৰধান প্ৰকাৰ।

- **সমোদ্ভৱজনিত স্বজনতা (Consanguineal Kinship)**

এনে স্বজনতাই তেজৰ সম্পৰ্কৰ জৰিয়তে গঢ় লোৱা সম্বন্ধবোৰৰ কথা বুজায়। পিতৃ-মাতৃ আৰু সন্তানৰ সম্বন্ধ, ভাই-ভনীৰ মাজৰ সম্বন্ধ হ'ল সবাতোকৈ মৌলিক আৰু বিশ্বজনীন স্বজন সম্পৰ্ক। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে তেজৰ সম্পৰ্ক আচল হ'ব পাৰে নাইবা ধৰি লোৱা হ'ব পাৰে। বহুপতি গ্ৰহণৰ প্ৰথা প্ৰচলিত জনজাতি সম্প্ৰদায় (polyandrous tribe)বোৰত সন্তানৰ প্ৰকৃত পিতৃৰ পৰিচয় অজ্ঞাত হৈ ৰৈ যায়। এটি তোলনীয়া (adopted) শিশুক পিতৃয়ে নিজৰ জৈৱিকভাৱে জন্মা সন্তানৰ দৰে চোৱাচিতা কৰে। সেয়েহে তেজৰ সম্পৰ্ক কেৱল জৈৱিক ভিত্তিতে নিৰ্ধাৰিত নহয়, সামাজিক স্বীকৃতিয়েও তেজৰ সম্পৰ্ক স্থাপন কৰিব পাৰে।


- **বিবাহ সূত্ৰে সৃষ্ট স্বজনতা (Affinal Kinship)**

বৈবাহিক বান্ধোনৰ জৰিয়তে এনে স্বজনতাৰ সৃষ্টি হয়। এনে স্বজনতাৰ সবাতোকৈ মৌলিক ৰূপটো হ'ল পতি-পত্নীৰ মাজৰ সম্বন্ধ। যেতিয়া এগৰাকী মহিলা আৰু এজন পুৰুষ বিবাহৰ বান্ধোনেৰে বান্ধ খায়, তেতিয়া তেওঁলোক দুজনৰ মাজতেই কেৱল এটা সম্বন্ধৰ সৃষ্টি নহয়, দুয়োটা পৰিয়ালৰ আন বহুতো সদস্যৰ সৈতেও বিভিন্ন সম্বন্ধ গঢ় লৈ উঠে। ইয়াৰ উপৰি কেৱল বিবাহ সূত্ৰে বান্ধ খোৱা মহিলা-পুৰুষ দুগৰাকীয়েই দুটা পৰিয়ালৰ সৈতে সম্বন্ধ স্থাপন নকৰে, মহিলাগৰাকীৰ পৰিয়াল আৰু পুৰুষজনৰ পৰিয়ালৰ মাজতো সম্বন্ধৰ সৃষ্টি হয়। বিবাহৰ পাচত পুৰুষ এজন কেৱল এগৰাকী মহিলাৰ পতিয়েই নহয়, তেওঁ কাৰোবাৰ ভিনিহি, জোঁৱাই আদিও হৈ পৰে। একেদৰে, মহিলা এগৰাকী বিবাহৰ পাচত কাৰোবাৰ পত্নী হোৱাৰ লগতে কাৰোবাৰ বৌয়েক, বোৱাৰীয়েক হৈ পৰে। এনেকৈয়ে বিবাহে সৃষ্টি কৰা সম্বন্ধবোৰক বিবাহ সূত্ৰে সৃষ্ট স্বজনতা বোলা হয়।

- **স্বজনতাৰ মাত্ৰা**

দুগৰাকী ব্যক্তিৰ মাজৰ যিকোনো সম্বন্ধৰে আধাৰ হ'ল সম্বন্ধৰ মাজৰ ঘনিষ্ঠতা অথবা দূৰত্বৰ মাত্ৰা। সম্বন্ধৰ এই ঘনিষ্ঠতা আৰু দূৰত্ব ব্যক্তি দুগৰাকী কেনেধৰণে পৰস্পৰৰ সৈতে সম্পৰ্কিত তাৰ ওপৰত নিৰ্ভৰশীল।

স্বজনতাৰ তিনিটা প্ৰধান মাত্ৰা আছে। তলত চিত্ৰৰ সহায়ত (চিত্ৰ-১) মাত্ৰাকেইটা ব্যাখ্যা কৰা হ'ল ঃ



চিত্ৰ-১

❍ **মুখ্য স্বজনতা (Primary Kinship)**

মুখ্য স্বজনতাই পোনপটীয়া সম্বন্ধবোৰৰ কথা বুজায়। পৰস্পৰৰ সৈতে পোনপটীয়া সম্বন্ধ থকা লোকক মুখ্য স্বজন/আত্মীয় বুলি কোৱা হয়। মুখ্য স্বজন/আত্মীয় মূলতঃ আঠ প্ৰকাৰৰ— পত্নী-পিতৃ-ল'ৰা সন্তান, পিত-কন্যা সন্তান-মাতৃ-ল'ৰা সন্তান-পত্নী; পিতৃ-ল'ৰা সন্তান, পিতৃ-কন্যা সন্তান, মাত-ল'ৰা সন্তান, মাতৃ-কন্যা সন্তান; ভাই-ভনী; সৰু ভাই/ভনী-ডাঙৰ ভাই/ভনী।

মুখ্য স্বজনতাক আকৌ দুটা ভাগত ভগোৱা হয়

১. **মুখ্য সমোদ্ভৱজনিত স্বজনতা (Primary Consanguineal Kinship)**

মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয় বুলিলে সেইসকল স্বজন/আত্মীয়ৰ কথা বুজোৱা হয় যিসকলৰ মাজত পোনপটীয়া জন্মগত সম্বন্ধ থাকে। পিতৃ-মাতৃ আৰু সন্তানৰ সম্বন্ধ তথা ভাই-ভনীৰ মাজৰ সম্বন্ধ হ'ল মুখ্য স্বজনতাৰ ৰূপ। এই ৰূপকেইটাকে সমগ্ৰ বিশ্বৰ প্ৰতিখন সমাজতে মুখ্য সমোদ্ভৱজনিত স্বজনতা হিচাপে দেখিবলৈ পোৱা যায়।

২. **মুখ্য বিবাহিজনিত স্বজনতা (Primary Affinal Kinship)**

বিবাহৰ ফলস্বৰূপে গঢ় লোৱা পোনপটীয়া সম্বন্ধকে বিবাহজনিত স্বজনতা বোলে। মুখ্য বিবাহজনিত স্বজনতাৰ একমাত্ৰ উদাহৰণটো হ'ল পতি-পত্নীৰ মাজৰ সম্বন্ধ।

❍ **গৌণ স্বজনতা (Secondary Kinship)**

মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ক গৌণ স্বজনতাৰে বুজোৱা হয়। অন্য অৰ্থ, মুখ্য স্বজন/আত্মীয় (মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়)ৰ সৈতে পোনপটীয়া সম্বন্ধ থকা সকলো ব্যক্তি আন এগৰাকী ব্যক্তিৰ গৌণ স্বজন/আত্মীয় হ'ব পাৰে। গৌণ স্বজনতা ৩৩ প্ৰকাৰৰ।

গৌণ স্বজনতাক আকৌ দুটা উপ-ভাগত ভগোৱা হয়—

১. **গৌণ সমোদ্ভৱজনিত স্বজনতা (Secondary Consanguineal Kinship)**

মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয়ৰ মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয়ক এনে স্বজনতাত সামৰি লোৱা হয়। গৌণ সমোদ্ভৱজনিত স্বজনতাৰ সবাতোকৈ মৌলিক উদাহৰণটো হ'ল ককাক-আইতাক আৰু নাতি-নাতিনীৰ মাজৰ সম্বন্ধ। ধৰা হ'ল, ইনো নামৰ ল'ৰাজনৰ তাৰ মাক-দেউতাকৰ সৈতে পোনপটীয়া সমোদ্ভৱজনিত স্বজনতা আছে। ইনোৰ বাবে মাক-দেউতাক হ'ল তাৰ মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয়। কিন্তু ইনোৰ মাক-দেউতাকৰ বাবে তেওঁলোকৰ নিজৰ মাক-দেউতাকসকল হ'ল মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয়। সেয়েহে ইনোৰ বাবে তাৰ ককাক-আইতাক হ'ল মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয় (মাক-দেউতাক)ৰ মুখ্য স্বজন/আত্মীয়। এতেকে ইনোৰ বাবে তাৰ ককাক-আইতাক হ'ল গৌণ সমোদ্ভৱজনিত স্বজন/আত্মীয়।

২. **গৌণ বিবাহজনিত স্বজনতা (Secondary Affinal Kinship)**

কোনো ব্যক্তিৰ মুখ্য বিবাহজনিত স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ক ব্যক্তিগৰাকীৰ গৌণ

বিবাহজনিত স্বজন/আত্মীয় বোলা হয়। এনে স্বজনতাই এগৰাকী ব্যক্তি আৰু তেওঁৰ আটাইবোৰ খুলশালী/দৱৰ/ননদ আৰু শাহু-শহুৰৰ সৈতে গঢ় লোৱা সম্বন্ধবোৰক সামৰি লয়। এগৰাকী ব্যক্তিৰ বাবে তেওঁৰ পতি/পত্নী হ'ল মুখ্য বিবাহজনিত স্বজন/আত্মীয়। এজন পতি অথবা এগৰাকী পত্নীৰ বাবে আকৌ তেওঁৰ নিজৰ পিতৃ-মাতৃ তথা ভাই-ভনী হ'ল মুখ্য স্বজন/আত্মীয়। সেয়েহে, বিবাহ সূত্রে বান্ধ খোৱা পতি অথবা পত্নীৰ বাবে পতি অথবা পত্নীৰ মাক-দেউতাক আৰু ভাই-ভনীবোৰ হৈ পৰিব গৌণ বিবাহজনিত স্বজন/আত্মীয়। একেদৰে, কোনো এগৰাকী ব্যক্তিৰ ভাই/ভনীৰ পত্নী/পতি অথবা ভাই-ভনীৰ শাহু-শহুৰ ব্যক্তিগৰাকীৰ গৌণ বিবাহজনিত স্বজন/আত্মীয় হ'ব।

❍ **তৃতীয়ক স্বজনতা (Tertiary Kinship)**

মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয় নাইবা গৌণ স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ৰ গৌণ স্বজন/আত্মীয়ক তৃতীয়ক স্বজনতাৰে সামৰি লোৱা হয়। তৃতীয়ক স্বজনতা শিতানত আনুমানিকভাৱে ১৫১ প্ৰকাৰৰ স্বজনতাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

স্বজনতাৰ আন দুটা মাত্ৰাৰ দৰে তৃতীয়ক স্বজনতাকো দুটা উপ-ভাগত ভগোৱা হৈছে।

১. **তৃতীয়ক সমোদ্ভৱজনিত স্বজনতা (Tertiary Consanguineal Kinship)**

এগৰাকী ব্যক্তিৰ মুখ্য সমোদ্ভৱজনিত স্বজন/আত্মীয় (মাক-দেউতাক), মাক-দেউতাকৰ মুখ্য স্বজন/আত্মীয় (মাক-দেউতাকৰ মাক-দেউতাক) আৰু মাক-দেউতাকৰ মাক-দেউতাকৰ মাক-দেউতাকৰ মুখ্য স্বজন/আত্মীয়ক তৃতীয়ক সমোদ্ভৱজনিত স্বজনতাৰ ভাগত সামৰি লোৱা হয়। অৰ্থাৎ, আজো নাতি-নাতিনী আৰু আজো ককাক-আইতাকৰ মাজৰ সম্পৰ্ক, আজো পেহী/মাহী আৰু আজো খুৰা/মামাৰ মাজৰ সম্পৰ্ক তথা আজো ভতিজা-ভাগিন/ভতিজী-ভাগিনীৰ মাজৰ সম্পৰ্ক আদি এনে স্বজনতাৰ অংশ।

এটা উদাহৰণলৈ মন কৰক। ইনোৰ মুখ্য স্বজন/আত্মীয় হ'ল তাৰ মাক-দেউতাক। মাক-দেউতাকৰ মুখ্য স্বজন/আত্মীয় হ'ল ইনোৰ ককাক-আইতাক। ইনোৰ ককাক-আইতাকৰ মুখ্য স্বজন/আত্মীয় হ'ল তাৰ আজো ককাক-আইতাক (অৰ্থাৎ, তেওঁলোক ইনোৰ মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়)। অৰ্থাৎ, তৃতীয়ক স্বজন/আত্মীয় হ'ল মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়)

এই সম্বন্ধটো আন এক ধৰণেও চাব পাৰি। ইনোৰ তৃতীয়ক স্বজন/আত্মীয় হ'ল তাৰ মুখ্য স্বজন/আত্মীয়ৰ (মাক-দেউতাকৰ) গৌণ স্বজন/আত্মীয় (দেউতাকৰ ককাক-আইতাক)। ই প্ৰমাণ কৰে যে তৃতীয়ক স্বজন/আত্মীয় হ'ল মুখ্য স্বজন/আত্মীয়ৰ গৌণ স্বজন/আত্মীয়। একেটা সম্পৰ্ককে আন এটা দিশেৰে চোৱা যাওক। ইনোৰ তৃতীয়ক স্বজন/আত্মীয় হ'ল তাৰ গৌণ সমোদ্ভৱজনিত স্বজন/আত্মীয় (তাৰ ককাক-আইতাক)ৰ মুখ্য স্বজন/আত্মীয় (ককাকৰ পিতৃ-মাতৃ)। ইয়াৰ দ্বাৰা দেখুৱাব পাৰি যে তৃতীয়ক স্বজন/আত্মীয় গৌণ স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয় হ'ব পাৰে।

২. **তৃতীয়ক বিবাহজনিত স্বজনতা (Tertiary Affinal Kinship)**

মুখ্য বিবাহজনিত স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ক নাইবা গৌণ বিবাহজনিত স্বজন/আত্মীয়ৰ মুখ্য স্বজন/আত্মীয়ক নাইবা মুখ্য বিবাহজনিত স্বজন/আত্মীয়ৰ গৌণ স্বজন/আত্মীয়ক তৃতীয়ক বিবাহজনিত স্বজনতাৰ ভাগত সামৰি লোৱা হয়। এনে সম্বন্ধৰ উদাহৰণ বহুত। ইয়াৰে দুটামান উদাহৰণ হ'ল— পতি অথবা পত্নীৰ ককাক-আইতাক নাইবা ককাৰ ভাতৃ-ভগ্নী/আইতাকৰ ভ্রাতৃ-ভগ্নী নাইবা দেৱৰ/ননদ/খুলশালীৰ পত্নী অথবা পতি নাইবা তেওঁলোকৰ ল'ৰা-ছোৱালী ইত্যাদি।

৪.৩.২ স্বজনতাৰ ৰীতি আৰু প্রতিষিদ্ধ কার্য

সমগ্র স্বজনতা ব্যৱস্থাটোৰ বিষয়ে ভালদৰে বুজিবলৈ স্বজনতাৰ প্রচলিত পৰম্পৰা অথবা স্বজনতাৰ ৰীতিবোৰৰ বিষয়ে জনাটো গুৰুত্বপূর্ণ। স্বজনতা ব্যৱস্থাৰ অধ্যয়ন বিভিন্ন প্রকাৰৰ স্বজন/আত্মীয়ৰ বর্ণনা আৰু আত্মীয়ৰ শ্রেণীবিভাজনৰ আধাৰ ব্যাখ্যা কৰাতেই শেষ নহয়। বিভিন্ন স্বজন/আত্মীয়ৰ আচৰণৰ বিন্যাস অধ্যয়ন কৰাটোও ইয়াৰ এক অবিচ্ছেদ্য অংশ। প্রতিটো সম্বন্ধই এক বিশেষ ধৰণৰ আচৰণক কেন্দ্র কৰি চলে। এজন পুত্রই পিতৃৰ প্রতি সদায় সন্মানপূর্বক আচৰণ প্রদর্শন কৰে, পতিয়ে পত্নীক সদায় মৰমভৰা আচৰণ প্রদর্শন কৰে, ভ্রাতৃয়ে ভগ্নীৰ সদায় চেনেহভৰা আচৰণ প্রদর্শন কৰে ইত্যাদি। সমাজত এনে কিছুমান প্রচলিত প্রথা আছে যিবোৰে বিভিন্ন প্রকাৰৰ স্বজন/আত্মীয়ৰ আচৰণ নিয়ন্ত্রণ কৰে। এইবোৰক স্বজনতাৰ ৰীতি বোলা হয়। কিছুমান ৰীতি-নীতি 'নিকট আত্মীয়ৰ মাজৰ যৌন সম্পর্ক প্রতিষিদ্ধকৰণ' (incest taboos)ৰ সৈতে জড়িত। ইংৰাজী 'incest' শব্দটোৰ অর্থ হ'ল 'নিকট আত্মীয়ৰ মাজৰ নিষিদ্ধ যৌন সম্পর্ক।' অর্থাৎ, সমাজে ভাই-ভনী, মাতৃ-পুত্র, পিতৃ-কন্যা আদি সম্বন্ধেৰে বান্ধ খাই থকা ব্যক্তিৰ মাজত যৌন সম্পর্ক নিষিদ্ধ কৰিছে। ইংৰাজী 'incest taboo' শব্দটোৰ অর্থ হ'ল ধর্মীয় আৰু নৈতিক ভিত্তিত যৌন সম্পর্ক নিষিদ্ধ কৰা কার্য। এনে প্রতিষিদ্ধ কার্যই পৰিয়ালৰ নিকট আত্মীয়ৰ সৈতে যৌন সম্পর্ক তথা বৈবাহিক সম্পর্ক স্থাপন নিষেধ কৰে।

তলত আন কেইটামান স্বজনতাৰ ৰীতিৰ বিষয়ে আলোচনা কৰা হ'ল ঃ

- **বর্জন (Avoidance)**

প্রতিখন সমাজেই কোনোবা নহয় কোনোবা এটা ৰূপত বর্জন ৰীতি মানি চলে। ইয়াৰ অর্থ হ'ল দুগৰাকী স্বজন/আত্মীয়ই পৰস্পৰে পৰস্পৰক এৰাই চলিব লাগে। ইজনে সিজনৰ পৰা আঁতৰত থাকিব লাগে। এনেদৰে আঁতৰি থকাটোৱে যৌন সম্পর্ক এৰাই চলাৰ কথা বুজায়। আন কিছুমান ক্ষেত্রত আকৌ এৰাই চলা মানে ইজনে সিজনৰ মুখলৈ নোচোৱা কথাটোকো বুজায়। এগৰাকী শহুৰেকে বোৱাৰীয়েকৰ পৰা আঁতৰি থাকিব লাগে। হিন্দু পৰিয়ালৰ বিবাহিতা মহিলাই ঘৰৰ ডাঙৰসকলৰ আগত ওৰণিলৈ থাকিবলগীয়া হোৱাটো হ'ল এই বর্জন ৰীতিৰ উদাহৰণ।

বর্জন ৰীতিৰ বহুতো ব্যাখ্যা আছে। ৰেডক্লিফ ব্রাউন আৰু জি পি মার্ডোকে ইয়াৰ মাজেৰে প্রকার্যাত্মকবাদী ব্যাখ্যা দুটা আগবঢ়াইছে। তেওঁলোকৰ মতে বর্জনে স্বজন/আত্মীয়ৰ মাজত গুৰুতৰ ধৰণৰ সমস্যা সৃষ্টি হোৱাৰ সম্ভাৱনা চালি-জাৰি চাই তেনে হোৱাত বাধা দিয়াৰ প্রয়াস কৰে। তৃতীয় উল্লেখযোগ্য ব্যাখ্যাটো হ'ল ফ্রয়েডীয় ব্যাখ্যা। এই ব্যাখ্যাটোৰ মতে বর্জনে একপ্রকাৰৰ আনুষ্ঠানিক ৰূপ প্রাপ্ত মনোবিকাৰগ্রস্ত লক্ষণৰ প্রতিনিধিত্ব কৰে।

- **ধেমেলিয়া সম্পর্ক (Joking Relationship)**

ই বর্জন সম্পর্কৰ বিপৰীত। ধেমেলিয়া সম্পর্কৰ অধীনত স্বজন/আত্মীয়ই পৰস্পৰৰ সৈতে হাঁহি-ধেমালি কৰাৰ আৰু পৰস্পৰক জোকোৱাৰ অনুমতি লাভ কৰে। এগৰাকী মহিলা আৰু তেওঁৰ পতিৰ ভ্রাতৃ, এজন পুৰুষ আৰু তেওঁৰ পত্নীৰ ভগ্নীৰ মাজত এনে সম্পর্ক স্থাপন হ'ব পাৰে।

'এটা ধেমেলিয়া সম্পর্কই ব্যক্তিৰ মাজত আৰু কিছুমান বিশেষ সামাজিক পৰিস্থিতিত মানৱ সমূহৰ মাজত বন্ধুসুলভ পৰিৱেশ আৰু পৰস্পৰবিৰোধিতাৰ এক বিশেষ মিশ্রণৰ সৃষ্টি কৰিব পাৰে। এনে পৰিস্থিতিত এগৰাকী ব্যক্তি নাইবা এটা সমূহে অন্য পক্ষক আঘাত নিদিয়াকৈ ভেঙুচালি কৰিব অথবা উপহাস কৰিব পাৰে।'— ডান্‌কান মিট্‌ছেল।

- **অনুসন্ততি সম্বোধন (Teknonymy)**

অনুসন্ততি সম্বোধন বুজোৱা শব্দ 'Teknonymy'ৰ মূল হ'ল এটা গ্রীক শব্দ। টেইলৰে এই শব্দটো পোন প্রথমবাৰৰ বাবে নৃতত্ত্ববিদ্যাত ব্যৱহাৰ কৰিছিল। এই ৰীতি অনুসৰি এগৰাকী স্বজন/আত্মীয়ক পোনপটীয়াকৈ নাম ধৰি সম্বোধন কৰা নহয়। আওপকীয়াকৈ অন্য এগৰাকী স্বজন/আত্মীয়ৰ উল্লেখেৰে তেওঁক সম্বোধন কৰা হয়। এই প্রক্রিয়াত এজন/এজনী স্বজন/আত্মীয় আন দুজন/দুগৰাকী স্বজন/আত্মীয়ৰ উল্লেখৰ মাধ্যম হয়। যেনে— এক পৰম্পৰাগত হিন্দু পৰিয়ালত পত্নীয়ে পতিক নাম কাঢ়ি সম্বোধন নকৰে। তেওঁ পতিক ল'ৰা সন্তান নাইবা কন্যা সন্তানৰ নাম উল্লেখৰ জৰিয়তেহে সম্বোধন কৰে। তেওঁ নিজৰ পতিৰ কথা সদায় 'দিপ্তীৰ দেউতাক' নাইবা 'বৰুণৰ দেউতাক' বুলিহে উল্লেখ কৰে।

- **মাতুল ৰীতি (Avunculate)**

মাতৃপ্রধান সমাজ ব্যৱস্থাত এই বিশেষ স্বজনতা ৰীতিটোৱে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই ভাগিন আৰু ভাগিনীৰ জীৱনত মোমায়েকক এখন স্থায়ী আসন প্রদান কৰে। তেওঁ ভাগিন-ভাগিনীৰ বাবে পিতৃতকৈও অধিক বিশেষ দায়িত্ব বহন কৰিবলগীয়া হয়। ইয়াৰ বিপৰীতে ভাগিন-ভাগিনীয়েও মোমায়েকৰ প্রতি সর্বাধিক আনুগত্য প্রদর্শন কৰিব লাগে। পুৰুষ আত্মীয়বোৰৰ মাজত মোমায়েকৰ স্থান সবাতোকৈ আগত বুলি ধৰা হয়।

- **এমিটেট (Amitate)**

দেউতাকৰ ভনীয়েকক বিশেষ ভূমিকা পালনৰ দায়িত্ব দিয়া ৰীতিটোকে এমিটেট বোলে। এই ৰীতি অনুসৰি দেউতাকৰ ভনীয়েকে মাকতকৈও বেছি সন্মান লাভ কৰে। আনকি এই ৰীতি পালন কৰা সমাজৰ শিশুবোৰে মাক-দেউতাকৰ পৰা নহয় পেহীয়েকৰ

পৰাহে পৰিচয়সূচক নাম লাভ কৰে।

➢ **কাভেদ (Couvade)**

এই অচহুৱা ৰীতিটো খাচী আৰু তোডাৰ দৰে জনজাতিবোৰৰ মাজত দেখা পোৱা যায়। এই ৰীতি অনুসৰি পত্নীয়ে সন্তান জন্ম দিয়াৰ লগে লগে পতিয়েও পত্নীৰ সৈতে দুর্বল আৰু কাম-বন কৰিব নোৱাৰা জীৱন কটাব লাগে। প্রসূতিগৰাকীৰ পতি সকলো সক্রিয় কাম-কাজ কৰাৰ পৰা বিৰত থাকে আৰু পত্নীৰ দৰেই ৰুগীয়া লোকে খোৱা খাদ্য গ্রহণ কৰিব লাগে। তেওঁ পত্নীৰ দৰেই সকলো প্রতিষিদ্ধ কার্য মানি চলে। অর্থাৎ, এই স্বজনতা ৰীতি কেৱল পতি-পত্নীৰ বাবে।

স্বজনতাৰ ৰীতিয়ে দুটা প্রধান কার্য সম্পাদন কৰে। প্রথম কার্যটো হ'ল এনে ৰীতিবোৰে স্বজন/আত্মীয়ৰ বিশেষ সমূহ গঠন কৰে। বিবাহে এগৰাকী মাতৃ একোজন পতি লাভত সহায় কৰে আৰু মাতৃগৰাকীৰ সন্তানক পতিৰো সন্তান ৰূপে পৰিচয় প্রদান কৰে। এনেকৈয়ে পিতৃ-মাতৃ আৰু সন্তানৰ এটা বিশেষ সমূহ গঠন হয়। এই সমূহটোকে আমি 'পৰিয়াল' বুলি কওঁ।

স্বজনতাৰ ৰীতিৰ দ্বিতীয় প্রধান কামটো হ'ল স্বজন/আত্মীয়ৰ মাজৰ সম্পর্কৰ ভূমিকাক নিয়ন্ত্রণ কৰে। এগৰাকী স্বজন/আত্মীয়ই আন এগৰাকী স্বজন/আত্মীয়ৰ সন্মুখত কেনে আচৰণ কৰিব নাইবা এগৰাকী স্বজন/আত্মীয়ই আন এগৰাকী স্বজন/আত্মীয়ক কি দিবলগীয়া থাকে ইত্যাদি। স্বজনতাই ব্যক্তিৰ পাৰস্পৰিক আন্তঃক্রিয়াৰ বাবে দিক্ নির্দেশনা প্রদান কৰে। ই পিতৃ-কন্যা সন্তান, ভাই-ভনী, জোৱাই-শাহু আদি সম্পর্কৰ ক্ষেত্রত উপযুক্ত আৰু গ্রহণযোগ্য ভূমিকাৰ সংজ্ঞা আগবঢ়ায়। একেটা কথাই একে বংশাৱলীৰ সদস্য আৰু একেটা ফৈদৰ সদস্যৰ ক্ষেত্রতো প্রযোজ্য। স্বজনতাক সেয়েহে সামাজিক জীৱন নিয়মীয়াকাৰী কাৰক বুলি ক'ব পাৰি। ই সামাজিক ব্যৱস্থা এটাৰ ভ্রাতৃত্ববোধ বর্তাই ৰাখে। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল যে স্বজন/আত্মীয়ৰ যুটী এটাৰ সম্পর্ক নিয়ন্ত্রণ কৰি থকা নীতি-নিয়মবোৰ অতি 'আদর্শ অনুৰূপ' (highly patterned) হ'ব পাৰে। কিছুমান সমাজত স্বতঃস্ফূর্ততা অথবা ব্যক্তিগত পার্থক্যৰ নামত এনে নীতি-নিয়মবোৰ সামান্য শিথিল কৰি দিয়া হ'ব পাৰে। অন্য সমাজ কিছুমানত ব্যক্তিগতকৃত আচৰণক অধিক গুৰুত্ব দি এই নীতি-নিয়মবোৰ কম পৰিমাণে 'আদর্শ অনুৰূপ' কৰি লোৱা হ'ব পাৰে। হিন্দু সমাজে স্বজন/আত্মীয়ৰ আচৰণৰ ক্ষেত্রত চৰম প্রকাৰৰ 'আদর্শ অনুৰূপ' নীতি-নিয়ম মানি চলে (বিদ্যাভূষণ আৰু ডি আৰ সচদেৱ)।

৪.৩.৩ ভাৰতৰ বিভিন্ন ভৌগলিক মণ্ডলত স্বজনতাৰ গাঁথনি আৰু বিন্যাস

ভাৰতত স্বজনতাৰ ধাৰণাটো পৰিয়ালৰ ভিতৰত আৰু পৰিয়ালৰ বাহিৰত পৃথক পৃথককৈ বিশ্লেষণ কৰিব পাৰি। পৰিয়াল আৰু পৰিয়ালৰ বাহিৰৰ স্বজনতাৰ দিশৰ পৰাও ধাৰণাটোৰ বিশ্লেষণ সম্ভৱ। পৰিয়ালৰ ভিতৰৰ স্বজনতাই 'মুখ্য আত্মীয়'সকলক সামৰি লয়

আৰু অন্তৰ্পৰিয়াল সম্পৰ্কবোৰত মনোনিৱেশ কৰে। এনে সম্পৰ্কৰ ভিতৰত পতি-পত্নী, পিতৃ-মাতৃ, মাতৃ-জীয়ৰি, মাতৃ-পুত্ৰ, পতি-জীয়ৰি, জ্যেষ্ঠ আৰু কনিষ্ঠ ভ্ৰাতৃ, জ্যেষ্ঠ আৰু কনিষ্ঠ ভগ্নী, ভ্ৰাতৃ-ভগ্নী সম্পৰ্কবোৰ অন্তৰ্ভুক্ত। এই সম্পৰ্কবোৰ একেটা একক পৰিয়াল অংশ। এনে পৰিয়ালক 'সন্তান জন্মাদনৰ পৰিয়াল' (family of procreation) বোলা হয়। পৰিয়ালৰ বাহিৰৰ স্বজনতাৰে 'গৌণ' আৰু 'তৃতীয়ক' আত্মীয়সকলক সামৰি লোৱা হয়। মাৰড'ক (১৯৪৯)এ আঠ প্ৰকাৰৰ 'মুখ্য' আৰু ৩৩ প্ৰকাৰৰ 'গৌণ' সম্বন্ধীয় থকাৰ কথা কৈছে। প্ৰতিগৰাকী গৌণ আত্মীয়ৰে মুখ্য আত্মীয় থাকে।

তৃতীয়ক আত্মীয়ৰ ভিতৰত ১৫১টা সম্পৰ্ক থাকে। এওঁলোক 'সম্ভাব্য স্বজন/আত্মীয়' হ'ব পাৰে। 'দূৰ সম্পৰ্কীয়' (distant relatives) আখ্যা দিয়াসকল তৃতীয়ক আত্মীয়ৰ পৰিধিৰ বাহিৰৰ লোক।

ভাৰতত সাধাৰণতে আমি 'নিজ গৌষ্ঠীৰ বাহিৰত সম্পন্ন হোৱা বিবাহ ৰীতি'অসবর্ণ বিবাহ' (clan exogamy) আৰু 'নিজ জাতি/সম্প্ৰদায়ৰ ভিতৰত সম্পন্ন হোৱা বিবাহ ৰীতি'/'সবর্ণ বিবাহ' (caste endogamy) দেখিবলৈ পাওঁ। এটা প্ৰদত্ত জাতিৰ (Caste) বিভিন্ন গোষ্ঠী উপ-শাখা (Clan) থাকিব পাৰে। প্ৰতিটো উপশাখাৰে আকৌ বিভিন্ন বংশ (lineage) থাকিব পাৰে। এটা বংশৰ সদস্যসকলৰ উমৈহতীয়া পূৰ্বপুৰুষজন সাধাৰণতে হ'ল এগৰাকী বাস্তৱ আৰু সকলোৱে মনত ৰখা ব্যক্তি। কিন্তু এটা 'গোষ্ঠী'ৰ উমৈহতীয়া পূৰ্বপুৰুষজন সাধাৰণতে হ'ল এক কিংবদন্তীত পৰিণত হোৱা অতিপ্ৰাকৃতিক সত্বা। এটা 'গোষ্ঠী'ৰ সদস্যসকলক কোনো এক প্ৰদত্ত এলেকাত ব্যাপ্ত হৈ থাকিব পাৰে। সেয়েহে, গোষ্ঠীৰ সদস্যসকলৰ বাবে উমৈহতীয়া স্বাৰ্থ অথবা যুটীয়া কাৰ্যত জড়িত হোৱাটো অসুবিধাজনক কথা হৈ পৰে।

অৱশেষ 'গোষ্ঠী' এটাই ইয়াৰ সদস্যসকলক যৌথ কাৰ্যকলাপ আৰু উমৈহতীয়া উপাসনাৰ ভেটি গঢ়ি দিয়ে। গোষ্ঠীৰ ভিত্তিতে কোনো এক প্ৰদত্ত জাতিৰ বিবাহ যোগ্যতা নিৰ্ণয় কৰা হয়। উৎসৱ-পাৰ্বন পালন, অৰ্থনৈতিক কাম-কাজৰ পাৰদৰ্শিতা, পাৰস্পৰিক সহায়ৰ দৰে আন বহুতো ক্ষেত্ৰত গোষ্ঠীভিত্তিক মৌলিকতাতকৈ জাতিভিত্তিক নৃগোষ্ঠীত্বইহে সক্ৰিয় ভূমিকা পালন কৰে।

এটা কথা মনত ৰাখি থোৱা ভাল যে স্বজনতা সামাজিক সংগঠনৰ এক প্ৰধান ভিত্তি ঠিকেই, কিন্তু একে সময়তে ই উত্তৰ-পুৰুষৰ স্থান আৰু সম্পত্তিৰ উত্তৰাধিকাৰী লাভৰ ক্ষেত্ৰত বিভাজন আৰু বিসম্বাদৰো আধাৰ। কেতিয়াবা এই দুটা ক্ষেত্ৰত দেখা দিয়া শত্ৰুতাই বংশগত একতা বিনষ্ট কৰে। পুত্ৰ আৰু নাতি, ভ্ৰাতৃ আৰু খুৰাৰ সন্তান আদিৰ মাজত হোৱা বিবাদ আমি প্ৰায়েই দেখিবলৈ পাওঁ। বহু ক্ষেত্ৰত সহোদৰৰ মাজতো শত্ৰুতাৰ সৃষ্টি হোৱা দেখা যায়।

- **ভাৰতত স্বজনতা সংগঠন সম্পৰ্কে চলোৱা কাৰ্ভেৰ অধ্যয়ন**

ইৰাৱতী কাৰ্ভে (১৯৫৩)ই ভাৰতৰ চাৰিটা প্ৰধান সাংস্কৃতিক মণ্ডলৰ স্বজনতা সংগঠনৰ এক তুলনামূলক বিশ্লেষণ কৰিছিল। কাৰ্ভেৰ অধ্যয়নৰ লক্ষ্য আছিল সামাজিক আচৰণৰ এক

আঞ্চলিক বিন্যাসৰ দৰে কিছুমান বৈশিষ্ট্য অধ্যয়নৰ লক্ষ্য আছিল সামাজিক আচৰণৰ এক আঞ্চলিক বিন্যাসৰ দৰে কিছুমান বৈশিষ্ট্য পোহৰলৈ অনা। একোটা অঞ্চলে বিভিন্ন ধৰণৰ স্থানীয় বিন্যাস প্রদর্শন কৰিব পাৰে। পদানুক্রম, জাতিভিত্তিক বিচ্ছিন্নতা আৰু পৃথকীকৰণৰ বাবে বিভিন্ন জাতিৰ আচৰণ বিন্যাসৰ মাজত তাৰতম্য থাকে। কার্ভেই স্বজনতাৰ পৃষ্ঠভূমিত সংস্কৃতি সংক্রমণ (acculturation) আৰু সামাজিক সংগতকৰণ (accomodation) প্রক্রিয়াটো বিশ্লেষণ কৰিছি। অধ্যয়নৰ বাবে তেওঁ নৃগোষ্ঠীয় উৎস, নিৰীক্ষণ, লোক-সাহিত্য আৰু সংস্কৃত গ্রন্থৰ আধাৰত ৩০০০ বছৰ ব্যাপ্ত এক ঐতিহাসিক দৃষ্টিভংগী গ্রহণ কৰিছিল।

➢ **কার্ভেৰ তুলনামূলক অধ্যয়নে তলৰ কথাবোৰ বিবেচনা কৰি চাইছিল ঃ**

- ভাৰতীয় ভাষাবোৰত স্বজনতা বুজাবলৈ ব্যৱহাৰ কৰা শব্দ/অভিধাবোৰৰ তালিকা
- তেনে শব্দ/অভিধানবোৰৰ ভাষিক পটভূমি আৰু সেইবোৰৰ সৈতে সামঞ্জস্য থকা আচৰণ আৰু মনোভাৱ
- উত্তৰ পুৰুষ আৰু সম্পত্তিৰ উত্তৰাধিকাৰী নির্ণয় কৰাৰ নিয়ম
- বিবাহ আৰু পৰিয়ালৰ আর্হি তথা
- সাংস্কৃতিক উত্তৰ আৰু দ্রাবিড়ীয় দক্ষিণৰ মাজৰ প্রভেদ

কার্ভেই ভাৰতৰ স্বজনতাৰ বিন্যাস বুজাৰ গুৰুত্বপূর্ণ আধাৰ ৰূপে ভাষিক অঞ্চলবোৰৰ সংৰচনা, জাতিৰ অনুষ্ঠান আৰু পৰিয়াল সংগঠনক চিনাক্ত কৰিছিল। তেওঁ ভাৰতক ভাষিক, জাতিভিত্তিক আৰু পৰিয়াল সংগঠনৰ আধাৰত উত্তৰ, মধ্য, দক্ষিণ আৰু পূব মণ্ডলত বিভক্ত কৰিছিল।

স্বজনতা সংগঠনে মোটামুটিভাৱে ভাষিক বিন্যাস অনুসৰণ কৰে বুলি ক'ব পাৰি। কিন্তু কিছুমান ক্ষেত্রত ভাষা আৰু স্বজনতাৰ মিল নাথাকে। যেনে, মহাৰাষ্ট্রত দ্রাবিড়ীয় প্রভাৱ আছে আৰু সাংস্কৃতিক ভাষা কোৱা উত্তৰ মণ্ডলৰ চুবুৰীয়াক দ্রাবিড়ীয় স্বজনতা ব্যৱস্থাৰ মাজত দেখা পোৱা যায় ইত্যাদি ইত্যাদি।

ভিন্নতা থকা সত্ত্বেও ওপৰত উল্লেখ কৰা কাৰককেইটাৰ পৰা বাহিৰ কৰা উমৈহতীয়া কথা দুটা হ'ল ঃ

- বিবাদ সদায় একেটা জাতি (caste) নাইবা জনজাতি (tribe)ৰ ভিতৰতে সম্পন্ন হয়, আৰু
- পিতৃ অথবা মাতৃৰ সৈতে সন্তানৰ তথা সহোদৰ ভ্রাতৃ-ভগ্নীৰ মাজত বিবাহ নিষিদ্ধ।

➢ **উত্তৰ ভাৰতত স্বজনতা ঃ**

উত্তৰ ভাৰতত (১) তেজৰ সম্পর্ক বুজোৱা অভিধা (terms) আৰু (২) বৈবাহিক সম্পর্ক বুজোৱা অভিধা আছে। তাৎক্ষণিকভাৱে সম্বন্ধেৰে বান্ধ খাই থকা তিনিটা প্রজন্মৰ ক্ষেত্রত ব্যৱহৃত অভিধাবোৰ হ'ল মুখ্য অভিধা। এটা প্রজন্মৰ বাবে ব্যৱহৃত অভিধাবোৰ অন্য প্রজন্মৰ সৈতে বিনিময় কৰিব পৰা নাযায়। আন সকলোবোৰ অভিধা মুখ্য অভিধাবোৰৰ পৰা উলিয়াই লোৱা হয়।

উত্তৰ মণ্ডলৰ ভিতৰত সিন্ধি, পঞ্জাবী, হিন্দী (আৰু পাহাৰী) তথা বিহাৰীসকলক

সামৰি লোৱা হয়। এই অঞ্চলবোৰত সবর্ণ বিবাহ, অসবর্ণ বিবাহৰ ৰীতি আৰু নিকট আত্মীয়ৰ সৈতে যৌন সম্পর্ক স্থাপনৰ প্রতিষিদ্ধতাক কঠোৰভাৱে মানি চলা হয়।

'চাচন নীতি' (the rule of sasan) হ'ল সকলো বৈবাহিক সম্পর্কৰ ক্ষেত্রত প্রযোজ্য নীতি। এই নীতি অনুসৰি ব্যক্তিয়ে নিজৰ পিতৃৰ ফালৰ পৰিয়ালত বিয়া কৰাব নোৱাৰে, সপিণ্ড স্বজনক বিয়া কৰোৱাৰ পৰা বিৰত থাকিব লাগে ইত্যাদি। প্রাচীন ব্রাহ্মণ্য অর্থত 'গোত্র' মানে হ'ল অসবর্ণ গোট। কেতিয়াবা জাতি (caste) এটাকো সবর্ণ গোত্র নাইবা অসবর্ণ গোত্রত ভাগ কৰা হয়। ইয়াৰ উপৰি এটা জাতিক এনে কিছুমান গোত্রতো ভগোৱা হ'ব পাৰে যিবোৰে বিবাহ সম্পর্কীয় নীতি-নির্দেশতনাত কোনোধৰণে ভাগ নলয়।

উত্তৰ মণ্ডলত গাঁও ভিত্তিক অসবর্ণ বিবাহৰ (Vilage exogamy) প্রচলন আছে। অর্থাৎ, উত্তৰ ভাৰতত আমি স্বজনতাৰ অতি কমেও চাৰিটা বৈশিষ্ট্য দেখিবলৈ পাওঁ ঃ

- নির্দিষ্ট ভূখণ্ড কেন্দ্রিক স্বজনতা
- বংশভিত্তিক স্বজনতা
- নিকট আত্মীয়ৰ সৈতে যৌন সম্পর্ক স্থাপন এক প্রতিষিদ্ধ কার্য আৰু
- স্থানীয় অসবর্ণ বিবাহ

জাতিৰ প্রস্থিতি বিবেচনাই সবর্ণ বিবাহৰ ক্ষেত্রখন সংকীর্ণ কৰি তোলে। বিবাহত থকা বাধা-নিষেধবোৰে স্বজনতা আৰু স্থান দুয়োটা দিশেৰে বহল ক্ষেত্রত বিবাহ সম্পন্ন হোৱাত বাধা দিয়ে। বৈবাহিক সম্পর্ক স্থাপনৰ সময়ত সগোত্রভিত্তিক বাধা-নিষেধ আৰু স্থানীয় সবর্ণ বিবাহ ৰীতি কঠোৰভাৱে মানি চলা হয়।

উত্তৰ মণ্ডলত চতুর্গোত্র (চাচন) নীতি মানি চলা হয়। অর্থাৎ, পিতৃ, মাতৃ, পিতামহী আৰু মাতামহীৰ গোত্রৰ সৈতে বিবাহ এৰাই চলিব লাগে। অৱশ্যে উত্তৰ ভাৰতৰ ব্রাহ্মণ আৰু উচ্চ জাতিৰ লোকসকলেহে সাধাৰণতে এই ৰীতি মানি চলে। মধ্যৱর্তী জাতি কিছুমানে আৰু নিম্ন জাতিৰ অধিকাংশই দ্বি-গোত্র ৰীতি মানি চলে। অর্থাৎ, পিতৃ আৰু মাতৃৰ গোত্রৰ সৈতে বিবাহ এৰাই চলে।

➢ **মধ্য ভাৰতত স্বজনতা**

মধ্য ভাৰতত সামৰি লোৱা ভাষিক অঞ্চলকেইটা হ'ল ৰাজস্থান, মধ্যপ্রদেশ (এতিয়া ছট্টিচগড়কো ধৰা হয়), গুজৰাট তথা কাথিয়াৱাড়, মহাৰাষ্ট্র আৰু ওড়িষা। এই অঞ্চলবোৰত প্রচলিত ভাষাবোৰ হ'ল ৰাজস্থানী, হিন্দী, গুজৰাটী তথা কাথিয়াৱাড়ী, মাৰাঠী আৰু ওড়িষা। এই আটাইবোৰ ভাষাৰে মূল হ'ল সংস্কৃতি। সেয়েহে এই অঞ্চলকেইটাৰ উত্তৰ মণ্ডলৰ সৈতে ঘনিষ্ঠতা আছে। কিন্তু মধ্য মণ্ডলত দ্রাবিড়ীয় ভাষাৰ প্রচলন থকা অঞ্চলো আছে। আনহাতে, কোনো কোনো অঞ্চলত পূব মণ্ডলৰ প্রভাৱ পৰিলক্ষিত হয়। জনজাতিসকলৰ নিজস্ব ভাষা আৰু পৰিস্থিতি আছে যিবোৰ অঞ্চলৰ অন্য লোকৰ তুলনাত পৃথক।

কেন্দ্রীয় মণ্ডলৰ বৈশিষ্ট্য তিনিটা হ'ল ঃ

- সংকৰ-সম্পর্কীয় ভাই-ভনী (cross cousins)ৰ মাজত বিবাহ হ'ব পাৰে। এই ৰীতি উত্তৰ মণ্ডলত দেখা নাযায়। সংকৰ-সম্পর্কীয় ভাই-ভনী বিপৰীত লিংগৰ ভাই-ভনীৰ ল'ৰা-ছোৱালী।

সমান্তৰাল সম্পৰ্কীয় ভাই-ভনী (parallel cousins) হ'ল একে লিংগৰ ভাই-ভনীৰ সন্তান।

- উত্তৰ মণ্ডলৰ দৰে মধ্য মণ্ডলৰো বহু জাতিক অসবর্ণ গোষ্ঠীত ভগোৱা হয়।
- কিছুমান জাতিত এক অতিবর্ণ পদানুক্রম (hypergamous hierarchy)ত অসবর্ণ গোষ্ঠীবোৰ সজাই লোৱা থাকে।

মন কৰিবলগীয়া কথাটো হ'ল ওপৰত উল্লেখ কৰা বৈশিষ্ট্যবোৰ মণ্ডলটোৰ সকলো অঞ্চলতে একেৰূপতে পালন কৰা নহয়। যেনে, জাটসকলে দ্বি-গোত্র অসবর্ণ বিবাহ আৰু গাঁওভিত্তিক অসবর্ণ বিবাহ ৰীতি মানি চলে; বণিয়াসকলে চতুর্গোত্র নীতি মানি চলে; ৰাজপুতসকলৰ অতিবর্ণ গোষ্ঠী আছে আৰু বৈবাহিক সম্পর্ক স্থাপনৰ সময়ত সামন্ত প্রথা অনুসৰি নির্ধাৰিত সামাজিক প্রস্থিতিয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

ৰাজপুতসকল সমগোত্রীয় জাতি নহয়। তেওঁলোকে উত্তৰ পুৰুষৰ বিশুদ্ধ ৰূপ আৰু আভিজাত্যক যথেষ্ট গুৰুত্ব দিয়ে। এজন আদর্শ ব্যক্তি আৰু আদর্শ শাসকৰ গুণ থকাটো হ'ল প্রধান বিচার্য বিষয়। তেওঁলোকৰ মাজত প্রতীকি বিবাহ (তৰোৱালৰ সৈতে বিবাহ)ৰ বহুল প্রচলন আছিল। বৈবাহিক সম্পর্ক স্থাপনৰ সময়ত ল'ৰা-ছোৱালী উভয় পক্ষৰে মাতৃ দুগৰাকীৰ সামাজিক প্রস্থিতিও বিচাৰ কৰি চোৱা হয়।

কাথিয়াৱাড় আৰু গুজৰাটত প্রচলিত স্বজনতাৰ ৰীতি হ'ল বিশেষ থলুৱা পৰম্পৰা আৰু উত্তৰ মণ্ডলত চলা অনুশীলনবোৰৰ এক মিশ্রণ। কিছুমান জাতিয়ে সংকৰ-সম্পর্কীয় ভাই-ভনীৰ বিবাহক মান্যতা প্রদান কৰে, কিছুমান জাতিয়ে বছৰত এবাৰ বিয়াৰ আয়োজন কৰাৰ অনুমতি দিয়ে, কিছুমান জাতিয়ে প্রতি চাৰি, পাঁচ, ন অথবা বাৰ বছৰৰ মূৰে মূৰে বিয়াৰ আয়োজন কৰাৰ অনুমতি দিয়ে। বিয়াৰ বছৰ অহাৰ লগে লগে গাঁৱে গাঁৱে ঘোষণা কৰি দিয়া হয়। তেতিয়া বিয়া পতাৰ দৌৰা-দৌৰি চলে। বহুতো অঞ্চলত 'নান্ত্রা' (নিঃসন্তান আৰু বিধবা নবৌয়েক অথবা ভ্রাতৃবধূক বিয়া কৰোৱাৰ প্রথা) এতিয়াও প্রচলিত। ব্রাহ্মণ, বণিয়া কুন্বি আৰু উচ্চ জাতিৰ শিল্পী-কর্মকাৰ স্বজনতা সংগঠনৰ উত্তৰ মণ্ডলৰ আর্হি অনুসৰণ কৰে। মধ্য মণ্ডলত দক্ষিণ মণ্ডলৰ স্বজনতা সংগঠনৰ আর্হি অনুশীলন কৰা জাতিও আছে।

কাঠি, অহিৰ, ঘাড়ৱা চৰণ আৰু গাৰাচিয়া জাতিৰ মাজত সংকৰ-সম্পর্কীয় ভাই-ভনীৰ মাজত বিবাহৰ প্রথা প্রচলিত। কোলি, ধেড় আৰু ভীল (জনজাতি) সকলে উভয় প্রকাৰৰ সংকৰ সম্পর্কীয় ভাই-ভনীৰ মাজৰ বিবাহতে অনুমতি দিয়ে। ৰাজস্থান আৰু গুজৰাটৰ অধিকাংশ অঞ্চলতে উত্তৰ মণ্ডলৰ আর্হি মানি চলা দেখা যায়। অভিধাৰ ব্যুৎপত্তিগত উৎস সংস্কৃত আৰু কিছউমান স্বজন বুজোৱা অভিধাৰ ব্যুৎপত্তিগত মূল হ'ল মধ্য এচিয়াৰ ভাষাসমূহ।

কার্ভেৰ নিৰীক্ষণত ধৰা পৰিছিল যে মহাৰাষ্ট্র হ'ল এনে এক অঞ্চল য'ত সাংস্কৃতিক উত্তৰ মণ্ডলৰ বৈশিষ্ট্য আৰু দ্রাবিড়ীয় দক্ষিণ মণ্ডলৰ বৈশিষ্ট্যবোৰ প্রায় সমান। উত্তৰ মণ্ডলৰ আধিপত্য হয়তো কিছু অধিক হ'ব পাৰে। অঞ্চলটোত গুজৰাটী, ৰাজস্থানী, হিমাচলী আৰু হিন্দীৰ দৰে দক্ষিণ মণ্ডলৰ ভাষাৰ প্রচলন আছে। অঞ্চলটোৰ জনজাতিসকলে মুণ্ডাৰি ভাষা কয়। সাংস্কৃতিক ভাষাবোৰৰ সৈতে দ্রাবিড়ীয় ভাষাবোৰৰ সংমিশ্রণ ঘটিছে। মহাৰাষ্ট্রৰ স্বজনতা গাঁথনিটো দক্ষিণ আৰু

উত্তৰ মণ্ডলতকৈ কিছু পৃথক।

অঞ্চলটোৰ প্ৰায় ৪০% জনসংখ্যা হ'ল মাৰাঠী আৰু কুন্‌বিসকল। সামাজিক প্ৰস্থিতিৰ দিশেৰে মাৰাঠাসকল উচ্চ কিন্তু এগৰাকী বিত্তৱান কুন্‌বিয়ে মাৰাঠাসকলৰ সমান সামাজিক প্ৰস্থিতি লাভ কৰিব পাৰে। দুয়োটা দলেই নিজকে ক্ষত্ৰিয় বুলি পৰিচয় দিয়ে। মাৰাঠা-কুন্‌লিৰ যৌগিক সম্পৰ্কই এক শাসক গোষ্ঠী সৃষ্টি কৰিছে। আজিও গাঁওবোৰত সদায় একোজন পাটিল অথবা মাৰাঠাই মুখিয়ালৰ দায়িত্ব বহন কৰে।

কুন্‌বিসকল অসবর্ণ গোষ্ঠীত বিভক্ত। ইয়াৰে কিছু গোষ্ঠীয়ে নিঃসন্তান, বিধবা নবৌয়েক নাইবা ভ্ৰাতৃবধূক বিয়া কৰোৱাৰ প্ৰথা মানি চলে, কিছুমানে সংকৰ-সম্পৰ্কীয় ভাই-ভনীৰ বিবাহক এক প্ৰতিষিদ্ধ কাৰ্য বুলি মানি চলে আৰু কিছুমান গোষ্ঠীৰ মাজত এনে বিবাহত কোনো বাধা-নিষেধ নাই। মধ্য মহাৰাষ্ট্ৰত অতিবৰ্ণ আৰু গোষ্ঠী সবৰ্ণ বিবাহৰ প্ৰচলন আছে। দক্ষিণ মহাৰাষ্ট্ৰত সংকৰ সম্পৰ্কীয় ভাই-ভনীৰ মাজত বিবাহ আৰু খুৰাক/মোমায়েক-ভতিজী/ভাগিনীৰ মাজত বিবাহৰ ৰীতি প্ৰচলিত থকাৰ উদাহৰণ পোৱা গৈছে। মাৰাঠাসকলৰ গোষ্ঠী সংগঠন আৰ্হিটোৰ ৰাজপুতসকলৰ সৈতে সাদৃশ্য আছে।

উদাহৰণ স্বৰূপে গোষ্ঠীৰ পৌৰাণিক উৎস সম্পৰ্কীয় বিশ্বাস ৰাজপুতসকলৰো আছে আৰু মাৰাঠাসকলৰো আছে। দুয়োটা জাতিৰে পৌৰাণিক উৎস তুলনাসাধ্য। তেওঁলোকৰ নামবোৰো ৰাজপুতসকলৰ সৈতে মিলে। সবৰ্ণ বিবাহৰ নীতি অৱশ্যে গোষ্ঠীৰ নামৰ ওপৰত নিৰ্ভৰশীল নহয়। গোষ্ঠী এটাৰ সৈতে সংলগ্ন প্ৰতীকৰ ওপৰতহে এনে বিবাহ নীতি নিৰ্ভৰশীল। প্ৰতীক একোটাক 'দেৱকা' বোলা হয়। একে 'দেৱতা'ৰ অধিকাৰী পুৰুষ-নাৰীৰ মাজত বিবাহ হ'ব নোৱাৰে। বৈবাহিক সম্পৰ্ক গঢ়াত গোষ্ঠী আৰু 'দেৱকা'ই গুৰুত্ব পূৰ্ণ গ্ৰহণ কৰে। অতিবৰ্ণ বিবাহবোৰত এটা গোষ্ঠীৰ সামাজিক স্থিতিৰ ভূমিকা সবাতোকৈ তাৎপৰ্যপূৰ্ণ।

মাৰাঠসকল অতি কমেও ৯৬টা গোষ্ঠীত বিভক্ত। এই গোষ্ঠীবোৰৰ ভিতৰত গতিশীলতা আৰু সামাজিক প্ৰস্থিতিৰ এককেন্দ্ৰিক চক্ৰ আছে। নৃগোষ্ঠীয়ভাৱে এই গোষ্ঠীবোৰৰ মাজত কোনো সমসত্বতা নাই। গোষ্ঠীবোৰ 'পঞ্চকূলী' (অৰ্থাৎ পাঁচটা গোষ্ঠী মিলি এটা কূল হ'ব পাৰে) নাইবা 'সপ্তকূলীয়'। সকলোবোৰ গোষ্ঠীয়েই অতিবৰ্ণত বিভাজিত। উত্তৰ মণ্ডলৰ দৰে মহাৰাষ্ট্ৰ অঞ্চলত দ্বিপাক্ষিক স্বজনতাৰ ক্ষেত্ৰত কোনো প্ৰতিষিদ্ধ কাৰ্য নাই। সমান্তৰাল সম্পৰ্কীয় ভাই-ভনীৰ বিবাহ প্ৰচলিত। অৱশ্যে পিতৃপক্ষৰ সম্পৰ্কীয় ভাই-ভনীৰ সৈতে বিবাহ এক প্ৰতিষিদ্ধ কাৰ্য। সাধাৰণতে ল'ৰাৰ বিয়াৰ সময়ত মাতৃপক্ষৰ সংকৰ সম্পৰ্কীয় ভগ্নীক অগ্ৰাধিকাৰ দিয়া হয়। একাধিক সহোদৰা ভগ্নীয়ে একেজন পুৰুষকে স্বামীবৰণ কৰিব পাৰে। ভ্ৰাতৃসকলে কিন্তু দুজনী ভনীয়েকক একেলগে বিয়া কৰোৱাৰ পৰা সাধাৰণতে বিৰত থাকে। উত্তৰ অঞ্চলৰ কুন্‌বিসকলৰ মাজত নিঃসন্তান, বিধবা নবৌয়েক অথবা ভ্ৰাতৃবধূক বিয়া কৰোৱাৰ প্ৰথা প্ৰচলিত। অঞ্চলটোত বিনিময় বিবাহ এৰাই চলা হয়।

গোণ্ড, ওৰাও আৰু কোণ্ডৰ দৰে ওড়িয়া জনজাতিসকলে দ্ৰাবিড়ীয় ভাষা কয়। তেওঁলোকৰ স্বজনতা ব্যৱস্থাৰ দ্ৰাবিড়ীয় ভাষা কোৱা অন্য জাতিৰ সৈতে মিল আছে। মুণ্ডা, হোণ্ডো আৰু একাংশ চাওৰাই মুণ্ডাৰি ভাষা কয়। ওড়িয়া ভাষা কোৱা লোকসকলৰ জাতি বিভাজন উত্তৰ মণ্ডলৰ সৈতে

একেধৰণৰ। ওড়িয়াসকলে কেৱল সামান্য পৃথক ধৰণৰ নাম ব্যৱহাৰ কৰে।

ওড়িয়াৰ ব্ৰাহ্মণসকল উত্তৰ প্ৰদেশ, বিহাৰ আৰু মধ্যপ্ৰদেশৰ পৰা প্ৰব্ৰজন কৰা লোক। আৰণ্যক ব্ৰাহ্মণ আৰু কৰণ (কায়স্থ) সকলে সংকৰ-সম্পৰ্কীয় ভাই-ভনীৰ বিবাহত অনুমতি নিদিয়ে। মাত্ৰ কেইটামান কৃষিজীৱী জাতিয়েহে এনে বিবাহ মানি লয়। বাকী জাতিবোৰ এনে বিবাহ নিষেধ কৰিছে। সমাজৰ দুখীয়া শ্ৰেণীবোৰৰ মাজত নাবালকে নিঃসন্তান বিধবা নবৌয়েক/ ভাইবোৱাৰীক বিয়া কৰোৱাৰ প্ৰথা প্ৰচলিত।

➢ **দক্ষিণ ভাৰতৰ স্বজনতা ব্যৱস্থা ঃ**

ভাৰতৰ দক্ষিণ মণ্ডলত পাঁচটা অঞ্চলক সামৰি লোৱা হৈছে। অঞ্চলকেইটা হ'ল কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, তামিলনাড়ু, কেৰালা আৰু মিশ্ৰ ভাষা কোৱা তথা মিশ্ৰ জাতিৰ মানুহে বাস কৰা অঞ্চলবোৰ। দক্ষিণ মণ্ডলৰ স্বজনতা ব্যৱস্থা আৰু পৰিয়াল সংগঠনৰ আৰ্হি অতি জটিল। ইয়াত পিতৃবংশীয়ে (partrilineal) আৰু পিতৃস্থানীয় (patrilocal) এই দুয়োটা ব্যৱস্থাৰে আধিপত্য দেখা যায়। কিছুমান জাতিৰ মাজত মাতৃবংশীয় আৰু মাতৃস্থানীয় ব্যৱস্থাবো প্ৰচলন আছে আৰু এনে জাতিবোৰে দুয়োধৰণৰ স্বজনতা সংগঠনৰ বৈশিষ্ট্য বহন কৰে। কিছুমান জাতিয়ে বহুপত্নী বিবাহ ৰীতি মানি চলে, কিছুমান জাতিৰ মাজত বহুপত্নী বিবাহ আৰু বহুপতি বিবাহ দুয়োটা ৰীতি প্ৰচলিত। কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, তামিলনাড়ু আৰু মালাবাৰ অঞ্চলৰ কিছুমান জাতিৰ মাজত উত্তৰ মণ্ডলৰ দৰে পিতৃবংশীয় আৰু পিতৃস্থানীয় যৌথ পৰিয়ালৰ আধিপত্য দেখা পোৱা গৈছে।

নায়াৰ, টিয়ান, মালাবৰ অঞ্চলৰ কিছুমান মোপ্‌লা আৰু কানাৰা জিলাৰ বাণ্টসকলৰ সমাজত মাতৃবংশীয় আৰু মাতৃস্থানীয় পৰিয়াল ব্যৱস্থা প্ৰচলিত। ইয়াক 'থাৰাৱাড' বোলা হয়। এনে ব্যৱস্থত মুৰব্বী মহিলা এগৰাকী, তেওঁৰ ভ্ৰাতৃ আৰু ভগ্নীসকল, তেওঁৰ নিজৰ সন্তান আৰু তেওঁৰ ভগ্নীৰ ল'ৰা আৰু ছোৱালীৰ গুৰুত্ব আছে। 'থাৰাৱাড'ত কোনো বৈবাহিক সম্পৰ্কৰ স্থান নাই। কিছুমান সমোদ্ভৱজনিত সম্পৰ্ককক এনে ব্যৱস্থাত বাদ দিয়া হয় (পৰিয়ালৰ পুৰুষবোৰৰ সন্তান)। 'থাৰৱাড'ত কোনো পতি-পত্নী, পিতৃ-সন্তান সম্পৰ্ক নাই।

দক্ষিণ মণ্ডলত উত্তৰ মণ্ডলৰ দৰেই জাতিভিত্তিক অসবৰ্ণ বিবাহ আৰু গৌষ্ঠীভিত্তিক সবৰ্ণ বিবাহ ব্যৱস্থা প্ৰচলিত। কৰ্ণাটক ইয়াক 'বেডাগু' নাইবা 'বেডাগা' নাইবা 'বালি' বুলি কোৱা হয়। নীলগিৰিৰ কোটাসকলে ইয়াক 'কেৰি', কোট্টাই ভেল্লাসকলে 'কিলাই', কোয়াসকলে 'গোট্টা' আৰু কুৰুবাসকলে 'গুপ্তু' বোলে। কিছুমান তেলুগু লোকে ইয়া 'ইণ্টি-পেৰ' আৰু মালায়লীসকলে 'ইল্ল'ম' বুলি কয়। ত্ৰেভাংকোৰত এই ব্যৱস্থাক 'ভেলি' বুলি কোৱা হয়। 'গোত্ৰ' শব্দটোৰ এই অঞ্চলবোৰত বহুল ব্যৱস্থাৰ দেখা গৈছে। গোষ্ঠীৰ বাবে ব্যৱহৃত প্ৰধান প্ৰতীকবোৰ হ'ল ৰূপ, সোণ, কুঠাৰ, হাতী, সাপ, শেৱালি ফুল, শিল ইত্যাদি।

উত্তৰ মণ্ডলত গাঁওভিত্তিক অসবৰ্ণ বিবাহ এক বহুলভাৱে স্বীকৃত ৰীতি। কিন্তু দক্ষিম মণ্ডলত একেখন গাঁৱতে কোনো আন্তঃবিবাহ ঘটা গোষ্ঠী নাথাকে। গোত্ৰসকলে গাঁওভিত্তিক অসবৰ্ণ বিবাহ হ'বলৈ নিদিয়ে। সবৰ্ণ বিবাহ অথবা উল্ল'ম অথবা ভেলি হ'ল একমাত্ৰ অনুসৰণযোগ্য নীতি। উত্তৰ মণ্ডলৰ দৰেই দক্ষিণ মণ্ডলৰো প্ৰদত্ত জাতি এটাক অসবৰ্ণ গোষ্ঠীত ভাগ কৰা হয়। আন্তঃগোষ্ঠী

বিবাহে সকলো গোষ্ঠীক সামৰি নলয়। এটা অসবর্ণ জাতিৰ মাজত বিবাহৰ জৰিয়তে জীয়ৰী আদান-প্রদান কৰা কেইটামান পৰিয়ালেৰে অসবর্ণ গোটবোৰৰ ক্ষুদ্র চক্রবোৰ গঢ় দিয়া হয়।

দক্ষিণ মণ্ডলৰ কেইটামান বিশেষ বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ ভাৰতৰ উত্তৰ মণ্ডলৰ ক'তো দেখা পোৱা নাযায়। ডাঙৰ বায়েকৰ ছোৱালীৰ সৈতে, দেউতাকৰ ভনীয়েকৰ ছোৱালীৰ সৈতে, মাকৰ ভায়েকৰ ছোৱালীৰ সৈতে অগ্রমান্য বিবাহ কৰোৱাৰ প্রথা কেৱল দক্ষিণ মণ্ডলতহে প্রচলিত। অগ্রমান্য বিবাহৰ দৰে ব্যৱস্থাবোৰৰ প্রধান উদ্দেশ্য হ'ল গোষ্ঠী এটাৰ একতা আৰু ভ্রাতৃত্ববোধ অক্ষুণ্ণ ৰখা আৰু একেটা প্রজন্মতে কন্যা সন্তান ঘূৰাই দিয়া (বিনিময়) নীতিটো বর্তাই ৰখা।

অৱশ্যে সৰুভনীৰ ছোৱালী বিয়া কৰোৱা, নিঃসন্তান/বিধবা নবৌয়েক/ভাইবোৱাৰীয়েকক বিয়া কৰোৱা, মাতৃৰ ভগ্নীৰ কন্যাসন্তানক বিয়া আদি হ'ল প্রতিষিদ্ধ কার্য। মোমায়েক-ভাগিনীয়েকৰ বিয়া আৰু সংকৰ-সম্পর্কীয় ভাই-ভনীৰ বিয়াবোৰৰ পৰা দ্বৈত সম্পর্কৰ সৃষ্টি হয়। এজনী সম্পর্কীয় ভনী পত্নীও হ'ব পাৰে। বিয়াৰ পাচত এজনী সম্পর্কীয় ভনী সম্পর্কীয় ভনী হৈ নাথাকে, পত্নী হিচাপে গঢ় লোৱা সম্পর্কটোহে বেছি গুৰুত্বপূর্ণ হৈ পৰে।

দক্ষিণৰ স্বজনতা ব্যৱস্থাটোৰ উত্তৰৰ স্বজনতা ব্যৱস্থাৰ সৈতে তুলনা কৰি চাই ক'ব পৰা যায় যে দক্ষিণ মণ্ডলত জন্মলাভ কৰা পৰিয়াল আৰু বিবাহৰ বান্ধোনেৰে বান্ধ খোৱা পৰিয়ালৰ মাজত কোনো স্পষ্ট প্রভেদ নাই। উত্তৰ ভাৰতত এই প্রভেদ সুস্পষ্ট। উত্তৰ ভাৰতত তেজৰ সম্পর্ক আৰু বৈবাহিক সম্পর্ক বুজোৱা অভিধাবোৰ স্পষ্ট। দক্ষিণ ভাৰতত ব্যৱহৃত অভিধাবোৰে কোনো স্পষ্ট প্রভেদ। সূচাব নোৱাৰে।

এটা উদাহৰণলৈ মন কৰক। উত্তৰ ভাৰতত পিতৃৰ ভনীয়েক আৰু তেওঁৰ পতিক বুজাবলৈ 'ফুফী-ফুফা' অভিধা দুটা ব্যৱহাৰ কৰা হয়, মাতৃৰ ভ্রাতৃ আৰু তেওঁৰ পত্নীক বুজাবলৈ 'মামা-মামী' অভিধা দুটা ব্যৱহাৰ কৰা হয়। দক্ষিণ ভাৰতত 'আট্টাই' শব্দটোৰে পেহী আৰু মামী দুয়োকে বুজোৱা হয়। একেদৰে পেহা আৰু মামাৰ বাবে 'মামা' সম্বন্ধটোকে ব্যৱহাৰ কৰা হয়। উত্তৰ ভাৰতত 'জন্মসূত্রে সম্প্রসাৰিত পৰিয়াল' আৰু 'বৈবাহিকসূত্রে সম্প্রসাৰিত পৰিয়াল' দেখিবলৈ পোৱা যায়। দক্ষিণ ভাৰতত এনে কোনো স্পষ্টভাৱে বিভাজিত পৰিয়াল নাই। দক্ষিণ ভাৰতত বৈবাহিক সূত্রে হোৱা সম্পর্কবোৰ বুজাবলৈ কোনো বিশেষ অভিধা নাই। দক্ষিণ ভাৰতত দুটা ক্রমিক প্রজন্মত একেবোৰ আত্মীয়ই দেখা দিয়ে।'

ওপৰৰ আলোচনাৰ পৰা আমি গম পালো যে বৈবাহিক সম্পর্ক, জন্মভিত্তিক সম্পর্ক, বিভিন্ন প্রজন্মৰ স্বজন/আত্মীয় সজাই লোৱাৰ দিশত দক্ষিণ আৰু উত্তৰ মণ্ডলৰ স্বজনতা ব্যৱস্থাৰ প্রভেধ আছে। দক্ষিণ মণ্ডলৰ স্বজনতা পৰিভাষাত প্রজন্ম নীতিৰ আধাৰত স্বজন/আত্মীয়ৰ কোনো স্পষ্ট শ্রেণীবিভাজন নাই। দক্ষিণ মণ্ডলত প্রজন্মৰ কোনো উল্লেখ নকৰাকৈ নিজতকৈ বয়সত সৰু অথবা ডাঙৰৰ হিচাপত সম্পর্কীয়সকলৰ তালিকা সজোৱা হয়।

দ্রাবিড়ীয় ভাষাত ভ্রাতৃ আৰু ভগ্নী বুজোৱা কোনো শব্দ নাই। সৰু ভাই/সৰুভনী আৰু ডাঙৰ ভাই/ডাঙৰ ভনী বুজোৱা শব্দ অৱশ্যে আছে। ইয়াৰ বাবে সাধাৰণতে একাধিক শব্দ ব্যৱহৃত হয়। যেনে— (১) দেউতা আৰু ককাইদেউ (আন্না, আয়্যা), (২) মা আৰু বাইদেউ (৩) ভাই আৰু ল'ৰা

সন্তান (পিৰ্কাল) আৰু (৪) ভনী আৰু কন্যা সন্তান (পিন্নাৱল)। এই অভিধাবোৰেৰে বয়সত ডাঙৰসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়। ইয়াৰ সৈতে প্ৰকৃত তেজৰ সম্পৰ্ক থকা সম্বন্ধবোৰ যুক্ত নহ'বও পাৰে। উল্লেখ বিন্দুটো হৈছে স্ব-সত্ব (ego 'মই' নিজে)। 'নিজ'তকৈ ডাঙৰ নাইবা নাইবা সৰু কোন হ'ব সেয়া বয়সৰ ওপৰত নিৰ্ভৰশীল।

অৰ্থাৎ দক্ষিণ মণ্ডলৰ স্বজনতা ব্যৱস্থাৰ প্ৰধান বিচাৰ্য বিষয় প্ৰজন্ম নহয় বয়সহে। সৰ্বণ স্বজন দলবোৰৰ বাহিৰত হোৱা বিবাহক 'বাল্লি' নাইবা 'বেগাডু' নাইবা 'কিলাই' বোলা হয়। কন্যা সন্তান বিনিময় কৰা প্ৰথাক অগ্ৰাধিকাৰ দিয়া হয়। নিকট আত্মীয়ৰ মাজৰ বিবাহকে অগ্ৰাধিকাৰ দিয়া হয়। বিবাহৰ সাধাৰণ নীতিবোৰ হ'ল ঃ ল'ৰাই কেৱল নিজৰ গোষ্ঠীৰ সদস্যাকহে বিয়া কৰাব পাৰিব, এজনী ছোৱালীয়ে নিজৰ বয়সতকৈ ডাঙৰ বয়সৰ দলত পৰা ল'ৰালৈকে বিয়া হ'ব পাৰিব, দৰাৰ বয়স সদায় কইনাৰ পিতৃ-মাতৃতকৈ কম হব লাগিব।

দৰা বাছনিৰ ক্ষেত্ৰত ছোৱালীতকৈ ডাঙৰ সংকৰ-সম্পৰ্কীয় ভাই আৰু ছোৱালীৰ মাকৰ সৰু ভায়েকক অগ্ৰাধিকাৰ দিয়া হয়। ল'ৰাই নিজতকৈ সৰু যিকোনো সংকৰ-সম্পৰ্কীয় ভনীয়েক আৰু বায়েকৰ যিকোনো কন্যাসন্তানক বিয়া কৰাব পাৰে। এই প্ৰতিক্ৰমিতাৰ বিপৰীতে প্ৰতিক্ৰমী সম্পৰ্ক থকা স্বজনতা বুজোৱা অভিধা কিছুমান পোৱা যায়।

➢ লুইচ ডুউম'ণ্টে দক্ষিণ মণ্ডলৰ স্বজনতা ব্যৱস্থাৰ বৈশিষ্ট্য কেইটামানৰ ওপৰত আলোকপাত কৰিছিল। বৈশিষ্ট্যকেইটা হ'ল ঃ

- তাৎক্ষণিক বিনিময় নীতি,
- এক সামাজিক সুদৃঢ়কৰণ নীতি,
- এখন সংকীৰ্ণ ক্ষেত্ৰত থকা স্বজন/আত্মীয় গোটবোৰৰ একোটা থূপ,
- জন্মসূত্ৰে হোৱা স্বজন/আত্মীয় আৰু বৈবাহিক সূত্ৰে হোৱা স্বজন/আত্মীয়ৰ মাজত স্পষ্ট প্ৰভেদৰ অভাৱ, আৰু
- সমাজত নাৰীৰ অধিক স্বাধীনতা।

➢ **পূৱ ভা�ৰতত স্বজনতা ঃ**

ভাৰতৰ পূৱ মণ্ডলটো সংহত নহয়। অন্য মণ্ডলবোৰৰ দৰে পূৱ মণ্ডলটো ভৌগলিকভাৱেও গাতে গা লাগি থকা ধৰণৰ নহয়। এই মণ্ডলত উত্তৰ মণ্ডলৰ ভাষাবোৰৰ লগতে মুণ্ডাৰি মন-খ্মেৰ ভাষাবোৰো প্ৰচলিত। মণ্ডলটোত বাস কৰা প্ৰধান সম্প্ৰদায়বোৰ হ'ল কোৰ্কু, অসমীয়া, শক, চেমাং আৰু খাচী। প্ৰচলিত আন ভাষাবোৰ হ'ল মন, খমেৰ আৰু চেইন। অঞ্চলটোত বহুতো 'অষ্ট্ৰ'-এচিয়াটিক জনজাতি আছে।

মুণ্ডাৰি ভাষা কোৱা সকলো লোকেই পিতৃবংশীয় তথা পিতৃস্থানীয় পৰিয়াল ব্যৱস্থা মানি চলে। হো আৰু চন্থালসকলে সংকৰ-সম্পৰ্কীয় ভাই-ভনীৰ মাজত বিয়া পতাৰ ৰীতি অনুশীলন কৰে। কিন্তু পিতৃৰ ভনী নাইবা মাতৃৰ ভাই জীৱিত থকালৈকে তেওঁলোকৰ ছোৱালীবোৰক বিয়া কৰাব নোৱাৰি। এই নিষেধৰ বাবে সংকৰ-সম্পৰ্কীয় ভাই-ভনীৰ মাজৰ বিবাহক এক বিৰল পৰিঘটনা বুলি ধৰা হয়। বণ্ডো সমাজে সংকৰ-সম্পৰ্কীয় ভাই-ভনীৰ বিবাহক প্ৰতিষিদ্ধ কাৰ্য বুলি গণ্য নকৰে

যদিও এলৱিনৰ প্ৰতিবেদন মতে এনে বিবাহৰ উদাহৰ সততে পোৱা নাযায়।

হো আৰু মুণ্ডাসকলে অবিবাহিত আৰু অবিবাহিতাৰ বাবে পৃথক শোৱনি ঘৰ ৰাখে। তেওঁলোকে বিবাহৰ পূৰ্বে শাৰীৰিক সম্পৰ্ক স্থান কৰিব পাৰে। কেতিয়াবা এনে সম্পৰ্কই বিবাহৰ ৰূপ লয়। কিন্তু প্ৰায়েই দেখা যায় যে অবিবাহিত অৱস্থাত পৃথক পৃথককৈ উমৈহতীয়া শোৱনি ঘৰত থকা আৰু শাৰীৰিক সম্পৰ্ক ৰখা সংগীৰ সৈতে ল'ৰা-ছোৱালীয়ে বিয়াত নবহে। তেওঁলোকে সম্পূৰ্ণ নতুন ব্যক্তিক জীৱন সংগীৰূপে বাচি লয়। এই সমাজবোৰ অসবৰ্ণ কূলপ্ৰতীকযুক্ত গোষ্ঠীত বিভক্ত। এজন পুৰুষে নিজ গোষ্ঠীৰ বাহিৰৰ ছোৱালী বিয়া কৰাব লাগে। তেওঁ প্ৰথম সম্পৰ্কীয় ভনীৰ দৰে নিকট আত্মীয় ছোৱালীৰ চক্ৰটোৰ বাহিৰৰ যিকোনো ছোৱালীক বিয়া কৰাব পাৰে।

কইনা পাবৰ বাবে ধন প্ৰদান কৰিব লাগে। হ'বলগীয়া জোৱায়ে হ'বলগীয়া শহুৰৰ ঘৰত আগবঢ়োৱা সেৱাকো কন্যামূল্য বুলি ধৰা হয়। বিয়াৰ পাচত পুৰুষে নিজাকৈ ঘৰ সাজে। বহুতে সৰু ভায়েক আৰু বিধবা মাকৰ দৰে নিকট আত্মীয়ক নতুনকৈ সজা ঘৰত ৰাখে। মুণ্ডাৰিসকলৰ এই ৰীতি ভাৰতৰ আন জাতি, সম্প্ৰদায়তকৈ পৃথক। তেওঁলোকৰ মাজত যৌথ পৰিয়ালৰ প্ৰচলন নাই। মুণ্ডাৰিসকলে পিতৃবংশীয় সম্পৰ্কবোৰ পূৰ্বপুৰুষৰ উপাসনা আৰু গৃহ পূজাৰ দৰে উমৈহতীয়া অনুশীলনবোৰৰ সহায়ত বৰ্তাই ৰাখে। তেওঁলাকে প্ৰয়োজনত পৰস্পৰক সহায় কৰে যদিও স্বতন্ত্ৰ জীৱন যাপন কৰে।

মেঘালয়ৰ খাচীসকলে মন-খমেৰ ভাষা কয়। খাচীসকল হ'ল দক্ষিণ মণ্ডলৰ নায়াৰসকলৰ দৰে মাতৃবংশ অনুসৰণকাৰী জাতি। অৱশ্যে আন ৰীতি-নীতিৰ ক্ষেত্ৰত দুয়োটা জাতিৰে পাৰ্থক্য আছে। নায়াৰ সকল মাতৃবংশীয় যৌথ পৰিয়ালত থাকে। ঘৰৰ মহিলাসকলৰ পতিসকল আলহীৰ দৰে। খাচীসকলেও যৌথ পৰিয়ালত বাস কৰে। তেওঁলোকে একেধৰণে উপাসনা কৰে, একেখন শ্মশানতে মৃতকৰ সৎকাৰ কৰা হয়। কিন্তু খাচী বিবাহিত পুৰুষসকলে পত্নীৰ ঘৰৰ চৌহতে পত্নীৰ সৈতে এটা সৰু ঘৰত বাস কৰে। পিতৃৰ মৃত্যুৰ পাচত সম্পত্তি মাতৃৰ হাতলৈ নাইবা সবাতোকৈ সৰু জীয়ৰীৰ হাতলৈ যায়।

যদি বংশত কোনো মহিলা আত্মীয় নাথাকে আৰু বিধৱা মহিলাগৰাকীয়ে পুনৰ বিবাহত নবহাৰ সিদ্ধান্ত লয়, তেন্তে তেওঁ আদা সম্পত্তি লাভ কৰে। খাচী সমাজত বিবাহিত পুৰুষৰ স্থান হিন্দু পিতৃবংশীয় পৰিয়ালবোৰত বোৱাৰী গেৰাকী লাভ কৰা স্থানৰ দৰে। হিন্দু বোৱাৰীগৰকীক পৰিয়ালৰ সদস্যা হিচাপে অন্তৰ্ভুক্ত কৰি লোৱা হয়। খাচী জোৱাই এজন সদায় বহিৰাগত হৈয়েই ৰৈ যায়। খাচী মহিলাই যথেষ্ট স্বাধীনতা উপভোগ কৰে। বিবাহ বিচ্ছেদ ঘটিলে সন্তানৰ দায়িত্ব মাতৃগৰাকীয়ে লাভ কৰে। খাচীসকলৰ মাজত গোষ্ঠীভিত্তিক সবৰ্ণ বিবাহ প্ৰচলিত। সমান্তৰাল সম্পৰ্কীয় ভাই-ভনীৰ বিয়া হ'ব নোৱাৰে। সংকৰ সম্পৰ্কীয় ভাই-ভনীৰ মাজৰ বিয়া বিৰল।

ওপৰত ভাৰতৰ স্বজনতা সংগঠনটোৰ এক ৰূপৰেখা আলোচনা কৰা হ'ল। স্বজনতা ব্যৱস্থাৰ সৈতে জড়িত প্ৰমূল্য তথা প্ৰতিমানবোৰ কোনো কোনো অঞ্চলত কোনো ক্ষেত্ৰত কঠোৰ আৰু নমনীয় দুয়োটাই। ইয়াৰ প্ৰমাণ বিবাহ বিচ্ছেদ, বিধৱা বিবাহ, নিকট আত্মীয়ৰ মাজত যৌন সম্পৰ্ক স্থাপনত থকা প্ৰতিষিদ্ধতা, জাতিভিত্তিক অসবৰ্ণ বিবাহ প্ৰথা গোষ্ঠীভিত্তিক সবৰ্ণ বিবাহ প্ৰথা, বৰ্জনৰ

নীতি, পৰিয়ালৰ সংৰচনা, বংশাৱলী আৰু বসতি ব্যৱস্থা, কৰ্তৃত্ব ব্যৱস্থা, উত্তৰ পুৰুষ আৰু সম্পত্তিৰ উত্তৰাধিকাৰ আদি বিষয়ত পোৱা যায়।

সামাজিক সংগঠন আৰু গতিশীলতাৰ এক মৌলিক নীতিৰূপে স্বজনতা সদায় বৰ্তি থাকিব। আনহাতে, ই সমাজত বিভাজন তথা বিভেদ সৃষ্টিৰ কাৰণো হৈ ৰ'ব। স্বজনতা এক জটিল পৰিঘটনা। আধুনিক সংগঠনবোৰতো স্বজনতাৰ ভূমিকা অনুমান কৰিব পাৰি। প্ৰব্ৰজন, গতিশীলতা আৰু শিক্ষাই স্বজনতা ব্যৱস্থা তথা গোষ্ঠী সংগঠনৰ নীতি-নিয়মবোৰ কিছু দুৰ্বল কৰি পেলাইছে। কাৰণ আজিকালি এটা জাতি/উপজাতি নাইবা গোষ্ঠীৰ সদস্যসকল একেলগে একেটা স্থানতে নাথাকে। এসময়ত কেৰালাত কেৰালাত প্ৰচলিত মাতৃপ্ৰধান সমাজ ব্যৱস্থা প্ৰায় লোপ পাইছে। উত্তৰ-পূৱ ভাৰততো এই প্ৰথা দুৰ্বল হৈ পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ স্বজনতা মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ স্বজনতাক কিয় এক সামাজিক অনুষ্ঠান বুলি ধৰা হয়?

.....

.....

প্ৰশ্ন নং ৩ ঃ সমোদ্ভৱজনিত আৰু বিবাহ সূত্ৰে সৃষ্ট স্বজনতাৰ মাজত কি প্ৰভেদ আছে?

.....

.....

প্ৰশ্ন নং ৪ ঃ প্ৰতিষিদ্ধ কাৰ্য বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৫ ঃ উত্তৰ ভাৰতৰ স্বজনতাৰ আৰ্হিটো কেনেধৰণৰ?

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বজনতা হ'ল সমাজৰ এক প্ৰধান সাংগঠনিক নীতি। ই হ'ল প্ৰতিখন সমাজতে দেখিবলৈ পোৱা মৌলিক সামাজিক অনুষ্ঠানবোৰৰ এটা।

- স্বজনতাৰ অনুষ্ঠানে ব্যক্তি আৰু দলৰ মাজত সম্পৰ্ক স্থাপন কৰে। সকলো সমাজৰে প্ৰতিগৰাকী ব্যক্তি বিভিন্ন বান্ধোনেৰে বান্ধ খাই থাকে।
- সবাতোকৈ মৌলিক সামাজিক বান্ধোনৰ ভেটি হ'ল বিবাহ আৰু সন্তান উৎপাদন। স্বজনতাই এই বান্ধোনবোৰ আৰু ইয়াৰ ফলস্বৰূপে সৃষ্ট আন সকলোবোৰ বান্ধোনৰ কথা বুজায়।
- স্বজনতাৰ অনুষ্ঠানটোৱে তেজৰ সম্পৰ্ক (সমোদ্ভৱ) অথবা বিবাহ সূত্ৰে সৃষ্ট সম্পৰ্কৰ আধাৰত গঢ় লোৱা সম্বন্ধ আৰু আত্মীয়ৰ এটা সমষ্টিৰ কথা বুজায়।
- স্বজনতাৰ তিনিটা প্ৰধান মাত্ৰা আছে— মুখ্য, গৌণ আৰু তৃতীয়ক স্বজনতা। এই মাত্ৰা তিনিটাক আকৌ বহুকেইটা উপভাগত ভগোৱা হয়, যেনে— মুখ্য সমোদ্ভৱজনিত, মুখ্য বিবাহ সূত্ৰে সৃষ্ট, গৌণ সমোদ্ভৱজনিত, গৌণ বিবাহসূত্ৰে সৃষ্ট, তৃতীয়ক সমোদ্ভৱজনিত, আৰু তৃতীয়ক বিবাহ সূত্ৰে সৃষ্ট স্বজনতা।
- স্বজনতা ব্যৱস্থাই কিছুমান ৰীতি মানি চলে নাইবা ব্যৱস্থাটোক নীতি-নিয়মৰ সমষ্টি এটাই দিক্ নিৰ্দেশনা প্ৰদান কৰে।
- বৰ্জন মানে হ'ল দুগৰাকী স্বজন/আত্মীয়ই পৰস্পৰৰ পৰা আঁতৰত থকা কাৰ্য। আন অৰ্থত, তেওঁলোকে পৰস্পৰে পৰস্পৰক এৰাই চলা উচিত।
- ধেমেলিয়া সম্পৰ্ক বৰ্জন সম্পৰ্কৰ ওলোটা। ধেমেলিয়া সম্পৰ্কৰ অধীনত স্বজন/আত্মীয়ই পৰস্পৰৰ সৈতে হাঁহি-ধেমালি কৰাৰ আৰু পৰস্পৰক জোকোৱা অনুমতি লাভ কৰে।
- অনুসন্ততি সম্বোধন পদ্ধতি এগৰাকী স্বজন/আত্মীয়ক পোনে পোনে সম্বোধন নকৰি আন এগৰাকী স্বজন/আত্মীয়ৰ উল্লেখৰ যোগেদি সম্বোধন কৰা হয়।
- মাতুল ৰীতি অনুসৰি ভাগিন আৰু ভাগিনীৰ জীৱনত মোমায়েকৰ এখন স্থায়ী আসন থাকে।
- দেউতাকৰ ভনীয়েকৰ বিশেষ ভূমিকা পালনৰ দায়িত্ব দিয়া ৰীতিটোকে এমিটেট বোলে।
- পত্নীয়ে সন্তান জন্ম দিয়াৰ পাচত পতিয়ে তেওঁৰ সৈতে একেধৰণৰ কাম-বন কৰিব নোৱাৰা অসুস্থ জীৱন কটাবলৈ বাধ্য হোৱা ৰীতিটোকে কাভেদ বোলে।
- ইৰাৱতী কাৰ্ভেই ভাৰতৰ স্বজনতা ব্যৱস্থাটোৰ সংৰচনা আৰু আৰ্হি অধ্যয়ন কৰিছিল। তেওঁ ভাষিক, জাতিভিত্তিক আৰু পৰিয়াল সংগঠনৰ আধাৰত গোটেই দেশখনক উত্তৰ, মধ্য, দক্ষিণ আৰু পূৰ মণ্ডলত ভাগ কৰিছিল।



৪.৫ অধিক জানিবলৈ

১) Bhushan.Vidya, Sachdeva. D.R, “An Introduction to Sociology”; Kitab Mahal Publishers; New Delhi.

২) Basha. Chand. P (2016), “Sociology basic concepts”; Raj Publications

৪.৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্বজনতা সংস্থাটোৱে ৰক্ত সম্বন্ধীয় আৰু বৈবাহিক সূত্রে স্থাপন হোৱা সম্পর্কসমূহ বুজায়।

২নং প্রশ্নৰ উত্তৰ ঃ স্বজনতা এক সামাজিক সংস্থা, কাৰণ প্রায়বোৰ সমাজতে ই ব্যক্তিসকলৰ সামাজিকী কৰণত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে আৰু 'সমূহ'বোৰৰ মাজত সংহতি বর্তায় ৰখাত সহায় কৰে। এই সংস্থাটোৰ বিশ্বজনীন প্রকৃতিয়ে সামাজিক জীৱনত য়িাৰ কার্যবাহী গুৰুত্ব প্রকাশ কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ সমোদ্ভাবজনিত স্বজনতাই তেজৰ সম্পর্কৰ জৰিয়তে গঢ় লোৱা সম্পর্কৰ কথা বুজায়, কিন্তু বিবাহ সূত্রে সৃষ্ট স্বজনতায় বিবাহৰ ফলত সৃষ্টি হোৱা সম্বন্ধৰ কথা বুজায়।

৪নং প্রশ্নৰ উত্তৰ ঃ Incest Taboo অর্থাৎ 'নিকত আত্মীয়ৰ মাজৰ যৌন সম্পর্ক প্রতিষিদ্ধকৰণ' নীতিটোৱে নিকট আত্মীয়ৰ মাজৰ মাজত যৌন সম্পর্ক নিষিদ্ধ কৰাটো বুজাই।

৫নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ ভাৰতত সকলো বৈবাহিক সম্পর্কৰ ক্ষেত্রতে 'চাচন' নীতি মানি চলা হয়। ল'ৰাই নিজৰ পিতৃ পৰিয়ালৰ কাকো বিয়া কৰাব নোৱাৰে আৰু সদিস্তু স্বজন/আত্মীয়ক বিয়া কৰোৱাৰ পৰা বিৰত থাকিব লাগে।

৪.৭ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রায় ১৫০ টা শব্দত উত্তৰ লিখক)

প্রশ্ন ১ ঃ তৃতীয়ক স্বজন/আত্মীয়ৰ প্রকাৰবোৰৰ মাজৰ প্রভেদ উদাহৰণসহ বাছি উলিৱাওক।

প্রশ্ন ২ ঃ মুখ্য বিবাহ সূত্রে সৃষ্ট স্বজনতা আৰু গৌণ বিবাহ সূত্রে সৃষ্ট স্বজনতাৰ মাজৰ প্রভেদবোৰ উদাহৰণসহ ব্যাখ্যা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা শব্দত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিভিন্ন প্রকাৰৰ স্বজনতা ৰীতিৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ ভাৰতৰ স্বজনতা ব্যৱস্থাৰ সংৰচনা আৰু আৰ্হি চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভাৰতত জাতি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ জাতি ঃ অর্থ আৰু বৈশিষ্ট্য

৫.৩.১ জাতি আৰু বর্ণ

৫.৩.২ জাতি আৰু শ্রেণীৰ মাজৰ প্রভেদ

৫.৩.৩ যজমানি ব্যৱস্থা আৰু প্রতিপত্তিশালী জাতি

৫.৩.৪ অনুসূচিত জাতি আৰু তেওঁলোকৰ সমস্যাসমূহ

৫.৩.৫ অস্পৃশ্যতা নির্মূলকৰণ

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্রগতিৰ খতিয়ান

৫.৭ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জাতি ব্যৱস্থা, ইয়াৰ অর্থ আৰু বৈশিষ্ট্য বুজি পাব।
- জাতি আৰু বর্ণ তথা জাতি আৰু শ্রেণীৰ প্রভেদ চিনাক্ত কৰিব পাৰিব।
- যজমানি ব্যৱস্থা আৰু প্রতিপত্তিশালী জাতিৰ ব্যাখ্যা আগবঢ়াব পাৰিব।
- অনুসূচিত জাতি আৰু তেওঁলোকৰ সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ভাৰতত আমি ‘জাতি’ৰ ৰূপত এক বিশেষ প্রকাৰৰ সামাজিক স্তৰীভৱন দেখিবলৈ পাওঁ। বিশ্বৰ বিভিন্ন অঞ্চলত জাতি ব্যৱস্থাৰ প্রচলন থকাৰ প্রমাণ আছে যদিও ইয়াৰ সবাতোকৈ স্পষ্ট ৰূপটোৰ অস্তিত্ব ভাৰতত বিদ্যমান। হিন্দু সমাজ হ’ল এখন জাতিভিত্তিক সমাজ। এই সমাজখন ‘জাতি’ৰ ভিত্তিত সৃষ্ট বিভিন্ন বিভাগত বিভক্ত। ইয়াত এগৰাকী ব্যক্তিৰ সামাজিক প্রস্থিতি তেওঁৰ পছন্দ অথবা সফলতাৰ আধাৰত নহয়, জন্মৰ আধাৰত নির্ণিত হয়। এগৰাকী ব্যক্তিৰ সামাজিক স্থিতি ক্ষমতা আৰু যশস্যাই সলনি কৰিব নোৱাৰে। ইয়াৰ আগৰ অধ্যায়টিত আমি এক সামাজিক

সংস্থা হিচাপে স্বজনতা সম্পর্কে জানিব পাৰিলো। এই অধ্যায়টিত আমি ভাৰতীয় সমাজৰ অন্য এক গুৰুত্বপূৰ্ণ অংগ জাতি ব্যৱস্থাৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিম। ইয়াত আমি জাতিৰ অৰ্থ, বৈশিষ্ট্য, শ্রেণীৰ সৈতে ইয়াৰ পার্থক্য, যজমানি ব্যৱস্থা আদিৰ বিষয়ে শিকিব পাৰিম।

৫.৩ জাতি ঃ অৰ্থ আৰু বৈশিষ্ট্য

'জাতি' বুজোৱা ইংৰাজী শব্দ 'Caste'ৰ মূল হ'ল স্পেনিছ শব্দ 'Caste'। ইয়াৰ অৰ্থ হ'ল সঁচ (Breed), জনগোষ্ঠী (Race), বংশ (Lineage) নাইবা বংশগতভাৱে লাভ কৰা গুণৰ এক সংমিশ্রণ। পর্তুগীজসকলে এই শব্দটোৰে মানুহৰ শ্রেণী (Classes of People)ক বুজায়। ভাৰতত 'Caste'ৰ সমার্থক শব্দটো হ'ল 'জাতি'।

ৰিচলে'ৰ সংজ্ঞা মতে, "এটা উমৈহতীয়া নাম থকা; কোনো এক পৌৰাণিক মানৰীয় অথবা সৰগীয় সত্বাৰ পৰা সৃষ্ট এক উমৈহতীয়া পূর্বপুৰুষ থকা বুলি দাবী কৰা; লাভ কৰা একেটা বৃত্তিকে অনুসৰণ কৰা বুলি কোৱা আৰু মতামত দাঙি ধৰিব পৰাকৈ অর্হতা থকাসকলে এটা একক সমৰূপ সম্প্রদায় গঠন কৰিব পাৰিব বুলি কোৱা একাধিক পৰিয়াল নাইবা সমূহ এটাকে জাতি বোলা হয়।"

লান্দবার্গৰ মতে, "এটা জাতি মানে হ'ল এটা অনমনীয় সামাজিক শ্রেণী, যিটোত সদস্যসকলে জন্মগ্রহণ কৰে আৰু যিটোৰ পৰা চৰম কষ্টকৰভাৱে নিজৰ সংযোগ ছিন্ন কৰে নাইবা নিস্তাৰ পায়।" গতিশীলতা আৰু সামাজিক প্রস্থিতিৰ বৈশিষ্ট্য আদিৰ দৰে বিষয়বোৰত অতি অনমনীয়তা প্রদর্শন কৰা স্তৰীকৰণ ব্যৱস্থাৰ প্রকাৰটোৱেই হ'ল জাতি।

গ্রীণৰ মতে, "জাতি হ'ল স্তৰীকৰণ এনে এক ব্যৱস্থা য'ত সামাজিক প্রস্থিতিৰ জখলাডালেৰে ওপৰ-তল কৰিব পৰা গতিশীলতাৰ উদ্ভৱ নহ'বও পাৰে।"

- **বৈশিষ্ট্য ঃ**

ওপৰৰ সংজ্ঞাবোৰৰ পৰা এই কথাটো স্পষ্ট হ'ল যে সামাজিক স্তৰীকৰণৰ এটা ৰূপ হিচাপে জাতিয়ে প্রচলিত ৰীতি-নীতিগত পবিত্রতা আৰু অপবিত্রতাৰ আধাৰত এক উচ্চৰ পৰা নিম্নগামী পদানুক্রমত সমাজখনক বিভিন্ন সামাজিক সমূহত ভাগ কৰে। জাতি হ'ল এটা বংশানুক্রমিক আৰু সবর্ণ সমূহ। ইয়াৰ পৰম্পৰাগত জীৱিকা/বৃত্তিৰ সৈতে সম্পর্ক আছে।

জাতি ব্যৱস্থাৰ বহুকেইটা বৈশিষ্ট্য আছে। তলত বৈশিষ্ট্যবোৰ আলোচনা কৰা হ'ল—

- **গৌণ বিভাজন ঃ**

প্রতিটো জাতিয়েই একোটা স্বনিয়ন্ত্রিত সমূহ। জাতিবোৰ পৰস্পৰৰ পৰা স্বতন্ত্র। মানুহ জন্মসূত্রে কোনো এটা জাতিৰ সদস্য হয়। জাতি অপৰিৱর্তনীয়। সেয়েহে মানুহে নিজৰ জাতি সলনি কৰি অন্য জাতিৰ সদস্য হ'ব নোৱাৰে। প্রতিটো জাতিৰে নিজস্ব জীৱন যাপন পন্থা আছে। প্রতিটো জাতিৰে নিজস্ব নীতি-নিয়ম, প্রথা, পৰম্পৰা, ধর্মীয় অনুশীলন আৰু ৰীতি আছে। জাতিভিত্তিক নীতি-নিয়মবোৰ বলৱৎ কৰিবলৈ প্রতিটো জাতিৰে 'জাতি পৰিষদ' নামৰ নিজস্ব প্রশাসনিক অভিকৰণ একোটা থাকে।

➢ **পদানুক্রম ঃ**

জাতি ব্যৱস্থাটোৰ প্রকৃতি পদানুক্রমিক। এটা জাতিত চাৰিটা বর্ণ নাইবা জাতি থাকে। জাতিবোৰ ক্রমে উচ্চৰ পৰা নিম্নলৈ ভাগ কৰা হয়। পদানুক্রম তালিকাৰ শীর্ষৰ পৰা নিম্ন স্থানত থকা জাতিকেইটা হ'ল— ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র। ব্রাহ্মণ আৰু শূদ্র এই দুটা চৰম জাতিৰ মাজত আৰু বহুতো জাতি আছে। এই জাতিবোৰ ব্রাহ্মণসকলৰ পৰা কিমান আঁতৰত/তলত তাৰ ওপৰত এইবোৰৰ সামাজিক প্রস্থিতি নির্ভৰশীল।

বর্ণ ব্যৱস্থাৰ বাহিৰতো অস্পৃশ্যতাৰ অস্তিত্ব আছে। বর্ণ বৱস্থাত যিটো চতুঃস্তৰীয় শ্রেণীবিভাজন আছে সেইটো দৰাচলতে ধর্মকেন্দ্রিক বিভাজন। আপেক্ষিক ধার্মিক আচাৰ বিধিৰ পবিত্রতাৰ ভিত্তিত এই শ্রেণীবিভাজন কৰা হয়। ডি. চি. ভট্টাচার্যৰ ভাষাত, "ই বিভিন্ন জাতিক একোটা পদানুক্রম গঢ়ি দিয়াৰ লগতে এটা জাতিৰ সদস্যসকলে নির্বাহ কৰা জীৱিকা, খাদ্য হিচাপে গ্রহণ কৰা বিভিন্ন সামগ্রী আৰু ভিন্ন পদানুক্রম অনুসৰি মানি চলা প্রথাবোৰকো সূচায়।"

➢ **আন্তঃবিবাহ ঃ**

ৱেষ্টাৰমার্কৰ মতে অন্ত বিবাহেই হ'ল জাতি ব্যৱস্থাৰ মূলাধাৰ। অন্ত বিবাহে একেটা জাতিৰ ভিতৰতে বিবাহ সম্পন্ন হোৱাটোক বুজায়। আন্তঃ বিবাহ নীতিয়ে জাতি এটাৰ সদস্যসকলক নিজ জাতিৰ বাহিৰত বিবাহ নিষেধ কৰা। আন্তঃ বিবাহৰ এই নীতি উলংঘা কৰিলে জাতিৰ পৰা এঘৰীয়া কৰা নাইবা জাতিৰ পৰিচয় হেৰুৱাবলগীয়া হ'ব পাৰে। একেটা 'গোত্র'তে (Clan) বিয়া কৰাটোও নিষিদ্ধ কার্য। গাঁৱলীয়া সমাজবোৰত সবর্ণ বিবাহৰ এই নীতি কঠোৰভাৱে মানি চলা হয়। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে আন্তঃ বিবাহ নীতিত কিছুমান ব্যতিক্রমো আছে। এনে ব্যতিক্রম দুটা হ'ল অনুলোম আৰু প্রতিলোম বিবাহ।

➢ **জীৱিকা স্থিৰকৰণ ঃ**

জাতি ব্যৱস্থাৰ আন এক বৈশিষ্ট্য হ'ল ইয়াৰ জীৱিকা স্থিৰভাৱে নির্ধাৰণ কৰিব পৰা গুণটো। জীৱিকা/বৃত্তিবোৰক বংশগত বুলি ধৰা হয়। জাতি এটাৰ সদস্যসকলে নিজ নিজ পৰম্পৰাগত জীৱিকাবোৰেই গ্রহণ কৰিব বুলি ধৰা হয়। ব্রাহ্মণসকলে ধর্মীয় আচাৰ-বিধি সম্পন্ন কৰা কামত জড়িত হৈ থকাটোৱেই ইয়াৰ প্রমাণ। অন্য জাতিৰ লোকৰ কাপোৰ ধোৱাই হ'ল ধোবাৰ পৰম্পৰাগত জীৱিকা। ব্যৱসায়-বাণিজ্য, কৃষি, সামৰিক সেৱা আদিৰ দৰে বৃত্তি দুটামান অৱশ্যে সকলোৰে বাবে মুকলি। কিছুমান জাতিৰ মানুহৰ উপাধিৰ পৰাই তেওঁলোকৰ জীৱিকাৰ বিষয়ে গম পোৱা যায়। যেনে— নাপিত, ধোবা, মুচী, মালী ইত্যাদি।

➢ **খাদ্য আৰু পেয় পদার্থত থকা বাধা-নিষেধ (Restriction of Food and Drink) ঃ**

এটা নির্দিষ্ট জাতিৰ সদস্যই কেনে ধৰণৰ খাদ্য খাব পাৰিব অথবা কি কি পেয় পদার্থ গ্রহণ কৰিব পাৰি তাৰ কিছুমান নিয়ম আছে। সাধাৰণতে এটা জাতিয়ে সামাজিক মান্যতাৰ

তুলাচনীত নিজতকৈ তলৰ জাতিবোৰৰ হাতেৰে খাদ্য গ্ৰহণ নকৰে। উচ্চ জাতিৰ লোক এজনে নিম্ন জাতিৰ লোকৰ ছাঁটোৱে স্পৰ্শ কৰিলেও নিজকে অপবিত্ৰ হৈ পৰা বুলি বিশ্বাস কৰে। নিম্ন জাতিৰ লোকৰ হাতৰ পৰা খাদ্য নাইবা পেয় পদাৰ্থ গ্ৰহণ কৰাৰ সময়তো একেটা বিশ্বাসেই ক্ৰিয়া কৰে।

- **সাংস্কৃতিক পাৰ্থক্য (Cultural Difference) ঃ**

  প্ৰতিটো জাতিৰে সবৰ্ণ অথবা আন্ত বিবাহ, পবিত্ৰ-অপবিত্ৰৰ ধাৰণা, বৃত্তিগত বিশেষ জ্ঞান আদিৰ ক্ষেত্ৰত নিজা নিজা নীতি-নিয়মৰ সমষ্টি একোটা আছে। প্ৰতিগৰাকী ব্যক্তিৰে আচৰণ তেওঁৰ জাতিৰ প্ৰয়োজনীয়তাবোৰে নিয়ন্ত্ৰণ কৰে বাবে প্ৰতিটো জাতিয়েই নিজ নিজ উপ-সংস্কৃতি বিকশিত কৰে। নীতি মতে, যিমানেই আকৰ্ষণীয় নহওক কিয় অন্য জাতিৰ 'ধৰ্ম' পালন কৰাতকৈ মানুহে যিমানেই নিম্ন নহওক কিয় নিজ জাতিৰ 'ধৰ্ম' (ধৰ্মীয় বাধ্যবাধকতা) পালন কৰাটোহে শ্ৰেয়। এই নীতিৰ ফলস্বৰূপে বিভিন্ন জাতিৰ 'জীৱনশৈলী' ভিন ভিন ধৰণৰ হৈছে। অধ্যাপক ঘাৰ্য়াৰ মতে, "সেয়েহে জাতিবোৰ নিজেই একো একোখন ক্ষুদ্ৰ আৰু সম্পূৰ্ণ সামাজিক পৃথিৱী জাতিবোৰ পৰস্পৰৰ পৰা পৃথক কিন্তু বৃহত্তৰ সমাজখনৰ ভিতৰত সকলো জাতিয়েই সহাৱস্থান কৰে।"

- **পবিত্ৰতা আৰু অপবিত্ৰতাৰ ধাৰণা ঃ**

  অপবিত্ৰতাৰ ধাৰণাটোৱে বিভিন্ন জাতিৰ মাজৰ প্ৰয়োজনীয় ব্যৱধান বৰ্তাই ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। "এগৰাকী উচ্চ জাতিৰ মানুহে নিম্ন জাতিৰ মানুহে ৰন্ধা খাদ্য আৰু যঁচা পানী গ্ৰহণ কৰাটোতো বাদেই, তেনে মানুহক আনকি স্পৰ্শই নকৰিব। আন্তঃ ক্ৰিয়াত জড়িত দুয়োটা জাতি যদি পদানুক্ৰম তালিকাৰ চৰম জাতি দুটাৰ সদস্য হয়, তেন্তে নিম্ন জাতিৰ মানুহ উচ্চ জাতিৰ মানুহৰ পৰা ন্যূনতম দূৰত্ব বতাই ৰাখিব লগা হয়। জাতি আৰু স্থানভেদ এই অপবিত্ৰতাৰ পৰিমাণ ভিন ভিন হ'ব পাৰে।

- **এক নিৰ্দিষ্ট নাম ঃ**

  প্ৰতিটো জাতিৰে একোটা বিশেষ নাম থাকে। আমি এনে নামেৰে জাতিবোৰ চিনো। কেতিয়াবা কোনো নিৰ্দিষ্ট জাতিৰ নামৰ সৈতে জাতিটোৰ বৃত্তিটো সাঙোৰ খাই থাকে। আমি নামৰ দ্বাৰাই জাতি এটাৰ বৃত্তি নাইবা জীৱিকাৰ কথা গম পাওঁ।

- **উলম্ব গতিশীলতাৰ অনুপস্থিতি ঃ**

  এটা জাতি ব্যৱস্থাত কোনো ব্যক্তিয়েই প্ৰস্থিতি জখলাৰে ওপৰলৈ অথবা তললৈ গতি কৰিব নোৱাৰে। ব্যক্তিয়ে জন্মৰ সময়ত লাভ কৰা প্ৰস্থিতিকে সমগ্ৰ জীৱনৰ বাবে কঢ়িয়াব লাগে।

- **প্ৰস্থিতি ঃ**

  জাতিয়ে এগৰাকী ব্যক্তিৰ সামাজিক প্ৰস্থিতি নিৰ্ধাৰণ কৰে। ব্যক্তিৰ সামাজিক আন্তঃক্ৰিয়াই তেওঁৰ আচৰণ আৰু প্ৰত্যাশা গঢ়াৰ আগতেই জাতিয়ে প্ৰস্থিতি নিৰ্ধাৰণৰ কাম সম্পাদন কৰে। সামাজিক প্ৰস্থিতিয়ে এগৰাকী ব্যক্তিৰ স্ব-ধাৰণা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন

কৰে। ই ব্যক্তিক বহুতো সামাজিক সমাযোজন তথা জটিলতাৰ পৰা ৰক্ষা কৰে। যদি মানুহে নিজৰ জাতি সম্পর্কে নাজানে তেন্তে তেওঁ সামাজিক সম্পর্ক গঢ়াৰ সময়ত গুৰুতৰ প্রতিক্রিয়াৰ মুখামুখি হ'বলগীয়া হয়। আকৌ, যদি মানুহে নিজ জাতিৰ পৰিপন্থী আচৰণ কৰে তেন্তে সমাজে তেওঁৰ বিৰুদ্ধাচৰণ কৰে আৰু তেওঁক প্রত্যাশিত আচৰণ গ্রহণ কৰাৰ দাবী জনায়।

৫.৩.১ জাতি আৰু বর্ণ

ভাৰতীয় সামাজিক ব্যৱস্থা অধ্যয়ন কৰাৰ সময়ত সততে মুখামুখি হোৱা দুটা গুৰুত্বপূর্ণ শব্দ হ'ল 'জাতি' আৰু 'বর্ণ'। দুয়োটা শব্দই পৰম্পৰাগত ভাৰতীয় সমাজৰ কিছুমান শ্রেণীবিভাজনৰ কথা বুজায় আৰবহুতৰে মনত বিভ্রান্তিৰ সৃষ্টি কৰে। এগৰাকী হিন্দু ব্যক্তিৰ জীৱনত জাতি আৰু বর্ণই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। প্রাচীন ভাৰতৰ সমাজত প্রচলিত শ্রেণী বিভাজন ব্যৱস্থা এটাৰ নাম হ'ল 'বর্ণ ব্যৱস্থা'। বর্ণ ব্যৱস্থাই সমাজ এখনক চাৰিটা শ্রেণীত ভাগ কৰিছিল। শ্রেণীকেইটা হ'ল—

- ব্রাহ্মণ, পুৰোহিত শ্রেণী।
- ক্ষত্রিয়, যোদ্ধা শ্রেণী।
- বৈশ্য, ব্যৱসায়ী শ্রেণী।
- শূদ্র, ভৃত্য নাইবা শ্রমিক শ্রেণী।
- **বর্ণ ঃ**

বর্ণ শব্দৰ আক্ষৰিক অর্থ হ'ল ৰং। কিন্তু বর্ণ ব্যৱস্থাৰ মানুহৰ গাৰ ৰঙণৰ সৈতে কোনো সম্পর্ক নাই। এই ব্যৱস্থাই মানুহৰ গাত আৰোপিত গুণ অথবা বৈশিষ্ট্যৰ আধাৰত মানুহক বিভিন্ন সামাজিক শ্রেণীত ভাগ কৰিছিল। সময়ৰ সোঁত বর্ণ ব্যৱস্থাৰ প্রভাৰ ম্লাণ হৈ পৰিল আৰু অধিক বিদ্বেষপূর্ণ জাতি ব্যৱস্থাৰ বিকাশ ঘটিল। এই জাতি ব্যৱস্থাৰ অস্তিত্ব আজিও আছে। জাতি ব্যৱস্থা অনুসৰি এগৰাকী ব্যক্তিৰ উর্দ্ধমুখী সামাজিক গতিশীলতা লাভৰ কোনো অৱকাশ নাই। তেওঁ যিটো জাতিত জন্মিছে সেইটো জাতিৰ সদস্য হৈয়েই জীৱন পাৰ কৰিব লাগিব।

মৌলিক বর্ণ ব্যৱস্থাৰ উদ্দেশ্য আছিল সমাজত বাস কৰা লোকৰ মাজৰ সমন্বয় আৰু সহযোগিতা বৃদ্ধি কৰা। বেলেগ বর্ণৰ লোকে কেতিয়াও অন্য বর্ণৰ লোকৰ জীৱনত প্রতিদ্বন্দ্বিতা কৰিম বুলি হস্তক্ষেপ নকৰিছিল। যেতিয়া মানুহৰ গুণৰ আধাৰত নহৈ জন্মৰ আধাৰত বর্ণ নির্ণয়ৰ প্রথা আৰম্ভ হ'ল তেতিয়াৰ পৰাই ব্যৱস্থাটোত ঘূণে ধৰিবলৈ আৰম্ভ কৰিলে।

- **জাতি ঃ**

প্রাচীন বর্ণ ব্যৱস্থাৰ সামাজিক শৃংখলাৰদ্ধতাৰ দিশৰ পৰা কোনো বিশেষ গুৰুত্ব নাছিল। এগৰাকী ব্রাহ্মণক অন্য বর্ণৰ লোকে অন্য দৃষ্টিৰে চাইছিল। কিন্তু নিজ বর্ণৰ ভিতৰত

তেওঁ অন্য দহজনৰ দৰেই এগৰাকী সাধাৰণ ব্যক্তি আছিল আৰু তেওঁৰ কোনো পৃথক চিনাকি নাছিল। একেটা বৰ্ণৰ ভিতৰতে পৃথক চিনাকিৰ প্ৰয়োজন উদ্ভৱ হোৱা বাবেই বৰ্ণ ব্যৱস্থাৰ ভিতৰতে জাতি ব্যৱস্থাৰ বিকাশ ঘটিল। ভাৰতত পৰৱৰ্তী সময়ত বহুতো জাতিৰ বিকাশ ঘটিল। এনে ব্যক্তিয়ে কোনো এক নিৰ্দিষ্ট সম্প্ৰদায়ৰ ব্যৱসায় নাইবা বৃত্তিক প্ৰতিফলিত কৰিছিল। ধোবা সম্প্ৰদায়টোৰ নাম আহিছে 'ধোনা' শব্দটোৰ পৰা। ইয়াৰ অৰ্থ হ'ল 'ধোৱা'। অৰ্থাৎ ধোবাসকল হ'ল অন্যৰ কাপোৰ ধুই চাফা কৰি দিয়া লোক। অৰ্থাৎ জাতি হ'ল কোনো এক নিৰ্দিষ্ট বৃত্তি অথবা ব্যৱসায়ত জড়িত থকা একোটা সম্প্ৰদায়। আধুনিক ভাৰতত কেইদিনমানৰ আগলৈকে জাতি ব্যৱস্থাৰে সমাজৰ শ্ৰেণী বিভাজন কৰাৰ প্ৰক্ৰিয়া চলি আছিল। এজন মানুহৰ উপাধিৰ পৰাই মানুহজনৰ জাতিগত জীৱিকা/বৃত্তি কি সেয়া গম পোৱা যায়। অৱশ্যে আধুনিক শিক্ষা ব্যৱস্থা আৰু ৰাষ্ট্ৰৰ বৈষম্যহীন আচৰণৰ ফলত লাহে লাহে এই জাতি ব্যৱস্থাৰ গুৰুত্ব কমিবলৈ ধৰিছে।

৫.৩.২ জাতি আৰু শ্ৰেণীৰ মাজৰ প্ৰভেদ

- জাতিৰ কেৱল ভাৰতীয় উপ-মহাদেশতহে অস্তিত্ব আছে। বিশেষকৈ ভাৰতত জাতিৰ অস্তিত্ব অধিক স্পষ্ট। আনহাতে, পৃথিৱীৰ সকলো সমাজতে শ্ৰেণী আছে। শ্ৰেণী বিশেষকৈ ইউৰোপ আৰু আমেৰিকাৰ ঔদ্যোগিক সমাজবোৰৰ বৈশিষ্ট্য। ডুম'ণ্ট আৰু লীচ্চৰ মতে জাতি কেৱল ভাৰতত অস্তিত্ব থকা এক বিশেষ পৰিঘটনা।
- ব্যক্তিক পার্থিৱ সম্পদৰ ওপৰত থকা দখল আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দেখা পোৱা অসমতাৰ আধাৰত বিভিন্ন সমূহত ভাগ কৰাৰ দৰে মূলতঃ অৰ্থনৈতিক পার্থক্যৰ আধাৰত ভাগ কৰাকে শ্ৰেণী বোলে। জাতি প্ৰথাত ধৰ্মৰ দৰে অনা-অৰ্থনৈতিক প্ৰভাৱে (পুনৰ্জন্ম আৰু পবিত্ৰতা-অপবিত্ৰতা সূচিত কৰা ধৰ্মীয় বিধি-বিধানৰ পালন আদি) অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- জাতি আৰু অন্য ধৰণৰ সামাজিক স্তৰীকৰণৰ দৰে শ্ৰেণী কোনো ন্যায়িক অথবা ধৰ্মীয় পন্থাৰে গঢ় লৈ নুঠে। ন্যায়িক নাইবা পৰম্পৰাগত প্ৰথাই সুনিৰ্দিষ্ট কৰি দিয়া কোনো উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা প্ৰস্থিতিৰ আধাৰত শ্ৰেণীৰ সদস্য হ'ব নোৱাৰি। জাতি ব্যৱস্থাতহে মানুহে সদস্যপদ উত্তৰাধিকাৰীসূত্ৰে লাভ কৰে।
- জাতি ব্যৱস্থা স্থিৰ; শ্ৰেণী ব্যৱস্থা গতিশীল।
- জাতি ব্যৱস্থাত থকাৰ দৰে শ্ৰেণী ব্যৱস্থাত বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত আন্তঃ খাদ্যগ্ৰহণ আৰু আন্তঃ বিবাহৰ কোনো আনুষ্ঠানিক বাধা-নিষেধ নাই। জাতি ব্যৱস্থাৰ মূলাধাৰ হ'ল সবৰ্ণ অথবা আন্তঃ বিবাহ আৰু ইয়েই ব্যৱস্থাটোক বৰ্তমানলৈকে জীয়াই ৰাখিছে।
- জাতি ব্যৱস্থা হ'ল এক সংকীৰ্ণ ব্যৱস্থা। ইয়াত গতিশীলতাক বাধা দিয়া হয়। আনহাতে, শ্ৰেণী ব্যৱস্থা হ'ল এক মুক্ত ব্যৱস্থা। ইয়াত জন্মতকৈ ব্যক্তিৰ সফলতাৰ ওপৰত সামাজিক গতিশীলতা নির্ভৰশীল।

- এটা শ্রেণী গঠন কৰিবলৈ শ্রেণী সচেতনতাবোধ গঢ়ি উঠাটো প্রয়োজনীয়। কিন্তু জাতি ব্যৱস্থাত সদস্যসকলৰ কোনো বিষয়নিষ্ঠ সজাগতাৰ কোনো প্রয়োজন নাই।
- জাতি ব্যৱস্থাত আন্তঃ বিবাহ নীতিৰে জীৱনসংগী বাছিব লাগে। অর্থাৎ নিজৰ জাতিৰ ভিতৰতে বিয়া কৰাব লাগে। শ্রেণী ব্যৱস্থাত এনে কোনো বাধা-নিষেধ নাই।
- জাতি ব্যৱস্থা ঈশ্বৰৰ সৃষ্টি বুলি ভবা হয়। শ্রেণীৰ উৎস ধর্মনিৰপেক্ষ। কোনো ধর্মীয় গোড়ামিৰ আধাৰত শ্রেণী গঠন কৰা নহয়।
- বিভিন্ন জাতিৰ আপেক্ষিক মর্যাদা সমাজত সুপ্রতিষ্ঠিত। শ্রেণী ব্যৱস্থাত এনে কোনো অনমনীয়াভাৱে নির্ধাৰণ কৰি দিয়া মর্যাদা ক্রম নাথাকে।

৫.৩.৩ যজমানি ব্যৱস্থা আৰু প্রতিপত্তিশালী জাতি ঃ

জাতি ব্যৱস্থা হ'ল ভাৰতীয় সমাজৰ এক বিশেষত্ব। নগৰ-চহৰতকৈ গ্রামোঞ্চলত ইয়াৰ প্রভাৱ অধিক শক্তিশালী। জাতিয়ে সামাজিক আচৰণৰ নীতি-নিয়ম বান্ধি দিয়ে। এনে নীতি-নিয়ম উলংঘা কৰিব নোৱাৰি। জাতি ব্যৱস্থাৰ অন্তর্ভুক্ত প্রতিটো জাতিয়েই নিজৰ সদস্যসকলক বান্ধি ৰখা আৰু তেওঁলোকৰ আচৰণ নিয়ন্ত্রণ কৰাৰ প্রয়াস কৰে। জাতিভেদে পৰম্পৰা, প্রথা আৰু আচৰণৰ নীতি-নিয়ম ভিন ভিন হ'ব পাৰে। জাতিবোৰক সামাজিকভাৱে বহুতো গৌণ উপভাগত ভগোৱা হৈছে যদিও এনে বহুতো সামাজিক পৰিস্থিতিৰ উদ্ভৱ হয় যিবোৰত এটা জাতিক আন এটা জাতিৰ সহায়/সেৱাৰ প্রয়োজন হয়। জাতিবোৰৰ মাজত থকা এনে ধৰণৰ নির্ভৰশীলতাকে 'যজমানি ব্যৱস্থা' বোলা হয়। এই ব্যৱস্থাৰ অধীনত গাঁও এখনত বাস কৰা প্রতিটো দলেই অন্য জাতিক কিছুমান নির্দিষ্ট স্বীকৃত মানৱদ্ধ সেৱা আগবঢ়াব বুলি ভবা হয়। যেনে— ব্রাহ্মণ জাতিৰ প্রধান কাম হ'ল বিভিন্ন ধর্মীয় আৰু উৎসৱ-পার্বণৰ সৈতে জড়িত পূজা-পাতল কৰা। এগৰাকী ব্রাহ্মণে অন্য জাতিৰ লোকক পূজা-পাতলেৰে প্রয়োজনীয় ধর্মীয় ৰীতি-নীতি পালনত সহায় কৰি দিয়াৰ বিনিময়ত ধন নাইবা অন্য দ্রব্যৰ ৰূপত মূল্য লাভ কৰে। একেদৰে, ধোবাই অন্যৰ কাপোৰ ধোবাটো হ'ল তেওঁৰ 'যজমান'। তেওঁ আগবঢ়োৱা সেৱাৰ বিনিময়ত খাদ্য শস্যৰ অংশ এটা লাভ কৰিব পাৰে। বিয়া আৰু সন্তান জন্মাৰ দৰে কোনো বিশেষ উপলক্ষত ধোবাই বস্ত্র আৰু বাচন-বর্তনো লাভ কৰিব পাৰে।

- **প্রতিপত্তিশালী জাতি ঃ**

  এম. এন. শ্রীনিবাসে প্রতিপত্তিশালী জাতি ৰ ধাৰণাটো আগবঢ়াই কৈছিল যে অন্য জাতিতকৈ সদস্যৰ সংখ্যা অধিক জাতিটোকে প্রতিপত্তিশালী জাতি বোলা হয়। এটা জাতি প্রতিপত্তিশালী হ'বলৈ প্রয়োজন হোৱা প্রধান চর্তবোৰ হ'ল—

- অর্থনৈতিক শক্তি।
- ৰাজনৈতিক ক্ষমতা।
- ধর্মীয় বিধি-বিধানে প্রদান কৰা পবিত্রতা।

- সাংখ্যিক শক্তি।

শ্ৰীনিবাসৰ মতে, "এটা জাতিক তেতিয়াহে প্ৰতিপত্তিশালী বোলা হয় যেতিয়া অন্য জাতিতকৈ সাংখ্যিক দিশেৰে ইয়াৰ সদস্য অধিক হয় আৰু লগতে জাতিটো অৰ্থনৈতিক তথা ৰাজনৈতিক ক্ষমতাৰেও অন্যতকৈ বলীয়ান হয়। এটা বৃহৎ আৰু শক্তিশালী জাতি যদি স্থানীয় জাতি পদানুক্ৰম তালিকাত অতি নিম্ন স্থান নাথাকে তেন্তে ই সহজে প্ৰতিপত্তিশালী জাতিৰূপে মূৰ দাঙি উঠিব পাৰে।"

➢ **প্ৰতিপত্তিশালী জাতিৰ প্ৰকাৰ্য ঃ**

- প্ৰতিপত্তিশালী জাতি এটাই প্ৰায়েই নিম্ন জাতি সমূহৰ বাবে একোটা উল্লেখ আৰ্হিৰ কাম কৰে। নিম্ন জাতিৰ মানুহে প্ৰতিপত্তিশালী জাতিটোৰ আচৰণ, ধৰ্মীয় আচাৰ-বিধিৰ নমুনা, প্ৰথা আদিৰ নকল কৰে। এইদৰে প্ৰতিপত্তিশালী জাতি একোটাই সাংস্কৃতিক প্ৰচাৰ কাৰ্যত বৰঙণি আগবঢ়ায়।
- এক নিৰ্দিষ্ট স্থানৰ প্ৰতিপত্তিশালী জাতিবোৰে স্থানডোখৰত প্ৰচলিত বহুত্ববাদী সংস্কৃতি তথা ব্যৱস্থাবোৰৰ পহৰাদাৰৰ ভূমিকা পালন কৰে। তেওঁলোকে সামাজিক জীৱনৰ প্ৰতিমান আৰু নিৰ্দেশনাৱলী নিৰ্ধাৰণ কৰি দিয়ে। তেওঁলোকে পৌৰ তথা অৰ্থনৈতিক সা-সুবিধাবোৰো নিৰ্ধাৰণ কৰিব পাৰে।
- প্ৰতিপত্তিশালী জাতিবোৰ হ'ল সমাজৰ প্ৰধান ক্ষমতাৰ গৰাকী। তেওঁলোকে বাহিৰৰ চৰকাৰী বিষয়া, নিৰ্বাচিত প্ৰতিনিধি আৰু ৰাজনৈতিক নেতাবোৰৰ সৈতে সম্পৰ্ক স্থাপন কৰে। তেওঁলোকে ৰাজনৈতিক প্ৰক্ৰিয়াবোৰক প্ৰভাৱিত কৰিব পাৰে।
- প্ৰতিপত্তিশালী জাতিবোৰে সম্প্ৰদায়ৰ প্ৰমূল্য তথা প্ৰতিমানবোৰ নিৰূপণ কৰে। পৰম্পৰাগতভাৱে এই জাতিবোৰৰ প্ৰধান প্ৰকাৰ্যবোৰ ন্যায়িক, কাৰ্যকৰী আৰু বৈধতাৰ সৈতে জড়িত আছিল। তেওঁলোকে গাঁও আৰু বাহিৰৰ পৃথিৱীখনৰ মাজত যোগসূত্ৰ স্থাপন কৰে।
- গ্ৰাম্য সমাজত প্ৰভাৱশালী স্থিতিত থকা প্ৰতিপত্তিশালী জাতিবোৰে বিভিন্ন ধৰণে গ্ৰাম্য অৰ্থনীতি নিয়ন্ত্ৰণ কৰে।

প্ৰতিপত্তিশালী জাতিয়ে অন্য জাতি নাইবা সমূহৰ ওপৰত অৰ্থনৈতিক তথা ৰাজনৈতিক ক্ষমতা প্ৰয়োগ কৰে। এনে জাতিবোৰে স্থানীয় জাতিভিত্তিক পদানুক্ৰমত এক উচ্চ স্তৰৰ বিধি-বিধান সংগত প্ৰস্থিতি উপভোগ কৰে। প্ৰতিপত্তিশালী জাতি এটা ধৰ্মীয় বিধি-বিধানৰ দিশেৰে উচ্চ নহ'বও পাৰে। কিন্তু এনে জাতিক ধন-সম্পত্তি, ৰাজনৈতিক ক্ষমতা আৰু সাংখ্যিক শক্তিৰ দৰে কাৰকবোৰে এক উচ্চ প্ৰস্থিতি উপভোগৰ সুবিধা প্ৰদান কৰে। এনে জাতিত অধিক শিক্ষিত লোকৰ উপস্থিতি আৰু বৃত্তিজীৱী লোকৰ হাৰ উচ্চ হোৱা বাবেও তেওঁলোকে অন্য জাতি দলৰ ওপৰত নিজৰ প্ৰভাৱ খটুৱাব পাৰে। কেতিয়াবা প্ৰতিপত্তিশালী জাতিৰ একক 'গোত্ৰ' এটাই বহুতো অঞ্চলৰ একাধিক গাঁও নিয়ন্ত্ৰণ কৰা দেখা যায়। প্ৰতিপত্তিশালী জাতিয়ে নিজ জাতিৰ ভিতৰত তথা অন্য জাতিৰ সদস্যৰ মাজত চলা নানা বিবাদ নিষ্পত্তি কৰে। প্ৰতিপত্তিশালী

জাতিৰ সদস্যবোৰ বিশেষভাৱে ধনৱান আৰু ক্ষমতাশালী পৰিয়ালৰ সদস্য। তেওঁলোকে বিভিন্ন চৰকাৰী বিষয়-বৰীয়াৰ সৈতে মিলি গাঁৱৰ বিভিন্ন কাম-কাজ সম্পন্ন কৰাৰ বাবে প্ৰতিনিধিৰ ভূমিকা পালন কৰে।

৫.৩.৪ অনুসূচিত জাতি আৰু তেওঁলোকৰ সমস্যাসমূহ

অনুসূচিত জাতিক সামাজিক পদানুক্ৰমত সবাতোকৈ তলত স্থান দিয়া হয়। অধিকাংশ পিছপৰা নাইবা নিষ্পেষিত শ্ৰেণীৰে অনুসূচিত জাতি গঠিত। তেওঁলোকক সাধাৰণতে অস্পৃশ্য বুলি গণ্য কৰা হয়। তেওঁলোক 'হৰিজন' নামেৰে জনাজাত। অৱশ্যে ভাৰতৰ সকলো অঞ্চলতে সকলো অনুসূচিত জাতিৰ লোককে অস্পৃশ্য বুলি গণ্য কৰা নহয়। এই জাতিবোৰ আৰ্থিকভাৱে পিছপৰা আৰু সামাজিকভাৱে অৱদমিত। তেওঁলোক মুঠ ভাৰতীয় জনসংখ্যাৰ ভিতৰত শৈক্ষিকভাৱেও সবাতোকৈ উপেক্ষিত জাতি।

বৃটিছসকলে তথাকথি 'অস্পৰ্শ্য'সকলক 'বহিস্থ জাতি' বুলি কৈছিল। চাইমন আয়োগে পোন প্ৰথমবাৰৰ বাবে 'অস্পৃশ্য জাতি'ৰ অভিধাটো ব্যৱহাৰ কৰিছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত অস্পৃশ্যসকলক 'অনুসূচিত জাতি'ৰ মৰ্যাদা দিয়া হৈছিল। ভাৰতীয় সংবিধানেও এই লোকসকলক 'অনুসূচিত জাতি' বুলি উল্লেখ কৰে। মহাত্মা গান্ধীয়ে তেওঁলোক 'হৰিজন' ঈশ্বৰৰ লোক বুলি সম্বোধন কৰিছিল।

➢ **সংজ্ঞা ঃ**

❍ ডি. এম. মজুমদাৰৰ মতে 'অনুসূচিত জাতি' অভিধাটোৰে 'অস্পৃশ্য জাতি'বোৰক বুজোৱা হয়। বিভিন্ন ধৰণৰ সামাজিক আৰু ৰাজনৈতিক প্ৰতিবন্ধকতাৰ মুখামুখি হ'বলগীয়া হোৱা জাতিবোৰক অস্পৃশ্য জাতি বোলে। এনে প্ৰতিবন্ধিকতাবোৰৰ অধিকাংশই পৰম্পৰাগতভাৱে ঠিৰাং কৰা। এইবোৰ উচ্চ জাতিৰ লোকে সামাজিকভাৱে বলবৎ কৰি আহিছে।

❍ আৰ্থিক, সামাজিক, শৈক্ষিক তথা ৰাজনৈতিকভাৱে পিছপৰা জাতিবোৰকে অনুসূচিত জাতি বোলা হয়। অন্য জাতিৰ লোকে 'অস্পৃশ্য' আখ্যা দি তেওঁলোকক নিজৰ পৰা আঁতৰত ৰাখে।

➢ **অনুসূচিত জাতিৰ সমস্যাসমূহ ঃ**

অনুসূচিত জাতিবোৰে বিভিন্ন সামাজিক, ধৰ্মীয়, ন্যায়িক, আৰ্থিক, শৈক্ষিক আৰু অন্য প্ৰতিবন্ধিকতাৰ সন্মুখীন হৈ আহিছে। তেওঁলোকৰ সমস্যাবোৰ তলৰ শিতানবোৰৰ জৰিয়তে বুজিব পৰা যাব—

❍ **অস্পৃশ্যতাৰ সমস্যা ঃ**

অনুসূচিত জাতিৰ লোকসকলে জাবৰ-জোথৰ আৰু মৰা জন্তু পেলোৱা, শৌচ-প্ৰস্ৰাৱাগাৰ আৰু গোহালি আদি পৰিষ্কাৰ কৰা, কাপোৰ ধোৱা আৰু শ্মশানৰ কিছুমান নিৰ্দিষ্ট কাম কৰা আদিৰ দৰে অপৰিষ্কাৰ কাৰ্যক বৃত্তি হিচাপে গ্ৰহণ কৰিবলগীয়া হৈছিল। এনে বৃত্তিবোৰক

অপবিত্র বুলি গণ্য কৰা হৈছিল। সেয়েহে যিসকল লোকে এই কামবোৰ কৰে তেওঁলোকক অস্পৃশ্য বুলি ধৰা হৈছিল।

- **শৰীৰ স্পর্শ কৰিব নোৱাৰিছিল ঃ** অস্পৃশ্যসকলে উচ্চ জাতিৰ লোকৰ পৰা দূৰত্ব বৰ্তাই ৰাখিব লাগিছিল।
- **উমৈহতীয়া কুঁৱা আৰু জলভাণ্ডাৰ ব্যৱহাৰ কৰিব নোৱাৰিছিল ঃ** সমাজৰ নিম্নস্তৰৰ জাতিবোৰৰ সদস্যসকলে উমৈহতীয়া গাঁৱলীয়া কুঁৱা নাইবা পুখুৰী আদিৰ পৰা খোৱাপানী সংগ্রহ কৰিব নোৱাৰিছিল।
- **মন্দিৰত সোমাব নোৱাৰিছিল ঃ** অনুসূচিত জাতিৰ লোকে ঈশ্বৰ পূজা কৰিবলৈ মন্দিৰৰ ভিতৰত প্রৱেশ কৰিব নোৱাৰিছিল।
- **অস্পৃশ্যই তৈয়াৰ কৰা খাদ্য গ্রহণ কৰা নহৈছিল ঃ** অনুসূচিত জাতিৰ লোকে তৈয়াৰ কৰা খাদ্য উচ্চ জাতিৰ লোকে গ্রহণ নকৰিছিল।
- **নির্ভৰশীল প্রৱণতা ঃ** অনুসূচিত জাতিৰ লোকসকল জীৱিকা তথা অস্তিত্ব বৰ্তাই ৰখাৰ বাবে অন্যৰ ওপৰত নির্ভৰশীল আছিল।
- **দৰিদ্রতাৰ সমস্যা ঃ**

  অনুসূচিত জাতিৰ লোকসকল অর্থনৈতিক অধিকাৰৰ পৰা বঞ্চিত আছিল। সেয়েহে তেওঁলোক দুখীয়া হৈয়েই ৰৈ গৈছিল আৰু অন্যৰ ওপৰত নির্ভৰশীল আছিল। অনুসূচিত জাতিৰ দৰিদ্রতাৰ সৈতে জড়িত সমস্যাবোৰ আছিল এনেধৰণৰ—
- **পার্থিৱ সম্পত্তিৰ পৰা বঞ্চিত ঃ** অনুসূচিত জাতিৰ লোকক কোনো ধৰণৰ পার্থিৱ সম্পত্তিৰ গৰাকী হ'বলৈ দিয়া নহৈছিল।
- **ভূমিহীন অৱস্থা ঃ** অনুসূচিত জাতিৰ লোকৰ ঘৰ বান্ধিবলৈ আৰু খেতি কৰিবলৈ মাটি নাছিল।
- **শৈক্ষিক অনগ্রসৰতা ঃ** বন্ধনা আৰু শোচনীয় আর্থ-সামাজিক অৱস্থাৰ বাবে অনুসূচিত জাতিৰ লোকসকল বিদ্যালয়লৈ নগৈছিল। ফলত তেওঁলোক শৈক্ষিকভাৱেও পিছপৰি ৰৈছিল।
- **কর্মসংস্থাপন আৰু চৰকাৰী সেৱা ঃ** দেশে স্বাধীনতা লাভ কৰাৰ পাছত অনুসূচিত জাতিৰ কিছু লোকক চাফাই কর্মী, চকীদাৰ, পিয়ন আদিৰ দৰে চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছিল। বর্তমান বহুতো অনুসূচিত জাতিৰ লোকে উচ্চ শিক্ষা গ্রহণ কৰি গুৰুত্বপূর্ণ পদবীত চাকৰি কৰি আছে। তথাপিও এক বুজন সংখ্যক অনুসূচিত জাতিৰ লোকে এতিয়াও কৃষিখণ্ডত কাম কৰা শ্রমিক হিচাপে পেট প্রৱর্তাই আছে। তেওঁলোকক আজিও মজুৰি পৰিশোধ কৰাৰ সময়ত নানা ধৰণে শোষণ কৰা হয়।
- **ঋণগ্রস্ততা আৰু বন্ধুৱা শ্রমিক ঃ** অর্থনৈতিক বঞ্চনা আৰু শোচনীয় আর্থিক অৱস্থাৰ বাবে অনুসূচিত জাতিৰ লোকে বিভিন্ন সময়ত জীয়াই থকাৰ স্বার্থত ঋণ ল'বলগীয়া হয়। সময় মতে সূতসহ মূলধন ওভটাব নোৱাৰি তেওঁলোকৰ বহুতেই ধৰুৱা হৈ পৰে। কেতিয়াবা

তেওঁলোকে উপায়হীন হৈ বনুৱা-শ্ৰমিকৰূপে কাম কৰিবলগীয়া হয়।

- **বৃত্তি বাছনিৰ সীমাবদ্ধতা ঃ** জাতি ব্যৱস্থাই অনুসূচিত জাতিৰ লোকসকলৰ ওপৰত বৃত্তি বাছি লোৱাৰ ক্ষেত্ৰত নানা ধৰণৰ বাধা-নিষেধ আৰোপ কৰে। হৰিজনসকলৰ বাবে বৃত্তি বাছনিৰ সুযোগ আগতে যথেষ্ট সীমাবদ্ধ আছিল।
- **ৰাজনৈতিক প্ৰতিবন্ধকতা ঃ**

  অস্পৃশ্যসকলে ৰাজনৈতিক বিষয়ত অংশগ্ৰহণ নকৰে বুলিয়েই ক'ব পাৰি। ভাৰতৰ ৰাজনীতি, প্ৰশাসন আৰু সাধাৰণ শাসন ব্যৱস্থাত তেওঁলোকক কোনো স্থান দিয়া হোৱা নাছিল। তেওঁলোকৰ কোনো ৰাজহুৱা পদ গ্ৰহণ কৰাৰ অধিকাৰ নাছিল। তেওঁলোকৰ ৰাজনৈতিক প্ৰতিনিধিত্বক অস্বীকাৰ কৰা হৈছিল। তেওঁলোকৰ ভোট দিয়াৰ অধিকাৰ আছে যদিও এক সংগঠিত শক্তিৰ ৰূপ ল'বলৈ অনুসূচিত জাতিবোৰক যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব।

➢ **অনুসুচিত জাতিৰ কল্যাণৰ বাবে থকা ব্যৱস্থাসমূহ ঃ**

ভাৰত চৰকাৰে আৰম্ভণিৰে পৰা অনুসূচিত জাতিৰ অধিকাৰবোৰ উন্নত কৰাৰ চেষ্টা চলাই আহিছে। চৰকাৰে বিভিন্ন সাংবিধানিক আৰু বিধায়িনী ব্যৱস্থাৰে অনুসূচিত জাতিৰ কল্যাণক পোষকতা কৰাৰ প্ৰয়াস চলাইছে।

- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই ঘোষণা কৰিছে যে ই প্ৰত্যেকৰে বাবে সমতা সুনিশ্চিত কৰিব, ভ্ৰাতৃত্ববোধৰ পোষকতা কৰিব, সকলোকে স্বাধীনতাৰ নিশ্চিতি দিব আৰু সকলোকে ন্যায় প্ৰদান কৰিব।
- সংবিধানৰ ১৫, ১৬, ১৭, ৩৮ আৰু ৪৬ নম্বৰ দফাকেইটাই এই নিশ্চিতি দিছে যে ৰাষ্ট্ৰই কেতিয়াও ধৰ্ম, জাতি নাইবা শ্ৰেণীৰ আধাৰত কোনো ব্যক্তিৰ প্ৰতি বৈষম্যমূলক আচৰণ নকৰে।
- সংবিধানৰ ১৫ নম্বৰ দফাই ধৰ্ম, জাতি, বংশ, লিংগ নাইবা জন্মস্থানৰ আধাৰত সকলো ধৰণৰ বৈষম্য নিষিদ্ধ কৰিছে।
- সংবিধানৰ ১৭ নম্বৰ দফাত অস্পৃশ্যতা নিৰ্মূল কৰা বুলি কোৱা হৈছে। দফাৰ বিধি উলংঘা কৰিলে আইন মতে দণ্ডনীয় অপৰাধ বুলি গণ্য কৰা হ'ব বুলিও কোৱা হৈছে।
- সংবিধানৰ ৪৬ নম্বৰ দফাই অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্য দুৰ্বল শ্ৰেণীৰ লোকৰ শৈক্ষিক তথা আৰ্থিক স্বাৰ্থৰ পোষকতা কৰিছে।
- সংবিধানৰ ৩৩০ নম্বৰ দফাই সংসদ তথা বিধানসভাবোৰত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ প্ৰতিনিধিত্ব সংৰক্ষিত কৰিছে।
- সংবিধানৰ ৩৩৫ নম্বৰ দফাই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিয়ে বিভিন্ন সেৱা তথা পদৰ বাবে দাবী কৰিব পাৰে বুলি উল্লেখ কৰিছে।
- সংবিধানৰ ৩৩৮ নম্বৰ দফাই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে এখন ৰাষ্ট্ৰীয় আয়োগ নিয়োগ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক কৰ্তৃত্ব দিছে।

- সংবিধানৰ ৩৩৯ নম্বৰ দফাই অনুসূচিত অঞ্চলবোৰৰ প্ৰশাসন তথা ৰাজ্যবোৰৰ অনুসূচিত জাতিবোৰৰ কল্যাণ সম্পৰ্কীয় প্ৰতিবেদন দাখিল কৰিব পৰা এক আয়োগ গঠন কৰিবলৈ ৰাষ্ট্ৰপতিক ক্ষমতা প্ৰদান কৰিছে।
- সংবিধানৰ ৩৪১ নম্বৰ দফাই কোনো এক নিৰ্দিষ্ট ৰাজ্য নাইবা কেন্দ্ৰীয় শাসিত প্ৰদেশত কোনবোৰ জাতি, ফৈদ অথবা জনজাতি সম্প্ৰদায়ক অনুসূচিত জাতি বুলি ধৰা হ'ব সেয়া সুনিশ্চিত কৰাৰ ক্ষমতা ৰাষ্ট্ৰপতিক অৰ্পণ কৰিছে।

৫.৩.৫ অস্পৃশ্যতা নিৰ্মূলকৰণ

ভাৰতীয় সংবিধানৰ ১৭ নম্বৰ দফাই অস্পৃশ্যতা নিৰ্মূল হোৱা বুলি ঘোষণা কৰিছে। ১৯৫৫ চনৰ অস্পৃশ্যতা অপৰাধ আইনখন বলবৎ কৰি অস্পৃশ্যতাক এক অপৰাধ বুলি ঘোষণা কৰা হৈছে। আইনখনে কৰ্মসংস্থাপন, খোৱাপানী যোগান, উপাসনা, বাছ নাইবা ট্ৰেইনেৰে কৰা ভ্ৰমণ, চিকিৎসালয়ত ভৰ্তি আদি বিষয়ত অস্পৃশ্যতাৰ অনুশীলন নিষিদ্ধ ঘোষণা কৰিছে। আইনখনে অস্পৃশ্যতাৰ অনুশীলনক জৰিমনা আৰু অন্য ধৰণে শাস্তি প্ৰদান যোগ্য কাৰ্য বুলিও কৈছে। ১৯৭৬ চনৰ অস্পৃশ্যতা (অপৰাধ) সংশোধনী আৰু অন্যান্য বিষয়ৰ আইনখনে অস্পৃশ্যতাৰ অনুশীলন কৰাসকলৰ শাস্তি বৃদ্ধি কৰিছে। কিন্তু ইমানবোৰ নিষেধকাৰী ব্যৱস্থা থকা সত্বেও ভাৰতৰ পৰা অস্পৃশ্যতা সম্পূৰ্ণ আঁতৰা নাই। গ্ৰামাঞ্চলবোৰত ই আজিও এক সামাজিক বাস্তৱ।



অগ্ৰগতি নিৰীক্ষণ

১। জাতিৰ সংজ্ঞা দিয়ক।

.....

.....

২। জাতিৰ প্ৰকৃতি কিয় সবৰ্ণ বিবাহকেন্দ্ৰিক ?

.....

.....

৩। জাতি ব্যৱস্থা এটাৰ ভিতৰত সামাজিক প্ৰস্থিতি কেনেদৰে নিৰূপণ কৰা হয় ?

.....

.....

৪। প্ৰতিপত্তিশালী জাতি বুলিলে কি বুজে ?

.....

.....

৫। অনুসূচিত জাতিৰ প্ৰতি কিয় চৰকাৰে বিশেষ মনোযোগ দিয়া উচিত ?

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জাতি হ'ল ভাৰতত প্ৰচলিত এক বিশেষ ধৰণৰ সামাজিক স্তৰীভৱন।
- জাতিৰ বৈশিষ্ট্য ইয়াৰ গৌণ বিভাজন, পদানুক্ৰম, সৰ্বণ বিবাহ, জীৱিকা স্থিৰকৰণ, সাংস্কৃতিক পাৰ্থক্য, পবিত্ৰ-অপবিত্ৰৰ ধাৰণা, আৰোপিত প্ৰস্থিতি আৰু উলম্ব গতিশীলতাৰ অনুপস্থিতি আদিৰ মাজত লুকাই থাকে।
- জাতিৰ প্ৰকৃতি ধৰ্মীয় আৰু শ্ৰেণীৰ প্ৰকৃতি অৰ্থনৈতিক।
- একাধিক জাতিৰ মাজৰ নিৰ্ভৰশীলতাক 'যজমানি ব্যৱস্থা' নামেৰে বুজোৱা হয়। এখন গাঁৱৰ প্ৰতিটো জাতি দলে অন্য জাতিবোৰক কিছুমান সুনিৰ্দিষ্ট স্বীকৃত মানদণ্ড সেৱা আগবঢ়াব বুলি আশা কৰা হয়।
- এম. এম. শ্ৰীনিবাসে প্ৰতিপত্তিশালী জাতিৰ ধাৰণাটো আগবঢ়াইছিল। প্ৰতিপত্তিশীল জাতি এটাৰ সদস্যৰ সংখ্যা সবাতোকৈ অধিক হোৱাৰ লগতে ই অন্য জাতিবোৰক ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশেৰেও প্ৰভাৱিত কৰে।
- সামাজিক পদানুক্ৰম তালিকাত অনুসূচিত জাতিৰ স্থান সবাতোকৈ তলত। তেওঁলোকে মুঠ ভাৰতীয় জনসংখ্যাৰ ভিতৰত সবাতোকৈ অধিক পৰিমাণে সামাজিকভাৱে নিষ্পেষিত, আৰ্থিকভাৱে পিছপৰা আৰু শৈক্ষিক দিশত অৱহেলিত অংশ।
- অনুসূচিত জাতিৰ অনগ্ৰসৰতা আঁতৰ কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে বহুতো বিধায়িনী ব্যৱস্থা হাতত লৈছে।
- অনুসূচিত জাতিৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত হৈ থকা আন এক বিষয় হ'ল অস্পৃশ্যতা। ভাৰতীয় সংবিধানৰ ১৭ নম্বৰ দফাৰ অধীনত অস্পৃশ্যতাক এক শাস্তি দিয়াৰ যোগ্য অপৰাধ বুলি ঘোষণা কৰা হৈছে।



৫.৫ অধিক জানিবলৈ

১) Sharma K.L. (1986): Essays in Social Stratification, Jaipur, Rawat Publications.

২) Tumin, M.M. (1994): Social Stratification: The Forms and Functions of Inequality, New Delhi: PHI.

৫.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰিচলেৰ সংজ্ঞা মতে, "এটা উমৈহতীয়া নাম থকা; কোনো এক পৌৰাণিক

মানৱীয় অথবা সৰগীয় সত্বাৰ পৰা সৃষ্ট এক উমৈহতীয়া পূৰ্বপুৰুষ থকা বুলি দাবী কৰা; বংশগতভাৱে লাভ কৰা একেটা বৃত্তিকে অনুসৰণ কৰা বুলি কোৱা; আৰু মতামত দাঙি ধৰিব পৰাকৈ অৰ্হতা থকাসকলে এটা একক সমৰূপ সম্প্রদায় গঠন কৰিব পাৰিব বুলি কোৱা একাধিক পৰিয়াল নাইবা দলৰ থূপ এটাকে জাতি বোলে।"

২নং প্রশ্নৰ উত্তৰ ঃ জাতি ব্যৱস্থাত ব্যক্তি এগৰাকী জন্মৰ পৰা মৃতুলৈকে একেটা জাতিতেই ৰৈ যায়। প্রতিটো জাতিৰে বিভিন্ন উপজাতি থাকে। জাতিয়ে সদস্যসকলক নিজ জাতিৰ বাহিৰত বিয়া নকৰাবলৈ কয়। সেয়েহে জাতিৰ প্রকৃতি সবর্ণ বিবাহকেন্দ্রিক বুলি কোৱা হয়।

৩নং প্রশ্নৰ উত্তৰ ঃ প্রস্থিতি হ'ল জাতি ব্যৱস্থাৰ এক আৰোপিত বৈশিষ্ট্য। মানুহ জন্মসূত্রে যিটো জাতিৰ সদস্য হয় সেইটো জাতিত আগৰে পৰাই একোটা প্রস্থিতি আৰোপ কৰা থাকে। মানুহে সেই প্রস্থিতিটোকে সাধাৰণতে গ্রহণ কৰিবলগীয়া হয়। অর্থাৎ প্রস্থিতি জন্মৰ দ্বাৰা নিৰূপিত হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ এম. এন. শ্রীনিবাসৰ মতে "এটা জাতিক তেতিয়াহে প্রতিপত্তিশালী বোলা হয় যেতিয়া অন্য জাতিতকৈ সাংখ্যিক দিশেৰে ইয়াৰ সদস্য অধিক হয় আৰু লগতে জাতিটো অর্থনৈতিক তথা ৰাজনৈতিক ক্ষমতাৰেও বলীয়ান হয়। এটা বৃহৎ আৰু শক্তিশালী জাতি যদি স্থানীয় জাতি পদানুক্রম তালিকাত অতি নিম্ন স্থানত নাথাকে তেন্তে ই সহজে প্রতিপত্তিশালী জাতিৰূপে মূৰ দাঙি উঠিব পাৰে।"

৫নং প্রশ্নৰ উত্তৰ ঃ অনুসূচিত জাবোৰ সামাজিক ক্রমত সবাতোকে নিম্ন স্তৰত থাকে। অধিকাংশ পিছপৰা নাইবা নিষ্পেষিত শ্রেণীৰে অনুসূচিত জাতি গঠিত। এই জাতিবোৰ আর্থিকভাৱে পিছপৰা আৰু সামাজিকভাৱে অৱদমিত। তেওঁলোক মুঠ ভাৰতীয় জনসংখ্যাৰ ভিতৰত শৈক্ষিকভাৱেও সবাতোকৈ উপেক্ষিত জাতি। সেয়েহে সমাজৰ অন্যসকলৰ সৈতে ফেৰ মাৰিব পৰা কৰি তুলিবলৈ চৰকাৰে অনুসূচিত জাতিৰ উন্নয়নৰ প্রতি বিশেষ মনোযোগ দিয়া উচিত।



৫.৭ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ যজমানি ব্যৱস্থা বুলিলে আপুনি কি বুজে?

প্রশ্ন ২ঃ বর্ণ আৰু জাতিৰ মাজত কি পার্থক্য আছে?

(খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ জাতি কি? ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ অনুসূচিত জাতিবোৰে মুখামুখি হোৱা সমস্যাবোৰ কি কি? সমাজৰ এই অংশটোৰ উন্নতিৰ বাবে কি কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

*** ***** ***

অধ্যায় ৬ ঃ জাতিৰ পৰিৱৰ্তিত ৰূপ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ জাতিবাদঃ অর্থ আৰু কাৰণ

৬.৩.১ জাতি আৰু ৰাজনীতিৰ মাজৰ সম্পর্ক

৬.৩.২ ভোটদানৰ আচৰণ

৬.৩.৩ ৰাজনৈতিক অভিজাত

৬.৩.৪ জাতিৰ একত্রীকৰণ

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান

৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায় অধ্যয়ন কৰি আপুনি-

- জাতিবাদৰ অৱধাৰণা বুজিব পাৰিব।
- জাতি আৰু ৰাজনীতিৰ মাজত সম্পর্ক বুজিব পাৰিব।
- অভিজাতৰ সূত্রৰ লগতে জাতিৰ একত্রীকৰণ ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

জাতিবাদ হৈছে জাতিপ্রথাৰ সৈতে জৰিত এক সামাজিক সমস্যা। সামাজিক জীৱনৰ প্রতিটো স্তৰত জাতিপ্রথাই প্র ভাৱ বিস্তাৰ কৰাৰ বাবেই জাতিবাদেও মুৰ দাঙি উঠিছে। চৰকাৰী আঁচনি আৰু গণতন্ত্রৰ সু-নীতি প্র ৱর্তনৰ ক্ষেত্রত হেঙাৰ হৈ থিয় দিয়াৰ লগতে পাৰস্পৰিক ভুল বুজাবুজি ৰ সৃষ্টি কৰা বাবে জাতিবাদক সামাজিক সমস্যাৰূপে গণ্য কৰা হয়। সামাজিক-অর্থনৈতিক অগ্রাধিকাৰ আৰু ক্ষমতাৰ উচ্চ অংশ লাভ কৰাৰ বিবাদৰূপে এই জাতিবাদে সমস্যাৰ সৃষ্টি কৰে। উচ্চাত্মিকাবোধ বা নীচাত্মিকাবোধৰ নামত এটা জাতিৰ সদস্যই আন এটা জাতিৰ সদস্যক হাৰাশাস্তিৰ ৰূপ লয়গৈ জাতিবাদে। ইয়াৰ আগৰ অধ্যায়টিত আমি ভাৰতবর্ষৰ জাতিপ্রথাৰ বিষয়ে বিতং ভাৱে জানিলো। এই অধ্যায়ত আমি বর্তমান সময়ৰ জাতি প্রথাৰ পৰিবর্তিত ৰূপ সম্পর্কে বুজিবলৈ চেষ্টা কৰিম যত আমি জাতিবাদৰ ওপৰত প্রধানকৈ মনোযোগ দিম।

৬.৩ জাতিবাদ ঃ অর্থ আৰু কাৰণ

এটা নির্দিষ্ট জাতিৰ প্রতি একপক্ষীয় সমর্থনৰ ভিত্তিত জাতিবাদক ব্যাখ্যা কৰা হয়। ইয়াৰ জৰিয়তে জাতিটোৰ সদস্যসকলে নিজৰ জাতিটোক লৈ অত্যন্ত সচেতন হৈ পৰে আৰু প্রতিটো দিশ জাতিগত কথাৰে বিবেচনা কৰে। আন জাতিৰ সদস্যৰ স্বার্থ বিঘ্নিত কৰি হ'লেও নিজৰ জাতিগত স্বার্থ সুৰক্ষিত কৰাৰ প্রৱনতা ইয়াত তীব্রতৰ হৈ পৰে।

আৰ এন শর্মাৰ মতে, 'জাতিবাদ হৈছে কোনোবাই নিজৰ জাতি বা উপ জাতিক অন্ধভাৱে কৰা সমর্থন, এনে কৰোতে আন জাতিৰ স্বার্থৰ প্রতি তিলমানো গুৰুত্ব দিয়া নহয়, কেৱল নিজৰ জাতিৰ সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু আন স্বার্থ ৰক্ষাত গুৰুত্ব প্রদান কৰা হয়।'

ডি এন প্রসাদৰ মতে, 'জাতিবাদ জাতিৰ প্রতি আনুগত্যৰ ৰাজনৈতিক ৰূপ। এয়া হৈছে একপ্রকাৰৰ অন্ধ আৰু মাত্রাধিক জাতিগত আনুগত্য যিয়ে ন্যায়, ভূমিকা, সমতা আৰু বিশ্বজনীন ভাতৃত্ববোধৰ স্বাস্থ্যসন্মত সামাজিক মান খণ্ডন কৰে।'

- **জাতিবাদৰ কাৰণ**

সামাজিক সম্পর্কৰ জালগোঁথনিত ঋণাত্মক প্রভাৱ পেলোৱা জাতিবাদৰ বহুকেইটা কাৰণ আছে, এইসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

- **জাতিৰ মাজত প্রচলিত অর্ন্তবিবাহঃ** হিন্দু সমাজৰ প্রচলিত বিবাহ প্রথাৰ ক্ষেত্রত আৰোপিত বাধা নিষেধৰ বাবেই জাতি প্রথাৰ সৃষ্টি হৈছে। প্রতিটো জাতিয়ে অর্ন্তবিবাহ প্রথা মানি চলে অর্থাৎ বিয়া কেৱল নিজৰ জাতিৰ সদস্যৰ মাজতহে হয়। এই নিয়মৰ বাবেই বৈবাহিক সম্পর্কবোৰ মানুহৰ সৰু গোটৰ মাজত আৱদ্ধ হৈ আছে। অর্ন্তবিবাহৰ এই অনুশীলনে সমাজৰ মানুহক সংকীর্ণ মনৰ কৰি তুলিছে।
- **জাতি প্রথা মানি চলাৰ তীব্র হেঁপাহ ঃ** এটা নির্দিষ্ট জাতিৰ লোকসকলৰ মাজত জাতিটোৰ প্রতি আনুগত্যতা প্রকাশৰ হেঁপাহ অর্ন্তনিহিত হৈ থাকে। ইয়াৰ বাবেই সমাজত জাতিটোৰ সন্মান ৰক্ষাৰ কৰা প্রতি অধিক সচেতন হৈ পৰে সকলো। প্রতিজন সদস্যই সেইবাবেই জাতিৰ সন্মান ৰক্ষা কৰিবলৈ মন-প্রাণ সঁপি চেষ্টা কৰে। সুযোগ পালেই নিজৰ জাতিৰ আন সদস্যৰ প্রতি সমর্থন জনোৱাৰ এটা সুযোগো সেইবাবেই স্বজাতীয়সকলে এৰি নিদিয়ে। জাতিৰ প্রতি আনুগত্য ৰক্ষাই আন জাতিৰ লোকসকলক নিলগাই থয়।
- **যোগাযোগ আৰু যাতায়তৰ উন্নতি সাধনে জাতিৰ সংগঠনত সহায় কৰে ঃ** যোগাযোগ আৰু যাতায়তৰ ক্ষেত্রত হোৱা উন্নতিয়ে জাতিৰ সদস্যসকলক পৰস্পৰৰ সৈতে সম্পর্ক ৰক্ষাত সহায় কৰিছে। ইয়াৰ ফলত জাতিৰ সংগঠন শক্তিশালী হোৱাৰ লগতে জাতিগত দিশত কার্য পৰিচালনাত সহায়ক হৈছে।
- **নগৰীকৰণে পৰোক্ষভাৱে জাতিবাদক সহায় কৰিছে ঃ** উদ্যোগীকৰণ আৰু নগৰীকৰণৰ ফলত অধিক সংখ্যক লোক নগৰৰ ফালে আকৃষ্ট হ'বলৈ ধৰিছে। গাঁৱৰ পৰা যেতিয়া লোকসকল চহৰলৈ আহে তেতিয়া তেওঁলোকে জাতিৰ আলম লৈয়ে আপোনজনৰ

সন্ধান কৰে। স্বজাতীয় লোকসকলক তেওঁলোকে সম্ভাব্য বন্ধু আৰু পৰম আত্মীয় জ্ঞান কৰে। এনেদৰে চহৰৰ পৰিৱেশে জাতিগত মানসিকতা গঢ়াত সহায় কৰিছে।

- **সদস্যসকলৰ মাজত জাতিৰ শক্তিশালী প্ৰভাৱ ঃ** জাতি হৈছে এক শক্তিশালী সহাৱস্থানকাৰী সমূহ। সদস্যসকলৰ মাজত ইয়াৰ প্ৰভাৱ অপৰিসীম। টানে-আপদে, সমস্যাজৰ্জৰ আৰু জৰুৰীকালীন সময়ত সদস্যসকলে সহায়ৰ বাবে জাতিটোৰ মুখলৈ চাই ৰয়। এইধৰনে জাতিৰ ওপৰত সদস্যসকলৰ নিৰ্ভৰশীলতাই জাতিবাদৰ সমস্যাক অধিক জটিল কৰি তুলিছে।

৬.৩.১ জাতি আৰু ৰাজনীতিৰ মাজৰ সম্পৰ্ক

দীৰ্ঘসময়ৰ পৰাই ভাৰতীয় সমাজত জাতি আৰু ৰাজনীতিৰ সম্পৰ্ক এক গৱেষণাৰ বিষয়। আন্দ্ৰে বেটেইলি, ৰজনী কোথাৰি আৰু অনিল ভট্টৰ দৰে সমাজতত্ত্ববিদে এই বিষয়ে বিভিন্ন দিশ উদঙাই দিছে। এম এন শ্ৰীনিৱাসৰ মতে, ৰাজনীতিত জাতিৰ প্ৰভাৱৰ বাবে ইয়াক আমি চাপ সমূহৰ সৈতে ৰিজাব পাৰো। অৱশ্যে আধুনিকতাৰ পৰশত ৰাজনীতিৰ ওপৰত জাতিৰ প্ৰভাৱ হ্ৰাস পাইছে।

আনহাতে আন্দ্ৰে বেটেইলিৰ মতে, পশ্চিমীয়াকৰণে ব্যক্তিক জাতিৰ পৰিচয়ৰ পৰা নিলগাবলৈ ধৰিছে যদিও ৰাজনীতিত জাতিৰ ভূমিকাৰ বাবে মানুহ ইয়াৰ প্ৰতি আকৰ্ষিত হোৱাৰ লগতে জাতি মজবুত হৈছে। লগতে অৱশ্যে তেওঁ এই কথাও কৈছে যে, ভোটদান কৰাৰ সময়ত জাতিৰ প্ৰতি আনুগত্যৰ বিপৰীত ব্যৱহাৰ হয়।

অনিল ভট্টে কৰা প্ৰভাৱশালী জাতি আৰু ৰাজনৈতিক প্ৰক্ৰিয়াৰ বিশ্লেষণত ৰাজনীতি আৰু নিম্নজাতিৰ মাজত সজাগতাৰ ক্ষেত্ৰত জাতিয়ে লোৱা গুৰুত্বপূৰ্ণ ভূমিকা প্ৰকাশ পাইছে। তেওঁ লক্ষ্য কৰিছিল যে উচ্চশ্ৰেণীৰ মাজত কম ৰাজনৈতিক আগ্ৰহ আৰু নিম্ন জাতিৰ মাজত অধিক ৰাজনৈতিক আগ্ৰহ থাকে। উচ্চশ্ৰেণীৰ মাজত ৰাজনৈতিক সজাগতা বেছি, নিম্নশ্ৰেণীৰ মাজত ৰাজনৈতিক সজাগতা কম। সামূহিক শক্তিৰে স্বাৰ্থ ৰক্ষাৰ বাবে ওলাই অহাৰ বাবে নিম্নশ্ৰেণীৰ মাজত সফলতাৰ হাৰ অধিক। ৰাজনীতিত এই জাতিসমূহ জৰিত হৈ পৰাৰ বাবেই হিন্দু সমাজৰ পদানুক্ৰমত ইয়াৰ স্থান সলনি হৈছে। জাতিৰ প্ৰতি আত্মীয়তাৰ অনুভৱ আৰু ৰাজনৈতিক ক্ষমতাৰ বলত তেওঁলোকে অধিক পৰিমাণে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সফলতা লাভ কৰিছে।

ৰজনী কোথাৰিয়ে জাতি আৰু ৰাজনীতিৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰিছে। তেওঁ ভাৰতত জাতি আৰু ৰাজনীতিৰ আন্তঃবিনিময়ৰ বিষয়ে আলোচনা কৰোতে তিনিটা দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

ইয়াৰ প্ৰথম দিশটো ৰাজনৈতিক সংস্পৰ্শৰ ফলত জাতিক ধৰ্মনিৰপেক্ষ ৰূপ হিচাপে লক্ষ্য কৰিব পাৰি। ইয়াৰদ্বাৰা পৰম্পৰাগত শিথিল নীতি-নিয়মৰ অৱসান ঘটিব আৰু পুৰণি (সামাজিক-ৰাজনৈতিক) শৃংখলাত ভাঙোন আহিব। ইয়াৰ বাবে বিভিন্ন

স্তৰসমূহৰ নতুন ক্ৰম সন্মুখলৈ আহিব। সামাজিক গতিশীলতা এনেদৰে আহিব।

দ্বিতীয় দিশটো সংহতিকৰণৰ সৈতে জৰিত। জাতিবাদে ব্যক্তিসকলক কেৱল তেওঁলোকৰ জাতি বা সামাজিক পৰিচয়ৰ ভিত্তিতে ভাগ নকৰে বৰং ইয়াৰ সৈতে বৃত্তিগত আৰু অৰ্থনৈতিক ভূমিকাও জৰিত হৈ আছে। 'একেসময়তে এয়া হৈছে নিৰ্দিষ্ট প্ৰকাৰৰ আভ্যন্তৰীণ সংৰচনা, বিশেষকৈ এয়া সৰু গোটৰ মাজত প্ৰৱলতৰ আৰু প্ৰচলিত বিভাজনৰ ভিত্তিত সংৰচনা কৰিলেহে এইসমূহৰ মাজত বৃহৎ ভিত্তিত আনুগত্য প্ৰকাশ পায়। গণতান্ত্ৰিক ৰাষ্ট্ৰ নিৰ্মাণৰ সংৰচনা বুজিবলৈ এই দিশ গুৰুত্বপূৰ্ণ।' (কোথাৰি, ২০১০)

তৃতীয় দিশটো বিবেকৰ সৈতে জৰিত, ইয়াৰ অৰ্থ হৈছে জাতিৰ মাজত ৰাজনীতি বিবেকৰ বাটেৰে প্ৰৱেশ কৰে আৰু জাতিৰ ৰাজনীতিকৰণ হয়। ৰাজনীতিত দলিতৰ বাবে বিশেষ সংৰক্ষণে এইক্ষেত্ৰত নিৰ্দিষ্ট সম্প্ৰদায়টোৰ মাজত সচেতনতা বৃদ্ধি কৰিছে।

ৰাজনৈতিক দলসমূহে জাতিৰ সমৰ্থন লৈ নিজৰ কাৰ্যাৱলী চলাই নিয়ে আৰু নিৰ্বাচনত জয়ী হ'বলৈ বিশেষকৈ এই সমৰ্থন ব্যৱহাৰ কৰে। ৰাজনীতিৰ তৃণমূল পৰ্যায়ৰ পৰা ৰাজনৈতিক দল সকলোতে অভিজাত জাতিৰ দমন অব্যাহত। জাতিসমূহে নিজৰ মাজতে প্ৰতিযোগিতাত লিপ্ত হৈ জাতি সংহতিৰ সৃষ্টি কৰি সমৰ্থকক আকৰ্ষণ কৰাৰ চেষ্টা চলায়। ইয়াৰ উদ্দেশ্য হৈছে স্থানীয় সম্পদৰ ওপৰত সৰ্বাধিক প্ৰভাৱ খটুৱাই ৰাজনৈতিক ব্যৱস্থাত অগ্ৰগামী হোৱা।

৬.৩.২ ভোটদানৰ আচৰণ

গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত নিৰ্বাচন আৰু ভোটদান হৈছে এৰাব নোৱাৰা অংগ। ৰাজনৈতিক দলসমূহৰ অন্যতম প্ৰধান কাম হৈছে নিৰ্বাচনত অংশগ্ৰহণ কৰা। যিসকল প্ৰাৰ্থীৰ জিকাৰ সম্ভাৱনা প্ৰৱল তেওঁলোকে তেনে প্ৰাৰ্থীকহে নিৰ্বাচন কৰে। ভোটাৰৰ মাজত ব্যাপক প্ৰভাৱ থকা আৰু ভোটাৰক সহজে আকৰ্ষণ কৰিব পৰা প্ৰাৰ্থীৰ ৰাজনৈতিক দলত কদৰ সদায়ে বেছি।

ভোটদানৰ আচৰণৰ ধাৰণাটো নতুন নহয়। ভোটদানৰ আচৰণ কেৱল ভোটদানৰ পৰিসংখ্যা, তথ্য আৰু নিৰ্বাচনী গতি বিধিৰ নিৰীক্ষণৰ মাজতে সীমাৱদ্ধ নহয়। ইয়াত ব্যক্তিসকলৰ মনোজাগতিক প্ৰক্ৰিয়া (অনুমান, আৱেগ আৰু অনুপ্ৰেৰণা) আৰু ৰাজনৈতিক ক্ৰিয়া আৰু সংস্থাগত শৈলীৰ সৈতে ইয়াৰ সম্পৰ্কও (যেনে নিৰ্বাচনত মত বিনিময়ৰ প্ৰভাৱ) সামৰি লৈছে। প্লেন' আৰু ৰিগছ্ব মতে, 'ভোটদানৰ আচৰণ হৈছে অধ্যয়নৰ এনে ক্ষেত্ৰ য'ত মানুহে কি অভিপ্ৰায়েৰে ভোট দিয়ে আৰু কি কাৰণে ভোট দিয়ে সেয়া সামৰি লোৱা হৈছে।'

ভাৰতত ভোটদানৰ আচৰণত জাতিপ্ৰথাই আজিও যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আছে। সমাজত এই প্ৰথা দ'লৈকে শিপাই আছে আৰু প্ৰতিটো স্তৰত সামাজিক সম্পৰ্কৰ ভেঁটি নিৰ্ধাৰণ কৰি আহিছে। জাতিৰ ভিত্তিত বৈষম্য নকৰিবলৈ সংবিধান প্ৰদত্ত ব্যৱস্থা আমাৰ

দেশত থাকিলেও এতিয়াও জাতিয়ে ৰাজনৈতিক আচৰণ নির্ধাৰণ কৰে। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত জাতিৰ ৰাজনীতিকৰণ আৰু ৰাজনীতিত জাতিৰ প্ৰভাৱ এক ধ্ৰুৱ সত্য। ভাৰতৰ প্ৰতিটো ৰাজনৈতিক দলে নিজৰ আঁচনি, নীতি আৰু ৰাজনৈতিক কৌশল ৰচনা কৰোতে জাতিবাদৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। জাতিৰ ওপৰত নির্ভৰ কৰিয়ে সমষ্টি এটাত নির্বাচনী প্ৰাৰ্থী বাচনি কৰা হয়। জাতিৰ নামতে ভোটভিক্ষা কৰা হয়। বিভিন্ন বিদ্বানে ভোটদানৰ আচৰণত জাতিৰ ভূমিকা বিশ্লেষণ কৰি নিজৰ নিজৰ মত আগবঢ়াইছে। মৰিছ জনছে লিখিছে, 'পূৰ্বতকৈ জাতিত ৰাজনীতিৰ গুৰুত্ব আৰু ৰাজনীতিত জাতিৰ গুৰুত্ব অধিক।' গ্ৰাম্য ভাৰতত ভোটাৰৰ বাবে ভোটদানৰ সময়ত জাতিয়ে হৈছে প্ৰথম নির্ণায়ক দিশ। সমাজৰ পৰা জাতিবাদ দূৰ কৰিবলৈ গণতান্ত্ৰিক মূল্যবোধৰ প্ৰচলন ঘটিলেও ভাৰতত এতিয়াও ৰাজনীতিৰ চৰিত্ৰ নির্ধাৰণ কৰে জাতিয়ে। এক কথাত ক'বলৈ গ'লে গণতান্ত্ৰিক ৰাজনীতিৰ প্ৰক্ৰিয়াত সৰহসংখ্যক মানুহ জৰিত হৈ থকাৰ অন্যতম প্ৰধান কাৰণেই হৈছে জাতি। অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে চাকৰিৰ সংৰক্ষণত মণ্ডল কমিটীৰ পৰামৰ্শৰলী কাৰ্যকৰী কৰাৰ সিদ্ধান্ত আৰু ইয়াৰ প্ৰতিক্ৰিয়াই ভাৰতৰ ৰাজনীতিত জাতিৰ নির্ণায়ক ভূমিকাকে প্ৰমাণ কৰে। অৱশ্যে এইখিনিতে এটা কথা ক'ব লাগিব যে অন্তত নগৰ অঞ্চলত ভোটদানৰ আচৰণত জাতিৰ প্ৰভাৱ সলনি হৈছে। (হাজৰিকা, ২০১৫)

৬.৩.৩ ৰাজনৈতিক অভিজাত

অভিজাতৰ অৱধাৰণা এমুঠিমান মানুহৰ হাতত সামাজিক ক্ষমতা বিশেষকৈ ৰাজনৈতিক ক্ষমতাৰ কেন্দ্ৰীকৰণৰ সৈতে জৰিত। মস্কাৰ মতে, 'প্ৰতিখন সমাজত দুইধৰনৰ মানুহ থাকে-শাসক শ্ৰেণী আৰু শাসিত শ্ৰেণী।' সামাজিক ক্ষমতাৰ ওপৰত ভিত্তি কৰি 'প্ৰকৃত অভিজাত'ৰ অৱধাৰণাৰ পৰা সামাজিক অভিজাত আৰু ৰাজনৈতিক অভিজাতৰ অৱধাৰণাৰ পাৰ্থক্য বুজিব পাৰি। সমাজৰ আটাইতকৈ ওপৰ খাপৰ স্থানেই হৈছে অভিজাত। নির্দিষ্ট এটা ক্ষেত্ৰত সবাতোকৈ পাৰদৰ্শী আৰু নেতৃত্বৰ ক্ষমতা বহনকাৰীজনকে এই শ্ৰেণীৰ অৰ্ন্তভুক্ত কৰা হয়। অভিজাতৰ শ্ৰেণীক ঘাইকৈ ক)শাসক অভিজাত আৰু খ)শাসনৰ বাহিৰত থকা অভিজাতৰূপে ভাগ কৰা হৈছে। চৰকাৰত প্ৰতক্ষ্যভাৱে ভূমিকা গ্ৰহণ কৰাসকলক শাসক অভিজাত আখ্যা দিয়া হৈছে। নির্দিষ্ট ৰাজনৈতিক পদৱী অনুসৰি তেওঁলোক পৰিচিত যেনে, মন্ত্ৰী, বিধায়ক, সচিব আদি। আনহাতে চৰকাৰী কাৰ্যাৱলীত পোণপটীয়াকৈ অংশ নোলোৱাসকলক শাসনৰ বাহিৰত থকা শাসনৰ বাহিৰত অভিজাতৰূপে জনা যায়।

৬.৩.৪ জাতিৰ একত্ৰীকৰণ

একত্ৰীকৰণ মানে হৈছে সামূহিক কামৰ বাবে গোটসমূহক অগ্ৰগামী কৰা। সামূহিক কাৰ্য মানে একে স্বাৰ্থ পূৰণৰ বাবে কৰা কামক সূচোৱা হৈছে, যেনে নির্দিষ্ট কাৰণত

সমৱেত হোৱা। একত্রীকৰণে এটা সমূহক ৰাজনৈতিক সমর্থন আদায় কৰি সামূহিক ক্রিয়া ৰূপায়ন কৰাত সহায় কৰে। নতুন ৰাজনৈতিক নেতৃত্ব গঢ়ি উঠিছে জাতিৰ সংৰচনা আৰু আদর্শগত ভেঁটিৰ ওপৰত নির্ভৰ কৰি আৰু ইয়াৰ উদ্দেশ্য হৈছে ৰাজনৈতিক গণতন্ত্রত অংশ ল'বলৈ সকলোকে একত্রিত কৰা। ইয়াত ৰাজনৈতিক দলসমূহ হৈছে মাধ্যম। ৰজনী কোথাৰীৰ মতে, ৰাজনীতি হৈছে একধৰনৰ প্রতিযোগিতা আৰু ইয়াৰ উদ্দেশ্য হৈছে নির্দিষ্ট লক্ষ্য পূৰণ কৰা। প্রচলিত আৰু উঠি অহা আনুগত্যক নিজৰ আয়ত্বলৈ আনি নিজৰ স্থান সুনিশ্চিত কৰাই ইয়াৰ মূল কথা। সমাজত যিহেতু জাতিৰ গুৰুত্ব অপৰিসীম সেয়ে ৰাজনৈতিক দলসমূহে জাতীয় সংগঠনসমূহৰ সহায়ত নিজৰ নিজৰ গণভিত্তি মজবুত কৰে। জাতিৰ সংৰচনাৰ ভিতৰত জনসংখ্যাৰ অধিকাংশ লোক ক'ত বাস কৰে সেয়া নির্ধাৰণ কৰি এটা মূল সাংগঠনিক গোটলৈ অনা হয়। এনেধৰনৰ সংৰচনাৰ মাজেৰেই ৰাজনীতি বর্তি থাকিব লাগিব। যেতিয়া জাতীয় সংগঠনসমূহে নিজৰ নিজৰ দাবী ৰাষ্ট্রৰ সন্মুখত উত্থাপন কৰে তেতিয়া তেওঁলোকে প্রথমে জাতিগত ক্রম অনুসৰি স্থান আৰু মর্যাদা সুনিশ্চিত কৰাত গুৰুত্ব প্রদান কৰে। কিন্তু মুক্ত আৰু গণতান্ত্রিক অৱধাৰণাসমূহ মানুহৰ মাজলৈ শিপাই যোৱাৰ বাবে জাতীয় সংগঠনসমূহে নিজা লক্ষ্যৰ সলনি ধর্মনিৰপেক্ষ লক্ষ্যত দৃষ্টি নিৱদ্ধ কৰিবলৈ শিকিছে। মন্দিৰত প্রৱেশৰ বাবে চেষ্টা কৰাতকৈ সংগঠনসমূহে অর্থনীতিত নিজৰ স্থান সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিছে, নতুন প্রশাসনীয় আৰু শৈক্ষিক প্রতিষ্ঠান দাবী কৰিছে আৰু ৰাজনৈতিক প্রতিনিধিত্ব বিচাৰিবলৈ লৈছে। স্বাধীনতা আৰু ৰাজনৈতিক গণতন্ত্রৰ অনুধাৱনে এই নতুন ধাৰণাসমূহ সুদৃঢ় কৰিছে। কোনো পদৰ বাবে নিজৰ সদস্য নির্বাচিত কৰোৱা, জাতিগত প্রতিনিধিত্ব বৃদ্ধি কৰা, নির্দিষ্ট ৰাজনৈতিক দলৰ সৈতে কাম কৰা বা নিজা দল গঠন, ৰাজ্যৰ বিধানসভা আৰু আন চৰকাৰী গোটত প্রতিনিধিত্বৰ হাৰ বঢ়াই নিজৰ জাতিৰ উন্নয়ন সুনিশ্চিত কৰাৰ বাবে জাতীয় সংগঠনসমূহে চেষ্টা চলায়। সাম্প্রতিক সময়ত হোৱা সম্ভৱত এয়াই জাতীয় সংগঠনসমূহৰ আটাইতকৈ উল্লেখযোগ পৰিৱর্তন। ইয়াৰদ্বাৰা নেতৃত্বৰ বিভিন্ন স্থান দখল কৰাৰ লগতে নিজকে সংগঠিত কৰি বৃহৎ ৰাজনৈতিক সমূহৰূপে জাতিসমূহে গঢ়ি তুলিছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১- জাতিবাদৰ সৈতে জাতি ব্যৱস্থা কেনেকৈ পৃথক?

.....

.....

.....

প্রশ্ন ২-আন্দ্রে বেটেইলিৰ মতে জাতি আৰু ৰাজনীতিৰ কি সম্পর্ক?

.....

.....

.....

প্রশ্ন ৩-ভোটদানৰ আচৰণত জাতিয়ে কেনেকৈ প্রভাৱ পেলায়?

.....

.....

.....

প্রশ্ন ৪-ৰাজনৈতিক অভিজাত কাক কোৱা হয়?

.....

.....

.....

প্রশ্ন ৫-জাতিৰ একত্রীকৰণৰ কাৰণ কি?

.....

.....

.....




৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জাতিবাদ হৈছে জাতিপ্রথাৰ সৈতে জৰিত এক সামাজিক সমস্যা। চৰকাৰী আঁচনি আৰু গণতন্ত্রৰ সু-নীতি প্ৰৱর্তনৰ ক্ষেত্রত হেঙাৰ হৈ থিয় দিয়াৰ লগতে পাৰস্পৰিক ভুল বুজাবুজি ৰ সৃষ্টি কৰা বাবে জাতিবাদক সামাজিক সমস্যাৰূপে গণ্য কৰা হয়।
- ভাৰতীয় ৰাজনীতিত জাতিয়ে সংগঠন আৰু ভাঙোন দুয়োটাৰে কাম কৰিছে।
- ভাৰতীয় ব্যৱস্থাত বিভিন্ন একে স্বার্থজৰিত সমূহৰ ভেঁটি জাতিয়ে নির্মাণ কৰিছে আৰু ইয়াৰ প্রতিটোয়ে ক্ষমতাৰ বাবে ইটোয়ে সিটোৰ সৈতে সংঘাতত লিপ্ত হৈছে। কেতিয়াবা

এনে সংঘাতে কুৎসিত ৰূপ ধাৰণ কৰি বিভাজনমুখী শক্তিৰো কু-কৰ্ম কৰিছে।

- অৱশ্যে বিভিন্ন সমূহৰ সদস্যৰ মাজত একতাৰ ডোল মজবুত কৰি জাতিয়ে সংগঠনৰ শক্তিৰূপেও দায়িত্ব পালন কৰিছে।
- ভাৰতীয় ৰাজনীতিত জাতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। জাতিৰ ওপৰত ভিত্তি কৰিয়ে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ লগতে নিৰ্বাচন জয়ো কৰা হয়।
- নিৰ্বাচনত অংশ লোৱা প্ৰাৰ্থীসকলে নিজৰ নিজৰ জাতিৰ পৰা সমৰ্থন বিচাৰে। এনে নেতাসকলে জয়ী হোৱাৰ পিছত নিজৰ জাতিৰ প্ৰতি বিশেষ সদয় ভাৱ প্ৰদৰ্শন কৰে।
- গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত নিৰ্বাচন আৰু ভোটদান হৈছে এক এৰাব নোৱাৰা অংগ।
- জাতিত ৰাজনীতিকৰণ আৰু ৰাজনীতিত জাতিবাদ ভাৰতীয় ৰাজনীতিৰ এক ধ্ৰুৱ সত্য।
- ৰাজনৈতিক অভিজাতৰ ধাৰণা আহিছে এমুঠিমান লোকৰ হাতত সামাজিক-ৰাজনৈতিক ক্ষমতাৰ কেন্দ্ৰীকৰণৰ পৰা।
- একত্ৰীকৰণে এটা সমূহক ৰাজনৈতিক সমৰ্থন আদায় কৰি সামূহিক ক্ৰিয়া ৰূপায়ন কৰাত সহায় কৰে। নতুন ৰাজনৈতিক নেতৃত্ব গঢ়ি উঠিছে জাতিৰ সংৰচনা আৰু আদৰ্শগত ভেঁটিৰ ওপৰত নিৰ্ভৰ কৰি আৰু ইয়াৰ উদ্দেশ্য হৈছে ৰাজনৈতিক গণতন্ত্ৰত অংশ ল'বলৈ সকলোকে একত্ৰিত কৰা। ইয়াত ৰাজনৈতিক দলসমূহ হৈছে মাধ্যম।



৬.৫ অধিক জানিবলৈ

১) Srinivas. M.N., (1962), "Caste in modern India:And other essays", Asia Publishing House.

৬.৬ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১নং উত্তৰ ঃ জাতি ব্যৱস্থা হৈছে একধৰনৰ সামাজিক স্তৰীকৰণ য'ত চাৰিটা উপ শাখা আছে। আনহাতে জাতিবাদে ৰাজনীতিত জাতিক সংলগ্ন কৰি ৰাজনৈতিক মুনাফা আদায় কৰে।

প্ৰশ্ন ২নং উত্তৰ ঃ আন্দ্ৰে বেটেইলিৰ মতে, পশ্চিমীয়াকৰণে ব্যক্তিক জাতিৰ পৰিচয়ৰ পৰা নিলগাবলৈ ধৰিছে যদিও ৰাজনীতিত জাতিৰ ভূমিকাৰ বাবে মানুহ ইয়াৰ প্ৰতি আকৰ্ষিত হোৱাৰ লগতে জাতি মজবুত হৈছে। লগতে অৱশ্যে তেওঁ এই কথাও কৈছে যে, ভোটদান কৰাৰ সময়ত জাতিৰ প্ৰতি আনুগত্যৰ বিপৰীত ব্যৱহাৰ হয়।

প্ৰশ্ন ৩নং উত্তৰ ঃ ভাৰতত ভোটদানৰ আচৰণত জাতিপ্ৰথাই আজিও যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আছে। সমাজত এই প্ৰথা দ'লৈকে শিপাই আছে আৰু প্ৰতিটো স্তৰত সামাজিক সম্পৰ্কৰ ভেঁটি নিৰ্ধাৰণ কৰি আহিছে। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত জাতিৰ ৰাজনীতিকৰণ

আৰু ৰাজনীতিত জাতিৰ প্ৰভাৱ এক ধ্ৰুৱ সত্য। জাতিৰ ওপৰত নিৰ্ভৰ কৰিয়ে সমষ্টি এটাত নিৰ্বাচনী প্ৰাৰ্থী বাচনি কৰা হয়। জাতিৰ নামতে ভোটভিক্ষা কৰা হয়।

প্ৰশ্ন ৪নং উত্তৰ ঃ অভিজাতৰ অৱধাৰণা এমুঠিমান মানুহৰ হাতত সামাজিক ক্ষমতা বিশেষকৈ ৰাজনৈতিক ক্ষমতাৰ কেন্দ্ৰীকৰণৰ সৈতে জৰিত। সমাজৰ আটাইতকৈ ওপৰ খাপৰ স্থানেই হৈছে অভিজাত। নিৰ্দিষ্ট এটা ক্ষেত্ৰত সবাতোকৈ পাৱদৰ্শী আৰু নেতৃত্বৰ ক্ষমতা বহনকাৰীজনকে এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হয়।

প্ৰশ্ন ৫নং উত্তৰ ঃ জাতিৰ একত্ৰীকৰণে গণতান্ত্ৰিক নিৰ্বাচনী ৰাজনীতিত সক্ৰিয় হৈ থকা বিভিন্ন ৰাজনৈতিক শক্তিক সহায় কৰে।অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে চাকৰিৰ সংৰক্ষণত মণ্ডল কমিটীৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰাৰ সিদ্ধান্ত আৰু ইয়াৰ প্ৰতিক্ৰিয়াই ভাৰতৰ ৰাজনীতিত জাতিৰ নিৰ্ণায়ক ভূমিকাকে প্ৰমাণ কৰে।



৬.৭ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১) জাতিবাদক এক সামাজিক সমস্যাৰূপে কেনেকৈ ব্যাখ্যা কৰিব?

২) আপোনাৰ মতে, জাতিবাদৰ পৰিণতি কি হ'ব পাৰে?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

১) জাতি আৰু ৰাজনীতিৰ সম্পৰ্ক ব্যাখ্যা কৰা।

২) গণতন্ত্ৰত ভোটদানৰ আচৰণত জাতিয়ে কেনেকৈ প্ৰভাৱ পেলায়?

*** ***** ***

অধ্যায় ৭ ঃ ভাৰতীয় জনজাতি

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ জনজাতি ঃ সংজ্ঞা আৰু অর্থ
৭.৪ জনজাতিৰ বৈশিষ্ট্য
৭.৪.১ টি. বি. নায়কৰ মতে জনজাতিৰ বৈশিষ্ট্য
৭.৪.২ নৃতাত্ত্বিক দৃষ্টিকোণ
৭.৪.৩ ভাৰতীয় সংবিধান আৰু অনুসূচীত জনজাতি
৭.৪.৪ সাধাৰণ বৈশিষ্ট্য সমূহ
৭.৫ জনজাতি ঃ শ্রেণীবিভাগ আৰু বিস্তৃতি
৭.৬ জনজাতিৰ প্রতি বৃটিছ নীতি
৭.৭ স্বাধীনোত্তৰ কালৰ নীতি
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্রগতিৰ খতিয়ান
৭.১১ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি --

- জনজাতিৰ সংজ্ঞা নির্ণয় কৰিব পাৰিব
- জনজাতিৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আৰু জনজাতি ¯ চিনাক্তকৰণ পদ্ধতিৰ বিষযে জানিব পাৰিব
- ভাৰতবর্ষৰ জনজাতিৰ শ্রেণীবিভাগ আৰু বিস্তাৰ সম্পর্কে জ্ঞাত হ'ব
- বৃটিছৰ দিনৰ জনজাতি নীতি সম্পর্কে ধাৰণা লাভ কৰিব
- স্বাধীনতাৰ পৰৱর্ত্তীসময়ৰ জনজাতি নীতিৰ ৰাজ্যিক প্রণালীৰ বিষয়ে জানিব পাৰিব

৭.২ পৰিচয়

ভাৰতীয় সমাজ বিভিন্ন সম্প্রদায়ৰ সমষ্টি। এই সম্প্রদায়সমূহৰ সামাজিক ৰীতি নীতি, প্রথা আৰু ব্যৱহাৰিক ভূমিকা সদায় একে নহয় । ধর্ম অনুসৰি তেওঁলোক বিভিন্ন ধৰণৰ হয় - কিছুমান হিন্দু ধর্মাৱলম্বী, কিছুমান মুছলমান ধর্মাৱলম্বী, কিছুমান শিখ ধর্মী আৰু আন কিছুমান

খ্ৰীষ্টান ধৰ্মাৱলম্বী, ইত্যাদি। তেওঁলোকৰ জীৱন যাত্ৰাৰ প্ৰণালী অনুসৰিও তেওঁলোক ভিন ভিন্ন। যিবিলাকৰ নীতি-নিয়ম তেওঁলোকে অনুকৰণ কৰে আৰু আধাৰতে ক'ব পাৰি ইয়াৰে কিছুমান সমাজ ব্যৱস্থা সৰল আৰু আন কিছুমান সমাজব্যৱস্থা জটিল। জাতি ভিত্তিক সমাজ জটিল সমাজ। আনহাতে জনজাতীয় সমাজ, সৰল সমাজ। ব্যৱহৃত ভাষাৰ ভিত্তিতো সমাজ একোখন অধ্যয়ন কৰিব পাৰি। লগতে তেওঁলোকে বসবাস কৰা অঞ্চলৰ অৱস্থান অনুসৰিও ভাগ কৰিব পাৰি, যেনে -- গ্ৰাম্য সমাজ আৰু চহৰীয়া সমাজ, ইত্যাদি। গ্ৰাম্য সমাজত আমি জাতি আৰু জনজাতি দুয়োবিধ সমাজেই বিছাৰি পাওঁ; আনহাতে চহৰ বা নগৰীয়া অঞ্চলত বিভিন্ন সম্প্ৰদায়ৰ লোক পৰম্পৰাগত নীতি, প্ৰথা আদি অনুকৰণ নকৰাকৈয়ে আধুনিক প্ৰণালীৰে বসবাস কৰে।

এই অধ্যায়টিত আমি ভাৰতবৰ্ষৰ বিভিন্ন জনজাতীয় সমাজসমূহৰ বৈশিষ্ট্য সম্পৰ্কে অধ্যয়ন কৰিম। আমি যেতিয়া জনজাতীয় লোক বুলি কওঁ, তেতিয়া সেইসকল লোকক বুজো, যিসকল স্মৰণীয় কালৰে পৰা বিভিন্ন অঞ্চলত বাস কৰি আছে। তেওঁলোকক আদিম বাসী (Indigenous) লোক বুলিও কোৱা হয়।

৭.৩ জনজাতি ঃ সংজ্ঞা আৰু অর্থ

অক্সফ'ৰ্ড অভিধানে জনজাতিৰ সংজ্ঞা এইদৰে দিছে-- "*এজন দলপতিৰ অধীনত থকা আৰু সাধাৰণতে একেই পূৰ্বপুৰুষৰ পৰা উদ্ভৱ হোৱা বুলি ভবা আদিম বা বৰ্ব্বৰ অৱস্থাত থকা লোকৰ এটা গোটকে জনজাতি বোলে।*"

ডি. এন. মজুমদাৰে জনজাতিৰ সংজ্ঞা এনেদৰে দিছে-- "*কোনো বিশেষ অঞ্চলত থকা, অন্তঃবৈবাহিক, বিশেষীকৰণ নথকা, জনজাতীয় মুৰব্বীৰ দ্বাৰা পৰিচালিত, বংশগত বা আন ভাষাৰ ভিত্তিত সংগঠিত আন জনজাতি বা জাতিৰ পৰা দূৰত চিহ্নিত হোৱা সামাজিক গোটকে জনজাতি বুলিব পাৰি।*"

ৰাল্‌ফ লিন্টনৰ মতে *"জনজাতি এটা বিশেষ অঞ্চল জুৰি বাস কৰা আৰু সংস্কৃতিৰ সাদৃশ্য থকা তথা একেলগে থকাৰ ফলত সৃষ্টি হোৱা একতাৰ মনোভাৱৰ দ্বাৰা চিহ্নিত এটা সামাজিক গোট ।"*

এল. এম. লুইচে বিশ্বাস কৰে যে জনজাতীয় সমাজৰ পৰিসৰ সৰু আৰু তেওঁলোকৰ সামাজিক আইনগত আৰু ৰাজনৈতিক জীৱন একোটা ভৌগোলিক এলেকাত সীমিত। তেওঁবিলাকৰ নীতি শিক্ষা ধৰ্ম তথা বিশ্ব দৰ্শন একে পৰ্যায়ৰে হয়। জনজাতীয় ভাষাসমূহ অলিখিত হোৱা হেতুকে কাল আৰু স্থানৰ মাজত সংযোগৰ পৰিসৰো ঠেক হোৱা দেখা যায়। আনহাতে, এনে সমাজবোৰৰ জীৱন যাত্ৰাৰ পদ্ধতি অতি সৰল আৰু বাহুল্যহীন, আটিল আৰু স্বনিৰ্ভৰশীল হোৱা দেখা যায় ; যিবোৰ গুণ আধুনিক সমাজত একেবাৰেই দেখা নাযায়।

অধ্যাপক সুৰজিত সিন্‌হাৰ মতে সাধাৰণভাৱে জনজাতি হ'ল "এখন হাবি, পাহাৰ

বা সমতলত বিচ্ছিন্ন হৈ থকা আৰু ব্ৰাহ্মণিক শ্ৰেণীভিত্তিক সভ্যতাৰ প্ৰভাৱৰ বাহিৰত থকা প্ৰাক-আক্ষৰিক গোট।"

৭.৪ জনজাতিৰ বৈশিষ্ট্য

৭.৪.১ টি. বি. নায়কৰ মতে জনজাতিৰ বৈশিষ্ট্য

ভাৰতীয় পটভূমিত টি. বি. নায়কে দিয়া জনজাতিৰ বৈশিষ্ট্যসমূহ এনেধৰণৰ--

- এটা জনজাতীয় সম্প্ৰদায়ৰ ভিতৰত ন্যুনতম কাৰ্যকৰী পাৰস্পৰিক সম্বন্ধ থাকিব লাগে।
- ই অৰ্থনৈতিকভাৱে অনুন্নত বা পিছপৰা হ'ব লাগে (যেনে - প্ৰাকৃতিক সম্পদ আহৰণত আদিম প্ৰথাৰ ব্যৱহাৰ)। জনজাতীয় অৰ্থনীতি অনুন্নত স্তৰত থাকিব লাগে আৰু বহুমূখী জীৱনধাৰণৰ উপায় অৱলম্বন কৰা হ'ব লাগে।
- ইয়াৰ লোকসকলৰ তুলনামূলকভাৱে এটা ভৌগোলিক বিচ্ছিন্নতা থাকিব লাগে।
- তেওঁলোকৰ এক উমৈহতীয়া ভাষা থাকিব লাগে।
- জনজাতিসকল ৰাজনৈতিকভাবে সংগঠিত হ'বগে আৰু সাম্প্ৰদায়িক পঞ্চায়ত প্ৰভাৱশালী হ'বগে।
- এটা জনজাতিৰ প্ৰথাগত আইন থাকিব লাগে।

নায়কে যুক্তি দৰ্শাইছিল যে, সম্প্ৰদায় এটা জনজাতি হ'বলৈ ওপৰত হ'লে উল্লেখ কৰা সকলো বৈশিষ্ট্য থাকিব লাগিব আৰু এই সংজ্ঞাটোৱে সাধাৰণতে আত্মীয়স্বজন আৰু কৰ্তব্যৰ দ্বাৰা জড়িত এক নিৰ্দিষ্ট অঞ্চলত বাস কৰা সামাজিক গোটক চিহ্নিত কৰে।

এইটো সত্য যে নায়কে উল্লেখ কৰা কিছুসংখ্যক বৈশিষ্ট্য জনজাতিসকলৰ মাজত বিদ্যমান, কিন্তু; সকলোখিনি উপাদানৰে সদায় উপস্থিতি দেখা নাযায়। একেই ধৰণে বেইলী (১৯৫৪) আৰু স্বাহলিন্সৰ জনজাতিৰ বিষয়ে দিয়া সংজ্ঞায়ে সৰ্বাত্মকভাৱে জনজাতিৰ দাঙি নধৰে। আঁদ্ৰে বেটেই Andre Beteille তেওঁৰ জনজাতি আৰু কৃষকৰ (Tribe and Peasants) বিষয়ে লিখা ৰচনাত 'জনজাতি'ৰ বিভিন্ন সংজ্ঞা আলোচনা কৰি আৰু শেষত তেওঁ এইটো সিদ্ধান্তত উপনীত হৈছিল যে, এখন জনজাতীয় সমাজৰ সংজ্ঞা দিবলৈ কোনো একমুখী প্ৰণালী বা পথ নাই। সংজ্ঞা হয়তো অতি বহল আৰু শিথিল বা অতি ঠেক আৰু সীমাবদ্ধ হ'ব পাৰে। অতি বহল হ'লে কেৱল জনজাতিৰ ক্ষেত্ৰতেই ব্যৱহৃত নহয়, বিভিন্ন ক্ষেত্ৰত ইয়াক কৃষকগোষ্ঠীৰ বাবেও ব্যৱহাৰ কৰিব পৰা যাব। আনহাতে অতি সীমাবদ্ধ হ'লে আকৌ ৰীতিগতভাৱে যাক জনজাতি বুলি কোৱা হয় তেনে বহু সমাজক বাদ দিবলগীয়া হ'ব। ঘুৰ্য়ে (Ghuriye, ১৯৬৩ ঃ ১৯-২০ ই বিখ্যাত গ্ৰন্থ 'অনুসূচীত জনজাতি' (The Schedule Tribe) ত জনজাতিৰ বৈশিষ্ট্যসমূহ পৰীক্ষা কৰিছে। তেওঁৰ বক্তব্যৰ সাৰমৰ্ম হ'ল এয়ে যে -- জনজাতি সকলক প্ৰকৃতত্তে আদিম বুলি ক'ব নোৱাৰি, কিয়নো তেওঁলোক যে মূল অধিবাসী তাৰ কোনো প্ৰমাণ নাই। তেওঁ ব্যাখ্যা

কৰিছে যে জনজাতীয়সকল হ'ল হিন্দু সমাজত অসম্পূৰ্ণভাৱে সন্মিলিত গোট আৰু এওঁলোকক পিছপৰা বা অনগ্ৰসৰ হিন্দু বুলিব পাৰি। ঘুৰ্য়েৰ সংজ্ঞাটি ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলৰ বিষয়ে কৰাকোনো পৰিকল্পিত অধ্যয়নৰ ভিত্তিত আগবঢ়োৱা সংজ্ঞা নহয়, সেয়েহে বৰ্তমানৰ যুগত তেওঁৰ সংজ্ঞাৰ কোনো গ্ৰহণযোগ্যতা নাই।

৭.৪.২ নৃতাত্ত্বিক দৃষ্টিকোণ

নৃতাত্ত্বিক সন্মিলনে জনজাতি সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাটো এটা প্ৰায় শুদ্ধ সংজ্ঞা বুলি বিবেচনা কৰা হয় (Beteille, ১৯৮৭ঃ৭৮)। তেওঁলোকৰ মতে এটা জনজাতি হ'ল সম্পূৰ্ণৰূপে এক পৰিকল্পিত সমাজ। এনেকুৱা সমাজৰ বৈশিষ্ট্যসমূহ হ'ল --

- ই স্ব-যুগমীয়া কৰণৰ সুব্যৱস্থা, যিয়ে সামূহিকভাৱে জীৱন যাপনৰ বাবে প্ৰয়োজনীয় সম্পদসমূহ নিজ এলেকাৰ অধীনত সুচাৰুৰূপে ব্যৱহাৰ কৰে।
- ই এটা সম্পূৰ্ণ সংস্কৃতি।
- প্ৰত্যেক জনজাতিৰ তেওঁলোকৰ ৰাজনৈতিক স্বশাসন চিহ্নিত কৰিবলৈ এক নিৰ্দিষ্ট বাসভূমি থাকে।
- সংস্কৃতিৰ বিভিন্নতা দেখুৱাবলৈ তেওঁলোকৰ নিজা ভাষা বা লিপি থাকে।

৭.৪.৩ ভাৰতীয় সংবিধান আৰু অনুসূচীত জনজাতি

ভাৰতীয় সংবিধানে কিছুসংখ্যক জনজাতিক অনুসূচীত জনজাতি হিচাপে চিহ্নিত কৰিছে যদিও কিহৰ ভিত্তিত এটা সম্প্ৰদায় অনুসূচীত জনজাতি ক্ৰমত পৰিব তাৰ কোনো নিৰ্দিষ্ট নীতি বা সংজ্ঞা দিয়া নাই। তথাপিও এটা সম্প্ৰদায়ক অনুসূচীত জনজাতি হিচাপে চিহ্নিত কৰাৰ বাবে গ্ৰহণ কৰা নীতিসমূহ হ'ল --

- এক নিৰ্দিষ্ট ভৌগোলিক অঞ্চলত পৰম্পৰাগত জীৱিকা।
- নিৰ্দিষ্ট সংস্কৃতি য'ত জনজাতীয় জীৱন প্ৰণালীৰ সম্পূৰ্ণ ৰূপ অন্তৰ্ভুক্ত ; উদাহৰণ স্বৰূপে ভাষা, প্ৰথা, ঐতিহ্য, ধৰ্মীয় বিশ্বাস, কলা আৰু শিল্প আদি।
- আদিম বৈশিষ্ট্যসমূহ, যিয়ে জীৱিকাৰ প্ৰণালী, অৰ্থনীতি আদি পুঙ্খানুপুঙ্খৰূপে বৰ্ণনা কৰে।
- শৈক্ষিক আৰু অৰ্থনৈতিক উন্নতিৰ অভাৱ ।

৭.৪.৪ সাধাৰণ বৈশিষ্ট্যসমূহ

ওপৰৰ আলোচনাৰ পৰা জনজাতিৰ সাৰ্বজনীন বৈশিষ্ট্যসমূহ বাচি উলিওৱা কঠিন নহ'ব। তেনেকুৱা আন কেতবোৰ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল --

- প্ৰত্যেক জনজাতিৰে একোটা নাম থাকে, যাৰ পৰা তেওঁলোকে নিজকে চিহ্নিত কৰে।
- তেওঁলোক ৰাজনৈতিকভাৱে স্বায়ত্বশাসিত আৰু প্ৰত্যেক জনজাতিৰ এক নিৰ্দিষ্ট

বাসস্থান থাকে।

- জনজাতিসকল ৰাজনৈতিকভাৱে সংগঠিত হ'ব লাগে আৰু তেওঁলোকৰ সাম্প্রদায়িক পঞ্চায়ত প্রভাৱশালী হ'ব লাগে।
- সংস্কৃতিৰ বিভিন্নতা দেখুৱাবলৈ তেওঁলোকৰ নিজা ভাষা থাকে।
- প্রত্যেকৰে কিছুমান নির্দিষ্ট আচৰণবিধি আৰু ৰীতি-নীতি, পৰামর্শাৱলী থাকে।

আন কিছুমান সৰু সুৱা বৈশিষ্ট্য হ'ল -

- বেছিভাগ জনজাতীয় ভাষাৰে লিপি নাথাকে।
- তেওঁলোকৰ পূর্বপুৰুষসকল একেই বংশৰ আছিল বুলি প্রত্যেক জনজাতিয়ে বিশ্বাস কৰে। যিটো প্রকৃততে সত্য বা পুৰাকথা সদৃহ হ'ব পাৰে।
- পৰিৱর্তিত সমাজ ব্যৱস্থাক জনজাতীয়লোকসকলে সহজে গ্রহণ কৰি নলয়।
- তেওঁলোকে নিষিদ্ধতা (Taboo) বিশ্বাস কৰে, যিবোৰ কিছুমান নিষেধাজ্ঞা বা বাধা-নিষেধ। এইবোৰ সাধাৰণতে মুখে মুখে চলি আহে কিন্তু একোখন আইন সদৃহ ।



অগ্রগতি নিৰীক্ষণ ১

প্রশ্ন নং ১ ঃ সত্য নে অসত্য নির্ণয় কৰক --

(ক) নৃতাত্ত্বিক সম্মিলনে জনজাতিক এটা স্বয়ং সঞ্চালিত প্রণালী বুলি আখ্যা দিছে।

.....

.....

(খ) নিজ ভাষা আৰু দোৱান নথকাটো জনজাতিৰ অন্যতম বৈশিষ্ট।

.....

.....

(গ) অনুসূচিত জনজাতিৰ অন্তর্ভুক্তিৰ অন্যতম নিকায় হৈছে শিক্ষা আৰু অর্থনৈতিক উন্নয়নৰ অভাৱ।

.....

.....

৭.৫ জনজাতি ঃ শ্রেণীবিভাগ আৰু বিস্তৃতি

ভাৰতবর্ষৰ জনজাতিসকলক বহু ভাগত ভাগ কৰা হৈছে। ইয়াৰ ভিতৰত গুহ, ডুবে, ৰয়বর্মন আৰু ভৌমিকৰ শ্রেণীবিভাগ উল্লেখযোগ্য। ১৯৯১ চনত ভৌমিকে তেওঁ গ্রন্থ 'Tribal India' ত ভাৰতবর্ষত জনজাতিসকলক এনেদৰে বিভাজন কৰিছে --

- ভৌগোলিক শ্রেণীবিভাগ
- ভাষাৰ ভিত্তিত শ্রেণীবিভাগ
- শাৰীৰিক বৈশিষ্ট্য আৰু প্রজাতিগত সম্বন্ধ (racial affinities)
- অর্থনীতি অনুসৰি শ্রেণীবিভাগ
- **ভৌগোলিক শ্রেণীবিভাগ**

  বিভিন্ন নৃতত্ত্ববিদে ভৌগোলিক ভিত্তিত জনজাতি শ্রেণী ৩ বিভক্ত কৰিছে। নৃতত্ত্ববিদ গুহই মুঠ তিনিটা শ্রেণীত কৰা ভাগটি এটি উল্লেখযোগ্য বিভাগ। সেয়া হ'ল --

  - ভাৰতবর্ষৰ পূৰ সীমান্তৰ পার্বত্য উপত্যকাৰ উত্তৰ আৰু উত্তৰ পূৰ অঞ্চল,
  - ভাৰত উপদ্বীপ আৰু ইণ্ডো গঙ্গা সমতল, আৰু
  - দক্ষিণাঞ্চল।
- সাম্প্রতিক কালত নৃতত্ত্ববিদ এল. পি. বিদ্যার্থীয়ে কৰা জনজাতিৰ শ্রেণী বিভাজনটি এটি উল্লেখযোগ্য তথা বিজ্ঞানসম্মত বিভাজন। তেওঁ জনজাতিসকলক ভাৰতবর্ষৰ আবয়বিক অঞ্চলৰ ভিত্তিত ৫ টা ভাগত ভাগ কৰিছে। যথা --
  - হিমালয় অঞ্চল,
  - মধ্য ভাৰত অঞ্চল,
  - পশ্চিম ভাৰত অঞ্চল,
  - দক্ষিণ ভাৰত অঞ্চল, আৰু
  - দ্বীপ অঞ্চল
- **হিমালয় অঞ্চল** ঃ হিমালয় অঞ্চল পুনৰ তিনিটা ভাগত ভাগ কৰা হৈছে --
  - উত্তৰ-পূব হিমালয় অঞ্চল,
  - কেন্দ্রীয় হিমালয় অঞ্চল, আৰু
  - উত্তৰ পশ্চিম হিমালয় অঞ্চল।
- **উত্তৰ-পূৰ হিমালয় অঞ্চলত** উত্তৰ পূর্বাঞ্চলৰ সাতখন ৰাজ্য আৰু উত্তৰ বংগৰ পার্বত্য অঞ্চল সন্নিবিষ্ট কৰা হয়। ইয়াত বসবাস কৰা মুখ্য জনজাতিবোৰ হ'ল -- বড়ো, খাচী, মিছিং, গাৰো, আবৰ, নগা, মেইটে, কার্বি, মিজো, চাক্মা আদি।
- **কেন্দ্রীয় হিমালয় অঞ্চলত** উত্তৰ প্রদেশ আৰু বিহাৰৰ তৰাই (tarai) অঞ্চল সন্নিৱিষ্ট কৰা হয়। এই অঞ্চলৰ বিশিষ্ট জনজাতীয় গোষ্ঠীসমূহ হ'ল -- চাওতাল, ওৰাও, মুণ্ডা, খৰিয়া ইত্যাদি।
- **উত্তৰ পশ্চিম হিমালয় অঞ্চলৰ** ভিতৰত হিমাচল প্রদেশ, উত্তৰাখণ্ড আৰু জম্মু কাশ্মীৰ এই কেইখন ৰাজ্য অন্তর্ভুক্ত। এই অঞ্চলৰ উল্লেখযোগ্য জনজাতিসকল হ'ল -- গাদ্দী, গুজ্জৰ, পাঙ্কাৰাল, কিনাউৰ বা কিন্নৰ, লাহাউলা, লাড্ডাখী, বাকৰাউল, ব্র'কপা, চাংপা, বাল্টি, ভগ্বা ইত্যাদি।
- **মধ্য ভাৰত অঞ্চল** ঃ দেশৰ সকলোতকৈ বেছি সংখ্যক জনজাতীয় লোক এই অঞ্চলৰ

অন্তর্ভুক্ত। এই অঞ্চলত বিহাৰ, পশ্চিমবঙ্গ, উৰিষ্যা আৰু মধ্যপ্রদেশ -- এই ৰাজ্য কেইখন পৰে। এই অঞ্চলৰ উল্লেখযোগ্য জনজাতিসকল হ'ল-- ওৰাও, চাওতাল, গণ্ড ইত্যাদি।

- **পশ্চিম ভাৰত অঞ্চল** ঃ ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্র, গোৱা, দাদ্ৰা আৰু নগৰ হাভেলী-- এই ৰাজ্যকেইখনআৰু কেন্দ্রীয় শাসিত অঞ্চলকেইখন ইয়াৰ অন্তর্ভুক্ত। এই অঞ্চলৰ জনজাতিৰ মুঠ জনসংখ্যা হ'ল ৯৮.৮৬ লাখ। গুজ্জৰ, ভীল আৰু মিনাসকল এই অঞ্চলৰ বাসিন্দা।
- **দক্ষিণ ভাৰত অঞ্চল** ঃ ভাৰত উপদ্বীপৰ বাকীখিনি অঞ্চল, যেনে -- অন্ধ্রপ্রদেশ, তামিলনাড়ু, কর্ণাটক, আৰু কেৰেলা ইয়াৰ অন্তর্ভুক্ত। এই অঞ্চলত জনজাতীয় লোকৰ সংখ্যা তাকৰ। আৰান্দান, কাদাৰ, ইৰুলা, কোটা, পাল্লিয়েন আৰু টোডা জনজাতিসকল এই অঞ্চলৰ উল্লেখযোগ্য বাসিন্দা।
- **দ্বীপ অঞ্চল** ঃ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ আৰু লাক্ষাদ্বীপ এই অঞ্চলৰ ভিতৰত পৰে। জাৰৱা, ওঙ্গাচ, আন্দামানীজ আদি এই অঞ্চলৰ কিছুমান জনজাতি।

জনসংখ্যা হিচাপে গণ্ড জনজাতীয় গোষ্ঠীৰ সংখ্যা সকলোতকৈ বেছি, ইয়াৰ পিছতেই ভিলসকল। জনসংখ্যাৰ উচ্চ আৰু নিম্ন সংখ্যা হিচাপে ভাৰতবর্ষৰ জনজাতিৰ এক তালিকা তলত দিয়া হ'ল। তালিকাখন জনসংখ্যাৰ আসন্ন মান হিচাপে দিয়া হ'ল।

- সকলোতকৈ বেছি জনসংখ্যাৰ থকা জনজাতীয় গোষ্ঠীসমূহ

গণ্ড	-	৮ লাখ
ভিল	-	৭.৫ লাখ
চাওতাল	-	৫ লাখ
মিনা	-	২.২ লাখ
ওৰাওঁ	-	২ লাখ

- কম জনসংখ্যাৰ জনজাতীয় গোষ্ঠীসমূহ

জাৰৱা	-	৫০ জন
ওঙ্গাচ	-	১০০ জন
আন্দামানীজ	-	১৫০ জন
আৰানদান	-	২৫০ জন

৭.৬ জনজাতিৰ প্রতি বৃটিছ নীতি

জনজাতীয় লোকসকলৰ বাবে বৃটিছৰ কোনো সুনির্দ্দিষ্ট নীতি নাছিল। কিন্তু সমাজৰ মূল প্রবাহৰ পৰা বিচ্ছিন্ন হৈ থকা এই লোকসকলক তেওঁলোকে বর্বৰ হিচাপে বিবেচনা কৰিছিল আৰু সেয়েহে জনজাতীয় লোকসকলক অস্ত্রবলৰ দ্বাৰা শান্ত কৰি ৰাখিব বিচাৰিছিল আৰু পাছত শিক্ষাৰ জৰিয়তে চুবুৰীয়া সুসভ্য জাতিসমূহৰ সৈতে মিলি যাব পৰাকৈ সুসভ্য কৰি তুলিবলৈ চেষ্টা কৰিছিল। ছোটা নাগপুৰ অঞ্চলৰ ১৮৩১ চনৰ ক'ল বিদ্রোহৰ (Kol Mutiny)ৰ সময়ৰ পৰা

বৃটিছ চৰকাৰে জনজাতিৰ বিভিন্ন উত্থানৰ সন্মুখীন হৈছিল। বৃটিছ চৰকাৰে ৰাজ্যখনৰ গৱৰ্ণৰ জেনেৰেলৰ বাবে এজন এজেণ্ট নিয়োগ কৰিছিল। ইয়াৰ পাছত ১৮৫৫ চনত ভূমি মূল্য নিৰ্দ্ধাৰণক লৈ চাওতাল বিদ্রোহ আৰম্ভ হয়। এই দুয়োটা পৰিঘটনাতেই বৃটিছ চৰকাৰে প্রশাসনীয় ব্যৱস্থা আৰু ভূমিৰ লগত জড়িত আইন সলনি কৰিবলগীয়া হয়। ভাৰত চৰকাৰ ১৮৭০ চনৰ ধাৰা মতে সংসদে গৱৰ্ণৰ জেনেৰেল ইন কাউন্সিলক স্থানীয় আৰু ৰাজ্যিক চৰকাৰে প্রণয় কৰা আইন বলবৎ কৰিবলৈ ক্ষমতা প্রদান কৰা হৈছে।

এই আইনৰ অধীনত বহুতো ব্যৱস্থা লোৱা হয়। ১৮৭৪ চনত ভাৰতীয় আইন প্রণয়নকাৰী পৰিষদে তালিকাভুক্ত জিলা আইন গৃহীত কৰে, যাৰ দ্বাৰা স্থানীয় চৰকাৰক এই তালিকাভুক্ত অঞ্চলত প্রযোজ্য আইনসমূহ পর্যালোচনা কৰি প্রয়োজন সাপেক্ষে বিলোপ অথবা সংশোধন কৰি ব্যৱস্থা ল'বলৈ কর্তৃত্ব দিয়া হৈছিল।

বৃটিছ প্রণালীৰ মুখ্য উদ্দেশ্য আছিল শান্তি আৰু সুৰক্ষা প্রদান কৰা আৰু মানুহৰ অগ্রগতিৰ বাবে ভৈয়ামৰ লোকৰ সৈতে একতাৰ মনোভাৱেৰে মিলামিছা কৰা। বৃটিছৰ বন নীতিও মৌলিকভাৱে বেলেগ নহয়। লাহে লাহে এই এলেকাসমূহৰ জৰীপ আৰম্ভ কৰা হয় আৰু যেতিয়া য'ত সম্ভৱপৰ হয় তেনেকৈ ভূমি ৰাজহ আৰোপ কৰা হয়। ১৮৭৬ চনত চৰকাৰে চাওতাল পৰগণাত ব্যক্তিগতভাৱেই হওক বা ন্যায়ালয়ৰ আদেশ মৰ্মেই হওক, ভূমিৰ বিক্রী বন্ধ কৰি দিয়ে।

মণ্টেগ' আৰু লর্ড চেমচ্‌ফ'র্ডে তেওঁলোকৰ সংস্কাৰমূলক বিৱৰণতো এই অঞ্চলৰ কিছুমান পিছপৰা এলেকাৰ আদিম অধিবাসীৰ অৱস্থিতি স্বীকাৰ কৰিছে, য'ত কোনো ৰাজনৈতিক অনুষ্ঠানৰ উপাদান বিচাৰি পোৱা যায়। তেওঁলোকে অভিমত দিছিল যে পিছপৰা শ্রেণীৰ প্রশাসন সেই অঞ্চলৰ মুৰব্বীয়ে সম্পাদন কৰিছিল।

১৯১৯ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনৰ ৫২ A (২) দফা অনুসৰি গৱৰ্ণৰ জেনেৰেলক চেক্রেটেৰী অব ষ্টেটৰ অনুমোদন সাপেক্ষে যিকোনো অঞ্চল পিছপৰা বুলি ঘোষণা কৰিব পৰা ক্ষমতা প্রদান কৰিছিল। সেই হিচাপে, চৰকাৰে যথেষ্ট সংখ্যক অঞ্চল পিছপৰা অঞ্চল হিচাপে ঘোষণা কৰিছিল। ইয়াৰ পিছতো কিছু প্রশাসনীয় সংস্কাৰ হৈছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত ১৯৩৬ চনত এই অঞ্চলসমূহ কিছু পৰিবর্তন কৰি 'বহিঃর্ভূত অঞ্চল' (excluded area) আৰু 'আংশিক বহিঃর্ভূত অঞ্চল' (Partially excluded area) হিচাপে নতুনকৈ গঠন কৰা হয়।

৭.৭ স্বাধীনোত্তৰ কালৰ নীতি

- **স্বাধীনতাৰ পৰৱর্ত্তীসময়ৰ নীতি ঐক্যবদ্ধতা আৰু স্বায়ত্বশাসনৰ বিতর্ক ঃ**

স্বাধীনতাৰ পৰৱর্তী কালত, বিভিন্ন দিশৰ পৰা জনজাতিৰ অসুবিধাসমূহ ব্যাখ্যা কৰা হৈছিল, ব্রিটিছ নীতিৰ বিচ্ছিন্নতাবাদী আৰু সম্পূর্ণভাৱে লীন যোৱা পদ্ধতিক নুই কৰিছিল আৰু ইয়াৰ ঠাইত সামাজিক সংহতিৰ নীতি মানি লৈছিল। সংহতিৰ নীতি অনুসৰি জনজাতীয়সকলক

এটা অঞ্চললৈ পৰিৱৰ্তিত কৰিব নালাগে আৰু মূলসূতিৰ লগত সংহতিৰ বাবে বলপ্ৰয়োগ কৰিব নালাগে, তাতোকৈ তেওঁলোকে লাহে লাহে একত্ৰহৈ জাতীয় মূলসূঁতিলৈ বা ধাৰালৈ লৈ আহিব লাগে। মূলসূঁতিৰ সৈতে সংহত হ'বৰ বাবে তথা জনজাতীয় সংস্কৃতি ৰক্ষাৰ বাবে অতি সাৱধানতাৰে বিভিন্ন পৰিকল্পনা কৰাৰ প্ৰয়োজন।

➢ **ৰাজনৈতিক স্বায়ত্ব শাসন ঃ**

ভাৰতীয় সংবিধানে দেশৰ বিভিন্ন অংশত বাস কৰা কেইবা নিযুত জনজাতীয় লোকৰ আইনগত সুৰক্ষাৰ ব্যৱস্থা কৰিছে। এইটো সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুচ্ছেদত সন্নিৱিষ্ট কৰি জনজাতিসকলৰ সম্পূৰ্ণ উন্নয়নৰ বাবে স্বায়ত্ব শাসন ব্যৱস্থা প্ৰদান কৰা হৈছে। এই উপায় বা ব্যৱস্থা গ্ৰহণ কৰি বিভিন্ন ৰাজ্যই জনজাতি প্ৰধান অঞ্চলসমূহত স্বায়ত্বশাসিত জিলা পৰিষদ গঠন কৰিছে। অসমৰ উত্তৰ কাছাৰ পাহাৰীয়া জিলা পৰিষদ, কাৰ্বি আংলং জিলা আৰু বড়ো আঞ্চলিক পৰিষদ সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ অধীনত প্ৰৱৰ্তন কৰা হৈছে।

➢ **পঞ্চশীল**

নেহৰুৱে পঞ্চশীল নীতিক একত্ৰীকৰণৰ পথ হিচাপে লৈ নীতি নিৰ্দেশাৱলী প্ৰৱৰ্তন কৰিছিল। পঞ্চশীল নিৰ্দেশাৱলীবোৰ এনেধৰণৰ ঃ

- জনজাতীয় লোকসকলক তেওঁলোকৰ নিজা বুদ্ধি-বৃত্তি ধ্যান-ধাৰণাৰে উন্নতি কৰিবলৈ সুবিধা প্ৰদান কৰিব লাগিব আৰু তেওঁলোকৰ ওপৰত কোনো বোজা জাপি দিয়াৰ পৰা বিৰত থাকিব লাগিব।
- ভূমিৰ আৰু বনাঞ্চলৰ ওপৰত থকা তেওঁলোকৰ অধিকাৰক সন্মান জনাব লাগিব।
- জনজাতিসকলক নিজৰ প্ৰশাসনৰউন্নতি তথা তদাৰককৰিব পৰাকৈ প্ৰশিক্ষিত কৰিব লাগিব আৰু মানৱসম্পদ সৃষ্টিৰ বাবে যোৰ দিব লাগিব।
- তেওঁলোকক বৰ বেছিকৈ প্ৰশাসিত কৰিব নালাগিব অথবা বহুবোৰ আঁচনিও তেওঁলোকৰ ওপৰত জাপি দিব নালাগিব।
- জনজাতিসকলৰ উন্নয়ন আমি ফলাফল পৰিসংখ্যা বা খৰছ হোৱা ধনৰ পৰিমাণৰ দ্বাৰা নিৰ্ণয় কৰাতকৈ ইয়াৰ লগত জড়িত থকা ব্যক্তিৰ গুণগত বিকাশৰ দ্বাৰাহে নিৰূপণ কৰা উচিত।

১৯৫৩ চনত ভাৰত চৰকাৰে ইয়াৰ বিভিন্ন ৰাজ্যসমূহত জনজাতীয় এলেকাসমূহৰ উন্নতিৰ কাৰণে ৪৩ টা বহুমুখী জনজাতীয় উপ-খণ্ড স্থাপন কৰে। ১৯৬০ চনৰ পৰা ১৯৬৯ চনলৈ এই খণ্ড সমূহৰ কাৰ্যাৱলী পৰীক্ষা কৰিবলৈ আৰু জনজাতিৰ অসুবিধাসমূহ চাবলৈ কেইবাখনো কমিটি গঠন কৰা হৈছিল।

জনজাতীয় অঞ্চলসমূহৰ অৰ্থনৈতিক উন্নতিৰ বাবে, ১৯৭৪ চনৰ পৰা পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ জনজাতীয় উপ-পৰিকল্পনা কৰা হয়। এইটো বৰ্তমানেও চলি আছে। বহু ধৰণৰ অন্যান্য উন্নতিমূলক যোজনাও গ্ৰহণ কৰা হৈছে।

এনেধৰণৰ পদক্ষেপ লোৱাৰ পাছতো জনজাতিসকলৰ অৱস্থাৰ উন্নতি বিস্তৃতভাৱে হোৱা

নাই। আনকি সংবিধানে সংযোজন কৰা বিভিন্ন কেন্দ্রীয় আৰু ৰাজ্যিক ধাৰাসমূহেও এই লোকসকলৰ কাৰণে প্রকৃত ন্যায় বিচাৰ কৰিব পৰা নাই। জনজাতীয় লোকসভাৰ মানৰ সম্পদ উন্নয়নৰ সূচক যথেষ্ট নিম্ন মানৰ হৈ অহা দেখা যায়। লগতে নিম্ন আন্তঃগাঁথনি, প্রাকৃতিক সম্পদৰ ওপৰত ক্রম হ্রাসমান নিয়ন্ত্রণ, থকা ঠাইৰ পৰা যি কোনো মুহূর্ততে উচ্ছেদ হোৱাৰ আশংকা, সমাজ তথা অর্থনীতিৰ মূলসুঁতিৰ পৰা বাহিৰত অৱস্থান, সুবিধা আৰু সম্পদৰ অসমান বিতৰণ আৰু সৱলীকৰণৰ অভাৱেই হৈছে জনজাতীয় লোকসকলে সন্মুখীন হোৱা মুখ্য সমস্যাৰাজি। এই সমস্যাসমূহ সমাধান কৰি তেওঁলোকক এক প্রগতিশীল পথলৈ লৈ গৈ, ৰাষ্ট্রগঠনত সক্রিয় অংশগ্রহণ কৰিব পৰাকৈ সক্ষম কৰি তুলিবলৈ ভাৰত চৰকাৰে 'অনুসূচীত জনজাতিৰ বাবে ৰাষ্ট্রীয় নীতি' প্রণয়ন কৰে। ইয়াৰ উদ্দেশ্য হ'ল আর্থসামাজিক উন্নয়নৰ লগতে সংবিধানিক ৰক্ষণাবেক্ষণসমূহ বাস্তৱত ৰূপায়ণ কৰা।



অগ্রগতি নিৰীক্ষণ-২

খালী ঠাই পূৰণ কৰক

(ক) ..... সকল ভাৰতবর্ষৰ সকলোতকৈ বেছি জনসংখ্যা থকা জনজাতীয় গোট।

(খ) আটাইতকৈ কম জনসংখ্যাৰ জনজাতীয় গোট হ'ল .....।

(গ) অসমৰ জনজাতীয় গোষ্ঠী সমূহ ..... অঞ্চলৰ অন্তর্ভুক্ত।

(ঘ) অসমৰ জনজাতীয় স্বায়ত্ব শাসিত অঞ্চলসমূহ ভাৰতীয় সংবিধানৰ ..... অনুসূচী অনুসৰি গঠন কৰা হয়।

(ঙ) পঞ্চশীল নীতিৰ আঁৰত থকা মানুহজন হৈছে .....।



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যাটিত আমি বিভিন্ন নৃতাত্ত্বিকে আগবঢ়োৱা জনজাতিৰ বিভিন্ন সংজ্ঞাৰ বিষয়ে আমি আলোচনা কৰিলোঁ।
- নৃতত্ত্ববিদ নায়কে দিয়া জনজাতিৰ সংজ্ঞা তথা বৈশিষ্ট্য, নৃতত্ত্ববিদ আদ্রে বেটে আৰু ঘুর্য়েৰ সমালোচনা, নৃতাত্ত্বিক সম্মিলনে লিপিবদ্ধকৰণ জনজাতিৰ বৈশিষ্ট্যৰ তালিকা, ভাৰতীয় সংবিধানে অনুসূচীত জনজাতিক চিনাক্ত কৰিবলৈ লোৱা উপাদানসমূহৰ দ্বাৰা আমি ভাৰতীয় পটভূমিত জনজাতিসকলৰ কিছুমান সার্বজনীন বৈশিষ্ট্য দেখা পাওঁ।
- মুখ্য বৈশিষ্ট্যসমূহ হ'ল -- ৰাজনৈতিক স্বায়ত্বশাসন আৰু নিজা অঞ্চল, ৰাজনৈতিকভাৱে সংগঠিত এটা সম্প্রদায়, নিজা ভাষা, ৰীতি-নীতি আৰু উৎসৱ, সমগোত্রীয় বিবাহ, এই সকলোবোৰেই তেওঁলোকৰ সংস্কৃতিক পৰিচয় চিহ্নিত কৰি তোলে।

- ভাৰতবৰ্ষৰ জনজাতিৰ ভৌগোলিক শ্ৰেণীবিভাগৰ ওপৰতো আমি দৃষ্টিপাত কৰিছোঁ আৰু ইয়াৰ বিভিন্ন উপাদানসমূহ দ্বাৰা নৃতাত্ত্বিকসকলে ভাৰতবৰ্ষৰ জনজাতি সমূহৰ শ্ৰেণীবিভাগ কৰিছে।
- ভাৰত চৰকাৰে গ্ৰহণ কৰা আৰু মানি চলা বিভিন্ন জনজাতীয় নীতি, যিবোৰ স্বাধীনতাৰ পূৰ্ব্ব আৰু পৰৱৰ্ত্তী কালচোৱাত গ্ৰহণ কৰা হৈছিল, এই সকলোবোৰ আলোচনা কৰা হৈছে।
- ভাৰতীয় সংবিধান, ভাৰতবৰ্ষৰ জনজাতীয় লোকৰ পুনৰউত্থানৰ বাবে বিভিন্ন সময়ত ক্ৰমানুসাৰে বিবিধ পৰিকল্পনা আৰু পুঁজিৰ যোগান ধৰা হৈছে। ভাৰতীয় সংবিধানৰ লক্ষ্য অনুধাৱন কৰিবলৈ ভাৰত চৰকাৰে অনুসূচীত জনজাতিৰ বাবে এক জাতীয় নীতিৰ ওপৰত কাম কৰি আছে।



৭.৯ অধিক জানিবলৈ

১) L.P. Vidyarthi and B.K. Rai : The Tribal Culture of India, Concept, Delhi
Nadeem Hasnain : Tribal India, Prakashan Delhi.



৭.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ

(ক) সত্য (খ) অসত্য (গ) সত্য

২ নং প্ৰশ্নৰ উত্তৰ

(ক) গণ্ড (খ) জাৰৱা (গ) উত্তৰ-পূব হিমালয়

(ঘ) ষষ্ঠ (ঙ) জৱাহৰলাল নেহৰু



৭.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ জনজাতিৰ সংজ্ঞা দিয়ক। জনজাতিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা জনজাতিক কেনেদৰে চিনাক্তকৰণ কৰা হয়?

প্ৰশ্ন ৩ ঃ অনুসূচীত জনজাতি বিশ্লেষণ কৰাৰ উপাদান সমূহ কি কি?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভৌগোলিক ভিত্তিত জনজাতিৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ বৃটিছৰ জনজাতীয় নীতিৰ বিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ স্বাধীনতাৰ পৰৱৰ্ত্তী কালছোৱাৰ চৰকাৰে গ্ৰহণ কৰা জনজাতিৰ নীতিসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ ভাৰতীয় সমাজত নাৰী

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ প্ৰাচীন ভাৰতৰ নাৰী

৮.৪ মধ্যযুগৰ ভাৰতত নাৰী

৮.৫ সংস্কাৰ আন্দোলন আৰু স্বাধীনতা আন্দোলনৰ সময়ছোৱাত নাৰী

৮.৬ বিভিন্ন যুগৰ লিংগকেন্দ্ৰিক সম্পৰ্ক

৮.৭ নাৰী সবলীকৰণ

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্ৰগতিৰ খতিয়ান

৮.১১ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিভিন্ন যুগত ভাৰতীয় নাৰীৰ সামাজিক প্ৰস্থিতি আৰু অৱস্থাৰ বিষয়ে জানিব পাৰিব
- নাৰীয়ে সীমিত মনোযোগৰ ভিতৰতে কেনেদৰে নিজৰ অস্তিত্ব গঢ়ি তুলিছে সেয়া বুজি পাব
- সংস্কাৰ প্ৰক্ৰিয়াত নিজকে জড়িত কৰিবলৈ ভাৰতীয় নাৰী কোনবোৰ কাৰ্যত লিপ্ত হৈছিল সেয়া আলোচনা কৰিব পাৰিব
- সতী, জৌহৰ, বাল্য বিবাহ আদি প্ৰথাৰ বিষয়ে জানিব আৰু বুজিব পাৰিব
- স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে জড়িত থকা বিখ্যাত আৰু জনপ্ৰিয় ভাৰতীয় নেত্ৰীসকলৰ বিষয়ে জানিব পাৰিব

৮.২ পৰিচয়

ভাৰতীয় সমাজত নাৰীৰ স্থান পুৰুষতকৈ তলত বুলি ধৰা হয়। কিন্তু সমাজ এখন বৰ্তি থাকিবলৈ পুৰুষ আৰু নাৰী দুয়োটা উপাদানেই সমানে গুৰুত্বপূৰ্ণ। পুৰুষ আৰু নাৰী একেটা

মুদ্রাৰে ইপিঠি-সিপিঠি। জৱাহৰলাল নেহৰুৱে কৈছিল যে ল'ৰা এটাক শিক্ষা লাভৰ সুবিধা দিয়া মানে হ'ল মাত্ৰ এজন মানুহক শিক্ষা দিয়া। কিন্তু ছোৱালী এজনীক শিক্ষা লাভৰ সুবিধা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা। ভাৰতীয় সমাজত নাৰীৰ অৱস্থা একেটা বাক্যতে বৰ্ণনা কৰিব পৰা নাযায়। প্ৰাচীন আৰু বৰ্তমান যুগৰ ভাৰতীয় নাৰীৰ বিষয়ে বুজিবলৈ যাওঁতে আন বহুতো কথা বিবেচনা কৰি চাব লাগিব। সময়ৰ সৈতে সমাজ এখনো সলনি হয়। পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খাই ল'ৰৰ বাবেই সমাজখনলৈ পৰিৱৰ্তন আহে। সময়ৰ সৈতে হোৱা সমাজ তথা পাৰিপাৰ্শ্বিকৰ পৰিৱৰ্তন হ'ল সামাজিক বিকাশৰ মৌলিক চৰ্ত।

একেদৰে ভাৰতীয় নাৰীৰ সামাজিক প্ৰস্থিতি আৰু অৱস্থালৈকো প্ৰাচীন যুগৰ পৰা আধুনিক যুগলৈ বহুতো পৰিৱৰ্তন আহিছে। ৰজা-ৰাণীৰ অস্তিত্ব থকা যুগত নাৰীৰ সমস্যা সম্পৰ্কে হোৱা আলোচনাৰ প্ৰমাণ নায়েই বুলিব পাৰি। ভাৰতীয় সমাজ মূলতঃ পিতৃপ্ৰধান। অৰ্থাৎ পৰিয়ালৰ মুৰব্বী সদায় এগৰাকী পুৰুষ। ভাৰতীয় সমাজে সামাজিক ক্ৰমত পৰিয়ালক এটা অতি শক্তিশালী একক বুলি গণ্য কৰে। অৰ্থাৎ প্ৰাচীন কালৰে পৰা আধুনিক যুগলৈকে ভাৰতীয় পৰিয়ালত সবাতোকৈ প্ৰভাৱশালী সদস্যগৰাকী হ'ল পুৰুষ আৰু পৰিয়ালত নাৰীক কম গুৰুত্ব দিয়া হয়। প্ৰাচীন ভাৰতত গাৰ্গী, মৈত্ৰেয়ী, ৰেজিয়া চুলতান, নূৰজাহাঁ, গুলবদন বেগম, ৰাণী লক্ষ্মীবাঈ আদিৰ দৰে বহুতো বিখ্যাত আৰু বিদূষী মহিলা আছিল। ভাৰতীয় ইতিহাসে তেওঁলোকৰ অৱদান আজিও সোঁৱৰে। কিন্তু গভীৰভাৱে অধ্যয়ন কৰিলে আমি দেখিম যে এইসকল মহিলা হয় অভিজাত পৰিয়ালৰ নহয় কোনো ৰাজবংশৰ সদস্যা আছিল। সেই দিশেৰে তেওঁলোকৰ জীৱনৰ আধাৰত আমি এই সিদ্ধান্তত উপনীত হ'ব নোৱাৰো যে প্ৰাচীন যুগৰ সকলো ভাৰতীয় নাৰীয়েই একোটা মৰ্যাদাপূৰ্ণ সামাজিক প্ৰস্থিতি লাভ কৰিছিল। নাৰীক আজিও পুৰুষৰ সমান বুলি গণ্য কৰা নহয় আৰু নাৰীয়ে আজিলৈকে সম অধিকাৰ লাভৰ বাবে যুঁজি আছে।

ইতিহাসৰ বিভিন্ন পুথিবোৰে কৰা দাবী অনুসৰি বৈদিক যুগত (আনুমানিক ১৫০০-৫০০ খ্ৰীষ্টপূৰ্ব) ভাৰতীয় নাৰীৰ সামাজিক দশা যথেষ্ট উন্নত আছিল। কিন্তু বৈদিক পুথিবোৰৰ ক'তোৱেই নাৰীকো উত্তৰাধিকাৰী সূত্ৰে সম্পত্তিৰ অধিকাৰ অথবা বিধবা মহিলাক পুনৰ্বিবাহৰ অনুমতি দিয়া হৈছিল বুলি উল্লেখ নাই। সেই দিশেৰে বিবেচনা কৰি চালে বৈদিক যুগত নাৰীৰ সামাজিক দশা উন্নত আছিল বুলি কৰা দাবীটোৱে সন্দেহৰ উদ্ৰেক কৰে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সৈতে জড়িত বিভিন্ন সামাজিক কাৰ্যকলাপত নাৰীয়ে সক্ৰিয় ভূমিকা পালন কৰিছিল। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে এই যুগত নাৰী অধিক সচেতন হৈ উঠিছিল। নাৰীকণ্ঠক এই যুগতো দমন কৰা হৈছিল যদিও ভাৰতীয় সমাজত প্ৰচলিত কিছুমান কু-প্ৰথাৰ সংস্কাৰ কৰিবলৈ এমুঠিমান উদাৰ মনৰ পুৰুষ আগবাঢ়ি আহিছিল। ৰাজা ৰামমোহন ৰায়ৰ নেৰানেপেৰা প্ৰচেষ্টাত লৰ্ড উইলিয়াম বেণ্টিংকে ১৮২৯ চনত সতী প্ৰথাৰ বিলোপ সাধন কৰিছিল।

বিভিন্ন সময়ত ভাৰতৰ নাৰীৰ সামাজিক অৱস্থা উন্নত কৰিবলৈ বহুকেইটা গুৰুত্বপূর্ণ সংস্কাৰ সাধন কৰা হৈছিল যদিও নাৰীৰ সম-অধিকাৰৰ ধাৰণাটো তেতিয়াও এক কাল্পনিক বিষয় হৈয়েই আছিল। এই অধ্যায়ত আমি ভাৰতবর্ষত নাৰীৰ প্রস্থিতি সম্পর্কে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পিতৃপ্রধান সমাজ ব্যৱস্থা বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ২ ঃ বৈদিক যুগৰ গ্রন্থবোৰে নাৰী সম্পর্কে কি দাবী কৰে?

.....

.....

প্রশ্ন নং ৩ ঃ সতী প্রথা কেতিয়া বিলোপ কৰা হৈছিল?

.....

.....

৮.৩ প্রাচীন ভাৰতৰ নাৰী

মানুহে জনা সকলো ইতিহাসপ্রসিদ্ধ সমাজৰে পুৰুষৰ আধিপত্য আৰু নাৰীৰ দমন হ'ল উমৈহতীয়া বৈশিষ্ট্য। ভাৰতীয় সমাজো ইয়াৰ ব্যতিক্রম নহয়। ভাৰতীয় সমাজবোৰৰ বেছিভাগেই পিতৃপ্রধান। সমাজত সমান পদ ব্যৱস্থাৰ প্রচলন নাই। সমাজবোৰ পদানুক্রম, লিংগ আৰু জাতি-বর্ণৰ ভিত্তিত বিভাজিত। হৰপ্পা সভ্যতাৰ পতনৰ পাছত আনুমাণিক ১৫০০-৫০০ খ্রীষ্টপূর্বৰ কালছোৱাত বৈদিক যুগৰ সূচনা হৈছিল। বৈদিক যুগৰ আগৰ কালছোৱাত নাৰী সম্পর্কীয় তথ্যৰ বৰ বিশেষ উল্লেখ দেখা নাযায়। সেই সময়ৰ সমাজবোৰ প্রধানতঃ অস্তিত্ব বর্তাই ৰখাৰ ওপৰত নির্ভৰশীল আছিল। সেয়েহে সাধাৰণ নাৰীৰ সামাজিক প্রস্থিতি সম্পর্কে নিচেই কম উল্লেখ পোৱা যায়। প্রাচীন যুগ অধ্যয়ন কৰি পোৱা এটা গুৰুত্বপূর্ণ কথা হ'ল তেতিয়াৰ পৰা বর্তমানলৈকে প্রচলিত 'মাতৃ দেৱী'ৰ উপাসনা। যদিও মাতৃ দেৱীৰ উপাসনা কৰা প্রথাটো জনপ্রিয় আছিল তথাপিও এইসকল দেৱী পুৰুষ দেৱতাবোৰৰ সমান গুৰুত্বপূর্ণ নাছিল আৰু দেৱীক দেৱতাতকৈ শ্রেষ্ঠ বুলি বিশ্বাস কৰা নহৈছিল। দেৱী উপাসনাৰ প্রথা জনপ্রিয় আছিল বাবেই প্রকৃত নাৰীসকলে সমাজত ক্ষমতা তথা অন্য সা-সুবিধা উপভোগ কৰিবলৈ পাইছিল বুলি সাধাৰণভাৱে ধৰি লোৱাটো অনুচিত হ'ব। হৰপ্পা সভ্যতাৰ অৱশেষ উদ্ধাৰ হোৱা বহুতো স্থানত বিভিন্ন দেৱীৰ পোৰামাটিৰে নির্মিত মূর্তি পোৱা গৈছে। হৰপ্পা সমাজত এই প্রথা বহুলভাৱে প্রচলিত আছিল। কাৰণ হৰপ্পা সভ্যতাৰ যুগত সমাজবোৰ কৃষিজীৱী আছিল আৰু 'মাতৃদেৱী'ৰ উপাসনা মাটিৰ উর্বৰতাৰ সৈতে

জড়িত আছিল।

প্ৰাচীন যুগৰ লেখনীবোৰত অভিজাত শ্ৰেণীৰ নাৰীসকলৰ বিষয়ে যথেষ্ট আলোচনা কৰা হৈছিল। কিন্তু সমাজৰ দুখীয়া শ্ৰেণীৰ নাৰীসকলক উপেক্ষা কৰা হৈছিল। ঋক্‌বেদত নাৰীয়ে লিখা উপাসনা গীতবোৰৰ আনুপাতিক হিচাপ তেনেই কম (১০০০ টাৰ ভিতৰত মাত্ৰ ১২-১৫টা)। সেই যুগত নাৰী ঋষিৰ সংখ্যাও আছিল নিচেই কম। অৰ্থাৎ নাৰীয়ে পবিত্ৰ গ্ৰন্থবোৰ অধ্যয়ন কৰাৰ সুযোগ নাপাইছিল বুলিব পাৰি। সমাজত কোনো নাৰী পুৰোহিত নাছিল। কেতিয়াবা যদি কোনো মহিলাই কোনো বলি-বিধানৰ আয়োজন কৰিছিল অথবা তেনে অনুষ্ঠানত ভাগ লৈছিল, তেন্তে তেওঁ সেয়া পতিৰ সলনিহে কৰিছিল। বৈদিক সমাজ সম্পূৰ্ণৰূপে পিতৃপ্ৰধান আছিল। পাৰ্থিৱ সম্পদৰ ওপৰত নাৰীৰ নিয়ন্ত্ৰণ অতি কম আছিল।

বৈদিক যুগত বিভিন্ন ধৰণৰ বিবাহৰ প্ৰচলন আছিল, যেনে— একবিবাহ, বহুস্ত্ৰী বিবাহ আৰু বহুপতি বিবাহ। 'গৃহসূত্ৰ'বোৰে বিবাহৰ ছটা অথবা আঠটা প্ৰকাৰৰ এখন তালিকা দিছিল। তাত নাৰীক বলপূৰ্বক আটক কৰি বিয়া পতাৰ লগতে নাৰীয়ে নিজ পচন্দৰ পুৰুষক স্বামীবৰণ কৰাৰ নিয়ম সন্নিবিষ্ট কৰা আছিল। বহুপতি বিবাহ প্ৰথাতকৈ বহুপত্নী বিবাহ প্ৰথাৰ প্ৰচলন অধিক আছিল। অৰ্থাৎ পুৰুষে একাধিক পত্নী আৰু উপ-পত্নী ৰাখিব পাৰিছিল কিন্তু নাৰীয়ে কেৱল এজন স্বামীহে বৰণ কৰিব পাৰিছিল। প্ৰথম অৱস্থাত লিখা 'ধৰ্মসূত্ৰ'বোৰে বিধবা বিবাহ সমৰ্থন নকৰিছিল। অৱশ্যে এনে সূত্ৰবোৰৰ মতে যদি কোনো বিবাহিতা মহিলাই এক নিৰ্দিষ্ট সময়ৰ বাবে স্বামীয়ৈ অপেক্ষা কৰাৰ অন্তত যদি স্বামীয়ে তেনে নাৰীক পৰিত্যাগ কৰে অথবা যদি স্বামী উভতি নাহে, তেন্তে তেওঁ পুনৰ বিবাহত বহিব পাৰে। বিধবা মহিলাই নিজ স্বামীৰ ভ্ৰাতৃৰ সৈতে সহবাস কৰি পুত্ৰ সন্তান জন্ম দিয়াৰ প্ৰথাও প্ৰচলিত আছিল। নাৰীক সাধাৰণতে অতি ঘৰচীয়া চৰিত্ৰৰ বুলি ধৰা হৈছিল। নাৰীৰ একমাত্ৰ কাম আছিল পুত্ৰ সন্তান জন্ম দিয়া। নাৰীয়ে সমাজত অথবা ঘৰত মূৰ তুলি কথা ক'ব নোৱাৰিছিল। নাৰীৰ উত্তৰাধিকাৰীসূত্ৰে সম্পত্তি লাভৰ অধিকাৰ নাছিল। নাৰীয়ে লাভ কৰা একমাত্ৰ অধিকাৰটো আছিল 'স্ত্ৰীধন' নিজৰ হাতত ৰখাৰ অধিকাৰ। বিবাহৰ সময়ত পিতৃ তথা পৰিয়ালৰ অন্য সদস্যৰ পৰা লাভ কৰা উপহাৰবোৰকো 'স্ত্ৰীধন' বোলা হৈছিল। নাৰীয়ে অলংকাৰ, বস্ত্ৰ আৰু অন্য ঘৰুৱা সা-সামগ্ৰী স্ত্ৰীধন হিচাপে লাভ কৰিছিল।

বৈদিক যুগৰ শেষৰ ফালে নাৰীয়ে কৰা অন্য কিছুমান কামৰ উল্লেখ পোৱা যায়। নাৰীয়ে পোহনীয়া জীৱ-জন্তুৰ যত্ন লৈছিল, গাখীৰ খিৱাইছিল আৰু খোৱাপানী মজুত কৰিছিল। সমাজত 'ভয়িত্ৰী' আৰু 'চিৰি' (শিপিনী), পেশাকাৰী (মহিলা সূচিকৰ্মী), বিদালকাৰী (বাঁহ ফলা মহিলা), ৰাজয়িত্ৰী (মহিলা ৰঞ্জক পদাৰ্থ প্ৰয়োগকাৰী) আৰু উপলাপ্ৰেক্ষিণী (মহিলা খাদ্যশস্য গুড়ি কৰোঁতা)। ঋক্‌বেদত অপলা নামৰ এগৰাকী নাৰী যোদ্ধাৰ নাম উল্লেখ আছে। তেওঁ কোনো এখন যুদ্ধত ভৰি এখন হেৰুৱাইছিল। মুদ্‌গলিনী আৰু ভদ্ৰীমতী হ'ল বেদত উল্লেখ থকা আন দুগৰাকী যোদ্ধা। বৈদিক যুগৰ গাৰ্গী আৰু মৈত্ৰেয়ী নামৰ বিদুষী মহিলা দুগৰাকীয়ে উপনিষদত বিদগ্ধ মুনিসকলৰ সৈতে দাৰ্শনিক তৰ্কযুদ্ধত লিপ্ত হৈছিল।

● বৌদ্ধ ধর্ম আৰু নাৰী ঃ

বৌদ্ধ ধর্মৰ পৰম লক্ষ্য হ'ল নির্বাণ। ভিক্ষুণী সংঘ স্থাপনৰ লগে লগে নাৰীৰ বাবে নির্বাণ লাভৰ পথ গ্রহণ কৰাটো সম্ভৱ হৈ পৰিল। কিন্তু বৌদ্ধ গ্রন্থবোৰে আজ্ঞাবহ আৰু বাধ্য নাৰীৰ প্রচলিত আদর্শটোকে সমর্থন কৰে। নাৰীৰ জীৱন স্বামী আৰু পুত্রক কেন্দ্র কৰি আৱর্তিত হ'ব লাগে বুলি বৌদ্ধ গ্রন্থবোৰে মত দাঙি ধৰে। নাৰীক আনকি বিষাক্ত সাপ আৰু অগ্নিৰ সৈতে তুলনা কৰা হৈছে। ইয়াৰ দ্বাৰা ভিক্ষুসকলক নাৰীৰ পৰা আঁতৰি থাকি তেওঁলোকৰ ব্রহ্মচর্য ব্রতৰ পৰা বিচলিত নহ'বলৈ কোৱা হৈছে। ভিক্ষুণীসকলকো পুৰুষৰ পৰা আঁতৰি থাকিবলৈ কোৱা হৈছে যদিও পুৰুষক কোনো প্রাণীৰ সৈতে তুলনা কৰা হোৱা নাই। বৌদ্ধ গ্রন্থবোৰে দাবী কৰে যে গৌতম বুদ্ধই নিজে কেতিয়াও ভিক্ষুণী সংঘ স্থাপনৰ পোষকতা কৰা নাছিল। কিন্তু প্রধান শিষ্য আনন্দ আৰু পালিতা মাতৃ তথা মাহীয়েক মহাপ্রজাপতি গৌতমীৰ নেৰানেপেৰা আগ্রহত সন্মতি জনাবলৈ বাধ্য হৈছিল।

বৌদ্ধ সংঘ সকলোৰে বাবে মুকলি নাছিল। গর্ভৱতী মহিলা, গাখীৰ খাবলৈ নেৰা সন্তানৰ মাতৃ, কোনো ডেকা ল'ৰাৰ সৈতে সম্পর্ক থকা সামাজিক নীতি-নিয়ম নমনা নাৰী আৰু পিতৃ-মাতৃ অথবা স্বামীয়ে সংঘত চামিল হোৱাৰ অনুমতি নিদিয়া নাৰীৰ বাবে সংঘৰ দুৱাৰ বন্ধ আছিল। ভিক্ষুতকৈ ভিক্ষুণীৰ বাবে থকা নীতি-নিয়মৰ তালিকাখন যথেষ্ট দীঘল আছিল। অৱশ্যে ভিক্ষুণী সমাজৰ বহুকেইগৰাকী সদস্যাই বিদূষীৰ মর্যাদা লাভ কৰিছিল। এনে এগৰাকী ভিক্ষুণী আছিল 'ক্ষেমা'। ৰজা পচেন্দি (আনুমাণিক খ্রীষ্টপূর্ব ষষ্ঠ শতিকা, কোশল ৰাজ্যৰ ৰজা)ৰ সৈতে ক্ষেমাই কৰা আলোচনাই খ্যাতি লাভ কৰিছিল। কথিত আছে যে ৰজা পচেন্দি ক্ষেমাৰ পাণ্ডিত্যত ইমানেই অভিভূত হৈ পৰিছিল যে তেওঁ কথা সামৰাৰ পাছত ৰজাই আসনৰ পৰা থিয় হৈ মূৰ দোৱাইছিল। সেই যুগৰ অন্য জ্ঞানী আৰু বিদূষী ভিক্ষুণী দুগৰাকী হ'ল ধম্মাদিন্না আৰু ভিশাখা। 'থেৰিগাথা' (জ্যেষ্ঠ ভিক্ষুণীৰ পদ) হ'ল ৭২টা কবিতাৰ সংকলন। কবিতাবোৰত থকা মুঠ পদৰ সংখ্যা হ'ল ৫২২টা। কবিতাকেইটা আধ্যাত্মিকতাৰ সর্বোচ্চ পর্যায়ত উপনীত হোৱা ৭২ গৰাকী বৌদ্ধ ভিক্ষুণীয়ে ৰচনা কৰিছিল বুলি ধৰা হয়। ভিক্ষুণী অথবা উপাসিকা নামেৰে জনাজাত নাৰীসকলে বৌদ্ধ বিহাৰ নির্মাণত প্রকাশ্যে আগভাগ লৈছিল আৰু বিপুল পৰিমাণৰ ধন দান কৰিছিল। বৌদ্ধ ধর্মত নাৰীৰ ইমান সক্রিয় অংশগ্রহণ থকা সত্বেও বৌদ্ধ গ্রন্থবোৰত ভিক্ষুণী সংঘৰ বৰ বিশেষ উল্লেখ নাই। অর্থাৎ বিভিন্ন বৌদ্ধ ধর্মীয় কার্যত সক্রিয় অৰিহণা যোগোৱাৰ পাছতো বৌদ্ধ যুগত নাৰীয়ে সমাজত প্রচলিত ভাৱধাৰা সলনি কৰিব পৰা নাছিল। তেওঁলোকে সমাজে বান্ধি দিয়া নীতি-নিয়মবোৰেই অনুসৰণ কৰিছিল। নাৰীক প্রাপ্য স্বাধীনতা দিয়া হোৱা নাছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ভাৰতীয় সমাজক ভাগ কৰা উপাদানবোৰ কি কি?

.....

.....

প্রশ্ন নং ৫ ঃ প্রাচীন যুগত মাটিৰ উর্ৱৰতাৰ সৈতে জড়িত জনপ্রিয় উপাসনা পন্থাটো কি আছিল?

.....

.....

প্রশ্ন নং ৬ ঃ 'থেৰিগাথা' কি?

.....

.....

৮.৪ মধ্যযুগৰ ভাৰতত নাৰী

ভাৰতীয় ইতিহাসক তিনিটা যুগত ভাগ কৰা হৈছে— প্রাচীন, মধ্য আৰু আধুনিক যুগ। এই তিনিওটা যুগৰে সমাজবোৰৰ ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক দিশত হোৱা প্রগতিৰ ব্যাখ্যা ইতিহাসৰ পৃষ্ঠাত পোৱা যায়। সাধাৰণতে তুর্কসকলৰ ভাৰত আগমনৰ পৰা ভাৰতত বৃটিছ শাসন প্রতিষ্ঠা হোৱাৰ সময়লৈকে মধ্যযুগ বুলি ধৰা হয়। ১২০৬ খ্রীষ্টাব্দৰ পৰা ১৫২৬ খ্রীষ্টাব্দলৈ চুলতানসকলৰ যুগ বুলি কোৱা হয়। ১৫২৬ চনৰ পৰা ভাৰতত বৃটিছ শাসনৰ ভেটি গছ লৈ উঠালৈ এই সময়ছোৱাক মোগল যুগ বোলা হয়।

এই যুগৰ ভাৰতত দুটা প্রধান ধর্ম আছিল— হিন্দু আৰু ইছলাম। মধ্যযুগৰ ভাৰতত শাসনত থকাসকলৰ বেছিভাগেই আছিল ইছলাম ধর্মৰ অনুগামী। এই সময়ছোৱাত ভাৰতীয় সমাজৰ গাঁথনি, আকৃতি আৰু সংস্কৃতিলৈ যথেষ্ট পৰিৱর্তন আহিছিল।

হিন্দু পৰিয়ালবোৰৰ দৰে মুছলমান পৰিয়ালবোৰো পিতৃপ্রধান আছিল। সেয়েহে দুয়োখন সমাজতে মহিলাৰ অৱস্থা একেই আছিল। মুছলমান সমাজত প্রচলিত পর্দা প্রথাই সেই সমাজখনৰ নাৰীৰ অৱস্থা অধিক শোচনীয় কৰি তুলিছিল। মুছলমান নাৰীয়ে নিজ পৰিয়ালত বাদে আন কাৰো সৈতে মিলামিচা কৰিব নোৱাৰিছিল। বেছিভাগ সময় তেওঁলোক ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ হৈ ৰৈছিল। কোনো কোনো ঠাইত ছোৱালীক প্রাথমিক শিক্ষা ল'বলৈ দিয়া হৈছিল যদিও উচ্চ শিক্ষা গ্রহণৰ অনুমতি দিয়া নহৈছিল।

ৰেজিয়া চুলতান আছিল ইলতুৎমিচৰ কন্যা। পিতৃৰ মৃত্যুৰ পাছত ৰেজিয়া সিংহাসনত বহিছিল। দিল্লীৰ ৰাজসিংহাসনত বহা তেঁৰেই হ'ল একমাত্র মহিলা শাসক। ৰেজিয়া চুলতান সাহসী হোৱাৰ উপৰি শিক্ষিতা, সুদক্ষ অশ্বাৰোহী আৰু তৰোৱাল চলোৱাত নিপুণ আছিল।

মোগল সম্ৰাট বাবৰৰ জীয়ৰী গুলবদন বেগম আছিল এগৰাকী সুকবি। তেওঁ অতি জ্ঞানপিপাসু মহিলা আছিল। তেওঁ লিখা এখন বিখ্যাত গ্ৰন্থ হ'ল চুলতান হুমায়ুঁৰ জীৱনী 'হুমায়ুঁনামা'। হুমায়ুঁৰ শাসনকাল সম্পৰ্কে জনাৰ ই হ'ল এক অতি গুৰুত্বপূৰ্ণ সমল। এই যুগৰ আন কেইগৰাকীমান প্ৰসিদ্ধ মহিলা কবি হ'ল মীৰা বাঈ, দেৱল ৰাণী, নূৰজাহাঁ আৰু ৰূপমতী।

নূৰজাহাঁ আছিল এগৰাকী অতি প্ৰভাৱশালী মহিলা। তেওঁক মধ্যযুগৰ ইতিহাসৰ সবাতোকৈ প্ৰভাৱশালী মহিলা বুলি কোৱা হয়। দেশ শাসনৰ পৰা আৰম্ভ কৰি স্বামী জাহাংগীৰলৈকে নূৰজাহাঁৰ প্ৰভাৱ মণ্ডল অতি ব্যাপক আছিল। তেওঁ এগৰাকী সংস্কৃতিবান, শিক্ষিতা, বুদ্ধিমতী আৰু প্ৰভুত্ব বিস্তাৰকাৰী মহিলা আছিল। দেশ শাসনৰ সৈতে জড়িত বিষয়বোৰত তেওঁ শক্তিশালী মতামত দাঙি ধৰিছিল।

দক্ষিণ ভাৰতত ৰাজ্য শাসনৰ ক্ষেত্ৰত তাৰা বায়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। স্বামী ৰাজাৰাম (শিৱাজীৰ পুত্ৰ আৰু মাৰাঠাসকলৰ ছত্ৰপতি)ৰ মৃত্যুৰ পাছত তেওঁ নাবালক সন্তানৰ হৈ অত্যন্ত দক্ষতাৰে মাৰাঠা ৰাজ্য শাসন কৰিছিল। তেওঁ পৰাক্ৰমী মোগল শক্তিক যুদ্ধত পৰাস্ত কৰাৰ লগতে মাৰাঠা ৰাজ্যৰ পৰা আঁতৰত ৰাখিবলৈকো সক্ষম হৈছিল।

মধ্যযুগত বাল্যবিবাহৰ প্ৰচলন আছিল। সমাজে বিশ্বাস কৰিছিল যে ছোৱালী ঋতুমতী হোৱাৰ আগতেই বিয়া দিব লাগে। বিয়াৰ আগতে ঋতুমতী হোৱা ছোৱালীক অশুচি বুলি গণ্য কৰা হৈছিল। আকবৰে নিজৰ ৰাজত্ব কালত ল'ৰা আৰু ছোৱালীৰ বিবাহৰ বয়স ক্ৰমে ১৬ আৰু ১৪ বছৰ ধাৰ্য কৰি আদেশ জাৰি কৰিছিল। সমাজত বহুপত্নী বিবাহ প্ৰথাৰ প্ৰচলন আছিল। মুছলমান সমাজত ই এক বৈধ প্ৰথা আছিল। এই সময়ছোৱাত যৌতুক প্ৰথাৰো প্ৰচলন আছিল। কইনাৰ পিতৃ-মাতৃয়ে দৰাৰ পৰিয়ালক বহুতো উপহাৰ আৰু ধন দিবলগীয়া হৈছিল। ফলত দুখীয়া পৰিয়ালবোৰ কন্যা সন্তানক বিয়া দিবলৈ যাওঁতে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। মধ্যযুগৰ ভাৰতত সতী প্ৰথাৰো প্ৰচলন আছিল। কিন্তু ই বাধ্যতামূলক নাছিল। ৰাজপুতানা আৰু বিজয়নগৰ ৰাজ্যত এই প্ৰথা প্ৰচলিত আছিল। আকবৰে সতী প্ৰথা বন্ধ কৰিবলৈ চেষ্টা চলাইছিল। তেওঁ আদেশ জাৰি কৰিছিল যে নিজ ইচ্ছাৰ বিৰুদ্ধে কোনো মহিলাকে মৃত স্বামীৰ চিতাত জাহ যাবলৈ কোনেও বাধ্য কৰাব নোৱাৰিব। ইউৰোপীয় পৰিব্ৰাজক পীছাৰ্টৰ (Peisaert) মতে "এগৰাকী বিধবাক আত্মজাহ দিবলৈ গভৰ্ণৰৰ অনুমতি লাগিছিল। গভৰ্ণৰে মহিলাগৰাকীক তেনে কাৰ্যৰ পৰা বাৰেণ কৰাৰ চেষ্টা চলাইছিল আৰু আন মাহিলী ভাট্টা দিয়াৰ প্ৰস্তাৱো আগবঢ়াইছিল। কেতিয়াবা সতী হ'ব খোজা মহিলাৰ অনুৰোধত সন্তানক ডাঙৰ-দীঘল কৰাৰ স্বাৰ্থত অগ্ৰাহ্য কৰা হৈছিল। কোটৰালসকলক উপযুক্ত উপহাৰ আগবঢ়াই পৰিয়ালবোৰে সাধাৰণতে এই অনুমতি যোগাৰ কৰি লৈছিল।" সম্ৰাট ঔৰংজেবেও ১৬৬৪ খ্ৰীষ্টাব্দত সতী প্ৰথা বন্ধ কৰিব খুজিছিল যদিও তেওঁ এই কাৰ্যত সফল নহ'ল।

এই যুগত গণিকা বৃত্তিৰো বহুল প্ৰচলন আছিল। কিন্তু এই বৃত্তি গ্ৰহণ কৰিব খোজা নাৰীয়ে চৰকাৰৰ পৰা অনুমতি ল'ব লাগিছিল। মোগল ৰজাসকলে বৃহৎ আকাৰৰ হাৰেমৰ তদাৰক কৰিছিল।

দেৱদাসী প্ৰথাৰ অনুশীলন কৰা হৈছিল। কম বয়সীয়া ছোৱালীক গায়িকা আৰু নৰ্ত্তকী হিচাপে ঈশ্বৰৰ নামত মন্দিৰত দান দিয়া হৈছিল। ৰজাই নিজে দেৱদাসী অনুষ্ঠানটোৰ তদাৰক কৰিছিল। ইয়াৰ কাৰণ আছিল দেৱদাসীসকলৰ সেৱাৰ বিনিময়ত জমা হোৱা বিপুল পৰিমাণৰ ৰাজহ।

নাৰীয়ে উত্তৰাধিকাৰীসূত্ৰে কোনো সম্পদৰ ওপৰত কোনো অধিকাৰ লাভ নকৰিছিল। বিবাহ বিচ্ছেদ এক জটিল প্ৰক্ৰিয়া আছিল। পৰ্দা প্ৰথাৰ বহুল প্ৰচলন আছিল। স্বয়ং আকবৰে এই মত পোষণ কৰিছিল যে ওৰণি নোলোৱাকৈ বাটে-পথে আৰু বজাৰত ঘূৰি ফুৰা গাভৰুসকল গণিকা বাস কৰা অঞ্চললৈ যোৱা উচিত আৰু গণিকা বৃত্তি গ্ৰহণ কৰা উচিত। ৰাজপুৰ ৰাজ্যবোৰত ছোৱালীক শিক্ষা লাভৰ অনুমতিৰ লগতে তৰোৱাল চালনা আৰু সমৰ কলাৰ প্ৰশিক্ষণ দিয়া হৈছিল যদিও 'জৌহৰ' (কোনো যুদ্ধত ৰাজপুত ৰাজ্যৰ পৰাজয় হ'লে মহিলাসকলে একেলগে কুঁৱাত জাঁপ দি নাইবা চিতাত জাহ গৈ সতীত্ব অক্ষুণ্ণ ৰখা প্ৰথা) আৰু নৰজাত কন্যা সন্তানৰ হত্যাৰ দৰে কু-প্ৰথাবোৰ বহুল প্ৰচলন আছিল। সেই দিশৰ পৰা ৰাজপুত সমাজতো মহিলাৰ দশা আন আন সমাজত মহিলাতকৈ উন্নত আছিল বুলি ক'ব পৰা নাযায়।

ভক্তি আন্দোলনৰ সময়ত সমাজত সামান্য পৰিৱৰ্তনৰ ৰেঙণি দেখা পোৱা গৈছিল। এই আন্দোলনত মহিলাসকলেও সক্ৰিয় ভূমিকা লৈছিল। ভালেকেইগৰাকী নাৰীয়ে তেওঁলোকৰ ওপৰত চলা নিষ্ঠুৰ অপৰাধবোৰ মুকলিলৈ সমালোচনা কৰিছিল। তেওঁলোকে সতী, পৰ্দা, কন্যা সন্তান হত্যা, বাল্য বিবাহ, যৌতুক আদিৰ দৰে প্ৰথাবোৰৰ বিৰোধিতা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ চুলতানসকলৰ শাসন কোন চনৰ পৰা কোন চনলৈ চলিছিল?

.....

.....

প্ৰশ্ন নং ৮ ঃ ৰেজিয়া চুলতান কোন আছিল?

.....

.....

প্ৰশ্ন নং ৯ ঃ বহুপত্নী বিবাহ প্ৰথা মানে কি?

.....

.....

প্ৰশ্ন নং১০ ঃ জৌহৰ কি?

.....

.....

৮.৫ সংস্কাৰ আন্দোলন আৰু স্বাধীনতা আন্দোলনৰ সময়ছোৱাত নাৰী

ভাৰতৰ স্বাধীনতা আন্দোলন হ'ল ভাৰতীয় ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা। এই আন্দোলনে সমাজৰ প্ৰতিটো শ্ৰেণীকে সমানে প্ৰভাৱিত কৰিছিল। নাৰীসকলেও স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক স্বাধীনতা লাভৰ বাবে চলা প্ৰথম ৰণ বুলি অভিহিত কৰা হয়। এই বিদ্ৰোহতো নাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ঝান্সীৰ ৰাণী লক্ষ্মীবায়ে বৃটিছৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈ সাহস আৰু বীৰত্বৰ অপূৰ্ব নিদৰ্শন দাঙি ধৰিছিল। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন কৰা হৈছিল। ই এক সৰ্বজনক সামৰি লোৱা সংগঠন আছিল। প্ৰথম অৱস্থাতেই বহুকেইগৰাকী মহিলাই কংগ্ৰেছত যোগদান কৰিছিল। ১৯০৫ চনৰ বংগভংগ আন্দোলনতো বৃহৎ সংখ্যক মহিলাই সক্ৰিয় অংশগ্ৰহণ কৰিছিল। তেওঁলোকে ৰাষ্ট্ৰীয় ন্যাসৰ নামত নিজৰ অলংকাৰ পৰ্যন্ত দান কৰিছিল। ইয়াৰ উপৰি তেওঁলোকে কাপোৰ বৈছিল, অন্য মহিলাক শিক্ষাদান কৰিছিল আৰু যথেষ্টসংখ্যক কবিতা, গীত, প্ৰবন্ধ আদি লিখিছিল। এই সময়ছোৱাৰ দুগৰাকী ৰাজনৈতিকভাৱে সক্ৰিয় মহিলা হ'ল এনি বেচান্ত আৰু সৰোজিনী নাইডু। তেওঁলোকে নাৰী অধিকাৰৰ হকে অহৰহ কাম কৰি গৈছিল। বহুতো নাৰীয়ে তেওঁলোকক নিজৰ আদৰ্শ নাৰী হিচাপে গ্ৰহণ কৰিছিল। এনি বেচান্তৰ তৎপৰতাত 'দ্য কমনৱেলথ্' আৰু 'দ্য নিউ ইণ্ডিয়া' নামৰ দুখন বাতৰি কাকত প্ৰকাশিত হৈছিল। স্বাধীনতা আন্দোলন, শ্ৰমিক সংঘৰ আন্দোলন আদি সকলোতে মহিলাৰ অংশগ্ৰহণ চকুত পৰা বিধৰ আছিল।

মহাত্মা গান্ধীয়ে নাৰীৰ কল্যাণৰ হকে কাম কৰিছিল। তেওঁ সমাজৰ নীহকূলীয়া লোক, দৰিদ্ৰ শ্ৰেণীটো আৰু অভাৰী লোকৰ হৈও কাম কৰি গৈছিল। তেওঁ পৰ্দা প্ৰথাৰ সমালোচনা কৰিছিল আৰু নাৰীক স্বাধীন হ'বলৈ উৎসাহিত কৰিছিল। দ্বিতীয় অসহযোগ আন্দোলনৰ কালছোৱাত মহিলাৰ অংশগ্ৰহণ অভূতপূৰ্ব ধৰণৰ আছিল।

তিনি হাজাৰতকৈও অধিক মহিলাই দীঘলীয়া আৰু কষ্টকৰ শোভাযাত্ৰা, পিকেটিং, মাদক দ্ৰব্য আৰু বিদেশী কাপোৰৰ দোকান ধ্বংস কৰা আদি কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল, লাঠী চাৰ্জ গা পাতি লৈছিল, কাৰাবাস খাটিছিল ইত্যাদি। মহাত্মা গান্ধীয়ে নেতৃত্ব দিয়া সকলো আন্দোলনতে মহিলাসকলে আগভাগ লৈছিল। ১৯২৫ চনত কানপুৰত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনখনৰ সভানেত্ৰী আছিল সৰোজিনী নাইডু।

ঊনবিংশ শতিকাৰ ভাৰতত শিক্ষিত ভাৰতীয়ৰ এনে এটা দলৰ উত্থান ঘটিছিল যিটো দলৰ সদস্যসকলে ভাৰতীয় নাৰীৰ ওপৰত চলা নিষ্ঠুৰতাৰ বিৰুদ্ধে মাত মাতিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে নিজৰ উদাৰবাদী চিন্তা আৰু আচৰণেৰে এনে অমানৱীয় অপৰাধবোৰ বন্ধ কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। সমাজৰ নীহকূলীয়া লোকসকলে ভুগি থকা ধৰ্মীয় বৈষম্যৰ সংশোধন ঘটোৱাৰ উদ্দেশ্যেৰে সংস্কাৰ আন্দোলন আৰম্ভ হৈছিল। পাছলৈ এই আন্দোলনে

আন বহুতো বিষয় সামৰি লৈছিল। সংস্কাৰ আন্দোলনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বাটকটীয়াগৰাকী আছিল ৰাজা ৰামমোহন ৰায়। আন কেইগৰাকীমান প্ৰখ্যাত সমাজ সংস্কাৰক হ'ল— গোবিন্দ ৰাণাডে, স্বামী দয়ানন্দ সৰস্বতী আৰু ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ। সংস্কাৰ আন্দোলনক ত্বৰান্বিত কৰাত বৃটিছ মিছনেৰীসকলৰ অৱদানো যথেষ্ট গুৰুত্বপূৰ্ণ। মিছনেৰীসকলে হিন্দু ধৰ্মৰ পুৰণিকলীয়া প্ৰথা আৰু পৰম্পৰাবোৰক সমালোচনা কৰিবলৈ আৰম্ভ কৰিছিল। ফলত শিক্ষিত চামে নিজে সংস্কাৰ সাধন কৰিব খোজা ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাবোৰক লৈ অধিক সচেতন হৈ পৰিছিল। ৰাম মোহন ৰায়ে সতী প্ৰথা বিলুপ্ত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ প্ৰচেষ্টাৰ ফলস্বৰূপে ১৮৫৬ চনৰ ২০ জুলাই তাৰিখে লৰ্ড ডেলহাউচীয়ে বিধবাৰ পুনৰ্বিবাহ আইনখন গৃহিত কৰিছিল। ৰাণাডে আৰু ডি. কে. কাৰ্ভেও বিধবাসকলৰ কল্যাণৰ কামত সক্ৰিয়ভাৱে জড়িত আছিল। কাৰ্ভেই তেওঁৰ প্ৰথমা পত্নীৰ বিয়োগৰ পাছত এগৰাকী বিধবাক বিয়া কৰাইছিল। ১৭১৫ চনত বৃটিছ গৱৰ্ণৰ জেনেৰেল জন শ্বোৰে নৱজাত কন্যা সন্তানৰ হত্যাক বে-আইনী বুলি ঘোষণা কৰিছিল। ব্ৰাহ্ম সমাজ, আৰ্য সমাজ আৰু প্ৰাৰ্থনা সমাজে অতীতত মহান বুলি উচ্চ প্ৰশংসা লাভ কৰা বহুতো কু-প্ৰথা ৰোধ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এইবোৰ কাৰণতে এই সংগঠনবোৰক ভাৰতৰ সংস্কাৰ প্ৰক্ৰিয়াৰ একোটা লাইখুঁটা বুলি গণ্য কৰা হয়।

ভাৰতৰ ইতিহাসে স্মৰণীয় কৰি ৰখা গুৰুত্বপূৰ্ণ মহিলা হ'ল জ্যোতিবা ফুলে আৰু সাবিত্ৰী বাঈ ফুলে। দুয়োগৰাকী মহিলাই সমাজত নাৰীৰ প্ৰস্থিতি উন্নত কৰিবলৈ, নীহকুলীয়া আৰু উপান্ত শ্ৰেণীৰ লোকৰ উন্নতিৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰিছিল। তেওঁলোকে আনকি ১৮৪৮ চনতেই প্ৰথম বালিকা বিদ্যালয় স্থাপন কৰিছিল। সাবিত্ৰী বাঈ ফুলেই বিদ্যালয়লৈ অহা ছোৱালীখিনিক পঢ়ুওৱাৰ দায়িত্ব লৈছিল। ১৮৫৪ চনত জ্যোতিবা ফুলেই বিধবা আৰু শিশুৰ বাবে এখন অনাথ আশ্ৰমো স্থাপন কৰিছিল। ভাৰতীয় সমাজ আৰু ভাৰতীয় মহিলাৰ জীৱনলৈ পৰিৱৰ্তন কঢ়িয়াই অনাক জ্যোতিবা আৰু সাবিত্ৰী বাঈৰ মহৎ অৱদানৰ কথা ইতিহাসে শ্ৰদ্ধাৰে সোঁৱৰে।

এই যুগৰ আন এগৰাকী স্বনামধন্যা নেত্ৰী আছিল পণ্ডিতা ৰমাবাঈ। সংস্কৃতত থকা অগাধ ব্যুৎপত্তিৰ বাবে তেওঁক পণ্ডিতা, সৰস্বতী আদি শিৰোনামেৰে বিভূষিত কৰা হৈছিল। নাৰী আৰু শিশুৰ শিক্ষা, পৰিয়ালে ত্যাগ কৰা বিধবাৰ পুনৰ সংস্থাপন আদি কামত ৰমাবাঈৰ সক্ৰিয় অৱদান চিৰস্মৰণীয়। তেওঁ সমাজত নাৰীৰ জীৱন আৰু অৱস্থা উন্নত কৰাৰ কামত জীৱন উচৰ্গা কৰিছিল।

ভাৰতৰ প্ৰথমখন মহিলা মহাবিদ্যালয় ১৮৬২ চনত ক'লকাতাত স্থাপন কৰা হৈছিল। এই কাৰ্যত ব্ৰাহ্ম সমাজৰ কৰ্মীসকলৰ ভূমিকা আছিল সবাতোকৈ স্মৰণীয়। এই মহাবিদ্যালয়খনে ভাৰতত নাৰী আন্দোলনৰ এক মাইলৰ খুঁটিৰূপে কাম কৰিছিল। ১৮৭৮ চনত নাৰী সবলীকৰণৰ লক্ষ্যেৰে নাৰী শিক্ষাৰ নতুন দুৱাৰ মুকলি কৰিবলৈ বেথুন ক'লেজ স্থাপন কৰা হৈছিল। ১৮৮৩ চনত এইখন কলেজৰে ছাত্ৰী কাদম্বিনী বাসু আৰু চন্দ্ৰমুখী বাসুৱে ভাৰতৰ প্ৰথম মহিলা স্নাতক হোৱাৰ কৃতিত্ব অৰ্জন কৰিছিল।

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে খ্ৰীষ্টান মিছনেৰীসকলৰ সহায়ত ৫০ খনতকৈও অধিক বালিকা বিদ্যালয় স্থাপন কৰিছিল। মিছনেৰীসকলৰ পত্নীসকলেও ভাৰতত স্ত্ৰী শিক্ষা প্ৰসাৰত সক্ৰিয় সহযোগ আগবঢ়াইছিল। ১৮৮২ চনত ভাৰতলৈ অহা হাণ্টাৰ কমিছনেও স্ত্ৰী শিক্ষাৰ প্ৰসাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। কমিছনে আগবঢ়োৱা পৰামৰ্শ কেইটামান হ'ল—

- চৰকাৰে ল'ৰা আৰু ছোৱালী উভয়ৰে বাবে স্থাপন কৰা বিদ্যালয়বোৰৰ বাবে সমান পৰিমাণৰ ধন অনুদান হিচাপে আগবঢ়োৱা উচিত।
- ছোৱালীক শিক্ষাদান কৰাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিনামূলীয়া কৰি তোলা উচিত।
- দূৰণিবটীয়া অঞ্চলৰ পৰা অহা ছোৱালীৰ বাবে আবাস প্ৰতিষ্ঠা কৰা আৰু দুখীয়া পৰিয়ালৰ সন্তানৰ বাবে জলপানিৰ ব্যৱস্থা কৰা উচিত।
- অৱশ্যে ল'ৰা আৰু ছোৱালী উভয় বিদ্যালয়ৰে পাঠ্যক্ৰম একে হোৱা উচিত।

১৯২৯ চনৰ ২৮ ছেপ্তেম্বৰত ৰায়বাহাদুৰ হৰিবিলাস সাৰদাৰ উদ্যোগত সাৰদা আইনখন গৃহিত কৰা হৈছিল। আইন অনুসৰি ছোৱালী আৰু ল'ৰাৰ বিবাহৰ উপযুক্ত বয়স বৃদ্ধি কৰি ক্ৰমে ১৪ আৰু ১৮ বছৰ কৰা হৈছিল। এই আইনখনক ভাৰতত মহিলাৰ সামাজিক স্থিতি সুদৃঢ় কৰাৰ এক মাইলৰ খুঁটি বুলি গণ্য কৰা হয়। ইয়াৰ পাছতেই ১৯৩৮ চনত হিন্দু মহিলাৰ সম্পত্তিৰ অধিকাৰ আইন (একাদশ)খন গৃহিত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ ১৮৫৭ চনত বৃটিছৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হোৱা সাহসী ভাৰতীয় নাৰীগৰাকীৰ নাম কি?

.....

.....

প্ৰশ্ন নং ১২ ঃ এনি বেচান্তৰ উদ্যোগত প্ৰকাশিত হোৱা বাতৰি কাকত দুখনৰ নাম কি?

.....

.....

প্ৰশ্ন নং ১৩ ঃ কেতিয়া আৰু কোনে বিধবাৰ পুনৰ্বিবাহ আইনখন গৃহিত কৰিছিল?

.....

.....

৮.৬ বিভিন্ন যুগৰ লিংগকেন্দ্রিক সম্পর্ক

'লিংগ সম্পর্ক' (Gender Relation)ৰ বিষয়ে জনাৰ আগতে 'লিংগ' (Gender) অভিধাটোৰ অর্থ বুজি পাব লাগিব। ইংৰাজী 'Gender' শব্দটোৰ মূল হ'ল ফৰাছী শব্দ 'Genese' আৰু গ্রীক্ শব্দ 'Gene'। ইয়াৰ অর্থ হ'ল পুৰুষসুলভতা আৰু নাৰীসুলভতাৰ সৈতে জড়িত এলানি বৈশিষ্ট্য আৰু পার্থক্য। লিংগ বুজোৱা ইংৰাজী শব্দ 'Sex' আৰু 'Gender'ৰ মাজত সামান্য পার্থক্য আছে। 'Sex' শব্দটোৱে প্রাণীৰ জৈৱিক দশা এটা বুজায়। 'Gender' শব্দটো মনোবিজ্ঞান অথবা সাংস্কৃতিক দিশৰ সৈতে জড়িত। অধ্যয়নৰ পৰা গম পোৱা গৈছে যে লিংগৰ মনোবৈজ্ঞানিক অথবা সাংস্কৃতিক অর্থটোহে নাৰী সামাজিক বৈষম্যৰ বলি হোৱাৰ মূল কাৰণ। অর্থটোৱে পুৰুষসুলভ আৰু নাৰীসুলভ বৈশিষ্ট্যবোৰৰ গণনা বুজায়। ভাৰতীয় সমাজত নাৰীক পুৰুষৰ তুলনাত দুর্বল বুলি ভবা হয়। ল'ৰা সন্তান জন্মাৰ সময়ত আনন্দ আৰু কন্যা সন্তান জন্মাৰ সময়ত শোক প্রকাশ কৰা হয়। ল'ৰা আৰু ছোৱালীৰ পোছাক বেলেগ বেলেগ ধৰণৰ হয়। ল'ৰাতকৈ ছোৱালীয়ে শিক্ষা লাভৰ সুযোগ কম পায়। মাক-দেউতাকে ছোৱালীক কঠোৰ নিৰীক্ষণৰ মাজেৰে ডাঙৰ-দীঘল কৰে আৰু ছোৱালীৰ দৈনন্দিন জীৱনত বহুতো বাধা-নিষেধ আৰোপ কৰে। এজনী ছোৱালীক কেতিয়াও ল'ৰাৰ সমান গুৰুত্ব আৰু স্বাধীনতা দিয়া নহয়। সমাজভেদে নাৰী নানা ধৰণৰ সামাজিক বৈষম্যৰ বলি হয়। এইবোৰৰ ভিত্তিতেই ক'ব পাৰি যে 'Gender' জৈৱিক নহয়, এটা সমাজ-সাংস্কৃতিক অভিধাহে। ই এক মানৱ সৃষ্ট ধাৰণা। ই সবলৰ তুলনাত দুর্বলসকলৰ বৈশিষ্ট্য দাঙি ধৰে।

ভাৰতত প্রতিটো যুগতে 'লিংগ সম্পর্ক'ৰ দিশটো যথেষ্ট দুর্বল ৰূপত ধৰা পৰে। ৰজা-ৰাণীৰ শাসন প্রচলিত থকা সময়ছোৱাৰ অৱস্থা অধ্যয়ন কৰিলে লিংগ বৈষম্যৰ প্রমাণ হিচাপে পর্দা প্রথাৰ কথা ওলাই পৰে। প্রতিটো যুগতেই নাৰীয়ে এনে বহু নীতি-নিয়ম অনুসৰণ কৰি আহিছে যিবোৰ পুৰুষে নির্ধাৰণ কৰি দিয়ে। নাৰীয়ে কেতিয়াও পুৰুষৰ দৰে মুকলিমুৰীয়াকৈ ঘূৰিব নোৱাৰে। নাৰীক দুর্বল আৰু পুৰুষক শক্তিশালী বুলি ধৰি লোৱাৰ ফলত নাৰীক সুৰক্ষা প্রদান কৰাটো পুৰুষসকলৰ দায়িত্ব বুলি গণ্য কৰা হয়। নাৰীক বান্ধোনত ৰাখিবলৈ, দমন কৰিবলৈ, কণ্ঠৰোধ কৰিবলৈ এনে নিয়মবোৰ পূর্বৰে পৰা প্রচলিত হৈ আছে। ইতিহাসেও খুব কমেইহে নাৰীৰ কথা কয়। ইতিহাসপ্রসিদ্ধ নাৰীসকলৰ বেছিভাগেই হয় অসাধাৰণ গুণসম্পন্না নহয় কোনো ৰাজপৰিয়াল অথবা অভিজাত শ্রেণীটোৰ সদস্যা। দুখীয়া অথবা সাধাৰণ শ্রেণীৰ মহিলাৰ সামাজিক অৱস্থা আজিও একেই আছে। এইচাম মহিলাই আজিও সকলো ধৰণৰ সামাজিক বৈষম্য আৰু নিষ্ঠুৰতাৰ সন্মুখীন হৈ আহিছে।

আজিলৈকে নাৰীয়ে নিজ অধিকাৰ আৰু স্বাধীনতাৰ বাবে যুঁজি আহিছে। অতীতৰে পৰা নাৰীৰ কণ্ঠক দমাই ৰখা হৈছে। কিন্তু বর্তমানৰ সচেতন আৰু শিক্ষিতা নাৰী সমাজে এনে দমনৰ বিৰুদ্ধে সোচ্চাৰ হৈ উঠিছে। অতীতৰ তুলনাত যথেষ্ট পৰিৱর্তন ঘটিছে যদিও আৰু বহুখিনি

পৰিৱৰ্তন ঘটিবলৈ এতিয়াও বাকী আছে। নাৰীৰ বাবে ই এক সুদীৰ্ঘ আৰু অবিৰত সংঘৰ্ষ। কাৰণ সতী, বাল্যবিবাহ আদিৰ দৰে কু-প্ৰথাবোৰ নাইকিয়া হ'ল যদিও লিংগ সমতা স্থাপন হ'বলৈ এতিয়াও বাকী। অধিকাংশ ভাৰতীয় সমাজে আজিও ছোৱালীতকৈ ল'ৰা সন্তানহে বিচাৰে। ভাৰতৰ বিভিন্ন প্ৰান্তত যৌতুক প্ৰথা এতিয়াও প্ৰচলিত। ইয়াৰ বাবে বহুতো পৰিয়ালে ছোৱালীক উচ্চ শিক্ষা লাভৰ সুবিধা নিদি সোনকালে বিয়া দিয়াৰ চেষ্টা চলায়। সমাজত উদ্বেগজনকভাৱে নাৰী সৰ্ববৰাহ, বলাৎকাৰ, যৌন নিপীড়নৰ ঘটনা বৃদ্ধি পাইছে। ভাৰতীয় সমাজবোৰ কাহানিও সমান নাছিল। হাজাৰ হাজাৰ বছৰ ধৰি নাৰী দমন, অপমান, শোষণ আৰু মানৱীয় মৰ্যাদা উলংঘনকাৰী কাৰ্যৰ বলি হৈ আহিছে। বহুখিনি পৰিৱৰ্তন আহিছে কিন্তু আৰু বহুখিনি হ'বলৈ বাকী আছে। ইয়াৰ বাবে অবিৰত সংগ্ৰামেৰ প্ৰয়োজনীয়তা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৪ ঃ লিংগ মানে কি?

.....

.....

প্ৰশ্ন নং ১৫ ঃ নাৰীৰ ওপৰত চলা বৈষম্যৰ মূল হিচাপে 'লিংগ'ক জগৰীয়া কৰাৰ কাৰণ কি?

.....

.....

৮.৭ নাৰী সবলীকৰণ

সমাজৰ নতুন সংজ্ঞা দাঙি ধৰিবলৈ নাৰী সবলীকৰণক এক অতি গুৰুত্বপূৰ্ণ বিষয় বুলি গণ্য কৰা হয়। নাৰী সবলীকৰণ মানে হ'ল নাৰীক শিক্ষা আৰু আৰ্থিক সুৰক্ষাৰে শক্তিশালী কৰি তোলা। শিক্ষিতা নাৰীয়ে নিজৰ জীৱিকা নিজেই উপাৰ্জন কৰিব পৰা হয়। এই কথাটোৱে তেওঁক আৰ্থিক দিশেৰে সবল কৰি তোলে। নাৰী সবলীকৰণৰ ধাৰণাটোৰ সৈতে জড়িত বিভিন্ন প্ৰকল্পৰ কাম আৰম্ভ হৈছে। আত্ম সহায়ক গোট গঠনৰ দৰে সৰু সৰু প্ৰকল্পবোৰৰ দ্বাৰা নাৰীক আৰ্থিকভাৱে সবল কৰি তুলিব পৰা বিভিন্ন কাম-কাজে যথেষ্ট সফলতা লাভ কৰিছে। এনে ধৰণৰ প্ৰকল্পবোৰত মহিলাসকলে বিশেষকৈ কোনো এক স্থানৰ থলুৱা মহিলাসকলে কেইমাহমানৰ বাবে নিয়মীয়াকৈ কিছু টকা সঞ্চয় কৰে। তাৰ পাছত এই মূলধনখিনি কাৰোবাক প্ৰয়োজন অনুসৰি ধাৰলৈ দিয়া হয়। জমা ৰখা পুঁজি গোটৰ সদস্যাসকলক নাইবা গাঁৱৰ আন কাৰোবাক প্ৰয়োজনৰ সময়ত ধাৰ দিব পাৰি। ইয়াৰ বিনিময়ত কিছু পৰিমাণে সুত লোৱা হয়। ভাৰতত বহুতো আত্ম সহায়ক গোটে বেংকৰ সৈতে সংলগ্ন হৈ ক্ষুদ্ৰ ঋণ প্ৰণালীটো আগবঢ়াই নিছে।

অনা চৰকাৰী সংস্থা বোৰে প্ৰথমে আত্ম সহায়ক গোট স্থাপন কৰিছিল। ইয়াৰ মূল কাৰণ আছিল দৰিদ্ৰতা আঁতৰ কৰা কিন্তু বৰ্তমান এনে গোটবোৰক নাৰী সমাজক সবল কৰাৰ এক আহিলা হিচাপে লোৱা হয়। ইয়াৰ উপৰি এনে গোটবোৰে সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ নেতৃত্ব দিব পৰা গুণ, বিদ্যালয়ত সন্তানৰ নামভৰ্তিৰ বাবে প্ৰয়োজন হোৱা সজাগতাৰ বৃদ্ধি, পৰিপুষ্টি জন্ম নিয়ন্ত্ৰণৰ শিক্ষা প্ৰদান আদিৰ দৰে কামবোৰো কৰে। আত্ম সহায়ক গোটবোৰ সাধাৰণতে নাবার্ডৰ সৈতে জড়িত। নাবার্ডে গোটবোৰক ক্ষুদ্ৰ প্ৰকল্প আৰম্ভ কৰি কিছু লাভ আহৰণৰ বাবে ঋণ প্ৰদান কৰে। নাবার্ডৰ অধ্যয়ন অনুসৰি ভাৰতত প্ৰায় ২০২০০০০ আত্ম সহায়ক গোট আছে। ইয়াত ৩৩০০০০০ সদস্য জড়িত হৈ আছে। আত্ম সহায়ক গোট হ'ল দুখীয়া আৰু নাৰী সমাজক সবল কৰি তুলিব পৰা সৰু উদাহৰণ। বৰ্তমান সময়ত আমাৰ দেশত নাৰীৰ উন্নয়নক বাস্তৱ ৰূপ দিবলৈ চৰকাৰ আৰু অনা-চৰকাৰী সংস্থাসমূহে বিভিন্ন প্ৰকল্পৰ কাম চলাই আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৬ ঃ নাৰী সবলীকৰণ মানে কি?

.....

.....

প্ৰশ্ন নং ১৭ ঃ আত্ম সহায়ক গোট মানে কি?

.....

.....



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সমাজ প্ৰধানতঃ পিতৃপ্ৰধান সমাজ।
- নাৰীক কেতিয়াও পুৰুষৰ সমাজ বুলি ভবা নহয়।
- নাৰীৰ উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি লাভৰ কোনো অধিকাৰ নাই।
- ভাৰতীয় সমাজত বহু যুগ ধৰি সতী আৰু বাল্য বিবাহ প্ৰথা প্ৰচলিত আছিল।
- বৈদিক যুগত নাৰীক বেদ অধ্যয়ন কৰিবলৈ দিয়া হোৱা নাছিল।
- প্ৰাচীন যুগৰ দুগৰাকী বিদূষী মহিলা আছিল গাৰ্গী আৰু মৈত্ৰেয়ী।
- বৌদ্ধধৰ্মই বহুদিন পাছতহে ইয়াৰ সংঘ ব্যৱস্থাত ভিক্ষুণীসকলক স্থান দিছিল।
- নাৰী ভিক্ষুণীৰ বাবে ভিক্ষুণী সংঘ স্থাপন কৰা হৈছিল।
- মধ্যযুগৰ ভাৰতত ইছলাম আছিল সবাতোকৈ প্ৰভাৱশালী ধৰ্ম। হিন্দু সমাজৰ দৰে মুছলমান

সমাজো আছিল পিতৃপ্রধান। মুছলমান সমাজে কঠোৰভাৱে পর্দা প্রথা মানি চলিছিল।

- ৰেজিয়া চুলতান আছিল দিল্লীৰ সিংহাসনত বহু প্রথম মহিলা।
- মধ্যযুগৰ আন দুগৰাকী শিক্ষিতা আৰু বুদ্ধিমতী নাৰী আছিল গুলবদন বানু বেগম আৰু নূৰজাহাঁ।
- তাৰাবাঈ আছিল এগৰাকী সুদক্ষ মাৰাঠী শাসক। তেওঁ যুদ্ধতক মোগলসকলক পৰাস্ত কৰিছিল।
- মধ্যযুগত গণিকা বৃত্তিৰ বহুল প্রচলন আছিল। মোগল সম্রাটসকলে বিশাল হাৰেমৰ তদাৰক কৰিছিল।
- ১৮৫৭ চনৰ বিদ্রোহক স্বাধীনতাৰ প্রথণ ৰণ আৰু 'চিপাহী বিদ্রোহ' নামেৰে জনা যায়।
- ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছ প্রতিষ্ঠা কৰা হৈছিল।
- ১৯০৫ চনত বংগ বিভাজন ঘটিছিল।
- স্বাধীনতা আন্দোলনত নাৰীয়ে সক্রিয় অংশগ্রহণ কৰিছিল। আন্দোলনৰ দুগৰাকী অগ্রণী নেত্রী আছিল সৰোজিনী নাইডু আৰু এনি বেচান্ত।
- ১৮২৯ চনত উইলিয়াম বেণ্টিংকে সতী প্রথাক অবৈধ ঘোষণা কৰিছিল। প্রথাটোৰ বিলোপ সাধন কৰিবলৈ ৰাজা ৰামমোহন ৰায়ে অশেষ কষ্ট কৰিছিল।
- ১৭৯৫ চনত বৃটিছ গৱর্ণৰ জেনেৰেল জ'ন শ্বোৰে নৱজাত কন্যা সন্তানৰ হত্যা অবৈধ ঘোষণা কৰিছিল। ভাৰতীয় সমাজে প্রাচীন যুগৰে পৰা উচ্চ সন্মান প্রদর্শন কৰি অহা বহুতো প্রথা নিষিদ্ধ কৰাত ব্রাহ্ম সমাজ, আর্য সমাজ আৰু প্রার্থনা সমাজে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।
- দুখীয়া, নীহকূলীয়া নাৰী আৰু অভাৰী শ্রেণীৰ কল্যাণৰ কামত জড়িত হোৱা কেইগৰাকীমান মহিয়সী নাৰী হ'ল জ্যোতিবা ফুলে, সাবিত্রী বাঈ ফুলে আৰু পণ্ডিতা ৰমাবাঈ।
- মহাত্মা গান্ধীয়েও নাৰী সবলীকৰণৰ হকে কাম কৰিছিল।
- লিংগ বুজোৱা ইংৰাজী শব্দ 'Sex'ৰ অর্থ প্রাণীদেহৰ জৈৱিক বৈশিষ্ট্যৰ সৈতে আৰু 'Gender'ৰ অর্থ মনোবিজ্ঞান অথবা সাংস্কৃতিক দিশৰ সৈতে জড়িত। নাৰীৰ বিৰুদ্ধে চলা সকলো বৈষম্যৰ আঁৰৰ মূল কাৰণ হ'ল লিংগৰ মনোবৈজ্ঞানিক অথবা সাংস্কৃতিক দিশটো। কাৰণ এই দিশটোৱে ব্যক্তিৰ পুৰুষসুলভতা আৰু নাৰীসুলভতাৰ গণনাৰ ওপৰত আধাৰিত।
- সমাজৰ সংজ্ঞা পুনৰ নির্ধাৰণ কৰাত নাৰী সবলীকৰণে এক গুৰুত্বপূর্ণ ভূমিকা ল'বলৈ আৰম্ভ কৰিছে। নাৰী সবলীকৰণৰ সাধাৰণ অর্থ হ'ল শিক্ষা আৰু আর্থিক সুৰক্ষা প্রদানৰ জৰিয়তে মহিলাক শক্তিশালী কৰি তোলা।
- নাৰীক সবল কৰি তোলা আৰু তেওঁলোকৰ মাজত নেতৃত্ব দিব পৰা গুণ বিকশাই তোলাত আত্ম সহায়ক গোটবোৰে প্রশংসনীয় কাম কৰি আছে।



৮.৯ অধিক জানিবলৈ

১) Chandra, Bipan: *India's Struggle for Independence 1857-1947*, New Delhi, 1989.

২) Chandra Satish: *Medieval India: from Sultanate to the Mughals,* Har-Anand Publications, New-Delhi, 1997.

৩) Chopra, P.N, B.N Puri and M.N Das: *A Social, Cultural and Economic History of India,* Macmillan Publishers, New Delhi, Voll 3. 1995.

৪) Desai Neera & Krishnaraj Maithreyi: *Women in Society in India,* Ajanta Publications, Delhi, 1987.

৫) Singh, Upinder: *A History of Ancient and Early India: from Stone age to the 12th century*, Pearson Longman, New Delhi, 2008.



৮.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ পিতৃপ্ৰধান সমাজ ব্যৱস্থা মানে হ'ল পৰিয়ালবোৰ একো একোগৰাকী পুৰুষৰ পৰিচালনাৰে চলা ব্যৱস্থা। পৰিয়ালৰ মুৰব্বী পুৰুষজনৰ হাতত সকলো ধৰণৰ সিদ্ধান্ত ল'ব পৰা অথবা ৰাজনৈতিক নেতৃত্ব দিয়াৰ প্ৰধান ক্ষমতা ন্যস্ত থাকে।

২নং প্ৰশ্নৰ উত্তৰ ঃ বৈদিক যুগৰ গ্ৰন্থবোৰে দাবী কৰা অনুসৰি সেই যুগত নাৰীৰ সামাজিক অৱস্থা উন্নত আছিল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৮২৯ চনত সতী প্ৰথা বিলোপ কৰা হৈছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় সমাজক ভাগ কৰা উপাদানবোৰ হ'ল— পদমর্যাদা, লিংগ আৰু জাতি-বর্ণ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীন যুগত মাটিৰ উর্ৱৰতাৰ সৈতে জড়িত জনপ্ৰিয় উপাসনা পন্থাটো আছিল 'মাতৃদেৱী'ৰ উপাসনা।

৬নং প্ৰশ্নৰ উত্তৰ ঃ 'থেৰিগাথা' হ'ল বৌদ্ধ ভিক্ষুণীসকলে লিখা ৭২টা কবিতাৰ এক সংকলন।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ১২০৬ খ্ৰীষ্টাব্দৰ পৰা ১৫২৬ খ্ৰীষ্টাব্দলৈ চুলতানসকলৰ শাসন চলিছিল।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ৰেজিয়া চুলনাত আছিল দিল্লীৰ সিংহাসনত বহা প্ৰথমগৰাকী মহিলা শাসক।

৯নং প্ৰশ্নৰ উত্তৰ ঃ বহুপত্নী বিবাহ প্ৰথা হ'ল একেজন পুৰুষে একাধিক নাৰীক বিয়া কৰাব পৰা নিয়ম।

১০নং প্ৰশ্নৰ উত্তৰ ঃ জৌহৰ হ'ল একপ্ৰকাৰৰ সমূহীয়া আত্মহত্যা। মধ্য ৰাজপুতানা ৰাজ্যৰ

ৰাজপূত নাৰীয়ে নিজ সতীত্ব বচাই ৰাখিবলৈ এনে প্ৰথাৰে মৃত্যুবৰণ কৰিছিল।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৫৭ চনত বৃটিছৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হোৱা সাহসী ভাৰতীয় নাৰীগৰাকী হ'ল ৰাণী লক্ষ্মীবাঈ।

১২নং প্ৰশ্নৰ উত্তৰ ঃ এনি বেচান্তৰ উদ্যোগত প্ৰকাশিত হোৱা বাতৰি কাকত দুখনৰ নাম হ'ল 'দ্য কমনৱেলথ্' আৰু 'দ্য নিউ ইণ্ডিয়া'।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৫৬ চনত লৰ্ড ডেলহাউচীয়ে বিধবাৰ পুনৰ্বিবাহ আইনখন গৃহিত কৰিছিল।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ লিংগ মানে হ'ল পুৰুষসুলভ আৰু নাৰীসুলভ বৈশিষ্ট্যৰ গণনাৰ ভিত্তিত ব্যক্তিক ভাগ কৰা এটা মনোবৈজ্ঞানিক অথবা সাংস্কৃতিক অভিধা।

১৫নং প্ৰশ্নৰ উত্তৰ ঃ নাৰীৰ ওপৰত চলা বৈষম্যৰ মূল হিচাপে 'লিংগ'ক জগৰীয়া কৰাৰ কাৰণ হ'ল এই ধাৰণাটোৰ পুৰুষসুলভতা আৰু নাৰীসুলভতাৰ গণনাৰ সৈতে থকা সম্পৰ্ক।

১৬নং প্ৰশ্নৰ উত্তৰ ঃ নাৰী সবলীকৰণৰ সাধাৰণ অৰ্থ হ'ল শিক্ষা আৰু আৰ্থিক সুৰক্ষা আগবঢ়াই নাৰীক শক্তিশালী কৰি তোলা কাৰ্য।

১৭নং প্ৰশ্নৰ উত্তৰ ঃ আত্ম সহায়ক গোট মানে হ'ল অনা-চৰকাৰী সংস্থাৰ বৈশিষ্ট্য থকা এনে কিছুমান গোট যিবোৰে নাৰী আৰু দুখীয়া লোকক সবল কৰি তোলাৰ উদ্দেশ্যেৰে কাম কৰে।

৮.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ঋক্বেদত নাৰীয়ে লিখা প্ৰাৰ্থনা গীতিবোৰৰ অনুপাতটো কি?

প্ৰশ্ন ২ ঃ হাণ্টাৰ কমিছন কেতিয়া ভাৰতলৈ আহিছিল আৰু কমিছনৰ মুখ্য উদ্দেশ্য কি আছিল?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বৌদ্ধ ধৰ্ম আৰু নাৰী সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ নাৰী সবলীকৰণ কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মধ্যযুগত নাৰীৰ সামাজিক প্ৰস্থিতি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পিতৃপ্ৰধান সমাজ ব্যৱস্থা আৰু লিংগৰ সংজ্ঞা দাঙি ধৰক। বিভিন্ন যুগৰ ভাৰতত লিংগ সম্পৰ্কৰ স্থিতি কেনেকুৱা আছিল আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ স্বাধীনতা আন্দোলনত নাৰীৰ অংশগ্ৰহণৰ বিষয়টো আলোচনা কৰক। লগতে এই ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা, জনপ্ৰিয় ব্যক্তিত্ব আৰু সমাজত চলা সাংস্কৃতিক আন্দোলনৰ বিষয়েও আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ ভাৰতীয় সমাজৰ অৰ্থনীতি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ অৰ্থনীতি আৰু ইয়াৰ প্ৰকাৰ
৯.৩.১ পৰম্পৰাগত অৰ্থনীতি
৯.৩.২ নিয়ন্ত্ৰিত অৰ্থনীতি
৯.৩.৩ বজাৰকেন্দ্ৰিক অৰ্থনীতি
৯.৩.৪ মিশ্ৰিত অৰ্থনীতি
৯.৪ স্বাধীনতাৰ পূৰ্বৰ ভাৰতীয় অৰ্থনীতি
৯.৫ স্বাধীনোত্তৰ কালৰ ভাৰতীয় অৰ্থনীতি
৯.৬ নতুন অৰ্থনৈতিক আঁচনি
৯.৬.১ উদাৰীকৰণ
৯.৬.১.১ ভাৰতত উদাৰীকৰণ
৯.৬.২ গোলকীকৰণ
৯.৬.৩ ব্যক্তিগতকৰণ
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আপুনিও অৰ্থনীতিৰ বিভিন্ন প্ৰকাৰৰ সমূহ বুজিব পাৰিব
- ভাৰতীয় অৰ্থনৈতিক ব্যৱস্থাৰ সন্দৰ্ভত আলোচনা কৰিব পাৰিব
- উদাৰীকৰণ, গোলকীকৰণ আৰু ব্যক্তিগতকৰণৰ দৰে নতুন অৰ্থনীতিৰ অৱধাৰণাৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

আমি যদি নিয়মীয়াকৈ আমাৰ চৌপাশে নিৰীক্ষণ কৰো তেনেহলে কেতবোৰ আদান প্ৰদান আমাৰ চকুত পৰে। উদাহৰণস্বৰূপে এখন বজাৰ যদি আপুনি ভ্ৰমণ কৰেতেনেহলে আপুনি

দেখা পাব বিক্রেতাই লৈ অহা কেতবোৰ সামগ্রী ক্রেতাই টকাৰ বিনিময়ত ক্রয় কৰাৰ দৃশ্য। এনেধৰণৰ আদান প্রদান মানুহে খাদ্য, পানী আৰু আশ্রয়ৰ সন্ধানত ইঠাইৰ পৰা সিঠাইলৈ গৈ সমাজ পাতি বাস কৰাৰ দিনৰে পৰা চলি আহিছে। অৰ্থনৈতিক প্রক্রিয়া প্রথমবাৰ সৃষ্টি এনেদৰে হৈছিল।

৯.৩ অৰ্থনীতি আৰু ইয়াৰ বিভিন্ন প্রকাৰ

সংজ্ঞা অনুসৰি অৰ্থনীতি হৈছে সংস্থা আৰু সংগঠনৰ এনে এক ব্যৱস্থা যিয়ে সমাজত সামগ্রী আৰু সেৱাৰ উৎপাদন আৰু বিতৰণৰ ক্ষেত্রত হয় সহায় কৰে অথবা এক ভূমিকা লয়। বিশ্বত সাধাৰণতে চাৰিধৰণৰ অৰ্থনৈতিক ব্যৱস্থা আছে। এইকেইটা হৈছে ক) পৰম্পৰাগত অৰ্থনৈতিক ব্যৱস্থা, খ) নিয়ন্ত্রিত অৰ্থনৈতিক ব্যৱস্থা, গ) বজাৰ অৰ্থনৈতিক ব্যৱস্থা আৰু ঘ) মিশ্রিত অৰ্থনৈতিক ব্যৱস্থা।

৯.৩.১ পৰম্পৰাগত অৰ্থনীতি

পৰম্পৰাগত অৰ্থনীতি হৈছে ৰীতি, ইতিহাস আৰু সময়সাপেক্ষে বিশ্বাসৰ ওপৰত আধাৰিত এক ব্যৱস্থা। ইয়াত উৎপাদন আৰু বিতৰণ সংক্রান্তীয় অৰ্থনৈতিক সিদ্ধান্তসমূহ পৰম্পৰাৰ ওপৰত ভিত্তি কৰি গ্রহণ কৰা হয়। পৰম্পৰাগত অৰ্থনীতিৰ কেইটামান বিশেষ বৈশিষ্ট্য হৈছে—

- পৰম্পৰাগত অৰ্থনীতি পৰিয়াল আৰু সম্প্রদায়ৰ মাজত কেন্দ্রীভূত। দৈনন্দিন কার্যাৱলী আৰু অৰ্থনৈতিক সিদ্ধান্তৰ ক্ষেত্রত জ্যেষ্ঠজনৰ অভিজ্ঞতাক পথ প্রদর্শকৰূপে গ্রহণ কৰা হয়।
- আদিম সমাজ আৰু চিকাৰী আৰু সংগ্রহকাৰী থকা সমাজত এই অৰ্থনীতিৰ প্রচলন আছে।
- অধিকাংশ ক্ষেত্রতে পৰম্পৰাগত অৰ্থনীতিয়ে প্রয়োজন অনুসৰি উৎপাদনতহে গুৰুত্ব দিয়ে যাৰ ফলত অতিৰিক্তঅংশ কমেইহে ৰৈ যোৱা দেখা যায়।
- পৰম্পৰাগত অৰ্থনীতিত বিভিন্ন গোটৰ মাজত বেহা চলে আৰু বিনিময় প্রথাৰ ওপৰত গুৰুত্ব দিয়া এই ব্যৱস্থাত প্রতিযোগিতাৰ সম্ভাৱনা নাথাকে। উদাহৰণস্বৰূপে চিকাৰ কৰা এটা সমূহে মাছ মৰা এটা সমূহৰ সৈতে খাদ্যৰ বিনিময় কৰে।
- আদিম সমাজ ব্যৱস্থা মানুহে যেতিয়া স্থায়ী বসতি স্থাপন কৰি কৃষিক প্রধান কার্যৰূপে গ্রহণ কৰিলে তেতিয়াই পৰম্পৰাগত অৰ্থনীতিৰ বিৱর্তন ঘটে। অতিৰিক্ত উৎপাদিত খাদ্যসামগ্রীয়ে বাণিজ্যৰ বাট মুকলি কৰিলে আৰুতেতিয়াই ধনৰ সৃষ্টি হ'ল।

৯.৩.২ নিয়ন্ত্রিত অৰ্থনীতি

পৰিৱর্তি সময়ৰ লগে লগে যেতিয়া সমাজৰ বিৱর্তন ঘটিল আৰু চৰকাৰে (ৰাজতন্ত্র অথবা সাম্রাজ্য) নিয়ন্ত্রণ কৰা ৰাষ্ট্রৰ সৃষ্টি হল, লগে লগে অৰ্থনীতিৰো বিৱর্তন ঘটিল।

চৰকাৰ গঠন হোৱাৰ লগে লগে অৰ্থনৈতিক সিদ্ধান্তসমূহ কেন্দ্ৰ চৰকাৰে লবলৈ ধৰে। আক্ষৰিক অৰ্থত যেতিয়া সকলো অৰ্থনৈতিক সিদ্ধান্ত কেন্দ্ৰই গ্ৰহণ কৰে সেই অৰ্থনীতিকে নিয়ন্ত্ৰিত অৰ্থনীতি বুলি কোৱা হয়।

নিয়ন্ত্ৰিত অৰ্থনীতিৰ পৰিসৰৰ ভিতৰত, উৎপাদনৰবাবে ব্যৱহাৰ হোৱা ভূমিৰ গৰাকী হৈছে চৰকাৰ। যিসমূহ দেশত মূল্যাৱান সম্পদৰ অধিকাংশ চৰকাৰৰ মালিকানাধীন আৰু চৰকাৰেই ইয়াক নিয়ন্ত্ৰণ কৰে তাতেই এনেধৰণৰ অৰ্থনীতি গঢ়ি উঠে। উদাহৰণস্বৰূপে বৰ্তমানৰ প্ৰেক্ষাপটত চীনে এনেধৰণৰ অৰ্থনীতি অনুসৰণ কৰে। ১৯৯১ চন পৰ্যন্ত ভাৰতে নিয়ন্ত্ৰিতঅৰ্থনীতিৰ ব্যৱস্থা অনুসৰণ কৰিছিল। ইয়াৰ পিচতে নব্য অৰ্থনৈতিক উদাৰীকৰণে গা কৰি উঠে। নিয়ন্ত্ৰিত অৰ্থনীতিৰ কেতবোৰ বৈশিষ্ট্য হৈছে—

- চৰকাৰে কেন্দ্ৰীয় অৰ্থনৈতিক আঁচনি প্ৰস্তুত কৰে। চৰকাৰে সময়সাপেক্ষে আঁচনি গ্ৰহণ কৰে যেনে দেশৰ প্ৰতিটো অঞ্চল আৰু খণ্ডৰ ক্ষেত্ৰত গ্ৰহণ কৰা পঞ্চবাৰ্ষিক পৰিকল্পনা।
- কেন্দ্ৰীয় আঁচনি অনুসৰি চৰকাৰে সম্পদৰ বিতৰণ কৰে। ইয়াত সৰ্বাধিক দক্ষতাৰে ৰাষ্ট্ৰৰ পুঁজি, শ্ৰম আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰৰ চেষ্টা কৰা হয়।
- কেন্দ্ৰীয় আঁচনিয়ে কোটা আৰু মূল্য নিয়ন্ত্ৰিত সকলো সেৱা আৰু সামগ্ৰীৰ উৎপাদনৰ অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰে।
- প্ৰতিৰক্ষা বিকাশৰ ক্ষেত্ৰত এনে অৰ্থনীতিত প্ৰধান গুৰুত্ব প্ৰদান কৰা হয়।
- কেন্দ্ৰীয় আঁচনি বলৱৎ কৰাৰ ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় আইন, নিয়ম আৰু নিৰ্দেশনা জাৰী কৰে।

৯.৩.৩ বজাৰ অৰ্থনীতি

বজাৰ অৰ্থনীতিক মুক্ত বিপণন অৰ্থনীতি বুলিও কব পাৰি। ব্যক্তি আৰু ব্যৱসায়ৰ আন্তঃসম্পৰ্কৰ ওপৰত আধাৰিত উপভোক্তাৰ প্ৰয়োজনীয়তা আৰু চাহিদাই এই অৰ্থনীতি নিয়ন্ত্ৰণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে বিশ্বৰ উন্নত দেশসমূহত এনেধৰণৰ অৰ্থনীতি দেখিবলৈ পোৱা যায়। বজাৰ অৰ্থনীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ হৈছে ঃ

- বজাৰ অৰ্থনীতিত অধিকাংশ সামগ্ৰী আৰু সেৱা ব্যক্তিগত মালিকানাধীন আৰু মালিকসকলে আইন অনুসৰি কৰা চুক্তিমৰ্মে এই সম্পদসমূহ ক্ৰয়, বিক্ৰয় অথবা লীজত দিব পাৰে।
- প্ৰতিযোগিতামূলক বজাৰত মালিকসকলে সামগ্ৰী আৰুসেৱাৰ উৎপাদন,ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত স্বাধীনতা লাভ কৰে।
- আটাইতকৈ কম মূল্যত ডাক লৈও উৎপাদকে ইয়াত সৰ্বাধিক মূল্যত নিজৰ সামগ্ৰী বিক্ৰী কৰিব পাৰে।
- প্ৰতিযোগিতাৰ হেঁচাৰ বাবেই মূল্য কম হোৱাৰ লগতে সমাজৰ ৰাইজে বিচৰাধৰণে সামগ্ৰী আৰু সেৱা আদায় কৰিবলৈ সক্ষম হয়।

- সামগ্ৰী আৰুসেৱা বিক্ৰীৰ ক্ষেত্ৰত এখন সুদক্ষ বজাৰৰ ওপৰত এই অৰ্থনীতি নিৰ্ভৰশীল, ক্ৰেতা আৰু বিক্ৰেতা উভয়ে যাতে একেধৰণৰ তথ্যলাভ কৰিব পাৰে। এই অৰ্থনীতিয়ে সেই কথা নিশ্চিত কৰে।

৯.৩.৪ মিশ্ৰিত অৰ্থনীতি

মিশ্ৰিত অৰ্থনীতি হৈছে বজাৰ, নিয়ন্ত্ৰিত আৰু পৰম্পৰাগত অৰ্থনীতিৰ সংমিশ্ৰণ। ইয়াত একেসময়তে ব্যক্তিগত সম্পদক সুৰক্ষা প্ৰদান কৰাৰ লগতে মুক্ত বজাৰ আৰু যোগান আৰু চাহিদাৰ আইনমানি বজাৰ মূল্য নিৰ্দ্ধাৰণ কৰা হয়। একেসময়তে চৰকাৰে ব্যক্তি আৰু বজাৰক সুৰক্ষা প্ৰদান কৰে। মিশ্ৰিত অৰ্থনীতিক দ্বি-অৰ্থনীতি বুলিও কোৱা হয়। মিশ্ৰিত অৰ্থনীতিৰ কেতবোৰ বৈশিষ্ট্য হৈছে।

- মিশ্ৰিত অৰ্থনীতিত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড উভয়ে কাৰ্যনিৰ্বাহক কৰে। ব্যক্তিগত খণ্ডই মুনাফা আদায়ত গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে ৰাজহুৱা খণ্ডই মুনাফা আৰু সামাজিক কল্যাণৰ প্ৰসাৰ উভয়তে গুৰুত্ব প্ৰদান কৰে।
- চৰকাৰী আৰু ব্যক্তিগত উভয় খণ্ডৰ বিপণনে যুটীয়াভাৱে কামকৰে।
- মিশ্ৰিত অৰ্থনীতিৰ অধীনত চৰকাৰে ব্যক্তিগত বিপণন ক্ষেত্ৰ আৰু উদ্যোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ নিয়ম গ্ৰহণ কৰে।
- মিশ্ৰিত অৰ্থনীতিক পৰিকল্পিত অৰ্থনীতি বুলিও জনা যায় কাৰণ ইয়াত সমগ্ৰ অৰ্থনীতি চৰকাৰৰ পৰিকল্পনা অনুসৰি আগবাঢ়ে।
- সামাজিক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰে। আয় আৰু সম্পদৰ বৈষম্য দূৰ কৰাৰ ক্ষেত্ৰতো চৰকাৰে ব্যৱস্থা লয়।

  ভাৰতে মিশ্ৰিত অৰ্থনীতি অনুসৰণ কৰে। আমাৰ দেশত সমগ্ৰ অৰ্থনৈতিক সংৰচনাৰ কেনেকৈ বিৱৰ্তন ঘটিছে সেয়া জানিবলৈ আমি কিছু পাছলৈ ঘূৰি চাব লাগিব। এই আলোচনাক দুটা ভাগত বিভক্ত কৰিব পাৰি।
- স্বাধীনতাৰ পূৰ্বৰ ভাৰতীয় অৰ্থনীতি
- স্বাধীনোত্তৰ কালৰ ভাৰতীয় অৰ্থনীতি

৯.৪ স্বাধীনতাৰ পূৰ্বৰ ভাৰতীয় অৰ্থনীতি

ব্ৰিটিশসকল ভাৰতলৈ অহাৰ পূৰ্বে আমাৰ দেশ সমৃদ্ধিশালী আছিল। গ্ৰাম্য সম্প্ৰদায়সমূহ টনকীয়াল আছিল। ভাৰতে কপাঁহ, ৰেচম আৰু কাঠৰ সামগ্ৰী, মচলা, কাৰিকৰী সামগ্ৰী, ভাং আদিৰ ৰপ্তানি কৰিছিল। ১৭ আৰু ১৮ শতিকাৰ প্ৰথমভাগত ইউৰোপ আছিল ভাৰতত উৎপাদিত সাগ্ৰীৰ অন্যতম প্ৰদান ক্ৰেতা। খুব কমেইহে ভাৰতে আন দেশৰ পৰা সামগ্ৰী আমদানি কৰিছিল, ৰৰং গাওঁসমূহ স্ব-নিৰ্ভৰশীল আছিল আৰু সামগ্ৰী অথবা নিযুক্তিৰ সন্ধানত খুব কমেইহে ৰাইজ

গাঁৱৰ বাহিৰলৈ যাবলগীয়া হৈছিল। বংশানুক্ৰমিকভাৱে জীৱিকাসমূহ ইটো পুৰুষৰ পৰা সিটো পুৰুষলৈ বাগৰিছিল। এক কথাত সম্প্ৰদায়সমূহৰ মাজত আন্তঃনিৰ্ভৰশীলতাৰ গাঁথনি সৃষ্টি কৰিছিল গাঁৱসমূহে।

ভাৰত যিহেতুকে এখন সম্পদশালী ৰাষ্ট্ৰ আছিল সেয়ে সময় সময়ে বিভিন্ন ৰাষ্ট্ৰই ইয়াত দখল চলোৱা দেখা গৈছিল। মোগল, ডাচ, পৰ্তুগীজ আৰু ব্ৰিটিশসকলে ভাৰতত বিজয় সাব্যস্ত কৰিছিল। আনসকলৰ সৈতে ব্ৰিটিশসকৰ দখলৰ এটা প্ৰধান পাৰ্থক্য হৈছে ব্ৰিটিশে ভাৰতত এক নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ জন্ম দিছিল। এই ব্যৱস্থাৰ এটাই উদ্দেশ্য আছিল ভাৰতৰ সম্পদসমূহৰ শোষণ কৰি নিজা স্বাৰ্থ পূৰণ কৰা।

ইংলেণ্ডত উদ্যোগিক বিপ্লৱৰ প্ৰাকক্ষণত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত উৎপাদিত সামগ্ৰী, বস্ত্ৰ, মচলা আদি আন ইউৰোপীয় দেশলৈ ৰপ্তানি কৰাত গুৰুত্ব প্ৰদান কৰিছিল। এই দেশসমূহত ভাৰতৰ সামগ্ৰীৰ আছিল প্ৰভূত চাহিদা। উদ্যোগিক বিপ্লৱে ভাৰতীয় বাণিজ্যৰ সমগ্ৰগতি সলনি কৰিছিল। ব্ৰিটিশ উদ্যোগসমূহ স্থাপন হোৱাৰ পিচতে কেঁচা সামগ্ৰীৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পায়। ভাৰতীয় উৎপাদনকাৰীক ভৰিৰে মোহাৰিবলৈ তেওঁলোকে সকলোধৰণৰ প্ৰচেষ্টা চলাইছিল। ইংলেণ্ডৰ চাহিদা পূৰণ কৰিবলৈ ভাতত বাণিজ্যিক ভিত্তিত কৰা কৃষিক উৎসাহ প্ৰদান কৰা হৈছিল। ইয়াৰ ফলত ভাৰতীয় পৰম্পৰাগত হস্তশিল্পৰ উদ্যোগ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। কাৰিকৰ আৰু শিল্পীৰ সংখ্যাক্ৰমাৎ বৃদ্ধি পাইছিল। এইসকল লোক কৃষিক্ষেত্ৰলৈ ধাৱমান হোৱাত ভূমিৰ ওপৰত নিৰ্ভৰশীলতা ক্ৰমাৎ বাঢ়ি গৈছিল। জনসংখ্যাৰ হেঁচাকে ভূমিৰ খণ্ডিতকৰণ আৰু অগণন ভূ-স্বামীৰ সৃষ্টি হোৱাৰ বাবে জগৰীয়া কৰিব পাৰি। ভূমিৰ ওপৰত অধিকাৰ ক্ৰমাৎ ঢিলা হৈ অহাৰ ফলত ভূমি আধিয়াৰ দিয়া ব্যৱস্থাৰ সৃষ্টি হল আৰু উচ্চ দাম দিব নোৱাৰা এচাম ভূমিহীন শ্ৰমিক শ্ৰেণীয়ে গা কৰি উঠিল।

কৃষিক্ষেত্ৰত স্থিৰতা আনিবলৈ ব্ৰিটিশে ১৭৯৩ চনত ভূমি আইন প্ৰৱৰ্তন কৰে। বংগ আৰু দেশৰ একাংশ পূৱ এলেকাত স্থায়ী সংস্থাপন প্ৰৱৰ্তন কৰা হৈছিল। এই আইন অনুসৰি ভূ-স্বামী অথবা জমিদাৰ সকলক ভূমিৰ সম্পূৰ্ণ গৰাকীত্ব প্ৰদান কৰাহৈছিল। এই সন্মানৰ প্ৰতিদান হিচাপে ভূমিৰ মালিকসকলক কৃষকৰ পৰা কৰ সংগ্ৰহ কৰি দিয়াৰ দায়িত্ব প্ৰদান কৰা হৈছিল। এয়াই আছিল ৰায়তোৱাৰী ব্যৱস্থা। এই ব্যৱস্থাৰ অধীনত প্ৰতিজন কৃষকে মাটিৰ বিনিমত চৰকাৰক কৰ পৰিশোধ কৰিবলগীয়া হৈছিল। মাটিৰ ওপৰত দখল থকা কৃষকক ভূ-স্বামী বুলি গণ্য কৰা হৈছিল আৰু চৰকাৰক কৰ পৰিশোধ কৰি থকা পৰ্যন্ত মাটি বিক্ৰী, হস্তান্তৰ, আধিয়াৰ দিয়াৰ ক্ষেত্ৰত তেওংক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছিল। জমিদাৰী প্ৰথম আৰু এই ব্যৱস্থাৰ উদ্দেশ্য আছিল একেটাই সেয়া হৈছে চৰকাৰৰ বাবে কৰ সংগ্ৰহ কৰা।ডেনিয়েল আৰু এলিচ থ্ৰনাৰৰ মতে, জমিদাৰী প্ৰথাত ভূ-স্বামীসকলক গাঁও সম্প্ৰদায়ৰ গৰাকীত্ব প্ৰদন কৰাৰ বিপৰীতে ৰায়তোৱাৰী ব্যৱস্থাত পৰিতজন কৃষকৰ বাবে সুকীয়া ব্যৱস্থাৰ প্ৰৱৰ্তন কৰি গ্ৰাম্য ব্যৱস্থাৰ হৃদস্পন্দন ছেদ কৰিছিল।

ভাৰতৰ পৰা সংগ্ৰহ কৰা ৰাজহ কেতিয়াও দেশৰ বাবে বৱহাৰ কৰা হোৱা নাছিল। ইয়াৰ

পৰিৱৰ্তে এই ধন ভাৰতত ব্ৰিটিশ নাগৰিকসকলৰ উদ্যোগিক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। বাণিজ্য আৰু উদ্যোগত একছেটীয়া অধিকাৰ স্থাপন কৰি ব্ৰিটিশ চৰকাৰে কেৱল নিজৰ মানুহৰ স্বাৰ্থ ৰক্ষাত গুৰুত্ব প্ৰদান কৰিছিল। ইয়াৰোপৰি মুনাফা আৰু স্বাৰ্থ সুৰক্ষাৰ নামত ভাৰতৰ সম্পদ ভাৰতৰ পৰা অহৰহ ওলাই গৈছিল। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱালৈ এই ব্যৱস্থা অব্যাহত থাকে।

৯.৫ স্বাধীনোত্তৰ কালৰ ভাৰতীয় অৰ্থনীতি

স্বাধীনতাৰ সময়ত ভাৰতত এক ক্ষত বিক্ষত অৰ্থনীতি, নিৰক্ষৰতা আৰু দাৰিদ্ৰই বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। দেশৰ সৰ্বাংগীন বিকাশৰ বাবে সমগ্ৰ অৰ্থনৈতিক সংৰচনাৰ পুনঃগন কৰিবলগীয়া হৈছিল। এই স্বাধীনোত্তৰ অৰ্থনীতিক মূলতঃ তিনি ভাগত ভগাব পাৰি-স্বাধীনতাৰ সময়ৰ পৰা ১৯৯০ চনলৈকে প্ৰথম পৰ্যায়, নতুন অৰ্থনৈতিক আচনিৰ প্ৰৱৰ্তনৰ পৰা দ্বিতীয় পৰ্যায়ৰ আৰম্ভণি হৈছিল আৰু বৰ্তমান আমি উপনীত হৈছো তৃতীয় পৰ্যায়ত যত প্ৰচলিত ব্যৱস্থাৰ সালসলনি ঘটাই নতুন পদ্ধতি গঠন কৰা হৈছে।

- **প্ৰথম পৰ্যায় ঃ**

স্বাধীনতাৰ পিছত ভাৰতৰ নীতি নিৰ্ধাৰকসকলে অৰ্থনৈতিক উন্নয়নৰ বাবে ৰাজ্যসমূহক জৰিত কৰি এক গণতান্ত্ৰিক প্ৰক্ৰিয়া গ্ৰহণ কৰে। সমাজবাদী নীতিৰই অনুপ্ৰেৰণাত ভাৰতত এই আঁচনিসমূহ গ্ৰহণ কৰাহৈছিল। ইয়াৰ ভিতৰত আছিল বিভিন্ন ক্ষেত্ৰসমূহক ৰাজ্যৰ নিয়ন্ত্ৰণলৈ অনা। ইয়াৰ ফলশ্ৰুতিতে দেশৰ স্বাধীনতাৰ প্ৰথম তিনিটা দশকত জনমূৰি আয় গড়ে বাৰ্ষিক ২.৫ শতাংশলৈ বৃদ্ধি পায়। এই অৰ্থনৈতিক সফতাই এক জটিল উদ্যোগিক অৰ্থনীতিৰ ভেঁটি গঢ়াৰ লগতে কৃষিভিত্তিক বিকাশৰ হাৰ আৰু ৰাজ সাহৰ্যযুক্ত জলসিঞ্চনৰ ব্যৱস্থা আৰু ৰাসায়নিক সাৰৰ যোগান নিশ্চিত কৰে।

- **দ্বিতীয় পৰ্যায় ঃ**

১৯৯০ চনৰ পৰা উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতি প্ৰৱৰ্তন কৰি আগশাৰীৰ ৰাজনীতিক সকলে দেশত অৰ্থনৈতিক সংস্কাৰৰ বাট মুকলি কৰিছিল। নীতি-নিয়মৰ গণ্ডীৰ পৰা উদ্যোগীসকলক মুক্ত কৰি অৰ্থনৈতিক বিকাশ নিশ্চিত কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছিল।

অনুজ্ঞাপত্ৰৰ ব্যৱস্থা বাতিল কৰা, উৎপাদন আৰু বিনিয়োগৰ নিয়ম শিথিল, ডাঙৰ উদ্যোগৰ বাবে আছুতীয়া সংৰক্ষণ উঠাই লোৱা, পৰোক্ষ আৰু প্ৰত্যক্ষৰ কৰৰ হাৰ এটা পৰ্যায়লৈ হ্ৰাস কৰা আৰু কৰ সংৰচনাৰ আন কেতবোৰ নিয়মৰ পৰিৱৰ্তন আদি আছিল এই আঁচনিৰ অন্যতম উপাদান।

উদ্যোগিক অনুজ্ঞাপত্ৰ প্ৰদানৰ নমনীয় নীতি আৰু এক সৰল প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ ব্যৱস্থাই আন্তঃৰাষ্ট্ৰীয় বিনিয়োগৰাকীৰ পৰা ইতিবাচক সঁহাৰি পাবলৈ লয়। বৈদেশিক বিনিয়োগ বৃদ্ধি, তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ঘৰুৱা উপভোক্তাৰ সংখ্যা বৃদ্ধি আদি আছিল ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ অন্যতম প্ৰধান কাৰণ।

- **তৃতীয় পৰ্যায় ঃ**

তৃতীয় পৰ্যায়তো দেশৰ অৰ্থনৈতিক সংস্কাৰ অব্যাহত আছিল। প্ৰশাসনীয় আৰু আইনসংগত সংস্কাৰ, শ্ৰমিকৰ বজাৰ আৰু প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ সংস্কাৰ এই পৰ্যায়ৰ অন্যতম পৰিচয়। কেন্দ্ৰ আৰু ৰাজ্য উভয়ে বিকাশৰ বাবে সংঘৱদ্ধভাৱে কাম কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিম্নমুখী দৃষ্টিভংগীৰ পৰিৱৰ্তে এই পৰ্যায়ত উৰ্দ্ধমুখী দৃষ্টিভংগী গ্ৰহণ কৰা হৈছিল।

পঞ্চায়তীৰাজ ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি একধৰণৰ হস্তক্ষেপমূলক নীতিৰে অৰ্থনৈতিক বিকাশৰ সুফল সাধাৰণ মানুহৰ দুৱাৰডলিলৈ অনাৰ প্ৰয়াস গ্ৰহণ কৰা হৈছিল। কিষাণ ক্ৰেডিট কাৰ্ড, মাইক্ৰ ক্ৰেডিট কাৰ্ডৰ প্ৰচলন আৰু স্বেচ্ছাসেৱী বিপ্লৱক উৎসাহ প্ৰদানে লাহে লাহে ইতিবাচক ফল দিবলৈ লৈছিল। ইয়াৰ পিছত দক্ষতা বিকাশৰ বাবে কুটিৰ উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ, ক্ষুদ্ৰ উদ্যোগী, কাৰিকৰ আদিক উৎসাহ দিবলৈ লোৱা হয়। তেওঁলোকক বিত্তীয় প্ৰশিক্ষণ প্ৰদান কৰি বেংকিঙৰ অভ্যাস গঢ় দিবলৈ চেষ্টা কৰা হৈছিল। সংস্থাগত পৰিচালন তন্ত্ৰৰ মাধ্যমেৰে সংস্থাপনৰ অধিক সুবিধা সৃষ্টি কৰা হয়।

৯.৬ নতুন অৰ্থনৈতিক আঁচনি

আমি দেখা পাইছিলো যে দ্বিতীয় পৰ্যায়ত প্ৰৱৰ্তনহোৱা নতুন অৰ্থনৈতিক আঁচনিয়ে ১৯৯০ চনৰ পৰা অৰ্থনৈতিক সংস্কাৰৰ ভেঁটি মজবুত কৰিছিল। এই আলোচনাক তলত দিয়া ধৰণে বুজিব পাৰি।

৯.৬.১ উদাৰীকৰণ

অৰ্থনৈতিক উদাৰীকৰণে ব্যক্তিগত খণ্ডৰ দায়িতত্ব আৰু ভূমিকা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিকলেনদেনত চৰকাৰী নিয়ন্ত্ৰণ কমাই অনা হৈছিল। ইয়াৰ দ্বাৰা বাট মুকলিকৰা হৈছিল এক দ্ৰুত অৰ্থনৈতিক বিকাশৰ।

উদাৰীকৰণৰ প্ৰচলনৰ ফলত প্ৰেক্ষাপটলৈ অহা দীৰ্ঘকালীন সংস্কাৰসমূহ হৈছে-

- **উদ্যোগিত ক্ষেত্ৰক আইনৰ গণ্ডিলৈ অনাঃ** উদ্যোগিক অনুজ্ঞাপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়া প্ৰৱৰ্তন কৰা হৈছিল যাৰ জৰিয়তে ব্যৱসায়িক ফাৰ্ম প্ৰতিষ্ঠা কৰিবলৈ উদ্যোগী সকলে চৰকাৰৰ অনুমতিলাভ কৰে। ইয়াৰ লগতেতেওঁলোকে ইয়াৰ উৎপাদন আৰু পৰিচলানাৰ দিশত সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব আদায় কৰে।
- **বিত্তীয় ক্ষেত্ৰৰ সংস্কাৰ ঃ** আমি জানো যে ভাৰতৰ বিত্তীয় ক্ষেত্ৰ পৰিচালনা কৰাৰ ক্ষমতা ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ আৰবিআইয়ে অৰ্থনীতিলৈ ধনৰ আগমনো নিয়ন্ত্ৰণ কৰে। এই আঁচনিৰ দ্বাৰা আৰ বি আইৰ ক্ষমতা হ্ৰাস কৰি আৰবিআইৰ সৈতে আলোচনা নকৰাকৈ বিত্তীয় ক্ষেত্ৰকক নিজা সিদ্ধান্ত লোৱাৰ সুবিধা প্ৰদান কৰা হয়।

- **কৰ সংস্কাৰ ঃ** প্ৰত্যক্ষ কৰ যেনে কৰ্পৰেচন কৰ আদিৰ উচ্চ হাৰ লাহে লাহে হ্ৰাস কৰা হৈছিল। কৰ ব্যৱস্থাৰ সৰলীকৰণ কৰা হৈছিল কৰদাতা সকলক সকাহ প্ৰদান কৰা হৈছিল।
- **বৈদেশিক বিনিময়ৰ সংস্কাৰ ঃ** বিদেশী মুদ্ৰাৰ তুলনাত ভাৰতীয় মুদ্ৰাৰ মূলয হ্ৰাস হৈছিল আৰু ইয়াৰ ফলত ভাৰতলৈ বিদেশী ধনৰ আগমন ঘটিবলৈ ধৰে।
- **বাণিজ্য আৰু বিনিয়োগ আঁচনিৰ সংস্কাৰ ঃ** ইয়াৰ লক্ষ্য আছিল স্থানীয় উদ্যোগৰ বিকাশৰ বাবে আধুনিক প্ৰযুক্তিৰ অধিক ব্যৱহাৰ। ৰপ্তানিৰ দিশত গুণগত বাধা নিষেধ আৰোপ আৰু আমদানিৰ শুল্ক বাতিল কৰি আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতৰ প্ৰতিযোগিতামূলক স্থান সুনিশ্চিত কৰাৰ প্ৰয়াস কৰাহৈছিল।

৯.৬.১.১ ভাৰতত উদাৰীকৰণ

১৯৮০ ৰ সময়ছোৱাত চৰকাৰৰ আয়ৰ তুলনাত ব্যয়ৰ পৰিমাণ বাঢ়িবলৈ লয়। ইয়াৰ কাৰণ আছিল অৰ্থনীতিৰ পৰিচালনাৰ অদক্ষতা। লাহে লাহে এই তফা বহুত বেছি হবলৈ লয় যাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে দেশৰ ভিতৰৰ বেংক, বিভিন্ন ব্যক্তিৰ লগতে বিদেশী বিত্তীয় প্ৰতিষ্ঠানৰ পৰাও ধন ধাৰলৈ লবলৈ লয়। এটা সময়ৰ পিছত দেশৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য হোৱাহোৱে বাঢ়িবলৈ লোৱাত এই ধাৰৰ বোজা অত্যধিক হৈ পৰে। আশীৰ দশকৰ শেষৰফালে আমদানি আৰু ৰপ্তানিৰ মাজৰ তফা ইমানেই বাঢ়ি যায় যে ৰাজ ভৰালত থকা সীমিত বিদেশী মুদ্ৰাৰে আন্তঃৰাষ্ট্ৰীয় ধাৰ মৰাটো অসম্ভৱ হৈ পৰে।

এই বিত্তীয় সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ ভাৰতে বিশ্ব বেংক আৰু আন্তঃৰাষ্ট্ৰীয় মনিটাৰী ফাণ্ডৰ পৰা সহায় ভিক্ষা কৰাত ৭ বিলিয়ন ডলাৰৰ এক ঋণলাভ কৰে। এই ঋণ প্ৰদানটোৰ চৰ্ত আছিল যে ভাৰতে নিজৰ অৰ্থনীতিৰ দুৱাৰ উন্মুক্ত কৰি দিব, ব্যক্তিগত খণ্ডৰ ওপৰত বাধা নিষেধ শিথিল কৰিব আৰু বিশ্বৰ আন দেশসমূহৰ সৈতে বাণিজ্যৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা উঠাই লব। বিশ্ব বেংক আৰু আই এম এফে আৰোপ কৰা এই চৰ্ত ভাৰতে মানি লয় আৰু নতুন অৰ্থনৈতিক আঁচনি ঘোষণা কৰে। এই আঁচনিৰ প্ৰধান উদ্দেশ্য আছিল অৰ্থনীতিৰ ভিতৰত এক প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তোলা আৰু ব্যক্তিগত ফাৰ্মৰ বাবে জটিলতা নোহোৱা কৰা।

নতুন অৰ্থনৈতিক আঁচনিক প্ৰধনকৈ দুটা ভাগত ভাগ কৰিব পাৰি ঃ

- **স্থিৰতাৰ ব্যৱস্থা ঃ** এই সমূহ আছিল ৰাজ ভৰালত পৰ্যাপ্ত পৰিমাণে বিদেশী মুদ্ৰাৰ জমা ৰাখিবলৈআৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ গ্ৰহণ কৰা হ্ৰস্বকালীন পদ্ধতি।
- **সংৰচনাত্মক ব্যৱস্থা ঃ** এইসমূহ আছিল দীৰ্ঘকালীন ব্যৱস্থা আৰুইয়াৰ উদ্দেশ্য আছিল ভাৰতীয়অৰ্থনীতিক পুনৰুদ্ধাৰ কৰা। এই ব্যৱস্থাসমূহক উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ আদি ভাগত ভগাব পাৰি।

৯.৬.২ গোলকীকৰণ

সহজ ভাষাত, গোলকীকৰণ হলে বিশ্বজুৰি স্বতস্ফূৰ্ত আৰু সংঘৱদ্ধভাৱে সামগ্ৰী, সেৱা আৰু মানুহৰ মুক্ত গতিবিধি।

IMF ৰ মতে, গোলকীকৰণ হৈছে প্ৰযুক্তিৰ বিস্তৃত ব্যৱহাৰৰ দ্বাৰা সীমাৰ দুয়োপাৰে সামগ্ৰী,সেৱা আৰু আন্তঃৰাষ্ট্ৰীয় পুঁজিৰ ধনৰ আগমনৰ মাধ্যমেৰে বিশ্বজুৰি দেশসমূহৰ মাজতসৃষ্টি হোৱা বৰ্ধিত অৰ্থনৈতিক আন্তঃনিৰ্ভৰশীলতা।

গোলকীকৰণ মানে ৰাষ্ট্ৰসমূহৰ অৰ্থনীতিৰ একীকৰণ হলেও ইয়াৰ প্ৰকৃত উদ্দেশ্য হৈছে বৃহৎ পৰিসৰত দেশ সমূহৰ মাজত আন্তঃনিৰ্ভৰশীলতা আৰু সংহতিৰ বৃদ্ধি। ইয়াৰ দ্বাৰা অৰ্থনৈতিক, সামাজিক আৰু ভৌগলিক সীমা অতিক্ৰম কৰি নেটৱৰ্ক আৰু কাৰ্যপ্ৰণালী গঢ়ি উঠে।

➢ **গোলকীকৰণৰ মূল সফলতা ঃ**

- **আউটচৰ্ছিং ঃ** গোলকীকৰণ অন্যতম প্ৰধান ফলাফল হৈছে আউটচৰ্ছিং। আউটচৰ্ছিং মানে হৈছে উন্নত দেশসমূহে কম মুজৰিৰ ব্যৱস্থা থকা উন্নয়ণশীল দেশসমূহৰপৰা আইনী পৰামৰ্শ, কম্পিউটাৰ সেৱা, টেলি-মাৰ্কেটিং, এডভাৰটাইজমেণ্ট, সুৰক্ষা আদি গ্ৰহণ কৰা কাৰ্য। ইয়াৰ একতেনেই সাধাৰণ উদাহৰণ হৈছে কণ্ঠ জৰিত ব্যৱসায় বা দেশৰ বিভিন্ন প্ৰান্তত থকা কল চেণ্টাৰসমূহ।
- **ব্যৱসায় সম্প্ৰসাৰণ ঃ** গোলকীকৰণ ফলত বিভিন্ন ভাৰতীয় কোম্পনীয়ে নিজৰ ব্যৱসায় আন দেশলৈ সম্প্ৰসাৰিত কৰিছে। উদাহৰণ স্বৰূপে অদএনিজিছি বিদেশ কাৰ্যায়সমূহ বৰ্তমান ভিয়েটনাম, ৰাছিয়া,কলম্বিয়া, ভেনেজুৱেলা, নিউজিলেণ্ড আদি ১৭ খন দেশত বিস্তৃত হৈ আছে। টাটা ষ্টীল বৰ্তমান২৬ খন দেশত পৰিচালনক্ষম। ইয়াৰ জৰিয়তে দেশৰ অৰ্থনীতিলৈ বৃহৎ পৰিমাণৰ বিদেশী মুদ্রা আহিছে।

৯.৬.৩ ব্যক্তিগতকৰণ

ৰাজহুৱা ক্ষেত্ৰৰ বৱসায়ৰ মালিকীস্বত্ব আৰু পৰিচালনাৰ দিশত ব্যক্তিগত ক্ষেত্ৰৰ অন্তৰ্ভুক্তিকে ব্যক্তিগতকৰণ প্ৰক্ৰিয়া আখ্যা দিব পাৰি। ব্যৱসায়, এণ্টাৰপ্ৰাইজ, এজেন্সী, ৰাজহুৱা সম্পত্তি আৰু সেৱাৰমালিকীস্বত্ব ৰাজহৱা ক্ষেত্ৰৰ পৰা ব্যক্তিগত ক্ষেত্ৰলৈ হস্তান্তৰকে ব্যক্তিগতকৰণ বুলি কব পৰাযায়। ভাৰতত ১৯৮০ ৰ দশকলৈকে ৰাজহৱা ক্ষেত্ৰৰ অন্যতম প্ৰত্যাহ্বান আছিল অদক্ষতা আৰু প্ৰতিযোগিতাৰ অভাৱ। ১৯৯১ চনত প্ৰৱৰ্তনকৰা নতুন অৰ্থনৈতিক আঁচনিৰ অধীনত গ্ৰহণ কৰা কেইবাটাও গুৰুত্বপূৰ্ণ ব্যৱস্থাৰ অন্যতম আছিল লোকচানৰ বলি হোৱা উদ্যোগিক গোট বিক্ৰী কৰি ক্ষতিপূৰণ আহৰণ কৰা। ব্যক্তিগতকৰণৰ সুবিধা আৰু অসুবিধাসমূহ তলত বাখ্যা কৰা হল।

➢ **ব্যক্তিগতকৰণৰ প্ৰধান সুবিধাসমূহ -**

- **ৰাজনৈতিক হতক্ষেপৰ অভাৱ ঃ** নেতিবাচক প্ৰচাৰৰ আশংকাতে অদক্ষ কৰ্মচাৰীক কামৰ পৰা উলিয়াই দিয়াত চৰকাৰী ক্ষেত্ৰত বাধা নিষেধ থাকে। কিন্তু ব্যক্তিগত ক্ষেত্ৰত দক্ষ কৰ্মচাৰী নিয়োগকৰাত গুৰুত্ব প্ৰদান কৰাৰ লগতে অদক্ষ কৰ্মচাৰীক চাকৰিৰ পৰা উলিয়াই দিয়াতো কুণ্ঠাবোধ কৰা নহয়।
- **দক্ষতাৰ উন্নতি ঃ** ব্যক্তিগতকোম্পানীৰ এটাই লক্ষ্য থাকে, মুনুফা আদায় এনে কোম্পানীসমূহে বিভিন্ন লক্ষ্য আৰু বোনাচৰ আশা দেখুৱাই কৰ্মচাৰীৰ প্ৰয়াস বৃদ্ধি কৰিবলৈ চেষ্টা কৰে আৰু ইয়াৰ দ্বাৰা সামগ্ৰিকভাৱে কোম্পানীটোৰ উৎপাদন বৃদ্ধি হয়।
- **অংশীদাৰ ঃ** অংশীদাৰসকলৰ পৰা ভাল প্ৰদৰ্শনৰ বাবে ব্যক্তিগত কোম্পানীসমূহে অহৰহ হেঁচা পাই থাকে। বিনিয়োগ উঠাই লোৱাৰ আশংকাৰ বাবে দক্ষতাৰ ক্ষেত্ৰত কোম্পানীয়ে আপোচ নকৰে।
- **প্ৰতিযোগিতাৰ বৃদ্ধি ঃ** যেতিয়া ৰাষ্ট্ৰৰ একচ্ছত্ৰী দখল নোহোৱা হয় সমগ্ৰব্যৱস্থাত অধিক প্ৰতিষ্ঠানৰ প্ৰৱেশ ঘটে আৰু প্ৰতিযোগিতামূলক ভাৱ বৃদ্ধি হয়। ব্যক্তিগত ফাৰ্মসমূহৰ মাজত বৃদ্ধি পোৱা প্ৰতিযোগিতাৰ বাবেই প্ৰদৰ্শন অহৰহ উন্নত হৈ থকাৰ লগতে দক্ষতাও তীক্ষ্ণ হয়।

➢ **ব্যক্তিগতকৰণৰ প্ৰধান অসুবিধাসমূহ -**

- ব্যক্তিগত কোম্পানীৰ উদ্দেশ্য হৈছে মুনাফা আদায়। চৰকাৰী প্ৰতিষ্ঠানৰ সামাজিক পুঁজি বৃদ্ধিকৰাৰ লক্ষ্যৰ ই সম্পূৰ্ণ বিপৰীত। বক্তিগত কোম্পানীয়ে সামাজিক কামকাজত গুৰুত্ব নিদিয়াত সামাজিক কল্যাণৰ পুঁজি হ্ৰাস পোৱাটো নিশ্চিত।
- ব্যক্তিগতকৰণে কৰ্মচাৰীক প্ৰভাৱান্বিত কৰে কাৰণ ইয়াত দক্ষতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয় আৰু এই কাৰ্যই কৰ্মচাৰীৰ ওপৰত তীব্ৰ চাপ পেলায়। অন্তিম সময়সীমা আৰু লক্ষ্য পূৰণৰ বাটত কৰ্মচাৰীয়ে যথেষ্ট জটিলতাৰ সন্মুখীন হয়। ৰাজহুৱা ক্ষেত্ৰত দীৰ্ঘসময় ধৰি কাম কৰা কৰ্মচাৰীয়ে এই নতুন ব্যৱস্থাত কাম কৰিবলৈ তীব্ৰ অসুবিধাৰ সন্মুখীন হোৱাটো নিশ্চিত।
- ব্যক্তিগতকৰণে ব্যক্তিগত এচচ্ছত্ৰী প্ৰভাৱৰ দ্বাৰা ক্ষমতা কেন্দ্ৰীভূত কৰিব পাৰে। ইয়াৰ বাবে চৰকাৰেসময়েসময়ে সকলো দিশ চালিজাৰি চোৱাটো প্ৰয়োজনীয়।



অগ্ৰগতিৰ নিৰীক্ষণ ঃ

প্ৰশ্ন ১ ঃ বিশ্বত প্ৰচলিত প্ৰধান অৰ্থনৈতিক ব্যৱস্থাসমূহ কি কি?

.....

.....

প্ৰশ্ন ২ ঃ উদ্যোগিক বিপ্লৱ পূৰ্বে ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰধান লক্ষ্যসমূহ কি কি আছিল?

.....

.....

প্ৰশ্ন ৩ ঃ স্বাধীন ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ পিছত নেহৰুৱে গ্ৰহণ কৰা প্ৰথম আঁচনি কি আছিল?

.....

.....

প্ৰশ্ন ৪ ঃ ভাৰতত কেতিয়া উদাৰীকৰণ আৰম্ভ হৈছিল?

.....

.....

প্ৰশ্ন ৫ ঃ গোলকীকৰণৰ উদাহৰণ দিয়া।

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰ্থনীতি হৈছে সংস্থা আৰু সংগঠনৰ এনেএক ব্যৱস্থা যিয়ে সমাজত সামগ্ৰীআৰু সেৱাৰুৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত হয় সহায় কৰে অথবা এক ভূমিকা লয়।
- বিশ্বত সাধাৰণতে চাৰিধৰণৰ অৰ্থনৈতিক ব্যৱস্থা আছে। এইকেইটা হৈছে ক) পৰম্পৰাগত অৰ্থনৈতিক ব্যৱস্থা, খ) নিয়ন্ত্ৰিত অৰ্থনৈতিক ব্যৱস্থা, গ) বজাৰ অৰ্থনৈতিক ব্যৱস্থা আৰু গ) মিশ্ৰিত অৰ্থনৈতিক ব্যৱস্থা।
- পৰম্পৰাগত অৰ্থনীতি হৈছে ৰীতি, ইতিহাস আৰু সময়সাপেক্ষে বিশ্বাসৰ ওপৰত আধাৰিতএক ব্যৱস্থা। সকলো অৰ্থনৈতিক সিদ্ধান্ত কেন্দ্ৰই গ্ৰহণ কৰে সেই অৰ্থনীতিকে নিয়ন্ত্ৰিত অৰ্থনীতি বুলি কোৱা হয়।
- বজাৰ অৰ্থনীতিক মুক্ত বিপণনন অৰ্থনীতি বুলিও কব পাৰি। ব্যক্তি আৰু ব্যৱসায়ৰ আন্তঃসম্পৰ্কৰ ওপৰতআধাৰিত উপভোক্তাৰ প্ৰয়োজনীয়তা আৰু চাহিদাই এই অৰ্থনীতি নিয়ন্ত্ৰণ কৰে।
- মিশ্ৰিত অৰ্থনীতি হৈছে বজাৰ, নিয়ন্ত্ৰিত আৰু পৰম্পৰাগত অৰ্থনীতিৰ সংমিশ্ৰন। ইয়াত একেসময়তে ব্যক্তিগত সম্পদক সুৰক্ষা প্ৰদান কৰাৰ গতে মুক্তবজাৰ আৰু যোগান আৰু চাহিদাৰ আইন মানি বজাৰ মূল্য নিৰ্দাৰণ কৰা হয়। একেসময়তে চৰকাৰে ব্যক্তি আৰু বজাৰক সুৰক্ষা প্ৰদান কৰে।
- ব্ৰিটিশসকলে ভাৰতলৈ অহাৰ পূৰ্বে আমাৰ দেশ সমৃদ্ধিশালী আছিল। গ্ৰাম্য সম্প্ৰদায়সমূহ

টনকীয়াল আছিল। ভাৰতে কপাঁহ, ৰেচম আৰু কাঠৰ সামগ্ৰী, মচলা, কাৰিকৰী সামগ্ৰী, ভাং আদিৰ ৰপ্তানি কৰিছিল। উদ্যোগিক বিপ্লৱে ভাৰতীয় বাণিজ্যৰ সমগ্ৰ গতি সলনি কৰিছিল।

- ইংলেণ্ডৰ চাহিদা পূৰণ কৰিবলৈ ভাৰতত বাণিজ্যিক ভিত্তিত কৰাকৃষিক উৎসাহ প্ৰদান কৰা হৈছিল। ইয়াৰ ফলত ভাৰতীয় পৰম্পৰাগত হস্তশিল্পৰ উদ্যোগ ৰেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল।

  ব্ৰিটিশে ১৭৯৩ চনত ভূমি আইন প্ৰৱৰ্তন কৰে। বংগ আৰু দেশৰ একাংশ পূৰ এলকাত স্থায়ীসংস্থাপন প্ৰৱৰ্তন কৰা হৈছিল। এই আইন অনুসৰি জমিদাৰী আৰু ৰায়তোৱাৰী প্ৰথাৰ সৃষ্টি হৈছিল।
- স্বাধীনোত্তৰ অৰ্থনীতিক মুলত ঃ তিনি ভাগত ভগাব পাৰি-স্বাধীনতাৰ সময়ৰ পৰা ১৯৯০ চনলৈকে প্ৰথম পৰ্যায়, নতুন অৰ্থনৈতিক আঁচনৰ প্ৰৱৰ্তনৰ পৰা দ্বিতীয় পৰ্যায়ৰ আৰম্ভণি হৈছিল আৰু বৰ্তমান আমি উপনীত হৈছো তৃতীয় পৰ্যায়ত যত প্ৰচলিত ব্যৱস্থাৰ সালসলনি ঘটাই নতুন পদ্ধতি গঠন কৰা হৈছে।
- প্ৰথম পৰ্যায়ত ভাৰতৰ নীতি নিৰ্ধাৰকসকলে অথচ্ছনৈতিক উন্নয়নৰ বাবে ৰাজ্যসমূহক জৰিত কৰিএক গণতান্ত্ৰিক প্ৰক্ৰিয়া গ্ৰহণ কৰে। সমাজবাদী নীতিৰ অনুপ্ৰেৰণাত ভাৰতত এই আঁচনিসমূহ গ্ৰহণ কৰা হৈছিল।
- দ্বিতীয় পৰ্যায়ত উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতি প্ৰৱৰ্তন কৰিআগশাৰীৰ ৰাজনীতিসকলে দেশত অৰ্থনৈতিক সংস্কাৰৰ বাট মুকলি কৰিছিল।
- প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিম্নমুখী দৃষ্টিভংগীৰ পৰিৱৰ্তে তৃতীয় পৰ্যায়ত উৰ্ধমুখী দৃষিশটভংগী গ্ৰহণ কৰা হৈছিল। পঞ্চায়তীৰাজ ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিএকধৰণৰ হস্তক্ষেপমূলক নীতিৰে অৰ্থনৈতিক বিকাশৰ সুফল সাধাৰণ মানুহৰ দুৱাৰডলিলৈ অনাৰ প্ৰয়াস গ্ৰহণ কৰা হৈছিল।
- অৰ্থনৈতিক উদাৰীকৰণে ব্যক্তিগত খণ্ডৰ দায়িত্ব আৰু ভূমিকা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিক লেন দেনত চৰকাৰী নিয়ন্ত্ৰণ কমাই অনা হৈছিল।
- সহজ ভাষাত, গোলকীকৰণ হৈছে বিশ্বজুৰি স্বতস্ফূৰ্ত আৰু সংঘৱদ্ধভাৱে সামগ্ৰী,সেৱা আৰু মানুহৰ মুক্ত গতিবিধি।
- ৰাজহুৱা ক্ষেত্ৰৰ ব্যৱসয়াৰ মালিকীস্বত্ব আৰু পৰিচালনাৰ দিশত ব্যক্তিগত ক্ষেত্ৰৰ অন্তৰ্ভুক্তিকে ব্যক্তিগতকৰণ প্ৰক্ৰিয়া আখ্যা দিব পাৰি।



৯.৮ অধিক জানিবলৈ

১. Datt & Sundharam, (2008) “Indian Economy”; S. Chand & Company Pvt. Ltd., New Delhi.

২. Rao, C. N. Shankar, (2008) " Sociology, Principles of Sociology with an Introduction to Social Thought"; S. Chand & Company Pvt. Ltd., New Delhi.

৯.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বত সাধাৰণতে চাৰিধৰণৰ অৰ্থনৈতিক ব্যৱস্থা আছে। এইকেইটা হৈছে ক) পৰম্পৰাগত অৰ্থনৈতিক ব্যৱস্থা, খ) নিয়ন্ত্রিত অৰ্থনৈতিক ব্যৱস্থা, গ) বজাৰ অৰ্থনৈতিক ব্যৱস্থা আৰু গ) মিশ্রিত অৰ্থনৈতিক ব্যৱস্থা।

২নং প্ৰশ্নৰ উত্তৰ ঃ ইংলেণ্ডত উদ্যোগিক বিপ্লৱৰ প্ৰাকক্ষণত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত উৎপাদিত সামগ্রী, বস্ত্র, মচলা আদিআন ইউৰোপীয় দেশলৈ ৰপ্তানি কৰাত গুৰুত্ব প্রদান কৰিছিল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে নেহৰুৱেবাবে নেহৰুৱে ১৯৫১ চনত প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ প্ৰৱর্তন কৰিছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯১ চনত নতুন অৰ্থনৈতিক আঁচনি প্রচলন কৰাৰসময়তে ভাৰতত উদাৰীকৰণৰ প্রক্রিয়া আৰম্ভ হৈছিল।

৫নং প্ৰশ্নৰ উত্তৰ ঃ গোলকীকৰণ উদাহৰণ- BPO সমূহ।

৯.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতত অৰ্থনৈতিক উদাৰীকৰণৰ ওপৰত এক চমুটোকা লিখক।

প্রশ্ন ২ঃ ব্যক্তিগতকৰণৰ প্রধান সুবিধা আৰু অসুবিধাসমূহ কি কি?

প্রশ্ন ৩ঃ ৰায়তোৱাৰী প্রথা কি?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ স্বাধীনোত্তৰ ভাৰতীয় অৰ্থনীতিৰ ওপৰত এখন ৰচনা লিখক।

প্রশ্ন ২ঃ অৰ্থনীতিৰ বিভিন্ন প্রকাৰৰ লগতেইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ভাৰতত ৰাজনীতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাৰতীয় ৰাজনৈতিক সংৰচনাৰ বিৱর্তন
১০.৪ স্বাধীনোত্তৰ কালত ভাৰতীয় ৰাজনৈতিক সংৰচনাৰ বিৱর্তন
১০.৪.১ উপনিবেশবাদ
১০.৪.২ পঞ্চায়তীৰাজৰ পৰম্পৰা
১০.৪.৩ নির্বাচনী প্রক্রিয়া
১০.৪.৪ লিখিত সংবিধান
১০.৪.৫ উচ্চতম ন্যায়ালয়ৰ স্বতন্ত্রতা
১০.৫ ক্ষমতাৰ বিকেন্দ্রীকৰণ
১০.৬ ৰাজনৈতিক উচ্চ শ্রেণী
১০.৭ ৰাজনৈতিক দল
১০.৮ ভাৰতত নির্বাচনী প্রক্রিয়াৰ আৰম্ভণি
১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১০ অগ্রগতিৰ খতিয়ান
১০.১১ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কেনেকৈ সময়ৰ সৈতে খোজ মিলাই ভাৰতীয় ৰাজনৈতিক সংৰচনাৰ বিৱর্তন ঘটিছে সেয়া জানিব পাৰিব
- ভাৰতীয় নির্বাচনী প্রক্রিয়াৰ বিৱর্তন আলোচনা কৰিব পাৰিব।
- ক্ষমতাৰ বিকেন্দ্রীকৰণৰ অধীনত পঞ্চায়তীৰাজ ব্যবস্থাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

প্রচলিত বিৱৰণ অনুসৰি ভাৰতৰ ইতিহাসৰ আৰম্ভণি আমি ধৰিব পাৰো মহেঞ্জোদাৰো, হৰপ্পা আৰু লোথালত সিন্ধু উপত্যকাৰ সভ্যতাৰ সৃষ্টি আৰু আর্যসকলৰ আগমনৰ সময়ৰ পৰা। এয়া প্রাক বৈদিক আৰু বৈদিক যুগৰ সময়। খ্রীষ্টপূর্ব চতুর্থ শতিকাত ভাৰতৰ এক ডাঙৰ অংশ

সম্ৰাট অশোকৰ অধীনত একত্ৰিত হৈ আছিল। মৌৰ্যসকলৰ সময়ৰ পৰা হিন্দুত্বৰ ধাৰণাই গঢ় লৈ উঠিছিল আৰু লাহে লাহে এই ধাৰণাই বৰ্তমান প্ৰচলিত ধৰ্মৰ ৰূপ লয়। অষ্টম শতিকাত ইছলাম ধৰ্ম প্ৰথমবাৰলৈ ভাৰতলৈ আহে। একাদশ শতিকালৈকে এই ধৰ্মই ভাৰতত এক ৰাজনৈতিক শক্তিৰূপে সজোৰে খোপনি পুতি লয়। অৱশেষত মোগল সাম্ৰাজ্যৰ অধীনত ভাৰত এক বৃহৎ ৰাজনৈতিক শক্তিৰূপে একত্ৰিত হয়।

ষোল্ল শতিকাৰ আশে পাশে ভাৰতলৈ ইউৰোপীয়সকলৰ আগমন ঘটে। ওঠৰ শতিকাৰ আৰম্ভনিৰ সময়ছোৱাত মোগল সাম্ৰাজ্যৰ ভাঙোন ঘটিবলৈ ধৰে আৰু সুকীয়া সুকীয়া ৰাজ্যসমূহৰ সৃষ্টিৰ ৰাট মুকলি হয়। আধিপত্য বিস্তাৰ কৰিবলৈ ইংৰাজসকলে পলাশী আৰু বক্সাৰৰ যুদ্ধত জয়ী হৈ সমগ্ৰ দেশত নিজৰ দখল মজবুত কৰি প্ৰায় দুটা দশক শাসন চলায়। বিংশ শতিকাৰ আৰম্ভনিৰ সময়ছোৱাত এক জাতীয়তাবাদী আন্দোলনে গা কৰি উঠিছিল আৰু ১৯১৯-২০ চন মানলৈ পটভূমিত আহিছিল মোহনদাস কৰমচাঁদ গান্ধী(মহাত্মা)। পৰৱৰ্তী সময়ছোৱাৰ এলানি সফল আন্দোলনৰ পিছত ১৯৪৭ চনত ব্ৰিটিশে ভাৰত এৰিবলৈ বাধ্য হৈছিল। কিন্তু যোৱাৰ আগে আগে তেওঁলোকে দেশ বিভাজন কৰি গৈছিল। এই বিভাজনৰ ফলতে মানচিত্ৰত অন্তৰ্ভুক্ত হৈছিল ইছলামধৰ্মী অধ্যুষিত দেশ পাকিস্তান (পৰৱৰ্তী সময়ত বাংলাদেশ আৰু পাকিস্তান)।

১০.৩ ভাৰতীয় ৰাজনৈতিক সংৰচনাৰ বিৱৰ্তন

বৈদিক যুগৰ আৰম্ভনিতে মানুহ অঘৰী আছিল কিন্তু কৃষি কাৰ্যৰ অগ্ৰগতিৰ লগে লগে মানুহে গোটত বিভক্ত হৈ বাস কৰিবলৈ লয়। এনেধৰণৰ সংগঠন প্ৰধানকৈ আছিল জনজাতীয় মূলৰ আৰু গোটৰ মুৰব্বীজনক ৰজা বুলি জনা গৈছিল। অৱশ্যে এই সময়লৈকে ৰজাৰ প্ৰকৃত অৱধাৰণা ভালদৰে প্ৰেক্ষাপটত অহা নাছিল। সময়ৰ লগে লগে ডাঙৰ ডাঙৰ সাম্ৰাজ্যসমূহ গঢ় ল'বলৈ ধৰে আৰু খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকা পৰ্যন্ত সমগ্ৰ ভূ খণ্ডত মুঠ ৰহ মহাজনপদ (সাম্ৰাজ্য)ৰ সৃষ্টি হৈছিল।

প্ৰাচীন ভাৰতত বিভিন্ন সৰু সৰু গণৰাজ্যও আছিল। প্ৰশাসনীয় পৰিচালনাৰ ক্ষেত্ৰত এই গণৰাজ্যসমূহত গণতন্ত্ৰৰ কিছু উপাদান দেখিবলৈ পোৱা গৈছিল। ৰজা আছিল বিধানমণ্ডল, ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ সকলো শাখাৰ মুৰব্বী। প্ৰশাসন পৰিচালনাৰ ক্ষেত্ৰত বহুসংখ্যক বিষয়াই তেওঁক সহযোগিতা আগবঢ়াইছিল। পৰিষদৰ সদস্যসকলে ৰজাক পৰামৰ্শ দিব পাৰিছিল কিন্তু চূড়ান্ত সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব একমাত্ৰ ৰজাৰহে আছিল। মন্ত্ৰী আৰু আন বিষয়াসকলক ৰজাই নিযুক্তি দিছিল।

বিশাল আকৃতিৰ হোৱাৰ বাহিৰে গুপ্ত যুগৰ প্ৰশাসনীয় সংৰচনা যথেষ্ট উচ্চমানৰ আছিল। গুপ্ত যুগৰ প্ৰশাসনো কম বেছি পৰিমানে মৌৰ্যসকলৰ দৰেই আছিল। গুপ্ত যুগ আৰু মৌৰ্য যুগৰ প্ৰশাসনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তফাৎ হৈছে প্ৰশাসনৰ কেন্দ্ৰীকৰণ আৰু বিকেন্দ্ৰীকৰণ। গুপ্ত প্ৰশাসনত প্ৰদেশসমূহৰ শাসকসকল মৌৰ্যসকলৰ তুলনাত অধিক স্বাধীনচেতীয়া আছিল।

মৌর্যসকলৰ প্রশাসন আছিল উচ্চ হাৰত কেন্দ্রীভূত।

১০.৪ স্বাধীনোত্তৰ কালৰ ভাৰতৰ ৰাজনৈতিক সংৰচনাৰ বিৱর্তন

এক দীঘলীয়া সংগ্রামৰ অন্তত ১৯৪৭ চনত ভাৰতে ব্রিটিশৰ কৱলৰ পৰা মুক্তি লাভ কৰিছিল। নতুনকৈ জন্ম হোৱা আন ৰাষ্ট্রৰ দৰেই স্বাধীনতাৰ পিছত ভাৰতে সংসদীয় গণতন্ত্র গ্রহণ কৰিছিল। সময়ৰ এছোৱা দীঘল বাট আগুৱাই অহাৰ পিছতহে আমি বর্তমানৰ পূর্ণতাপ্রাপ্ত গণতন্ত্র লাভ কৰিছো। ভাৰতৰ গণতন্ত্রৰ সফলতাত অৰিহণা আগবঢ়োৱা কেতবোৰ কাৰকক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

১০.৪.১ উপনিবেশবাদ

স্বদেশত গণতন্ত্রৰ ধাৰণা আৰু ভেঁটি মজবুত কৰাৰ বহু পিছলৈকে ব্রিটিশসকলে ভাৰতত অগণতান্ত্রিকভাৱে শাসনকার্য চলাই আছিল। কিন্তু সচেতনভাৱেই হওক বা অসচেতনভাৱেই হওক ব্রিটিশসকলে হাজাৰ হাজাৰ ভাৰতীয়ক প্রশাসন আৰু চৰকাৰৰ কাম কাজ চলোৱাৰ ক্ষেত্রত প্রশিক্ষণ প্রদান কৰি আছিল। ব্রিটিশ শাসনে ভাৰতীয়সকলক ৰাজনৈতিক দল, বিধানমণ্ডল, বিধানমণ্ডল আইন (১৭৭৩ আইনৰ পৰা ১৯৪৭ ৰ আইন) নির্বাচন, অসামৰিক সেৱা আদিৰ বিষয়ে শিক্ষা প্রদান কৰি তেওঁলোকৰ মাজত ৰাজনৈতিক সজাগতাৰ সৃষ্টি কৰিছিল। এই কার্যই স্বাধীনতা লাভ কৰাৰ পিছত ভাৰতীয়সকলক প্রশাসন চলোৱাত সহায় কৰিছিল।

ব্রিটিশ চৰকাৰে ১৮৮২ চনত স্থানীয় স্বায়ত্বশাসনৰ বিধেয়ক আৰু ১৮৯২ৰ চনত ইণ্ডিয়ান কাউন্সিল এক্ট গৃহিত কৰাই নির্বাচনী প্রক্রিয়াৰ আৰম্ভনি ঘটায়। ১৮৯২ চনৰ আইনমতে চৰকাৰে মনোনীত কৰাৰ পিছতহে সদস্যসকলৰ নির্বাচনৰ বাবে ভাৰতত এই আইন অনুসৰি নির্বাচন অনুষ্ঠিত হ'ব পাৰে। এই অনুশীলনৰ দ্বাৰা পৰৱর্তী সময়ত গণতন্ত্রৰ মূল নীতি গ্রহণ কৰিবলৈ ভাৰতীয়সকলৰ বাবে সহায় হৈছিল। ব্রিটিশসকলে বিভিন্ন সময়ত গ্রহণ কৰা কেতবোৰ আইনে ভাৰতত স্বতন্ত্র চৰকাৰ গঠনৰ সুবিধা প্রদান কৰাৰ লগতে কম সময়ৰ ভিতৰত ১৯৫০ চনৰ সংবিধান প্রণয়ন কৰাতো সহায়ক হৈছিল।

ব্রিটিশ শাসনৰ আৰম্ভনিৰ সময়ছোৱাত দেশৰ সাধাৰণ জনতাৰ বাবে মাত মতা কোনো সংগঠন নাছিল। এনেদৰে ব্রিটিশ শাসনে পদবী আৰু মর্যাদা অনুসৰি কাম কৰা গণতান্ত্রিক সংগঠন প্রতিষ্ঠা কৰিবলৈ উৎসাহ প্রদান কৰিছিল। ইয়াৰ ফলশ্রুতিতে অ ৱসৰপ্রাপ্ত ব্রিটিশ অসামৰিক বিষয়া চাৰ এলেন অক্টেভিয়ান হিউমে ভাৰতীয় জাতীয় কংগ্রেছ ১৮৮৫ চনত প্রতিষ্ঠা কৰিছিল। সংগঠিতভাৱে ব্রিটিশ শাসনৰ সন্মুখত ভাৰতীয়সকলৰ স্বার্থ উত্থাপন কৰিবলৈ এই পদক্ষেপ গ্রহণ কৰা হৈছিল।

১০.৪.২ পঞ্চায়তীৰাজৰ পৰম্পৰা

প্ৰাচীন ভাৰতৰ পঞ্চায়ত ব্যৱস্থাই গণতন্ত্ৰৰ সংস্কৃতি গ্ৰহণ কৰাত ভাৰতীয়সকলক সহায় কৰিছিল। আলোচনাৰ মাধ্যমেৰে গ্ৰহণ কৰা সিদ্ধান্ত আৰু ইয়াত ঐশ্বৰিক অনুমোদন লোৱা হয় (পঞ্চ মানে পৰমেশ্বৰ)। সাধাৰণতে সামাজিক অথবা অৰ্থনৈতিক সংগঠনসমূহত এইধৰনৰ পন্থা গ্ৰহণ কৰা হৈছিল। জাতিগত বিবাদ আৰু গাঁৱৰ দ্বন্দ্ব-খৰিয়াল দূৰ কৰিবলৈও পঞ্চায়তৰ সহায় লোৱা হৈছিল। 'পঞ্চায়ত মানে হৈছে গাঁৱৰ প্ৰজনীয়া পৰিষদ আৰু ইয়াত পাঁচজন সদস্য কেতিয়াবা নাথাকিবও পাৰে। সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশ সামৰি গাঁৱৰ ৰাইজৰ জীৱনত ব্যাপক প্ৰভাৱ আছিল পঞ্চায়তৰ। আনধৰণে ক'বলৈ গ'লে পঞ্চায়ত হৈছে আজিৰ ভাৰতৰ স্বায়ত্বশাসনৰ আটাইতকৈ নিম্ন আৰু প্ৰাথমিক গোট।'

১০.৪.৩ নিৰ্বাচনী প্ৰক্ৰিয়া

ছাৰ ষ্টেফ'ৰ্ড ক্ৰিপছৰ মতে, গণতন্ত্ৰত এক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত বাতিল কৰিব পৰাকৈ নিজৰ পচন্দৰ প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ মানুহৰ এক মুক্ত আৰু নিঃচৰ্ত অধিকাৰ থাকিব লাগে। মিঃ ই এফ এম ডাৰবিনেও একেধৰনে ব্যাখ্যা কৰিছে যে এক সফল গণতন্ত্ৰৰ বাবে প্ৰথম চৰ্ত হৈছে চৰকাৰ এখন নিৰ্বাচন কৰাৰ মানুহৰ সক্ষমতা। সেইবাবে ভাৰতত সৰ্বোচ্ছ আইনৰূপে সংবিধানে নাগৰিকৰ ভোটাধিকাৰ সুৰক্ষিত কৰিছে। ইয়াত নাগৰিকে সদায় নিজৰ ক্ষমতাৰে প্ৰাৰ্থী নিৰ্বাচন কৰিব পাৰে। নিৰ্বাচনৰ ফলাফলক চৰকাৰ অথবা নেতাসকলে সদায় সমীহ কৰি আহিছে। ইয়াৰ ফলত সাধাৰণ ৰাইজৰ মাজত ৰাজনৈতিক সচেতনতা বৃদ্ধি পোৱাৰ ওপৰিও ৰাজনীতিত যে সাধাৰণ মানুহৰো ভূমিকা আছে সেয়া অনুধাৱন কৰাত সহায়ক হৈছে। দেশৰ নাগৰিকসকলৰ ৰাজনৈতিক অংশগ্ৰহণৰ মনোভাৱো এই কাৰ্যই বৃদ্ধি কৰিছে। গতিকে স্বাধীনতাৰ সময়ৰে পৰা ৰাইজৰ অংশগ্ৰহণ লাহে লাহে বৃদ্ধি পোৱা দেখা যায়।

১০.৪.৪ লিখিত সংবিধান

কংগ্ৰেছ দলৰ নেতাসকলে লিখিত সংবিধানক গণৰাজ্যৰ মূল আইনৰূপে গ্ৰহণ কৰিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীত এই সংবিধান বলৱৎ হয়। সংবিধানত গণৰাজ্যৰ প্ৰকৃতি, সংগঠন, ক্ষমতা, কেন্দ্ৰ আৰু ৰাজ্যৰ পাৰস্পৰিক সম্পৰ্ক, নাগৰিকৰ মৌলিক অধিকাৰ (অনুচ্ছেদ ১৩ ৰ পৰা ৩৫), নিৰ্দেশাত্মক নীতিৰ (অনুচ্ছেদ ৩৬ ৰ পৰা ৫১) বিষয়ে এই সংবিধানত স্পষ্টৰূপত ব্যাখ্যা আছে। ইয়াত কেন্দ্ৰ আৰু ৰাজ্যৰ কাৰ্যাৱলী স্পষ্টৰূপত আলোচনা কৰা হৈছে আৰু ইয়াৰ দ্বাৰাই ভাৰতত গণতন্ত্ৰৰ ভেঁটি মজবুত হৈছে। গতিকে লিখিত সংবিধানে ভাৰতত গণতন্ত্ৰৰ সফলতা অনাত অন্যতম গুৰুত্বপূৰ্ণ

ভূমিকা লোৱা দেখা যায়।

১০.৪.৫ উচ্চতম ন্যায়ালয়ৰ স্বতন্ত্রতা

বর্তমান গণতান্ত্রিক দেশ এখনৰ আটাইতকৈ গুৰুত্বপূর্ণ বিষয়টোৱে হৈছে ন্যায়পালিকাৰ স্বতন্ত্রতা। সেইবাবেই গণতান্ত্রিক দেশ এখনত ন্যায়পালিকাক সংবিধান আৰু দেশৰ ৰক্ষক বিবেচনা কৰা হয়। ব্রাইচৰ মতে, এখন দেশৰ চৰকাৰৰ উৎকৃষ্টতাৰ প্রমাণ দেশখনৰ ন্যায়পালিকাৰ দক্ষতাৰ পৰা পোৱা যায়।

নিশ্চিত আৰু স্বতঃস্ফূর্ত ন্যায়ৰ ওপৰত ভৰসা হৈছে নাগৰিকৰ কল্যাণ আৰু সুৰক্ষাক প্রভাৱিত কৰা আটাইতকৈ ডাঙৰ দিশ। গার্নাৰৰ মতেও, ন্যায়পালিকাৰ অংগ নথকাকৈও এখন সমাজ বর্তি থাকিব পাৰে, আধুনিক সময়ৰ আগলৈকে পূর্ণ বিকশিত ন্যায়পালিকাৰ অংগ দেখিবলৈ পোৱা নগৈছিল কিন্তু ন্যায়পালিকা অৱিহনে এখন সভ্য সমাজ বর্তি থকা কঠিন। ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত দেশৰ উচ্চতম ন্যায়ালয়ৰ এক সন্মানীয় স্থান আছে। দেশত গণতন্ত্র ৰক্ষাৰ ক্ষেত্রত উচ্চতম ন্যায়ালয়ে বহুবাৰ হস্তক্ষেপ কৰি সিদ্ধান্ত প্রদান কৰিছে।

১০.৫ ক্ষমতাৰ বিকেন্দ্রীকৰণ

বিকেন্দ্রীকৰণ হৈছে কেন্দ্রীয় কর্তৃত্বৰ পৰা তলৰ পর্যায়লৈ ক্ষমতা, কার্যাৱলী আৰু প্রশাসনীয় দায়িত্বৰ পুনঃ বিতৰণ। ভাৰতৰ ক্ষেত্রত আমি ক'ব পাৰো কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা পঞ্চায়ত বা গাঁও পর্যায়লৈ ক্ষমতাৰ হস্তান্তৰৰ কথা এই প্রসংগত ক'ব পাৰো।

লুইছ এ. এলেনৰ মতে, বিকেন্দ্রীকৰণ হৈছে কেৱল কেন্দ্রৰ অনুশীলনৰ আওতাৰ ভিতৰত থকা দিশসমূহৰ বাহিৰে আন দিশক নিম্ন পর্যায়ৰ সৈতে জৰিত কৰোৱাৰ পদ্ধতিগত প্রয়াস।

স্বাধীনতা সংগ্রামৰ সময়ত মহাত্মা গান্ধীয়ে গাঁও পর্যায়ত স্বায়ত্বশাসনৰ পোষকতা কৰাৰ লগতে বিশ্বাস কৰিছিল যে একমাত্র গ্রাম স্বৰাজৰ জৰিয়তেহে ভাৰতৰ প্রকৃত উন্নয়নৰ বাট মুকলি হ'ব। স্বাধীনতাৰ পিছতে তাৎক্ষণিকভাৱে চৰকাৰে সম্প্রদায় উন্নয়নৰ বাবে কেতবোৰ উন্নয়নমূলক আঁচনি প্রকল্প গ্রহণ কৰিছিল। ইয়াৰ লগতে চৰকাৰী ক্ষমতা কেনেকৈ গাঁও পর্যায়লৈ বিকেন্দ্রীভূত কৰিব পাৰি সেই দিশত বিবেচনা কৰিবলৈ বিভিন্ন কমিটি গঠন কৰিছিল চৰকাৰে। এনেসময়তে ১৯৯২ চনত সংবিধানৰ ৭৩ সংখ্যক সংশোধনী কৰা হয়। এই সংশোধনীত পঞ্চায়তসমূহক স্বায়ত্বশাসনৰ গোট ঘোষণা কৰা হৈছিল। সমগ্র পঞ্চায়তীৰাজ ব্যৱস্থাক তিনিটা ভাগত বিভক্ত কৰা হৈছিল ক) গাঁও পঞ্চায়ত অথবা গ্রাম পঞ্চায়ত (গাঁও পর্যায়) খ) পঞ্চায়ত সমিতি (ব্লক পর্যায়) আৰু গ) জিলা পৰিষদ (জিলা পর্যায়)। সংবিধানৰ আইন (৭৩ সংখ্যক সংশোধনী) ১৯৯২, বলৱৎ হয় ১৯৯৩ চনৰ ২৪ এপ্রিলত।

ভাৰতৰ তিনিতৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা আলোচনা কৰো আহক-

- **গাঁও পঞ্চায়ত ঃ** গাঁও পঞ্চায়ত হৈছে আটাইতকৈ তলৰ গোট। ইয়াত প্রধানকৈ ৰাইজে নির্বাচন কৰি দিয়া নির্বাচিত প্রতিনিধিসকল থাকে। পঞ্জীভূক্ত ভোটাৰ (১৮ বছৰৰ ওপৰৰ) যিসকল কোনোধৰনৰ চৰকাৰী লাভজনক পদত অধিষ্ঠিত নহয় তেওঁলোকে নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিব পাৰে। সংগঠনগত দিশৰ পৰা পঞ্চায়তে গাঁৱৰ সাধাৰণ পৰিষদ অথবা গ্রাম সভাৰ ওচৰত জবাবদিহী। প্রতি দুবছৰত এই গ্রাম সভা মিলিত হয়। গাঁও পঞ্চায়তে নিজৰ বাজেট, একাউণ্ট আৰু বার্ষিক প্রশাসনীয় প্রতিবেদন গ্রাম সভাৰ সন্মুখত দাখিল কৰিব লাগে। বলৱৎ কৰাৰ পূর্বে গাঁও সন্দর্ভত যিকোনো পৰিকল্পনা, কৰৰ প্রস্তাৱ আৰু উন্নয়নমূলক কার্যসূচীৰ বিষয়ে পঞ্চায়তে গ্রাম সভাৰ পৰা অনুমোদন ল'ব লাগে।

  প্রতিখন পঞ্চায়তে এজন সভাপতি অথবা গাঁওবুঢ়া আৰু উপ সভাপতি অথবা উপ গাওঁবুঢ়া নির্বাচিত কৰে। গাঁওবুঢ়াজন হৈছে গাঁও পঞ্চায়তৰ কার্যবাহী মুৰব্বী আৰু তেওঁপঞ্চায়তৰ কাম কাজৰ সমন্বয় ৰক্ষা কৰাৰ লগতে সমবায় আদি স্থানীয় সংস্থাসমূহ চোৱা-চিতা কৰে।

  গাওঁ পঞ্চায়তৰ প্রধান কার্যসমূহৰ ভিতৰত অন্যতম হৈছে বাট-পথ, কুঁৱা, বিদ্যালয়, শ্মশান আৰু কবৰস্থান, শৌচাগাৰ, জনস্বাস্থ্য, লাইব্রেৰী, অধ্যয়ন কক্ষ, মন্দিৰ-নামঘৰ আদি চোৱা-চিতা কৰা আৰু মেৰামতি কৰা। পঞ্চায়তে জন্ম আৰু মৃত্যুৰ ৰেকর্ড গাঁও পর্যায়ত সংগ্রহ কৰাৰ লগতে উন্নয়নমূলক কাম কাজ কার্যকৰী কৰাৰ ক্ষেত্রত পঞ্চায়ত সমিতিৰ এজেণ্টৰূপে কাম কৰে।

- **পঞ্চায়ত সমিতি ঃ** পঞ্চায়ত সমিতি হৈছে পঞ্চায়তীৰাজ ব্যৱস্থাৰ দ্বিতীয় পর্যায়। জনসংখ্যা আৰু মাটি-কালিৰ ওপৰত নির্ভৰ কৰি একোখন পঞ্চায়ত সমিতি ২০ ৰ পৰা ৬০ খন পর্যন্ত গাঁও লৈ গঠিত হয়। পঞ্চায়ত সমিতিৰ মুৰব্বীজনক প্রধান বুলি জনা যায়। তেওঁক নির্বাচন কৰে এলেকাটোৰ সকলো গাঁও পঞ্চায়তৰ গাওঁবুঢ়া আৰু পঞ্চায়ত সমিতিৰ নির্বাচিত সদস্যৰে গঠিত এক নির্বাচনী সমিতিয়ে। পঞ্চায়ত সমিতিৰ সকলো বৈঠকত প্রধানে সভাপতিত্ব কৰে। সমিতি আৰু ইয়াৰ ষ্টেণ্ডিং সমিতিয়ে গ্রহণ কৰা সকলো সিদ্ধান্ত বলৱৎ কৰাটো নিশ্চিত কৰে প্রধানে। খণ্ড উন্নয়ন বিষয়া আৰু তেওঁৰ কর্মচাৰীসকলৰ ওপৰতো নিয়ন্ত্রণ থাকে পঞ্চায়ত সমিতিৰ প্রধানৰ। প্রধানগৰাকী হৈছে জিলা পৰিষদৰ সদস্য। প্রধান আৰু উপ প্রধানৰ সৈতে নির্দিষ্ট খণ্ডটোৰ অন্তর্গত সকলো পঞ্চায়তৰ পৰা ২০ গৰাকী সদস্যকো সমিতিলৈ নির্বাচন কৰা হয়।

  পঞ্চায়ত সমিতিৰ প্রধান দায়িত্ব হৈছে ইয়াৰ অধীনস্থ সকলো পঞ্চায়তৰ কার্যাৱলীৰ মাজত সমন্বয় ৰক্ষা কৰা। পঞ্চায়তসমূহৰ কাম-কাজৰ ওপৰত সমিতিয়ে তীক্ষ্ণ নজৰ ৰখাৰ লগতে তেওঁলোকৰ বাজেটৰ ওপৰতো চকু ৰাখে। ৰাজ্য চৰকাৰৰ নির্দিষ্ট প্রকল্পৰ ভিত্তিত দিয়া নির্দেশনা বলৱৎ কৰে সমিতিয়ে।

- **জিলা পৰিষদ ঃ** তিনি তৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাৰ আটাইতকৈ ওপৰৰ তৰপটোৱে

হৈছে জিলা পৰিষদ। জিলা পৰিষদৰ সদস্যসকল হৈছে পঞ্চায়ত সমিতিৰ সকলো সদস্য, সংসদ আৰু বিধানসভাৰ জিলাখনৰ সকলো সদস্য, জিলাৰ স্বাস্থ্য, জনস্বাস্থ্য, অভিযান্ত্রিক, কৃষি, পশু চিকিৎসা, শিক্ষা আৰু আন উন্নয়নমূলক বিভাগৰ সকলো সদস্য। জিলা পৰিষদত মহিলা, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ পর্যাপ্ত সদস্য নাথাকিলে বিশেষ সংৰক্ষণৰো ব্যৱস্থা থকা দেখা যায়। জিলাৰ উপায়ুক্ত বা দণ্ডাধীশজনো জিলা পৰিষদৰ সদস্য। সদস্যসকলৰ মাজৰ পৰাই জিলা পৰিষদৰ অধ্যক্ষজনক নির্বাচন কৰা হয়।

জিলা পৰিষদৰ প্রাথমিক দায়িত্ব হৈছে প্রাথমিক আৰু উঃমাঃ বিদ্যালয়সমূহ, চিকিৎসালয়, জলসিঞ্চনৰ নিম্ন পর্যায়ৰ কাম আদি চোৱা-চিতা কৰা। বিভিন্ন উন্নয়নমূলক আঁচনি কার্যকৰী কৰাৰ ক্ষেত্রত জিলা পৰিষদৰ সদস্যসকলে চৰকাৰক প্রয়োজনীয় পৰামর্শ আগবঢ়ায়।

১০.৬ ৰাজনৈতিক উচ্চ শ্রেণী

এইসকল লোক হৈছে সমাজৰ আটাইতকৈ প্রভাৱশালী আৰু সন্মানীয় শ্রেণীৰ ব্যক্তি। ৰাইট মিলছে (১৯৫৬) ব্যাখ্যা কৰা অনুসৰি ৰাজনৈতিক উচ্চ শ্রেণী হৈছে সেইসকল শ্রেণীৰ লোক যিসকলে ডাঙৰ পৰিণাম আনিব পৰা সিদ্ধান্ত গ্রহণ কৰে, যিসকলে আনৰ বাধা-নিষেধ নেওচি নিজৰ ইচ্ছাৰ বাট বুলিব পাৰে, লগতে যিসকলৰ হাতত সকলোতকৈ অধিক ধন, ক্ষমতা আৰু সন্মান থাকে।

মার্কসৰ মতে এইসকল হৈছে 'শাসকীয় শ্রেণী'।

সাধাৰণ অর্থত ক'বলৈ গ'লে ৰাজনৈতিক ব্যৱস্থা এটাৰ ভিতৰত ৰাজনৈতিক ক্ষমতা, প্রধান ৰাজনৈতিক দলক প্রভাৱিত কৰিব পৰা ক্ষমতা আৰু ৰাজনৈতিক নিয়ন্ত্রণৰ বাঘজৰী হাতত তুলি লোৱা সকলেই হৈছে ৰাজনৈতিক উচ্চ শ্রেণী। ইয়াৰ অন্যতম উদাহৰণ হৈছে জৱাহৰলাল নেহৰু। নেহৰুৰ পিছত তেওঁৰ জীয়ৰি ইন্দিৰা গান্ধীয়ে ৰাজনীতিত যোগদান কৰে আৰু সাম্প্রতিক ৰাজনীতিত সক্রিয় হৈ থকা ইন্দিৰা গান্ধীৰ বোৱাৰী ছোনিয়া গান্ধী আৰু নাতি ৰাহুল গান্ধীয়ে বর্তমানেও এই ধাৰা অব্যাহত ৰাখিছে।

এই অভিজাত শ্রেণীৰ ৰাজনীতিকসকল সাধাৰণতে অর্থনৈতিকভাৱে স্বচ্ছল (ৰাজকীয় বা বংশগত সম্পত্তিৰ ভেঁটিত), উচ্চ শিক্ষিত, বেছিভাগ সময়ত উচ্চ শ্রেণীৰ লোক। তেওঁলোক সামাজিক স্বার্থক লৈ খুবেই সচেতন। তেওঁলোকৰ আর্থ-সামাজিক আদর্শৰ ভেঁটি হৈছে জাতীয়তাবাদ, উদাৰতাবাদ, ধর্মীয়-সাংস্কৃতিক সংস্কাৰ আৰু বহু ক্ষেত্রত বংশানুক্রমিকভাৱে চলি অহা নির্দিষ্ট ৰাজনৈতিক আদর্শ।

১০.৭ ৰাজনৈতিক দল

ৰাজনৈতিক দল হৈছে একেধৰনৰ ৰাজনৈতিক লক্ষ্য আৰু উদ্দেশ্য লৈ সংগঠিত হোৱা গোট, যিয়ে ৰাজ্যিক অথবা সাধাৰণ নিৰ্বাচনৰ জৰিয়তে ৰাজহুৱা পদত অধিষ্ঠিত হৈ ৰাইজৰ বাবে গ্ৰহণ কৰা আঁচনি পৰিচালনা কৰিব বিচাৰে। সঁচা অৰ্থত ৰাজনৈতিক দল হৈছে গণতন্ত্ৰৰ অবিচ্ছেদ্য অংগ। তেওঁলোক হৈছে চৰকাৰ আৰু সাধাৰণ ৰাইজৰ মাজত প্ৰধান যোগসূত্ৰ। ৰাজনৈতিক দলসমূহে সাধাৰণতে নিৰ্দিষ্ট উদ্দেশ্য, ৰাজহুৱা বিষয়ৰ কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি পৰিচালিত হলেও ইয়াৰ প্ৰধান লক্ষ্য হৈছে ৰাজনৈতিক ক্ষমতা দখল কৰা।

ৰাষ্ট্ৰ এখনৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ৰাজনৈতিক দলসমূহ একদলীয়, দুইদলীয় আৰু বহুদলীয় ব্যৱস্থাৰ অধীনত থাকে। কাৰ্যাৱলী, উদ্দেশ্য আৰু স্বাৰ্থ অনুসৰি ৰাজনৈতিক দলসমূহৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ভাগত বিভক্ত কৰিব পাৰি। ভাৰতৰ ৰাজনৈতিক দলসমূহৰৰ ভেঁটি হৈছে ইয়াৰ সাংস্কৃতিক বৈচিত্ৰতা, সামাজিক, নৃগোষ্ঠীয়, জাতিগত, সম্প্ৰদায়গত আৰু ধৰ্মীয় বহুমুখী চৰিত্ৰ।

ভাৰতত বহুদলীয় ব্যৱস্থা থাকিলেও ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন ৰাজনৈতিক দলে মিত্ৰতা স্থাপন কৰি দুটা প্ৰধান মিত্ৰজোঁট গঠন কৰিছে। বৰ্তমান চৰকাৰ পৰিচালনা কৰি আছে বিজেপি নেতৃত্বাধীন নেচনেল ডেম'ক্ৰেটিক এলায়েন্সে (এনডিএ)। বিৰোধীৰ আসনত আছে কংগ্ৰেছ নেতৃত্বাধীন ইউনাইটেড প্ৰগেছিভ এলায়েন্স (ইউপিএ)।

১০.৮ ভাৰতত নিৰ্বাচনী প্ৰক্ৰিয়াৰ আৰম্ভণি

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত সাৰ্বজনীন প্ৰাপ্তবয়স্ক লোকৰ জনমতৰ ভিত্তিত এখন প্ৰকৃত প্ৰতিনিধিত্বমূলক চৰকাৰ গঠনৰ প্ৰয়োজনীয়তা আহি পৰিছিল। নিৰ্বাচনী আয়োগক এক স্বতন্ত্ৰ সাংবিধানিক কৰ্তৃপক্ষৰূপে প্ৰতিষ্ঠা কৰি ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ইয়াক দায়িত্ব অৰ্পণ কৰা হৈছিল।

ভাৰতক সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্যৰূপে ঘোষণা কৰাৰ এদিন আগত অৰ্থাৎ ১৯৫০ চনৰ ২৫ নৱেম্বৰত নিৰ্বাচন আয়োগ আনুষ্ঠানিকভাৱে সংগঠিত হৈছিল। প্ৰথম নিৰ্বাচনী আয়ুক্তজনৰ নাম আছিল সুকুমাৰ সেন।

প্ৰথমাৱস্থাত আয়োগে এজনীয়া গোট হিচাপে কাম কৰিছিল। অৱশ্যে ১৯৯৩ চনৰ পৰা নিৰ্বাচনী আয়োগে তিনিজনীয় গোটহিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ইয়াত এজন মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু দুজন নিৰ্বাচনী আয়ুক্ত থাকে। কাৰ্যকালৰ সময়সীমা হৈছে ছয় বছৰ অথবা সদস্যজনে ৬৫ বছৰ সম্পূৰ্ণ কৰা পৰ্যন্ত (যিটোৱে আগত আহে)। সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত তিনিওজন সদস্যৰ সমান ক্ষমতা থাকে। সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মতভেদ থাকিলে গৰিষ্ঠসংখ্যক সদস্যই সমৰ্থন জনোৱা সিদ্ধান্ত বাহাল থাকে।

১৯৫১-৫২ চনত প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীয় পৰ্যায়ত ১৪ টা ৰাজনৈতিক দল আৰু ৰাজ্যিক পৰ্যায়ত ৩৯টা দলক স্বীকৃতি প্ৰদান কৰিছিল।

নিৰ্বাচনী আয়োগে ১৯৫১-৫২ আৰু ১৯৫৭ চনত বেলট পদ্ধতি গ্ৰহণ কৰিছিল। এই ব্যৱস্থাত প্ৰতিজন প্ৰাৰ্থীক একোটাকৈ সুকীয়া বেলট বাকচ দিয়া হৈছিল আৰু ভোটাৰসকলে নিজৰ পচন্দৰ প্ৰাৰ্থীৰ বেলট বাকচত বেলট পেপাৰ ভৰাই দিবলগীয়া হৈছিল। ১৯৬২ চনৰ তৃতীয় সাধাৰণ নিৰ্বাচনৰ সময়ৰ পৰা নিৰ্বাচনী আয়োগে ভোটদানৰ ক্ষেত্ৰক মাৰ্কিং পদ্ধতি গ্ৰহণ কৰিবলৈ লয়। এই ব্যৱস্থাত এখন বেলট লিষ্টত সকলো প্ৰাৰ্থীৰ নাম লিখা থাকে আৰু ভোটাৰসকলে ইয়াৰ মাজৰ পৰা নিজৰ পচন্দৰ প্ৰাৰ্থীৰ নামৰ ওপৰত ৰবৰ ষ্টাম্পেৰে চিহ্ন বহুৱাই দিছিল। ইয়াৰ পিছত সকলোবোৰ বেলট পেপাৰ একেটা বেলট বাকচত ভৰোৱা হৈছিল।

প্ৰথমবাৰলৈ ভাৰতৰ নিৰ্বাচনত ইলেকট্ৰনিক ভোটিং মেচিন (ইভিএম)ৰ ব্যৱহাৰ পৰীক্ষামূলকভাৱে সম্পন্ন কৰা হৈছিল ১৯৮২ চনৰ কেৰালাৰ পাৰুৰ বিধানসভা নিৰ্বাচনৰ কেতবোৰ স্থানত। ১৯৯৮ চনৰ পৰা ইভিএমসমূহ ব্যাপকহাৰত ব্যৱহাৰ কৰা হৈ আহিছে আৰু ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনত দেশৰ প্ৰতিটো পলিং ষ্টেশ্যনত ইভিএম ব্যৱহাৰ কৰা হৈছিল।

ইভিএমৰ সৈতে ভাৰতৰ নিৰ্বাচনী আয়োগে ভোটাৰ আই ডি কার্ড প্ৰথমবাৰলৈ ব্যৱহাৰ কৰিছিল ১৯৯৩ চনত। ভোটাৰৰ ফটো পৰিচয় পত্ৰ ব্যৱহাৰৰ প্ৰধান উদ্দেশ্য আছিল সমগ্ৰ ব্যৱস্থাটোৰ পৰা ছদ্মবেশী ভোটাৰ নোহোৱা কৰা। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা কৰাই আছিল নিৰ্বাচনী আয়োগৰ মূল লক্ষ্য।

ভাৰতীয় নিৰ্বাচনী প্ৰক্ৰিয়াত সকলোতকৈ ডাঙৰ পৰিৱৰ্তন আছিল 'NOTA' 'NONE OF THE ABOVE' বা 'ওপৰৰ কোনো এটা নহয়' এই বিকল্পৰ অন্তৰ্ভুক্তি। ২০০৯ চনত দেশৰ উচ্চতম ন্যায়ালয়ক এই বিকল্প ভোটাৰসকলক প্ৰদান কৰিবলৈ অনুৰোধ জনাইছিল নিৰ্বাচনী আয়োগে। ইয়াৰ উদ্দেশ্য আছিল অযোগ্য প্ৰাৰ্থী নিৰ্বাচন নকৰিবলৈ নাগৰিকক সুযোগ প্ৰদান। অৱশেষত ২০১৩ চনৰ ২৭ ছেপ্তেম্বৰত সকলো ভোটিং মেচিনত 'NOTA' বুটাম অন্তৰ্ভুক্ত কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ঃ গুপ্ত আৰু মৌৰ্য বংশৰ প্ৰশাসনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্য কি আছিল?

.....

.....

প্ৰশ্ন ২ঃ 'পঞ্চায়ত' শব্দৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন ৩ ঃ ভাৰতৰ সংবিধানৰ মূলমন্ত্ৰ কি?

.....

.....

প্ৰশ্ন ৪ ঃ 'ক্ষমতাৰ বিকেন্দ্ৰীকৰণ'ক কোনে সমৰ্থন জনাইছিল?

.....

.....

প্ৰশ্ন ৫ ঃ 'ৰাজনৈতিক উচ্চ শ্ৰেণী'ক কাৰ্ল মাৰ্কচে কেনেকৈ ব্যাখ্যা কৰিছে?

.....

.....

প্ৰশ্ন ৬ ঃ ৰাজনৈতিক দলসমূহে কি কাম কৰে?

.....

.....

প্ৰশ্ন ৭ ঃ ভোটাৰ আই ডি কাৰ্ড কিয় প্ৰৱৰ্তন কৰা হৈছিল?

.....

.....



১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাচীন ভাৰতত বিভিন্ন সৰু সৰু গণৰাজ্যও আছিল। প্ৰশাসনীয় পৰিচালনাৰ ক্ষেত্ৰত এই গণৰাজ্যসমূহত গণতন্ত্ৰৰ কিছু উপাদান দেখিবলৈ পোৱা গৈছিল। ৰজা আছিল বিধানমণ্ডল, ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ সকলো শাখাৰ মুৰব্বী।
- স্বাধীনতাৰ পিছত ভাৰতে সংসদীয় গণতন্ত্ৰ গ্ৰহণ কৰিছিল।
- ব্ৰিটিশ চৰকাৰে ১৮৮২ চনত স্থানীয় স্বায়ত্বশাসনৰ বিধেয়ক আৰু ১৮৯২ চনত ইণ্ডিয়ান কাউন্সিল এক গৃহীত কৰাই নিৰ্বাচনী প্ৰক্ৰিয়াৰ আৰম্ভনি ঘটায়। ১৮৯২ চনৰ আইনমতে চৰকাৰে মনোনীত কৰাৰ পিছতহে সদস্যসকলৰ নিৰ্বাচনৰ বাবে ভাৰতত এই আইন অনুসৰি নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে।
- পঞ্চায়ত হৈছে আজিৰ ভাৰতৰ স্বায়ত্বশাসনৰ আটাইতকৈ নিম্ন আৰু প্ৰাথমিক গোট।
- গণতন্ত্ৰত এক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত বাতিল কৰিব পৰাকৈ নিজৰ পচন্দৰ প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ মানুহৰ এক মুক্ত আৰু নিঃচৰ্ত অধিকাৰ থাকিব লাগে।
- সংবিধানে ভাৰতত গণতন্ত্ৰৰ সফলতা অনাত অন্যতম গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়।
- ভাৰতৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা পঞ্চায়ত বা গাঁও পৰ্যায়লৈ ক্ষমতাৰ হস্তান্তৰ ঘটে।

- সমগ্ৰ পঞ্চায়তীৰাজ ব্যৱস্থাক তিনিটা ভাগত বিভক্ত কৰা হৈছিল ক) গাঁও পঞ্চায়ত অথবা গ্ৰাম পঞ্চায়ত (গাঁও পর্যায়) খ) পঞ্চায়ত সমিতি (ব্লক পর্যায়) আৰু গ)জিলা পৰিষদ (জিলা পর্যায়)।
- পঞ্চায়তে জন্ম আৰু মৃত্যুৰ ৰেকর্ড গাঁও পর্যায়ত সংগ্ৰহ কৰাৰ লগতে উন্নয়নমূলক কাম কাজ কার্যকৰী কৰাৰ ক্ষেত্ৰত পঞ্চায়ত সমিতিৰ এজেণ্টৰূপে কাম কৰে।
- পঞ্চায়ত সমিতিৰ প্ৰধান দায়িত্ব হৈছে ইয়াৰ অধীনস্থ সকলো পঞ্চায়তৰ কার্যাৱলীৰ মাজত সমন্বয় ৰক্ষা কৰা।
- তিনি তৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাৰ আটাইতকৈ ওপৰৰ তৰপটোৱে হৈছে জিলা পৰিষদ। জিলা পৰিষদৰ সদস্যসকল হৈছে পঞ্চায়ত সমিতিৰ সকলো সদস্য, সংসদ আৰু বিধানসভাৰ জিলাখনৰ সকলো সদস্য, জিলাৰ স্বাস্থ্য, জনস্বাস্থ্য, অভিযান্ত্ৰিক, কৃষি, পশুচিকিৎসা, শিক্ষা আৰু আন উন্নয়নমূলক বিভাগৰ সকলো সদস্য। জিলা পৰিষদৰ প্ৰাথমিক দায়িত্ব হৈছে প্ৰাথমিক আৰু উঃমাঃ বিদ্যালয়সমূহ, চিকিৎসালয়, জলসিঞ্চনৰ নিম্ন পর্যায়ৰ কাম আদি চোৱা-চিতা কৰা। বিভিন্ন উন্নয়নমূলক আঁচনি কার্যকৰী কৰাৰ ক্ষেত্ৰত জিলা পৰিষদৰ সদস্যসকলে চৰকাৰক প্ৰয়োজনীয় পৰামর্শ আগবঢ়ায়।
- ৰাজনৈতিক উচ্চ শ্ৰেণী হৈছে সেইসকল শ্ৰেণীৰ লোক যিসকলে ডাঙৰ পৰিণাম আনিব পৰা সিদ্ধান্ত গ্ৰহণ কৰে, যিসকলে আনৰ বাধা-নিষেধ নেওচি নিজৰ ইচ্ছাৰ বাট বুলিব পাৰে, লগতে যিসকলৰ হাতত সকলোতকৈ অধিক ধন, ক্ষমতা আৰু সন্মান থাকে।
- ৰাজনৈতিক দল হৈছে চৰকাৰ আৰু সাধাৰণ ৰাইজৰ মাজত প্ৰধান যোগসূত্ৰ।
- প্ৰথমবাৰলৈ ভাৰতৰ নির্বাচনত ইলেকট্ৰনিক ভোটিং মেচিন (ইভিএম)ৰ ব্যৱহাৰ পৰীক্ষামূলকভাৱে সম্পন্ন কৰা হৈছিল ১৯৮২ চনৰ কেৰালাৰ পাৰুৰ বিধানসভা নির্বাচনৰ কেতবোৰ স্থানত।
- 'NOTA' মানে হৈছে 'NONE OF THE ABOVE' বা 'ওপৰৰ কোনো এটা নহয়'।



১০.১০ অধিক জানিবলৈ

১. Laxmikanth. M, (2013) "Indian Polity"; McGraw Hill Education, New Delhi.

২. Rao, C. N. Shankar, (2008) "Sociology, Principles of Sociology with an Introduction to Social Thought"; S. Chand & Company Pvt. Ltd., New Delhi.

১০.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ গুপ্ত যুগ আৰু মৌর্য যুগৰ প্রশাসনৰ আটাইতকৈ গুৰুত্বপূর্ণ তফাৎ হৈছে প্রশাসনৰ কেন্দ্রীকৰণ আৰু বিকেন্দ্রীকৰণ।

২নং প্রশ্নৰ উত্তৰ ঃ পঞ্চায়ত মানে হৈছে গাঁৱৰ ৫ জনীয়া পৰিষদ আৰু গাঁও পৰিষদক বুজাবলৈ এই সংজ্ঞা ব্যৱহাৰ কৰা হয়।

৩নং প্রশ্নৰ উত্তৰ ঃ সংবিধানত গণৰাজ্যৰ প্রকৃতি, সংগঠন, ক্ষমতা, কেন্দ্র আৰু ৰাজ্যৰ পাৰস্পৰিক সম্পর্ক, নাগৰিকৰ মৌলিক অধিকাৰ (অনুচ্ছেদ ১৩ ৰ পৰা ৩৫), নির্দেশাত্মক নীতিৰ (অনুচ্ছেদ ৩৬১ পৰা ৫১) বিষয়ে এই সংবিধানত স্পষ্টৰূপত ব্যাখ্যা আছে।

৪নং প্রশ্নৰ উত্তৰ ঃ ক্ষমতাৰ বিকেন্দ্রীকৰণ মহাত্মা গান্ধীয়ে প্রথমবাৰলৈ পোষকতা কৰিছিল।

৫নং প্রশ্নৰ উত্তৰ ঃ মার্কচে 'ৰাজনৈতিক উচ্চ শ্রেণী'ক 'শাসকীয় শ্রেণী' বুলি অভিহিত কৰিছে।

৬নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দলসমূহে সাধাৰণতে নির্দিষ্ট উদ্দেশ্য, ৰাজহুৱা বিষয়ৰ কার্যাৱলীৰ ওপৰত ভিত্তি কৰি পৰিচালিত হলেও ইয়াৰ প্রধান লক্ষ্য হৈছে ৰাজনৈতিক ক্ষমতা দখল কৰা।

৭নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ নির্বাচনী আয়োগে ভোটাৰ আই ডি কার্ড প্রৱর্তন কৰিছিল ছদ্মবেশী ভোটাৰ আঁতৰাবলৈ।



১০.১১ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজনৈতিক দলৰ ওপৰত এটা চমুটোকা লিখা।

প্রশ্ন ২ ঃ ৰাজনৈতিক উচ্চ শ্রেণী কাক কয়? এজন ব্যক্তিক ৰাজনৈতিক উচ্চ শ্রেণী আখ্যা দিব পৰা দিশসমূহৰ ওপৰত এক চমুটোকা লিখা।

প্রশ্ন ৩ ঃ ভাৰতৰ নির্বাচনী ব্যৱস্থাৰ অধীনত থকা বেলটিং ব্যৱস্থা আৰু মার্কিং ব্যৱস্থা সন্দর্ভত চমু টোকা লিখা।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিষয়ে বহলাই আলোচনা কৰা।

প্রশ্ন ২ ঃ ভাৰতত নির্বাচনী ব্যৱস্থা কেনেকৈ আৰম্ভ হৈছিল? ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰতৰ গ্ৰাম্যজীৱন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ভাৰতীয় গাওঁৰ বিৱৰ্ত্তন
    ১১.৩.১ ভাৰতীয় গাঁৱৰ বৈশিষ্ট্য
১১.৪ কৃষিজীৱী সমাজ
    ১১.৪.১ কৃষিজীৱী সমাজৰ শ্ৰেণী গাঁথনি
১১.৫ ভাৰতৰ ভূমি সংস্কাৰ আৰু পৰিৱৰ্তন
    ১১.৫.১ স্বাধীনোত্তৰ কালৰ ভূমি সংস্কাৰ
    ১১.৫.২ ভাৰতত ভূমি সংস্কাৰৰ সাম্প্ৰতি পটভূমি
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্ৰগতিৰ খতিয়ান
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় গাঁও আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে জানিব পাৰিব
- ভাৰতীয় গাঁৱৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- কৃষিজীৱী সমাজ আৰু ইয়াৰ গাঁথনিটোৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ভূমি সংস্কাৰ আৰু ইয়াৰ বৰ্তমান সময়ত হোৱা পৰিৱৰ্তন সম্পৰ্কে জানিব পাৰিব।

১১.২ পৰিচয়

মানুহ বাস কৰা অঞ্চলক দুভাগত ভগাব পাৰি— গ্ৰামাঞ্চল আৰু নগৰাঞ্চল। ভাৰতীয় সমাজ অধ্যয়নৰ ই হ'ল মৌলিক বিভাজন। ভাৰতত যিকোনো পৰম্পৰাগত সমাজ অধ্যয়নৰ প্ৰৱেশ বিন্দু হিচাপে ভাৰতীয় গাঁওবোৰৰ কথা বিবেচনা কৰা হয়। ভাৰতত নগৰ-চহৰৰ বিকাশ ঘটা সত্বেও মুঠ বাসিন্দাৰ বৃহৎসংখ্যকেই গাঁৱত বাস কৰে। তেওঁলোক কৃষিভিত্তিক কাৰ্যকলাপত জড়িত। ভাৰতীয় গাঁওবোৰ পৰম্পৰাৰ প্ৰতীক। গাওঁবোৰে এনে এক চহা জীৱন প্ৰতিফলিত কৰে যিটো নগৰীয়া জটিল জীৱনৰ পৰা বহু যোজন আঁতৰত। গ্ৰাম্য সমাজবোৰ হ'ল সম্প্ৰদায়ৰ প্ৰাৰম্ভিক ৰূপ। এনে সম্প্ৰদায়বোৰ দৃঢ় সংগঠিত নহয়। আৰু নিচেই কমসংখ্যক পৰিয়ালহে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে খাদ্যবস্তু সংগ্ৰহ আৰু কৃষিকাৰ্যৰ সময়তহে আন্তঃনিৰ্ভৰশীল কাম-কাজ সম্পন্ন কৰে।

১১.৩ ভাৰতীয় গাওঁৰ বিৱৰ্ত্তন

গাঁওৰ উত্থান আৰু সম্প্রদায়বোৰৰ স্থায়ী বসতিৰ পৰা এয়া গম পোৱা গ'ল যে মানুহে অঘৰী জীৱনৰ ৰূপান্তৰ ঘটাই এটা স্থায়ী জীৱন বাছি ল'লে। 'গাঁও' বুলি ক'লে সাধাৰণতে কৃষিক জীৱিকা হিচাপে লোৱা কমসংখ্যক লোকে বাস কৰা সৰু অঞ্চল একোটাৰ কথা বুজা যায়। গাওঁবোৰত কৃষি কেৱল জীৱিকাই নহয়, ই জীৱন যাপনৰো পথ। গাঁৱৰ প্রতিগৰাকী সদস্যই নিজ নিজ ক্ষুদ্র কৃষিপামত ব্যস্ত হৈ থাকে। গ্রাম্য সম্প্রদায় এটাই বিভিন্ন পর্যায়ৰ মাজেৰে আহি বর্তমান পর্যায় পাইছে—

- **আদিম গ্রাম্য সম্প্রদায় ঃ** আদিম গ্রাম্য সম্প্রদায় এটাত ৰপ্তৰ পৰা চল্লি টা পৰিয়াল আছিল। পৰিয়ালবোৰ সৰু হোৱা বাবে তেওঁলোকে ইজনে সিজনক ভালদৰে চিনি পাইছিল। আদিম গ্রাম্য সম্প্রদায় একোটাই উমৈহতীয়াভাৱে মাটি ব্যৱহাৰ কৰিছিল। গাঁওবোৰ সমূহীয়াভাৱে সংগঠিত আছিল। গঞাই প্রত্যেকেই প্রত্যেকক বিশ্বাস কৰিছিল আৰু ইজন আনজনৰ ওপৰত নির্ভৰশীল আছিল। গাঁওবোৰত 'আমি' মনোভাৱটো অতি গাঢ় আৰু উমৈহতীয়া বৈশিষ্ট্যৰ বান্ধোন দৃঢ় আছিল।
- **মধ্যযুগৰ গ্রাম্য সম্প্রদায় ঃ** মধ্যযুগত আদিম গ্রাম্য সম্প্রদায়ৰ প্রকৃতি কিছু সলনি হৈছিল। সমাজত সামন্তবাদে গা কৰি উঠিছিল। পৰিয়ালবোৰৰ সদস্যৰ সংখ্যা বাঢ়িছিল। সম্প্রদায়ৰ জনসংখ্যা বৃদ্ধি পাইছিল। বিভিন্ন লোকেৰে গঠিত বিভিন্ন দলৰ মাজত মাটি ভাগ হৈছিল। সামন্তবাদৰ উত্থান ঘটাৰ লগে লগে ৰজা অথবা সান্তপ্রভূ আৰু প্রজা ৰায়তৰ মাজৰ সম্পর্কবোৰো উত্থান ঘটিছিল। জীৱিকাৰ বিভাজন ঘটিছিল। খেতিপথাৰত হোৱা সকলো উৎপাদন সামন্ত প্রভূসকলে লাভ কৰিছিল।
- **আধুনিক গ্রাম্য সম্প্রদায় ঃ** ঔদ্যোগিকীকৰণৰ উত্থান ঘটাৰ লগে লগে গ্রাম্য গোটবোৰে আগৰ গুৰুত্ব হেৰুৱাই পেলালে। আধুনিক গ্রাম্য সম্প্রদায়বোৰে আদিম গ্রাম্য সম্প্রদায়ৰ সম্পূর্ণ বিপৰীত ৰূপ ধাৰণ কৰিলে। প্রযুক্তিৰ বিকাশ আৰু সংযোগ ব্যৱস্থাৰ উন্নতিয়ে গাঁওবোৰক নগৰ-চহৰৰ কেন্দ্রৰ কাষ চপাই আনিলে। কৃষিজাত সামগ্রীবোৰ নগৰ আৰু গাঁৱৰ কাষৰৰ চহৰবোৰলৈ অনা-নিয়া আৰু বিক্রীৰ ব্যৱস্থা কৰা হ'ল। গ্রাম্য সম্প্রদায়বোৰৰ জনসংখ্যা বঢ়াৰ লগে লগে আত্মীয়তাৰ বান্ধোন আগতকৈ শিথিল হৈ পৰিল।

১১.৩.১ ভাৰতীয় গাঁৱৰ বৈশিষ্ট্য

- **স্বয়ংসম্পূর্ণতা ঃ** ভাৰতীয় গাঁওবোৰক স্বয়ং সম্পূর্ণ সম্প্রদায় বোলা হয়। তেওঁলোকে কেৱল নিজৰ বাবে উৎপাদন কৰে। সকলো প্রয়োজনীয় সামগ্রী গাঁওবাসীয়ে নিজেই উৎপাদন কৰি লয়। কিন্তু এই ব্যৱস্থাৰ লাহে লাহে পৰিৱর্তন হৈছে।
- **একেৰূপতা ঃ** গ্রাম্য সম্প্রদায় এটাই বেছিভাগ সময়তে একেৰূপতা প্রদর্শন কৰে।

গাঁৱৰ বাসিন্দাই উমৈহতীয়া স্বাৰ্থ সহকাৰে সহজ-সৰল জীৱন যাপন কৰে। গঞ্জাৰ জীৱন শৈলী, খাদ্যভ্যাস আচৰণ আদিত বহুতো সাদৃশ্য পৰিলক্ষিত হয়।

- **প্ৰাথমিক সমূহ ঃ** ভাৰতীয় গাঁওবোৰ ইয়াৰ প্ৰাথমিক সম্পৰ্কৰ বাবে সকলো পৰিচিত। গাঁওবোৰত ক্ষুদ্ৰ আকাৰৰ সম্প্ৰদায় থাকে। এনে সম্প্ৰদায়ৰ প্ৰত্যেকে প্ৰত্যেকক চিনি পায়। তেওঁলোক পৰস্পৰ নিৰ্ভৰশীল। তেওঁলোকে সকলোৰে কল্যানৰ বাবে কাম কৰে। গ্ৰাম্য সম্প্ৰদায়ত গাঁওখনৰ সমাজখনৰ অংশ হোৱাৰ অনুভূতিটো প্ৰবল। চহৰ-নগৰত এনে অনুভূতি গঢ়া সম্ভৱ নহয়।
- **জাতি প্ৰথা ঃ** ভাৰতীয় সমাজবোৰ জাতি প্ৰথাৰ বাবেও জনাজাত। জাতিপ্ৰথা হ'ল এটা কঠোৰ সামাজিক সংস্থা। ই গঞ্জাৰ ধৰ্মবিশ্বাস নিৰ্ধাৰণ কৰে। এই সংস্থাটোৰ জৰিয়তে গাঁৱত মানুহৰ প্ৰস্থিতি আৰু বৃত্তিকেন্দ্ৰিক ভূমিকা নিৰ্ণয় কৰা হয়। জাতি প্ৰথাই প্ৰথা আৰু পৰম্পৰাৰ আলমত সমাজৰ স্তৰীভৱন কৰে।
- **আভ্যন্তৰীণ সংগঠন ঃ** প্ৰতিখন গাঁৱৰে নিজাকৈ কিছুমান সংগঠন থাকে। এই সংগঠনবোৰে গাঁৱৰ কাম-কাজবোৰ নিয়ন্ত্ৰণ কৰে। প্ৰতিখন গাঁৱতে একোজন মুখিয়াল অথবা পঞ্চায়ত একোখন থাকে। গাঁৱৰ প্ৰাপ্তবয়স্ক সদস্যসকলে মুখিয়াল অথবা পঞ্চায়ত নিৰ্বাচন কৰে। গাঁৱৰ শান্তি-শৃংখলা অটুট ৰাখিবলৈ এই শাসন কৰ্তৃপক্ষই কিছুমান দায়িত্ব পালন কৰে। তেওংলোকে গাঁৱৰ বিভিন্ন সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা সমাধান কৰে।
- **যৌথ পৰিয়াল ঃ** ভাৰতীয় গাঁৱৰ এইটো হ'ল এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ভাৰতীয় গাঁৱৰ পৰিয়ালবোৰ তেওঁলোকৰ সংবদ্ধতাৰ বাবে জনাজাত। মানুহ নিজৰ পৰিয়ালৰ সৈতে ঐক্যৱদ্ধ হৈ থাকে। বিবাহৰ পাচতো বহুতো সন্তানে মাকৃ-দেউতাকৰ সৈতে বাস কৰে। অৰ্থাৎ গাঁৱত একোটা পৰিয়ালত দুটা অথবা তিনিটা প্ৰজন্মৰ সদস্যই বাস কৰে। বহুতো সমাজতাত্ত্বিকৰ মতে ব্যক্তি নহয় পৰিয়ালহে সমাজৰ ক্ষুদ্ৰতম একক। এনে পৰিয়ালত ব্যক্তিত্ব পচন্দ-অপচন্দৰ কথা বিবেচনা কৰা নহয়।
- **ধৰ্মত বিশ্বাস ঃ** গাঁৱৰ বাসিন্দাসকল ধাৰ্মিক প্ৰকৃতিৰ হয়। তেওঁলোকৰ ধৰ্ম আৰু ঈশ্বৰত বিশ্বাস থাকে। নতুনকৈ কাম আৰম্ভ কৰাৰ আগতে তেওঁলোকে সফলতাৰ বাবে ঈশ্বৰক প্ৰাৰ্থনা কৰে। তেওঁলোকৰ ঈশ্বৰৰ বিশ্বাসে অৱশ্যে কেতিয়াবা তেওঁলোকক অন্ধবিশ্বাসী কৰিও তোলে।
- **বিবাহ ঃ** গাঁওবোৰত সাধাৰণতে বেছিভাগ বিবাহেই অসবৰ্ণ (সম্প্ৰদায়ৰ দৃষ্টিৰে) অথবা সবৰ্ণ (জাতিৰ দৃষ্টিৰে) প্ৰকৃতিৰ। একে গাঁৱৰে সদস্যৰ মাজত বিবাহ নিষিদ্ধ। কিন্তু কোনেও নিজৰ জাতিৰ বাহিৰে অন্য জাতিৰ লোকৰ সৈতে বিবাহত বহিব নোৱাৰে। সকলো গঞ্জাই সবৰ্ণ বিবাহৰ নীতি কঠোৰভাৱে পালন কৰে।
- **ৰক্ষণশীলতা ঃ** গাঁৱৰ বাসিন্দাসকলে পুৰণি প্ৰথা আৰু পৰম্পৰাক দৃঢ়ভাৱে খামুচি

ধৰি থাকে। তেওঁলোকে সহজে সামাজিক পৰিৱৰ্তন গ্ৰহণ নকৰে আৰু সমাজ সংস্কাৰৰ প্ৰতি আগ্ৰহ নেদেখুৱায়। সেয়েহে বহুতো সমাজতাত্ত্বিকে গাঁওবোৰক কেতিয়াও সলনি নোহোৱা স্থবিৰ সম্প্ৰদায় বুলি ক'ব খোজে।

গ্ৰাম্য সমাজবোৰৰ অধিকাংশই কৃষিভিত্তিক। গাঁৱৰ বাসিন্দাৰ বেছিভাগেই কৃষিকৰ্মত জড়িত। সেয়েহে গাঁওবোৰক কৃষিজীৱি সমাজ বুলিও কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় গাঁৱৰ ক্ৰমৱিবৰ্তনৰ পৰ্যায় তিনিটা কি কি?

.....

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় গাঁওবোৰ কিহৰ প্ৰতীক?

.....

.....

১১.৪ কৃষিজীৱি সমাজ

উত্তৰ বৈদিক কালত হালবোৱা প্ৰথাৰ উদ্ভাৱন ঘটাৰ লগে লগে কৃষিও মানুহৰ জীৱিকা অৰ্জনৰ এক প্ৰক্ৰিয়া হৈ পৰিল। এই যুগত গৰু-ম'হৰ লগতে কাঠৰ নাঙল ব্যৱহাৰ কৰি মাটি চহোৱা হৈছিল। অৰ্থাৎ, সেইখন সমাজকে কৃষিজীৱি সমাজ বোলা হয় যিখনে মানুহ আৰু মানুহ ব্যতিৰেকে অন্য উপায়ৰ (যেনে-জন্তু আৰু/অথবা যন্ত্ৰ) সহায়ত খেতি কৰি জীৱিকা অৰ্জন কৰে। এনে সমাজবোৰে খেতি কৰি খাদ্যশস্য, জীৱ-জন্তুৰ বাবে খাদ্য, আঁহজাতীয় খাদ্য আৰু অন্য ঈপ্সিত সামগ্ৰী উৎপাদন কৰে। খাদ্যৰ বাবে বিভিন্ন খাদ্যশস্যৰ বীজ অথবা পুলি ৰোপন কৰা হয় আৰু বিভিন্ন জীৱ-জন্তুক ঘৰচীয়া কৰা হৈছিল। কৃষিজীৱী সমাজৰ কেইটামান বৈশিষ্ট্য হ'ল—

- কৃষিজীৱি সমাজে প্ৰধানকৈ হাল বাই খেতি কৰে। হাল বোৱাৰ সময়ত তেওঁলোকে বিভিন্ন জন্তুৰ সহায় লয়।
- জন্তুপালক সম্প্ৰদায় (pastoral communities)বোৰৰ তুলনাত কৃষিজীৱী সমাজৰ আকাৰ ডাঙৰ হৈ গৈছে। ইয়াৰ ফলত যথেষ্টসংখ্যক লোকৰ বাবে খেতিপথাৰত কাম কৰাৰ বোজা পাতলি গৈছে আৰু তেওঁলোকে অন্য কাম কাজত লিপ্ত হোৱাৰ সুযোগ পাইছে।
- কৃষিজীৱী সমাজত ব্যাপক হাৰত ৰাজনৈতিক অনুষ্ঠান-সংগঠনৰ উত্থান ঘটিছে। এনে

সমাজত মাত্ৰ এগৰাকী ব্যক্তিৰ হাতত ক্ষমতা কেন্দ্ৰীভূত হোৱা বাবে বংশানুক্ৰমিক ৰাজতন্ত্ৰই গা কৰি উঠাৰ প্ৰবণতা অধিক।

- এনে সম্প্ৰদায়বোৰত বিভিন্ন সামাজিক শ্ৰেণীৰ বিৱৰ্তন ঘটাও দেখা যায়। প্ৰতিগৰাকী গঞ্চাৰ মাজত সম্পদৰ প্ৰধান উৎস ভূমিৰ বিভাজনত সমতা নাথাকে। এনে সমাজত শ্ৰেণী আৰু ক্ষমতা বিভাজনৰো উত্থান ঘটিছে। এই আটাইবোৰ কথাই সামাজিক স্তৰীভৱনৰ সূত্ৰপাত হোৱাটোকে বুজায়।
- এনে সমাজত সুস্পষ্টভাৱে সংজ্ঞাৱদ্ধ শিতানৰ অৰ্থনৈতিক অনুষ্ঠানবোৰৰো উত্থান ঘটিছে। এনে সমাজত ব্যৱসায়-বাণিজ্যত বিভিন্ন ধৰণৰ নীতি-নিৰ্দেশনা সংলগ্ন কৰা হৈছে।
- কৃষিজীৱী সমাজত ধৰ্মই এক পৃথক অনুষ্ঠানৰ ৰূপ লৈছে। সমাজবোৰ জটিলতৰ হৈ পৰা বাবে ধৰ্ম ৰাষ্ট্ৰৰ সৈতে অধিক ঘনিষ্ঠ হৈ পৰিছে। পৃথক অনুষ্ঠান হৈ পৰা ধৰ্ম পৰিচালনা কৰিবলৈ বিভিন্ন ধৰ্মীয় কৰ্তৃপক্ষৰ সৃষ্টি হৈছে।

১১.৪.১ কৃষিজীৱী সমাজৰ শ্ৰেণী গাঁথনি

সাধাৰণ সমাজবোৰে চিকাৰ আৰু খাদ্য সংগ্ৰহ কৰিবলৈ সৰল আহিলা ব্যৱহাৰ কৰিছিল। সেই দিশৰ পৰা বিচাৰ কৰি চালে কৃষিজীৱী সমাজবোৰ বেলেগ। কৃষিজীৱী সমাজবোৰে হাল-নাঙলৰ দৰে বিভিন্ন উপযোগী আহিলা তথা প্ৰযুক্তিৰ উদ্ভাৱনৰ লগে লগে গা কৰি উঠিছিল। এই সঁজুলি তথা প্ৰযুক্তিবোৰে কৃষিজীৱী সমাজক খেতিৰ পৰা উদবৃত্ত অংশ লাভত সহায় কৰিছিল। এনেকৈয়ে ৰাহি শস্যৰ পৰিমাণে এটা সময়ত কৃষিজীৱী সমাজত এটা শ্ৰেণী গাঁথনিৰ সৃষ্টি কৰিছিল। সম্পত্তিৰ অধিকাৰ আৰু ভূমিৰ মালিকীস্বত্ব লাভ কৰা শ্ৰেণীটোৱে কৃষি প্ৰক্ৰিয়াৰ জৰিয়তে উৎপাদিত ৰাহি (উদবৃত্ত) অংশটো হস্তগত কৰিছিল। তেওঁলোকে অন্যলোকক কামত নিয়োগ কৰাৰ অধিকাৰো উপভোগ কৰিছিল।

সমাজতাত্ত্বিক আঁদ্ৰে বিটেইলে তেওঁৰ গ্ৰন্থ ''ত নিখিছে যে এখন কৃষিজীৱী সমাজৰ সামাজিক ৰূপৰেখাটো বুজিব পাৰিলেহে কৃষিভিত্তিক অৰ্থনীতিৰ বিষয়ে বুজাটো সহজ হ'ব। কাৰণ, অৰ্থনীতি সমাজৰ পৰা পৃথক নহয় যে ই সমাজৰ এটা অংশ। কৃষিভিত্তিক কাৰ্যকলাপবোৰত অধিকাৰ আৰু বাধ্যবাধকতা থকা এটা সামাজিক অনুষ্ঠান জড়িত হৈ থাকে। এই অনুষ্ঠানৰ সদস্য হ'ল মাটিৰ মালিক আৰু খেতিয়ক অথবা মাটিৰ মালিক আৰু শ্ৰমিক। এইবোৰ হ'ল মূলতঃ শ্ৰেণী সম্পৰ্ক। যাৰ হাতত মাটিৰ মালিকীস্বত্ব থাকে আৰু যিসকলে মাটিৰ গৰাকীৰ হৈ কাম কৰে তেওঁলোকৰ মাজত এই সম্পৰ্কৰ সৃষ্টি হয়। কৃষিজীৱী সমাজত জাতিগত সম্পৰ্কও থাকে। কিন্তু এনে সমাজৰ এটা গুৰুত্বপূৰ্ণ অংশ হ'ল শ্ৰেণী গাঁথনি। অৱশ্যে, সময়ত জাতি আৰু শ্ৰেণীয়ে পৰস্পৰক অধিক্ৰমণ

কৰে। বিটেইলৰ মতে ভাৰতৰ কৃষিজীৱী সমাজখনক শ্ৰেণী আৰু জাতি দুয়োটা দিশৰ পৰাই অধ্যয়ন কৰিব পাৰি। কাৰণ, দুয়োটা কথাৰে দ্বিতৰপীয় সম্পৰ্ক আছে।

- প্ৰথম সম্পৰ্কটো হ'ল, শ্ৰেণী সম্পৰ্কবোৰক জাতি প্ৰথাই বৈধতা আৰু স্বীকৃতি প্ৰদান কৰে। উচ্চ জাতিৰ মানুহে নিজৰ মাটিত নিজে কাম কৰাৰ পৰা বিৰত থাকে। য়াৰ সলনি তেওঁলোকে এই কাম কৰিবলৈ নিম্ন জাতিৰ মানুহ অথবা শ্ৰমিক নিয়োগ কৰে।
- দ্বিতীয় সম্পৰ্কটো হ'ল জাতি আৰু শ্ৰেণীৰ মাজত থকা প্ৰত্যক্ষ সংযোগ। ব্ৰাহ্মণ আৰু ৰাজপুতৰ দৰে উচ্চ জাতিৰ লোকসকল পৰম্পৰাগতভাৱেই মাটিৰ মালিক, মধ্যম জাতিৰ লোকসকল পৰম্পৰাগতভাৱেই খেতিয়ক আৰু নিম্ন জাতিৰ লোকসকল পৰম্পৰাগতভাৱেই অস্পৃশ্য অথবা বনুৱা শ্ৰেণীৰ লোক। যিহেতু ভাৰতত কৃষি এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক কাৰ্যকলাপ সেয়েহে ইয়াত মাটি-সম্পত্তিৰ জ্ঞান থকাটো সকলোৰে বাবে আৱশ্যকীয়। ঔপনিৱেশিক শাসনকালত প্ৰশাসকসকলে ব্যৱসায়-বাণিজ্য আৰু ভূমি ৰাজহ ব্যৱস্থাত একচেটিয়া কৰ্তৃত্ব গঢ়ি তুলি সমাজৰ কৃষিভিত্তিক গাঁথনিটোত লুণ্ঠন চলাইছিল। পৰম্পৰাগত ভাৰতীয় পদ্ধতি মতে মুঠ উৎপাদনৰ এটা নিৰ্ধাৰিত অংশ ভূমি ৰাজহ হিচাপে সংগ্ৰহ কৰা হৈছিল। ৰাষ্ট্ৰই নিয়োগ কৰা ৰাজহ বিষয়াই প্ৰত্যক্ষভাৱে এই ৰাজহ সংগ্ৰহ কৰিছিল, নাইবা ৰাজহ আদায় দিয়া কৃষকে উৎপাদিত সামগ্ৰীৰ এটা ভাগ নিজলৈ ৰাখি নিৰ্ধাতিক অংশ ৰাষ্ট্ৰৰ শস্যভাণ্ডাৰত জমা দিছিল। মাটিৰ মালিকীস্বত্ব সম্প্ৰদায়ৰ হাতত ন্যস্ত আছিল। ৰাজহ আদায় দিয়াত ব্যৰ্থ হ'লেও সম্প্ৰদায়ৰ সদস্যক মাটিৰ পৰা আঁতৰাই পঠিয়াব পৰা নগৈছিল। ভূমি ৰাজহ মুদ্ৰাত পৰিশোধ কৰা নহৈছিল। উৎপাদিত শস্যৰ এটা অংশহে ৰাষ্ট্ৰক দিয়া হৈছিল। বৃটিছ ভূমি ৰাজহ ব্যৱস্থা আৰু ভাৰতীয় পৰম্পৰাগত ভূমি ৰাজহ ব্যৱস্থা সম্পূৰ্ণ পৃথক ধৰণৰ আছিল। বৃটিছসকলে ভাৰতীয় কৃষি ব্যৱস্থালৈ বহুতো পৰিৱৰ্তন আনিছিল। এই পৰিৱৰ্তনবোৰে কৃষকসমাজৰ বিশৃংখলতা আৰু আহুকালৰ সৃষ্টি কৰিছিল। বৃটিছসকলে ভাৰতত দুটা প্ৰধান ভূমি ৰাজহ ব্যৱস্থাৰ সূত্ৰপাত কৰিছিল ঃ
- **জমিনদাৰী ব্যৱস্থা ঃ** এই ভূমি ৰাজহ ব্যৱস্থাই জমিনদাৰ অথবা মাটিৰ মালিক শ্ৰেণীক প্ৰভাৱিত কৰিছিল। তেওঁলোকক নতুন ব্যৱস্থাৰ অধীনতা পণ্য সামগ্ৰী বুলি ভবা হৈছিল আৰু একো একোটা স্থিৰ পৰিমাণৰ ৰাজহ আদায় দিবলৈ নিৰ্দেশ দিয়া হৈছিল। এই পৰিমাণ পৰম্পৰাগত ভাৰতীয় ব্যৱস্থাতকৈ বহু বেছি আছিল। বৃটিছসকলে খৰাং বতৰ, বানপানী অথবা অন্য কোনো ধৰণৰ প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিশেষ ভাত্তা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছিল। লৰ্ড কৰ্ণৱালিছে ১৭৯৩ চনত স্থায়ী বন্দবস্তী (Permanent Settlement) আইনৰ অধীনতা ঘোষণা কৰিছিল যে ৰাজহ আদায় দিব নোৱাৰা খেতিয়কৰ পৰা ভূমি হস্তান্তৰ কৰা হ'ব। এনেকেয়ে মাটি বিক্ৰী-ক্ৰয় কৰিব পৰা আৰু বজাৰত বন্ধকী ৰাখিব পৰা সম্পত্তিত পৰিণত হৈছিল।

- **ৰায়তৰাৰী ব্যৱস্থা ঃ** ১৮২০ চনত বৃটিছ অধ্যুষিত ভাৰতৰ কিছুমান অংশত এই ব্যৱস্থাৰে কৃষকৰ পৰা পোনে পোনে ৰাজহ সংগ্ৰহ কৰা হৈছিল। কোনো শ্ৰেণীবিভাজ নকৰাকৈ সকলোৱে একেধৰণৰ ভূমি ৰাজহ আৰু মাটিৰ ভাৰা একে সময়তে দিব লাগিছিল। কৃষক অথবা অন্যৰ মাটি চহোৱা সকলোৰে পৰা প্ৰত্যক্ষভাৱে ভূমি ৰাজহ সংগ্ৰহ কৰা ব্যৱস্থাটোকে ৰায়তৰাৰী ব্যৱস্থা বোলা হৈছিল। এই ব্যৱস্থাটোৰ উদ্ভাৱক আছিল ছাৰ টমাছ মুন্ৰো। তেওঁক ১৮২০ চনৰ মে' মাহত মাদ্ৰাজৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছিল। পৰৱৰ্তী সময়ত টমাছ ৰীজৰ তত্বাৱধানত এই ব্যৱস্থাটো মুম্বাই অঞ্চললৈ সম্প্ৰসাৰিত কৰা হৈছিল। এইদৰেই বৃটিছসকলে ভাৰতৰ কৃষিজীৱী সমাজখনত শ্ৰেণী গাঁথনিৰ সৃষ্টি কৰিছিল।
- ১৯৫০ চনত ভূমি সংস্কাৰ আইনৰ প্ৰচলন ঘটাৰ পূৰ্বে ভাৰতৰ কৃষিজীৱী সমাজত তলত উল্লেখ কৰা শ্ৰেণী গাঁথনিটোৰ পাঁচটা শিতান চিনাক্ত কৰি উলিয়াইছে।
- **ভূস্বামী ঃ** মাটিৰ গৰাকী কিন্তু নিজে খেতি নকৰে। তেওঁলোকে মাজৰ মানুহৰ সহায়ত খেতিয় কৰে অথবা মাটি ভাৰালৈ দিয়ে।
- **ধনী কৃষক ঃ** এওঁলোকে কৃষিক ব্যৱসায়িক উৎপাদন হিচাপে গ্ৰহণ কৰে। তেওঁলোকে বজাৰৰ বাবে কৃষিজাত সামগ্ৰী উৎপাদন কৰে আৰু এনে সামগ্ৰীৰ পৰা লাভ অৰ্জনৰ বিষয়ে চিন্তা কৰে। এই শ্ৰেণীটোৱেও নিজে খেতি নকৰে। তেওঁলোকে অন্য খেতিয়কৰ কামৰ তদাৰক কৰে।
- **মধ্য কৃষক ঃ** এই শ্ৰেণীটোৱে নিজৰ মাটিত নিজে খেতি কৰে আৰু বিশেষ উদ্দেশ্যত বাহিৰা কৰ্মী নিয়োগ কৰে।
- **দুখীয়া কৃষক ঃ** নিচেই কম পৰিমাণৰ মাটিৰ গৰাকী। তেওঁলোকে শ্ৰমিক অথবা ৰায়ত হিচাপে কাম কৰিব লাগে।
- **ভূমিহীন কৃষিভিত্তিক শ্ৰমিক ঃ** এওঁলোকে নিজৰ শ্ৰম বিক্ৰী কৰে। জীৱিকাৰ বাবে এওঁলোকে ওপৰত উল্লেখ কৰা আন চাৰিটা শিতানৰ লোকৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল।

  অৱশ্যে ভাৰতৰ বেছিভাগ গ্ৰামাঞ্চলতে তলত উল্লেখ কৰা শ্ৰেণীবোৰৰ অস্তিত্ব দেখা পোৱা যায়।
- **ভূস্বামী ঃ** বৃটিছ প্ৰশাসনে বিভিন্ন প্ৰকাৰৰ মাটি বন্দৱস্তীৰ প্ৰচলন কৰিছিল। যেনে— জমিনদাৰী ব্যৱস্থা আৰু থলুৱা লোকৰ বাবে ৰায়তৰাৰী বন্দবস্তী। জমিনদাৰী ব্যৱস্থাৰ অধীনত ভাৰতীয় সমাজত এক নতুন শ্ৰেণীৰ মাটিৰ মালিকৰ উত্থান ঘটিছিল। বন্দবস্তী ব্যৱস্থাৰ প্ৰচলন ঘটাৰ লগে লগে জমিদাৰসকল স্থায়ীভাৱে মাটিৰ গৰাকী হৈছিল আৰু এই মালিকীস্বত্ব পৰিয়ালৰ সদস্যসকলে বংশানুক্ৰমিকভাৱে উপভোগ কৰিছিল।
- **কৃষক মালিক ঃ** ৰায়তৰাৰী ব্যৱস্থাৰ প্ৰচলন ঘটাৰ লগে লগে মাটিৰ মালিকীস্বত্ব

কৃষকৰ হাতলৈ গ'ল। প্ৰকৃত কৃষকেই ৰাজহ দিবলগীয়া হ'ল। এনেকৈয়ে কৃষকসলৰ ৰাষ্ট্ৰৰ সৈতে প্ৰত্যক্ষ সংযোগ স্থাপন হ'ল। ইয়াৰ ফলত মাটিৰ মালিকৰ দমনৰ মাত্ৰা কৰিম। এই ব্যৱস্থাৰ ফলত কৃষক মালিক শ্ৰেণীটোৰ উত্থান ঘটিল। এই প্ৰক্ৰিয়াৰ অধীনত এমুঠিমান কৃষকে সামাজিক পদানুক্ৰমিক ব্যৱস্থাৰ নিজৰ প্ৰস্থিতি উন্নীত কৰিবলৈ সক্ষম হৈছিল।

- **ৰায়ত ঃ** জমিদাৰী ব্যৱস্থাৰ প্ৰচলন প্ৰাক-বৃটিছ যুগৰ ভাৰতীয় কৃষক মালিক এচামক ৰায়ত শ্ৰেণীত পৰিণত কৰিছিল। জমিদাৰসকলে ৰায়তৰ পৰা মাটি কাঢ়ি লৈছিল আৰু মাটিৰ ভাৰা সংগ্ৰহ কৰিছিল। ভাৰা পৰিশোধ কৰিব নোৱাৰা ৰায়তে জমিদাৰক মাটি এৰি দিব লাগিছিল।
- **কৃষিভিত্তিক শ্ৰমিক ঃ** মাটিৰ ভাৰা আদায় দিয়া ৰায়ত শ্ৰেণীটোৰ লগতে কৃষিকাৰ্যত নিয়োগ কৰিব পৰা শ্ৰমিক শ্ৰেণী এটাৰো সৃষ্টি হৈছিল। ৰায়ত আৰু ক্ষুদ্ৰ কৃষক শ্ৰেণীটোৰ ঋণৰ বোজা বাঢ়ি যোৱাৰ ফলত বহুতো লোকে নিজৰ মাটিৰ পৰা বিচ্ছিন্ন হৈছিল, গাঁৱৰ পৰা বিতাৰিত হৈছিল আৰু এনেকৈয়ে খেতিপথাৰত কাম কৰা বনুৱা শ্ৰেণীটোৰ সৃষ্টি কৰিছিল। কিছুমান শ্ৰমিকৰ হাতত যৎসামান্য মাটি ৰৈ গৈছিল। কিন্তু বেছিভাগেই নিজৰ শ্ৰমৰ উৎপাদনশীলতাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছিল। বন্ধুৱা মজদুৰ বোলা শ্ৰেণী এটাৰো এই সময়তে উত্থান ঘটিছিল।
- **শিল্পকৰ্মী ঃ** গ্ৰামাঞ্চলৰ সম্প্ৰদায়বোৰৰ এটা অবিচ্ছেদ্য অংগ গ'ল বিভিন্ন হস্তশিল্পত জড়িত শিল্পকৰ্মীৰ শ্ৰেণীটো। একেবাৰে সৰল সমাজবোৰৰ অস্তিত্ব থকাৰ সময়তো এই শ্ৰেণীটোৰ অস্তিত্ব আছিল। তেওঁলোক গাঁওবোৰৰ গঠন আৰু আত্ম-নিৰ্ভৰশীলতাৰ দিশত নিজ অৱদান আগবঢ়াই আহিছে।



অগ্ৰগতি নিৰীক্ষণ-২

৩) কৃষিজীৱী সমাজ এখনৰ জীৱিকা নিৰ্বাহৰ মুখ্য উপায়টো কি?

.....

.....

৪) বৃটিছসকলে সূত্ৰপাত কৰা ভূমি ৰাজহ ব্যৱস্থাবোৰৰ নাম লিখক।

.....

.....

১১.৫ ভাৰতত ভূমি সংস্কাৰ আৰু পৰিৱৰ্তন

ভূমি সংস্কাৰ আছিল প্ৰাক্-স্বাধীনতা যুগৰ জাতীয়তাবাদী আন্দোলনৰ এক গুৰুত্বপূৰ্ণ অংশ। ইয়াৰ জৰিয়তে মাটিৰ এগৰাকী ৰায়তসকলক কিছু সু�ৰক্ষা প্ৰদান কৰাৰ লগতে মালিকীস্বত্বৰ অধিকাৰ আগবঢ়োৱা কথা ভবা হৈছিল। আন্দোলনকালত এগৰাকী মালিকে ৰাখিব পৰা মাটিৰ পৰিমাণ নিৰ্ধাৰণ কৰি চিলিং নীতি প্ৰণয়ন কৰাৰ কথাও ভবা হৈছিল। এই সংস্কাৰক ন্যায়সংগত সমান চৰ্তৰ ভিত্তিত মাটিৰ যুক্তিসংগত বিতৰণৰ প্ৰয়াস বুলিও ক'ব পাৰি। এই সংস্কাৰ নীতিত মাটিত কাম কৰাৰ পদ্ধতি, মালিকীস্বত্ব আৰু মাটিৰ উত্তৰাধিকাৰ সম্পৰ্কীয় কথাবোৰৰ নিয়ন্ত্ৰণৰ দিশটো সামৰি লোৱা হৈছিল। ভাৰতৰ দৰে কৃষিভিত্তিক দেশ এখনত মাটিৰ সমবিভাজন নোহোৱাৰ ফলত ধনীসকল দুখীয়াসকলতকৈ অধিক মাটিৰ গৰাকী হৈ পৰিছিল। ইয়াৰ বাবেই ভূমি সংস্কাৰ অতি প্ৰয়োজনীয় হৈ উঠিছিল। স্বাধীনতাৰ পাচতো ভূমি সংস্কাৰ প্ৰক্ৰিয়াটো অব্যাহত ৰখা হৈছিল। ৰাজ্যবোৰত ভূমি সংস্কাৰ বিধেয়কবোৰ লাহে লাহে বিকশাই তোলা হৈছিল।

ভাৰতে বৃটিছ শাসনৰ পৰা মুক্তি লাভ কৰাৰ পাচত ভূমি সংস্কাৰ অথবা ৰাজহ পৰিশোধ কৰাৰ ব্যৱস্থাৰ পৰাও মুক্ত হোৱাৰ প্ৰশ্নটোৱে অগ্ৰাধিকাৰ পাইছিল। স্বাধীনতাৰ আগৰ আৰু পাচৰ সময়ছোৱাত ই এক প্ৰধান কাৰ্যনীতিত পৰিণত হৈছিল। স্বাধীনতাৰ পাচত বহুতো ভূমি সংস্কাৰ বিধেয়ক গৃহিত হৈছিল। বিধেয়কবোৰত উত্থাপিত ভূমি সংস্কাৰৰ সপক্ষে থকা সবাতোকৈ শক্তিশালী যুক্তি আছিল সকলোৰে মাজত মাটিৰ সমবিতৰণ। অধিকাংশ নাগৰিকেই গাঁৱত বাস কৰা আৰু অধিকাংশ নাগৰিকেই কৃষিকাৰ্যৰ জৰিয়তে জীৱন নিৰ্বাহ কৰা ভাৰতৰ দৰে দেশত সকলোৰে হাতত ন্যূনতম পৰিমাণৰ মাটি থকাটো এটা আৱশ্যকীয় কথা। সেয়েহে ভূমি সংস্কাৰৰ প্ৰশ্নটোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছিল। ৰায়তসকলক মাটিৰ সৈতে জড়িত কিছুমান অধিকাৰ প্ৰদান কৰিবলৈ আৰু তেওঁলোকক মাটিৰ মালিকীস্বত্ব দিয়াবলৈ বিভিন্ন আইন আৰু নীতি-নিয়ম প্ৰণয়ন কৰা হৈছিল।

১১.৫.১ স্বাধীনোত্তৰ কালৰ ভূমি সংস্কাৰ

স্বাধীনতাৰ পাচৰ পৰা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে ভূমি সংস্কাৰৰ বাবে বহুতো উদ্যোগ লৈছে। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা (১৯৫১-৫৬)ত দেশত ভূমি সংস্কাৰ সাধনৰ বাবে এক বিস্তৃত কাৰ্যপন্থা বিকশাই তোলা হৈছিল। দেশৰ ভূমি আৰু ৰাজহ সংগ্ৰহ প্ৰক্ৰিয়াত থকা সমস্যাবোৰ আঁতৰ কৰিবলৈ এয়া আছিল পৰ্যায়ক্ৰমি কাৰ্যপন্থা। এই কাৰ্যপন্থাৰ কেইটামান উল্লেখনীয় দিশ হ'ল ঃ

(ক) মধ্যস্থ কৰ সংগ্ৰহকাৰীৰ বিলোপসাধন ঃ তেওঁলোক আছিল স্বাধীনতাৰ আগৰ যুগৰ ভূমি ৰাজহ ব্যৱস্থাৰ অধীনত কৰ সংগ্ৰহকাৰী। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাই

কিছুমান বিকাশশীল কার্যপ্রণালী প্রয়োগৰ পৰামর্শ দিছিল। এইবোৰৰ সহায়ত মধ্যস্থ কৰ সংগ্রহকাৰীৰ ধাৰণাটো বিলোপ কৰিব খোজা হৈছিল। স্বাধীনতা লাভৰ সময়ত দেশত মাটি বিভিন্ন ধৰণে ভগোৱা আছিল। ইয়াৰে বহুবিধ মাটি মধ্যস্থ কৰ সংগ্রহকাৰীৰ প্রত্যক্ষ নিয়ন্ত্রণৰ অধীন আছিল। যেনে— ১) গাঁৱৰ মাটি, বনাঞ্চল, ২) মধ্যস্থ ব্যক্তিসকলৰ নিজাকৈ খেতি কৰাৰ অথবা ভাৰালৈ দিয়াৰ অধিকাৰ থকা মাটি, ৩) মধ্যস্থ ব্যক্তিসকলৰ ব্যক্তিগত কৃষিকর্মৰ বাবে থকা ঘৰুৱা কৃষিপাম কৰিব পৰা মাটি; ৪) মধ্যস্থ কৰ সংগ্রহকাৰীৰ পৰা ৰায়তসকলে প্রত্যক্ষভাৱে পোৱা মাটি আৰু ৫) উপ-ৰায়তসকলে খেতি কৰা মাটি। এই ৰায়তসকলক মধ্যস্থ ব্যক্তিৰ পৰা মুক্ত কৰিবলৈ চৰকাৰে বিভিন্ন ব্যৱস্থা গ্রহণ কৰিছিল।

খ) ৰায়তি স্বত্ব নিয়ন্ত্রণ ঃ ইয়াৰ জৰিয়তে ৰায়তসকলে সন্মুখীন হোৱা ভূমি চুক্তি সম্পর্কীয় চর্তবোৰ, যেনে— শস্যৰ ভাগ-বাটোৱাৰা আৰু ৰায়তকালৰ অন্য সুৰক্ষা আদি উন্নত কৰিব খোজা হৈছিল। জমিনদাৰী আৰু ৰায়তৰাৰী দুয়োটা ব্যৱস্থাতে ৰায়তসকল নিজ খেতিপথাৰত কাম কৰাৰ সময়ত বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছিল। তেনে কেইটামান অসুবিধা হ'ল— ১) মধ্যস্থ কৰ সংগ্রহকাৰীসকলে ব্যক্তিগত কৃষিকর্মৰ বাবে চিহ্নিত কৰা মাটিবোৰত খেতি কৰাৰ সলনি এনে মাটিবোৰ ৰায়তক ভাৰালৈ দিয়াত আগ্রহী আছিল, ২) ৰায়তৰ অধিকাৰ থকা মাটিবোৰ উপ-ৰায়তক ভাৰালৈ দিয়া হৈছিল, ৩) ৰায়তৰাৰী এলেকা আৰু কৃষকৰ মালিকীস্বত্ব থকা এলেকাবোৰৰ মাটিবোৰত আচলতে ৰায়তেহে খেতি কৰিছিল।

এই সমস্যাবোৰ আঁতৰাবলৈ তলত দিয়া কামবোৰ কৰাৰ পৰামর্শ আগবঢ়োৱা হৈছিল।

- **মাটিৰ ভাৰা সম্পর্কীয় নীতি-নির্দেশনা ঃ** পৰিকল্পনাত এইবুলি পৰামর্শ আগবঢ়োৱা হৈছিল যে যিডোখৰ মাটিৰ ভাৰা নির্ধাৰণ কৰিব খোজা হৈছে সেই ভাৰা মাটিডোখৰৰ পৰা হোৱা মুঠ উৎপাদনৰ ১/৪ অথবা ১/৫ ভাগতকৈ অধিক হ'ব নোৱাৰিব। অৱশ্যে বহুতো ৰাজ্যত ভাৰাৰ তাৰতম্য হ'ল ১/৪ অথবা ১/৩ ভাগ।

মাটিৰ ৰায়তিস্বত্ব উপভোগ কালৰ সুৰক্ষা ঃ ৰায়তসকলৰ মাটিৰ ৰায়তিস্বত্ব উপভোগ কালৰ সুৰক্ষাৰ দিশটো মাটিৰ প্রকৃত মালিকৰ ব্যক্তিগত কৃষিকর্ম পুনৰ আৰম্ভ কৰাৰ অধিকাৰৰ সৈতে জড়িত আছিল। এই সমস্যাটো সমাধান কৰিবলৈ পৰিকল্পনাত ৰায়তসকলক স্থায়ী আৰু পৈত্রিক সম্পত্তিৰ অধিকাৰ প্রদান কৰাৰ পৰামর্শ আগবঢ়োৱা হৈছিল। ভূস্বামীয়ে সীমিত পৰিমাণৰ মাটি ঘূৰাই ল'ব পাৰিব। বাকী মাটিখিনি ৰায়তসকলৰ মাজত ভাগ-বাটোৱাৰা কৰি দিয়া হ'ব।

১১.৫.২ ভাৰতত ভূমি সংস্কাৰৰ সাম্প্রতিক পটভূমি

ওপৰৰ শিতানত আমি ভূমি সংস্কাৰৰ বাবে দেশৰ প্রথম পঞ্চবার্ষিক পৰিকল্পনাই আৰম্ভ

কৰা কাম-কাজবোৰৰ বিষয়ে পঢ়িলো। এখন কৃষিভিত্তিক সমাজৰ উন্নয়নৰ বাবে এইবোৰ হ'ল অতি প্ৰশংসনীয় পদক্ষেপ। অৱশ্যে গাঁওবোৰত থকা অসমান ক্ষমতা গাঁথনিটো আঁতৰাবলৈ চলোৱা প্ৰথমলানি ভূমি সংস্কাৰ কাৰ্যৱলী অসফল হৈছিল। এই কথাটোৱে সমাজৰ দুখীয়া শ্ৰেণীটোক অসন্তুষ্ট কৰিছিল। ইয়াৰ উপৰি ১৯৬০ৰ দশকৰ শেষৰ ফালে আৰম্ভ হোৱা সেউজ বিপ্লৱে সম্পত্তি 'থকা' আৰু 'নথকা'সকলৰ মাজৰ উপাৰ্জনৰ ব্যৱধান অধিক বৃদ্ধি কৰিছিল। ক্ৰমাৎ বাঢ়ি যোৱা অসন্তুষ্টিৰ ফলত মাটিক কেন্দ্ৰ কৰি মতানৈক্যৰ সৃষ্টি হৈছিল। ই পশ্চিম বংগ, বিহাৰ, অন্ধ্ৰপ্ৰদেশ আৰু দেশৰ বিভিন্ন অংশত নক্সালবাদী আন্দোলনৰ উত্থান ঘটাত সহায় কৰিছিল। এই কথাবোৰে চৰকাৰক ১৯৭০ৰ দশকটোৰ প্ৰথমাৰ্ধত চিলিং আইনবোৰ সংশোধন কৰিবলৈ বাধ্য কৰাইছিল। ইয়াৰ লগতে ভূমি সংস্কাৰ বিষয়ক নীতি-নিদেৰ্শনাবোৰো আগতকৈ উন্নত কৰা হৈছিল। ইয়াৰ দ্বাৰা ৰায়তসকল বিভিন্ন ধৰণে উপকৃত হৈছিল। মাটিৰ মালিকীস্বত্বৰ অধিকাৰ, মাত্ৰাধিক মাটিৰ ক্ষেত্ৰত সৰ্বোচ্চ সীমা নিৰ্ধাৰণ, মাটিৰ মালিকীস্বত্ব সুদৃঢ়কৰণ আৰু মাটিৰ তথ্য-পাতি কম্পিউটাৰ প্ৰণালীত অন্তৰ্ভুক্তকৰণ আদি কাৰ্যই ৰায়তসকলক উপকৃত কৰিছিল।

- **ৰায়তসকলক মালিকীস্বত্বৰ অধিকাৰ প্ৰদান ঃ** নতুন নিয়ম অনুসৰি ৰায়তক নিজ মাটিৰ পৰা কোনেও উচ্ছেদ কৰিব নোৱাৰিব। তেওঁলোকৰ নিজ মাটিত খেতি কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে।
- **অতিৰিক্ত মাটিৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ ঃ** চৰকাৰী খতিয়ান মতে প্ৰতিখন ৰাজ্যতে যথেষ্ট পৰিমাণৰ উদবৃত্ত মাটি আছে। সেয়েহে নিৰ্দিষ্ট সীমাতকৈ অধিক মাটি থকাসকলৰ পৰা মাটি নিজৰ দখললৈ অনাৰ প্ৰক্ৰিয়া চৰকাৰে আৰম্ভ কৰি দিছে।
- **মাটিৰ মালিকীস্বত্ব সুদৃঢ়কৰণ ঃ** প্ৰতিখন পঞ্চবাৰ্ষিক পৰিকল্পনাতে বিভিন্ন শিতানভুক্ত কৃষিকাৰ্যৰ অধীন মাটিৰ মালিকীস্বত্ব সুদৃঢ় কৰাত জোৰ দিয়া হয়। গাওঁবোৰৰ কৃষিভিত্তিক অৰ্থনীতিৰ উন্নয়ন হ'ল ইয়াৰ প্ৰধান উদ্দেশ্য।
- **মাটিৰ তথ্য-পাতি কম্পিউটাৰ প্ৰণালীৰ অন্তৰ্ভুক্তকৰণ ঃ** ১৯৮৮-৮৯ চনত এটা কেন্দ্ৰীয় কেন্দ্ৰীভূত আঁচনি হিচাপে চি এল আৰ (Computerization of land Records) আঁচনিৰ কাম আৰম্ভ কৰা হৈছিল। হাতেৰে লিখি এনে তথ্য-পাতি জমা কৰি ৰখাৰ অসুবিধাটোৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰকল্পটো গ্ৰহণ কৰা হৈছিল।
- **মহিলাৰ মাটিৰ অধিকাৰ ঃ** পূৰ্বৰ ভূমি সংস্কাৰ প্ৰক্ৰিয়াবোৰত মহিলাৰ অধিকাৰ সন্নিৱিষ্ট কৰা হোৱা নাছিল। কিছুমান ৰাজ্যত মহিলাক মাটি কিনাৰ অনুমতি দিয়া হোৱা নাছিল। ১৯৯২ চনত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে পৰামৰ্শ আগবঢ়াইছিল মহিলাসকলকো মাটিৰ গৰাকী হোৱাৰ সমান সুযোগ দিব লাগে। পতি-পত্নীয়ে যুটীয়াভাৱে এনে সম্পত্তিৰ মালিক হ'ব পাৰে।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় গাঁওবোৰ পৰম্পৰাৰ প্ৰতীক। গাঁওবোৰে এনে এক চহা জীৱন প্ৰতিফলিত কৰে যিটো নগৰীয়া জটিল জীৱনৰ পৰা বহুযোজন আঁতৰত। গ্ৰাম্য সমাজবোৰ হ'ল সম্প্ৰদায়ৰ প্ৰাৰম্ভিক ৰূপ। এনে সম্প্ৰদায়বোৰ দৃঢ় সংগঠিত নহয় আৰু নিচেই কম সংখ্যক পৰিয়ালহে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল।
- 'গাঁও' বুলি ক'লে সাধাৰণতে কৃষিক জীৱিকা হিচাপে লোৱা কমসংখ্যক লোকে বাস কৰা সৰু অঞ্চল একোটাৰ কথা বুজা যায়।
- গ্ৰাম্য সম্প্ৰদায় এটাই বিভিন্ন পৰ্যায়ৰ মাজেৰে আহি বৰ্তমানৰ পৰ্যায় পাইছে। পৰ্যায়কেইটা হ'ল— আদিম গ্ৰাম্য সম্প্ৰদায়, মধ্যযুগৰ গ্ৰাম্য সম্প্ৰদায় আৰু আধুনিক গ্ৰাম্য সম্প্ৰদায়।
- ভাৰতীয় গাঁবোৰৰ বিভিন্ন বৈশিষ্ট্য আছে। যেনে— স্বয়ংসম্পূৰ্ণতা, একেৰূপতা, প্ৰাথমিক গোট, জাতিপ্ৰথা, আভ্যন্তৰীণ সংগঠন, যৌথ পৰিয়াল, ধৰ্মত বিশ্বাস, বিবাহ, ৰক্ষণশীলতা আদি।
- উত্তৰ বৈদিক কালত হালবোৱা প্ৰথাৰ উদ্ভাৱন ঘটাৰ লগে লগে কৃষিও মানুহৰ জীৱিকা অৰ্জনৰ এক প্ৰক্ৰিয়া হৈ পৰিল। এই যুগত গৰু-ম'হৰ লগতে কাঠৰ নাঙল ব্যৱহাৰ কৰি মাটি চহোৱা হৈছিল।
- সমাজতাত্ত্বিক আদ্ৰে বিটেইলে তেওঁৰ গ্ৰন্থ 'ত লিখিছে যে এখন কৃষিজীৱী সমাজৰ সামাজিক ৰূপৰেখাটো বুজিব পাৰিলেহে কৃষিভিত্তিক অৰ্থনীতিৰ বিষয়ে বুজাটো সহজ হ'ব। কাৰণ, অৰ্থনীতি সমাজৰ পৰা পৃথক নহয়, ই সমাজৰ এটা অংশ।
- বিটেইলৰ মতে ভাৰতীয় কৃষিজীৱী সমাজখনৰ শ্ৰেণী আৰু জাতি দুয়োটা দিশৰ পৰাই অধ্যয়ন কৰিব পাৰি। কাৰণ, দুয়োটা কথাৰে দ্বিতৰপীয় সম্পৰ্ক আছে। প্ৰথম কথা, শ্ৰেণী সম্পৰ্কবোৰক জাতিপ্ৰথাই বৈধতা আৰু স্বীকৃতি প্ৰদান কৰে। দ্বিতীয় কথা, জাতি আৰু শ্ৰেণীৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। ব্ৰাহ্মণ আৰু ৰাজপুতৰ দৰে উচ্চজাতিৰ লোকসকল পৰম্পৰাগতভাৱেই মাটিৰ মালিক মধ্যম জাতিৰ লোকসকল পৰম্পৰাগতভাৱেই খেতিয়ক আৰু নিম্ন জাতিৰ লোকসকল পৰম্পৰাগতভাৱেই অস্পৃশ্য অথবা বনুৱা শ্ৰেণীৰ লোক।
- যিহেতু ভাৰতত কৃষি এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক কাৰ্যকলাপ সেয়েহে ইয়াত মাটি-সম্পত্তিৰ জ্ঞান থকাটো সকলোৰে বাবে আৱশ্যকীয়। ঔপনিৱেশিক শাসনকালত প্ৰশাসকসকলে ব্যৱসায় বাণিজ্য আৰু ভূমি ৰাজহ ব্যৱস্থাত একচেটিয়া কৰ্তৃত্ব গঢ়ি তুলি সমাজৰ কৃষিভিত্তিক গাঁথনিটোত লুণ্ঠন চলাইছিল।
- বৃটিছ ভূমি ৰাজহ ব্যৱস্থা আৰু ভাৰতীয় পৰম্পৰাগত ভূমি ৰাজহ ব্যৱস্থা সম্পূৰ্ণ পৃথক

ধৰণৰ আছিল। বৃটিছসকলে ভাৰতীয় কৃষি ব্যৱস্থালৈ বহুতো পৰিৱৰ্তন আনিছিল। এই পৰিৱৰ্তনবোৰে কৃষক সমাজত বিশৃংখলতা আৰু আহুকালৰ সৃষ্টি কৰিছিল।

- ভূমি সংস্কাৰ আছিল প্ৰাক্-স্বাধীনতা যুগৰ জাতীয়তাবাদী আন্দোলনৰ এক গুৰুত্বপূৰ্ণ অংশ। ইয়াৰ জৰিয়তে মাটিৰ গৰাকী ৰায়তসকলক কিছু সুৰক্ষা প্ৰদান কৰাৰ লগতে মালিকীস্বত্বৰ অধিকাৰ আগবঢ়োৱাৰ কথা ভবা হৈছিল। আন্দোলনকালত এগৰাকী মালিকে ৰাখিব পৰা মাটিৰ পৰিমাণ নিৰ্ধাৰণ কৰি চিলিং নীতি প্ৰণয়ন কৰাৰ কথাও ভবা হৈছিল।
- গাঁওবোৰত থকা অসমান ক্ষমতা গাঁথনিটো আঁতৰাবলৈ চলোৱা প্ৰথমলানি ভূমি সংস্কাৰ কাৰ্যাৱলী অসফল হৈছিল। এই কথাটোৱে সমাজৰ দুখীয়া শ্ৰেণীটোক অসন্তুষ্ট কৰিছিল। বিভিন্ন কথাই চৰকাৰক ১৯৭০ৰ দশকটোৰ প্ৰথমাৰ্ধত চিলিং আইনবোৰ সংশোধন কৰিবলৈ বাধ্য কৰাইছিল।



১১.৭ অধিক জানিবলৈ

১. Joshi, P. C. Land Reforms in India, in A. R Desai *Rural Sociology in India*, pp. 445-475.

২. Thorner, Daniel. (1976). *The Agrarian Prospect in India*, New Delhi: Allied Publishers Pvt Ltd.



১১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ আদিম গ্ৰাম্য সম্প্ৰদায়, মধ্যযুগৰ গ্ৰাম্য সম্প্ৰদায় আৰু আধুনিক গ্ৰাম্য সম্প্ৰদায়।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় গাঁওবোৰ পৰম্পৰাৰ প্ৰতীক। গাওঁবোৰে এনে এক চহা জীৱন প্ৰতিফলিত কৰে যিটো নগৰীয়া জটিল জীৱনৰ পৰা বহুযোজন আঁতৰত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কৃষিজীৱী সমাজ এখনৰ জীৱিকা নিৰ্বাহৰ মুখ্য উপায়টো হ'ল মানুহ আৰু পোহনীয়া গৰু-ম'হৰ সহায়ত শস্যৰ খেতি কৰা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ জমিনদাৰী ব্যৱস্থা আৰু ৰায়তৰাৰী ব্যৱস্থা।



১১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কোন চনত পাতনি মেলা হৈছিল?

প্ৰশ্ন ২ ঃ আদ্ৰে বিটেইলে লিখা গ্ৰন্থখনৰ নাম কি?

প্ৰশ্ন ৩ ঃ ভাৰতীয় গাঁও এখনৰ দুটা বৈশিষ্ট্য লিখক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ জামিনদাৰী ব্যৱস্থা আৰু ৰায়তৰাৰী ব্যৱস্থা

প্ৰশ্ন ২ ঃ ভাৰতত ১৯৭০ৰ দশকত গ্ৰহণ কৰা ভূমি সংস্কাৰ ব্যৱস্থাসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ কৃষিজীৱী সমাজৰ বৈশিষ্ট্যবোৰ কি কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এখন ভাৰতীয় গাঁৱৰ বৈশিষ্ট্যবোৰ বহলাই বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ কৃষিজীৱী সমাজৰ শ্ৰেণী গাঁথনিটো বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ গ্রাম্য নেতৃত্ব

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ নেতা আৰু নেতৃত্বৰ অর্থ

১২.৩.১ নেতাৰ অর্থ

১২.৩.২ নেতৃত্বৰ অর্থ

১২.৪ গ্রাম্য কতৃত্ব গাঁথনি

১২.৫ গ্রাম্য নেতৃত্বৰ ধাৰণা

১২.৫.১ অর্থ

১২.৫.২ প্রকাৰ

১২.৫.৩ নেতৃত্ব নির্ধাৰণ কৰা কাৰকসমূহ

১২.৫.৪ বৈশিষ্ট্য

১২.৬ গ্রাম্য নেতৃত্ব অধ্যয়নৰ তাৎপর্য

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্রগতিৰ খতিয়ান

১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ---

- গ্রাম্য নেতৃত্ব আৰু গ্রাম্য ক্ষমতা গাঁথনি সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- গ্রাম্য নেতৃত্বৰ বৈশিষ্ট্য আৰু ইয়াৰ বিভিন্ন প্রকাৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- গ্রাম্য নেতৃত্বৰ প্রভাৱশালী কাৰক সমূহ চিনাক্ত কৰিব পাৰিব
- গ্রাম্য সমাজত নেতৃত্বৰ গুৰুত্ব সম্পর্কে বর্ণনা কৰিব পাৰিব
- গ্রাম্য নেতৃত্ব সম্পর্কে অধ্যয়নৰ গুৰুত্ব সম্পর্কে ব্যাখ্যা কৰিব পাৰিব

১২.২ পৰিচয়

আমি ইতিমধ্যেই সামাজিক সংৰচনা, গ্রাম্য আৰু নগৰীয়া সমাজ, সামাজিক সংস্থাকে ধৰি মানব সমাজৰ বিভিন্ন দিশ সম্পর্কে জানিব পাৰিছো। এই অধ্যায়টিত আমি সমাজ সম্পর্কে

আৰু ভাৰতৰ গ্রাম্য সমাজৰ বিভিন্ন দিশ বুজিবলৈ প্রয়াস কৰিম।

এই ক্ষেত্রত আমি ভাৰতৰ গ্রাম্য নেতৃত্বৰ বৈশিষ্ট্য, কাৰক আৰু বিভিন্ন প্রকাৰ সমূহ আলোচনা কৰিম। ভাৰতীয় গ্রাম্য জীৱনৰ সাধাৰণ আৰু বিশেষ বিশেষ দিশত গ্রাম্য নেতৃত্বৰ প্রকৃত অর্থ বিচাৰি উলিয়াবলৈ প্রচেষ্টা চলাম। গ্রাম্য নেতৃত্ব সম্পর্কে বুজাৰ লগতে আমি গ্রাম্য ক্ষমতা গাঁথনি সম্পর্কেও আলোচনা কৰিম। কাৰণ নেতৃত্ব হৈছে ক্ষমতা গাঁথনিৰ এটা অংশ বিশেষ। এই অধ্যায়টি পঢ়ি উঠি অপুনি এখন গ্রাম্য সমাজত গ্রাম্য নেতৃত্বৰ গুৰুত্ব আৰু ভূমিকা সম্পর্কে জানিব পাৰিব। ইয়াৰ লগতে, গ্রাম্য নেতৃত্বৰ অধ্যয়নৰ সমাজ তাত্ত্বিক গুৰুত্ব সম্পর্কে বুজিব পাৰিব।

১২.৩ নেতা আৰু নেতৃত্বৰ অর্থ

যিকোনো ধৰণৰ গোষ্ঠীগত জীৱনত কিবা নহয় কিবা ধৰণৰ নেতৃত্ব পৰিলক্ষিত হয়। এনে ধৰণৰ নেতৃত্ব হয় সু-সংবদ্ধ নহয় অনিয়তাকাৰ (আকাৰ বিহীন) হয়। ইতিমধ্যে আমি গ্রাম্য সমাজ ব্যৱস্থা সম্পর্কে জানিব পাৰিছো। এখন গ্রাম্য সমাজত কেইবাটাও একেধৰণৰ কার্যত নিয়োজিত দল বা উপদল থাকিব পাৰে - যি সামগ্রিক ভাবে গ্রাম্য সমাজ-জীৱনত এক বিশেষ ভূমিকা পালন কৰে। যদিও এনে ধৰণৰ দল বা উপদল সমূহ সাধাৰণতে অনানুষ্ঠানিক -- অর্থাৎ ইবোৰৰ যদিও নির্দিষ্ট কোনো সু-সংবদ্ধ আকাৰ নাই পঞ্চায়তী ৰাজৰ দৰে কিছুমান সুসংবদ্ধ গাঁথনিও কিন্তু এইবোৰৰ মাজতে পৰিলক্ষিত হয়। উল্লেখযোগ্য যে ভাৰতবর্ষৰ গ্রাম্য জীৱনৰ এই ধৰণৰ অনুষ্ঠানগত গাঁথনিবোৰত নেতৃত্বই এক উল্লেখযোগ্য ৰূপ দিয়াৰ ক্ষেত্রত বিশেষ ভুমিকা পালন কৰে।

এতিয়া আমি নেতা আৰু নেতৃত্বৰ অর্থ বিশ্লেষণ কৰি চাওঁ ।

১২.৩.১ নেতাৰ অর্থ

এটা বিশেষ ফল প্রাপ্তিৰ ক্ষেত্রত যি গৰাকী ব্যক্তিয়ে এটা গোট বা দলক প্রভাৱান্বিত কৰি ৰাখে তেওঁকেই নেতা বুলি কোৱা হয়। নেতা হ'ল এনে এজন ব্যক্তি যি আনক দিগদর্শন কৰে, অনুপ্রাণিত কৰে বা শাসন কৰে। অন্য ভাষাত ক'বলৈ গ'লে তেওঁ যথেষ্ট পৰিমাণৰ প্রভাৱ খটুৱাব পাৰে। তদুপৰি তেওঁৰ সেই সামর্থ্য থাকে যাৰ সহায়ত তেওঁ তেওঁৰ এনুগামীসকলৰ কার্য-প্রণালী সংগঠিত কৰি তেওঁলোকক লক্ষ্য আৰু স্বার্থত উপনীত হোৱাত সহায় কৰে।

কিছুমান বিশেষ চাৰিত্রিক বৈশিষ্ট্য আৰু গুণৰ বলত বা কিছুমান বিশেষ পৰিস্থিতিত এদল মানুহৰ মাজত এজন নেতাই গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। তেওঁৰ সেই গুণসমূহ আৰু পৰিস্থিতিৰ অনুকুলতাৰ বাবেই জনসাধাৰণে তেওঁক সন্মান কৰে তেওঁৰ নির্দেশ মানি চলে আৰু নেতৃত্ব অনুসৰণ কৰে।



অনুশীলনী - ১

এনে দুটা দলৰ নাম উল্লেখ কৰক যি দুটা দলৰ আপুনিও সদস্য।

আপোনালোকৰ সদস্যসকলে কাক দলপতি বা নেতা বুলি মানি চলে?

তেওঁ দলপতি হোৱাৰ কাৰণসমূহ কি কি?

চাৰিটা অপৰিহার্য উপাদানে এজন নেতাক এজন সাধাৰণ সদস্যৰ পৰা পৃথক কৰে। এই উপাদান কেইটা হ'ল

- নেতাজন দলটোৰ সদস্য হ'ব লাগিব।
- তেওঁক দলৰ সদস্যসকলে স্বেচ্ছাই নেতা হিচাপে গ্রহণ কৰিব লাগিব।
- তেওঁ দলৰ সদস্যসকলৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিব লাগিব।
- তেওঁ দলৰ সদস্যসকলক লক্ষ্য আৰু স্বার্থ পূৰণৰ দিশত আগুৱাই নিব পাৰিব লাগিব।

১২.৩.২ নেতৃত্বৰ অর্থ

ডি. কে. দাসে নেতৃত্বৰ সংজ্ঞা এনে দৰে নিৰূপন কৰিছে, "নেতৃত্ব হ'ল সৰু বা ডাঙৰ এটা গোট বা দলৰ সদস্যসকলৰ মাজত ভাব বিনিময়ৰ এটা প্রক্রিয়া - যি প্রক্রিয়াই দলটোক (১) একে মতাদর্শ আৰু লক্ষ্যৰ সদস্যসকলক পর্যাপ্ত পৰিমাণৰ এক গ্রহণ যোগ্যভাৱে পৰিস্থিতিৰ ফালে আগুৱাই নিয়ে (২) য'ত সদস্যসকলে ভাৱ বিনিময় কৰে (৩) নেতাজনৰ লগত আৰু ইজনে সিজনৰ লগত"।

এইচ পি. ফেয়াৰ চাইল্ডে 'Dictionary of Sociology' নামৰ গ্রন্থৰ নেতৃত্বৰ সংজ্ঞা এনে দৰে নিৰূপন কৰিছে "কম বেছি পৰিমাণে স্বেচ্ছাকৃত ভাৱে অনুমোদিত এটা দলৰ প্রস্তাৱিত আৰু অৱলম্বিত লক্ষ্য কার্য প্রণালী সমূহ এজন ব্যক্তিৰ দ্বাৰা সহযোগিতাৰ মাজেদি সংগঠিত আৰু পৰিচালিত হোৱা কার্য হ'ল নেতৃত্ব"।

অর্ড ৰে টিড নামৰ এজন পণ্ডিতে আকৌ "বাঞ্ছিত বুলি ধাৰণ কৰা বিশেষ লক্ষ্যত উপনীত হ'বৰ বাবে মানুহক সহযোগ কৰিবলৈ প্রভাৱিত কৰা কার্যকে নেতৃত্ব বুলি অভিহিত কৰিছে"।

মুঠতে এজন লোক কেনেকৈ নেতাৰ পর্য্যায়লৈ উন্নীত হয় সেই প্রক্রিয়াটো তেওঁ তেওঁৰ অনুগামী সকলৰ ওপৰত কেনেকৈ প্রভাৱ বিস্তাৰ কৰে, তেওঁলোকক কেনেকৈ সংগঠিত কৰে, তেওঁলোকৰ স্বার্থৰ হকে কিদৰে কাম কৰে আৰু দলটোৰ কার্য-কলাপৰ ওপৰত সম্পূর্ণৰূপে চকু দি কেনেকৈ তেওঁ ক্ষমতা আহৰণ কৰে আৰু এইদৰে আর্জিত ক্ষমতা স্থায়ী কৰণৰ বাবে কিদৰে চেষ্টা কৰে -- এই সমস্ত প্রক্রিয়াৰ সমষ্টিয়েই হ'ল নেতৃত্ব।

ওপৰত উল্লেখ কৰা সূত্রসমূহে নেতৃত্বৰ নিম্নলিখিত বৈশিষ্ট্যসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

- নেতৃত্ব হ'ল দল-প্রপঞ্চৰ ফলশ্রুতি, আনহাতে দল হ'ল বিশেষ পৰিপ্রেক্ষিতৰ আৰু পৰিস্থিতিৰ ফলশ্রুতি। গতিকে পৰিপ্রেক্ষিতৰ আৰু পৰিস্থিতিৰ সলনিৰ লগে লগে নেতৃত্বয়ো পৰিৱর্তন বিচাৰে।
- ই এটা ভাৱ বিনিময়ৰ প্রক্রিয়া। নেতা হ'ল এজন ব্যক্তি আৰু তেওঁৰ অনুগামীসকল হ'ল ব্যক্তিৰ সমষ্টি। নেতৃত্ব এটা প্রক্রিয়া আৰু প্রক্রিয়া হ'ল নিৰৱচ্ছিন্ন কর্মৰ ধাৰা - য'ত জড়িত হৈ থাকে ইটোৱে সিটোৰ ওপৰত ক্রিয়া কৰা বিভিন্ন উপাদান।
- আন্তঃ ব্যক্তিসকলৰ সম্পর্ক প্রক্রিয়াই নেতৃত্বৰ আৱশ্যকতা সূচায়। যিদৰে আন্তঃ ব্যক্তি সম্পর্কৰ ওপৰত নির্ভৰ কৰি দলৰ বৈশিষ্ট্য নিৰূপণ কৰা হয় ঠিক তেনেদৰে নেতৃত্বৰ ক্ষেত্রতো নেতা আৰু তেওঁৰ অনুগামী সকলৰ মাজত আৰু অনুগামী সকলৰ ইজনৰ সিজনৰ মাজত আৰু দলটোৰ মাজত আন্তঃ ব্যক্তি সম্পর্ক থাকে। এই সম্পর্ক আৰু বিনিময় প্রক্রিয়াৰ কেইটামান বিশেষ বৈশিষ্ট্য আছে।

  উদাহৰণ স্বৰূপে ঃ

  - নেতাজনে তেওঁৰ অনুগামীসকলৰ আদর্শ আৰু মতামতৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে।
  - অনুগামীসকলৰ কিছুমান সমূহীয়া প্রয়োজন আৰু লক্ষ্য থাকে।
  - নেতাজনে তেওঁৰ অনুগামীসকলৰ কাম কাজ সংগঠিত কৰে আৰু অনুগামীসকলৰ মাজত থকা ব্যক্তিগত মতবিৰোধৰ অৱসান ঘটাই তেওঁলোকক সংঘবদ্ধ কৰে।
  - অনুগামী সকলে নেতাজনক, তেওঁলোকৰ প্রয়োজন সমূহ পূৰণ কৰিব পৰা ব্যক্তি হিচাপে গণ্য কৰে।
  - এই প্রক্রিয়াত এজনৰ আচৰণ সাধাৰণতে আন এজনৰ আচৰণৰ দ্বাৰা প্রভাৱান্বিত হয়।
- ভিন্ ভিন্ উদ্দেশ্যৰ মাজত সমন্বয় সাধন কৰি ব্যক্তিগত মত বিৰোধ সমূহ কৌশলতাৰে ব্যৱহাৰৰ মাজেদি নেতৃত্বৰ ক্ষমতা স্বয়ংক্রিয় ভাৱে বর্দ্ধিত হয়। নেতাই ক্ষমতা আহৰণ কৰাৰ প্রক্রিয়াত নেতৃত্ব আধিপত্যৰ লগত এটা প্রভেদ পৰিলক্ষিত হয়। আধিপত্য হ'ল এটা নিয়ন্ত্রণৰ প্রক্রিয়া। ইয়াত ব্যক্তিৰ দ্বাৰা বলপূর্বক কতৃত্ব দখল আৰু সমান পুঞ্জিভূত কৰণ সঞ্চিত হৈ থাকে। ইয়াৰ সহায়ত ব্যক্তিজনে নিজৰ পছন্দ অনুসৰি কাম কাজ নিয়ন্ত্রণ কৰে।
- দলটো যি ঠাইত থাকে সেই ঠাইৰ সমাজ ব্যৱস্থাৰ পৰিস্থিতি আৰু গাঁথনিয়ে আন্তঃ ব্যক্তি সম্পর্কক প্রভাৱিত তথা গঠন কৰে। আন ভাষাত ক'বলৈ গ'লে, দলটোৰ সামাজিক পাৰিপার্শ্বিকতাই দলটোৰ প্রকৃতি, নেতৃত্ব আৰু আন্তঃ ব্যক্তি সম্পর্কৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ প্রকৃতি অক্সফোর্ড বিশ্ববিদ্যালয়ৰ লগত পার্থক্য হোৱাটোৱেই স্বাভাৱিক।

এই বৈশিষ্ট্যসমূহে গ্রাম্য নেতৃত্বৰ নির্দিষ্ট চৰিত্ৰ স্পষ্ট কৰি তোলে। গ্রাম্য সমাজ ব্যৱস্থাৰ প্রকৃতি নগৰীয়া সমাজ ব্যৱস্থাৰ প্রকৃতিতকৈ যে বেলেগ সেই কথা আমি ইতিমধ্যেই জানিব পাৰিছোঁ। গতিকে গ্রাম্য নেতৃত্বৰ প্রকৃতিয়ে কিছুমান বিশেষ গুণ আহৰণ কৰিবলৈ বিচাৰে। এই গুণসমূহ গ্রাম্য নেতৃত্বৰ শিৰোনামাত সুকীয়াকৈ আলোচনা কৰাৰ প্রয়োজনীয়তা আছে।

ইতিমধ্যে নেতৃত্বৰ ধাৰণাটো আপোনালোকে ভালকৈ উপলব্ধি কৰিব পাৰিছে। এতিয়া আমি গ্রাম্য নেতৃত্বনো কি সেইটো বুজিবলৈ যত্ন কৰিম। কিন্তু গ্রাম্য নেতৃত্বৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি গ্রাম্য ক্ষমতাৰ গাঁথনিটো বুজি ল'ব লাগিব। এইটো এই কাৰণেই প্রয়োজনীয় যে নেতৃত্ব কর্তৃত্ব গাঁথনিৰ পৰা উদ্ভূত।

১২.৪ গ্রাম্য কর্তৃত্ব গাঁথনি

ক্ষমতাৰ লগত জড়িত সকলোবোৰ গাঁথনিভিত্তিক উপাদানেই ক্ষমতাৰ গাঁথনিৰ কথা সূচায়। ক্ষমতা গাঁথনিৰ ধাৰণাটো বুজি পাবলৈ হ'লে গাঁথনি আৰু ক্ষমতাৰ ধাৰণাটোৰ মৌলিক কথাবোৰ চমুকৈ বুজি লোৱাটো প্রয়োজন। আমি ইতিমধ্যেই জানিব পাৰিছো যে গাঁথনিয়ে সকলোবোৰ সুস্থিৰ সামাজিক সম্পর্ক আৰু আন্তঃক্রিয়া সামৰি লয়। গতিকে আমি ক'ব পাৰো যে কর্তৃত্ব গাঁথনিত নিয়ম-নীতি, আইন-কানুন, প্রতিষ্ঠিত পৰম্পৰা আৰু সামাজিক ভাৱে গ্রহণীয় সকলো আচৰণ আৰু অৱস্থান সমূহ থাকে।

ক্ষমতা হ'ল কাম কৰাৰ যোগ্যতা আৰু তাৰ ফল সৃষ্টিৰ সামর্থ্য। ক্ষমতাৰ সহায়ত আনে অন্যথায় যিবোৰ কাম নকৰিলেহেঁতেন তেনে কাম কিবা নহয় কিবা প্রকাৰে কৰোৱা হয়। এনে কাম বলপূর্বকভাৱে জাপি দি অথবা আনুৰাগীসকলৰ স্বতঃস্ফুর্ত আৰু স্বেচ্ছাকৃত গ্রহণৰ মাজেদি সম্পাদন কৰা হয়। আন ভাষাত ক'বলৈ গ'লে নিজৰ ইচ্ছা আনৰ ওপৰত জাপি দিব পৰা সামর্থ্যই হ'ল ক্ষমতা। ক্ষমতা সদায়েই কর্ত্তৃত্বৰ দ্বাৰা পৰিচালিত নহ'বও পাৰে।



জানি থওঁ আহক

ষ্টিভেন লুক্চৰ মতে ক্ষমতাৰ তিনিটা বৈশিষ্ট্য

- সিদ্ধান্ত গ্রহণ
- অ-সিদ্ধান্ত গ্রহণ
- ইচ্ছাৰ ৰূপ নির্দ্ধাৰণ (আদর্শগত ক্ষমতা)

সিদ্ধান্ত গ্রহণৰ ক্ষমতা চৰকাৰী পক্ষত থকাসকলৰ লগত জড়িত। অ-সিদ্ধান্ত গ্রহণৰ ক্ষমতা হ'ল কার্যসূচী নির্দ্ধাৰণ কৰাৰ ক্ষমতা। যাৰ সহায়ত আলোচ্য বিষয়ৰ নিয়ন্ত্রণ কৰা হয়। আদর্শগত

ক্ষমতা হ'ল মানুহে কি বিচাৰে সেই সম্পৰ্কীয় চিন্তাৰ কৌশলগত পৰিচালনা। ক্ষমতাশালী গোট সমূহে জনসাধাৰণক তেওঁলোকে যেনেদৰে ভবাটো বিচাৰে তেনেদৰে ভাবিবলৈ বাধ্য কৰায় অথবা তেওঁলোকৰ স্বাৰ্থৰ পৰিপন্থী কোনো বিষয়ৰ প্ৰতি সন্মান জনাবলৈ বাধ্য কৰে।

সেইদৰেই ক্ষমতাৰ গাঁথনিত অন্তৰ্ভূক্ত হৈ থাকে ক্ষমতাৰ লগত জড়িত নিয়ম নীতি আৰু আইন কানুন সমূহ, ক্ষমতা কেন্দ্ৰীভূত হৈ থকা গোট আৰু অনুষ্ঠান সমূহ আৰু আমাৰ বিবেচনাধীন সমাজখনত ক্ষমতা বিকেন্দ্ৰীকৰণ পদ্ধতি সমূহ। আমি এই অধ্যায়টিত গ্ৰাম্য ক্ষমতা গাঁথনিৰ সম্পৰ্কত য'ৰপৰা এজন নেতাৰ উদয় হয় সেই দলসমূহ এজন নেতাৰ জন্ম দিয়া অনুষ্ঠানগত অৱস্থান সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি গাঁথনিৰ সম্পৰ্কে আলোচনা কৰিম।

ভাৰতবৰ্ষত পৰম্পৰাগত আৰু আধুনিক দুয়োধৰণৰে ক্ষমতাৰ গাঁথনি পৰিলক্ষিত হয়। আধুনিক গ্ৰাম্য ক্ষমতাৰ গাঁথনিত থাকে ঃ

- গাওঁ, খণ্ড আৰু জিলা পৰ্যায়ৰ পঞ্চায়তিৰাজ ব্যৱস্থা বা পঞ্চায়তিৰাজ অনুষ্ঠান, (পৰৱৰ্ত্তী অধ্যায়টিত আমি পঞ্চায়তিৰাজ অনুষ্ঠান সম্পৰ্কে পুংখানুপুঙ্খ ভাৱে আলোচনা কৰিম।)
- গাওঁৰ মানুহৰ লগত সকলো সময়তে ভাৱ বিনিময় কৰি থকা বিষয়াসকল যেনে খণ্ড উন্নয়ন বিষয়া, সম্প্ৰচাৰণ বিষয়া, গাওঁবুঢ়া, গ্ৰাম্য পৰ্যায়ৰ বনুৱা ইত্যাদি।

  গ্ৰাম্য পৰ্যায়ৰ ক্ষমতা গাঁথনিৰ উপৰিও জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত বিধানসভা আৰু লোকসভাও আছে যাৰ বাবে সময়ে সময়ে নিৰ্বাচন অনুষ্ঠিত কৰা হয়।

  পৰম্পৰাগত গ্ৰাম্য ক্ষমতা গাঁথনি সমূহ হ'ল ঃ

- গ্ৰাম্য নেতা
- জাতি ভিত্তিক পঞ্চায়ত
- জনগোষ্ঠীয় পৰিষদ (ট্ৰাইবেল কাউঞ্চিল), ইউথ দৰমিটৰি, সহায়ক গোট ইত্যাদি।

  এই বিলাকৰ বাহিৰেও উপদল, আগ্ৰহী গোট আদিয়েও আনুষ্ঠানিক বা অনানুষ্ঠানিক ভাবে আধুনিক আৰু পৰম্পৰাগত উভয় ক্ষমতা গাঁথনিৰ ক্ষেত্ৰতেই যথেষ্ট বৰঙনি যোগাই আহিছে। ক্লাব (সংঘ), আত্মসহায়ক গোট আদি হ'ল আধুনিক ক্ষমতা গাঁথনিৰ বৈশিষ্ট্যসূচক গোট - য'ৰ পৰা উদ্ভৱ হয় নেতৃত্ব।

১২.৫ গ্ৰাম্য নেতৃত্বৰ ধাৰণা

১২.৫.১ অৰ্থ

ওপৰৰ আলোচনাৰ পৰা আমি গ্ৰাম্য নেতৃত্ব সম্পৰ্কে এটা ধাৰণাত উপনীত হ'ব পাৰো। আমি সংক্ষিপ্ততে ক'ব পাৰোঁ যে গ্ৰাম্য নেতৃত্ব হ'ল গ্ৰাম্য সমাজ ব্যৱস্থাৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত নেতৃত্ব। ভাৰতীয় গ্ৰাম্য সমাজ ব্যৱস্থাৰ কিছুমান নিৰ্দিষ্ট চৰিত্ৰ আছে আৰু এই চৰিত্ৰসমূহেই গ্ৰাম্য ক্ষমতা আৰু নেতৃত্বৰ ৰূপ নিৰ্দ্ধাৰণ কৰে।



অনুশীলনী-১

- আপুনি জনা গ্রাম্য নেতা তিনিজনৰ এখন তালিকা বনাওক।

  .....

  .....

- আপোনাৰ মতে তেওঁলোকৰ নেতৃত্বৰ বুনিয়াদ কি?

  .....

  .....

- দলত তেওঁলোকৰ ভূমিকা কি কি?

  .....

  .....

এখন গ্রাম্য সমাজ বৈশিষ্ট্যসূচক ভাৱে নগৰীয়া সমাজতকৈ পৃথক। সামাজিক সম্পর্ক অর্থনীতি, শিক্ষাগত মানদণ্ড, জন গাঁথনি, স্বাস্থ্য সেৱা ইত্যাদি সকলোতে এই পার্থক্য পৰিলক্ষিত হয়। গ্রাম্য সমাজ ব্যৱস্থাৰ সামাজিক গাঁথনি জাতিগত প্রথাৰ বা জন জাতীয় সমতাবাদ, ৰক্ষণশীলতা, পৰম্পৰা আৰু ৰীতি-নীতিয়ে যথেষ্ট গুৰুত্ব লাভ কৰে আৰু সেয়ে বিভিন্ন উল্লেখযোগ্য পদ মর্যাদা আৰোপ কৰা হয়। এইবোৰেই ভাৰতীয় গ্রাম্য সমাজ ব্যৱস্থাৰ প্রধান বৈশিষ্ট্য বুলি গ্রহণ কৰিব পাৰি। এই বৈশিষ্ট্য সমূহেই গ্রাম্য সমাজ ব্যৱস্থাৰ গাঁথনি আৰু সামাজিক সম্পর্কৰ নিৰূপক। গ্রাম্য সমাজ গাঁথনি আৰু সামাজিক সম্পর্কই গ্রাম্য ক্ষমতাৰ গাঁথনি আৰু নেতৃত্বৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে আৰু ইয়াৰ স্বৰূপ নির্ণয় কৰে।

ভাৰতবর্ষৰ গ্রাম্য নেতৃত্ব অনুধাৱন কৰিবলৈ হ'লে আমি ইয়াৰ ধৰণ প্রকাৰ নির্ণয়ক আৰু বৈশিষ্ট্য সমূহ পৰীক্ষা কৰি চাব লাগিব।



অগ্রগতি খতিয়ান ১

প্রশ্ন নং ১ ঃ ভাৰতীয় গ্রাম্য সমাজ ব্যৱস্থাৰ চাৰিত্রিক বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ গ্রাম্য নেতৃত্ব বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৩ ঃ গ্রাম্য ক্ষমতাৰ গাঁথনিৰ সংজ্ঞা নিৰূপণ কৰক।

.....

.....

১২.৫.২ প্রকাৰ

ক্ষমতাৰ উৎস, ক্ষমতাৰ প্রকৃতি, সিদ্ধান্ত সমূহত উপনীত হোৱাৰ আহিঁ, মর্যাদা ইত্যাদি বিভিন্ন দিশ নেতৃত্বই সামৰি লয়। এই বিলাকৰ ওপৰত ভিত্তি কৰি গ্রাম্য নেতৃত্বক কেইবাটাও প্রকাৰত ভাগ কৰিব পাৰি। এই প্রকাৰ সমূহ আমি এতিয়া আলোচনা কৰিম।

➢ নেতৃত্বৰ গাঁথনিৰ প্রকৃতিৰ ওপৰত ভিত্তি কৰি নেতৃত্বক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক - এই দুটা শ্রেণীত বিভক্ত কৰিব পাৰি।

❍ **অনানুষ্ঠানিক ঃ** যি কোনো ধৰণৰ দলীয় পৰিস্থিতিত কিছুমান লোকে অধিক প্রভাৱশীল ভূমিকা পালন কৰা পৰিলক্ষিত হয়। তেওঁলোকৰ সিদ্ধান্ত সমূহক স্বীকৃতি দি সেই মতে কাম কৰা হয়। তেওঁলোকে আনকি জনসাধাৰণৰ কাম কাজো পৰিচালনা কৰে। উদাহৰণ স্বৰূপে, কোনো এখন গাঁৱত কিছুসংখ্যক লোক শিক্ষাগত ভাৱে অধিক মর্যাদা সম্পন্ন বা তেওঁলোক চৰকাৰৰ বিভাগীয় কার্য প্রণালীৰ ক্ষেত্রত সুপৰিচিত হ'ব পাৰে। দৈনন্দিন জীৱনৰ বিভিন্ন কথাত গাঁৱৰ মানুহবিলাকে তেওঁলোকক নেতা হিচাপে কোনো আনুষ্ঠানিক পদ-মর্যাদা, তেওঁলোকৰ সিদ্ধান্ত আৰু পৰামর্শ বা মতামত সমূহে কিন্তু সমাজত এটা অতি গুৰুত্বপূর্ণ আৰু সার্থক ভূমিকা পালন কৰে। পৰীক্ষা লব্ধ অধ্যয়নৰ পৰা এইটো দেখা গৈছে যে গাওঁবিলাক ৰাজনৈতিক দল বা অনুষ্ঠান সমূহত কিছুমান ব্যক্তিয়ে সক্রিয় ভূমিকা গ্রহণ কৰে আৰু কোনো ৰাজহুৱা পদমর্যাদা গ্রহণ নকৰাকৈয়ে নেতাৰূপে পৰিগণিত হয়।

❍ **আনুষ্ঠানিক ঃ** আনুষ্ঠানিক নেতৃত্বৰ এটা নির্দিষ্ট ৰূপ আৰু গাঁথনি আছে আৰু ইয়াৰ আছে প্রতিষ্ঠিত পদমর্যাদা। তদুপৰি ই এক আনুষ্ঠানিক ভাৱে অনুমোদিত অনুষ্ঠান। আন ভাষাত ক'বলৈ গ'লে, নেতাসকল হ'ল কর্তৃত্বপৰায়ণ লোক। ইয়াৰ অর্থ এইটোৱেই যে এজন লোক নেতা হ'বৰ বাবে প্রয়োজনীয় অর্হতা সমাজত বা দলৰ ভিতৰত সুস্পষ্ট ভাবে নির্দিষ্ট হৈ থাকে। প্রয়োজনীয় অর্হতা সম্পন্ন ব্যক্তিসকলে এই অর্হতা কৃত কার্যতাৰ মাজেদি নহয় আৰোপিত ভাবে লাভ কৰে। এই স্থান অধিকাৰ কৰে আৰু তেওঁলোকে মর্যাদা সহকাৰে সামাজিক ভাৱে নির্দিষ্ট দায়িত্বসমূহ পালন কৰিব লাগে। উদাহৰণ স্বৰূপে, (পৰৱর্ত্তী অধ্যায়টিত আমি এই সম্পর্কে অধিক আলোচনা কৰিম) গাঁও পর্যায়ত পঞ্চায়ত নিকায় সমূহ থাকে আৰু ইয়াৰ সদস্যসকল হ'ল নির্বাচিত প্রতিনিধি। তেওঁলোকৰ নূন্যতম অর্হতা আৰু স্থানীয় উন্নয়নৰ ক্ষেত্রত তেওঁলোকৰ দায়িত্ব বিধান সভাৰ এখন আইনৰ দ্বাৰা নির্দিষ্ট কৰা আছে। এইবোৰেই হ'ল আনুষ্ঠানিক নেতৃত্বৰ গাঁথনি।

➢ সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত সামগ্রিকভাৱে আৰু আছুতীয়াকৰণক নির্ণায়ক হিচাবে লৈ নেতৃত্বক গণতান্ত্রিক আৰু কর্তৃত্ববাদী - এই দুটা ভাগত ভাগ কৰিব পাৰি।

❍ **গণতান্ত্রিক ঃ** গণতান্ত্রিক পদ্ধতিত শেষ বিচাৰত উপকৃত হোৱা লোকসকলক জড়িত কৰি সমূহীয়া ভাৱে সিদ্ধান্ত সমূহ গ্রহণ কৰা হয়। নেতাজনে বা সকলে সিদ্ধান্ত গ্রহণ প্রক্রিয়াত সহায় কৰে। এইটো পঞ্চায়ত নিকায় সমূহৰ বৈশিষ্ট্য। ইয়াত গ্রাম সভাৰ নির্বাচন মণ্ডলীৰ দ্বাৰা অনুমোদিত পঞ্চায়তৰ সদস্য সকলে সমূহীয়া ভাৱে সিদ্ধান্ত সমূহ গ্রহণ কৰে। গুৰুত্বপূর্ণ সিদ্ধান্তসমূহ এখন সাধাৰণ সভা (গ্রাম সভা)ত গ্রহণ কৰা হয়। প্রাপ্তবয়স্ক সকলো নাগৰিকৰে নিজৰ মতামত দাঙি ধৰাৰ অধিকাৰ থাকে। ইয়াত জনসাধাৰণৰ বাবে লাভজনক বুলি ধাৰণা কৰা সিদ্ধান্ত সমূহকে সাধাৰণতে গ্রহণ কৰা হয়। অনানুষ্ঠানিক নেতৃত্বৰ ক্ষেত্রতো গণতান্ত্রিক ভাৱে সিদ্ধান্ত গ্রহণ কৰিব পাৰি। এই ক্ষেত্রত গ্রাম্য জনজাতীয় পৰিষদ বা জনজাতিসকলৰ গাঁৱলীয়া মেলৰ উদাহৰণটোকে ল'ব পাৰি। এই মেল আংশিক ভাৱে অনানুষ্ঠানিক। ইয়াত পদাধীন আৰু জনসাধাৰণ (পৰম্পৰাগত ভাৱে পুৰুষ সদস্য)ৰ মাজত অনুষ্ঠিত সাধাৰণ সভাত হোৱা ঐক্যমতৰ ভিত্তিত গাঁৱৰ মুখিয়াল সকল একোটা সিদ্ধান্তত উপনীত হয়।

❍ **কর্তৃত্ববাদী ঃ** কর্তৃত্ববাদী ব্যৱস্থাত দলৰ অন্যান্য সদস্যসকল জড়িত নকৰাকৈ ব্যক্তিগতভাৱে সিদ্ধান্ত গ্রহণ কৰা হয়। কেতিয়াবা কেতিয়াবা একোজন ব্যক্তিয়ে নিতান্তই অর্থ বা শাৰিৰীক শক্তিৰ সহায়ত নিজকে ক্ষমতাত অধিষ্ঠিত কৰে। তেওঁৰ অনুগামীৰ সংখ্যা তাকৰীয়া হ'ব পাৰে। সেই তাকৰীয়া অনুগামীৰ সহায়তেই তেওঁ আনৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। তেনেকুৱা নেতাই সকলো সিদ্ধান্ত নিজা ববীয়াকৈ কর্তৃ ত্ববাদী নেতাত পৰিগণিত হয়। উদাহৰণ স্বৰূপে, জমিদাৰী প্রথা বিলুপ্ত হোৱাৰ পূর্বে ভাৰতবর্ষৰ বহুত গাঁৱত একোজনকৈ সামন্ত প্রভু আছিল। তেওঁৰ বহুত মাটি আছিল আৰু তাত বহুত ভেৰোনীয়াকৈ ঘৰ, মাটি লোৱা লোক আছিল। সেই লোকসকলৰ ওপৰত তেওঁ কর্তৃত্ববাদী ক্ষমতা প্রয়োগ কৰিছিল। তেওঁৰ সকলো সিদ্ধান্ত গাওঁবাসীয়ে মানি ল'বলৈ বাধ্য হৈছিল। এই জমিদাৰসকল সাধাৰণতে গাওঁৰ মুখীয়াল হৈছিল আৰু গাওঁবাসীৰ ওপৰত কর্তৃত্ববাদী শাসন প্রয়োগ কৰিছিল।

➢ ক্ষমতাৰ উৎসৰ ওপৰত ভিত্তি কৰি মেক্স ৱেবাৰ নামৰ পণ্ডিত এজনে নেতৃত্বক তিনিটা ভাগত ভাগ কৰিছে। এই ভাগ কেইটা হ'ল -- পৰম্পৰাগত, যুক্তি নির্ভৰ /বিধিগত আৰু সম্মোহনী শক্তিধাৰী।

❍ **পৰম্পৰাগত ঃ** পৰম্পৰাগত নেতৃত্বৰ উৎস হ'ল পৰম্পৰাগত ৰীতি-নীতি আৰু নিয়ম কানুন। এইবোৰ অনুমোদিত আইনৰ ওপৰত প্রতিষ্ঠিত নহয়। কিন্তু যিহেতু এইবোৰ পৰম্পৰা, গতিকে এইবোৰৰ এটা শক্তিশালী সামাজিক ভেঁটি আছে। ভাৰতবর্ষৰ সমাজ ব্যৱস্থা হ'ল পৰম্পৰাগত। গতিকে ইয়াত বিভিন্ন প্রকাৰৰ পৰম্পৰাগত নেতৃত্বৰ উদাহৰণ পোৱা যায়। ভাৰতীয় হিন্দু সমাজ ব্যৱস্থা জাতিগত প্রথা ভিত্তিক। কেবাখনো গাঁৱৰ একেটা জাতিৰ মানুহখিনিৰ একোখন পঞ্চায়ত আছিল। আনকি এতিয়াও ভাৰতৰ কোনো কোনো অঞ্চলত এই পঞ্চায়ত ব্যৱস্থা চলি

আছে। এই পঞ্চায়ত ব্যৱস্থা বিধিসন্মত পঞ্চায়ত ৰাজ অনুষ্ঠানৰ পৰা সম্পূৰ্ণ সুকীয়া। এইবোৰ হ'ল জাতি-ভিত্তিক পঞ্চায়ত। এনে পঞ্চায়তে প্ৰতিনিধিত্ব কৰা জাতিটোৰ নিয়ম কানুন সমূহ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত আৰু জাতিটোৰ ঐক্য ৰক্ষাৰ প্ৰয়োজনীয়তাত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ গ্ৰহণ কৰে। গ্ৰাম্য জনগোষ্ঠীয় পৰিষদসমূহো এনে ধৰণৰ পৰম্পৰাগত নিকায়। পৰম্পৰাগত নেতৃত্ব সাধাৰণতে আনুষ্ঠানিক অনানুষ্ঠানিক অথবা আংশিক ভাৱে আনুষ্ঠানিক হয়। ই গণতান্ত্ৰিক হ'ব পাৰে বা কৰ্তৃত্ববাদীও হ'ব পাৰে।

❍ **বিধিগত ঃ** এই সকলৰ মূল ভেঁটি হ'ল আইন। ই আনুষ্ঠানিক আৰু যুক্তি নীতিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ গাঁথনি আৰু বিভিন্ন প্ৰয়োজনীয় ৰূপসমূহ পৰিস্থিতিৰ প্ৰয়োজন সাপেক্ষে যুক্তি সংগত ভাৱে সংশোধন কৰি বা সামান্য সাল-সলনি কৰি ল'ব পাৰি। অৱশ্যে সংশোধন কৰিবলৈ হ'লে আনুষ্ঠানিকতা অৱলম্বন কৰা প্ৰয়োজন। এই ক্ষেত্ৰত নূন্যতম অৰ্হতাত আৰোপিত থাকে। যুক্তি সংগতভাৱে বিভিসন্মত অনষ্ঠান আৰু নেতৃত্বৰ এটা উদাহৰণ হ'ল পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ।

❍ **সন্মোহনী শক্তিধাৰী ঃ** কোনো কোনো লোক নেতৃস্থানীয় ব্যক্তিলৈ উন্নীত হয় কিয়নো তেওঁলোকৰ কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য, মতামত আৰু কাৰ্যই সাধাৰণ মানুহক আকৰ্ষিত কৰে আৰু তেওঁলোকৰ নেতৃত্ব গ্ৰহণ কৰিবলৈ প্ৰৰোচিত কৰে। সন্মোহনী শক্তিত থাকে সন্মোহন আৰু চুম্বকত্ব। পৃথিৱীৰ দুজন উল্লেখযোগ্য সন্মোহনী শক্তিধাৰী ব্যক্তি হ'ল যীশুখ্ৰীষ্ট আৰু মহাত্মা গান্ধী। ভাৰতীয় গ্ৰাম্য প্ৰেক্ষাপটত দেখা যায় যে কিছুমান লোক তেওঁলোকৰ আধ্যাত্মিকতা আৰু জ্ঞানৰ বলত নেতৃস্থানীয় ব্যক্তিলৈ উন্নিত হয়।

➢ ক্ষমতাৰ উৎসৰ প্ৰকৃতিৰ দৃষ্টি কোণৰ পৰা চালে দেখা যায় যে নেতৃত্ব আৰোপিত নাইবা আয়ত্ত কৰি লোৱা হয়।

❍ **আৰোপিত নেতৃত্ব ঃ** আৰোপিত গুণৰ ভিত্তিত যি নেতৃত্ব প্ৰদান কৰা হয় তাক আৰোপিত নেতৃত্ব বুলি কোৱা হয়। ভাৰতীয় প্ৰেক্ষাপটত জাতি, বৈশিষ্ট্য পূৰ্ণ বংশ, গোষ্ঠী, লিংগ, বয়স ইত্যাদি নেতৃত্ব আৰোপৰ ক্ষেত্ৰত বিশেষ ভাৱে বিবেচিত হয়। উদাহৰণ স্বৰূপে ট্ৰাইবেল কাউন্সিলৰ নেতাজন এটা বিশেষ গোষ্ঠীৰ হ'ব লাগিব। তেওঁ হ'ব লাগিব পুৰুষ আৰু যথাসম্ভৱ এটা নিৰ্দিষ্ট বয়সৰ। আনকি ধৰ্ম আৰু ৰীতি-নীতি সম্পৰ্কীয় বিষয় সমূহৰ ক্ষেত্ৰতো সেই অঞ্চলসমূহত একমাত্ৰ এটা বিশেষ জাতি, গোষ্ঠী বা বংশৰ লোকেহে নেতৃত্ব দিব পাৰে। এইবোৰ যদিও পৰম্পৰাগত নেতৃত্বৰ উদাহৰণ, আনুষ্ঠানিক, যুক্তি নিৰ্ভৰ আইন সংগত নেতৃত্বতো আনকি এজন লোকৰ নেতাৰ স্থানলৈ উত্তৰণ হোৱাৰ ক্ষেত্ৰত আৰোপিত পদ-মৰ্যাদাই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পঞ্চায়ত নিকায় সমূহৰ নিৰ্বাচনৰ ক্ষেত্ৰত জাত-পাতে ভাৰতবৰ্ষত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

❍ **আয়ত্ত্বিক নেতৃত্ব ঃ** শিক্ষাগত অৰ্হতা, কৌশল, জ্ঞান, অৰ্থ-সম্পত্তি, নাগৰিকত্ব আদি আয়ত্ব কৰি লোৱা গুণসমূহ য'ত নেতৃত্বৰ ভিত্তি হিচাপে বিবেচিত হয় তাকেই আয়ত্ত্বিত নেতৃত্ব

বুলি কোৱা হয়। যুক্তিপূর্ণ আইন সংগত নেতৃত্বৰ ক্ষেত্রত আয়ত্ব কৰি লোৱা গুণ সমূহে মুখ্য ভূমিকা পালন কৰে। অৱশ্যে নেতৃত্বৰ ক্ষেত্রত সততে আৰোপিত আৰু আয়ত্বিত দুয়োটা নেতৃত্বই এটাই আনটোৰ পৰিপূৰক হিচাপে কাম কৰা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে আমি ইতিমধ্যেই আলোচনা কৰি আহিছোঁ যে পঞ্চায়ত নিকায়সমূহলৈ নির্বাচিত হ'বলৈ হ'লে এফালে যেনেকৈ এগৰাকী ব্যক্তি ভাৰতীয় নাগৰিক হোৱাটো বাধ্যতামূলক ঠিক তেনেদৰে তেওঁৰ সর্বনিম্ন বয়স ২৫ বছৰতকৈ কম হ'ব নোৱাৰিব। নির্বাচনত জয়লাভ কৰিবলৈ আয়ত্বিত গুণ যেনে শিক্ষা, অর্থসম্পত্তি, আনকি কৌশলৰো ব্যৱহাৰ কৰিব পৰা ক্ষমতা আদি যেনেকৈ প্রয়োজন ঠিক তেনেকৈ প্রয়োজনীয় গোষ্ঠী, জাত, বংশ মর্যাদা আদি আৰোপিত গুণসমূহ। আৰোপিত আৰু আয়ত্বিত দুয়োবিধ গুণেই হ'ল এই ক্ষেত্রত নির্ণায়ক।

- নেতৃত্বক আমি আকৌ ব্যক্তিগত আৰু সামূহিক এই দুটা শ্রেণীত বিভক্ত কৰিব পাৰোঁ।

- **ব্যক্তিগত ঃ** যেতিয়া নেতৃত্বৰ ক্ষেত্রত ব্যক্তিগত সিদ্ধান্ত গ্রহণ কৰা হয় অর্থাৎ এজন ব্যক্তিয়েই সকলো সিদ্ধান্ত গ্রহণ কৰে তেতিয়া তাক ব্যক্তিগত নেতৃত্ব বোলা হয়। উদাহৰণ স্বৰূপে বহুবোৰ পৰম্পৰাগত নেতৃত্বৰ ক্ষেত্রত এজন মাত্র নেতাই সিদ্ধান্ত গ্রহণ আৰু কাম-কাজ সংগঠিত কৰাৰ ক্ষমতা প্রয়োগ কৰা পৰিলক্ষিত হয়। অৱশ্যে এই ক্ষেত্রত নেতাজনে সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ দ্বাৰা প্রভাৱান্বিত আন মানুহকো অন্তর্ভুক্ত কৰি ল'ব পাৰে।

- **সামূহিক ঃ** এজন ব্যক্তিৰ বিপৰীতে এদল লোকে সমূহীয়া ভাৱে য'ত সিদ্ধান্ত গ্রহণ কৰে তাকেই সামূহিক নেতৃত্ব বুলি কোৱা হয়। পঞ্চায়ত নিকায় সমূহ সমূহীয়া নেতৃত্বৰ উদাহৰণ। এই নিকায়সমূহৰ সকলো সিদ্ধান্ত সামুহিক ভাৱে লোৱা হয়। কেতিয়াবা কেতিয়াবা গ্রহণ কৰা সিদ্ধান্ত সমূহৰ দ্বাৰা প্রভাৱান্বিত লোক সকলক সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত জড়িত নকৰাৰ ফলত সামূহিক নেতৃত্ব কর্তৃত্বশীল নেতৃত্বলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হয়।

ইয়াৰ লগতে আমি যোগ দিব পাৰো বংশানুক্রমিক আৰু নির্বাচিত নেতৃত্ব তথা এজন ব্যক্তিৰ বহল সামাজিক জীৱন পৰিসৰৰ লগত জড়িত ৰাজনৈতিক, ধর্মীয়, আধ্যাত্মিক আৰু সামাজিক নেতৃত্ব।

এইদৰেই বিভিন্ন ধৰণৰ নেতৃত্বৰ বিশ্লেষণৰ পৰা দেখা যায় যে নেতৃত্বৰ বহুতো দিশ আৰু চাৰিত্রিক বৈশিষ্ট্য আছে। এই দিশসমূহৰ ভিতৰত গঠন, সামাজিক আৰু আছুতীয়া সিদ্ধান্ত গ্রহণ ক্ষমতা আৰু কর্তৃত্বৰ উৎস, গুণসমূহৰ প্রকৃতি আৰু ক্ষমতা বিতৰণত জনসাধাৰণৰ জড়িতকৰণ, ইয়াৰ লগত জড়িত হৈ থকা সামাজিক জীৱনৰ পৰিসৰ ইত্যাদি বিশেষ ভাৱে পর্ণিধানযোগ্য।



অগ্রগতি নিৰীক্ষণ ২

তলৰ কথাখিনি শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

প্রশ্ন নং ১ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাই এটা অনানুষ্ঠানিক ধৰণৰ নেতৃত্বক প্রতিনিধিত্ব কৰে।

.....

.....

প্রশ্ন নং ১ ঃ গ্রাম্য জন-জাতীয় পৰিষদ সমূহ ক্ষমতাৰ আধুনিক গাঁথনি।

.....

.....

১২.৫.৩ নেতৃত্ব নির্ধাৰণ কৰা কাৰকসমূহ

ওপৰৰ নেতৃত্ব সম্পর্কে কৰা আলোচনাৰ পৰা গ্রাম্য নেতৃত্বৰ প্রভাৱশালী কাৰকসমূহৰ সম্পর্কেও আপোনালোকে সম্যক ধাৰণা এটা লাভ কৰিছে। এই উপশাখাটোত এই-তথ্যসমূহ পুনঃ অভিযোজন কৰা হৈছে। বুজিবলৈ সহজ কৰাৰ উদ্দেশ্যে আমি আৰোপিত আৰু আয়ত্বিত গুণসমূহৰ দৃষ্টিকোণৰ পৰা প্রভাৱশালী কাৰকসমূহ বিবেচনা কৰা হ'ব । কাৰণ শেষ বিচাৰত আৰোপিত বা আয়ত্তিত বিশেষ গুণসমূহৰ ভিত্তিত এটা বিশেষ পৰিস্থিতিত এজন ব্যক্তি নেতালৈ ৰূপান্তৰিত হয়। পৰিস্থিতি আৰু গুণসমূহ নেতৃত্বৰ ক্ষেত্রত ইটো সিটোৰ পৰিপূৰক হয়। বিভিন্ন পৰিস্থিতিত বিভিন্ন গুণসমূহে এজন ব্যক্তিক নেতৃত্ব প্রদান কৰে।

আধুনিক ভাৰতবর্ষত পৰম্পৰাগত আৰু আধুনিক দুয়োটা ক্ষমতা গাঁথনিয়েই পাৰস্পৰিক ভিত্তিত ক্রিয়াশীল। এই দুয়োটা গাঁথনিতেই আয়ত্তিত আৰু আৰোপিত গুণৰাশিয়ে নেতৃত্বৰ স্বৰূপ নিৰূপণ কৰে।

➢ **আৰোপিত**

❍ **জাতি/সম্প্রদায় ঃ** ভাৰতবর্ষৰ প্রায় সকলোবোৰ গাঁৱৰে মূল ভেঁটি হ'ল জাত বা সম্প্রদায় আৰু একেখন গাঁৱতে বিভিন্ন সম্প্রদায়ৰ লোকে বসবাস কৰে। এনেধৰণে বিভিন্ন সম্প্রদায় থকা গাওঁবিলাকত প্রভাৱশীল সম্প্রদায় সমূহে প্রতিপত্তিশীল ভূমিকা পালন কৰে। ইয়াৰ ফলত সেই সম্প্রদায়ৰ লোকসকল পৰম্পৰাগত নেতালৈ ৰূপান্তৰিত হয়। পঞ্চায়তীৰাজ অনুষ্ঠানৰ দৰে আধুনিক ক্ষমতাৰ গাঁথনিত সংখ্যাগত ভাৱে অধিক শক্তিশালী সম্প্রদায়সমূহে তেওঁলোকৰ প্রতিনিধি সমূহক নির্বাচিত কৰি নেতৃত্ব দখল কৰে।

পঞ্চায়ত নিকায়সমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি সকলৰ বাবে সংৰক্ষণ

ব্যৱস্থা থকাৰ বাবে আধুনিক ৰাজনৈতিক প্ৰতিষ্ঠান সমূহতো আনকি সম্প্ৰদায়ে এক বিশেষ নেতৃত্বসুলভ ভূমিকা পালন কৰে।

- **লিংগ ঃ** পৰম্পৰাগত নেতৃত্বৰ ক্ষেত্ৰত লিংগই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰম্পৰাগত সমাজসমূহত পুৰুষসকলে ৰাজহুৱা কাম-কাজত অংশ গ্ৰহণ কৰে। ফলত তেওঁলোকে ৰাজহুৱা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত আৰু সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰে। এইদৰেই পৰম্পৰাগত ক্ষমতাৰ গাঁথনিত পুৰুষসকলে নেতৃত্ব দখল কৰিবলৈ সমৰ্থ হয়।
- **বয়স ঃ** একেধৰণে পৰম্পৰাগত ক্ষমতাৰ গাঁথনিত বয়সে এক বিশেষ ভূমিকা পালন কৰে। প্ৰয়োজনীয় অৰ্হতা থকা বয়সীয়াল লোকসকলক নেতা হিচাপে বাচি লোৱা হয়। কিয়নো সামাজিক ৰীতি-নীতি আৰু বান্ধোনসমূহ তেওঁলোকে ভালদৰে জানে বুলি আৰু জন-সাধাৰণক সুপথে পৰিচালিত কৰিব পৰা প্ৰয়োজনীয় জ্ঞান তেওঁলোকৰ আছে বুলি ধৰি লোৱা হয়। আধুনিক কালতো অনানুষ্ঠানিক নেতৃত্ব আৰু পঞ্চায়ত নিকায়সমূহত বয়সে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উল্লেখযোগ্য যে পঞ্চায়তৰ নিকায়সমূহত প্ৰতিদ্বন্দিতা কৰিবৰ বাবে প্ৰয়োজনীয় নূন্যতম বয়স হ'ল ২১ বছৰ। পঞ্চায়তী ব্যৱস্থাত আন আন বহুতো গুণ বিশেষকৈ আয়ত্তিত গুণ কিছুমান নেতৃত্ব লাভ কৰিবৰ বাবে প্ৰয়োজন হয়।
- **তেজৰ সম্পৰ্ক ঃ** আধুনিক আৰু অনানুষ্ঠানিক তথা পৰম্পৰাগত আৰু আধুনিক ক্ষমতা গাঁথনিত গাওঁসমূহৰ উচ্চ মৰ্যাদা সম্পন্ন একোটা ফৈদ বা বংশৰ সদস্য সকল তেওঁলোকৰ সংখ্যাগত গৰিষ্ঠতা, অৰ্থনৈতিক স্বচ্ছলতা বা সামাজিক মৰ্যাদাৰ ভিত্তিত নেতৃত্ব লাভ কৰিবলৈ সক্ষম হয়।

➢ **আয়ত্বিত**

- **সম্পত্তি ঃ** সকলো ঠাইতে প্ৰায় সকলো সময়তে ক্ষমতা আহৰণত সম্পত্তিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পূৰ্বৰ গ্ৰাম্য ক্ষমতা গাঁথনিত জমিদাৰ সকলে গাওঁবাসীৰ ওপৰত কৰ্তৃত্ববাদী ক্ষমতা প্ৰয়োগ কৰি আহিছিল। গাঁৱৰ সম্পত্তিবান লোকসকলে সমাজত এক উচ্চ স্থান লাভ কৰে। সাধাৰণ মানুহে হয় তেওঁলোকক সন্মান কৰে, নহয় তেওঁলোকক ভয় কৰে। আধুনিক ক্ষমতা গাঁথনিবোৰত সম্পত্তিৰ ভূমিকা বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ। জিলা পৰিষদৰ দৰে পঞ্চায়ত নিকায়সমূহত সম্পত্তিয়ে সবাতোকৈ উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে।
- **বৃত্তি/জীৱিকা ঃ** কিছুমান বিশেষ বৃত্তিয়ে সদস্যসকলক এটা সুবিধাজনক স্থান প্ৰদান কৰে। অৱশ্যে অঞ্চল বিশেষে ই হীন-ডেড়ি হয়। কিছুমান গাঁৱত ধনী খেতিয়কসকল, কিছুমান গাঁৱত আকৌ শিক্ষিত বৃত্তিধাৰী সকল নেতালৈ ৰূপান্তৰিত হয়। আকৌ, প্ৰায় সকলো ঠাইতে, শাসকীয় নেতৃত্বৰ ক্ষেত্ৰত আমোলাসকলে আৰু বিকশিত শাসনৰ ক্ষেত্ৰত

বিশেষ কিছুমান বৃত্তিধাৰীয়ে নেতৃত্ব লাভ কৰে।

- **শিক্ষা/জ্ঞান আৰু সচেতনতা ঃ** পৰম্পৰাগত আৰু আধুনিক দুয়োবিধ ক্ষমতা গাঁথনিতে শিক্ষা/জ্ঞান আৰু সচেতনতা এটা অত্যন্ত আৱশ্যকীয় গুণ। আধুনিক নিৰ্বাচিত তথা বিকাশমুখী নেতৃত্বৰ ক্ষেত্ৰত ই তুলনামূলকভাৱে এক অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- **প্ৰশাসনিক সামৰ্থ্য ঃ** বিকাশ সূচক আঁচনি সমূহৰ লগত জড়িত আমোলা আৰু বৃত্তিধাৰীসকলৰ প্ৰশাসনিক সামৰ্থ্য থকাটো অতীব প্ৰয়োজনীয়।
- **কৰ্ম আৰু বিকাশমুখী চিন্তা ঃ** স্বাধীনতাৰ পিছৰ পৰাই গ্ৰাম্য সমাজৰ বিকাশৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণে যথেষ্ট গুৰুত্ব লাভ কৰি আহিছে লগতে গাঁৱৰ লোকসকলো বিকাশ ব্যৱস্থাৰ উপকাৰিতা সমূহৰ প্ৰতি সতৰ্ক হোৱা পৰিলক্ষিত হৈছে। ফলত কৰ্ম আৰু বিকাশমুখী চিন্তাৰ দ্বাৰা আকৃষ্ট লোকসকলেই গ্ৰাম্য নেতৃত্ব লাভ কৰিবলৈ সক্ষম হৈছে।

➢ আন উল্লেখযোগ্য নিৰ্ণায়ক সমূহ হ'ল-

- ৰাজনৈতিক দলসমূহ আৰু শাখাৰূপে অন্তৰ্ভূক্ত উপদলসমূহ
- সামাজিক মৰ্যাদা আৰু গোষ্ঠী/বংশ
- নাগৰিকত্ব
- আঞ্চলিক অন্তৰ্ভূক্তিকৰণ
- বিশেষ স্থান কিছুমানৰ লগত সম্বন্ধ

এই আৰোপিত আৰু আয়ত্বিত সমূহ গুণে সকলো সময়তে সংযোজিত হৈ ক্ৰিয়া কৰে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক নেতৃত্ব তথা পৰম্পৰাগত আৰু আধুনিক গাঁথনিসমূহত এই কাৰকসমূহে আন্তঃক্ৰিয়াৰ মাজেদি এজন ব্যক্তি নেতৃত্বত অধিষ্ঠিত হোৱাত অৰিহণা যোগায়। ফলত পৰম্পৰাগত নেতৃত্ব লাভৰ ক্ষেত্ৰত এটা বিশেষ সম্প্ৰদায় বা বংশৰ উন্নয়নমূলক চিন্তাৰে পৰিপুষ্ট শিক্ষিত আৰু আঢ্যৱন্ত ব্যক্তিসকলে আনতকৈ অধিক সুযোগ লাভ কৰে। সেই একে ধৰণৰ অৰ্হতাসমূহ আধুনিক গণতান্ত্ৰিক নেতৃত্বৰ ক্ষেত্ৰতে বহু পৰিমাণে প্ৰযোজ্য। বিভিন্ন ধৰণৰ উন্নয়নমূলক আঁচনি কাৰ্যকৰী কৰা তথা অন্যান্য নানা তৰহৰ কাৰকৰ ক্ৰিয়াশীলতাৰ ফলত ভাৰতীয় সমাজ ব্যৱস্থা আৰু গাওঁসমূহৰ গাঁথনিৰ যথেষ্ট পৰিৱৰ্তন সংঘটিত হৈছে। ফলত নেতৃত্বৰ আৰ্হিৰো সলনি হৈছে। এই পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত আমি এতিয়া ভাৰতীয় গ্ৰাম্য নেতৃত্বৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিম।

১২.৫.৪ বৈশিষ্ট্য

➢ পৰম্পৰাগত আৰু নিৰ্বাচিত তথা আমোলাতান্ত্ৰিক দুয়োবিধ নেতৃত্বৰ অস্তিত্ব।

➢ ক্ৰমাগতভাৱে হ্ৰাস পাই অহা সত্বেও এতিয়ালৈকে বৰ্তি থকা উচ্চ সম্প্ৰদায়সমূহৰ ক্ষমতাসীন লোকসকলৰ সামাজিক মৰ্যাদা বিন্যাসৰ পৰম্পৰাগত আৰ্হি।

- গণতান্ত্রিকৰণ আৰু বিকশিত গ্রাম্যসমাজৰ সমতাবাদ আৰু তাৰ ফলশ্রুতি স্বৰূপে জন্ম লাভ কৰা ধর্ম নিৰপেক্ষ পটভূমিৰ নিম্ন সম্প্রদায়, অনুসূচিত জাতি, জনজাতি আদিৰ মাজৰ পৰা নেতৃত্বৰ উত্থান।
- নেতৃত্বৰ চর্ত হিচাপে আয়ত্বিত আৰু আৰোপিত গুণসমূহৰ সংযোজন গঠন।
- ডেকা নেতৃত্বৰ উত্থান। গ্রাম্য নেতৃত্বৰ অধিকাংশই মধ্যবয়সীয়া লোকৰ দ্বাৰা পৰিচালিত।
- জনসাধাৰণ আৰু নেতৃত্বৰ মাজত সংস্কাৰৰ প্রতি ক্রমবর্দ্ধমান সজাগতা।
- আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োবিধ নেতৃত্বত অস্তিত্ব আৰু কার্যকাৰীতা বিকাশ।
- নেতৃত্বৰ ক্ষেত্রত ব্যক্তিগত, সামূহিক, বংশানুক্রমিকৰ পৰা ভোটৰদ্বাৰা নির্ণীতকৰণ ব্যৱস্থালৈ আৰু আৰোপকৰণৰ পৰা ক্রিয়াত্মক ৰূপলৈ উত্তৰণ।
- গ্রাম্য নেতৃত্বত শিক্ষা আৰু সাক্ষৰতাৰ ক্রমবর্দ্ধমান প্রয়োজনীয়তা।
- মধ্যবিত্ত শ্রেণীভূক্ত লোকৰ সংখ্যা তাৎপর্যপূর্ণভাৱে বৃদ্ধি আৰু শ্রেষ্ঠলোকৰ গাঁথনিত অধিক ব্যৱধান নিৰূপণ।
- ৰাজনৈতিক ক্ষেত্রৰ শ্রেষ্ঠ লোক আৰু নেতৃত্বৰ আধিপত্য
- বিভিন্ন বৃত্তিধাৰী লোকৰ মাজৰ পৰা নেতা বাচনি।
- আঞ্চলিক আৰু একে কার্যত নিয়োজিত গোট সমূহৰ ওপৰত গুৰুত্ব আৰোপ।
- ৰাজনীতিগত সাংস্কৃতিক আদর্শৰ গুৰুত্বপূর্ণ ভূমিকা।
- ৰাজনৈতিক দলসমূহৰ ভূমিকা আৰু ৰাজনৈতিক দল আৰু উপদলসমূহৰ অন্তর্ভূক্তিকৰণ।
- গ্রাম্য নেতৃত্বৰ ৰাজনীতিকৰণ
- নাৰী নেতৃত্বৰ অভাৱ

এই বৈশিষ্ট্যসমূহে ভাৰতীয় ৰাজনৈতিক গাঁথনি সমূহৰ প্রধানতঃ গ্রাম্য সামাজিক-ৰাজনৈতিক গাঁথনিসমূহৰ আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তৎসত্ত্বেও ভাৰতীয় সমাজ ব্যৱস্থা পৰম্পৰাগত হোৱা আৰু ই স্ব-সৃষ্ট আধুনিকতাবাদৰ ফালে গতি কৰাৰ পৰিপ্রেক্ষিতত এই সমাজ ব্যৱস্থাৰ স্বৰূপ পৰম্পৰাগত আৰু আধুনিক চৰিত্র বিশিষ্ট গ্রাম্য কেন্দ্রিক হ'বলৈ বাধ্যৰ্দ।

১২.৬ গ্রাম্য নেতৃত্ব অধ্যয়নৰ তাৎপর্য

- নেতাসকল হ'ল পৰিৱর্তনৰ অনুঘটক। তেওঁলোকে ৰাজহুৱা মতামতৰ গঢ় দিয়ে, সামূহিক আঁচনিৰ যোগেদি সামূহিক শক্তি সংগঠিত কৰে, সাংগঠনিক আঁচনিৰ প্রয়োজনীয় সাল-সলনি কৰে আৰু সমাজ পৰিবর্তনৰ এজেন্সি ৰূপে কাম কৰে।
- ৰাজহুৱা কর্ম আঁচনিত প্রকাশ পাব লগা আৰু কার্যকৰী কৰিব লগা অন্তর্নিহিত গুণসমূহ

নির্দ্ধাৰণ কৰি চৰকাৰৰ অংশীদাৰী নেতাসকলে সমাজ ব্যৱস্থাৰ পৰিৱর্তনত আগতীয়া ব্যৱস্থা গ্রহণৰ ক্ষেত্রত এক তাৎপর্যপূর্ণ ভূমিকা পালন কৰে।

- "সমাজৰ শ্রেষ্ঠ লোক সমষ্টিৰ (এলিটসকলৰ) আৰু নেতাসকলৰ কাম-কাজসমূহলৈ লক্ষ্য কৰি সমাজ ব্যৱস্থা কিদৰে পৰিচালিত হৈছে তাৰ এটা সাৰমর্ম ধর্মী আভাস পাব পাৰি।" (কার্ল মেন্‌হেইম- (Karl Manheim) ৰ মতে যিহেতু সমাজত নেতাসকলে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে, গতিকে তেওঁলোকৰ কাম কাজ অধ্যয়ন কৰিয়েই সমাজৰ প্রকৃত স্বৰূপ নিৰূপণ কৰিব পাৰি।
- ভাৰত চৰকাৰে সামাজিক আৰু অর্থনৈতিক উন্নয়নৰ পৰিৱর্তনৰ ক্ষেত্রত বিভিন্ন গুৰুত্বপূর্ণ আঁচনি গ্রহণ কৰিছে। গতিকে নেতৃত্বৰ সমাজতাত্বিক প্রগতি আনুধাৱন কৰাটো অত্যন্ত প্রয়োজনীয় হৈ পৰিছে।

এইবিলাক হ'ল কেইটামান অন্যতম কাৰণ - যাৰ বাবে গ্রাম্য নেতৃত্বৰ অধ্যয়ন সমাজতত্ব অধ্যয়নৰ বাবে অতি প্রয়োজনীয়।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় গ্রাম্য ক্ষমতা গাঁথনি পাৰস্পৰিক ভাৰ বিনিময়, পৰম্পৰাগত আৰু আধুনিক ক্ষমতা গাঁথনিৰ দ্বাৰা নিয়ন্ত্রিত। এই ক্ষমতা গাঁথনিৰ মাজৰ পৰাই নেতৃত্বৰ উদ্ভৱ হয়।
- ভাৰতীয় গ্রাম্য নেতৃত্ব আয়ত্বিত আৰু আৰোপিত গুণসমূহৰ বিন্যাসৰ ফলত উদ্ভুত আৰু ইয়েই গ্রাম্য নেতৃত্বৰ নিৰূপক হিচাপে কাম কৰে।
- গ্রাম্য নেতৃত্বৰ বিভিন্ন প্রকাৰ সমূহৰ বিশ্লেষণ তথা চাৰিত্রিক বৈশিষ্ট্য আৰু নিৰূপক সমূহৰ ওপৰত ভিত্তি কৰি আমি সংক্ষিপ্ততে ক'ব পাৰো যে ভাৰতবর্ষ আধুনিকীকৰণৰ দিশত অগ্রসৰ হৈছে আৰু বর্তমান অৱস্থাত ই-স্ব-সৃষ্ট এক আধুনিকতা প্রদর্শন কৰিছে।



১২.৮ অধিক জানিবলৈ

১. A.R. Desai Rural Sociology, Popular Prakashan, Mumbai



১২.৯ অগ্রগতিৰ খতিয়ন

১নং প্রশ্নৰ উত্তৰ ঃ

ক। বংশ ভিত্তিক পৰম্পৰাগত, ধর্মাশ্রয়ী আৰু আৰোপিত মর্যাদা।

খ। প্রয়োজনীয় বুলি বিবেচিত তথা গ্রাম্য সমাজৰ বৈশিষ্ট্যসূচক কিছুমান লক্ষ্য কার্যকৰী কৰাৰ ক্ষেত্রত যি নেতৃত্বই জন সাধাৰণক সহযোগিতা কৰাৰ ক্ষেত্রত প্রভাৱিত কৰে

সিয়েই গ্ৰাম্য নেতৃত্ব।

গ। গ্ৰাম্য সমাজৰ ক্ষমতাৰ লগত জড়িত বিভিন্ন গোটসমূহ আৰু সম্পৰ্কীয় লোক সকলৰ গাঁথনিয়েই হ'ল গ্ৰাম্য ক্ষমতাৰ গাঁথনি।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১। ভুল ২। ভুল



১২.১০ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গ্ৰাম্য নেতৃত্ব কি? সমাজতত্বত গ্ৰাম্য নেতৃত্ব অধ্যয়নৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ গ্ৰাম্য নেতৃত্বৰ বৈশিষ্ট্যসমূহ কি কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ গ্ৰাম্য ক্ষমতা গাঁথনিৰ প্ৰকৃতি চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ গ্ৰাম্য নেতৃত্বৰ প্ৰকাৰসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতীয় গ্ৰাম্য নেতৃত্বৰ নিৰ্দ্ধাৰক সমূহৰ ওপৰত এটা টোকা লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ ভাৰতীয় সমাজৰ পৰিৱৰ্তনৰ প্ৰক্ৰিয়া

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সামাজিক পৰিৱৰ্তনৰ অৰ্থ আৰু বৈশিষ্ট
১৩.৪ ভাৰতীয় সমাজত সামাজিক পৰিৱৰ্তন
১৩.৫ সংস্কৃতকৰণ
    ১৩.৫.১ সংস্কৃতকৰণৰ সমালোচনা
১৩.৬ পাশ্চাত্যকৰণ
    ১৩.৬.১ পাশ্চাত্যকৰণৰ সমালোচনা
১৩.৭ আধুনিকীকৰণ
    ১৩.৭.১ আধুনিকীকৰণৰ সমালোচনা
১৩.৮ ঔদ্যোগিকীকৰণ
    ১৩.৮.১ ভাৰতত ঔদ্যোগিকীকৰণ
    ১৩.৮.২ ঔদ্যোগিকীকৰণৰ সমালোচনা
১৩.৯ বিশ্বায়ন অথবা গোলকীকৰণ
    ১৩.৯.১ বিশ্বায়নৰ সমালোচনা
১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১১ অধিক জানিবলৈ
১৩.১২ অগ্ৰগতিৰ খতিয়ান
১৩.১৩ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সামাজিক পৰিৱৰ্তন কাক বোলে জানিব পাৰিব
- সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াটো বুজি পাব
- সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াবোৰৰ ধাৰণাসমূহ বুজি পাব
- সমাজৰ পৰিৱৰ্তন অধ্যয়ন কৰাৰ সময়ত সংস্কৃতকৰণ, পাশ্চত্যকৰণ, আধুনিকীকৰণ, বিশ্বায়ন আৰু ঔদ্যোগিকীকৰণৰ ভূমিকা কিয় গুৰুত্বপূৰ্ণ সেয়া জানিব পাৰিব।

১৩.২ পৰিচয়

পৰিৱৰ্তন হ'ল জগতৰ এটা সাৰ্বজনীন প্ৰক্ৰিয়া। প্ৰতিটো জীৱিত বস্তুৰেই প্ৰস্তৰ যুগৰ পৰা বৰ্তমানৰ আধুনিক যুগলৈ নানা পৰিৱৰ্তনৰ মাজেদি বিৱৰ্তন ঘটিছে। একো কথাই অপৰিৱৰ্তনশীল নহয়।

১৩.৩ সামাজিক পৰিৱৰ্তনৰ অৰ্থ আৰু বৈশিষ্ট্য

'সামাজিক পৰিৱৰ্তন' বোলা অভিধাটো সমাজশাস্ত্ৰৰ এক গুৰুত্বপূৰ্ণ বিষয়। বিভিন্ন সমাজশাস্ত্ৰবিদে সমাজৰ পৰিৱৰ্তনবোৰৰ আধাৰত বহুতো তত্ত্ব বিকশিত কৰিছে। সমাজশাস্ত্ৰৰ জনকৰূপে পৰিচিত আগষ্ট কোটেই সমাজশাস্ত্ৰক দুভাগত বিভক্ত কৰিছিল। ইয়াৰে এটা ভাগ হ'ল 'সামাজিক গতিশীলতাৰ অধ্যয়ন' আৰু আনটো হ'ল সামাজিক 'স্থিৰতাৰ অধ্যয়ন'। নামৰ পৰাই বুজা যায় যে সামাজিক গতিশীলতাই সামাজিক ব্যৱস্থাত হোৱা পৰিৱৰ্তনবোৰ আৰু সামাজিক স্থিৰতাই সমাজৰ সামাজিক গাঁথনিটো অধ্যয়ন কৰে। সামাজিক পৰিৱৰ্তন হ'ল সামাজিক গতিশীলতাৰ এক অংশ। ইয়াৰ দ্বাৰা সমাজ এখনৰ সামাজিক অনুষ্ঠান, স্বীকৃত আচাৰ-বিধি প্ৰমূল্য, ভূমিকা তথা প্ৰস্থিতি কেনেদৰে সলনি হয় সেয়া অধ্যয়ন কৰা হয়। যেনে— পৰিয়াল বোলা সামাজিক অনুষ্ঠানটো কেনেদৰে 'যৌথ'ৰ পৰা 'একক' পৰিয়াললৈ সলনি হৈছে সেয়া সামাজিক পৰিৱৰ্তনৰ অধ্যয়নৰ বিষয়।

- সামাজিক পৰিৱৰ্তন হটাতে নঘটে। ই এক অবিৰত প্ৰক্ৰিয়া। পৰিৱৰ্তন ঘটিবলৈ এমাহ নাইবা এবছৰ নাইবা এটা দশকৰ প্ৰয়োজন হ'ব পাৰে। পৰিৱৰ্তন হ'ল অতি মন্থৰ গতিৰে পৰ্যায়ক্ৰমিকভাৱে চলা প্ৰক্ৰিয়া। ভাৰততো সমাজবোৰৰ সামাজিক গাঁথনি পৰিৱৰ্তনৰ ধাৰাটো অতি লেহেমীয়া।
- পৰিৱৰ্তন প্ৰক্ৰিয়া সংস্কৃতি অথবা সমাজভেদে ভিন ভিন ধৰণৰ হ'ব পাৰে। পৰিৱৰ্তন ভৌগলিক অথবা ভৌতিক পটভূমিৰ ওপৰত নিৰ্ভৰশীল।
- জৈৱিক, প্ৰযুক্তিগত, জলবায়ুভিত্তিক, ভৌতিক আদি বিভিন্ন কৰেকৰ মাজত সংঘটিত হোৱা আন্তঃক্ৰিয়াৰ মাধ্যমেৰে সামাজিক পৰিৱৰ্তন ঘটিব পাৰে।
- সামাজিক পৰিৱৰ্তনে মানৱীয় পৰিৱৰ্তনো সাধন কৰে। এটা ধীৰ প্ৰক্ৰিয়া হোৱা সত্বেও সমাজত হোৱা যিকোনো পৰিৱৰ্তনে মানুহৰ আচৰণক প্ৰভাৱিত কৰিব পাৰে।
- সামাজিক পৰিৱৰ্তন পৰিকল্পিত অথবা অপৰিকল্পিত হ'ব পাৰে। চৰকাৰ অথবা ৰাষ্ট্ৰই চলোৱা বিভিন্ন পৰিকল্পনা তথা কাৰ্যসূচীৰ মাধ্যমেৰে পৰিৱৰ্তন সংঘটিত হ'ব পাৰে। অপৰিকল্পিতভাৱে সংঘটিত হোৱা পৰিবৰ্তন এটা উদাহৰণ হ'ল নেপালত হোৱা শেহতীয়া ভূমিকম্পটো। ই দেসখনৰ বহু অঞ্চলৰ বাসিন্দাৰ জীৱনশৈলী সলনি কৰি পেলাইছে।

১৩.৪ ভাৰতীয় সমাজত সামাজিক পৰিৱৰ্তন

ভাৰতৰ দৰে একাধিক আৰু ভিন্নমুখী পৰম্পৰা তথা সাংস্কৃতিক ইতিহাস থকা দেশৰ সমাজবোৰত হোৱা পৰিৱৰ্তন অধ্যয়ন কৰাটো অতি জটিল। ভাৰতৰ ইতিহাস বৈচিত্ৰ্যময় কাহিনী আৰু আদৰ্শেৰে ভৰা। এই সকলোবোৰ কথা বিবেচনা কৰিহে পৰিৱৰ্তনৰ ধাৰণাটো বুজাৰ প্ৰয়াস কৰিব লাগে। ভাৰতীয় সমাজ পশ্চিমীয়া সমাজতকৈ বহুখিনি বেলেগ। ভাৰতীয় সমাজ ৰাজতন্ত্ৰৰ পৰা সামন্তবাদলৈ আৰু ঔপনিবেশবাদৰ পৰা গণতন্ত্ৰলৈ এক দীঘলীয়া পৰিক্ৰমা সম্পূৰ্ণ কৰি বিকশিত হৈছে। গণতন্ত্ৰলৈকে ভাৰতীয় সমাজৰ যাত্ৰাপথত বিভিন্ন আদৰ্শ, প্ৰমূল্য তথা পৰম্পৰাৰ মিলন ঘটিছে। অভিজাত শাসকে শাসন কৰা প্ৰদেশবোৰৰ অস্তিত্ব থকা সময়ছোৱাত সমগ্ৰ ভাৰততে সামন্তবাদ প্ৰচলিত আছিল। সামন্তবাদী ভূস্বামীসকলে জমিনদাৰী ব্যৱস্থাৰ অধীনত সমগ্ৰ দেশতে শোষণ চলাইছিল। দুখীয়া গঞৰ পৰা অতিৰিক্ত শ্ৰম আৰু কৰ আজুৰি নিয়া হৈছে। ঔপনিবেশবাদ প্ৰচলিত থকা সময়ছোৱাত ঊপনিৱেশবাদী বৃটিছ শাসকে সমগ্ৰ দেশখন নিজৰ অধীন কৰি ৰাখিছিল। বৃটিছ শাসকে ভাৰতক কেৱল ৰাজনৈতিক ভাৱে নিয়ন্ত্ৰণ কৰা নাছিল, দেশখনৰ অৰ্থনীতিও তেওঁলোকৰ হাতত আছিল। বৃটিছসকলে ভাৰতলৈ পাশ্চাত্যৰ পৰা যন্ত্ৰ-পাতি আনি পৰম্পৰাগত হস্তনিৰ্মিত সামগ্ৰী তৈয়াৰ কৰা কাৰখানাবোৰ ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। এই সকলোবোৰ কথাই দেশখনত এক নতুন পৰিস্থিতিৰ সৃষ্টি কৰিছিল। স্বাধীনোত্তৰ ভাৰতত নগৰ-চহৰ উত্থান ঘটিছিল। গাঁৱৰ মানুহৰ খাদ্য আৰু উন্নত জীৱনৰ সন্ধানত নগৰ-চহৰলৈ প্ৰব্ৰজন ঘটাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এই আটাইবোৰ পৰ্যায়ে ক্ৰমে পৰিয়াল, বিবাহ, সম্প্ৰদায় আত্মীয়তা আদি দিশলৈও পৰিৱৰ্তন কঢ়িয়াই আনিছিল। যেনে সময়ৰ সোঁতত বাল্যবিবাহ প্ৰথা দেশত নিষিদ্ধ হৈ পৰিছিল। চৰকাৰে বাল্যবিবাহৰ বিৰুদ্ধে নানা ধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। যদিও দেশৰ কিছুমান অঞ্চলৰ পৰা এতিয়াও বাল্যবিবাহৰ খবৰ পোৱা যায় তথাপিও ইয়াৰ সংখ্যা অতি কম।

সেয়েহে ভাৰতৰ সামাজিক চিন্তাবিদ আৰু সমাজশাস্ত্ৰবিদসকলে সামাজিক পৰিৱৰ্তন সম্পৰ্কে খুটি নাটি মাৰি অধ্যয়ন কৰা উচিত। তাৰপাচতহে তেওঁলোকে দেশৰ বিভিন্ন সামাজিক পটভূমিৰ উল্লেখেৰে সত্য কথাবোৰ উপযুক্ত ধৰণে উত্থাপন কৰিব পাৰিব। সামাজিক পৰিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়া বুজাৰ প্ৰয়াস কৰা এগৰাকী স্বনামধন্য ভাৰতীয় সামাজিক চিন্তাবিদ হ'ল এম. এন. শ্ৰীনিবাস। তেওঁ দেশত ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাই এই প্ৰক্ৰিয়াবোৰ অধ্যয়নৰ প্ৰয়াস কৰিছিল (১৯৬৬)। এতিয়া ভাৰতত হোৱা সামাজিক পৰিৱৰ্তন বুজিবলৈ বিভিন্ন দৃষ্টিভংগী আছে। অধ্যায়টিৰ পৰৱৰ্তী শিতানবোৰত আলোচনা কৰিবলগীয়া সামাজিক পৰিৱৰ্তনৰ ধাৰণা তথা দৃষ্টিভংগী দুটামানৰ শীৰ্ষক হ'ল— সংস্কৃতকৰণ, পাশ্চাত্যকৰণ, আধুনিকীকৰণ, ঔদ্যোগিকীকৰণ আৰু বিশ্বায়ন। এই ধাৰণা আৰু দৃষ্টিভংগীবোৰৰ সহায়ত ভাৰতৰ গাঁও, সম্প্ৰদায় কৃষি, উদ্যোগ, চহৰ আদিত হোৱা পৰিৱৰ্তনবোৰৰ বিষয়ে জানিব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সামাজিক পৰিৱৰ্তন মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়াবোৰ কি কি?

.....

.....

১৩.৫ সংস্কৃতকৰণ (Sanskritisation)

এই কথা সৰ্বজনবিদিত যে ভাৰতত, বিশেষকৈ হিন্দু ধৰ্মাৱলম্বী লোকৰ মাজত জাতি প্ৰথা হ'ল এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান। ভাৰতত প্ৰতিটো জাতি আৰু সম্প্ৰদায়কে সমাজৰ পদানুক্ৰমিক তালিকাৰ নিৰ্দিষ্ট নম্বৰত ৰখা হয়। পবিত্ৰতা আৰু অপবিত্ৰতা হ'ল এই ক্ৰমবিভাজনৰ আধাৰ। যেনে— এগৰাকী ব্ৰাহ্মণক মন্দিৰৰ ধৰ্মীয় কাম-কাজবোৰ সম্পাদনৰ দায়িত্ব দিয়া হয়। জাতিভিত্তিক পদানুক্ৰমিক তালিকাত তেওঁৰ স্থান সবাতোকৈ ওপৰত। নিম্ন জাতি সম্প্ৰদায়ৰ লোক এগৰাকীৰ মন্দিৰ চৌহদত প্ৰৱেশ কৰাৰ অধিকাৰ নাই। কাৰণ নিম্ন জাতি সম্প্ৰদায়ৰ লোকসকলক অপবিত্ৰ বুলি গণ্য কৰা হয়। মহীশূৰ (Mysore)ত চলোৱা এক অধ্যয়নৰ সময়ত শ্ৰীনিবাসে গম পাইছিল যে কিছুমান সম্প্ৰদায়ে পদানুক্ৰমিক তালিকাত তেওঁলোকৰ স্থান উচ্চ অথবা অৱনমিত কৰাৰ চেষ্টা কৰে।

এম. এন. শ্ৰীনিবাস (১৯১৬-১৯৯৯) ঃ ১৯১৬ চন ব্ৰাহ্মণ পৰিয়ালত মাইচোৰ নৰচিমহাচাৰ্য শ্ৰীনিবাস হৈছিল। তেওঁ বোম্বেৰ পৰা এম. এ., এল. এল. বি. ডক্টৰেট ডিগ্ৰী আহৰণ কৰিছিল। শ্ৰীনিবাসে পৰা ডি ফিল ডিগ্ৰী লাভ কৰিছিল। তেওঁ বোম্বে বিশ্ববিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ স্বনামধন্য পণ্ডিত জি. এচ. ঘূৰাইৰ ছাত্ৰ শ্ৰীনিবাসে জাতি আৰু ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছিল তথা ভাৰতত জাতিপ্ৰথাৰ গতিধাৰাটো সংজ্ঞাৱদ্ধ কৰাৰ চেষ্টা কৰিছিল। স পৰিৱৰ্তন অধ্যয়ন কৰাৰ সময়ত তেওঁ 'প্ৰভাৱ জাতি সম্প্ৰদায়, 'সংস্কৃতকৰণ', 'পাশ্চত্যকৰণ', 'ধৰ্মনিৰপেক্ষকৰণ'ৰ দৰে ধাৰণাবোৰ বুজাৰ কৰিছিল। লগতে সমাজক অধিক ভালধৰণে শ্ৰীনিবাসে 'পুথিগত দৃষ্টিভংগী' আৰু 'ক্ষেত্ৰ ভিত্তিক দৃষ্টিৰে ধাৰণাবোৰো চালিজাৰি চাইছিল।

তেওঁ জাতিভিত্তিক পদানুক্ৰম পৰিৱৰ্তনৰ বিষয়টোক সংস্কৃতকৰণৰ ধাৰণাৰে অধ্যয়ন কৰিছিল। শ্ৰীনিবাসে দেখিছিল যে জাতি প্ৰথাৰ ভিত্তিত সৃষ্টি হোৱা ভাৰতীয় সমাজখনক এখন 'বন্ধ সমাজ' (Closed society) বুলি গণ্য কৰা হয় যদিও ই সম্পূৰ্ণৰূপে পৰিৱৰ্তনহীন

সমাজ নহয়। তেওঁ জাতি সম্প্ৰদায়ে এটা অৱস্থানৰ পৰা আন এটা অৱস্থানলৈ গতি কৰাটো ধৰা পেলাইছিল।

শ্ৰীনিবাসে তেওঁৰ 'The coorgs of south India' শীৰ্ষক অধ্যয়নকালত পোন প্ৰথমবাৰৰ বাবে 'সংস্কৃতকৰণ' (Sanskritisation)ৰ ধাৰণাটো ব্যৱহাৰ কৰিছিল। তেওঁৰ গ্ৰন্থ 'Social change in Modern India' (১৯৬৬)ত শ্ৰীনিবাসে 'সংস্কৃতকৰণ'ৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে ঃ 'সংস্কৃতকৰণ হ'ল এনে এক প্ৰক্ৰিয়া য'ত কোনো নিম্ন/উচ্চ জাতিৰ এগৰাকী ব্যক্তি অথবা একাধিক ব্যক্তিৰে গঠিত বৃহৎ দল একোটাই আন কোনো উচ্চ/নিম্ন জাতিৰ লোকে মানি চলা প্ৰথা, ৰীতি-নীতি, বিশ্বাস আৰু দৈনন্দিন জীৱনৰ সকলো কাৰ্যকলাপ মানি চলিবলৈ লয়। নিম্ন জাতিৰ লোকে বিশেষভাৱে এই প্ৰক্ৰিয়া পালন কৰে যাতে জাতিভিত্তিক পদানুক্ৰমিক তালিকাত নিজৰ স্থিতি উচ্চ পৰ্যায়লৈ নিব পাৰে। খাদ্যাভাসৰ পৰিৱৰ্তন, যেনে— আমিষৰ পৰা নিৰামিষভোজী হোৱা আৰু জীৱিকাৰ পৰিৱৰ্তন হ'ল এই প্ৰক্ৰিয়োটাৰ অংশ। সাধাৰণতে, কোনো এক নিম্ন জাতিয়ে নিৰামিষ খাদ্যাভ্যাস গ্ৰহণ কৰি, সকলো প্ৰকাৰৰ মাদকদ্ৰব্য সেৱনৰ পৰা আঁতৰি থাকি (Teetotalism) আৰু মন্দিৰত বিভিন্ন ৰীতি-নীতি পালন কৰি এটা অথবা দুটা প্ৰজন্মৰ পাচত জাতিভিত্তিক পদানুক্ৰমিক তালিকাত উচ্চস্থান লাভ কৰিছিল। এনেধৰণৰ নিম্ন জাতিবোৰ ব্ৰাহ্মণসকলৰ প্ৰথা, ৰীতি-নীতি আৰু বিশ্বাস যিমানদূৰ সম্ভৱ পালন কৰিছিল আৰু ব্ৰাহ্মণসকলে অপবিত্ৰ বুলি ভবা নিজ জাতিৰ বিভিন্ন দৈনন্দিন অনুশীলন পৰিহাৰ কৰিছিল। ইয়াৰ উপৰি, অন্য অ-ব্ৰাহ্মণ জাতি/ সম্প্ৰদায়বোৰেও বিবাহ, আত্মীয়তা (kinship) আৰু দাম্পত্য সম্পৰ্কৰ ক্ষেত্ৰত ব্ৰাহ্মণ অনুষ্ঠান তথা প্ৰমূল্যবোৰ পালন কৰিবলৈ লৈছিল। সংস্কৃতকৰণ প্ৰক্ৰিয়াই অ-ব্ৰাহ্মণ জাতি সম্প্ৰদায়বোৰক বিভিন্ন ব্ৰাহ্মণীয় সাহিত্য আৰু সংস্কৃত কাহিনীৰ জৰিয়তে নতুন ধাৰণা আৰু প্ৰমূল্যৰ বিষয়ে জনাত সহায় কৰিছিল। অৱশ্যে এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল যে সংস্কৃতকৰণ প্ৰক্ৰিয়াই কেৱল 'স্থিতিগত পৰিৱৰ্তন' (positional change)হে সাধন কৰিছিল, 'গাঁথনিগত পৰিৱৰ্তন' (structural change) নহয়। ইয়াৰ অৰ্থ হ'ল সংস্কৃতকৰণ প্ৰক্ৰিয়াৰ যোগেদি নিম্ন জাতিৰ লোক এগৰাকীৰ সামাজিক স্থিতি উৰ্দ্ধগামী হ'ব পাৰে, কিন্তু তেওঁৰ জাতিসম্প্ৰদায়টো একে স্থানতে থাকিব। ইয়াৰ উপৰি, সংস্কৃতকৰণ প্ৰক্ৰিয়াটোৱে এটা 'উল্লেখ দল' (reference group)ৰ কাম কৰে যেনে— নিম্ন জাতি সম্প্ৰদায়ৰ মানুহ এজনে কোনো এটা উচ্চ জাতি সম্প্ৰদায়ৰ দলে পালন কৰা অভ্যাস আৰু স্বীকৃত প্ৰথাবোৰ উল্লেখ কৰিব পাৰে।

'সংস্কৃতকৰণ'ৰ ধাৰণাটো য়োগেন্দ্ৰ সিং, মেক্‌কিম মেৰিয়'ট আৰু ডি. এন. মজুমদাৰৰ দৰে সমাজশাস্ত্ৰবিদসকলে সমালোচনা কৰে।

১৩.৫.১ সমালোচনা

- যোগেন্দ্ৰ সিঙৰ মতে সংস্কৃতকৰণৰ ধাৰণাটোৱে সংস্কৃতিক পৰিৱৰ্তনৰ তত্ত্বটো ব্যাখ্যা কৰাত অসফল হৈছে। ধাৰণাটোৰ কোনো 'অপ্ৰমানিত যুক্তিসংগত চিন্তা/ধাৰণা (hypothesis) নাই। অ-ব্ৰাহ্মণ পৰম্পৰাবোৰ আওকাণ কৰা বাবে ধাৰণাটোৱে ভাৰতত হোৱা বিভিন্ন সাংস্কৃতিক আৰু সামাজিক পৰিৱৰ্তনক সামৰি লোৱাত ব্যৰ্থ হৈছে।
- মেক্‌কিম মেৰিয়'টে বিশ্বাস কৰে যে ভাৰতীয় পৰম্পৰা অন্য পৰম্পৰাৰ ওপৰতো নিৰ্ভৰশীল। কিন্তু শ্ৰীনিবাসে ইছলামীয় আৰু অন্য ধৰ্মীয় অনুশীলনক আওকাণ কৰি কেৱল সংস্কৃতকেন্দ্ৰিক অনুশীলনৰ ওপৰতহে জোৰ দিছে।
- ডি এন মজুমদাৰে বহন ব্যাখ্যাৰে বুজাই দিছে যে ভাৰতত সংস্কৃতকৰণৰ এটা সাৰ্বজনীন প্ৰক্ৰিয়া বুলি ধৰি লোৱাটো ভুল হ'ব। তেওঁ আঙুলিয়াই দিছিল যে ভাৰতত এনে বহু গাঁও আছে যিবোৰৰ নিম্ন জাতিৰ বাসিন্দাই উচ্চ জাতিৰ ধাৰণাবোৰ অনুসৰণ কৰি নিজৰ সামাজিক স্থিতি সলনি কৰাৰ পক্ষপাতি নহয়। যেনে— উত্তৰপ্ৰদেশৰ মোহনগাঁও।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংস্কৃতকৰণ অভিধাটোৰ জনক কোন?

.....

.....

প্ৰশ্ন নং ২ ঃ এম এন শ্ৰীনিবাসে তেওঁৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়ন ক'ত চলাইছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ কোনখন গ্ৰন্থত এম এন শ্ৰীনিবাসে সংস্কৃতকৰণৰ বিষয়ে লিখিছিল?

.....

.....

১৩.৬ পাশ্চত্যকৰণ

ভাৰতৰ সামাজিক পৰিৱৰ্তন অধ্যয়ন কৰিবলৈ 'পাশ্চাত্যকৰণ' ()ৰ ধাৰণাটো ভালদৰে বুজাটো অতি প্ৰয়োজনীয়। প্ৰায় দুশ বছৰ জুৰি চলা বৃটিছ শাসনে ভাৰতৰ নাগৰিকৰ জীৱন-যাপন শৈলীলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই আনিছিল। বৃটিছৰ শাসনকালছোৱাত ভাৰতত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক পৰিৱৰ্তনৰ সূচনা হৈছিল। বৃটিছসকলে নিজৰ সৈতে প্ৰযুক্তি, অনুষ্ঠান, প্ৰমূল্য আৰু পশ্চিমীয়া সমাজৰ চিন্তা-ধৰাণাও লৈ আহিছিল

যিবোৰ তেওঁলোকক আন বণিক দেশবোৰতকৈ পৃথক কৰিছিল। কালক্ৰমত এই আটাইবোৰ কথা ভাৰতৰ বিভিন্ন দল আৰু সম্প্ৰদায়ৰ বাবে গতিশীলতাৰ এক প্ৰধান উৎস হৈ পৰিছিল।

এম এন শ্ৰীনিবাসৰ মতে পাশ্চাত্যকৰণ হ'ল এনে এক প্ৰক্ৰিয়া যিটোৱে বৃটিছসকলৰ ১৫০ বছৰীয়া শাসনকালৰ সময়ছোৱাত হোৱা সামাজিক পৰিৱৰ্তনৰ কথা সূচায়। এই প্ৰক্ৰিয়াটোৱে ভাৰতীয় প্ৰযুক্তি, অনুষ্ঠান, আদৰ্শ আদিৰ ক্ষেত্ৰত বিভিন্ন পৰিৱৰ্তনৰ সূচনা কৰিছিল।

ঊনবিংশ শতিকাত বৃটিছে ভাৰতত খোপনি পুতি লাহে লাহে এখন আধুনিক ৰাষ্ট্ৰৰ ভেটি নিৰ্মাণৰ কামত অগ্ৰসৰ হৈছিল। তেওঁলোকে কল-কাৰখানা আৰু কোম্পানী আদি স্থাপন কৰিছিল, ইংৰাজী শিক্ষা প্ৰসাৰিত কৰিছিল, চৌদিশে ধৰ্মপ্ৰচাৰক প্ৰেৰণ কৰি ধৰ্মীয় আদৰ্শ বিয়পাইছিল আৰু ভাৰতীয় শাসকসকলৰ সহায়ত পশ্চিমীয়া নীতি-নিয়মৰ প্ৰচলন ঘটাইছিল।

লাহে লাহে তেওঁলোকে ভাৰতীয়ৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰি ভাৰতীয় পৰম্পৰা, কলা আৰু সংস্কৃতিক ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। বৃটিছসকলে ভাৰতত ছপাশালৰ আৰম্ভণি কৰিছিল; ৰেলপথ-স্থলপথ-জলপথ নিৰ্মাণৰ জৰিয়তে সমগ্ৰ উপমহাদেশতে নানাধৰণৰ পৰিৱৰ্তন সাধন কৰিছিল। কিতাপ আৰু সংবাদপত্ৰ আদি প্ৰকাশৰ জৰিয়তে ভাৰতীয় সকলৰ মাজত পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰ ঘটাইছিল। ভাৰতত ইংৰাজী মাধ্যমৰ বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন কৰা হৈছিল। এই সকলো কথাই ভাৰতীয়ৰ জীৱনশৈলীলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই আনিছিল। মানুহে পশ্চিমীয়া জীৱনশৈলীৰ লগতে খাদ্যভ্যাস, সাজ-পোছাক পৰিধানৰ শৈলী আদি গ্ৰহণ কৰিবলৈ ল'লে।

শ্ৰীনিবাসৰ মতে পাশ্চাত্যকৰণে কেৱল গাঁথনিমূলক পৰিৱৰ্তনৰ কথাকেই নুবুজায়, ই আদৰ্শগত পৰিৱৰ্তনৰ কথাকো বুজায়। এনে পৰিৱৰ্তনে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন ঘটায়। যেনে— বৃটিছ শাসন কালত ভাৰতত প্ৰচলিত সতীপ্ৰথা আৰু বাল্য বিবাহৰ নিয়ম বিলোপ কৰা হৈছিল। নাৰী শিক্ষা, বিধৱা বিবাহ, অস্পৃশ্যতা আদি বিষয়ত পৰিৱৰ্তন সাধন কৰিবলৈ নানা ধৰণৰ প্ৰয়াসৰ লগতে নিয়ম-নীতি সংশোধন কৰাৰ চেষ্টা চলোৱা হৈছিল। ভাৰতত বিভিন্ন অংশত বিভিন্ন সময়ত বিভিন্ন ৰূপ আৰু বিভিন্ন গতিত পাশ্চাত্যকৰণ ঘটিছিল। তথাপিও এই প্ৰক্ৰিয়াই সমগ্ৰ ভাৰতকে ভিন্ন ৰূপত প্ৰভাৱিত কৰিছিল।

১৩.৬.১ পাশ্চাত্যকৰণৰ সমালোচনা

- পাশ্চাত্যকৰণৰ ধাৰণাটোৱে সামাজিক পৰিৱৰ্তনক 'সাংস্কৃতিক' দিশৰ পৰা বিশ্লেষণ কৰে কিন্তু 'গাঁথনিমূলক' দিশটোৰ বিশ্লেষণ এৰাই চলে। সেয়েহে ধাৰণাটোক এটা সীমিত প্ৰয়োগ বোলা হয়।
- স্বাধীনতাৰ লাভৰ পাচত ভাৰতত ঘটা সামাজিক পৰিৱৰ্তনৰ প্ৰকাৰ ব্যাখ্যা কৰাত এই ধাৰণাটোৱে বেছি সহায় কৰিব নোৱাৰে।

➢ শ্ৰীনিবাসে ধাৰণাটোক 'ন্যায়নিষ্ঠভাৱে নিৰপেক্ষ' (ethically neutral) বুলি ক'লেও ধাৰণাটোৰ নিজস্ব প্ৰমূল্যকেন্দ্ৰিক অগ্ৰাধিকাৰ (value preference) আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক

ক) ভাৰতৰ ..... অধ্যয়ন কৰিবলৈ পাশ্চাত্যকৰণৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয়।

খ) .....ৰ ১৫০ বছৰীয়া শাসনৰ ফলস্বৰূপে ভাৰতত পাশ্চাত্যকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

১৩.৭ আধুনিকীকৰণ

আধুনিকীকৰণ কোনো দৰ্শন নাইবা আন্দোলন নহয়। ই দৰাচলতে এটা পৰিৱৰ্তন প্ৰক্ৰিয়া। সমাজে কিছুমান আধুনিক প্ৰমূল্য ধাৰণা আৰু জ্ঞান গ্ৰহণ কৰাৰ লগে লগে আধুনিকীকৰণ প্ৰক্ৰিয়া সংঘটিত হয়। পূৰ্বতে ইয়াক কেৱল অৰ্থনৈতিক উন্নয়ন আৰু অগ্ৰগতি বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত অভিধাটোৰ পৰিসৰ বহল হৈ পৰিল। ই বৰ্তমান সমাজ এখনৰ কৃষিৰ পৰা উদ্যোগলৈকে সকলো ক্ষেত্ৰতে হোৱা পৰিৱৰ্তনক বুজায়। অৰ্থাৎ পৰিৱৰ্তনে কেৱল অৰ্থনৈতিক আৰু ৰাজনৈতিক অগ্ৰগতিৰ কথাকে সূচিত নকৰে, ই সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনকো সামৰি লয়।

আগতে মানুহ ধৰ্মীয়, সামাজিক তথা সংস্কৃতিক প্ৰমূল্যবোৰক লৈ অতি ৰক্ষণশীল আছিল। তেওঁলোকে চিৰাচৰিত প্ৰথাৰ অনুগামী আছিল আৰু সেয়েহে আধুনিক প্ৰযুক্তি তথা উদ্ভাৱনবোৰ গ্ৰহণ নকৰিছিল। সময় বাগৰাৰ লগে লগে আধুনিক সমাজত খাপ খাবলৈ মানুহে নিজৰ প্ৰমূল্য আৰু ধাৰণাবোৰ সলাবলৈ আৰম্ভ কৰিলে। মানুহে ৰক্ষণশীল আৰু অন্ধবিশ্বাসপূৰ্ণ প্ৰমূল্যবোৰ এৰি নিজকে বৰ্তমান সময়, পৰিস্থিতি আৰু জীৱনশৈলী আদিৰ সৈতে খাপ খোৱাৰ চেষ্টা চলালে। ফলত মানুহৰ খাদ্যাভ্যাস, পিন্ধন-উৰণ, শিক্ষা, কথা কোৱাৰ শৈলী, ধাৰণা, প্ৰমূল্য আদিলৈ নতুনত্ব আহিল। এইখিনিতে বৈজ্ঞানিক প্ৰযুক্তি, নতুন সংযোগ স্থাপন কৌশল, ইণ্টাৰনেট আদিৰ অৱদানৰ কথাও উল্লেখ কৰিব পাৰি। এম. এন. শ্ৰীনিবাসে 'আধুনিকীকৰণ অভিধাটোৰ সমালোচনা কৰিছিল। আধুনিকীকৰণৰ সলনি পাশ্চাত্যকৰণ অভিধাটো প্ৰয়োগ কৰাৰ পক্ষ আছিল। কিন্তু য়োগেন্দ্ৰ সিঙে আধুনিকীকৰণৰ ধাৰণাটো সমৰ্থন কৰিছিল। সিঙৰ মতে 'আধুনিকীকৰণ'ৰ অৰ্থ পাশ্চাত্যকৰণ আৰু সংস্কৃতকৰণতকৈ যথেষ্ট বহল। বিজ্ঞান আৰু বৈজ্ঞানিক নীতি নিয়মবোৰ যেনেদৰে সমাজৰ

চুকে-কোনে প্ৰযোজ্য, ঠিক তেনেদৰে আধুনিকীকৰণকো সকলোতে প্ৰয়োগ কৰিব পৰা যায়। ই বিশ্ব-ব্ৰাহ্মণ প্ৰতিগৰাকী ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য। অৱশ্যে আধুনিকীকৰণৰ আৰ্হি সকলো স্থানতে ভিন ভিন হ'ব। অৰ্থাৎ, আধুনিকীকৰণৰ আৰ্হি সকলো স্থানতে ভিন ভিন হ'ব। অৰ্থাৎ আধুনিকীকৰণৰ প্ৰক্ৰিয়াটোৰ পৰিৱৰ্তনৰ এক সমষ্টি বুলি ক'ব পৰা যায়। এই প্ৰক্ৰিয়টো সমগ্ৰ সমাজৰ ক্ষেত্ৰত প্ৰযোজ্য। পৰিৱৰ্তন সৰল অথবা জটিল হ'ব পাৰে। প্ৰতিটো প্ৰক্ৰিয়াই দেশ অথবা অঞ্চল ইত্যাদিৰ ইতিহাস নিৰ্ধাৰণ কৰে।

ভাৰতত বৃটিছ শাসন আৰম্ভ হোৱাৰ ফলস্বৰূপে আধুনিকীকৰণৰ সূত্ৰপাত হৈছিল বুলি ক'ব পাৰি। বৃটিছসকলৰ সংস্পৰ্শলৈ অহাৰ পাচত ভাৰতীয় সমষ্টিবোৰত প্ৰচলিত বিশ্বস প্ৰণালীবোৰৰ অন্তৰ্গত প্ৰমূল্য আৰু ধাৰণাবোৰলৈ পৰিৱৰ্তন আহিছিল। স্বাধীনতাৰ পাচত ভাৰতে নিজৰ ৰূপান্তৰ ঘটাইছিল আৰু উন্নতি তথা প্ৰগতিৰ দিশেৰে আগুৱাই গৈছিল। আধুনিকীকৰণে উন্নতি আৰু প্ৰগতিৰ পথ সুচল কৰি তুলিছিল। অৱশ্যে ইয়াৰ মানে এইটো নহয় যে ভাৰতে নিজৰ পৰম্পৰাগত প্ৰমূল্য আৰু ধাৰণাবোৰ এৰি পেলাইছিল। মানুহে নিজৰ পৰম্পৰা অক্ষুন্ন ৰাখি আধুনিকতাৰ পথেৰে অগ্ৰসৰ হৈছিল।

১৩.৭.১ আধুনিকীকৰণৰ সমালোচনা

অধ্যাপক ৰাম আহুজাৰ মতে এক প্ৰক্ৰিয়া হিচাপে আধুনিকীকৰণৰ বহুতো সমস্যা আছে ঃ

- আধুনিকীকৰণে প্ৰতিখন সমাজৰে পৰিৱৰ্তন দাবী কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত এয়া সম্ভৱ নহয়। কাৰণ প্ৰতিখন সমাজৰ বাবে একেলগে সামাজিক পৰিৱৰ্তনৰ পৰিকল্পনা কৰিব পৰা নাযায়।
- আধুনিকীকৰণৰ ফলত ধাৰণা, প্ৰমূল্য আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত পৰিৱৰ্তন হ'ব পাৰে যদিও কিছুমান অনুষ্ঠানে নিজ পৰম্পৰা অটুট ৰাখে। যেনে— ধৰ্মীয় অনুষ্ঠান, পৰিয়াল, জাতি প্ৰথা ইত্যাদি।
- আধুনিকীকৰণৰ বাবে মানুহৰ ধাৰণা সলনি হ'লেও প্ৰমূল্য, পৰম্পৰা আৰু আধুনিকতাৰ মাজত সদায়ে এক বৈপৰীত থাকিব। মানুহে সামাজিকীকৰণ ঘটাৰ দৰেই জীৱন যাপন কৰি যোৱাৰ আগ্ৰহ প্ৰদৰ্শন কৰে।
- আধুনিকীকৰণে যদিও মানুহৰ প্ৰত্যাশা বৃদ্ধি কৰিব পাৰে, সামাজিক ব্যৱস্থা এটাই মানুহৰ অধিক আধুনিক ৰূপ গ্ৰহণ নকৰিবও পাৰে। যেনে— দলিত সম্প্ৰদায়ৰ লোক এগৰাকী পশ্চিমীয়া শিক্ষাৰে শিক্ষিত অথবা উচ্চ ডিগ্ৰীধাৰী হ'ব পাৰে। কিন্তু তেওঁৰ নিজৰ সমাজখনে তেওঁক সদায় দলিত বুলিয়ে বিবেচনা কৰিব। এই কথাই মতানৈক্য অথবা হতাশাৰ সৃষ্টি কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ আধুনিকীকৰণ মানে কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ কোনে 'আধুনিকীকৰণ' অভিধাটোৰ সমালোচনা আৰু কোনে সমৰ্থন কৰিছিল?

.....

.....

১৩.৮ ঔদ্যোগিকীকৰণ

ওঠৰশ শতিকাত আৰু ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত পশ্চিমীয়া দেশবোৰত, বিশেষকৈ ইউৰোপত বিভিন্ন উদ্ভাৱন ঘটিছিল। বৈজ্ঞানিক তত্ত্বৰ উপৰি উদ্যোগ, আহিলা আৰু যন্ত্ৰ-পাতিয়ে পাশ্চাত্যলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই আনিছিল। ইউৰোপৰ সমগ্ৰ অঞ্চলতে কৃষিজীৱি সমাজবোৰ ঔদ্যোগিক সমাজলৈ ৰূপান্তৰিত হৈছিল আহিলা আৰু যন্ত্ৰ-পাতিবোৰ বৈষয়িক প্ৰয়োজন পূৰাবৰ বাবে উদ্ভাৱন কৰা হৈছিল। এনেকৈয়ে মানুহৰ শ্ৰমৰ বিকল্প হিচাপে বিভিন্ন সঁজুলি আৰু যন্ত্ৰ ব্যৱহাৰৰ প্ৰথা আৰম্ভ হৈছিল। এই গোটেই প্ৰক্ৰিয়াটোকে ঔদ্যোগিকবাদ অথবা ঔদ্যোগিকীকৰণ বোলে অভিধাটোৰে কেনেকৈ কৃষিজীৱী সমাজবোৰৰ ঔদ্যোগিক সমাজলৈ ৰূপান্তৰ ঘটিছিল সেয়া বুজোৱা হয়। ইউৰোপত ঔদ্যোগিকীকৰণ আৰম্ভমিক ঔদ্যোগিক বিপ্লৱ বোলা হয়। এই ঐতিহাসিক ঘটনাই মানৱ জীৱনৰ সকলো দিশ সলনি কৰিছিল। এই বিপ্লৱে সৰু পৰিয়ালবোৰৰ সাতামপুৰুষীয়া জীৱন যাপন শৈলী সলনি কৰাৰ লগতে কুটীৰ উদ্যোগ ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল।

ঔদ্যোগিকীকৰণৰ উত্থান ঘটাৰ লগে লগে সকলো কামতে যন্ত্ৰ-পাতিৰ ব্যৱহাৰ আৰম্ভ হ'ল। সামগ্ৰীৰ উৎপাদন ব্যয় কম হ'ল, বিভিন্ন সামগ্ৰীৰ মাজত এক স্বীকৃত মানৰ বিকাশ ঘটিল আৰু সামগ্ৰীবোৰ কেৱল লাভ অৰ্জনৰ উদ্দেশ্যেৰে উৎপাদন কৰাৰ কাম আৰম্ভ হ'ল। এনেকৈয়ে ঔদ্যোগিক সমাজবোৰ গঢ় লৈ উঠিল। ইউৰোপত আৰম্ভ হোৱা ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়াটো সোনকালেই পৃথিৱীৰ আন অংশতো বিয়পি পৰিছিল।

১৩.৮.১ ভাৰতত ঔদ্যোগিকীকৰণ

ভাৰতত ঘটা ঔদ্যোগিকীকৰণক দুটা ভিন ভিন কালত ভগাব পাৰি ঃ

➢ বৃটিছসকল অহাৰ আগৰ কাল আৰু ➢ আধুনিক উদ্যোগৰ জন্মকাল।

বৃটিছসকল অহাৰ আগৰ কালছোৱাত ভাৰত হস্তশিল্প আৰু অন্যান্য ব্যৱসায়ী সংঘৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰে চহকী আছিল। মোগলসকলৰ শাসন কালত আনকি ভাৰতীয় হস্তশিল্পীৰ নিপুনতাক প্ৰশংসাও কৰা হৈছিল। বেছিভাগ হস্তশিল্পজাত সামগ্ৰীকে ভাৰতৰ বাহিৰলৈ ৰপ্তানি কৰা হৈছিল। ভাৰত সোণ আৰু হাতীদাঁতৰ অলংকাৰৰ লগতে অন্য ধাতুজ সামগ্ৰী উৎপাদনৰ বাবে বিখ্যাত আছিল। কোনো ধৰণৰ হস্তনিৰ্মিত সামগ্ৰী বাহিৰৰ পৰা আমদানি কৰা নহৈছিল। বৃহৎ পৰিমাণৰ হস্তনিৰ্মিত সামগ্ৰী ইউৰোপীয় দেশবোৰলৈ ৰপ্তানিহে কৰা হৈছিল।

কিন্তু যন্ত্ৰৰ উদ্ভাৱন, নানা আহিলাৰ বিকাশ আৰু বৃটিছ সামগ্ৰী উত্থানৰ লগে লগে এই হস্তশিল্প উদ্যোগবোৰৰ পতন আৰম্ভ হ'ল ভাৰতত ঔদ্যোগিকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে ইয়াৰ হস্তনিকি সামগ্ৰীবোৰৰ সৈতে প্ৰতিদ্বন্দিতা আৰম্ভ হ'ল। ভাৰতীয় সামগ্ৰীবোৰে যন্ত্ৰ সামগ্ৰীৰ সৈতে ফেৰ মাৰিব নোৱাৰা হ'ল। লাহে লাহে ভাৰতীয় বজাৰবোৰ স্তা মূল্যৰ বৃটিছ সামগ্ৰী উপচি পৰিল। বহুতো হস্তশিল্পীয়ে জীৱিকা তাড়নাত হাতৰ বিদ্যা বাদ দি কল-কাৰখানাত শ্ৰমিক হিচাপে কাম কৰিবলৈ ল'লে। ঊনবিংশ শতিকাৰ আৰম্ভণিতে ভাৰতত বহুতো ঔদ্যোগিক প্ৰতিষ্ঠান গঢ় লৈ উঠিল। সময়ত এইবোৰ ভাৰতত বৃহৎ সামাজিক পৰিৱৰ্তন সাধন কৰিছিল।

১৩.৮.২ ঔদ্যোগিকীকৰণৰ সমালোচনা

- ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়াই হস্তনিৰ্মিত সামগ্ৰীৰ থলুৱা উদ্যোগক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ ফলত গ্ৰামাঞ্চলবোৰৰ লোক অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হৈছিল।
- ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়াই ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান বৃদ্ধি কৰিছিল। ধনী অথবা পুঁজিপতি শ্ৰেণীটোৱে দুখীয়া শ্ৰেণীটোক শোষণ কৰিছিল।
- ঔদ্যোগিকীকৰণে প্ৰযুক্তিৰ বিকাশ সাধন কৰিলেও যন্ত্ৰই মানৱ শক্তিৰ বিকল্প হিচাপে কাম কৰিবলৈ লোৱাৰ ফলত নিবনুৱা লোকৰ সংখ্যা বাঢ়িছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ পৃথিৱীৰ কোনটো প্ৰান্তত ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল?

.....

.....

প্ৰশ্ন নং ১০ ঃ ঔদ্যোগিকীকৰণে কেনেদৰে ভাৰতীয় হস্তশিল্পী আৰু কৰ্মকাৰসকলক প্ৰভাৱিত কৰিছিল?

.....

.....

১৩.৯ বিশ্বায়ন অথবা গোলকীকৰণ

সমগ্ৰ বিশ্বৰ স্থানবোৰৰ মাজৰ ভৌগলিক দূৰত্বই সৃষ্টি কৰা বাধা আঁতৰি যোৱাৰ লগে লগে বিশখন সংকুচিত হৈ পৰিছে। তথ্যৰ প্ৰভাহ আৰু প্ৰযুক্তিৰ বিকাশৰ লগতে সমগ্ৰ বিশ্বৰ বাসিন্দাক সামগ্ৰীয়ে আন্তঃসংযোজিত কৰাৰ ফলতেই বিশ্বায়ন ঘটিছে। দুখন দেশৰ মাজৰ দূৰত্ব একেই আছে। কিন্তু দুয়োখন দেশৰ বৰ্তমান বাসিন্দাই এই দূৰত্বক এশ বছৰ আগৰ বাসিন্দাসকলতকৈ পৃথক দৃষ্টিৰে জুখি চায়। প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে বিশ্বখন এখন গোলকীয় গাঁৱত পৰিণত হৈছে। আজিকালি পৰিবহন আৰু সংযোগ ব্যৱস্থাৰ বিকাশ হোৱা বাবে দুখন দেশৰ মানুহে পৰস্পৰৰ দেশ সহজে ভ্ৰমণ কৰিব পাৰে। কথা পাতিব পাৰে অথবা 'মাউচ'ৰ এটা ক্লিকতে কোনো বস্তু বিনিময় কৰিব পাৰে। বৰ্তমান ইণ্টাৰনেট আৰু টেলিভিছনৰ সহায়ত পৃথিৱীৰ অন্য প্ৰান্তত কি ঘটি আছে সেয়া সহজে গম পোৱা যায়। যোৱা কেইটামান দশকৰ পৰা 'বিশ্বায়ন' বোলা শব্দটো এক গুঞ্জন ধ্বনিত পৰিণত হৈছে। বিভিন্নজনে বিভিন্নধৰণে বিশ্বায়নৰ সংজ্ঞা আগবঢ়াইছে। চঙ্গ্ৰুৰ চনৰ দক্ষিণ এছিয়াৰ মানৱ উন্নয়ন প্ৰতিবেদন মতে বিশ্বায়ন হ'ল ৰাষ্ট্ৰীয় সীমা পাৰ হৈ সামগ্ৰী সেৱা মানুহ আৰু তথ্যই কৰা মুক্ত অহা যোৱা। বিশ্বায়নৰ ফলত সম্পৰ্কবোৰে কোনো ৰৌগলিক চাৰিসীমা তথা সাম্প্ৰদায়িক পৰিধি অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। মানুহে কম্পিউটাৰ মাউচৰ এটা ক্লিকৰ সহায়ত পৃথিৱীৰ যিকোনো ঠাইত উপস্থিত হ'ব পাৰে। বিশ্বজনীন সংস্কৃতিয়ে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক বিশ্বৰ সমগ্ৰ দৃশ্যপট দ্ৰুত কৰি তুলিছে। যেনে আজিকালি বিশ্বৰ যিকোনো স্থানতে ভাৰতীয় অথবা অন্য দেশীয় খাদ্যৰ জুতি ল'ব পৰা যায়। ইউৰোপত থকা ভাৰতীয় এগৰাকীয়ে যিকোনো সময়তে ভাৰতত থকা পৰিয়ালৰ সৈতে কথা পাতিব পাৰে।

১৩.৯.১ বিশ্বায়নৰ সমালোচনা

- উন্নত দেশবোৰ অনুন্নত তথা উন্নয়নশীল দেশবোৰক নিয়ন্ত্ৰণ কৰিব পৰাকৈ এক অনুকূল পৰিৱেশ গঢ়ি তোলে বুলি বিশ্বায়নৰ সমালোচনা কৰা হয়।
- বিশ্বায়নে উন্নয়নশীল দেশবোৰৰ শ্ৰমিকক শোষণ কৰিছে।
- বিশ্বায়নৰ ফলত বহুজাতিক কোম্পানীবোৰ গঠন হোৱাৰ ফলত থলুৱা কোম্পানীবোৰে সেইবোৰৰ সৈতে ফেৰ মাৰিবলগীয়া হৈছে। সামগ্ৰী আৰু শ্ৰমিক উভয়ৰে ওপৰত এই কথাই নেতিবাচক প্ৰভাৱ পেলাইছিল।
- বিশ্বায়নৰ বাবে পশ্চিমীয়া দেশবোৰ অধিক শক্তিশালী হৈ পৰিছে। সেয়েহে তেওঁলোকে সমগ্ৰ পৃথিৱীতে নিজৰ সাংস্কৃতিক অনুশীলন বিয়পাই দিব পাৰিছে। এই কাৰ্যই থলুৱা সংস্কৃতি ধ্বংস কৰাৰ উপৰি একো একোটা অঞ্চলৰ স্থানীয় অনুশীলনবোৰ নাইকিয়া কৰিছে।



১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক পৰিৱৰ্তন বোলা অভিধাটো সমাজশাস্ত্ৰৰ এক গুৰুত্বপূৰ্ণ বিষয়। অগষ্ট কোটেই কৈছিল যে সামাজিক পৰিৱৰ্তন হ'ল সামাজিক গতিশীলতাৰ এক অংশ। ইয়াৰ দ্বাৰা সমাজ এখনৰ সামাজিক অনুষ্ঠান, স্বীকৃত আচাৰ-বিধি, প্ৰমূল্য, ভূমিকা তথা প্ৰস্থিতি কেনেদৰে সলনি হয় সেয়া অধ্যয়ন কৰা হয়।
- সামাজিক পৰিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়া বুজাৰ প্ৰয়াস কৰা এগৰাকী স্বনামধন্য ভাৰতীয় সামাজিক চিন্তাবিদ হ'ল এম. এন. শ্ৰীনিবাস। তেওঁ দেশত ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাই এই প্ৰক্ৰিয়াবোৰ অধ্যয়নৰ প্ৰয়াস কৰিছিল (১৯৬৬)।
- সামাজিক পৰিৱৰ্তনৰ ধাৰণা তথা দৃষ্টিভংগী দুটামান শীৰ্ষক হ'ল— সংস্কৃতকৰণ, পাশ্চাত্যকৰণ, আধুনিকীকৰণ, ঔদ্যোগিকীকৰণ আৰু বিশ্বায়ন। এই দৃষ্টিভংগী আৰু ধাৰণাবোৰৰ সহায়ত ভাৰতৰ গাঁও সম্প্ৰদায়, কৃষি, উদ্যোগ, চহৰ আদিত হোৱা পৰিৱৰ্তনবোৰৰ বিষয়ে জানিব পৰা যায়।
- এম এন শ্ৰীনিবাসে দক্ষিন ভাৰতৰ কুৰ্গসকলৰ অধ্যয়ন কৰাৰ সময়ত 'সংস্কৃতকৰণ'ৰ ধাৰণাটো প্ৰথমবাৰ ব্যৱহাৰ কৰিছিল।
- শ্ৰীনিবাসে তেওঁৰ গ্ৰন্থ 'Social Change in Modern India' (১৯৬৬)ত 'সংস্কৃতকৰণ'ৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে ঃ 'সংস্কৃতকৰণ হ'ল এনে প্ৰক্ৰিয়া য'ত কোনো নিম্ন/উচ্চ জাতিৰ এগৰাকী ব্যক্তি অথবা একাধিক ব্যক্তিৰে গঠিত বৃহৎ দল একোটাই আন কোনো উচ্চ/নিম্ন জাতিৰ লোকে মানি চলা প্ৰথা, ৰীতি-নীতি, বিশ্বাস আৰু দৈনন্দিন জীৱনৰ সকলো কাৰ্যকলাপ মানি চলিবলৈ লয়।
- অৱশ্যে এটা কথা মনত ৰাখি থোৱা ভাল যে সংস্কৃতকৰণ প্ৰক্ৰিয়াই কেৱল 'স্থিতিগত পৰিৱৰ্তন'হে সাধন কৰিছিল, 'গাঁথনিগত পৰিৱৰ্তন নহয়।
- ভাৰতৰ সামাজিক পৰিৱৰ্তন অধ্যয়ন কৰিবলৈ 'পাশ্চাত্যকৰণ'ৰ ধাৰণাটো ভালদৰে বুজাটো অতি প্ৰয়োজনীয়। প্ৰায় দুশ বছৰ জুৰি চলা বৃটিছ শাসনে ভাৰতৰ নাগৰিকৰ জীৱন-যাপন শৈলীলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই আনিছিল। বৃটিছৰ শাসনকালছোৱাত ভাৰতত অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সামাজিক পৰিৱৰ্তনৰ সূচনা হৈছিল।
- শ্ৰীনিবাসৰ মতে পাশ্চাত্যকৰণে কেৱল গাঁথনিমূলক পৰিৱৰ্তনৰ কথাকেই নুবুজায় ই আদৰ্শগত পৰিৱৰ্তনৰ কথাকো বুজায়।
- আধুনিকীকৰণ কোনো দৰ্শন নাইবা আন্দোলন নহয়। ই দৰাচলতে এটা পৰিৱৰ্তন প্ৰক্ৰিয়া। সমাজে কিছুমান আধুনিক প্ৰমূল্য, ধাৰণা আৰু জ্ঞান গ্ৰহণ কৰাৰ লগে লগে আধুনিকীকৰণ প্ৰক্ৰিয়া সংঘটিত হয়।

- সময় আৰু পৰিস্থিতি সাপেক্ষে মানুহে নিজৰ পুৰণি ধাৰণাবোৰ বাদ দি নতুন ধাৰণা আঁকোৱালি ল'লে। সমাজৰ এই নতুন ৰূপটোকে আধুনিকীকৰণ বোলা হয়। ই এক অবিৰত প্ৰক্ৰিয়া। সমাজৰ পৰিৱৰ্তন হওতে কেইবাবছৰ অথবা কেইবাটাও প্ৰজন্মৰ প্ৰয়োজন হ'ব পাৰে।
- ঊনবিংশ শতিকাত ইউৰোপত বহুতো নতুন নতুন যন্ত্ৰ আৰু আহিলাৰ উদ্ভাৱন তথা বিকাশ ঘটিছিল। এই গোটেই প্ৰক্ৰিয়াটোকে উদ্যোগিকীকৰণ কালৰ আৰম্ভণি বুলি ক'ব পাৰি।
- ঔদ্যোগিকীকৰণৰ উত্থান হোৱাৰ লগে লগে সকলোতে যন্ত্ৰ-পাতিৰ আধিপত্য বৃদ্ধি পালে। সামগ্ৰী উৎপাদনৰ খৰচ কমি যোৱাৰ উপৰি সামগ্ৰীবোৰৰ এক স্বীকৃতমান স্থাপিত হ'ল আৰু কেৱল লাভ উপাৰ্জনৰ উদ্দেশ্যেৰে সামগ্ৰী প্ৰস্তুত কৰাৰ প্ৰথা আৰম্ভ হ'ল।
- ভাৰতৰ ঔদ্যোগিকীকৰণ প্ৰক্ৰিয়াটোক দুটা কালত ভগোৱা হয়— (১) বৃটিছসকল অহাৰ আগৰ কাল আৰু (২) আধুনিক উদ্যোগৰ জন্মকাল।
- যন্ত্ৰ, আহিলা আৰু বৃটিছ সাম্ৰাজ্যৰ উত্থানৰ ফলত হস্তশিল্পজাত সামগ্ৰী নিৰ্মাণ কৰা উদ্যোগবোৰৰ পতন আৰম্ভ হ'ল।
- বিগত কেইটামান দশকত বিশ্বায়ন শব্দটোৱে এক গুঞ্জন ধ্বনিৰ সৃষ্টি কৰিছে। প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে সমগ্ৰ পৃথিৱীখন এখন বিশ্বজনীন গাঁওলৈ ৰূপান্তৰিত হৈছে।
- ২০০১ চনৰ দক্ষিণ এছিয়াৰ মানৰ উন্নয়ন প্ৰতিবেদন মতে বিশ্বায়ন হ'ল 'ৰাষ্ট্ৰীয় সীমা পাৰ হৈ সামগ্ৰী, সেৱা, মানুহ আৰু তথ্যই কৰা মুক্ত অহা-যোৱা...।



১৩.১১ অধিক জানিবলৈ

১) Nagla, B.K. (2011). *Indian Sociological Thought*. New Delhi: Rawat Publication.

২) Rao, C.N. (2009). *Sociology: Principles of Sociology with an introduction to Social Thought*. New Delhi: S. Chand Publications.



১৩.১২ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পৰিৱৰ্তন হ'ল সামাজিক গতিশীলতাৰ এক অংশ। ইয়াৰ দ্বাৰা সমাজ এখনৰ সামাজিক অনুষ্ঠান, স্বীকৃত আচাৰ-বিধি, প্ৰমূল্য, ভূমিকা তথা প্ৰস্তুতি কেনেদৰে সলনি হয় সেয়া অধ্যয়ন কৰা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া কেইটামান হ'ল— সংস্কৃতকৰণ, পাশ্চাত্যকৰণ, আধুনিকীকৰণ, ঔদ্যোগিকীকৰণ আৰু বিশ্বায়ন।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতকৰণ অভিধাটোৰ জনক হ'ল এম. এন. শ্ৰীনিবাস।

৪নং প্ৰশ্নৰ উত্তৰ ঃ এম এন শ্ৰীনিবাসে দক্ষিন ভাৰতৰ কুৰ্গত তেওঁৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন চলাইছিল

৫নং প্ৰশ্নৰ উত্তৰ ঃ Social Change in Modern India (১৯৬৬ চনত প্ৰকাশিত)

৬নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সামাজিক পৰিৱৰ্তন (খ) বৃটিছ

৭নং প্ৰশ্নৰ উত্তৰ ঃ কিছুমান নতুন প্ৰমূল্য, ধাৰণা আৰু জ্ঞান গ্ৰহণ কৰাৰ ফলত সমাজত সংঘটিত হোৱা পৰিৱৰ্তন প্ৰক্ৰিয়াটোকে আধুনিকীকৰণ বোলে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীনিবাসে আধুনিকীকৰণ অভিধাটোৰ সমালোচনা আৰু য়োগেন্দ্ৰ সিঙে সমৰ্থন কৰিছিল।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ইউৰোপ

১০নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিকীকৰণ প্ৰক্ৰিয়াই পৰম্পৰাগত হস্তনিৰ্মিত সামগ্ৰী তৈয়াৰ কৰা ঔদ্যোগবোৰ ধ্বংসৰ মুখলৈ ঠেলি দিয়াৰ ফলত ভাৰতীয় হস্তশিল্পী আৰু কৰ্মকাৰসকল আৰ্থিকভাৱে যথেষ্ট ক্ষতিগ্ৰস্ত হৈছিল।



১৩.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ পাশ্চাত্যকৰণ মানে কি?

প্ৰশ্ন ২ঃ বিশ্বজনীন গাঁও বুলি কিহক কোৱা হয়।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সংস্কৃতকৰণৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ঃ ভাৰতত ঔদ্যোগিকীকৰণৰ বিষয়ে বহলাই লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ বিশ্বায়নৰ প্ৰভাৱ বহলাই বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ আধুনিকীকৰণ তত্ত্বৰ সমালোচনাবোৰ কি কি?

*** ***** ***

অধ্যায় ১৪ ঃ ভাৰতৰ সামাজিক সমস্যা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ দুর্নীতি বা ভ্রষ্টাচাৰ

১৪.৩.১ দুর্নীতিৰ কাৰণসমূহ

১৪.৩.২ দুর্নীতি নিবাৰণৰ উপায়

১৪.৪ ক'লা টকা

১৪.৪.১ ক'লা টকাৰ সংজ্ঞা

১৪.৪.২ ক'লা টকা সৃষ্টিৰ কাৰণসমূহ

১৪.৪.৩ সমাজত ক'লা টকাৰ প্ৰভাৱ আৰু ইয়াৰ পৰিণাম

১৪.৪.৪ ক'লা টকাৰ প্ৰতিৰোধ

১৪.৫ চোৰাং বেহা

১৪.৫.১ চোৰাং বেহাৰ ইতিহাস

১৪.৫.২ চোৰাং বেহাৰ কাৰণসমূহ

১৪.৫.৩ চোৰাং বেহাৰ কু-ফলসমূহ

১৪.৫.৪ প্ৰতিকাৰ আৰু প্ৰতিৰোধ

১৪.৬ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্ৰগতিৰ খতিয়ান

১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতবৰ্ষত সংঘটিত কিছুমান সামাজিক সমস্যা চিনাক্ত।
- সামাজিক সমস্যাসমূহৰ পৰা উদ্ভৱ হোৱা কুফলসমূহৰ বিষয়ে জ্ঞান লাভ।
- এই সমস্যাসমূহৰ কাৰণ আৰু পৰিণামৰ বিষয়ে জ্ঞান লাভ।
- এই সমস্যাসমূহৰ সমাধানৰ উপায় সম্বন্ধে জ্ঞান লাভ।

১৪.২ পৰিচয়

সামাজিক সমস্যাসমূহ হ'ল সমাজৰ এক অবাঞ্ছিত পৰিৱেশ আৰু ইয়াৰ হানিকাৰক পৰিণামৰ কাৰণে ই সমাজৰ বাবে গ্ৰহণযোগ্য নহয়। দ্ৰুত আৰ্থিক বিকাশশীল দেশ হিচাবে ভাৰতে পৃথিৱীৰ দেশসমূহৰ মাজত নিজৰ আসন প্ৰতিষ্ঠিত কৰিছে, তথাপিও এই বিকাশৰ আঁৰত যেন আমি বহুখিনি হেৰুৱাইছোঁ। বৰ্তমানৰ সমাজৰ ছবিয়ে দেখুৱাই কেনেদৰে ধনী আৰু দুখীয়াৰ মাজত ব্যৱধান বাঢ়ি গৈ আছে আৰু লগতে বিভিন্ন সমস্যাই আশংকাৰ কাৰণ হৈ পৰিছে। ক্ৰমাগতভাৱে বাঢ়ি গৈ থকা দুৰ্নীতি, অনিয়ন্ত্ৰিত ক'লা টকাৰ সংগ্ৰহ, বাধাহীন চোৰাং কাৰবাৰ আদি এই দ্ৰুত উন্নয়নশীল ভাৰতীয় অৰ্থনীতিৰ বাবে ভয়াবহ সমস্যা হিচাবে দেখা দিছে।

ভাৰতবৰ্ষত যদি অসংখ্য সামাজিক সমস্যা আছে আৰু ইয়াৰ মুখ্য কিছুমান সমস্যা তলত আলোচনা কৰা হ'ল—

১৪.৩ দুৰ্নীতি

পৃথিৱীৰ প্ৰায় সকলো সমাজতে দুৰ্নীতি এক সামাজিক ব্যাধি হিচাবে দেখা যায়।

ৰাজহুৱা বিশ্বাসৰ যি ঠাই বা পদ তাক ব্যক্তিগত স্বাৰ্থৰ কাৰণে অপপ্ৰয়োগকেই দুৰ্নীতি বুলিব পাৰি। অভিধানৰ অৰ্থ মতে দুৰ্নীতি হ'ল— "উৎকোচ বা অন্য নিয়ম বহিৰ্ভুত উপায়ৰ প্ৰতি প্ৰলোভনেই হ'ল দুৰ্নীতি।" Amakoয়ে সংজ্ঞা দিয়ে যে দুৰ্নীতি হ'ল— "ব্যাখ্যা বা জবাব আৰু স্বচ্ছতাৰ বিপৰীত অৱস্থা"। অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাসমূহৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্যহীনতাই দুৰ্নীতিৰ জন্ম দিয়ে। দুৰ্নীতি মাত্ৰ দণ্ডনীয় অপৰাধেই নহয়, এক সামাজিক সমস্যাও যিটো সমাজৰ কাৰণে প্ৰচুৰ হানিকাৰক। সামাজিক সমস্যা হিচাবে দুৰ্নীতিক ইয়াৰ ধৰণ, পদ্ধতি আৰু পৰিণামৰ হিচাপত মূল্যায়ন কৰা হয়। বিশ্বৰ দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষক এখন দুৰ্নীতিগ্ৰস্ত দেশ বুলি ধাৰণা কৰা হয় আৰু এই দুৰ্নীতি বৰ্তমান সময়ত বহুলভাৱে প্ৰসাৰিত হৈ পৰিছে। ভাৰতীয় ৰাজনীতিৰ স্থান অৱনমিত হোৱাৰ প্ৰধান কাৰণসমূহৰ ভিতৰত দুৰ্নীতিও এটা। ভাৰতীয় অৰ্থনীতিয়েও এই দুৰ্নীতিৰ ফলত সৃষ্টি হোৱা অবাঞ্ছনীয় পৰিণতি ভোগ কৰিবলগীয়া হয়। দীৰ্ঘ সময়ৰ পৰা এইটো প্ৰত্যক্ষ কৰি অহা হৈছে যে ভাৰতবৰ্ষত ঘটি থকা বিভিন্ন কেলেংকাৰী (Scandal)ৰ দ্বাৰা ইয়াৰ সমাজ ক্ষতিগ্ৰস্ত হৈ আহিছে আৰু দেশৰ প্ৰগতিৰ বাটত প্ৰধান অন্তৰায় হৈ পৰিছে। কয়লা কেলেংকাৰীৰ পৰা আৰম্ভ কৰি 2G কাণ্ড (2G Scam), কমনৱেলথ গেম্ছ (CWG Scandal) আৰু ব'ফৰ্চ কাণ্ড এই সকলোবোৰে ভাৰতবৰ্ষৰ চৰকাৰৰ দুৰ্বলতা তথা দেশখনৰ মানসিকতাকে দেখুৱায়। যদিও দেশত চৰকাৰ ব্যৱস্থা বেলেগ বেলেগ সময়ত বেলেগ বেলেগ দলৰ দ্বাৰা পৰিচালিত হৈ আহিছে তথাপিও দুৰ্নীতি বা ভ্ৰষ্টাচাৰৰ সমস্যা সমাধানত কোনো চৰকাৰেই সফল হ'ব পৰা নাই। এইখিনিতে বিশেষ গুৰুত্বপূৰ্ণ কথা এয়াই যে বহু সময়ত কিছুমান বিভাগীয় মন্ত্ৰীও বহু ডাঙৰ কেলেংকাৰীৰ লগত আপত্তিজনকভাৱে সাঙোৰ খাই পৰা দেখা যায় আৰু ই চৰকাৰ যন্ত্ৰৰ বিসংগতিপূৰ্ণ ভূমিকাক স্পষ্ট কৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দুর্নীতি কি?

.....

.....

প্রশ্ন নং ২ ঃ মূৰোৱে দুর্নীতিৰ সংজ্ঞা এনেদৰে দিছিল যে ব্যক্তিগত মুনাফাৰ কাৰণে —— অপপ্রয়োগেই হ'ল দুর্নীতি।

.....

.....

প্রশ্ন নং ৩ ঃ অর্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাসমূহৰ প্রতি —— দুর্নীতিৰ জন্ম দিয়ে।

.....

.....

প্রশ্ন নং ৪ ঃ ভাৰতবর্ষক ক্ষতিগ্রস্ত কৰা কেইটামান কেলেংকাৰী (Scandal)ৰ নাম লিখক।

.....

.....

১৪.৩.১ দুর্নীতিৰ কাৰণসমূহ

এখন দেশৰ কাৰণে দুর্নীতি এক গভীৰ সমস্যা। ই এক জটিল পৰিঘটনা আৰু বিভিন্ন কাৰক আৰু শক্তিয়ে ইয়াৰ ব্যাপক সম্প্রসাৰণৰ বাবে দায়ী। C. B. Mamoriaৰ মতে, দুর্নীতিৰ কিছুমান কাৰণ হ'ল—

- **অর্থনৈতিক অসুৰক্ষা ঃ** দুর্নীতিৰ এক উল্লেখনীয় কাৰণ হ'ল অর্থনৈতিক অসুৰক্ষা। অর্থনৈতিকভাৱে দুর্বল লোকসকলে টকা-পইচাৰ ক্ষেত্রত নিজৰ স্থিতি সৱল কৰিবলৈ দুর্নীতিৰ আশ্রয় লয়। তেনেদৰে ধনী লোকসকলে নিজৰ স্থিতি অপৰিৱর্তিত কৰি ৰাখিবলৈ দুর্নীতিৰ আশ্রয় লয়। ধনী লোকসকলৰ বিলাসী সামগ্রীৰ প্রতি থকা আসক্তি আৰু বিদেশী দামী কাপোৰ, ফোন, ইলেক্ট্রনিক সামগ্রী, প্রসাধন আদিৰ প্রতি থকা আসক্তিয়ে চোৰাং বেহাৰ দৰে দুর্নীতিক প্রশ্রয় দিছে।

- **উচ্চ হাৰৰ আয় কৰ ঃ** ভাৰতবর্ষত তুলনামূলকভাৱে আয়কৰ উচ্চ হাৰৰ। বহু সময়ত এনে উচ্চ হাৰৰ আয় কৰৰ বাবে সৎ লোকসকলেও সম্পত্তি আৰু আয়ৰ মিছা তথ্যৰে এনে উচ্চ হাৰৰ আয়ৰ পৰা কিছু পৰিমাণে ৰেহাই পাব বিচাৰে। বহু অসৎ দুর্নীতিপৰায় আয় কৰ বিষয়াই ঘোচ (Bribe)ৰ বিনিময়ত দুর্নীতিত লিপ্ত হয়।

- **চৰকাৰী চাকৰিয়ালসকলৰ নগণ্য পৰিমাণৰ দৰমহা ঃ** কিছুমান চৰকাৰী বিভাগত কর্মচাৰীসকলক অতি নগণ্য পৰিমাণৰ দৰমহা দিয়া হয় আৰু এইটো চৰকাৰী বিভাগসমূহৰ

দুর্নীতিৰ এক কাৰণ বুলি ক'ব পাৰি। আদালতৰ কেৰাণী, পিয়ন আৰু অন্য চৰকাৰী বিভাগৰ চতুর্থ বর্গৰ কর্মচাৰীসকলে নিম্ন দৰমহাৰ কাৰণে নিজৰ আয় বৃদ্ধিৰ লক্ষ্যৰে দুর্নীতিৰ প্রতি আকর্ষিত হয়।

- **সম্পদ আৰু ক্ষমতাৰ নতুন উৎস ঃ** আধুনিক অর্থ-ৰাজনৈতিক ব্যৱস্থাই ক্ষমতাত প্রতিষ্ঠিত ৰাজনীতিবিদসকলৰ কাৰণে অর্থনৈতিকভাৱে অর্থ উপার্জনৰ এক সুযোগৰ সৃষ্টি কৰিছে। Lincoln Steffensয়ে কয় যে "ৰাজনীতিকসকলে ঘোচ লয় কাৰণ ব্যৱসায়ীসকলে এই সুযোগ দিয়ে আৰু ব্যৱসায়ীসকলে এনে কার্য কৰিবৰ বাবে বাধ্য।" এই অনৈতিক সহযোগিতাই দুর্নীতিক উদগনি যোগায়।

- **গণতন্ত্রৰ পদ্ধতি ঃ** গণতন্ত্রৰ বর্তমান কার্যপদ্ধতিও ভাৰতত দুর্নীতিৰ বাবে দায়ী। সকলো ৰাজনৈতিক দল বিশেষকৈ শাসনাধিষ্ঠ দলটোৱে নির্বাচনৰ সময়ত কোটি কোটি টকা খৰচ কৰে। সাধাৰণতে উদ্যোগপতিকে ধৰি ব্যৱসায়ীসকলে নিজৰ স্বার্থৰ খাতিৰত এই খৰচৰ সিংহভাগ যোগান ধৰে। নির্বাচনত ব্যৱহৃত এই কোটি কোটি টকা ক'লা টকা আৰু ই দুর্নীতিৰ এক কাৰক।

- **সামাজিক আৰু অর্থনৈতিক আধুনিকীকৰণ ঃ** আধুনিকীকৰণে উদ্যোগপ্রধান সমাজলৈ দুর্নীতি আনিছে। এক উদ্দেশ্যধর্মী আনুগত্য আৰু স্বীকৃতিৰ লক্ষ্যই ব্যক্তি আৰু গোটক দুর্নীতিৰ প্রতি অৱনমিত কৰে।

- **হাৱালা কাণ্ড ঃ**

এই হাৱাল কাণ্ডই তিনিগৰাকী কেন্দ্রীয় মন্ত্রীকে ধৰি বিৰোধী দলৰ দলনেতাকো অন্যান্য অভিযুক্তৰ লগত অন্তর্ভুক্ত কৰে। এই ঘটনাই দেখুৱাই যে অর্থ অনুদান (State Fanding) আদি পদ্ধতিৰ দ্বাৰা আমি নির্বাচনী প্রক্রিয়াৰ মাজত স্বচ্ছতা আনিব লাগিব, অন্যথাই গণতান্ত্রিক ব্যৱস্থা সাংঘাতিকভাৱে বিপদপ্রস্ত হ'ব।

এই হাৱালা প্রক্রিয়া বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত। ইয়াত ধন প্রেৰণৰ বাবে এক বিকল্প পদ্ধতি ব্যৱহাৰ কৰা হয়, য'ত বেঙ্ক ব্যৱহাৰ কৰা নহয়। এই হাৱালাৰ উৎস হ'ল ভাৰত আৰু পাকিস্তান। হাৱালাৰ জৰিয়তে এখন দেশৰ পৰা আন এখন দেশলৈ টকা চালান দিয়া হয় আৰু এইক্ষেত্রত নগদ টকাৰ সলনি বিশ্বাসহে দুয়োটা দল (ধাৰক আৰু প্রেৰক)ৰ মাজত আদান-প্রদান কৰা হয়। যিহেতু এই ব্যৱস্থাৰ নগদ টকাৰ ব্যৱহাৰ নহয়, সেয়েহে কোনো লিখিত তথ্যও নাথাকে, এনে ক্ষেত্রত হাৱালাৰ অপৰাধ অনুসন্ধানো কঠিন হৈ পৰে। বর্তমান সময়ত 'হাৱালা' গুৰুতৰ অনৈতিক কার্যৰ বাবে ব্যৱহৃত হৈ আহিছে। সেয়ে হাৱালাৰ দ্বাৰা হোৱা অনৈতিক ধনৰ সৰবৰাহক 'ক'লা হাৱালা' বোলা হয়। ব্যক্তিগত ক'লা ধনৰ অবাধ উপার্জন ৰোধ কৰিব পাৰিলে ভৰিষ্যতে হাৱালাৰ উৎস বন্ধ কৰিব লগা যাব বুলি আশা কৰিব পাৰি।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ———— বর্তমান কার্যপদ্ধতিত দুর্নীতিৰ বাবে দায়ী।

.....

.....

প্রশ্ন নং ৬ ঃ Lincoln Steffens ৰ মতে ৰাজনীতিজ্ঞসকলে কিয় উৎকোচ বা ভেটি লয়?

.....

.....

১৪.৩.২ দুর্নীতিৰ নিবাৰণৰ উপায়

বর্তমান সময়ৰ এক জ্বলন্ত সমস্যা হ'ল দুর্নীতি আৰু ইয়াক ৰোধ কৰিবলৈ চৰকাৰী সকলো সংস্থানতেই কঠোৰ ব্যৱস্থা গ্রহণৰ দৰকাৰ। জনসাধাৰণৰ মনত দুর্নীতিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰো ঘাই দায়িত্ব চৰকাৰেই বহন কৰিব লাগিব। সেয়েহে নিবাৰক আৰু শাস্তিমূলক ব্যৱস্থাসমূহৰ প্রয়োগৰে দুর্নীতিৰ হাৰ হ্রাস কৰিবলৈ কর্তৃপক্ষ যত্নপৰ হ'ব লাগিব।

কেন্দ্রীয় চৰকাৰৰ অধীনত ১৯৬৪ চনত কে. সন্থাৰামৰ নেতৃত্বত সন্থৰাম কমিটি গঠন কৰি দুর্নীতিৰ নিবাৰণৰ ক্ষেত্রত পদক্ষেপ লোৱা হয়। এই কমিটিয়ে প্রতিবেদন দাখিল কৰে যে "দুর্নীতি নিবাৰণৰ উপায়সমূহ সুপৰিকল্পিতভাৱে আৰু নিৰন্তৰ, ক্রিয়াশীলভাৱে উপস্থাপন কৰিব নোৱাৰিলে দুর্নীতি নাশ আনকি তাৰ কার্যক্ষমতাও হ্রাস কৰিব নোৱাৰি। এই নিবাৰক প্রক্রিয়াত প্রশাসনীয়, নীতিগত, সামাজিক, অর্থনৈতিক আৰু শিক্ষাগত পদ্ধতি অন্তর্ভুক্ত হ'ব লাগিব।" এই কমিটিয়ে দুর্নীতি নিবাৰণৰ ক্ষেত্রত তলত উল্লেখ কৰা পৰামর্শসমূহ আগবঢ়ায়—

- দুর্নীতিৰ সম্ভাব্য ক্ষেত্র ইয়াৰ প্রকাৰ আদিৰ সম্বন্ধে পুংখা-নু-পুংখ অধ্যয়ন কৰা উচিত। ইয়াৰ বাবে চৰকাৰী বিভাগসমূহ, উদ্যোগিক খণ্ড, মন্ত্রালয় আদিৰ তথ্য সংগ্রহ কৰা উচিত। এই অধ্যয়নৰ অন্তত দুর্নীতি নিবাৰণৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্রহণৰো পৰামর্শ কমিটিয়ে দিয়ে।
- দুর্নীতি প্রক্রিয়া নাশ কৰিবলৈ প্রশাসনীয় বিলম্বতা হ্রাস কৰাৰ পৰামর্শ দিয়ে।
- নাগৰিকসকলে তেওঁলোকৰ অধিকাৰ, দায়িত্ব আৰু চৰকাৰী ব্যৱস্থাপনাৰ বিষয়ে জ্ঞাত হ'বলৈ শিক্ষাৰ প্রয়োজনীয়তাৰ কথা এই কমিটিয়ে জোৰ দিয়ে।
- চৰকাৰী কর্মচাৰীসকলৰ কাৰণে দৰমহা বৃদ্ধিৰ উপৰিও কিছুমান ওপৰঞ্চি সুবিধা যেনে—

গৃহৰ সুবিধা, চিকিৎসাৰ সুবিধা আদিৰ প্ৰতিও চৰকাৰ যত্নৱান হোৱা উচিত।

- বিষয়াসকলক ব্যক্তিগতভাৱে কোনো চৰকাৰী কার্যালয়ৰ হকে নিজাবৰীয়াকৈ সিদ্ধান্ত গ্ৰহণৰ অনুমতি দিয়াৰ আগতে সঠিকভাৱে পৰীক্ষা কৰিব লাগে।
- উদ্যোগপতি আৰু ব্যৱসায়ীসকলক তেওঁলোকৰ খৰচৰ বিশদ হিচাব দিবলৈ বাধ্য কৰাৰ লাগে।

Prevention of Corruption Act 1947 :

ভেটি লওঁতাসকলক নিশ্চয়কৈ কঠোৰ শাস্তি দিয়া উচিত আৰু ভাৰতীয় দণ্ডবিধি (Indian Penal Code– IPC) এইক্ষেত্ৰত বিশেষ কার্যক্ষম হোৱা উচিত। কেন্দ্ৰীয় চৰকাৰে ভেটি আৰু দুৰ্নীতিৰ নিবাৰণৰ কাৰণে 'The Prevention of Corruption Act'— অর্থাৎ দুৰ্নীতি নিবাৰক আইন'ৰ আৰম্ভণি কৰিছিল। এই আইনখনে পিছে এই সামাজিক সমস্যাৰ নির্মূলকৰণত বিশেষ সহযোগিতা আগবঢ়াহ নোৱাৰিলে। সেয়েহে অন্য কিছুমান শক্তিশালী ব্যৱস্থাৰ দ্বাৰা ভেটী (Bribe) লোৱা আৰু দিয়া দুয়োপক্ষৰে শাস্তিৰ বিধান কৰিব লাগে।

- প্ৰশাসনীয় বিভাগৰ বিষয়াসকলৰ সময়ত বিশেষ সতর্কতা পালন কৰা উচিত। এই বিষয়াসকলৰ সততাৰ ওপৰত নিজস্ব আগ্ৰহ থকাটো জৰুৰী।

কমিটিয়ে দিয়া এই পৰামর্শৱলীৰ বাহিৰেও অন্য উপায়ত দুৰ্নীতি নিবাৰণৰ বাবে আগবঢ়োৱা হৈছে—

- আয় কৰ বিধিৰ সংশোধন আৰু লাইচেঞ্চ আখু পার্মিট প্ৰদানৰ সময়ত বিতং পৰীক্ষণৰ প্ৰয়োজন।
- গণ সংযোগী মাধ্যমসমূহে জনসাধাৰণৰ মাজত দুৰ্নীতিৰ প্ৰতি বিৰুদ্ধাচৰণ আৰু সততাৰ সপক্ষে এক ধনাত্মক মনোভাৱ গঢ়ি তুলিবলৈ উদোগ ল'ব লাগে।
- আলোককেন্দ্ৰিক দুৰ্নীতি প্ৰতিৰোধৰ কাৰণে ভেটি লওঁতাসকলৰ বিৰুদ্ধে দৃঢ় শাস্তিমূলক ব্যৱস্থাৰ বলবৎ কৰা জৰুৰী।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ৭ ঃ সাস্থাৰাম কমিটি কেতিয়া স্থাপিত হৈছিল?

.....

.....

প্রশ্ন নং ৮ ঃ সাস্থাৰাম কমিটিয়ে নিজৰ ৰিপোর্টত কি তথ্য আগবঢ়াইছিল?

.....

.....

প্রশ্ন নং ৯ ঃ দুর্নীতি ৰোধ কৰিবলৈ প্রশাসনীয় ———— হ্রাস কৰা উচিত।

.....

.....

প্রশ্ন নং ১০ ঃ নাগৰিকসকল শিক্ষিত হোৱা প্রয়োজন যাতে তেওঁলোকে নিজৰ ———— আৰু চৰকাৰৰ সিদ্ধান্তৰ বিষয়ে জ্ঞাত হ'ব পাৰে।

.....

.....

প্রশ্ন নং ১১ ঃ দুর্নীতি নিবাৰক আইন ১৯৪৭ কিহৰ লগত জড়িত আছিল?

.....

.....

১৪.৪ ক'লা টকা

১৪.৪.১ ক'লা টকাৰ সংজ্ঞা

ক'লা টকাই সমাজত এক সুকীয়া সমস্যাৰ সৃষ্টি কৰিছে। সমাজৰ অর্থনীতি আৰু সমাজ নীতিত ইয়াৰ পৰিণামো বিশেষ মন কৰিবলগীয়া। নিয়ম বিৰুদ্ধ পদ্ধতিৰে অর্জন কৰা ধনকেই ক'লা টকাৰ সংজ্ঞা হিচাবে ক'ব পাৰি। এই ধৰণৰ ধন সাধাৰণতে অনৈতিক উপায়েৰে গোপনে আৰু গুপ্ত অর্থনৈতিক কার্যকলাপৰ জৰিয়তে উপার্জন কৰা হয়, সেয়েহে এই ধৰণৰ টকা-পইচাসমূহ কৰ ব্যৱস্থাৰ পৰা বহির্ভুত হৈ থাকে। ক'লা টকাৰ গৰাকীয়ে ইয়াক লুকুৱাই ৰাখে আৰু গুপ্ত অর্থনৈতিক কার্যৰ জৰিয়তে খৰচ কৰে আৰু বহু সময়ত এইবোৰক বৈধ ৰূপ দিবলৈ চেষ্টা কৰে। এইদৰে বৈধ ৰূপ দিব গৈ ক'লা টকাসমূহকো বৈধ ব্যৱসায় আদিত ব্যৱহাৰ কৰে। ক'লা টকাৰ বৈধ ব্যৱহাৰৰ জৰিয়তে অপৰাধীয়ে অনৈতিকভাৱে উপার্জন কৰা টকা নীতিগত টকালৈ ৰূপান্তৰ কৰে। সদ্যপ্রাপ্ত এক অনুসন্ধান মতে গোটেই পৃথিৱীজুৰি ক'লা টকাৰ নিকাকৰণ বা বৈধকৰণ কার্যৰ

জৰিয়তে বছৰি এক বিলিয়ন ডলাৰ ক'লা টকা, বগা টকালৈ ৰূপান্তৰ হৈছে।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ পৰাই ক'লা বজাৰ আৰু ক'লা টকা এই পৰিভাষ ব্যৱহাৰ প্ৰথমবাৰৰ বাবে সমাজলৈ আহিছে। বিতৰণ আৰু মূল্যৰ ওপৰত বিভিন্ন প্ৰতিবন্ধকতা সত্ত্বেও গুপ্ত বজাৰসমূহ মূৰ দাঙি উঠে আৰু এই বজাৰসমূহত নিয়ন্ত্ৰিত বজাৰতকৈ উচ্চ হাৰত সামগ্ৰীসমূহ পোৱা যায়। এই ক'লা বজাৰত ক্ৰয়-বিক্ৰয়ত ব্যৱহৃত টকাকে ক'লা টকা বোলা হয়। ই কয় যে "বৰ্তমান সময়ত সাধাৰণতে ক'লা টকাই হিচাবহীন আৰু গুপ্ত আয় বা অপ্ৰকাশ্য আয়কেই বুজায়, তেনেদৰে লেনদেনত ব্যৱহৃত সম্পূৰ্ণ বা আংশিক গুপ্ত টকাৰো একেই অৰ্থ প্ৰকাশ কৰে।"



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১২ ঃ ক'লা টকাৰ সংজ্ঞা দিয়া।

.....

.....

প্ৰশ্ন নং ১৩ ঃ টকাৰ বৈধকৰণ (Money Laundering)ৰ সংজ্ঞা দিয়া।

.....

.....

প্ৰশ্ন নং ১৪ ঃ সদ্যপ্ৰাপ্ত অনুসন্ধান মতে গোটেই পৃথিৱীজুৰি টকাৰ নিকাকৰণত প্ৰায় —— টকা বছৰি ব্যৱহৃত হয়।

.....

.....

১৪.৪.২ ক'লা টকা সৃষ্টিৰ কাৰণসমূহ

ক'লা টকা সৃষ্টি হোৱাৰ বহুতো কাৰণ আছে। তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল—

- **কৰৰ উচ্চ হাৰ ঃ** কৰৰ অসংগত উচ্চ হাৰে কিছুমান মানুহক কৰ ফাঁকিৰ বাবে প্ৰলোভিত কৰে আৰু এনেকৈয়ে তেওঁলোকে ক'লা টকা উপাৰ্জন কৰে। এই বিষয়ে এক বিতৰ্ক আছে যে মানুহে তেওঁলোকৰ প্ৰকৃত আয়ৰ তথ্য লুকুৱাব নালাগিব যদিহে কৰ হ্ৰাস কৰা হয়।
- **উৎপাদন শুল্কৰ ভিন্নতা ঃ** চৰকাৰে উৎপাদন শুল্ক হাৰ নিৰ্দিষ্ট কৰি দিয়ে। বস্তুৰ ওপৰত মানৰ ওপৰত ভিত্তি কৰি উৎপাদিত সামগ্ৰীসমূহ শ্ৰেণীবিভাগ কৰা হয়। এই শ্ৰেণীবিভাগ অনুসৰি বস্তুসমূহৰ গ্ৰেড বা মান দিয়া হয় আৰু এই মানৰ ওপৰতেই শুল্ক হাৰ নিৰ্ভৰ কৰে।

উৎপাদকসকলে বহু সময়ত বস্তুসমূহ কম মানৰ ৰ বুলি শ্রেণীবদ্ধ কৰি শুল্ক হাৰ হ্রাস কৰে। এই ধৰণে ক'লা টকাৰ সৃষ্টি হয়।

- **মুদ্রাস্ফীতি ঃ** ক'লা টকাৰ এক মূল কাৰণ হ'ল মুদ্রাস্ফীতি। মুদ্রাস্ফীতিৰ ফলত কিছুমান নির্দিষ্ট বস্তুৰ দাম যেনে— পেট্ৰ'লৰ দাম বৃদ্ধি পায় আৰু এই সময়ত ক'লা ধন সংগ্রহকাৰীসকলে তেওঁলোকৰ বেহিচাব টকাৰ পৰা এই বর্ধিত মূল্যতো পেট্ৰ'ল ক্রয় কৰে। ইয়াৰ দ্বাৰা তেওঁলোকে সম্পদৰ উৎপাদনক এক বাজী লৈ পৰিৱর্তন কৰে, ফলত মুদ্রাস্ফীতি হয়।

- **নির্ধাৰিত সীমা পদ্ধতি আৰু অভাৱ ঃ** চৰকাৰে আমদানি, ৰপ্তানি আৰু বিনিময়ৰ কাৰণে নির্ধাৰিত সীমাৰ ব্যৱস্থা কৰিছে। এই সীমা পদ্ধতিৰ প্রায়েই উলংঘন কৰি ক'লা টকা উপার্জন কৰা হয়। অত্যাৱশ্যকীয় সামগ্রীৰ অভাৱৰ সময়ত মানুহে উচ্চ মূল্যত হ'লেও সেই সামগ্রীসমূহ ক্রয় কৰে। এই উচ্চ মূল্য নিয়ন্ত্রিত হজাৰ মূল্যতকৈ বেছি হয়। এনে ক্ষেত্রত ক'লা টকা উৎপাদন হয়। কাৰণ, গ্রাহকে আদায় দিয়া অতিৰিক্ত মূল্যই ক'লা টকাৰ সৃষ্টি কৰে।

- **গণতান্ত্রিক ব্যৱস্থাৰ নির্বাচন ঃ** নির্বাচন হ'ল গণতান্ত্রিক ব্যৱস্থাৰ এক অংশ। বর্তমান ব্যৱস্থাত ই এক যথেষ্ট খৰচী প্রক্রিয়া হৈ পৰিছে আৰু বেছিভাগ ক্ষেত্রতে নির্বাচন প্রার্থীগৰাকীয়ে নির্বাচন আয়োগে নির্দিষ্ট কৰি দিয়া টকাতকৈ অধিক ব্যয় কৰে। নির্বাচনত ব্যয় হোৱা বৃহৎ সংখ্যক টকা ক'লা ধনৰ গৰাকীয়ে ব্যয় কৰে বুলি বিশ্বাস কৰা হয়। ৰাজনীতিবিদ আৰু ব্যৱসায়ীসকলে পাৰস্পৰিক বুজাপৰা আৰু সন্ধিৰ ভাৱ স্থাপন হয়। ব্যৱসায়ীসকলে ৰাজনৈতিক সহায়তা আৰু অর্থনৈতিক ৰেহাইৰ চর্তত নির্বাচনৰ সময়ত ৰাজনৈতিক নেতাসকলক পিছলৈ অধিক ক'লা টকা উপার্জনৰ বাট মুকলি কৰে।

- **ভূ-সম্পত্তিৰ লেনদেন ঃ** মানুহে ভূ-সম্পত্তি ৰ ক্রয়-বিক্রয়ৰ মাধ্যমেৰে বৃহৎসংখ্যক টকা-পইচা উপার্জন কৰে। নিম্নমূলত ঘৰ-দুৱাৰ বা মাটি-বাৰী ক্রয় কৰি উচ্চহাৰত বিক্রী এক লাভজনক ব্যৱসায়। এই ক্ষেত্রত ক্রেতা আৰু বিক্রেতাই চল-চাতুৰীৰে অতি কম মূল্যৰ শুল্কহে প্রদান কৰে। ক'লা ধনৰ ইয়ো এক প্রধান উৎস।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ নির্বাচনত ক'লা টকাৰ ভূমিকা কি?

.....

.....

প্ৰশ্ন নং ১৭ ঃ উচ্চ হাৰৰ কৰৰ দ্বাৰা কেনেকৈ ক'লা টকা উৎপন্ন হয়?

.....

.....

১৪.৪.৩ সমাজত ক'লা টকাৰ প্ৰভাৱ আৰু ইয়াৰ পৰিণাম

ক'লা টকাৰ সাধাৰণতে অৰ্থনীতি আৰু সমাজৰ ওপৰত হানিকাৰক পৰিণাম ঘটে। এখন দেশৰ অথনৈতিক উন্নয়নৰ আঁচনি আৰু কাৰ্যসূচীৰ বাধাগ্ৰস্ত কৰি ই দেশখনৰ অৰ্থনৈতিক গাঁথনি দুৰ্বল কৰি পেলায়। কৰ প্ৰবঞ্চনাৰ ফলত ৰাজকোষ (Excheguer)ৰ এক বৃহৎ পৰিমাণৰ ধনৰ ঘাটি ঘটে। এই ধন নীতিগতভাৱে উপাৰ্জন হ'লে ই দেশৰ উন্নয়নৰ অৰ্থে ব্যয় কৰিব পৰা গ'লহেঁতেন। তদুপৰি ক'লা ধনৰ ফলত হোৱা মুদ্ৰাস্ফীতিৰ ফলস্বৰূপে চৰকাৰে দেশৰ অৰ্থনীতিৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাই, ফলস্বৰূপে দেশত অৰ্থনৈতিক অনিশ্চয়তাই দেখা দিয়ে।

ক'লা টকাৰ সামাজিক পৰিণামো হানিকাৰক। ক'লা টকাই সামাজিক অসমতা বৃদ্ধি আৰু চোৰাং বেহা, উৎকোচ আদিৰ দৰে সমস্যাৰো সৃষ্টি কৰে। দেশৰ চৰকাৰে সমাজ কল্যাণমূলক অনুষ্ঠানসমূহক আৰ্থিক অনুদান দিয়াৰ ক্ষেত্ৰত সহায়কাৰী ৰাজহ ব্যৱস্থায়ো ক্ষতিগ্ৰস্ত হয়। ফলস্বৰূপে আয় আৰু সম্পত্তিৰ অসমতা স্থাপন হয়। এইটো সহজেই অনুমেয় যে এই সকলো সামাজিক-অৰ্থনৈতিক সমস্যাই বৰ্ধিত নিবনুৱা সমস্যা, দৰিদ্ৰতা আদিৰো সৃষ্টি কৰে।

১৪.৪.৪ ক'লা টকা প্ৰতিৰোধ

ক'লা টকাৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত। এইক্ষেত্ৰত নিম্নোক্ত উপায়সমূহ ক'লা টকাৰ প্ৰসাৰণ ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ ফলপ্ৰসূত—

- সামাজিক সততাৰ মান বৃদ্ধি কৰাৰ ক্ষেত্ৰত যত্নবান হোৱা উচিত। ৰাজনৈতিক নেতা, মন্ত্ৰীসকল, ৰাজপত্ৰিত বিষয়া, বুদ্ধিজীৱিসকল আৰু সকলো জনসংযোগী ব্যক্তিয়ে দৃষ্টান্তমূলক সৎ আচৰণেৰে দেশৰ জনসাধাৰণৰ কাৰণে আদৰ্শ প্ৰতিষ্ঠা কৰি কৰ প্ৰদানৰ ক্ষেত্ৰত নীতিগত কাৰ্যপন্থা গ্ৰহণ কৰিব লাগে।
- ৰাজহুৱা ব্যয়সমূহ বিশেষকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহক দৃঢ় নিয়ন্ত্ৰণত ৰখা উচিত।
- কৰ ব্যৱস্থা বাস্তৱমুখী হোৱাটো প্ৰয়োজন। অত্যাধিক উচ্চ হাৰৰ কৰ উৎপাদনমুখী ব্যৱস্থাক বাধাগ্ৰস্ত কৰে। ইয়াৰ ফলত কৰ প্ৰতাৰণাৰ দৰে সমস্যাৰ সৃষ্টি হয়। আয়কৰ, সম্পত্তিকৰ, মূলধনগত লাভৰ কৰ আৰু ভূ-সম্পত্তিৰ লেনদেনৰ কৰ আদিত অতিমাত্ৰা কৰ ব্যৱস্থাই

কৰ ফাঁকিৰ সৃষ্টি কৰে আৰু ক'লা টকাৰ সৃষ্টিত অৰিহণা যোগায়। সেয়েহে কৰৰ হাৰৰ ক্ষেত্ৰত সাৱধান হোৱা উচিত।

- কৰ সংগ্ৰহ ব্যৱস্থা সুদক্ষ হোৱা উচিত। কৰ সংগ্ৰহ ব্যৱস্থাৰ সৈতে যুক্ত সুদক্ষ বিষয়াসকলৰ পুৰস্কৃত কৰাৰ ব্যৱস্থা থাকিলে ইয়ে জনসাধাৰণৰ লগতে কৰ সংগ্ৰহকাৰী বিষয়াসকলকো সৎ পন্থা গ্ৰহণৰ প্ৰতি উৎসাহী কৰিব।
- VDS - Voluntary Disclosure of Income — য'ত কৰদাতাই স্বেচ্ছাই নিজৰ আয় প্ৰকাশ কৰে, এনে ক্ষেত্ৰত বিশেষ পুৰস্কাৰেৰে এই কাৰ্যক উদগনি দিয়া উচিত।
- অৰ্থনৈতিক কাৰ্যক্ষম, সুদক্ষ শাখাৰ প্ৰস্তুত আৰু ইয়াৰ তন্ন তন্ন অনুসন্ধানমূলক পৰ্যবেক্ষণৰ আৱশ্যক। বিশ্বাসযোগ্য সৎ বিষয়াৰ নিযুক্তি এই বিভাগৰ বাবে বিশেষ আৱশ্যক।
- বিভিন্ন পৰ্যায়ত সংঘটিত প্ৰশাসনীয় দুৰ্নীতি ৰোধ কৰা উচিত আৰু ইয়াৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ১৮ ঃ অত্যাধিক উচ্চহাৰৰ কৰ ব্যৱস্থা কিয় প্ৰত্যাহাৰ কৰিব লাগে?

.....

.....

প্ৰশ্ন নং ১৯ ঃ বিভিন্ন পৰ্যায়ৰ প্ৰশাসনীয় দুৰ্নীতি ৰোধ কৰা উচিত আৰু ইয়াৰ বাবে ———— গ্ৰহণ কৰা উচিত।

.....

.....

১৪.৫ চোৰাং বেহা

চোৰাং বেহা এক অতি নিকৃষ্ট সামাজিক অহিতকাৰী ব্যৱস্থা। অনৈতিকভাৱে কিছুমান বস্তু বা মূল্যবান সম্পদ বা অন্য সামগ্ৰী এখন দেশৰ সীমাৰ পৰা আন দেশলৈ সৰবৰাহ কৰোতে সীমা শুল্ক ব্যৱস্থা উলংঘন কৰা হয়। এয়েই চোৰাং বেহা। ই বে-আইনী ব্যৱসায়ৰ অন্তৰ্ভুক্ত।

ভাৰতবৰ্ষত বহু বছৰ ধৰি এই চোৰাং বেহা এক লাভজনক ব্যৱসায় হিচাবে প্ৰচলিত হৈ আহিছে। বহুতো আন্তৰ্জাতিক অপৰাধী চক্ৰ, যেনে— মাফিয়া এই অনৈতিক কাৰ্যৰ লগত জড়িত। ভাৰতবৰ্ষত সোণৰ চোৰাং বেহা এক প্ৰচলিত চোৰাং কাৰবাৰ। আনকি ভাৰতবৰ্ষক সোণৰ 'ডাম্পিং গ্ৰাউণ্ড' হিচাবে ব্যৱহাৰ কৰা হৈ আহিছে কাৰণ আন্তৰ্জাতিক

বজাৰত সামগ্ৰীৰ মূল্য আৰু ভাৰতত সামগ্ৰীৰ বজাৰ মূল্যৰ বহু পাৰ্থক্য আছে। ৰালকটোৰ নিচিনা চোৰাং বেহাবেপাৰীয়ে সোণৰ বিনিময়ত ভাৰতলৈ নিয়ম বহির্ভুত সামগ্ৰী বহু বছৰৰ পৰা আমদানি কৰি আহিছে। বৰ্তমান সময়ত নিয়ম বহির্ভুতভাৱে অনুপ্ৰৱেশকাৰীও ভাৰতৰ পৰা অন্য দেশলৈ সৰবৰাহ কৰা হয়। চোৰাং বেহাবেপাৰীয়ে অকল সামগ্ৰী দেশলৈ আমদানি কৰাই নহয়, দেশৰ বাহিৰলৈও চোৰাং সামগ্ৰী পঠিয়ায়। ৰূপ আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী চোৰাং বেহাৰ দ্বাৰা ভাৰতৰ বাহিৰলৈ লৈ যোৱা হয়।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ২০ ঃ চোৰাং কাৰবাৰৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ২১ ঃ ভাৰতবৰ্ষত চোৰাং বেহাৰ বেছি প্ৰচলিত সামগ্ৰীবিধ হ'ল ————।

.....

.....

১৪.৫.১ চোৰাং বেহাৰ ইতিহাস

চোৰাং বেহাক প্ৰাচীনতম পদ্ধতিৰ বস্তুৰ সৰবৰাহৰ পন্থা বুলিব পাৰি। প্ৰায় চতুৰ্দশ শতিকাত চোৰাং বেহাৰ বিৰুদ্ধে নিয়ম প্ৰৱৰ্তন কৰা হৈছিল আৰু ''Treason Act 135''। প্ৰৱৰ্তন কৰা হৈছিল, য'ত নকল টকা আৰু মিছা বা নকল আমদানীৰ বিৰুদ্ধে শাস্তিৰ ব্যৱস্থা আছিল। তেতিয়াৰ পৰাই চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে আইনৰ ক্ৰমাগত প্ৰসাৰণ ঘটে আৰু অন্যান্য চোৰাং সামগ্ৰীৰ বেপাৰৰ ক্ষেত্ৰতো আইনী ব্যৱস্থা লোৱা হয়।

অৰ্থনৈতিক আৰু ৰাজনৈতিক বাস্তৱিকতাই চোৰাং বেহাৰ নিয়ন্ত্ৰণত ঐতিহাসিকভাৱে প্ৰভাৱিত কৰে। আডাম স্মিথকে ধৰি অন্য মুক্ত অৰ্থনীতিৰ সমৰ্থকসকলে পুঁজিবাদী অৰ্থনীতিৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণক সমৰ্থন কৰা নাছিল আৰু নীতিগত মুক্ত বজাৰ ব্যৱস্থাৰ উদ্যোগীসকলৰ নিচিনাকৈ চোৰাং ব্যৱসায়ীসকলকো অনুমোদন কৰাৰ পক্ষত আছিল। অৱশ্যে এই চোৰাং ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ আইন আৰু শাস্তিমূলক ব্যৱস্থাৰ দ্বাৰা চোৰাং বেপাৰ নিয়ন্ত্ৰণ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। কিন্তু এইক্ষেত্ৰত বিশেষ সফলতা পৰিলক্ষিত হোৱা নাই, বৰঞ্চ চোৰাং বেহা অধিক প্ৰসাৰিত হৈছে।

১৪.৫.২ চোৰাং বেহাৰ কাৰণসমূহ

চোৰাং বেহাৰ বহুতো কাৰণ আছে। তলত তাৰ কিছুমান আলোচনা কৰা হ'ল—

- অনৈতিক উপায়েৰে হ'লেও অতি ক্ষিপ্রগতিত ধনী হোৱাৰ চিন্তা এচাম মানুহৰ থাকে। চোৰাং কাৰবাৰৰ ই এক মূল কাৰণ। বর্তমান সময়ত মানুহৰ মূল্য তেওঁৰ উপার্জিত সম্পত্তি আৰু টকা-পইচাৰে জুখি চোৱা হয়। সেয়েহে সমাজৰ বহুতৰে নিজকে ধনীৰূপে প্রতিষ্ঠা কৰাৰ এক শক্তিশালী হেঁপাহ থাকে। এনেক্ষেত্রত চোৰাং বেহাৰ জৰিয়তে প্রচুৰ টকা উপার্জনৰ উদ্দেশ্য মানুহে এই ধৰণৰ চোৰাং ব্যৱসায় কৰে।
- এটা সময়ত ৰাষ্ট্রসমূহৰ মাজত একেটা বস্তুৰ দামৰ ক্ষেত্রতে বিস্তীর্ণ পার্থক্য আছিল। সোণ, ৰূপ, কানি আদি নিচাযুক্ত দ্রব্যৰ দেশভেদে মূল্যৰ বহুল তাৰতম্য আছে। সেয়েহে চোৰাং ব্যৱসায়ীসকলে বৃহৎ লাভৰ আশাত এনে বস্তুৰ চোৰাং বেহাত লিপ্ত হয়।
- দুর্নীতিপৰায়ণ চৰকাৰী বিষয়া কিছুমান সাৰ ভূমি আৰু সাগৰীয় পথেৰে পৰিবহণ কৰা সামগ্রীসমূহৰ ওপৰত আবকাৰী শুল্ক গ্রহণৰ দায়িত্ব থাকে আৰু নিয়ম বহির্ভুত সামগ্রীৰ ক্ষেত্রত প্রতিবন্ধকতাৰ দায়িত্ব থাকে। তেওঁলোকে ধনৰ বিনিময়ত চোৰাং ব্যৱসায়ীক সহায় আগবঢ়ায়।
- চোৰাং ব্যৱসায়ে সামাজিক অস্থিৰতাৰ সৃষ্টি কৰে। চোৰাং বেপাৰীসকলে ডাঙৰ অংকৰ ভেটি আগবঢ়াই কিছুমান শুল্ক বিষয়া আৰু পুলিচ অফিচাৰক প্রলোভিত কৰে। সেয়েহে চোৰাং কাৰবাৰে সমাজত ভেটি আৰু টকা-পইচাৰ অত্যাধিক লালসাৰ দৰে সামাজিক সমস্যাৰ সৃষ্টি কৰে।
- চাহিদাৰ তুলনাত যোগানৰ ঘাটি থকা দ্রব্যসমূহৰ অন্যদেশলৈ চোৰাং বেহাই ক'লা বজাৰ সৃষ্টিত উদগণি দিয়ে। চোৰাং সামগ্রীৰ দাম বৃদ্ধিৰ দ্বাৰা আৰু নিয়ন্ত্রিত, স্থানীয় বজাৰত অভাৱ সৃষ্টিৰ দ্বাৰা বিশেষকৈ সমাজৰ আর্থিকভাৱে দুর্বল শ্রেণীটো ক্ষতিগ্রস্ত হয়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২২ ঃ চোৰাং বেহাই ———— জন্ম দিয়ে।

.....

.....

প্রশ্ন নং ২৩ ঃ ঘাটি সামগ্রীৰ বিদেশী ৰাষ্ট্রলৈ চোৰাং বেহাৰ দ্বাৰা — সৃষ্টিত উদগণি দিয়ে।

.....

.....

১৪.৫.৩ চোৰাং বেহাৰ কু-ফলসমূহ

চোৰাং কাৰবাৰ বা বেহাৰ ক্ষতিকৰ প্ৰভাৱ অসংখ্য। দেশৰ অৰ্থনীতিয়ে ই অপূৰণীয় ক্ষতিসাধন কৰে। এখন দেশৰ সম্পদ চোৰাং কাৰবাৰৰ দ্বাৰা আন এখন দেশলৈ নীতিবিৰুদ্ধভাৱে স্থানান্তৰিত হয়। সোণৰ চোৰাং কাৰবাৰৰ দ্বাৰা দেশৰ সোণৰ সঞ্চয়ৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰে। তদুপৰি ই আন কিছুমান সামাজিক হানিকাৰক ঘটনা যেনে— ভেটি আৰু দুৰ্নীতি আদিৰ সৃষ্টি কৰে।

১৪.৫.৪ প্ৰতিকাৰ / প্ৰতিৰোধ

চোৰাং কাৰবাৰ এক ক্ৰমবৰ্ধমান সমস্যা আৰু সেয়েহে চৰকাৰে এইক্ষেত্ৰত অতি কঠোৰ ব্যৱস্থাৰে ইয়াৰ অগ্ৰগতি প্ৰতিৰোধ কৰা উচি। এই ব্যৱস্থাসমূহৰ কিছুমান হ'ল—

- অতি কঠোৰ আৰু সঠিক নিয়মৰ সৃষ্টিৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু সন্তুলনৰ মাধ্যমেৰে চোৰাং কাৰবাৰীৰ মনত এক ভয়ৰ সঞ্চাৰ কৰা।
- সুদক্ষ আৰু কৰ্তব্যপৰায়ণ বিষয়াৰ সীমাৰ তালাচী চকীসমূহত নিযুক্তিৰ দ্বাৰা শক্তিশালী পৰ্যবেক্ষণ স্থাপন।
- কঠোৰ শাস্তিমূলক ব্যৱস্থাৰ দ্বাৰা চোৰাং কাৰবাৰ প্ৰতিৰোধৰ ব্যৱস্থা।
- জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ দ্বাৰা এই চোৰাং বজাৰৰ পৰা বস্তু ক্ৰয় কৰাত নিৰুৎসাহ কৰা।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ২৪ ঃ চোৰাং কাৰবাৰৰ হানিকাৰক দিশসমূহৰ আলোচনা কৰক।

.....

.....

প্ৰশ্ন নং ২৫ ঃ ———— থকা তালাচী চকীসমূহ শক্তিশালী কৰিবলৈ ———— আৰু ———— বিষয়াৰ নিযুক্তি।

.....

.....

প্ৰশ্ন নং ২৬ ঃ চোৰাং কাৰবাৰ প্ৰতিকাৰৰ উপায়সমূহ লিখক।

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক সমস্যাসমূহ সমাজৰ অবাঞ্ছিত পৰিস্থিতি যিটো সমাজে ইয়াৰ হানিকাৰক দিশৰ বাবে ইয়াৰ পৰা মুক্তি বিচাৰে।
- ভাৰতবৰ্ষত বহুতো সামাজিক বিচাৰ্য বিষয় আছে, যিবোৰ আচলতে গভীৰ সামাজিক সমস্যায়ো।
- ভাৰতবৰ্ষৰ সমাজত স্থিত কিছুমান সমস্যা হ'ল— দুৰ্নীতি, ক'লা টকা আৰু চো�ৰাং কাৰবাৰ।
- দুৰ্নীতি সংজ্ঞা হিচাবে ক'ব পাৰি যে ই ৰাজহুৱা বিশ্বাসৰ স্থিতিৰ অপব্যৱহাৰ যিটো ব্যক্তিগত লাভৰ বাবে কৰা হয়।
- অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাসমূহৰ প্ৰতি আৱশ্যকীয় সন্মানৰ অভাৱেই দুৰ্নীতিৰ জন্ম দিয়ে।
- বৰ্তমান সময়ত বিশ্বৰ দেশসমূহৰ মাজত ভাৰতবৰ্ষক এখন দুৰ্নীতিগ্ৰস্ত দেশ বুলি গণ্য কৰা হয় য'ত দুৰ্নীতিয়ে বিস্তৰ প্ৰসাৰতা লাভ কৰিছে।
- ভাৰতীয় ৰাজনীতি অৱনমিত হোৱাৰ কা�ৰণসমূহৰ ভিতৰত দুৰ্নীতি এক মুখ্য কাৰণ।
- ভাৰতবৰ্ষ বিভিন্ন প্ৰতাৰণামূলক কাণ্ড আৰু কেলেংকাৰীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছে, যিবোৰে দেশখনৰ সমাজ আৰু অৰ্থনৈতিক প্ৰগতিৰ অন্তৰায় হৈ পৰিছে।
- কিছুমান বিখ্যাত কাণ্ডৰ ভিতৰত কয়লাগেট কাণ্ড), 2G কাণ্ড, কমনৱেলথ গেমচ (CWG) কাণ্ড আৰু বফ'ৰ্চ কাণ্ড প্ৰধান।
- দুৰ্নীতিৰ কা�ৰণ বহুতো— অৰ্থনৈতিক অসুৰক্ষা, আয়কৰৰ উচ্চ হাৰ, চৰকাৰী চাকৰিয়ালৰ নিম্ন দৰমহা, সম্পদ আৰু ক্ষমতাৰ নতুন উৎসৰ সৃষ্টি, গণতন্ত্ৰৰ পদ্ধতি, সামাজিক আৰু অৰ্থনৈতিক আধুনিকীকৰণ।
- কেন্দ্ৰীয় চৰকাৰে 'সন্থাৰাম কমিটি' নিয়োগ কৰিছিল ১৯৬৪ চনত আৰু ইয়াৰ উদ্দেশ্য আছিল দুৰ্নীতি নিবাৰণ।
- ক'লা টকা অপৰাধীসকলক অনৈতিক উপায়ে উপাৰ্জিত টকাক লুকুৱাব আৰু বৈধ কৰিব সুবিধা দিয়ে।
- ক'লা টকা সৃষ্টিৰ কা�ৰণসমূহ হ'ল— উচ্চ হাৰৰ কৰ, বিভিন্ন হাৰৰ উৎপাদন শুল্ক, মুদ্ৰাস্ফীতি, সংৰক্ষণ ব্যৱস্থা আৰু দুষ্প্ৰাপ্যতা, গণতান্ত্ৰিক নিৰ্বাচন পদ্ধতি, ভূ-সম্পত্তিৰ লেনদেন।
- ক'লা টকাৰ সাধাৰণতে অৰ্থনৈতিক আৰু সামাজিক বেয়া পৰিণতি থাকে।

- কৰ পদ্ধতি বাস্তৱসন্মত হোৱা প্ৰয়োজন।
- ৰাজহুৱা সততাৰ স্তৰ উৰ্দ্ধ হোৱাটো আৱশ্যক।
- চোৰাং বেহা এক নিকৃষ্ট সামাজিক সমস্যা।
- ভাৰতবৰ্ষত সাধাৰণতে সোণৰ সৰ্বাধিক চোৰাং বেপাৰ সম্পন্ন হয়।
- চোৰাং বেপাৰৰ কাৰণসমূহ হ'ল— ক্ষিপ্ৰগতিত ধনী হোৱাৰ মানসিকতা, প্ৰয়োজনীয় দ্ৰব্যৰ ভিন্ন মূল্য, দুৰ্নীতিগ্ৰস্ত বিষয়া।
- চোৰাং বেপাৰে দেশৰ অৰ্থনীতিৰ অপূৰণীয় ক্ষতি কৰে।
- চোৰাং বেপাৰ ৰোধ কৰাৰ বাবে কঠোৰ নিয়ম বলৱৎ কৰা উচিত।
- চোৰাং বেপাৰীক কঠোৰ শাস্তি প্ৰদানৰ ব্যৱস্থা থাকিব লাগে।
- জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি।



১৪.৭ অধিক জানিবলৈ

১) Jorge I. Domínguez, Smuggling, Foreign Policy, No. 20 (Autumn, 1975), pp. 87-96+161-164. Available at http://www.jstor.org/stable/1148128

২) Pranab Bardhan, Corruption and Development: A Review of Issues, Journal of Economic Literature, Vol. 35, No. 3 (Sep., 1997), pp. 1320-1346, Available at http://www.jstor.org/stable/2729979

৩) Robert Wade, Corruption: Where Does the Money Go?, Economic and Political Weekly, Vol. 17, No. 40 (Oct. 2, 1982), p. 160, Available at http://www.jstor.org/stable/4371424

৪) Sachin Chaudhuri, Facade of Black Money, Economic and Political Weekly, Vol. 20, No. 28 (Jul. 13, 1985), p. 1153. Available at http://www.jstor.org/stable/4374568

৫) Sachin Chaudhuri, Laundering Black Money, Economic and Political Weekly Vol. 16, No. 3 (Jan. 17, 1981), pp. 41-42, Available at http://www.jstor.org/stable/4369411

১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দুর্নীতিৰ সংজ্ঞা হিচাবে ক'ব পাৰি যে ব্যক্তিগত মুনাফাৰ কাৰণে ৰাজহুৱা বা চৰকাৰী স্থিতিৰ অপপ্রয়োগ। দুর্নীতিৰ অভিধানগত অর্থ হ'ল— "উৎকোচ বা অন্য নিয়ম বহির্ভুত উপায়ৰ প্রতি প্রলোভনেই হ'ল দুর্নীতি ঃ সত্য আৰু শুদ্ধৰ পৰা বিচলন।

২ নং প্রশ্নৰ উত্তৰ ঃ মূৰোৱে দুর্নীতিৰ সংজ্ঞা দি কৈছে— "ব্যক্তিগত মুনাফাৰ কাৰণে চৰকাৰী কার্যালয়ৰ অপপ্রয়োগ।"

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক আৰু অর্থনৈতিক ব্যৱস্থাসমূহৰ প্রতি শ্রদ্ধা আৰু আনুগত্যহীনতাই দুর্নীতিৰ জন্ম দিয়ে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতবর্ষক ক্ষতিগ্রস্ত কৰা কেইটামান কাণ্ড (Scam) হ'ল— কয়লাগেট কাণ্ড, 2G কাণ্ড, কমনৱেলথ গেমছ কাণ্ড, আৰু ব'ফর্চ কাণ্ড।

৫ নং প্রশ্নৰ উত্তৰ ঃ বর্তমান সময়ত ভাৰতবর্ষত কার্যকৰী হোৱা গণতান্ত্রিক পদ্ধতিও দুর্নীতিৰ বাবে দায়ী।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৰ মতে ৰাজনীতিবিদসকলে ভেটি লয় কাৰণ ব্যৱসায়ীসকলে দিয়ে আৰু ব্যৱসায়ীসকল ভেটি দিবলৈ বাধ্য।

৭ নং প্রশ্নৰ উত্তৰ ঃ ১৯৬৪ চনত দুর্নীতি নিবাৰণৰ উদ্দেশ্যে 'সান্থাৰাম কমিটি' গঠন হৈছিল।

৮ নং প্রশ্নৰ উত্তৰ ঃ সান্থাৰাম কমিটিয়ে তথ্য দাখিল কৰিছিল যে দুর্নীতি নিবাৰণৰ উপায়সমূহ সু-পৰিকল্পিতভাৱে আৰু নিৰন্তৰ ক্রিয়াশীলভাৱে উপস্থাপন কৰিব নোৱাৰিলে দুর্নীতি নাশ আনকি তাৰ কার্যক্ষমতাও হ্রাস কৰিব নোৱাৰি।

৯ নং প্রশ্নৰ উত্তৰ ঃ প্রশাসনীয় মন্থৰতা হ্রাস কৰা উচিত।

১০ নং প্রশ্নৰ উত্তৰ ঃ নাগৰিকসকল শিক্ষিত হোৱা উচিত, তেতিয়াহে তেওঁলোকে নিজৰ অধিকাৰ, দায়িত্ব আৰু চৰকাৰৰ পদ্ধতিসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

১১ নং প্রশ্নৰ উত্তৰ ঃ 1947, দুর্নীতি আৰু উৎকোচ নিবাৰণৰ উদ্দেশ্য প্রণয়ন কৰা হৈছে।

১২ নং প্রশ্নৰ উত্তৰ ঃ ক'লা টকাৰ সংজ্ঞা হিচাবে ক'ব পাৰি যে অনৈতিক কার্যৰ দ্বাৰা উৎপাদিত টকাই ক'লা টকা। দেশৰ আইন বিধি উলংঘনৰ দ্বাৰা অনৈতিকভাৱে ক'লা টকা উপার্জন কৰা হয়। এই টকাসমূহ সাধাৰণতে গোপনীয়ভাৱে আৰু গুপ্ত অর্থনৈতিক কার্যৰ দ্বাৰা উপার্জন কৰা হয় আৰু এইধৰণে উপার্জিত টকা কৰৰ বাবে তালিকাভুক্ত কৰিব পৰা নাযায়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ টকাৰ নিকাকৰণ মানে নীতিবিৰুদ্ধ টকাক বৈধ টকালৈ ৰূপান্তৰ কৰাই নহয়, নয়ম বহির্ভুত সম্পদৰ উৎসটোয়ো লুপ্ত কৰি থয়। সহজভাৱে ক'বলৈ হ'লে

টকাৰ নিকাকৰণ পদ্ধতিয়ে নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, বলপূৰ্বক ধন সংগ্ৰহ আদি অনৈতিক কাৰ্যৰ দ্বাৰা উপাৰ্জিত টকাক বৈধ কৰাকে বুজায়।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ সদ্য প্ৰকাশিত অনুসন্ধানৰ ভিত্তিত এইটো প্ৰকাশ পাইছে যে গোটেই পৃথিৱীজুৰি টকাৰ নিকাকৰণ কাৰ্যৰ দ্বাৰা প্ৰায় এক বিলিয়ন ডলাৰ টকা ব্যৱহৃত হৈছে।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ পৰাই ক'লা বজাৰ আৰু ক'লা টকাৰ উপস্থিতি সমাজত প্ৰত্যক্ষ হয়। বিতৰণ আৰু মূল্যৰ ওপৰত বিভিন্ন প্ৰতিবন্ধকতা থকা সত্ত্বেও গুপ্ত বজাৰসমূহ মূৰ দাঙি উঠে আৰু এই বজাৰসমূহত নিয়ন্ত্ৰিত বজাৰতকৈ উচ্চ হাৰত সামগ্ৰীসমূহ বিক্ৰী হয়। এই ক'লা বজাৰত ক্ৰয়-বিক্ৰয়ত ব্যৱহৃত টকাকে ক'লা টকা বোলা হয়।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ নিৰ্বাচন হ'ল গণতান্ত্ৰিক ব্যৱস্থাৰ এক অংশ। বৰ্তমান ব্যৱস্থাত ই যথেষ্ট খৰচী প্ৰক্ৰিয়া। নিৰ্বাচনত সাধাৰণতে ক'লা টকাৰ গৰাকীয়ে টকাৰ যোগান ধৰে বুলি বিশ্বাস কৰা হয়। ৰাজনীতিবিদ আৰু ব্যৱসায়ীসকলৰ মাজত পাৰস্পৰিক বুজাপৰা আৰু সন্ধিৰ ভাব স্থাপন হয়। ব্যৱসায়ীসকলে ৰাজনৈতিক সাহায্য লাভ আৰু অৰ্থনৈতিক বেহাইৰ চৰ্তত নিৰ্বাচনৰ সময়ত ৰাজনৈতিক নেতাসকলক ধনৰ যোগান ধৰে। এই বেহায়ে ব্যৱসায়ীসকলৰ অধিক ক'লা টকা উপাৰ্জনৰ বাট মুকলি কৰে।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ হাৰৰ কৰৰ দ্বাৰা ক'লা টকা উৎপন্ন হয়, কাৰণ কৰৰ অসঙ্গত উচ্চ হাৰে মানুহক কৰ ফাঁকি দিবলৈ প্ৰৰোচিত কৰে। ইয়াৰ দ্বাৰা ক'লা টকা উৎপন্ন হয়।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ অত্যাধিক উচ্চ হাৰৰ কৰ পদ্ধতি বৰ্জনীয়, কিয়নো অতি উচ্চ হাৰৰ কৰে উৎপাদনত বাধাগ্ৰস্তহে কৰে। এনে পৰিস্থিতিয়ে কৰ ফাঁকি দিবলৈ উদগণি দিয়ে। আয় কৰ, সম্পত্তি কৰ, মূলধনৰ ওপৰত কৰ, ভূ-সম্পত্তি লেনদেনৰ কৰ আদিত উচ্চ হাৰৰ কৰ ব্যৱস্থাই ক'লা টকাৰ সৃষ্টি কৰে।

১৯ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰশাসনীয় বিভিন্ন পৰ্যায়ত সংঘটিত দুৰ্নীতি নিৰুৎসাহিত কৰিব লাগে আৰু তাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

২০ নং প্ৰশ্নৰ উত্তৰ ঃ চোৰাং কাৰবাৰক সংজ্ঞাৰ দ্বাৰা কোৱা হয় যে ই হ'ল দৈনন্দিন সামগ্ৰীক ধৰি মূল্যবান সামগ্ৰী আৰু আন সামগ্ৰীৰ নীতিবহির্ভুত সৰবৰাহ আৰু ই এখন দেশৰ সীমাৰ পৰা আন এখনলৈ আমদানি শুল্ক নীতিৰ উলংঘনৰ দ্বাৰা সম্পাদিত হয়।

২১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতবৰ্ষত সৰ্বাধিক পচন্দৰ চোৰাং সামগ্ৰী হ'ল সোণ।

২২ নং প্ৰশ্নৰ উত্তৰ ঃ চোৰাং কাৰবাৰে সামাজিক সমস্যাৰ জন্ম দিয়ে।

২৩ নং প্ৰশ্নৰ উত্তৰ ঃ দুৰ্লভ সামগ্ৰীসমূহৰ বিদেশী ৰাষ্ট্ৰলৈ সৰবৰাহৰ দ্বাৰা ক'লা বজাৰৰ সৃষ্টি হয়।

২৪ নং প্ৰশ্নৰ উত্তৰ ঃ চোৰাং বেহাৰ ক্ষতিকৰ অলেখ দিশ আছে। ই দেশৰ অৰ্থ ব্যৱস্থালৈ অপূৰণীয় ক্ষতিৰ সৃষ্টি কৰে। এখন দেশৰ সম্পদ অনৈতিকভাৱে আন এখন দেশলৈ সৰবৰাহ কৰা হয়। সোণৰ সৰবৰাহে দেশৰ সোণৰ ভঁৰাল হ্ৰাস কৰে। তদুপৰি ই ভেটি আৰু দুৰ্নীতিৰ দৰে সামাজিক সমস্যাৰো সৃষ্টি কৰে।

২৫ নং প্ৰশ্নৰ উত্তৰ ঃ দেশৰ সীমাত থকা তালাচী চকীসমূহ কৰ্তব্যপৰায়ণ আৰু সৎ বিষয়াৰ নিযুক্তিৰ দ্বাৰা বিশেষ শক্তিশালী কৰা উচিত।

২৬ নং প্ৰশ্নৰ উত্তৰ ঃ চোৰাং কাৰবাৰ প্ৰতিহত কৰিবলৈ লোৱা ব্যৱস্থাসমূহৰ ভিতৰত প্ৰথমতে, কঠোৰ নীতি প্ৰৱৰ্তন কৰিব লাগিব, যাতে ইয়াৰ দ্বাৰা বাধা আৰু সন্তুলন নীতিৰ দ্বাৰা চোৰাং কাৰবাৰীৰ মনত ভয়ৰ সঞ্চাৰ কৰিব পাৰি। দ্বিতীয়তে, সীমাৰ পহৰা চকীসমূহত কৰ্তব্যপৰায়ণ আৰু সৎ বিষয়াৰ নিযুক্তিৰ দ্বাৰা শক্তিশালী কৰি গঢ়ি তুলিব লাগে।

তৃতীয়তে, কঠোৰ শাস্তি আৰু অনুশাসনৰ ব্যৱস্থা বৃদ্ধি। শেষত, জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগে যাতে চোৰাং সামগ্ৰী কিনাৰ প্ৰতি তেওঁলোকে ইচ্ছা প্ৰকাশ নকৰে।



১৪.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ B. Mamomiaৰ মতে দুৰ্নীতিৰ কাৰণসমূহ কি কি?

প্ৰশ্ন ২ ঃ হাৰালা কাণ্ডৰ বিষয়ে লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ দুৰ্নীতি কেনেকৈ ৰোধ কৰিব পাৰি?

প্ৰশ্ন ২ ঃ ক'লা টকাৰ অৰ্থনৈতিক আৰু সামাজিক পৰিণতিসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ ক'লা টকা উৎপন্ন হোৱাৰ কাৰণসমূহ কি কি?

প্ৰশ্ন ৪ ঃ ক'লা টকা নিবাৰণৰ উপায়সমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ৫ ঃ চোৰাং বেপাৰৰ ইতিহাসৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৬ ঃ চোৰাং বেপাৰৰ কাৰণসমূহ তালিকাভুক্ত কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ সামাজিক বিষয়

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ সাম্প্রদায়িকতাবাদঃ অর্থ আৰু কাৰণ

১৫.৪ আঞ্চলিকতাবাদঃ অর্থ আৰু কাৰণ

১৫.৫ জাতীয়তাবাদঃ অর্থ আৰু কাৰণ

১৫.৬ বহুসংস্কৃতিবাদঃ অর্থ আৰু সমস্যা

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৮ অধিক জানিবলৈ

১৫.৯ অগ্রগতিৰ খতিয়ান

১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সমাজত প্রচলিত বিভিন্ন সমস্যাৰ বিষয়ে জানিব পাৰিব
- সাম্প্রদায়িকতাবাদ, আঞ্চলিকতাবাদ, জাতীয়তাবাদ আৰু বহুসংস্কৃতিবাদ ব্যাখ্যা কৰিব পাৰিব
- সামাজিক সমস্যাসমূহ সমাধান কৰিবলৈ বিভিন্ন পৰিমাপ আলোচনা কৰিব পাৰিব।

১৫.২পৰিচয়

সামাজিক সমস্যা মানে হৈছে সমাজৰ সকলো স্তৰ বা এটা অংশই বিৰোধিতা কৰা যিকোনো অপ্রীতিকৰ পৰিস্থিতি। এয়া হৈছে এক অবাঞ্ছিত সামাজিক পৰিস্থিতি আৰু ইয়াৰ বিৰোধ আৱশ্যাম্ভাৰী কাৰণ ইয়াৰ প্রচলন সমাজৰ বাবে ক্ষতিকাৰক। বৃহৎ জনসংখ্যাৰ লগতে ভাৰতক ভিন্নমুখী সামাজিক সমস্যাসমূহৰ বাবেও জনা যায়। এই বর্ধিত সমস্যাসমূহৰ কেতবোৰৰ উৎপত্তি অর্থনৈতিক কাৰণত আৰু কেতবোৰৰ উৎপত্তি সামাজিক কাৰণত হৈছে, আনহাতে বহুতৰে উৎপত্তিৰ কাৰণ বহুমুখী। দেশৰ বিকাশৰ বাটত যে এইসমূহ অন্তৰায় তাত কোনো সন্দেহ নাই। গতিকে এইসমূহ সমস্যা ভালদৰে উপলব্ধি কৰি সমাধান কৰাটো প্রয়োজন।

সামাজিক সমস্যাসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন কৰাটো সমাজশাস্ত্ৰবিদসকলৰ এক এৰাব নোৱাৰা দায়িত্ব। তেওঁলোকে এইসমূহ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰি আঁৰৰ কাৰণ নির্ধাৰণ কৰি অ ৱশেষত ইয়াৰ সৈতে যুঁজিব পৰাকৈ অথবা এইসমূহ সমাধান কৰিবলৈ পৰিমাপ আগবঢ়াব লাগে। এই অধ্যায়ত সমাজত প্ৰচলিত বিভিন্ন বিষয় যেনে সাম্প্ৰদায়িকতাবাদ, আঞ্চলিকতাবাদ, জাতীয়তাবাদ আৰু বহুসংস্কৃতিবাদৰ বিষয়ে আলোচনা কৰা হ'ব।

১৫.৩ সাম্প্ৰদায়িকতাবাদ ঃ অর্থ আৰু কাৰণ

আধুনিক পৃথিৱীৰ এক অন্যতম প্ৰত্যহ্বান হৈছে সাম্প্ৰদায়িকতাবাদ। বিভিন্ন সংখ্যালঘূ সম্প্ৰদায়ৰ লোকৰ সৈতে সংখ্যাগুৰু সম্প্ৰদায়ৰ ধৰ্মীয়-সামাজিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যাক 'সাম্প্ৰদায়িকতাবাদ' আখ্যা দিব পাৰি।

ধৰ্মীয় বিষয়সমূহৰ ৰাজনীতিকৰণ হ'লে সাধাৰণতে সাম্প্ৰদায়িকতাবাদ আৰু সাম্প্ৰদায়িক সংঘর্ষই দেখা দিয়ে। সাম্প্ৰদায়িকতাবাদ হৈছে এনে আদর্শ য'ত আগ্ৰহৰ ভিন্নতা আৰু বিভিন্ন সময়ত সৃষ্টি হোৱা ধৰ্মীয় সম্প্ৰদায়ৰ মাজত বিবাদক ভিত্তি কৰি সমাজ বিভাজনৰ ব্যাখ্যা আগবঢ়োৱা হয়। সাম্প্ৰদায়িকতাবাদ হৈছে বিভিন্ন সম্প্ৰদায়ৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি থকা একধৰনৰ বিৰোধভাৱ।

ৰাম আহুজাৰ মতে, 'এটা সম্প্ৰদায়ৰ সদস্যসকলে আন এটা সম্প্ৰদায়ৰ বা ধর্মৰ ক্ষেত্ৰত অনুশীলন কৰা বিৰোধভাৱক সাম্প্ৰদায়িকতাবাদ আখ্যা দিব পাৰি।'

ৰর্বাট মেলছন আৰু হাৰার্ড ওলপেৰ মতে, 'সাম্প্ৰদায়িকতবাদ হৈছে আধুনিকতাৰ মাজেৰে অগ্ৰসৰ হোৱা এখন বহুমুখী সমাজৰ আন সম্প্ৰদায়সমূহৰ ৰিৰুদ্ধে নিজৰ পৰিচয় বর্তাই ৰাখিবলৈ এটা নির্দিষ্ট সম্প্ৰদায়ৰ আকোৱগোঁজ ৰাজনৈতিক স্থিতি।'

'সাম্প্ৰদায়িকতবাদৰ পৰা বিৰোধ ভাৱৰ সৃষ্টি হৈ, ভুলকৈ দোষাৰোপ কৰা, ক্ষতি কৰা আৰু ইচ্ছাকৃতভাৱে এটা সম্প্ৰদায়ক ঠাট্টা-মস্কৰা কৰাৰ পৰা দুর্বল আৰু অসহায়সকলক লুট-পাত কৰি তেওঁলোকৰ ঘৰ জ্বলাই দিয়া, মহিলাৰ শ্লীলতা হানি আৰু আনকি মানুহৰ হত্যা পর্যন্ত সংঘটিত হয়।'-ৰাম আহুজা।

- **সাম্প্ৰদায়িকতাবাদ সৃষ্টিৰ কাৰণসমূহ-**

ভাৰতত সাম্প্ৰদায়িকতাবাদৰ উত্থানত অৰিহণা আগবঢ়োৱা প্ৰধান কাৰণসমূহ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰিঃ

- ব্ৰিটিশসকলে প্ৰৱর্তন কৰা বিভাজনৰ ৰাজনীতিয়ে আমাৰ ৰাষ্ট্ৰীয় স্বার্থত বৃহৎ পৰিমাণৰ আঘাত হানি হিন্দু আৰু মুছলমানসকলৰ মাজত এক অদৃশ্য প্ৰাচীৰৰ সৃষ্টি কৰিছিল।
- মুছলিমসকলে নিজকে পৃথক আৰু অকলশৰীয়া অনুভৱ কৰিবলৈ লয়।
- ভাৰতত সাম্প্ৰদায়িক কার্যাৱলী আৰু সংঘর্ষৰ সূত্ৰপাত কৰোৱা বিদেশী শক্তিৰ ভূমিকা। সাম্প্ৰদায়িক সন্ত্ৰাসবাদীসকলৰ ভয়ংকৰ অভিসন্ধিত সাৰ-পানী যোগাবলৈ এই শক্তিসমূহে

আন্তঃগাথনি আৰু অত্যাধুনিক প্ৰশিক্ষণ প্ৰদান কৰে।

- সংখ্যাগুৰু হিন্দুসকলৰ মাজত ক্ৰমাৎ বৰ্ধিত অসন্তুষ্টিও সাম্প্ৰদায়িকতাবাদৰ উত্থানৰ এক প্ৰধান কাৰণ। হিন্দুসকলৰ মাজত এই বিশ্বাস ক্ৰমাৎ দৃঢ় হৈছে যে কেৱল সংখ্যালঘুসকলক লৈ কৰা 'ভোট বেংক' ৰাজনীতিৰ বাবেই দেশৰ বৃহত্তৰ স্বাৰ্থৰ সৈতে আপোচ কৰা হৈছে।
- ৰাজনৈতিক দলসমূহৰ ধৰ্মনিৰপেক্ষতাক লৈ কৰা পৃথক পৃথক ব্যাখ্যাইও সাম্প্ৰদায়িকতাবাদৰ জুইকুৰাত ঘিউঁ ঢালি আহিছে। কেৱল কথা-বতৰাতহে ধৰ্মনিৰপেক্ষতাৰ কথা কৈ দৰাচলতে এই ৰাজনৈতিক দলবোৰে সাম্প্ৰদায়িকতাবাদকহে প্ৰশ্ৰয় দিয়ে।
- উগ্ৰ হিন্দুত্ববাদী চিন্তা-চৰ্চাইও সাম্প্ৰদায়িকতাবাদত অৰিহণা আগবঢ়াইছে।
- আৰ্থিক দিশ আৰু শিক্ষা-দীক্ষাত সমাজৰ এটা শ্ৰেণী পিছ পৰি ৰোৱাৰ ফলত সাম্প্ৰদায়িকতাৰ বীজে পোখা মেলিছে।
- নিৰ্বাচনসমূহ. কাৰণ এই নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দল আৰু সংগঠনসমূহে ভোটাৰক সাম্প্ৰদায়িক আহ্বান জনায়।
- কেতবোৰ সাম্প্ৰদায়িক আৰু উগ্ৰ মৌলবাদী সংগঠনৰ সময়ে সময়ে সাম্প্ৰদায়িকতাবাদৰ ভাৰ তীব্ৰতৰ কৰি ৰাখিছে।
- দাৰিদ্ৰ, নিবনুৱা সমস্যা, খাদ্য, বস্ত্ৰ আৰু আশ্ৰয়ৰ দৰে জীৱন-ধাৰনৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱ, জনসংখ্যাৰ বিস্ফোৰণ, আঞ্চলিক অসমতা, অৰ্থনৈতিক অনগ্ৰসৰতা, নিৰক্ষৰতা, অজ্ঞতা আদিয়ে সাম্প্ৰদায়িকতাবাদৰ উত্থানত সহায় কৰিছে। নিবনুৱা যুৱপ্ৰজন্মক সহজেই ধৰ্মীয় মৌলবাদীয়ে নিজৰ লক্ষ্য কৰি লয়।

● সমাধানৰ উপায়

সাম্প্ৰদায়িকতাবাদে বিকাশৰ বাটত হেঙাৰ হৈ থিয় দিয়াৰ লগতে বিজ্ঞানসন্মত দৃষ্টিভংগী আৰু ধৰ্মনিৰপেক্ষ মনোভাৱ নষ্ট কৰিছে। ৰাষ্ট্ৰৰ বিকাশৰ দিশত এয়া এক প্ৰত্যাহ্বান আৰু সেইবাবে দৃঢ়তাৰে এই সমস্যাৰ সমাধান কৰাটো প্ৰয়োজনীয়-

- অৰ্থনৈতিক বিকাশৰ বাট প্ৰশস্ত কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিব লাগিব কাৰণ দাৰিদ্ৰ হৈছে সাম্প্ৰদায়িকতাবাদৰ অন্যতম অনুঘটক।
- সাধাৰণতে সামাজিকীকৰণৰ সময়তে শিশুৰ মনত সাম্প্ৰদায়িকতাৰ বীজ সুমুৱাই দিয়া হয়। সেইবাবে সাম্প্ৰদায়িক বিষ আঁতৰাই শিশুসকলৰ উপযুক্ত সামাজিকীকৰণ কৰাটো প্ৰয়োজন। কেৱল শুদ্ধ শিক্ষাৰ দ্বাৰাহে এয়া সম্ভৱ আৰু সেইবাবে পিতৃ-মাতৃয়ে ভেদভাৱৰ বীজ যাতে ল'ৰা-ছোৱালীৰ মনলৈ নাহে তাৰ প্ৰতি লক্ষ্য দিব লাগে।
- ছপা আৰু বৈদ্যুতিন, গণ সংযোগৰ উভয় মাধ্যমৰে উপযুক্ত ব্যৱহাৰ কৰি ধৰ্মীয় সহিষ্ণুতা, ধৰ্মনিৰপেক্ষতা আৰু ভাতৃত্ববোধৰ বাৰ্তা বিলাব লাগে।
- সাম্প্ৰদায়িক ভাৱ নিহিত নিৰ্বাচনী প্ৰচাৰ বন্ধ কৰিব লাগে। সাম্প্ৰদায়িক বিষ বিয়পোৱা

সংগঠন আৰু ৰাজনৈতিক দলসমূহ নিষিদ্ধ কৰিব লাগে।

- সকলো ধর্মৰে উৎসৱ-পার্বন সমূহীয়াকৈ পালন কৰি ধর্মীয় সহিষ্ণুতাৰ ভাৱ গাঢ় কৰি তুলিব লাগে। ইয়াৰ দ্বাৰা প্রতিটো ধর্মৰ লোকৰ মনত পৰস্পৰৰ প্রতি সন্মান বৃদ্ধি পোৱাৰ ওপৰিউ ধর্মসমূহৰ মাজত ঘৃণা আৰু হিংসা আতৰিব।
- সাম্প্রদায়িক সংঘর্ষৰ সূত্রপাত কৰা অসামাজিক উপাদানসমূহ প্রতিৰোধ কৰিবলৈ ৰাষ্ট্রীয় সংহতি কমিটিয়ে স্থানীয় পর্যায়ত শান্তি আৰু ভাতৃত্ববোধৰ কমিটি গঠনৰ প্রস্তাৱ আগবঢ়াইছে।
- N.C.C, N.S.S, SCOUT, গাইড, যুৱ নেতৃত্ব আৰু বিভিন্ন প্রশিক্ষণ আদি কার্যসূচীসমূহ গ্রহণ কৰিব লাগে। যুৱপ্রজন্মৰ মাজত সু পৰিৱেশ গঢ়ি তুলিবলৈ বিভিন্ন শিক্ষামূলক ভ্রমণ আৰু বিনিময় কার্যসূচী আদিও গ্রহণ কৰা উচিত।
- বিদেশী হস্তক্ষেপৰ ক্ষেত্রত তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰা দৰকাৰ যাতে ৰাষ্ট্রীয় নিৰাপত্তা বিঘ্নিত নহয়।
- স্পর্শকাতৰ এলেকাত সংঘর্ষৰ সৈতে মোকাবিলা কৰিব পৰা প্রশিক্ষিত আৰক্ষী বাহিনী মোতায়েন কৰা প্রয়োজন।
- শিক্ষাৰ প্রতিটো স্তৰত সাম্প্রদায়িক সম্প্রীতি বর্তাই ৰখাটো গুৰুত্বপূর্ণ। সংকীর্ণ সাম্প্রদায়িক ধাৰণাই যাতে যুৱপ্রজন্মক আওবাটে নিব নোৱাৰে তাৰপ্রতি দৃষ্টি ৰাখিব লাগে।

১৫.৪ আঞ্চলিকতাবাদ ঃ অর্থ আৰু কাৰণ

বিভিন্ন আঞ্চলিক ভাষা, সংস্কৃতিৰ নানাৰঙী উপাদান, বিভিন্ন কৃষ্টিৰ বৰঘৰ ভাৰত এখন বিশাল দেশ। প্রকৃতিৰ দিশৰ পৰা ভাৰত ভিন্ন সংস্কৃতি, বহুধর্মৰ বাহক আৰু বহুভাষিক। আঞ্চলিকতাবাদক কেতিয়াও অস্বাস্থ্যকৰ বা ৰাষ্ট্রদ্রোহী আখ্যা দিব নোৱাৰি যেতিয়ালৈকে ইয়াত বিচ্ছিন্নতাবাদী চিন্তাৰ উন্মেষ ঘটাব পৰা উগ্রবাদ বা আগ্রাসী মনোভাৱ জৰিত হৈ নপৰে। যদি এটা অঞ্চলৰ বাসিন্দাসকলে নিজৰ ভাষা আৰু সংস্কৃতিক লৈ গর্ব অনুভৱ কৰে তেনেহ'লে এই কার্যৰে ৰাষ্ট্রীয় একতা বিঘ্নিত নহয়। কিন্তু আঞ্চলিকতাবাদে তেতিয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰে যেতিয়াই ৰাজনৈতিক নেতাসকলে আঞ্চলিক একতাৰ সীমা অতিক্রম কৰি একমাত্র কেৱল নিজৰ অঞ্চলৰ স্বার্থ সুৰক্ষা কৰিবলৈ উঠি পৰি লাগে। আঞ্চলিকতাবাদে দেশৰ বাহিৰে ভিতৰে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। অঞ্চলসমূহৰ স্বার্থ ৰক্ষাৰ ক্ষেত্রত আঞ্চলিকতাবাদৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে। উভয় প্রকাৰৰ আঞ্চলিকতাবাদেই ভিন্ন অর্থ বহন কৰাৰ লগতে সমাজ, ৰাজনীতি, অর্থনীতি, সুৰক্ষা, সংস্কৃতি, উন্নয়ন, বুজাবুজিত ইয়াৰ ইতিবাচক আৰু নেতিবাচক দুইটাই প্রভাৱ আছে।

আন্তঃৰাষ্ট্রীয় পর্যায়ত আঞ্চলিকতাবাদ হৈছে নির্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰে

বা ভূগোল, ইতিহাস বা অর্থনৈতিক ক্ষেত্রৰ এক সাধাৰণ সমস্যা সমাধান কৰিবলৈ আন্তঃবিনিময় মূলক সহযোগিতা।

ৰাষ্ট্রীয় পর্যায়ত আঞ্চলিকতাবাদ হৈছে এনে এক প্রক্রিয়া য'ত ক্ষমতা কেন্দ্রৰ পৰা আঞ্চলিক পর্যায়লৈ হস্তান্তৰ হয় আৰু ইয়াত ৰাজ্যৰ প্রতিনিধিসকল অধিক শক্তিশালী হয়। এইসমূহ হৈছে সংস্কৃতি, ভাষা আৰু আন সামাজিক-সাংস্কৃতিক ক্ষেত্রৰ ভিত্তিত পার্থক্য নির্ধাৰণ কৰা দেশৰে ভিতৰুৱা অঞ্চল।

মার্শেল ই ডিম'কে আঞ্চলিকতাবাদক এনেদৰে নির্ধাৰণ কৰিছে, 'পাৰিপার্শ্বিকতা, অর্থনৈতিক, সামাজিক আৰু চৰকাৰী কাৰকৰ এনে সংমিশ্রন য'ত এক সামগ্রিক পৰিচয়ৰ ভিতৰত পৃথক পৰিচয়ৰ বাবে সজাগতা, স্বায়ত্বশাসনৰ পৰিকল্পনা, সাংস্কৃতিক বৈশিষ্ট্যৰ এক ছবি, প্রশাসনীয় স্বাধীনতাৰ ইচ্ছাক তথ্যগতভাৱে স্বীকৃতি প্রদান কৰি কার্যকৰী কৰা হয়। ইতিমধ্যে প্রচলিত ভাৰ ধাৰাৰ পৰা আঁতৰি আঞ্চলিকতাবাদৰ অৱধাৰণাক ভালদৰে বুজি উঠি পৰৱর্তী পর্যায়লৈ উন্নীত কৰাটো প্রয়োজন। আঞ্চলিকতাবাদ হৈছে জীৱন ধাৰনৰ এক প্রক্রিয়া, এক স্ব-সচেতনতাৰ প্রক্রিয়া।'

ডব্লিউ পি স্কটৰ মতে, 'আঞ্চলিকতাবাদ হৈছে আচৰণৰ অধ্যয়নৰ এক দৃষ্টিভংগী য'ত মানুহ আৰু চৌপাশৰ তাৎক্ষণিক পৰিৱেশৰ মাজত গুৰুত্ব প্রদান কৰি বিশ্লেষণৰ একক হিচাপে ভৌগলিক অঞ্চলটোক পর্যবেক্ষণ কৰা হয়। ভৌগলিক অঞ্চলটোৰ ভিতৰত অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক সংগঠনসমূহক এইসমূহৰ কার্যাৱলী আৰু আন্তঃসম্পর্কৰ ভিত্তিত বিশ্লেষণ কৰা হয়।'

- **অঞ্চলিকতাবাদৰ কাৰণ**

ভাৰতত আঞ্চলিকতাবাদৰ কেতবোৰ প্রধান কাৰণ হৈছে ঃ

- ভৌগলিক কাৰক।
- ঐতিহাসিক আৰু সাংস্কৃতিক কাৰক।
- জাতি আৰু অঞ্চল।
- অর্থনৈতিক কাৰক।
- ৰাজনৈতিক-প্রশাসনীয় কাৰক।
- **ভৌগলিক কাৰক ঃ** ভৌগলিক সীমাৰ ভিতৰত ভাষাগত সমানতাৰ বাবে এক নির্দিষ্ট অঞ্চলৰ বাসিন্দাসকলে অঞ্চলটোৰ সৈতে আত্মীয়তা অনুভৱ কৰে। বসতিৰ ক্ষেত্রত পৰিৱেশগত আৰু বস্তুৰ ভিন্নতাৰ বাবে আঞ্চলিকতাবাদক ৰাইজে আঁকোৱালি লয়।
- **ঐতিহাসিক আৰু সাংস্কৃতিক কাৰক ঃ** ঐতিহাসিক আৰু সাংস্কৃতিক উপাদান হৈছে আঞ্চলিকতাবাদৰ এক অভিন্ন অংগ। সাংস্কৃতিক ঐতিহ্য, লোকৰীতি, প্রবাদ, প্রতীকবাদ আৰু ঐতিহাসিক পৰম্পৰাৰ দৃষ্টিৰে আঞ্চলিকতাবাদক বাখ্যা কৰা হয়। এক নির্দিষ্ট সাংস্কৃতিক গোটৰ সদস্যসকলে স্থানীয় নায়কসকলৰ বীৰগাথাৰ মাজেৰে জাতিগত গৌৰৱ অনুভৱ কৰে। অৱশ্যে ইয়াৰ মাজতো ঐতিহাসিক আৰু সাংস্কৃতিক কাৰকৰ মাজত

কেতবোৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক বাস্তৱিকতা লুকুৱাই ৰখাৰ প্ৰয়োজনীয়তা আছে।

- **জাতি আৰু ধৰ্ম ঃ** ভাৰতীয় সমাজ ব্যৱস্থাত প্ৰচলিত জাতি প্ৰথা আৰু ধৰ্মৰ বাবেও আঞ্চলিকতাবাদৰ উত্থান ঘটিছে। যেতিয়া একে মানসিকতাৰ মানুহ বা একে চিন্তাৰ মানুহ একগোট হয় তেতিয়া 'আমি' অনুভৱ বাঢ়ি আহে। যেতিয়া একতাৰ প্ৰতি ভাবুকি আহে তেতিয়া আঞ্চলিকতাবাদৰ সৃষ্টি হৈ বৃহৎ সম্প্ৰদায়ৰ পৰা বিচ্ছিন্ন হোৱাৰ প্ৰৱণতাই দেখা দিয়ে।
- **অৰ্থনৈতিক কাৰক ঃ** সাম্প্ৰতিক সময়ত দেশৰ বিভিন্ন অংশত অনিয়মীয়া উন্নয়নকে আঞ্চলিকতাবাদ আৰু বিচ্ছিন্নতাৰ প্ৰধান কাৰণ বুলি নিৰ্ধাৰণ কৰিব পাৰি। দেশৰ ভিতৰত এনে কেতবোৰ অঞ্চল আছে য'ত উদ্যোগ, কাৰখানা আদি বৃহৎ পৰিমাণে থকাৰ লগতে শিক্ষাগত আৰু স্বাস্থ্য সংক্ৰান্তীয় সুবিধাও পৰ্যাপ্ত পৰিমাণে বিদ্যমান লগতে যোগাযোগৰ ব্যৱস্থা উন্নত হোৱাৰ ওপৰিউ কৃষিৰ দ্ৰুত উন্নয়ন হৈছে। কিন্তু এইখন দেশতে আন বহু অঞ্চল আছে য'ত স্বাধীনতাৰ পিছৰে পৰা এইপৰ্যন্ত সামাজিক-অৰ্থনৈতিক উন্নয়ন সম্ভৱ হোৱা নাই।

  অৱশ্যে ইমান বেছি আঞ্চলিক ভিন্নতাৰ সৃষ্টি কৰাৰ বাবে ব্ৰিটিশৰাজক জগৰীয়া কৰিব পাৰি কাৰণ তেওঁলোকে প্ৰশাসন, ব্যৱসায় আৰু বাণিজ্যৰ সুবিধাৰ বাবে এই বিচ্ছিন্ন মনোভাৱৰ সৃষ্টি কৰিছিল। কিন্তু স্বাধীনোত্তৰ কালত উদ্যোগ, কৃষি আৰু সৰ্বোপৰি অৰ্থনৈতিক উন্নতিৰ বাবে সকলো প্ৰদেশৰ মাজত সমতা ৰক্ষাৰ প্ৰচেষ্টা চলোৱা উচিত আছিল। এনেধৰনৰ বৈষম্য অৰ্থনৈতিকভাৱে পিছ পৰা অঞ্চলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিবলৈ যথেষ্ট আছিল। ইয়াৰ ফলতে তেলেগাংনা, ঝাৰখণ্ড, উত্তৰাখণ্ড আদি পৃথক ৰাজ্যৰ দাবী উঠিছিল।
- **ৰাজনৈতিক-প্ৰশাসনীয় কাৰক ঃ** ৰাজনৈতিক দল, বিশেষকৈ স্থানীয় নেতাসকলে আঞ্চলিক আৱেগ, আঞ্চলিক পৰ্যায়ৰ বঞ্চনাক বিবাদৰ ভেঁটিলৈ ৰূপান্তৰ কৰে। এনে নেতাই আঞ্চলিক সমস্যাসমূহক নিজৰ নিৰ্বাচনী ইস্তাহাৰত স্থান দি ৰাজনৈতিক আৰু আঞ্চলিক উন্নয়নৰ প্ৰতিশ্ৰুতি দিয়ে।

  বৰ্তমান সময়ৰ ভাৰতৰ ৰাজনৈতিক দৃশ্যপটত কেতবোৰ আঞ্চলিক দল যথেষ্ট শক্তিশালী ৰূপত অৱতীৰ্ণ হৈ ক্ষমতাৰ গাদী দখল কৰি আছে। তামিলনাড়ু (এডিএমকে/ আইডিএমকে), অন্ধ্ৰপ্ৰদেশ (তেলেগুদেশম), অসম (অসম গণ পৰিষদ) আদি ক্ষমতালৈ অহা আঞ্চলিক দলৰ উদাহৰণ। এইসমূহৰ ওপৰিউ আন কেতবোৰ আঞ্চলিক দলো আছে যেনে, পঞ্জাৱত আকালী দল, ঝাৰখণ্ড পার্টী আদিয়ে সময়ে ৰাষ্ট্ৰৰ বাবে সমস্যাৰ সৃষ্টি কৰি আহিছে।

- **সমাধানৰ উপায়**

আঞ্চলিকতাবাদৰ অৱসান ঘটাই ৰাষ্ট্ৰীয় সংহতি স্থাপন কৰিবলৈ তলৰ পৰামৰ্শৱলী গ্ৰহণ কৰিব পাৰি-

- **আঞ্চলিক অসমতা দূৰীকৰণ ঃ** দেখা গৈছে যে আঞ্চলিক অসমতা হৈছে এটা নিৰ্দিষ্ট অঞ্চলৰ ৰাইজৰ অসন্তুষ্টিৰ প্ৰধান কাৰণ আৰু এই অসন্তুষ্টিৰ পৰাই নিৰ্দিষ্ট অঞ্চলবাসীৰ মাজত আঞ্চলিকতাবাদৰ ভাৱ গভীৰ হৈ পৰে। যদি প্ৰাকৃতিক সম্পদসমূহ নিৰ্দিষ্ট হাৰত বিতৰণ কৰা হয় তেনেহ'লে আঞ্চলিকতাবাদৰ সমস্যা দূৰ কৰাটো সহজ হৈ পৰিব।
- **আঞ্চলিক দলৰ বিলুপ্তিকৰণ ঃ** আঞ্চলিক দলসমূহে মানুহৰ আঞ্চলিকতাবাদী অনুভূতিৰ অনুচিত সুবিধা গ্ৰহণৰ এক লেতেৰা ভূমিকা গ্ৰহণ কৰে। এনেদৰে আঞ্চলিকতাবাদৰ উত্থান ঘটে। সেইবাবে ৰাষ্ট্ৰীয় সংহতিৰ প্ৰতি ভাবুকি আনিব পৰা সকলো আঞ্চলিক দলক নিষিদ্ধ কৰাৰ প্ৰচেষ্টা চলোৱা উচিত।
- **অ ৱহেলিত অঞ্চলৰ অৰ্থনৈতিক উন্নয়নত সৰ্বাধিক গুৰুত্ব ঃ** আঞ্চলিকতাবাদৰ ভাৱ হ্ৰাস কৰিবলৈ সকলো অঞ্চলক সমান গুৰুত্ব প্ৰদান কৰিব লাগে। তদুপৰি অ ৱহেলিত অনুভৱ কৰা অঞ্চলবাসীৰ অৰ্থনৈতিক উন্নতিত গুৰুত্ব প্ৰদান কৰা উচিত। এনে কাৰ্যই পৰিস্থিতি উন্নত কৰি মানুহক ৰাষ্ট্ৰীয়তাবাদৰ মূল সূঁতিৰে সংযোগ কৰি ৰাখিব।
- **সমাজৰ পুনঃসংৰচনা ঃ** আমাৰ সামাজিক সংৰচনাৰ সংশোধনীৰ প্ৰয়োজন যথেষ্ট, কাৰণ প্ৰায়ে দেখা যায় কোনো সমাজত অৰ্থনৈতিক আৰু সামাজিক দিশৰ বৰ্ধিত বিনিয়োগৰ সুফল যিসকলে পোৱা উচিত তেওঁলোকে লাভ নকৰে। সংশোধিত সামাজিক সংৰচনাত বিকাশৰ জৰিয়তে উন্নয়নৰ মান উন্নত কৰাৰ লগতে আঞ্চলিকতাবাদী মনোভাৱেৰে ৰাষ্ট্ৰবিৰোধী অভিপ্ৰায় নোহোৱা কৰিব পাৰি।
- **সংমিশ্ৰিতকৰণ ঃ** সঘন সাংস্কৃতিক সংস্পৰ্শৰে আঞ্চলিক বেৰা ওফৰাই ৰাষ্ট্ৰীয়তাবাদী মনোভাৱ সৃষ্টি কৰিব পাৰি।

এই পদক্ষেপেৰে সাংস্কৃতিক আদান-প্ৰদান সহ আঞ্চলিক সহনশীলতাৰ ভাৱৰ উত্থানত সহায়ক হ'ব।

- **যাতায়ত আৰু যোগাযোগৰ উন্নত ব্যৱস্থা ঃ** দেশৰ বেছিভাগ পিছপৰা অঞ্চলৰে আন প্ৰান্তৰে যোগাযোগ আৰু যাতায়তৰ মাধ্যম দুৰ্বল। এইটো কাৰণৰ বাবেই অঞ্চলবোৰৰ মাজত আন্তঃবিনিময় শিথিল হৈ আছে আৰু আন আঞ্চলিক গোটৰ সৈতে সংযোগ নোহোৱা হৈ তেওঁলোক একপ্ৰকাৰ অকলশৰীয়া হৈ পৰে। সেইবাবে যোগাযোগৰ এক উন্নত নেটৱৰ্কে বিভিন্ন অঞ্চলৰ ৰাইজৰ একত্ৰিত কৰি ৰখাত সহায় কৰিব আৰু অঞ্চলসমূহৰ মাজত পাৰস্পৰিক বুজাবুজিৰ ভাৱ সুদৃঢ় হ'ব।
- **উপযুক্ত শিক্ষা ঃ** বিচ্ছিন্নতাবাদী ভাৱ দূৰ কৰিবলৈ উপযুক্ত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। শিক্ষাৰ দ্বাৰাহে দেশবাসীৰ মাজত ৰাষ্ট্ৰীয়তাবাদী ভাৱ গঢ় লৈ উঠে।

- **গণ মাধ্যমৰৰ দ্বাৰা আহ্বান ঃ** সাম্প্রতিক সময়ত গণ মাধ্যম হৈছে পৰিৱর্তনৰ শক্তিশালী মাধ্যম। মানুহক অনুপ্রাণিত কৰি আঞ্চলিক প্রাচীৰ নোহোৱা কৰাৰ ক্ষেত্রত গণ মাধ্যমে এক গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে। এনেদৰে সমতাৰ ভাৱ বলিষ্ঠ কৰি প্রতিটো অঞ্চলৰ বাবে সমান সুযোগ প্রদান কৰি ৰাষ্ট্রীয় একতা অটুট ৰাখিব পৰা যায়।

১৫.৫ জাতীয়তাবাদ ঃ অর্থ আৰু কাৰণ

জাতীয় গোট মানে হৈছে এনে গোট যিয়ে নিজকে নির্দিষ্ট সম্প্রদায়ৰূপে পৰিচয় দিয়ে বা আন গোটে তেওঁলোকক সুকীয়া হিচাপে জ্ঞান কৰে। জাতীয়তাবাদ হৈছে সংস্কৃতি, ভাষা, ধর্ম আৰু পৰম্পৰা আদি কেতবোৰ সুকীয়া বৈশিষ্ট্য। এইসমূহে নিদিষ্ট জাতি বা ব্যক্তিসমূহৰ পৰিচয় তুলি ধৰে।

জাতীয়তাবাদৰ বৈশিষ্ট্য তলত উল্লেখ কৰা ধৰণে ব্যাখ্যা কৰিব পাৰিঃ

- সামাজিক গোটৰ এনে বিশ্বাস যে তেওঁলোক সাংস্কৃতিকভাৱে সুকীয়া আৰু বহিৰাগতৰ পৰা পৃথক।
- খাদ্যাভ্যাস, ধর্ম, কাপোৰৰ ধৰণ, ভাষা আদিত আনৰ পৰা পৃথক নিজৰ সুকীয়া স্বীকৃতিৰ সন্ধান।
- নিজৰ এক সংৰক্ষিত আৰু সুৰক্ষিত পৰিধিৰ ভিতৰত থাকি বহিৰাগতৰ সৈতে সম্বন্ধ স্থাপনৰ আগ্রহ।

ইয়াৰ পৰা এটা কথা বুজিব পাৰি যে জাতীয়তাবাদ জিনীয় নহবও পাৰে। ইয়াৰ আন এক বৈশিষ্ট্য হৈছে কোনোবাই নির্দিষ্ট জন্ম পৰিচয় ব্যতিৰেকে এক নির্দিষ্ট সময় কটোৱা পৰিৱেশৰ জাতীয় বৈশিষ্ট্যও আকোৱালি ল'ব পাৰে। নতুন সম্প্রদায়ৰ সংস্কৃতি গ্রহণৰ আগ্রহো ইয়াত জৰিত হৈ আছে।

জাতীয় পৰিচয় আৰু জাতীয়তাবাদ

এক জাতীয় পৰিচয় গঢ়ি তুলিবলৈ কেতবোৰ কাৰকৰ সংযোজন ঘটিব লাগিব যেনে , একে গোত্র, সামাজিক সাংস্কৃতিক পৰিৱেশ বা বস্তুগত বৈশিষ্ট্য আৰু একেধৰনৰ মনোভাৱ আৰু আচৰণ। ইয়াৰ বাবে একে প্রজাতিগত বৈশিষ্ট্য নহলেও হয়। এই প্রক্রিয়াত সাধাৰণ অর্থত গোত্র মানে যি বুজোৱা হয় সেয়া উল্লেখ কৰা হোৱা নাই। এই গোত্রৰ ধাৰণা আপেক্ষিক হ'বও পাৰে। সাংস্কৃতিক গুণ যেনে নির্দিষ্ট বিশ্বাস, সংস্থা, অনুশীলন, ধর্ম আৰু ভাষাই সামূহিক পৰিচয়ৰ ভেঁটি তৈয়াৰ কৰে। এনেধৰনৰ পৰিচয় শক্তিশালী কৰিবলৈ জাতীয় গোটৰ সদস্যসকলে নিজৰ ধাৰণা, আচৰণৰ ধৰণ, অনুভূতিৰ অর্থপূর্ণভাৱে আদান প্রদান কৰিব লাগিব। তেওঁলোকে নিজকে একগোট হৈ আনৰ পৰা পৃথক বুলি অনুভৱ কৰিব লাগিব। লগতে তেওঁলোকে এই কথাও বুজিব লাগে যে তেওঁলোক আনৰ পৰা পৃথক আৰু তেওঁলোকৰ ভাগ্য একেই।

জাতীয় সংঘাতৰ কাৰণ

- জাতীয়তাবাদৰ উৎস বিচাৰি আমি আমি এটা গোটে আন এটা গোটৰ তুলনাত সন্মুখীন হোৱা অর্থনৈতিক সংযোগ, সামাজিক বঞ্চনা আৰু ৰাজনৈতিক অসুবিধাৰ কথা উল্লেখ কৰিব পাৰো। ৰাজনৈতিক অশান্তি, লগতে জাতীয় সামাজিক আন্দোলনৰ ক্রিয়া আদিয়ে কম সময়ৰ ভিতৰতে দেশৰ চাৰিসীমাৰ ভিতৰত সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- যদি এটা গোটে অনুভৱ কৰে যে ৰাষ্ট্ৰ বা চৰকাৰে বিভিন্ন নৃগোষ্ঠীয়-ধর্মীয় আৰু সংখ্যালঘু গোটক সুৰক্ষা প্রদান কৰিব পৰা নাই তেনেহ'লে তেওঁলোকৰ মনত অসুৰক্ষাৰ ভাৱ আহি গোষ্ঠী সংঘাতৰ সূত্রপাত হ'ব পাৰে।
- বহু গোষ্ঠী সংঘাতৰ উৎপত্তিৰ সময় হৈছে সাম্রাজ্যবাদী আৰু সাম্রাজ্যবাদী শাসনৰ পৰৱর্তী সময়। বিভিন্ন প্রশাসনীয় আৰু ৰাজনৈতিক গোটত বিভক্ত কৰি সাম্রাজ্যবাদী শক্তিয়ে শাসন কৰা এখন দেশত মানুহ পৃথক পৃথক হৈ পৰস্পৰৰ পৰা ক্রমাৎ আঁতৰি যাবলৈ ধৰে।
- সম্পদ আহৰণৰ বাবে প্রতিযোগিতা হৈছে গোটসমূহৰ মাজৰ সংঘাতৰ আন এক কাৰণ। সম্পত্তিৰ অধিকাৰ, চাকৰি, শৈক্ষিক নীতি, ভাষাৰ অধিকাৰ আৰু উন্নয়নৰ আন ভাগ বাটোৱাৰাই একাংশ ব্যক্তি আৰু গোটক বিশেষ মুনাফা প্রদান কৰে। যেতিয়া এই সম্পদসমূহে পোণপটীয়াকৈ সমাজৰ এক শ্রেণীৰ লোকক লাভৱান কৰে তেতিয়া সমাজত ধর্ম, জাতি, শ্রেণী আদি কেতবোৰ ভিত্তিত বিভাজনৰ সৃষ্টি হয়।
- ইতিহাসৰ আলম লৈ জাতীয়তাবাদে সময়ে সময়ে বিভিন্ন গোটৰ মাজত অশান্তিৰ সৃষ্টি কৰি থাকে। ভৱিষ্যতৰ আশংকাৰ বাবে এনেধৰনৰ সংঘাতৰ সৃষ্টি হয়। ইয়াৰ ফলত জাতীয় গোটসমূহে হিংসাত্মক বিবাদতো লিপ্ত হোৱা দেখা যায়।

➢ **জাতীয়তাবাদ সম্পর্কে দৃষ্টিভংগী**

নতুন জাতীয় পৰিঘটনাক বুজিবলৈ হ'লে মুঠ তিনিটা কথাত গুৰুত্ব প্রদান কৰিব লাগিব-

প্রথমটো দৃষ্টিভংগী হৈছে আদিম দৃষ্টিভংগী। ইয়াত জাতীয়তবাদক ঐতিহাসিক অভিজ্ঞতা বা জৈৱিক গুণৰ আধাৰত নিহিত হৈ থকা সামূহিক পৰিচয় ৰূপে তুলি ধৰা হৈছে। এই ধাৰাৰ বিশ্বাসীসকলৰ মতে, মানুহ কেতবোৰ নিদিষ্ট গোটত ডাঙৰ-দীঘল হয় আৰু তাৰ পিছত বিভিন্ন গোত্র আদিৰ সৃষ্টি কৰে। থুলমুলকৈ ক'বলৈ গ'লে আদিম দৃষ্টিভংগীৰ বিশ্বাসীসকলৰ মতে আদিম চৰিত্র গ্রহণ কৰিয়ে মানুহে গোটত ডাঙৰ দীঘল হয় এই বৈশিষ্ট্য জন্মৰ লগতে আহে। জাতীয় পৰিচয়ৰ এই দৃষ্টিভংগীয়ে সাধাৰণ গোত্রৰ ওপৰত সর্বাধিক গুৰুত্ব প্রদান কৰে।

আন এক দৃষ্টিভংগী হৈছে সংস্থাগত দৃষ্টিভংগী। ইয়াত গোটৰ সদস্যসকলে আনতকৈ পৃথক বুলি কৰা অনুভৱক গুৰুত্ব প্রদান কৰা হৈছে। তেওঁলোকে বিশ্বাস কৰে যে কাৰোবাৰ জাতীয় পৰিচয় সলনি হ'ব পাৰে। এই বিশ্বাসৰ মতে, কেতবোৰ ৰাজনৈতিক অথবা অর্থনৈতিক কাৰণ বা নিজৰ স্বার্থৰ কাৰণে মানুহে নিজৰ পৰিচয় বা জাতীয়তা সলনি কৰি সুবিধা আদায় কৰিব পাৰে। এনে পৰিস্থিতিত যেতিয়া কোনোবাই নিজৰ জাতীয় পৰিচয় বাছি ল'বলগীয়া হয়

তেতিয়া তেওঁলোকে অধিক সুবিধা প্রদান কৰা গোটটো নির্বাচন কৰে। যদি ব্যক্তিজনক নিজৰ পৰিচয়ে অর্থনৈতিক আৰু ৰাজনৈতিক দিশৰ পৰা কম লাভ দিছে তেনেহ'লে সেই ব্যক্তিজনে সময়-সুবিধা বুজি জাতীয় পৰিচয় সলনি কৰিব পাৰে।

সংগঠনমূলক দৃষ্টিভংগীয়ে আদিম আৰু সংস্থাগত দুয়োটা দৃষ্টিভংগী নস্যাৎ কৰে। ইয়াৰ মতে জাতীয় গোটসমূহ হৈছে কেৱল মানুহৰ সামাজিক আন্তঃবিনিময়ৰ ফচল এনেদৰে সমাজৰ গঠন হয়।

১৫.৬ বহুসংস্কৃতিবাদ ঃ অর্থ আৰু সমস্যা

বহুসংস্কৃতিবাদ হৈছে সমাজত বহুতো গোটৰ সাংস্কৃতিক আদান-প্রদানৰ ফলত সৃষ্টি হোৱা পৰিঘটনা। ভাৰতৰ বর্ণিল সংস্কৃতিৰ আঁৰত আছে ইয়াৰ দীঘলীয়া ইতিহাস, একক ভূগোল আৰু বিস্তৃত পৰিসীমা। অৱশ্যে বহুসংস্কৃতিবাদ সংজ্ঞাৰে সাংস্কৃতিকভাৱে বর্ণিল সমাজ এখনক বুজোৱা হোৱা নাই, বৰং ইয়াৰে এনে এক নীতিক সুচোৱা হৈছে যাৰদ্বাৰা সাংস্কৃতিক ভিন্নতা ৰক্ষা পৰে। বহুসংস্কৃতিবাদে অস্তিত্ব, গ্রহণযোগ্যতা অথবা এক নির্দিষ্ট ক্ষেত্রৰ ভিতৰত ভিন্নমুখী সাংস্কৃতিক পৰম্পৰাৰ প্রসাৰতাক সুচাইছে।

বেটেইলি (২০০৩)ৰ মতে, 'এয়া হৈছে বিশ্বৰ অধিকাংশ মূল ধর্ম যেনে হিন্দু আৰু বৌদ্ধ ধর্মৰ উৎপত্তিৰ স্থান আনহাতে আনবোৰ ধর্ম যেনে খ্রীষ্টধর্ম আৰু ইছলাম ধর্মৰ প্রৱেশ ইয়াত বাহিৰৰ পৰা হৈছে যদিও হাজাৰ বছৰৰ ভিতৰত এই ধর্মসমূহে পৰিৱর্তিত ৰূপ লৈছে। এই মহাসংগমত মিলিত হোৱা ভাষিক, ধর্মীয় আৰু আন আচাৰ-আচৰণ বিভিন্ন জাতি, সম্প্রদায়, জনজাতিৰ মাজত সিচৰতি হৈ আছিল আৰু এইসমূহবোৰ বিভিন্ন উপ শাখা আৰু সংস্কৃতি আছে যিবোৰ পুৰুষাণুক্রমে বাগৰি আহিছে।'

- **বহুসংস্কৃতিবাদৰ সুবিধাসমূহ**

যেতিয়া মানুহে জীৱনৰ বিভিন্ন দিশৰ বিষয়ে শিকে তেতিয়া জাতিসমূহৰ মাজত অজ্ঞতাৰ বাবে সৃষ্টি হোৱা পৰিধিৰ অৱসান ঘটে। বুজি নোপোৱা সংস্কৃতিৰ বিষয়ে বুজি উঠাত ইয়াৰদ্বাৰা সহায়ক হয়। বহুসংস্কৃতিবাদ বা একেসময়তে বহুকেইটা সংস্কৃতিৰ অস্তিত্বই অপৰিচিত সংস্কৃতিৰ বিষয়ে বুজাত সহায় কৰে। আমি ইয়াৰ দ্বাৰা জ্ঞানৰ ফালৰ পৰা সমৃদ্ধ হোৱাৰ লগতে আনৰ সংস্কৃতিক সন্মান কৰিবলৈ শিকো।

- **বহুসংস্কৃতিবাদৰ অসুবিধাসমূহ**

বিভিন্ন সংস্কৃতিৰ সহাৱস্থানৰ ফলত বিভিন্ন মত, চিন্তা আৰু আচৰণৰ সমাৱেশ ঘটে। সাংস্কৃতিক ভিন্নতাই এখন সমাজত খণ্ডিত কৰিব পাৰে। সংখ্যালঘূসকলৰ মাজত বৈষম্যৰ ভাৱৰ সৃষ্টি হোৱাৰো আশংকা প্রকাশ পায়। মানুহে প্রায়ে নিজৰ সংস্কৃতি আৰু ধর্মক শ্রেষ্ঠ জ্ঞান কৰি আনৰ ধর্ম আৰু সংস্কৃতিক হেয় জ্ঞান কৰে। এই উচাত্মিকাবোধৰ বাবেই তেওঁলোকে সামাজিক

আৰু অৰ্থনৈতিক সমস্যাৰ বাবে সংখ্যালঘু গোষ্ঠীসমূহক দোষাৰোপ কৰিবলৈ শিকে যিটো একেবাৰে শুদ্ধ নহয়। বহুসংস্কৃতিবাদৰ ফলতে গোষ্ঠী সংঘৰ্ষৰ সূত্রপাত হ'ব পাৰে কাৰণ এখন সমাজত বিভিন্ন মতৰ প্ৰচলন থকাৰ ফলত সম্প্ৰীতি বৰ্তাই ৰখাটো কেতিয়াবা কঠিন হৈ পৰে। মতভেদৰ সৃষ্টি হ'লে মানুহে নিজৰ মূল্যবোধ পাহৰি কথাই প্ৰতি ইজনে সিজনক দোষাৰোপ কৰা আৰম্ভ কৰে। বৰ্ণবৈষম্যবাদৰ উৎপত্তিৰ কাৰণো এনে ধৰনৰ প্ৰতিক্ৰিয়াই বুলি ক'ব পাৰি।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সাম্প্ৰদায়িকতাবাদ মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাজনৈতিক দলসমূহে কেনেকৈ আঞ্চলিকতাবাদৰ প্ৰসাৰ চলায়?

.....

.....

প্ৰশ্ন নং ৩ ঃ জাতীয়তাবাদ বুলি ক'লে কি বুজা?

.....

.....

প্ৰশ্ন নং ৪ ঃ ভাৰতত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ এক উদাহৰণ দিয়া।

.....

.....

প্ৰশ্ন নং ৫ ঃ বহুসংস্কৃতিবাদৰ ফলত কেনেকৈ গোষ্ঠী সংঘৰ্ষৰ সূত্রপাত হয়?

.....

.....



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক সমস্যা মানে হৈছে সমাজৰ সকলো স্তৰ বা এটা অংশই বিৰোধিতা কৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি। এয়া হৈছে এক অবাঞ্ছিত সামাজিক পৰিস্থিতি আৰু ইয়াৰ বিৰোধ আৱশ্যাম্ভাৰী কাৰণ ইয়াৰ প্ৰচলন সমাজৰ বাবে ক্ষতিকাৰক।
- বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ সৈতে সংখ্যাগুৰু সম্প্ৰদায়ৰ ধৰ্মীয়-সামাজিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যাক 'সাম্প্ৰদায়িকতাবাদ' আখ্যা দিব পাৰি।
- ব্ৰিটিশসকলে প্ৰৱৰ্তন কৰা বিভাজনৰ ৰাজনীতিয়ে আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থত বৃহৎ পৰিমাণৰ

আঘাত হানি হিন্দু আৰু মুছলমানসকলৰ মাজত এক অদৃশ্য প্ৰাচীৰৰ সৃষ্টি কৰিছিল।

- আঞ্চলিক একতাৰ সীমা অতিক্ৰম কৰি একমাত্ৰ কেৱল নিজৰ অঞ্চলৰ স্বাৰ্থ সুৰক্ষা কৰিবলৈ উঠি পৰি লাগে। আঞ্চলিকতাবাদে দেশৰ বাহিৰে ভিতৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অঞ্চলসমূহৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত আঞ্চলিকতাবাদৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।
- আঞ্চলিকতাবাদক কেতিয়াও অস্বাস্থ্যকৰ বা ৰাষ্ট্ৰদ্ৰোহী আখ্যা দিব নোৱাৰি যেতিয়ালৈকে ইয়াত বিচ্ছিন্নতাবাদী চিন্তাৰ উন্মেষ ঘটাব পৰা উগ্ৰবাদ বা আগ্ৰাসী মনোভাৱ জৰিত হৈ নপৰে। যদি এটা অঞ্চলৰ বাসিন্দাসকলে নিজৰ ভাষা আৰু সংস্কৃতিক লৈ গৰ্ব অনুভৱ কৰে তেনেহ'লে এই কাৰ্যৰে ৰাষ্ট্ৰীয় একতা বিঘ্নিত নহয়।
- যদি প্ৰাকৃতিক সম্পদসমূহ নিৰ্দিষ্ট হাৰত বিতৰণ কৰা হয় তেনেহ'লে আঞ্চলিকতাবাদৰ সমস্যা দূৰ কৰাটো সহজ হৈ পৰিব।
- জাতীয় গোট মানে হৈছে এনে গোট যিয়ে নিজকে নিৰ্দিষ্ট সম্প্ৰদায়ৰূপে পৰিচয় দিয়ে বা আন গোটে তেওঁলোকক সুকীয়া হিচাপে জ্ঞান কৰে।
- খাদ্যাভ্যাস, ধৰ্ম, বস্ত্ৰ, ভাষা আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি নিজৰ অস্তিত্ব প্ৰকাশ কৰাৰ কথাকে ইয়াত প্ৰকাশ কৰা হৈছে।
- জাতীয় গোট মানে হৈছে এনে গোট যিয়ে নিজকে নিৰ্দিষ্ট সম্প্ৰদায়ৰূপে পৰিচয় দিয়ে বা আন গোটে তেওঁলোকক সুকীয়া হিচাপে জ্ঞান কৰে। জাতীয়তাবাদ হৈছে সংস্কৃতি, ভাষা, ধৰ্ম আৰু পৰম্পৰা আদি কেতবোৰ সুকীয়া বৈশিষ্ট্য।
- বহুসংস্কৃতিবাদ সংজ্ঞাৰে সাংস্কৃতিকভাৱে বৰ্ণিল সমাজ এখনক বুজোৱা হোৱা নাই, বৰং ইয়াৰে এনে এক নীতিক সুচোৱা হৈছে যাৰদ্বাৰা সাংস্কৃতিক ভিন্নতা ৰক্ষা পৰে। বহুসংস্কৃতিবাদে অস্তিত্ব, গ্ৰহণযোগ্যতা অথবা এক নিৰ্দিষ্ট ক্ষেত্ৰৰ ভিতৰত ভিন্নমুখী সাংস্কৃতিক পৰম্পৰাৰ প্ৰসাৰতাক সুচাইছে।



১৫.৮ অধিক জানিবলৈ

১) Ahuja. R (1997), "Social problems in India (second edition)" Rawat publication; New Delhi

১৫.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্ৰদায়িকতাবাদ হৈছে এনে আদৰ্শ য'ত আগ্ৰহৰ ভিন্নতা আৰু বিভিন্ন সময়ত সৃষ্টি হোৱা ধৰ্মীয় সম্প্ৰদায়ৰ মাজত বিবাদক ভিত্তি কৰি সমাজ বিভাজনৰ

ব্যাখ্যা আগবঢ়োৱা হয়। সাম্প্রদায়িকতাবাদ হৈছে বিভিন্ন সম্প্রদায়ৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি থকা একধৰণৰ বিৰোধভাৱ।

ৰাম আহুজাৰ মতে, 'এটা সম্প্রদায়ৰ সদস্যসকলে আন এটা সম্প্রদায়ৰ বা ধৰ্মৰ ক্ষেত্ৰত অনুশীলন কৰা বিৰোধভাৱক সাম্প্রদায়িকতাবাদ আখ্যা দিব পাৰি।'

২নং প্রশ্নৰ উত্তৰ ঃ ৰাজনৈতিক দল, বিশেষকৈ স্থানীয় নেতাসকলে আঞ্চলিক আৱেগ, আঞ্চলিক পৰ্যায়ৰ বঞ্চনাক বিবাদৰ ভেঁটিলৈ ৰূপান্তৰ কৰে। এনে নেতাই আঞ্চলিক সমস্যাসমূহক নিজৰ নিৰ্বাচনী ইস্তাহাৰত স্থান দি ৰাজনৈতিক আৰু আঞ্চলিক উন্নয়নৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ দ্বাৰা ৰাজনৈতিক দলসমূহে নিজৰ ভোটৰ ভেঁটি মজবুত কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ জাতীয়তাবাদ হৈছে সংস্কৃতি, ভাষা, ধৰ্ম আৰু পৰম্পৰাৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্য যাৰদ্বাৰা এটা গোটৰ পৰিচয় প্ৰকাশ পায়।

৪নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত হোৱা কেতবোৰ সাম্প্রদায়িক সংঘৰ্ষৰ উদাহৰণ হৈছে-১১৯২ চনত অযোধ্যাত বাবৰি মছজিদ ধ্বংসৰ ফলত হিন্দু-মুছলমানৰ হোৱা সাম্প্রদায়িক সংঘৰ্ষ। ২০১২ চনৰ অসমৰ গোষ্ঠী সংঘৰ্ষ য'ত বড়ো আৰু ইছলামধৰ্মী লোকসকল সংঘৰ্ষত লিপ্ত হৈছিল। ২০১৩ চনত বিহাৰৰ মুজফফৰনগৰত জাট আৰু মুছলিম সম্প্রদায়ৰ লোকৰ মাজত হোৱা সংঘৰ্ষ।

৫নং প্রশ্নৰ উত্তৰ ঃ বহুসংস্কৃতিবাদৰ ফলতে গোষ্ঠী সংঘৰ্ষৰ সুত্রপাত হ'ব পাৰে কাৰণ এখন সমাজত বিভিন্ন মতৰ প্ৰচলন থকাৰ ফলত সম্প্রীতি বৰ্তাই ৰখাটো কেতিয়াবা কঠিন হৈ পৰে। মতভেদৰ সৃষ্টি হ'লে মানুহে নিজৰ মূল্যবোধ পাহৰি কথাই প্ৰতি ইজনে সিজনক দোষাৰোপ কৰা আৰম্ভ কৰে। ইয়াৰ ফলত ঘৃণা আৰু হত্যাযজ্ঞৰ আৰম্ভ হয়।



১৫.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ সাম্প্রদায়িকতাবাদৰ কাৰণ কি কি?

প্রশ্ন নং ২ ঃ বহুৰঙী সংস্কৃতিৰ এখন সমাজত বাস কৰাটো ভাল কথা হয় নে? যুক্তি দৰ্শাই ব্যাখ্যা কৰা।

(খ) ৰচনাধৰ্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন নং ১ ঃ জাতীয়তাবাদে কেনেকৈ ৰাষ্ট্রীয়তাবাদক ক্ষতিগ্রস্ত কৰিছে?

প্রশ্ন নং ২ ঃ আঞ্চলিকতাবাদৰ সমস্যা দূৰ কৰিবলৈ কি উপায় আছে?

*** ***** ***



প্রসঙ্গ পুথি

1. Ahuja. R (1997), “Social problems in India (second edition)” Rawat publication; New Delhi
2. A. R. Desai Rural Sociology, Popular Prakashan, Mumbai
3. Datt & Sundharam, (2008) “Indian Economy”; S. Chand & Company Pvt. Ltd., New Delhi.
4. Joshi, P.C. Land Reforms in India, in A. R Desai *Rural Sociology in India*, pp. 445-475.
5. Jorge I. Domínguez, Smuggling, Foreign Policy, No. 20 (Autumn, 1975), pp. 87-96+161-164. Available at http://www.jstor.org/stable/1148128
6. Nagla, B.K. (2011). *Indian Sociological Thought*. New Delhi: Rawat Publication.
7. Pranab Bardhan, Corruption and Development: A Review of Issues, Journal of Economic Literature, Vol. 35, No. 3 (Sep., 1997), pp. 1320-1346, Available at http://www.jstor.org/stable/2729979
8. Rao, C. N. Shankar, (2008) “ Sociology, Principles of Sociology with an Introduction to Social Thought”; S. Chand & Company Pvt. Ltd., New Delhi.
9. Rao, C.N. (2009). *Sociology: Principles of Sociology with an introduction to Social Thought*. New Delhi: S.Chand Publications.
10. Robert Wade, Corruption: Where Does the Money Go?, Economic and Political Weekly, Vol. 17, No. 40 (Oct. 2, 1982), p. 160, Available at http://www.jstor.org/stable/4371424
11. Sachin Chaudhuri, Facade of Black Money, Economic and Political Weekly, Vol. 20, No. 28 (Jul. 13, 1985), p. 1153. Available at http://www.jstor.org/stable/4374568
12. Sachin Chaudhuri, Laundering Black Money, Economic and Political Weekly Vol. 16, No. 3 (Jan. 17, 1981), pp. 41-42, Available at http://www.jstor.org/stable/4369411
13. Thorner, Daniel. (1976). *The Agrarian Prospect in India*, New Delhi: Allied Publishers Pvt Ltd.